পুৰনি অসমীয়া সাহিত্যৰ ইতিহাস

(গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ
গুৰু আৰু সাধাৰণ পাঠ্যক্ৰম অনুসৰি প্ৰস্তুত প্ৰসঙ্গ পুথি)

ড প্ৰফুল্ল কুমাৰ নাথ
চিলেকচন গ্ৰেড অধ্যাপক অসমীয়া বিভাগ
গুৱাহাটী মহাবিদ্যালয়

SPECIMEN COPY
NOT FOR SALE

বুক লেণ্ড
পাণবজাৰ গুৱাহাটী-১

Purani Asamiya Sahityar Itihas – a history of early Assamsese literature, written by Dr. Prafulla Kumar Nath, Selection-Grade Lecturer, Department of Assamese, Guwahati College and published by Binod Nath, on behalf of Bookland, Panbazar, Guwahati-1.

প্ৰকাশক ঃ

বিনোদ নাথ

পাণবজাৰ

গুৱাহাটী ৭৮১ ০০১

ফোন নং (০৩৬১) ২৬৩৭৭৭১

মূল্য ঃ ১৩৫.০০ টকা

প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০০৯

সম্পাদকীয়

পুৰণি অসমীয়া সাহিত্যৰ ইতিহাস — অসমীয়া সাহিত্যৰ আৰম্ভণিৰ পৰা শংকৰোত্তৰ যুগলৈকে সামৰি ৰচনা কৰা অসমীয়া সাহিত্যৰ এখনি প্ৰণালীবদ্ধ ইতিহাসগ্ৰন্থ। এই গ্ৰন্থৰ আৰম্ভণিতে অসমীয়া সাহিত্যৰ ইতিহাসৰ পটভূমিস্বৰূপে অসমৰ ৰাজনৈতিক অৰ্থনৈতিক আৰু ধৰ্মীয় ইতিহাসৰ লগতে অসমীয়া ভাষা অসমৰ লিপিৰ সংক্ষিপ্ত ইতিহাসৰ এটি ৰূপৰেখা প্ৰস্তুত কৰা হৈছে।

সাহিত্যৰ ইতিহাস ৰচনা অত্যন্ত দুৰূহ আৰু জটিল কাম। এনে কামৰ বাবে বিস্তৃত অধ্যয়ন গভীৰ তথ্য অনুসন্ধিৎসা প্ৰণালীবদ্ধ বিচাৰ বিশ্লেষণ আৰু সঠিক আৰু নিৰ্ভৰযোগ্য সমলৰ প্ৰয়োজন। এনে সমলৰ পৰ্যাপ্তিৰ অভাৱৰ বাবেই অসমীয়া সাহিত্যৰ এখনি প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত ইতিহাস আজিও সম্ভৱ হৈ উঠা নাই।

দ্বিতীয়তে সাহিত্যৰ ইতিহাস প্ৰণয়নৰ কাৰণে প্ৰয়োজন এটি সন্মিলিত আনুষ্ঠানিক পক্ৰিয়াৰ। এনে প্ৰক্ৰিয়াৰ সৈতে অৱশ্যে বিদ্যায়তনিক দিশটো জড়িত হৈ থাকিব লাগিব। অসমৰ বিশ্ববিদ্যালয়সমূহৰ সাহিত্যৰ বিভাগসমূহৰ সন্মিলিত প্ৰচেষ্টাত এনে গুৰুত্বপূৰ্ণ কাম এটি সম্পাদিত হৈ উঠিব পাৰে। কিন্তু তাৰ বাবে প্ৰয়োজন সবল নেতৃত্বৰ গভীৰ আন্তৰিকতাপূৰ্ণ স্বদেশপ্ৰেমৰ সততা নিষ্ঠা আৰু ত্যাগৰ মনোভাৱ। আমাৰ ব্যক্তিগত সীমাবদ্ধতা সত্ত্বেও এখনি বিজ্ঞানসন্মত ইতিহাস প্ৰণয়ন কৰি উলিয়াবৰ কাৰণে প্ৰয়াস কৰিছো আৰু তাৰ বাবে পূৰ্বসূৰী বিদ্বৎসকলৰ লেখনিৰ পৰা লগতে অন্যান্য বিভিন্ন উৎসৰ পৰা পাৰ্যমানে সমল সংগ্ৰহ কৰিছোঁ। এইক্ষেত্ৰত গ্ৰন্থ ৰচনাৰ পদ্ধতিগত নিয়ম অনুসাৰে স কত সূত্ৰ দি যোৱা হৈছে। কৃতজ্ঞতা সহকাৰে জনাওঁ যে গ্ৰন্থখনি প্ৰস্তুত কৰাত ইতিমধ্যে প্ৰকাশিত ভালেমান গ্ৰন্থৰ সহায় লোৱা হৈছে আৰু তেনে গ্ৰন্থৰ এখনি 'নিৰ্বাচিত গ্ৰন্থপঞ্জী গ্ৰন্থৰ শেষত সন্নিবিষ্ট কৰা হৈছে। গ্ৰন্থখনি মুঠ দহটা অধ্যায়ত বিভক্ত কৰা হৈছে আৰু প্ৰতিটো অধ্যায়ৰ অন্তৰ্গত বিভিন্ন বিষয়সমূহ প্ৰণালীবদ্ধভাৱে আৰু তথ্যসমৃদ্ধৰূপত উপস্থাপনৰ প্ৰয়াস কৰা হৈছে। পুৰণি অসমীয়া সাহিত্যৰ পটভূমিস্বৰূপে ভাষা আৰু লিপিৰ বিষয়ে কৰা আলোচনাৰ আধুনিক অংশটো ছাত্ৰ ছাত্ৰীৰ সুবিধাৰ্থে গ্ৰন্থৰ শেষত পৰিশিষ্টৰূপে সংলগ্ন কৰা হৈছে। আমাৰ ব্যক্তিগত সীমাবদ্ধতাৰ বাবে ইয়াত ত্ৰুটি বৈ যোৱাটো স্বাভাৱিক। পৰৱৰ্তী সংস্কৰণত সেইসমূহ দূৰ কৰাৰ প্ৰয়াস কৰা হ'ব।

আৰম্ভণিৰে পৰা ইতিমধ্যে প্ৰকাশিত সাহিত্যৰ ইতিহাস গ্ৰন্থৰ ভিতৰত দেবেন্দ্ৰনাথ বেজবৰুৱাৰ 'অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী (১৯১২) ডিম্বেশ্বৰ নেওগৰ 'আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী (১৯৩৬) অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি (১৯৪০) অসমীয়া সাহিত্যৰ বুৰঞ্জী (১৯৪৮) সত্যেন্দ্ৰনাথ শৰ্মাৰ 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত (১৯৫৯) মহেশ্বৰ নেওগৰ অসমীয়া সাহিত্যৰ ৰূপৰেখা (১৯৬২) যতীন্দ্ৰনাথ গোস্বামীৰ 'অসমীয়া সাহিত্যৰ

চমু বুৰঞ্জী (১৯৫৭) আদি অসমীয়া সাহিত্যৰ ইতিমধ্যে প্ৰণীত কেইখনমান উল্লেখযোগ্য ইতিহাস গ্ৰন্থ। ইয়াৰ বাহিৰেও বিৰিঞ্চি কুমাৰ বৰুৱাৰ Assamese Literature (1941) আৰু Modern Assamese Literature (1957) আৰু বাণীকান্ত কাকতি Aspect of Early Assamese Literature (1953) আদি ইতিহাসৰ তথ্যসমৃদ্ধ গ্ৰন্থ। পণ্ডিত হেমচন্দ্ৰ গোস্বামী প্ৰণীত 'অসমীয়া সাহিত্যৰ চানেকি আৰু কনকলাল বৰুৱাৰ — (Early History of Kamrup) গ্ৰন্থতো সাহিত্যৰ ইতিহাসৰ সমল পোৱা যায়। পৰৱৰ্তী কালত শৈলেন ভৰালীৰ 'আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস হৰিনাথ শৰ্মা দলৈৰ 'অসমীয়া সাহিত্যৰ পূৰ্ণ-ইতিহাস আৰু আনন্দৰাম বৰুৱা ভাষা সাহিত্য সংস্কৃতি কলা পৰিষদৰ দ্বাৰা প্ৰস্তাৱিত ছটা খণ্ডৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ ভিতৰত ইতিমধ্যে তিনিটা খণ্ড (যথাক্ৰমে ১ম ২য় আৰু ষষ্ঠ) প্ৰকাশ পাইছে।

আমাৰ গ্ৰন্থখনি প্ৰস্তুত কৰোঁতে বিভিন্ন ক্ষেত্ৰত সহায়ৰ হাত আগবঢাইছে ভ্ৰাতৃপ্ৰতীম অতুল দাস সহকৰ্মী দেৱযানী মোৰ ছাত্ৰ ধীৰাজ সুব্ৰতজ্যোতি আদিযে। গুৱাহাটীৰ বিশিষ্ট গ্ৰন্থপ্ৰকাশ 'বুকলেণ্ডে গ্ৰন্থখনি প্ৰকাশ কৰিবৰ বাবে আগবাঢি অহা বাবে অতি খৰতকীয়াকৈ গ্ৰন্থখনি প্ৰস্তুত কৰি উলিওৱা হ'ল। এইক্ষেত্ৰত 'বুকলেণ্ড প্ৰকাশন'ৰ সৰ্বশ্ৰী অজয় কমি প্ৰাঞ্জল কণিকা আদিৰ তৎপৰতাৰ কথা স্বীকাৰ কৰিব লাগিব। গ্ৰন্থখনি অৰ্পণ কৰা হৈছে মোৰ এগৰাকী বন্ধু আৰু সতীৰ্থ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড উপেন্দ্ৰ ৰাভা হাকচামৰ হাতত। মোৰ সহধৰ্মিনী আৰু অন্যান্য যিসকল এই গ্ৰন্থৰ প্ৰেক্ষাপটত জড়িত হৈ আছে, সকলোলৈকে আন্তৰিক শলাগ জনালোঁ। শেষত যিসকলৰ বাবে গ্ৰন্থখনি প্ৰণয়ন কৰা হৈছে, তেওঁলোক উপকৃত হ'লে আমাৰ শ্ৰম সাৰ্থক হ'ব।

ড প্ৰফুল্ল কুমাৰ নাথ
চিলেকচন গ্ৰেড অধ্যাপক
গুৱাহাটী মহাবিদ্যালয়

তাং ১৫/১২/০৮

ঃ অৰ্পণ ঃ

মোৰ প্ৰিয় সতীৰ্থ

আৰু

অন্তৰঙ্গ বন্ধু

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া

বিভাগৰ অধ্যাপক

ড° উপেন ৰাভা হাকাচামৰ

হাতত -

আন্তৰিক মৰম আৰু শুভেচ্ছাৰে

SYLLABUS

Gauhati University

প্ৰথম প্ৰশ্নকাকত

মূল্যাংক ১০০

প্ৰথম খণ্ড

(অসমীয়া সাহিত্যৰ বুৰঞ্জী — ৮০)

আৰম্ভণিৰ পৰা ১৯৬০ চনলৈকে

- লোক সাহিত্য
- চৰ্যাপদ
- শ্ৰীকৃষ্ণ কীৰ্ত্তন
- প্ৰাক শংকৰী যুগ
- শংকৰী যুগ
- উত্তৰ শংকৰী যুগ
- অৰুণোদয় যুগ
- জোনাকী যুগ
- আৱাহন যুগ

দ্বিতীয় খণ্ড

(লিপি আৰু অনুশাসনৰ অধ্যয়ন — ২০)

অসমীয়া লিপিৰ ক্ষেত্ৰত বিদ্যাৰ্থীসকলে অসমীয়া লিপিৰ সম্পৰ্কে প্ৰাথমিক ধাৰণা ল'ব লাগিব তদুপৰি ব্ৰহ্মী লিপিৰ পৰা অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে জানিব লাগিব। লগতে কানাই বৰশী বোৱা লিপি আৰু চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপিৰ বিশেষ অধ্যয়ন কৰিব লাগিব।

Dibrugarh University

প্ৰথম বাৰ্ষিক ঃ প্ৰথম প্ৰশ্নকাকত

মূল্যাংক ১০০

প্ৰথম খণ্ড

(অসমীয়া সাহিত্যৰ বুৰঞ্জী)

অসমীয়া সাহিত্যৰ ইতিহাস আৰু যুগভিত্তিক সাহিত্যৰাজিৰ পৰিচয় মূলক জ্ঞান আহৰণৰ বাবে এই কাকতখন প্ৰস্তুত কৰা হৈছে।

প্ৰথম গোট

(১) অসমীয়া সাহিত্যৰ যুগ বিভাজন আৰু যুগ সমূহৰ পৰিচয় (আৰম্ভণিৰ পৰা ১৯৫০ চনলৈকে)

(২) বিবিধ লোক সাহিত্য (বিবিধ লোকগীত ডাকৰ বচন মন্ত্ৰ)

(৩) চৰ্যাপদ

দ্বিতীয় গোট ঃ

(১) প্ৰাক শংকৰী যুগৰ সাহিত্য

(২) বৈষ্ণৱ যুগৰ সাহিত্য

(৩) উত্তৰ বৈষ্ণৱ যুগৰ সাহিত্য

(আধুনিক যুগৰ বাবে মূল্যাংক ৬০)

Dibrugarh University

চতুৰ্থ প্ৰশ্নকাকত

মূল্যাংক ১০০

পুৰণি ভাগ — ৫০

প্ৰথম খণ্ড ঃ

(১) অসমীয়া সাহিত্যৰ যুগসমূহৰ পৰিচয়

(২) প্ৰাক বৈষ্ণৱ যুগৰ সাহিত্য

(৩) অসমীয়া লোক সাহিত্য

(৪) বৈষ্ণৱ যুগৰ সাহিত্য

আধুনিক ভাগ — ৫০

সূচীপত্ৰ

অধ্যায় পৃষ্ঠা

প্ৰথম অধ্যায় : ১—৪৫

ত্ৰয়োদশ শতিকাৰ আৰম্ভনিলৈকে অসমৰ ৰাজনৈতিক ইতিহাসৰ পটভূমি : ১

পুৰণি অসমৰ অৰ্থনৈতিক ইতিহাসৰ চমু আভাস

পুৰণি অসমীয়া ভাষাৰ চমু ইতিহাস ৮

উত্তৰকালীন অসমীয়া ভাষা — প্ৰাচীন অসমীয়া ভাষা

মধ্যযুগৰ অসমীয়া ভাষা ।

পুৰণি অসমীয়া লিপিৰ সংক্ষিপ্ত ইতিহাস : ১৬

কামৰূপী লিপি — মধ্যযুগৰ অসমীয়া লিপি ।

পুৰণি অসমৰ ধৰ্মৰ ইতিহাস ২০

শৈৱ ধৰ্ম — শাক্ত ধৰ্ম — কৈৱৰ্তজ ধৰ্ম — বৈষ্ণৱ ধৰ্ম — বৌদ্ধ ধৰ্ম — নাথ ধৰ্ম।

দ্বিতীয় অধ্যায় ৪৬ ৮৩

চৰ্যাগীত : ৪৬

মন্ত্ৰসাহিত্য ইযাৰ শ্ৰেণীবিভাজন আৰু বৈশিষ্ট্য ৫২

প্ৰাচীন কামৰূপত তন্ত্ৰ মন্ত্ৰৰ চৰ্চা — তন্ত্ৰ মন্ত্ৰ আৰু যোগ সাধন পদ্ধতিত মন্ত্ৰৰ গুৰুত্ব

মন্ত্ৰৰ শক্তি — বৈদিক সাহিত্যত মন্ত্ৰ — মন্ত্ৰৰ ভাষা — মন্ত্ৰসিদ্ধিৰ বাবে গুৰুৰ প্ৰাধান্য — মন্ত্ৰৰ শ্ৰেণীবিভাজন — মন্ত্ৰৰ ব্যাপকতা — মন্ত্ৰ সাহিত্যৰ বৈশিষ্ট্য।

নাথ সম্প্ৰদায়ৰ সাহিত্য ৫৩

চৰ্যাগীত — গোৰক্ষবিজয় — মীনচেতন — ময়নামতীৰ গান — গোবিন্দচন্দ্ৰৰ গীত — হাড়মালা — অনাদ্য চৰিত্ৰ — মনসাকাব্য।

তৃতীয় অধ্যায় ৮৪ ১০৬

শূন্য পুৰাণ : ৮৪

শ্ৰীকৃষ্ণ কীৰ্ত্তন : ৮৭

অসমৰ লোক সাহিত্য : ৯০

লোকগীত ঃ ৯১

বিহুগীত — বিয়ানাম — আইনাম —সখিয়ী সবাহুৰ নাম — অপেচৰা সবাহুৰ নাম — মহহো গীত।

আখ্যানমূলক গীত ঃ ৯৫

বুৰঞ্জীমূলক — জনশ্ৰুতিমূলক — কাল্পনিক।

বিবিধ বিষয়ক লোকগীত ঃ ৯৮

ধাইনাম — খেল ধেমালি গীত — নাওখেলাৰ গীত — সদাশিৱৰ নাম — মন্ত্ৰ সাহিত্য ।

তত্ত্বমূলক গীত ঃ ১০০

দেহবিচাৰৰ গীত — টোকাৰী গীত — বৃন্দাবনী গীত — জিকিৰ।

ডাকৰ বচন ঃ ১০৩

সাঁথৰ ঃ ১০৩

ফকৰা ঃ ১০৪

যোজনা-পটন্তৰ ঃ ১০৪

সাধুকথা ঃ ১০৫

চতুৰ্থ অধ্যায় ১০৭ ১২৬

প্ৰাক-শংকৰী যুগৰ অসমীয়া সাহিত্য

হেম সৰস্বতী — হৰিবৰ বিপ্ৰ — কবিৰত্ন সৰস্বতী — ৰুদ্ৰ কন্দলি — মাধৱ কন্দলি

পঞ্চম অধ্যায় ১২৭ ১৮৭

অসমৰ নৱ-বৈষ্ণৱ ভক্তিধৰ্মৰ সামাজিক পটভূমি ঃ ১২৭

ভক্তিকালৰ সাধাৰণ বিশেষত্ব — অসমত নৱবৈষ্ণৱ ভক্তিধৰ্ম।

শঙ্কৰদেৱ ১৩১

সাহিত্য প্ৰতিভা — কীৰ্ত্তন ঘোষা — গুণমালা — ভক্তি প্ৰদীপ — ভক্তি-ৰত্নাকৰ — নিমি-নৱসিদ্ধ সংবাদ — অনাদিপাতন — বৰগীত — হৰিচন্দ্ৰ উপখ্যান — ৰুক্মিণী হৰণ কাব্য — অজামিল উপখ্যান — অমৃত মন্থন — বলিচলন— কুৰুক্ষেত্ৰ যাত্ৰা — অঙ্কীয়া নাটক — অনুবাদমূলক ৰচনা।

মাধৱদেৱ ঃ ১৫০

ৰচনা সম্ভাৰ — ৰাজসূয় কাব্য — জন্ম ৰহস্য — নাম মালিকা — ৰামায়ণৰ আদি কাণ্ড — ভক্তি-ৰত্নাৱলী — নামঘোষা — মাধৱদেৱৰ নাটক।

অনন্তকন্দলি ঃ ১৬৭

কুমৰ হৰণ কাব্য — বৃত্ৰাসুৰ বধ — ৰমায়ণ — ভাগৱতৰ অনুবাদ — বৈষ্ণৱামৃত আৰু জীৱ তুতি — নীতিৰত্ন আৰু কল্পদ্ৰুম।

ৰাম সৰস্বতী ১৭৭

জন্মস্থান — ৰাজপৃষ্ঠপোষকতা — ৰচনাৱলী — অনুবাদ ৰীতি — বৈষ্ণৱ প্ৰভাৱ — বধকাব্য সমূহ — সামাজিক প্ৰভাৱ।

ষষ্ঠ অধ্যায় ঃ ১৮৮ ২০৯

শঙ্কৰদেৱৰ সমসাময়িক আন কবিসকল ঃ ১৮৭

সাৰ্বভৌম ভট্টাচাৰ্য — ক সাৰী কায়স্থ — শ্ৰীধৰ কন্দলি — ৰত্নাকৰ কন্দলি — হৰিদেৱ — নাৰায়ণদাস ঠাকুৰ আতা — ৰত্নাকৰ মিশ্ৰ — চান্দসাই — দামোদৰ দেৱ।

পাঁচালী সাহিত্য ঃ ১৯৫

মনকৰ — দুৰ্গাবৰ — পীতাম্বৰ — সুকবি নাৰায়ণদেৱ — ষষ্ঠীবৰ।

সপ্তম অধ্যায় ২১০ ২৩৫

শংকৰোত্তৰ যুগৰ সাহিত্যৰ পটভূমি ঃ ২১০

ভট্টদেৱ ঃ ২২৪

চৰিত সাহিত্য ঃ ২৩২

বুৰঞ্জী সাহিত্য ঃ

অষ্টম অধ্যায় ২৩৬-২৬৩

শংকৰোত্তৰ যুগৰ কেইগৰাকী বিশিষ্ট লেখক ঃ ২৬৩

ৰামচৰণ ঠাকুৰ — গোপাল আতা — অনিৰুদ্ধ দেৱ — পুৰুষোত্তম ঠাকুৰ — বৰ যদুমণি — শ্ৰীৰাম আতা — ভাগৱত মিশ্ৰ — গোবিন্দ মিশ্ৰ — ভাগৱতাচাৰ্য — গোপাল মিশ্ৰ।

শংকৰোত্তৰ যুগৰ প্ৰধান অনুবাদকসকল ঃ ২৪৫

ভাগৱত পুৰাণৰ অনুবাদক সকল ঃ

শ্ৰীহৰিদাস — গোপালচৰণ দ্বিজ — কেশৱ কায়স্থ — অনিৰুদ্ধ কায়স্থ — বিষ্ণুভাৰতী — কলাপ চন্দ্ৰ দ্বিজ — জয়ৰাম।

মহাভাৰতৰ অনুবাদক সকল ঃ ২৫২

গোপীনাথ পাঠক — দামোদৰ দ্বিজ — বিদ্যাপঞ্চানন — দামোদৰ দাস — কবিশেখৰ — শ্ৰীনাথ দ্বিজ — কবীন্দ্ৰ পাত্ৰ — দ্বিজ কবিৰাজ।

ৰামায়ণৰ অনুবাদক সকল ঃ ২৬১

অনন্ত ঠাকুৰ আতা — ৰঘুনাথ মহন্ত — শিষ্টভট্টাচাৰ্য — ভৱানীনাথ দ্বিজ — অদ্ভুত আচাৰ্য।

নৱম অধ্যায় ২৬৪ ২৮০

শংকৰোত্তৰ যুগৰ পুৰাণ সাহিত্য ২৬৪

বিদ্যাচন্দ্ৰ কবি শেখৰ — কবিৰাজ চক্ৰৱৰ্তী — মধুসূদন মিশ্ৰ — বলৰাম দ্বিজ — দুৰ্গেশ্বৰ দ্বিজ — ৰতিকান্ত দ্বিজ — বিষ্ণুদেব গোস্বামী — দীন দ্বিজ — কবিচন্দ্ৰ দ্বিজ — পৰশুৰাম দ্বিজ — লক্ষ্মীকান্ত দ্বিজ — জয়ৰাম দাস — ৰুচিনাথ কন্দলী — ভৱানন্দ — চন্দ্ৰচূড় আদিত্য — দ্বিজ ৰমানন্দ ভুবনেশ্বৰ বাচস্পতি — ৰামগোবিন্দ মধুনাৰায়ণ কোঁৱৰ ৰুদ্ৰ সিংহ।

শংকৰোত্তৰ যুগৰ তান্ত্ৰিক আৰু শাক্ত সাহিত্য ২৭০

অনন্ত আচাৰ্য — ৰুচিনাথ কন্দলী — ৰঙ্গনাথ চক্ৰৱৰ্তী — ৰামচন্দ্ৰ বৰপাত্ৰ।

চৰিত পুথিৰ লেখক সকল ২৭৩

ভূষণ দ্বিজ — দৈত্যাৰি ঠাকুৰ — বৈকুণ্ঠ দ্বিজ — ৰামানন্দ দ্বিজ — ৰামৰায় — ৰমানন্দ দ্বিজ নীলকণ্ঠ দাস — ভদ্ৰচাৰু — জগতানন্দ দেব — ৰামনাথ — জয়নাৰায়ণ — ৰমাকান্ত — অম্বৰীশ দ্বিজ — সৰ্বানন্দ — অনিৰুদ্ধ দাস — শ্ৰীৰাম যদুমণি

দশম অধ্যায় ২৮১ ২৯৩

শংকৰোত্তৰ গীত ঃ ২৮১

শংকৰোত্তৰ নাট ঃ ২৮৪

ব্যৱহাৰিক সাহিত্য ২৮৯

গণিতশাস্ত্ৰ — জ্যোতিষশাস্ত্ৰ — চিকিৎসাশাস্ত্ৰ — টীকাশাস্ত্ৰ — ব্যাকৰণ — ছন্দ — স্মৃতিশাস্ত্ৰ।

পৰিশিষ্ট ২৯৪ ২৯৭

(ক) আধুনিক যুগৰ অসমীয়া ভাষা — যুদ্ধোত্তৰ যুগৰ অসমীয়া ভাষা।

(খ) আধুনিক অসমীয়া লিপি।

নিৰ্বাচিত গ্ৰন্থপঞ্জী ২৯৮-৩০৮

প্ৰশ্নাৱলী ৩০৯-৩১২

প্ৰশ্নকাকত ৩১৩-৩১৫

প্ৰথম অধ্যায়

ত্ৰয়োদশ শতিকাৰ আৰম্ভণিলৈকে অসমৰ ৰাজনৈতিক ইতিহাসৰ পটভূমি ঃ

ৰামায়ণ মহাভাৰত প্ৰভৃতি প্ৰাচীন মহাকাব্যসমূহত অসমৰ পুৰণি নাম প্ৰাগজ্যোতিষপুৰ বুলি উল্লেখ কৰা হৈছে। খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰ কৌটিল্যৰ অৰ্থশাস্ত্ৰত এই দেশৰ নাম পাৰ লৌহিত্য বুলি উল্লেখ কৰা হৈছে।[1] পৰৱৰ্তী কালত ৰচিত কালিকাপুৰাণ গ্ৰন্থত প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপ উভয় নামৰ প্ৰয়োগ ঘটিছে। কালিকাপুৰাণৰ মত অনুসৰি নৰকে ললিতকান্তাৰ পৰা কৰতোয়ালৈকে সমগ্ৰ দেশখনৰ পৰা কিৰাতসকলক উচ্ছেদ কৰি বেদজ্ঞ ব্ৰাহ্মণসকলক বহুওৱাৰ সময়ৰ পৰাই এই দেশৰ নাম কামৰূপ হয়। সেই সময়ত কামৰূপৰ পশ্চিম সীমা কৰতোয়া আৰু পূব সীমা দিক্কৰবাসিনী আছিল বুলি উক্ত পুৰাণত উল্লেখ কৰা হৈছে

'কৰতোৱা নদী পূৰ্ব, যাবদ দিক্কৰবাসিনীম্।
ত্ৰিংশদ যোজনবিস্তীৰ্ণ, যোজনৈকশতায়তম্।।
ত্ৰিকোণং কৃষ্ণবৰ্ণঞ্চ প্ৰভূতাচল-পূৰিতম্।
নদীশতসমাযুক্তং, কামৰূপং প্ৰকীৰ্ত্তিতম্।।[2]

কালিকাপুৰাণৰ দৰেই আন এখনি প্ৰাচীন গ্ৰন্থ যোগিনীতন্ত্ৰৰ পূৰ্ব খণ্ডৰ একাদশ অধ্যায়ত পুৰণি কামৰূপৰ চাৰিসীমাৰ উল্লেখ পোৱা যায় এনেদৰে

নেপালস্য কাঞ্চনাদ্ৰিং ব্ৰহ্মপুত্ৰস্য সঙ্গমম্।।
কৰতোয়াং সমাশ্ৰিত্য যাবদ্ দিক্কৰবাসিনীম্।
উত্তৰস্যাং কঞ্জগিৰি কৰতোয়া তু পশ্চিমে।।
তীৰ্থশ্ৰেষ্ঠাং দিক্ষু নদী পূৰ্বস্যাং গিৰি কন্যাকে।
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়া সঙ্গমাবধি।
কামৰূপ ইতিখ্যাতঃ সৰ্বশাস্ত্ৰেষু নিশ্চিত ।।

১ অৰ্থশাস্ত্ৰ ২/১১/৬৬
২ কালিকাপুৰাণ ৫১/৭৬-৭৭
৩ যোগিনীতন্ত্ৰ, পূৰ্বখণ্ড ১১/১৬-১৮

অৰ্থাৎ নেপালৰ কাঞ্চন পৰ্বতৰ পৰা ব্ৰহ্মাপুত্ৰৰ সঙ্গমলৈকে আৰু কৰতোয়াৰ পৰা দিক্কৰবাসিনীলৈকে ধৰি উত্তৰে কঞ্জ পৰ্বত পশ্চিমে কৰতোয়াৰ পৰা ইক্ষু নদীলৈকে পূবে গিৰিকন্যকলৈ আৰু দক্ষিণে লাক্ষা নদীৰ সৈতে ব্ৰহ্মাপুত্ৰৰ সঙ্গমলৈকে এই বিস্তৃত অঞ্চলটোক সকলো শাস্ত্ৰতে নিশ্চিতভাৱে কামৰূপ বুলি কয়।

পণ্ডিতসকলৰ মতে কালিকাপুৰাণ খ্ৰীষ্টিয় নৱম দশম শতিকাৰ ৰচনা। গতিকে অনুমান কৰিব পাৰি যে খ্ৰীষ্টিয দশম শতিকাত পশ্চিমে কৰতোয়াৰ পৰা পূবে দিক্কৰবাসিনীলৈ সমগ্ৰ অঞ্চল কামৰূপ ৰাজ্যৰ ভিতৰুৱা আছিল।

প্ৰাগজ্যোতিষ তথা কামৰূপত কেতিয়াৰ পৰা আৰ্যবসতি হৈছিল এই সম্পৰ্কে সঠিক সিদ্ধান্ত দিয়াটো সম্ভৱ নহয। অৱশ্যে নৰক প্ৰাগজ্যোতিষৰ ৰজা হোৱাৰ পৰাই ইয়াত আৰ্যবসতি হোৱা বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰে। আনহাতে নৰক আৰু তেওৰ বংশধৰসকলে কিমান দিন প্ৰাগজ্যোতিষত ৰাজত্ব কৰিছিল তাৰ কোনো ঐতিহাসিক বা পুৰাতাত্বিক তথ্য পোৱা নাযায়। নৰকৰ পৰৱৰ্তীকালত প্ৰাগজ্যোতিষপুৰ কামৰূপত ৰাজত্ব কৰা ৰাজবংশকেইটা হ'ল — (ক) বৰ্মন বংশ (৩৫৫ ৬৫০) (খ) শালস্তম্ভ বংশ (৬৫০ ৯৯০) (গ) পালবংশ (৯৯০ ১১৩৮) আৰু (ঘ) বৈদ্যদেৱ আৰু অন্যান্য ৰজাসকল (১১৩৮ ১২২৮)।

বৰ্মন বংশৰ ৰজা পুষ্যবৰ্মা (৩৫৫ ৮০) চতুৰ্থ শতিকাৰ উত্তৰ পূব ভাৰতৰ ৰজাসকলৰ ভিতৰত এগৰাকী প্ৰভাৱশালী ৰজা আছিল। নালন্দাৰ পোৰামাটিৰ মোহৰত পুষ্য বৰ্মাক 'মহাৰাজধিৰাজ' আখ্যা দিয়া হৈছে। ডুবিৰ তামৰ ফলিত পুষ্যবৰ্মাক মহাপ্ৰতাপী আৰু তেওৰ পুত্ৰ সমুদ্ৰ বৰ্মাক বাপেকৰ দৰেই বাহুবলী আৰু গুণী আছিল বুলি কোৱা হৈছে। নালন্দাৰ পোৰামাটিৰ মোহৰত তেওক 'ৰাজাধিৰাজ' আখ্যা দিয়া হৈছে। সুমদ্ৰবৰ্মাৰ পুত্ৰ বলবৰ্মাও অতি পৰাক্ৰমী ৰজা আছিল। কলহন বিৰচিত 'ৰাজতৰঙ্গিনী'ৰ মতে বমবৰ্মাৰ কন্যা অমৃতপ্ৰভাক কাশ্মীৰৰ ৰজা মেঘবাহনলৈ বিয়া দিয়া হৈছিল।

বলবৰ্মাৰ পিছত তেওঁৰ পুত্ৰ কল্যাণবৰ্মা (৪২০ ৪০) প্ৰাগজ্যোতিষৰ ৰজা হয়। এওঁ ডবাক ৰাজ্য জয় কৰে। কল্যাণ বৰ্মাৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ গণপতি বৰ্মা (৪৪০ ৫০) কামৰূপৰ ৰজা হয়। গণপতি বৰ্মাৰ পুত্ৰ মহেন্দ্ৰ বৰ্মাই (৪৫০ ৮৫) 'মহাধিৰাজ' উপাধি গ্ৰহণ কৰে। নালন্দা পোৰামাটিৰ মোহৰ অনুসৰি মহেন্দ্ৰ বৰ্মাই দুটাকৈ অশ্বমেধ যজ্ঞ সম্পাদন কৰিছিল। মহেন্দ্ৰ বৰ্মাৰ পুত্ৰ নাৰায়ণ বৰ্মাই (৪৮৫ ৫১০) ২৫ বছৰ কাল কামৰূপত ৰাজত্ব কৰে। নাৰায়ণ বৰ্মাৰ পুত্ৰ ভূতি বৰ্মায়ো (৫১০

---

৪ Chatterjee S K The place of Assam in the History and Civilization of India 1991 P 13

৫৫৫) শত্রু জয় কৰি ককাক মহেন্দ্র বৰ্মাৰ দৰেই অশ্বমেধ যজ্ঞ সম্পাদন কৰিছিল। ভূতি বৰ্মাৰ পুত্ৰ চন্দ্ৰমুখ বৰ্মা (৫৫৫ ৬) -ই সাগৰৰ পাৰলৈকে ৰাজ্য জয় কৰিছিল। তেও কেইবাটাও যজ্ঞ সম্পাদন কৰা বুলি জনা যায়।

চন্দ্ৰমুখ বৰ্মাৰ পুত্ৰ স্থিত বৰ্মাই (৫৬৫ ৮৫) দুটা অশ্বমেধ যজ্ঞ সম্পাদন কৰিছিল বুলি নালন্দাৰ পোৰামাটিৰ মোহৰত উল্লেখ আছে। স্থিত বৰ্মাৰ পুত্ৰ সুস্থিত বৰ্মা (৫৮৫ ৯৩) আৰু তেওঁৰ পুত্ৰ সুপ্ৰতিষ্ঠিত বৰ্মা (৫৯৩ ৯৪) কামৰূপৰ ৰজা হয়। কিন্তু গৌড়ৰ যুদ্ধত পোৱা আঘাতৰ ফলত সুপ্ৰতিষ্ঠিত বৰ্মাৰ মৃত্যু হোৱাত তেওঁৰ ভায়েক ভাস্কৰ বৰ্মা (৫৯৪ ৬৫০) কামৰূপৰ ৰজা হয়। তেও ৰজা হৈয়েই এটা অব্দৰ প্ৰচলন কৰে যিটো ভাস্কৰাব্দ ৰূপে পৰিচিত।

প্ৰাচীন কামৰূপৰ ৰজাসকলৰ ভিতৰত ভাস্কৰবৰ্মা শ্ৰেষ্ঠ ৰজা আছিল। ৬৫০ খ্ৰীষ্টাব্দত ভাস্কৰবৰ্মাৰ মৃত্যুৰ লগে লগেই এই বংশৰ অন্ত পৰে।

বৰ্মন ব˛শৰ পিচত শালস্তম্ভ ব˛শৰ ৰজাসকলে কামৰূপত ৰাজত্ব কৰে। এই ব˛শৰ প্ৰতিষ্ঠাতা শালস্তম্ভ (৬৫০ ৬৭৫)। তেওঁৰ মৃত্যুৰ পিছত বিজয় বা বিগ্ৰহস্তম্ভ কামৰূপৰ ৰজা হয়। হৰ্জবৰ্মাৰ হায়ুংথল তামৰ ফলিৰ মতে বিজয়ৰ পিছত ক্ৰমে পালক কুমাৰ আৰু ব্ৰজদেৱ কামৰূপৰ ৰজা হয়। এওলোকে ৬৭৫ ৭২৫ লৈ ৰাজত্ব কৰে। তেওলোকৰ পিছত হৰ্ষদেৱ বা শ্ৰীহৰ্ষই ৭২৫ খ্ৰীষ্টাব্দত কামৰূপৰ সিংহাসন আৰোহণ কৰে। নেপালৰ ৰজা জয়দেৱৰ এখনি ফলিত শ্ৰীহৰ্ষক গৌড় ওড্ৰ কলিংগ আৰু কোশলৰ অধিপতি বোলা হৈছে। ৭৫০ খ্ৰীষ্টাব্দত শ্ৰীহৰ্ষৰ মৃত্যু হোৱাত তেওঁৰ পুত্ৰ ২য় বলবৰ্মাই (৭৫০ ৬৫) আৰু পিছত দুগৰাকী অজ্ঞাত ৰজাই (৭৬৫ ৯০) কামৰূপত ৰাজত্ব কৰে। তেওঁলোকৰ পাছতেই প্ৰালম্ভ বা সালম্ভই (৭৯০ ৮১০) কামৰূপত ৰাজত্ব কৰে। এওঁ গৌড়ৰ ৰজা ধৰ্মপালৰ (৭৭০ ৮১০) সমসাময়িক আছিল। প্ৰালম্ভৰ মৃত্যুৰ পিছত আৰথি (৮১০ ১৫) তেওঁৰ পুত্ৰ হৰ্জৰ বৰ্মা (৮১৫-৩৫) হৰ্জৰ বৰ্মাৰ পুত্ৰ বনমাল বৰ্মা (৮৩৫ ৬৫) আদি ক্ৰমে সিংহাসনত উঠে। বনমাল বৰ্মাৰ দিনত চিলেটকে ধৰি মৈমনচিং ঢাকা আৰু দক্ষিণ পুব বংগলৈকে কামৰূপ ৰাজ্যই বিস্তাৰ লাভ কৰে। হৰ্জৰ বৰ্মা আৰু বনমাল বৰ্মা দুয়োগৰাকী অতি প্ৰতাপী ৰজা আছিল আৰু দুয়ো 'মাহৰজাধিৰাজ উপাধি লাভ কৰিছিল।

জয়মাল বা বীৰবাহুৱে (৮৬৫ ৮৫) বনমালবৰ্মাদেৱৰ পিছত কামৰূপৰ সিংহাসনত অধিষ্ঠিত হয় আৰু জীৱনৰ শেষৰ ফালে ৰোগাক্ৰান্ত হৈ পুতেক ৩য় বলবৰ্মাক সিংহাসনত অধিষ্ঠিত কৰে। তেওঁ এগৰাকী সুনিপুণ শাসক আছিল। ৯১০ চনত বলবৰ্মাৰ মৃত্যু হোৱাত ৯১০ ৭০ লৈ প্ৰায় ৬০ বছৰ কাল ৩ গৰাকী অজ্ঞাত ৰজাই কামৰূপৰ সিংহাসন অধিকাৰ কৰে। ৰত্নপালৰ তামৰ ফলি মতে ত্যাগসিংহকে ধৰি

এই বংশত মুঠ ২১ জন ৰজাই ৰাজত্ব কৰিছিল। ৰত্নপালৰ বৰগাঁও তামৰ ফলি মতে ত্যাগসিংহ (৯৭০ ৯০) শালস্তম্ভ বংশৰ শেষ ৰজা।

ত্যাগসিংহৰ মৃত্যুৰ পিছত তেওঁৰ কোনো উত্ত ‌‌ধিকাৰী নথকাত ব্ৰহ্মপালে ৯৯০ চনত পাল বংশ প্ৰতিষ্ঠা কৰে। তেওৰ পিছত পুত্ৰ ৰত্নপালে ১০১০ চনত কামৰূপৰ ৰাজপাট আৰোহণ কৰে। তেওঁৰ দিনত উত্তৰ বংগলৈকে কামৰূপ ৰাজ্য সম্প্ৰসাৰিত হয়। ৰত্নপালৰ মৃত্যুৰ পিচত তেওঁৰ নাতিনীয়েক ইন্দ্ৰপালে ১০৪০ ত কামৰূপৰ সিংহাসন অধিকাৰ কৰে আৰু মহাৰাজধিৰাজ উপাধি গ্ৰহণ কৰে। তেওৰ পুত্ৰ গোপালে ১০৬৫ ৮৫ লৈ আৰু গোপালৰ পুত্ৰ হৰ্ষপালে ১০৬৫ ৯৫ লৈ ৰাজত্ব কৰে। তেওৰ পিছত পুত্ৰ ধৰ্মপাল (১০৯৫ ১১২০) ৰজা হয়। ধৰ্মপালৰ পুষ্পভদ্ৰা তামৰ ফলি অনুসৰি তেও ‘কামৰূপ নগৰ প্ৰতিষ্ঠা কৰে।

ধৰ্মপালৰ পিছত জয়পাল (১১২০ ৩৮) কামৰূপৰ ৰজা হয। এওৰ দিনত কামৰূপ ৰাজ্য উত্তৰ ব গলৈকে বিস্তৃত আছিল। জয়পালৰ শাসনৰ অন্ত পৰাৰ লগে লগেই ১১৩৮ খ্ৰীষ্টাব্দত পাল ব‚শৰ পতন হয। ইয়াৰ পিছতেই বৈদ্যদেৱ আৰু অন্যান্য ৰজাসকলে ১২২৮ চনলৈ কামৰূপত ৰাজত্ব কৰে।

পুৰণি অসমৰ অৰ্থনৈতিক ইতিহাসৰ চমু আভাস ঃ

আহোমসকল অসমলৈ অহাৰ আগলৈকে এই ভূখণ্ডৰ নাম কামৰূপ বা প্ৰাগজ্যোতিষপুৰ নামেৰে পৰিচিত আছিল। বেলেগ বেলেগ ফৈদৰ ৰজাই বিভিন্ন অঞ্চলত সুকীয়া সুকীয়া ৰাজ্য প্ৰতিষ্ঠা কৰি তাত শাসনভাৰ চলাইছিল। অৱশ্যে ভাস্কৰবৰ্মাৰ দিনত কামৰূপ ৰাজ্যৰ সীমা পশ্চিমে সাগৰ পৰ্যন্ত বিস্তৃত আছিল। ৰামায়ণ মহাভাৰত হৰিবংশ ভাগৱত পুৰাণ প্ৰভৃতি গ্ৰন্থত কামৰূপৰ পৌৰাণিক ৰজা নৰক ভগদত্ত ব্ৰজদত্ত আদিৰ উল্লেখ পোৱা যায়। পৰৱৰ্তী কালত ৰচিত কালিকাপুৰাণ যোগিনী তন্ত্ৰ হৰ্ষচৰিত অৰ্থশাস্ত্ৰ প্ৰভৃতি গ্ৰন্থতো বিভিন্ন প্ৰসংগত প্ৰাগজ্যোতিষপুৰ কামৰূপৰ উল্লেখ কৰা হৈছে। পুৰণি কামৰূপৰ ৰজাসকলৰ দ্বাৰা প্ৰদত্ত বিভিন্ন শিলালিপি তাম্ৰলিপি আদিৰ বিৱৰণ অন্যান্য প্ৰত্নতাত্বিক সাক্ষ্যৰ লগতে পুৰণি অসমীয়া লোক সাহিত্যৰাজিৰ মাজতো অসমৰ আৰ্থ-সামাজিক ইতিহাসৰ বিষয়ে বহুতো কথা জানিব পৰা গৈছে।

পুৰণি কামৰূপৰ অধিবাসীসকল কামাখ্যা মাতৃৰ উপাসক আছিল আৰু নৰকাসুৰে আনুষ্ঠানিকভাৱে জনসমাজত কামাখ্যা গোঁসানীৰ পূজা প্ৰচলন কৰিলেও তাৰ বহু আগৰে পৰাই থলুৱা জনজাতিসকলৰ মাজত এনে পূজাৰ প্ৰচলন আছিল বুলি অনুমান কৰিব পাৰি। খ্ৰিষ্টীয় পঞ্চম শতিকাৰ পিছতহে ৰাজপৃষ্ঠপোষকৰ মাধ্যমেদি পুৰণি

কামৰূপত আৰ্য-ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰভাৱ পৰিলক্ষিত হয়। মূঠতে কনৌজ মিথিলা প্ৰভৃতি পশ্চিমৰ বিভিন্ন ৰাজ্যৰ পৰা খ্ৰিষ্টীয় দ্বাদশ শতিকাৰ আগলৈকে ঘটা জন প্ৰব্ৰজনে পুৰণি কামৰূপত আৰ্যধৰ্ম আৰু সংস্কৃতিৰ প্ৰচাৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। পিছৰ কালৰ আহোম আৰু কোচ ৰজাসকলৰ ৰাজত্বকালতো পশ্চিমৰ পৰা বিভিন্ন শ্ৰেণীৰ জন-প্ৰব্ৰজন অব্যাহত থাকে।

পঞ্চদশ শতাব্দীত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰভাৱ আৰু আদৰ্শই এক বৃহৎ সংখ্যাৰ লোকক অনুপ্ৰাণিত কৰিছিল। শংকৰদেৱে নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ আগতেও অৱশ্যে বৈষ্ণৱ ধৰ্মৰ এটি ক্ষীণ প্ৰবাহ পুৰণি কামৰূপত আছিল। অসমৰ বিভিন্ন ঠাইত আৱিস্কৃত বিষ্ণু মূৰ্তিসমূহে তাৰ প্ৰমাণ দাঙি ধৰে। পুৰণি কামৰূপত অতীজৰে পৰা শাক্ত ধৰ্ম শৈৱ ধৰ্ম আৰু প্ৰকৃতি পূজাৰ প্ৰচলন আছিল। অসমত অতীজৰে পৰা নিগাজীকৈ বসবাস কৰা থলুৱা লোকসকলৰ লগতে বিভিন্ন সময়ত ইয়ালৈ প্ৰব্ৰজিত হোৱা লোকসকলৰ সংমিশ্ৰণত অসমৰ এক উদাৰ ধৰ্মমত আৰু সামাজিক আচাৰ নীতি গঢ লৈ উঠিছিল আৰু ইয়ে বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া ত্বৰান্বিত হোৱাত সহায় কৰিছিল। অসমৰ পুৰণি শিলালিপিসমূহত বিভিন্ন বৃত্তিয়াল জাতিৰ উল্লেখ থাকিলেও বংগৰ দৰে জাতিভেদ প্ৰথাৰ প্ৰাবল্য পুৰণি কামৰূপত আছিল যেন অনুমান হয়।

অসমৰ সমাজ ব্যৱস্থা মূলত পিতৃতান্ত্ৰিক। খাচিয়া আৰু গাৰো জনজাতিৰ মাজতহে মাতৃপ্ৰধান সমাজ ব্যৱস্থাৰ প্ৰচলন দেখা যায়।

পুৰণি কামৰূপৰ জনসাধাৰণৰ অৰ্থনীতি কৃষিৰ ওপৰত নিৰ্ভৰ কৰিছিল। কৃষি পশুপালন আদিয়েই আছিল জীৱিকাৰ প্ৰধান আহিলা। পুৰণি অসমীয়া সাহিত্যত বিভিন্ন প্ৰসংগত অসমীয়া মানুহৰ খাদ্যাভাসৰ বৰ্ণনা দাঙি ধৰা হৈছে। পুৰণি কামৰূপত বিভিন্ন প্ৰকাৰৰ ফল মূল তামোল পাণ নাৰিকল আদিৰ খেতি হৈছিল। কলৰ পচলা বাঁহৰ গাজ নানা ধৰণৰ বনৰীয়া আলু, বন পাচলি আদি অসমীয়া মানুহৰ প্ৰিয় খাদ্য আছিল। অসমৰ নদ-নদী বিল পুখুৰী আদিত প্ৰচুৰ পৰিমাণে মাছ-কাছ আদি পোৱা গৈছিল। অসমীয়া মানুহৰ খাদ্য তালিকাত মাছৰ বিবিধ প্ৰকাৰ ব্যঞ্জনে শোভা বৰ্ধন কৰিছিল। চাউলৰ গুৰি আৰু গুড়ৰ পৰা নানাবিধ পিঠা আৰু বৰাচাউল কোমল চাউল আদিৰ পৰা বিবিধ জলপানৰ দিহা কৰা হৈছিল। ভাতেই আছিল অসমীয়া মানুহৰ প্ৰধান আহাৰ।

পুৰণি কালত পাহাৰীয়া অঞ্চলত জোঙা বাঁহ, কাঠ শিল বা লোৰ শলাৰে সৰু সৰু গাঁত কৰি নানা তৰহৰ শস্যৰ বীজ ৰোপন কৰা হৈছিল। কিন্তু মাটিৰ উৰ্বৰা শক্তি হ্ৰাস পোৱাৰ লগে লগে কৃষকে নতুন মাটিৰ সন্ধানত স্থান পৰিবৰ্তন কৰিছিল।

সমভূমি অঞ্চলত কাঠৰ নাঙল ব্যৱহাৰ কৰি মাটি চহাই ধান মাহ, সৰিয়হ আদিৰ বীজ সিঁচা হৈছিল। তদুপৰি কুঁহিয়াৰ খেতি কৰি গুড় প্ৰস্তুত কৰা হৈছিল। শাক পাচলিৰ ভিতৰত কোমোৰা বেঙেনা উৰহী পানীলাও কাঠআলু, কচু ইত্যাদিৰ খেতি কৰা হৈছিল। আম কঠাল জামু, পনিয়ল বগৰী আটলচ জলফাই কল নাৰিকল প্ৰভৃতিৰ খেতি বিস্তৰভাৱে কৰা হৈছিল।

শালিধানৰ খেতিৰ ওপৰত বিশেষ জোৰ দিয়া হৈছিল। খেতিত পানী যোগান ধৰিবৰ কাৰণে জলসিঞ্চন ব্যৱস্থাও আছিল যেন অনুমান কৰিব পাৰি।

পুৰণি কালত ৰাজ কৰ্মচাৰী ৰজাঘৰীয়া পৰিয়াল পণ্ডিত ব্ৰাহ্মণ কায়স্থ দেৱালয়ৰ দলৈ আদিয়ে বিনা খাজনাত মাটি ভোগ কৰিব পাৰিছিল। দানপত্ৰত উল্লেখ কৰা মাটিৰ বাহিৰে আন মাটিৰ ক্ষেত্ৰত উৎপাদনৰ এটা অংশহে মাটিৰ গৰাকীয়ে পাঁইছিল আৰু মুঠ উৎপাদিত শস্যৰ এটা অংশ কৰ হিচাপে নিৰ্ধাৰিত হৈছিল।

পুৰণিকালত মা সৰ কাৰণে জীৱ জন্তু চিকাৰ কৰাটো এটা অতি চখৰ বিষয় আছিল। মাংসৰ কাৰণে বনৰ হৰিণ বনৰীয়া গাহৰি বনৰীয়া কুকুৰা আদি বধ কৰা হৈছিল। বনৰীয়া হাতী ধৰি সিহঁতক ঘৰচীয়া কৰি মানুহৰ কামত ব্যৱহাৰ কৰা হৈছিল। আহোম স্বৰ্গদেউসকলে হাতী যুঁজ ম'হ যুঁজ বাঘ ভালুকৰ যুঁজ শেন চৰাইৰ যুঁজ কুকুৰা যুঁজ আদি অনুষ্ঠিত কৰি জনসাধাৰণৰ মনত আমোদ দান কৰিছিল।

অসমৰ নৈ বিল পুখুৰী আদিত বিভিন্ন প্ৰজাতিৰ মাছ, কাছ আদি পোৱা গৈছিল আৰু সেইবোৰ ধৰিবৰ কাৰণে জাল পল জুলুকি জাকৈ ইত্যাদি সঁজুলি ব্যৱহাৰ কৰা হৈছিল। ৰাজহুৱাভাৱে মাছ মৰাটো অতি চখৰ বিষয় আছিল।

কৃষিৰ সহায়ৰ কাৰণে মানুহে গৰু ম'হ আদি পুহিছিল। সেইদৰে যাতায়তৰ কাৰণে অথবা গধুৰ দ্ৰব্য কঢ়িয়াবৰ কাৰণে হাতী ব্যৱহাৰ কৰা হৈছিল।

অসমত প্ৰচুৰ পৰিমাণে কপাহ উৎপন্ন হৈছিল। বিশেষকৈ গাৰো খাচি আৰু মিকিৰ পাহাৰত পাহাৰীয়া অঞ্চলত অপৰ্যাপ্ত পৰিমাণৰ কপাহ উৎপাদন হৈছিল। অসমৰ বয়ন শিল্পীসকলে কপাহৰ আঁহৰ পৰা সূতা উলিয়াই বিভিন্ন ধৰণৰ বস্ত্ৰ উৎপাদন কৰিছিল। কপাহৰ লগতে এৰী মুগা আৰু পাটশিল্পতো পুৰণি কালৰে পৰাই এই দেশ চহকী আছিল। কৌটিল্যৰ অৰ্থশাস্ত্ৰতো কামৰূপ পলু পোহা ৰাজ্য বুলি উল্লেখ কৰা হৈছে। বাণভট্টৰ হৰ্ষচৰিতত ভাস্কৰ বৰ্মাই হৰ্ষবৰ্দ্ধনক দিয়া উপহাৰসমূহৰ ভিতৰত পাটৰ বস্ত্ৰও আছিল বুলি জনা যায়। পাটৰ লগতে এৰী আৰু মুগাৰ বস্ত্ৰ উৎপাদনতো অসমৰ শিপিনীসকলে বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। চোম গছ কই অতি কষ্টেৰে মুগা-পলু পুহি মুগা সূতা প্ৰস্তুত কৰা হৈছিল।

পুৰণি কামৰূপত সোণ ৰূপ আদি ধাতুৰ পৰা বিবিধ অলংকাৰাদি প্ৰস্তুত কৰা হৈছিল। কালিকাপুৰাণত সোৱণশিৰী নদীত সোণ পোৱাৰ কথা উল্লেখ কৰিছে। সোণ ৰূপৰ লগতে হাতীদাঁতৰ পৰাও বিবিধ কাৰুকাৰ্যখচিত অলংকাৰ প্ৰস্তুত কৰা হৈছিল।

যুদ্ধত ব্যৱহাৰ হোৱা বিবিধ যন্ত্ৰপাতি লোৰ বৰ্ম আদি থলুৱাভাৱে স্থানীয় কাৰিকৰে নিৰ্মাণ কৰিছিল। এইবোৰৰ বাহিৰেও বাঁঢ়ে কমাৰ কুমাৰ সোণাৰী প্ৰভৃতি বিভিন্ন বৃত্তিয়াল জাতিৰ লোকসকলে নানা ধৰণৰ সামগ্ৰী নিৰ্মাণ কৰিছিল। বাঁহ বেতৰ পৰাও নানা ধৰণৰ সামগ্ৰী প্ৰস্তুত কৰা হৈছিল।

অসমীয়া মানুহে চ ৰা ঘৰ গোসাঁই ঘৰ ৰান্ধনি ঘৰ গোহালি ঘৰ ভঁৰাল ঘৰ প্ৰভৃতি কেইবাটাও ঘৰ ওচৰা ওচৰিকৈ সজাইছিল। বাঁহ বেত খেৰ আৰু কাঠেৰে সুন্দৰকৈ ঘৰবোৰ সাজি উলিওৱা হৈছিল। ঘৰ দুৱাৰ সাজিবৰ বাবে পাকৈত কাৰিকৰ আছিল। মঠ মন্দিৰ ৰাজকাৰেং আদি শিল আৰু ইটাৰে নিৰ্মাণ কৰা হৈছিল।

বস্ত্ৰ শিল্পত অসম অতি চহকী আছিল। অসমীয়া শিপিনীয়ে তাঁতৰ পাতত সপোনৰ ফুল আঁকিবলৈ সক্ষম হৈছিল। প্ৰত্যেক অসমীয়া মানুহৰ ঘৰতে অন্তত একোখনকৈ তাঁতশাল আছিল। এই শালবোৰত এৰী মুগা পাট আৰু কপাহী সূতাৰ বিভিন্ন ধৰণৰ কাপোৰ প্ৰস্তুত কৰা হৈছিল।

পুৰণিকালত অসমৰ কৃষিজাত সামগ্ৰীসমূহ অধিক পৰিমাণে উৎপাদন কৰা নহৈছিল। বেহা বেপাৰৰ অভাৱেই আছিল ইয়াৰ ঘাই কাৰণ। পুৰণি অসমত বেহা বেপাৰ কৰিবৰ কাৰণে মুদৈ বেপাৰী অথবা সদাগৰ শ্ৰেণীৰ লোক আছিল। তেওঁলোকে হাতী ঘোঁৰা নাইবা গৰু-ম'হৰ গাড়ীৰে ৰাজ্যৰ ভিতৰত আৰু নাৱেৰে দেশৰ বাহিৰত বেপাৰ-বাণিজ্য কৰিছিল। তেওঁলোকে আন ঠাইৰ বণিকসকলৰ লগত বয়-বস্তুৰ আদান প্ৰদান কৰিছিল।

জলপথৰ বাহিৰেও গিৰিপথেদিও বহিৰ্বাণিজ্য চলিছিল। উত্তৰ পূবৰ পাটকাই পৰ্বতমালাৰ গিৰিপথেদি চীনদেশৰ লগত আৰু অৰুণাচলৰ গিৰিপথেদি তিব্বত চীন আৰু ভূটানৰ সৈতে ব্যৱসায়িক সম্পৰ্ক গঢ়ি তোলা হৈছিল। আমবাৰীত আৱিষ্কৃত খননকাৰ্যসমূহৰ পৰা প্ৰাচীন কালত প্ৰাগজ্যোতিষপুৰ আন্তৰ্জাতিক বাণিজ্যৰ প্ৰধান কেন্দ্ৰ আছিল যেন অনুমান হয়।

পুৰণি কালত সালসলনি কৰা প্ৰথাৰে (barter system) সাধাৰণতে বেহা বেপাৰ চলিছিল। অসমৰ দাঁতি-কাষৰীয়া পাহাৰীয়া অঞ্চলত আজিও এনে প্ৰথা প্ৰচলিত হৈ আছে। ভাস্কৰ বৰ্মাৰ দিনত কড়িৰ মাধ্যমত লেনদেন হৈছিল। পালবংশীয় ৰজাসকলৰ দিনত স্বৰ্ণমুদ্ৰাৰ ব্যৱহাৰ হৈছিল যদিও সাধাৰণ মানুহৰ মাজত বিনিময়ৰ মাধ্যমতহে দ্ৰব্যৰ আদান-প্ৰদান চলিছিল। সাধাৰণ বাইজে আনৰ ঘৰত কাম কৰি নিজৰ শ্ৰমৰ বিনিময়ত প্ৰয়োজনীয় দ্ৰব্য যোগাৰ কৰিব পাৰিছিল।

ৰজাৰ আয়ৰ প্ৰধান উৎস আছিল মাটিৰ খাজনা। জনসাধাৰণে তেওঁলোকৰ উৎপাদন তথা উপাৰ্জনৰ এক ষষ্ঠাংশ খাজনা হিচাপে দিব লাগিছিল। ৰজাঘৰীয়া বা বিষয়া তথা তেওলোকৰ অনুচৰসকলে ৰাইজৰ পৰা মাটিৰ খাজনা সংগ্ৰহ কৰিছিল। মৎসজীৱীসকলে ব্ৰহ্মপুত্ৰ নদীত মাছ ধৰিলে উৎপাদিত মাছৰ এটা অংশ কৰ হিচাপে দিব লাগিছিল। সেইদৰে নদীৰ ঘাটত নাৱেৰে পাৰাপাৰ হোৱাৰ ওপৰতো মাচুল লগোৱা হৈছিল। ইয়াৰ বাহিৰেও অন্যান্য উৎসৰ পৰাও কৰ সংগ্ৰহৰ ব্যৱস্থা আছিল। সাধাৰণতে সংগৃহীত ৰাজহ ৰাজপৰিয়ালৰ ভৰণ পোষণ সৈন্যবাহিনী আৰু ৰাজ-কৰ্মচাৰীৰ দা দৰ্মহা আৰু ব্ৰাহ্মণৰ দা দক্ষিণা আদিত ব্যয় কৰা হৈছিল। মঠ মন্দিৰ নিৰ্মাণ আলি পদূলি সজা প্ৰভৃতি কামতো ধন ব্যয় কৰা হৈছিল।

অসমৰ লোক সাহিত্য বিশেষকৈ ফকৰা যোজনা ডাকৰ বচন লোক কথা লোকগীত আদিৰ পৰা পুৰণি কামৰূপৰ সাধাৰণ মানুহৰ মাজত প্ৰচলিত ৰীতি-নীতি আচাৰ-ব্যৱহাৰ আদিৰ আভাস পাব পাৰি। মানুহৰ দৈনন্দিন জীৱন যাপন সামাজিক ৰীতি-নীতি আচাৰ-ব্যৱহাৰ কৃষি-কাম লোকাচাৰ লোকৰীতি আহাৰ বিহাৰ ৰন্ধন প্ৰকৰণ সাজপাৰ ইত্যাদিৰ বিষয়ে ভালেমান তথ্য লোক সাহিত্যত সন্নিবিষ্ট হৈ আছে।

পুৰণি অসমীয়া ভাষাৰ চমু ইতিহাস

ভাৰতৰ একেবাৰে পূব-প্ৰান্তত ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত কথিত নব্য ভাৰতীয় আৰ্য ভাষাটোৱেই হৈছে অসমীয়া ভাষা। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগে লগে দাঁতি কাষৰীয়া মেঘালয় নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশতো অসমীয়া ভাষাৰ প্ৰচলন আছে। নব্য ভাৰতীয় আৰ্য ভাষা হিচাপে অসমীয়া ভাষাটো যথেষ্ট প্ৰাচীন।

ভাৰতীয় আৰ্যভাষাই সময়ৰ বিবৰ্তনৰ লগে লগে ৰূপ সলাই বৰ্তমান অৱস্থাত উপনীত হৈছেহি। আৰ্যভাষাৰ বুৰঞ্জীক সাধাৰণভাৱে তিনি ভাগত ভগাব পাৰি

ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষা (খ্ৰী পূ ১৫০০ ৰ পৰা খ্ৰী পূ ৬০০)

খ) মধ্য ভাৰতীয় আৰ্যভাষা (খ্ৰী°পূ ৬০০ ৰ পৰা খ্ৰী ১০০০)

গ) নব্য ভাৰতীয় আৰ্যভাষা (খ্ৰী° ১০০০ ৰ পৰা বৰ্তমানলৈ)।

প্ৰাচীন ভাৰতীয় আৰ্যভাষাই কালক্ৰমত মধ্য ভাৰতীয় স্তৰত ক্ৰমে পালি প্ৰাকৃত অপভ্ৰংশৰ ৰূপ লয় আৰু এই অপভ্ৰংশ স্তৰেই হৈছে নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ সূত্ৰধাৰ।

প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ দুটা ৰূপ বৈদিক আৰু লৌকিক। প্ৰসিদ্ধ বৈয়াকৰণিক পাণিনিয়ে বৈদিক যুগৰ কথিত লৌকিক ৰূপটোৰ সংস্কাৰ সাধন কৰি ব্যাকৰণৰ সূত্ৰেৰে গাঁথি সংস্কৃত নাম দিয়ে। আনহাতে বৈদিক যুগৰ কথিত উপভাষাই

ক্ৰমান্বয়ে ৰূপ পৰিবৰ্তন কৰি পালি প্ৰাকৃত আৰু অপভ্ৰংশৰ ৰূপ লাভ কৰে। মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰথম স্তৰ আদি প্ৰাকৃত বা পালিৰ নিদৰ্শন পোৱা যায় অশোকৰ শিলালিপিত খ্ৰীষ্টপূৰ্ব শতিকাৰ আন আন শিলালিপিত আৰু বৌদ্ধসকলৰ পালি গ্ৰন্থত। মধ্য প্ৰাকৃত বা সাহিত্যিক প্ৰাকৃতৰ নিদৰ্শন পোৱা যায় খ্ৰীষ্টিয় প্ৰথম তিনি শতিকাৰ শিলালিপিত সাহিত্যিক প্ৰাকৃত বিশেষকৈ মহাৰাষ্ট্ৰী শৌৰসেনী মাগধী অৰ্ধমাগধী পৈশাচী আদিত আৰু বৌদ্ধ গ্ৰন্থত। আনহাতে শেষৰ স্তৰটোক অপভ্ৰংশ বা অন্ত্য প্ৰাকৃত আখ্যা দিয়া হৈছে। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা ক্ৰম বিবৰ্তনৰ মাজেদি মধ্য ভাৰতীয আৰ্যভাষা অসমীয়াই কেনেদৰে জন্ম লাভ কৰিলে সেই প্ৰক্ৰিয়াটো ৰেখাচিত্ৰৰ সহাযত এনেদৰে দেখুৱাব পাৰি —

প্ৰাচীন ভাৰতীয় আৰ্যভাষা

বৈদিক — লৌকিক

প্ৰাকৃত বা মধ্য ভাৰতীয় আৰ্যভাষা — সংস্কৃত

আদি প্ৰাকৃত বা পালি (খ্ৰী পূ ষষ্ঠ — খ্ৰী ১ম শতিকা)

মধ্য প্ৰাকৃত বা সাহিত্যিক প্ৰাকৃত (খ্ৰী ১ম — ষষ্ঠ শতিকা)

অন্ত্য প্ৰাকৃত বা অপভংশ (খ্ৰী ৬ষ্ঠ — খ্ৰী° দশম)

প্ৰাচীন অপভ্ৰংশ — অৰ্বাচীন অপভ্ৰংশ

নব্য ভাৰতীয় আৰ্যভাষা (খ্ৰী দশম)

(অসমীযা বঙলা উৰিয়া আদি প্ৰাদেশিক ভাষা)

পতঞ্জলিৰ মহাভাষ্যত 'শাস্ত্ৰ জনাসকলৰ শুদ্ধ ভাষা'ক বুজাবলৈ সংস্কৃত আৰু 'শাস্ত্ৰ নজনাবোৰৰ অশুদ্ধ ভাষা'ক বুজাৰ কাৰণে অপভ্ৰংশ শব্দটোৰ প্ৰয়োগ কৰা দেখা যায়। গ্ৰীয়াৰ্চন প্ৰভৃতি পণ্ডিতেও মধ্যভাৰতীয় আৰ্যভাষাৰ শেষ স্তৰটোক বুজাবৰ কাৰণে অপভ্ৰংশ শব্দটোৰ প্ৰয়োগ কৰা দেখা যায়। মধ্য ভাৰতীয় আৰ্যভাষাৰ যিটো সাৰ্বজনীন ৰূপ অশিষ্ট লোক সাহিত্যৰ বাহনৰূপে দেখা দিছিল সেয়ে অপভ্ৰংশৰ প্ৰাচীন ৰূপ। ইয়াৰে অৰ্বাচীন ৰূপটোৰ পৰাই নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ সৃষ্টি হৈছে।

মধ্য ভাৰতীয় আৰ্যভাষা বা প্ৰাকৃতেই কালক্ৰমত অপভ্ৰংশ স্তৰত উপনীত হয় আৰু তাৰ পৰাই বিভিন্ন আধুনিক ভাষাবোৰৰ উৎপত্তি হয়। উদাহৰণস্বৰূপে মহাৰাষ্ট্ৰীৰ পৰা মাৰাঠী শৌৰসেনীৰ পৰা পশ্চিমী হিন্দী ৰাজস্থানী গুজৰাটী মাৰাঠীৰ পৰা ভোজপুৰী মৈথিলী মগহী বঙলা উৰিয়া অসমীয়া অৰ্ধমাগধীৰ পৰা পূৰ্ব হিন্দী শৌৰসেনীৰ পৰা পাহাৰী পঞ্জাবী ইত্যাদি। অৱশ্যে অসমীয়া ভাষাৰ মূল মগধী প্ৰাকৃত সম্পৰ্কত ভাষাবিদসকলৰ মাজত মতভেদো নোহোৱা নহয়। বাণীকান্ত কাকতিৰ মতে — *অসমীয়া ভাষাটো বঙলা ভাষাৰ পৰা ওলোৱা নাই নাইবা ই বঙলা ভাষাৰ এটা মৃত্যুমুখী উপভাষাও নহয়। অসমীয়া ভাষাটো বঙলাৰ সৈতে সম্পৰ্ক থকা এটা সুকীয়া ভাষা। বঙলা আৰু অসমীয়া দুয়োটা ভাষাই এক মান্য মগধী অপভ্ৰংশৰ উপভাষা।*[e]

গ্ৰীয়াৰ্চনৰ মতে ভাৰতীয় আৰ্যভাষাৰ বহিৰ্বৃত্ত দলৰ অন্তৰ্গত পূৰ্বী শাখাৰ মাগধী অপভ্ৰংশৰ পৰা উৰিযা বিহাৰী বাংলা ভাষাৰ লগতে অসমীয়া ভাষাৰ জন্ম হয। তেওৰ মতে উত্তৰ-ব গ আৰু অসমে নিজৰ ভাষা বংগদেশৰ পৰা পোৱা নাই বৰং পশ্চিমৰ পৰাহে পাইছে। সেইদৰে গ্ৰীয়াৰ্চনৰ মতে ভাৰতীয আৰ্যভাষাৰ বহিৰ্বৃত্ত দলৰ অন্তৰ্গত পূৰ্বী শাখাৰ মগধী অপভ্ৰংশৰ পৰা উৰিয়া বিহাৰী বাংলা ভাষাৰ লগতে অসমীযা ভাষাৰ জন্ম হয। তেওৰ মতে উত্তৰ-ব গ আৰু অসমে নিজৰ ভাষা ব গদেশৰ পৰা পোৱা নাই বৰং পশ্চিমৰ পৰাহে পাইছে। সেইদৰে টাৰাপৰোৱালায়ো তেওৰ Elements of the Science of Language নামৰ গ্ৰন্থত অসমীয়া বাংলা উৰিযা ইত্যাদি ভাষাৰ মূল সম্পৰ্কে ক'বলৈ গৈ এই সকলোবোৰ ভাষাৰ মূল মাগধী প্ৰাকৃত বুলি উল্লেখ কৰিছে। সুনীতি কুমাৰ চেট্টাৰ্জিৰ মতে মাগধী অপভ্ৰংশৰ অন্তৰ্গত কামৰূপ উপভাষাৰ পৰাই উত্তৰ-বাংলাৰ লগতে অসমীয়া ভাষাৰ জন্ম হৈছে। প্ৰকৃতাৰ্থত কবলৈ গ'লে উত্তৰ-বাংলাৰ লগতে অসমীয়া ভাষাৰ জন্ম হৈছে। প্ৰকৃতাৰ্থত কবলৈ গ'লে উত্তৰ বঙ্গৰ ভাষাৰ সৈতে পশ্চিম অসমৰ ভাষাৰ তেজ মঙহৰ সম্পৰ্ক বিদ্যমান আৰু সেয়ে এসময়ত উত্তৰ বঙ্গৰ কোচবিহাৰ জলপাইগুৰি আদি জিলাত অসমীয়া ভাষাই প্ৰধান্য বিস্তাৰ কৰিছিল। উপেন্দ্ৰনাথ গোস্বামীয়ে অসমীয়া ভাষাৰ মূল সম্পৰ্কে কবলৈ গৈ উল্লেখ কৰিছে যে — 'অসমীয়া ভাষাটো মূলতঃ মগধীয় ভাষা। মগধ বিদেহ অঞ্চলৰ পৰা আহি উত্তৰ-বংগৰ মাজেদি আৰ্যভাষাই প্ৰাচীন কামৰূপত প্ৰবেশ কৰে আৰু সপ্তম শতিকা মানৰ পৰা অসমৰ সুকীয়া ভাষা ৰূপে গঢ় লয়।

অৱশ্যে অসমীয়া ভাষাৰ মূল 'মগধী প্ৰাকৃত বুলি সকলো পণ্ডিতে মানি লোৱা নাই। কিয়নো অসমীয়া ভাষাত মাগধীয় উপাদান পৰ্যাপ্ত নহয়। আনহাতে মগধী প্ৰাকৃতৰ জন্মৰ (দশম শতিকা) বহু আগতেই অসমীয়া ভাষাই স্বতন্ত্ৰ ৰূপত বিকাশৰ

---

e Kakati B Assamese Its Formation and Development P 1

পথত আগবাঢে। সপ্তম শতিকাৰ চীনা পৰিব্ৰাজক হিউয়েন চাঙৰ মন্তব্যৰ পৰা জনা যায় যে সেই সময়ৰ কামৰূপৰ ভাষা মধ্য ভাৰতৰ ভাষাতকৈ অলপ পৃথক আছিল।

এনেবোৰ কাৰণতে বেণীমাধৱ বৰুৱা নাথান ব্ৰাউন বিশ্বেশ্বৰ হাজৰিকা প্ৰভৃতি পণ্ডিতে মাগধী প্ৰাকৃতৰ পৰিবৰ্তে কামৰূপী প্ৰাকৃতৰ পৰাহে অসমীয়া ভাষাৰ জন্ম হোৱা বুলি মত আগবঢাইছে। কিয়নো প্ৰাক-আহোম যুগৰ কামৰূপৰ হিন্দু ৰজাসকলৰ দ্বাৰা প্ৰদত্ত তামৰ ফলিবোৰ সংস্কৃত ভাষাত লিখা হ'লেও তাত ভালেমান এনেকুৱা শব্দও সন্নিবিষ্ট হৈছে, যিবোৰে সমসাময়িক কালৰ থলুৱা জনসাধাৰণৰ কথিত ভাষাৰ প্ৰতিনিধিত্ব কৰিছে। অৱশ্যে অসমীয়া ভাষাৰ মূল কামৰূপী প্ৰাকৃত বুলি বেণীমাধৱ বৰুৱা ডিম্বেশ্বৰ নেওগ আদিয়ে যুক্তি প্ৰদৰ্শন কৰিলেও এই ভাষাৰ লক্ষণ আৰু বৈশিষ্ট্য সম্পৰ্কে তেওঁলোকে মৌনতা অৱলম্বন কৰিছে। এইক্ষেত্ৰত বিশ্বেশ্বৰ হাজৰিকাই 'অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ শীৰ্ষক গ্ৰন্থত মত দাঙি ধৰিছে যে অসমীয়া ভাষাৰ মূল কামৰূপী প্ৰাকৃত আৰু মধ্যকালীন ভাৰতীয় আৰ্যভাষাটোৰ ক্ৰম বিৱৰ্তনৰ ফলস্বৰূপে ক্ৰমে প্ৰাগজ্যোতিষ প্ৰাকৃত আৰু কামৰূপী প্ৰাকৃত আৰু ইয়াৰ অপভ্ৰংশ ৰূপৰ পৰাই অসমীয়া ভাষাৰ জন্ম হৈছে। দেবানন্দ ভৰালিয়ে অসমীয়া ভাষাৰ মূল অন্বেষণ কৰি অসমীয়া ভাষাত মাগধী প্ৰাকৃতৰ উপৰিও সৌমাৰ প্ৰাকৃত আৰু কামৰূপীয়া প্ৰাকৃত নামৰ দুটা প্ৰাকৃতৰ অস্তিত্ব স্বীকাৰ কৰিছে।

গতিকে দেখা যায় যে অসমীয়া ভাষাৰ মূল মগধী প্ৰাকৃত নে কামৰূপ প্ৰাকৃত এই সম্পৰ্কে পণ্ডিতসকলৰ মাজত মতভেদ থাকিলেও সকলোৱে এই কথা স্বীকাৰ কৰিছে যে এই ভাষাত আৰ্য আৰু আৰ্যভিন্ন উভয় জনগোষ্ঠীপ্ৰভাৱ বিদ্যমান। ধ্বনিতাত্বিক দিশৰ পৰাও এই বৈশিষ্ট্য মনকৰিবলগীয়া।

অন্যান্য আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ দৰেই অসমীয়া ভাষাৰ উদ্ভৱকাল খৃষ্টীয় দশম শতিকা বুলি ধৰা হৈছে যদিও খৃষ্টীয় দশমৰ পৰা একাদশ শতিকালৈ বিশুদ্ধ অসমীয়া ভাষাৰ নিদৰ্শন পোৱা নাযায়। অৱশ্যে নিভাঁজ অসমীয়া ভাষাৰ নিদৰ্শন পোৱা নগ'লেও তাম্ৰফলি চৰ্যাপদ শ্ৰীকৃষ্ণ কীৰ্তন আদিত অসমীয়া ভাষাৰ উদ্ভৱ কালৰ নিদৰ্শন সংৰক্ষিত হৈ আছে। সেইবাবেই অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশৰ ধাৰাটোক চমুকৈ তলত দিয়াধৰণে বিভক্ত কৰি দেখুৱাব পাৰি

ক) উদ্ভৱ কালৰ অসমীয়া বা প্ৰত্ন অসমীয়া ভাষা (৭ম ১০ম শতিকালৈ)
খ) প্ৰাচীন অসমীয়া ভাষা (১৩ ১৬ শতিকাৰ শেষলৈ)
গ) মধ্যযুগৰ অসমীয়া ভাষা (১৭ ১৯ শতিকাৰ আৰম্ভণিলৈ)
ঘ) আধুনিক যুগৰ অসমীয়া ভাষা (অৰুণোদয়ৰ পৰা বৰ্তমানলৈ)

ইয়াৰে প্ৰথম স্তৰটোত তামৰ ফলি চৰ্যাগীত আৰু শ্ৰীকৃষ্ণকীৰ্তনৰ ভাষা দ্বিতীয় স্তৰত শংকৰী আৰু প্ৰাক-শংকৰী যুগৰ সাহিত্যৰাজিত ব্যৱহৃত ভাষা তৃতীয় ভাগত চৰিতপুথি বুৰঞ্জী আদিৰ ভাষা আৰু চতুৰ্থ ভাগত বৃটিছ যুগৰ আৰম্ভণিৰ পৰা বৰ্তমান যুগলৈকে সাহিত্যৰাজিত ব্যৱহৃত ভাষাক সামৰি লোৱা হৈছে।

ক) উদ্ভৱকালীন অসমীয়া ভাষা ঃ

খৃষ্টীয় ৫ম শতিকাৰ পৰা ১২শ শতিকালৈ পুৰণি কামৰূপত ৰাজত্ব কৰা হিন্দু ৰজাসকলৰ দ্বাৰা প্ৰদত্ত তাম্ৰফলিসমূহৰ ভাষাই এই কালছোৱাৰ অসমীয়া ভাষাৰ প্ৰতিনিধিত্ব কৰিছে। এইবোৰ ফলিত এনে কিছুমান শব্দ পোৱা যায় যিবোৰক ধ্বনিগত দিশৰ পৰা শুদ্ধ সংস্কৃতৰ নিদৰ্শন বুলিব নোৱাৰি। তাম্ৰলিপিসমূহত ব্যৱহৃত এনে শব্দাৱলীক অসমীয়া ভাষাৰ প্ৰত্নৰূপৰ নিদৰ্শন বুলিব পাৰি। এনে শব্দাৱলীৰ মাজত বিভিন্ন ঠাইৰ নাম মানুহৰ নাম গছৰ নাম প্ৰভৃতিয়ে তদানীন্তন সময়ৰ অসমীয়া ভাষাৰ নিদৰ্শন দাঙি ধৰিছে। বিশিষ্ট ভাষাবিদ বেণীমাধৱ বৰুৱাই এই সম্পৰ্কে মন্তব্য কৰিছে এনেদৰে

প্ৰাক আহোম যুগৰ কামৰূপৰ তামৰ ফলি আৰু শিলালেখবোৰত প্ৰাকৃতৰ নিদৰ্শন আছে। সেইবোৰে খৃষ্টীয় ষষ্ঠৰ পৰা দ্বাদশ শতিকাৰ প্ৰচলিত উপভাষাৰ ৰূপ আৰু প্ৰাকৃতৰ নিদৰ্শন দাঙি ধৰে বুলি ধৰিব পাৰি। ৰাজকীয় ভূমিদান সম্পৰ্কীয় ফলিবোৰক বিশুদ্ধ সংস্কৃত ভাষাত লেখিবলৈ যত্নৰ ক্ৰুটী নকৰা সত্বেও তাত কিছুমান অপ্ৰচলিত ৰূপ সোমাই পৰিছিল। ই হয়তো স্থানীয় লেখকসকলৰ নাইবা তথ্যকাৰসকলৰ দুয়োৰে অসাৱধানতাৰ দল।[৬]

অৱশ্যে বেণীমাধৱ বৰুৱাই এইবোৰ লিপিকাৰৰ প্ৰমাদ বুলি ধৰিলেও সেইবোৰ সমসাময়িক কথিত ভাষাৰ নিদৰ্শন হোৱাই আধিক স্বাভাৱিক।

এইখিনিতে চৰ্যাগীতৰ ভাষাৰ কথাটোও আলোচনা কৰিবলগীয়া। সুনীতি কুমাৰ চট্টোপাধ্যায়ে চৰ্যাৰ ভাষাক প্ৰাচীন বঙলা ভাষাৰ নিদৰ্শন সুভদ্ৰা ঝাই প্ৰাচীন মৈথিলী ভাষাৰ নিদৰ্শন বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ প্ৰত্নৰূপৰ নিদৰ্শন বুলি মত প্ৰকাশ কৰিলেও নিৰপেক্ষভাৱে বিচাৰ কৰি চালে ইয়াৰ ভাষাত অসমীয়া বঙলা উভয় ভাষাৰেই কেতবোৰ সাদৃশ্য পৰিলক্ষিত হয়। এই সম্পৰ্কে বাণীকান্ত কাকতি উপেন্দ্ৰ নাথ গোস্বামী পৰীক্ষিত হাজৰিকা আদিয়ে বিস্তৃতভাৱে আলোচনা আগবঢ়াইছে।

চৰ্যাত ব্যৱহৃত ভালেমান শব্দ পৰৱৰ্তী যুগৰ সাহিত্যৰাজিতো সণ্ডালনী ৰূপত ব্যৱহৃত হোৱা দেখা যায়।

---

৬ *Baruah Benimadhav Indian Historical Quarterly 1947*

চৰ্যাগীতৰ দৰেই শ্ৰীকৃষ্ণ কীৰ্তনৰ ভাষাৰ সৈতেও অসমীয়া ভাষাৰ ঘনিষ্ঠ সম্পৰ্ক দেখা যায়। চৰ্যাপদৰ ভাষাৰ দৰেই শ্ৰীকৃষ্ণ কীৰ্তনৰ ভাষাকো বঙালী পণ্ডিতসকলে তেওঁলোকৰ নিজস্ব ভাষাৰ নিদৰ্শন হিচাপে দাবী কৰি আহিছে। অৱশ্যে অসমীয়া ভাষাৰ সৈতেহে চৰ্যাৰ সাদৃশ্য অধিক। কাকতিৰ মতে অসমীয়া আৰু বঙলা ভাষা স্পষ্টৰূপে পৃথক হৈ বিকাশ হোৱাৰ পূৰ্বে দুয়োটা ভাষাৰ যিটো সাধাৰণ ৰূপ আছিল সেই ৰূপটো শ্ৰীকৃষ্ণ কীৰ্তনৰ মাজত প্ৰতিফলিত হৈছে। চৰ্যাৰ দৰেই শংকৰী আৰু প্ৰাকশংকৰী যুগৰ সাহিত্যৰ সৈতে শ্ৰীকৃষ্ণকীৰ্তনৰ ভাষাৰ সাদৃশ্য লক্ষ্য কৰা যায়। গতিকে ক'ব পাৰি যে চৰ্যাগীতৰ দৰে শ্ৰীকৃষ্ণ কীৰ্তনৰ ভাষায়ো প্ৰত্ন অসমীয়া ভাষাৰ ভাষাতাত্বিক বিশেষত্ব বহন কৰিছে।

খ) প্ৰাচীন অসমীয়া ভাষা ঃ

সাহিত্যৰ ইতিহাসত প্ৰাক-শংকৰী আৰু শংকৰী যুগৰ সাহিত্যৰাজিত এইকালৰ ভাষাৰ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিত্ৰৰ পৰা আৰম্ভ কৰি ভট্টদেৱৰ কথা গীতালৈকে এই সমস্ত কালছোৱাৰ সাহিত্যৰাজিৰ ভাষাক এই যুগত সামৰা হৈছে। হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিতেই বৰ্তমানলৈকে আৱিস্কৃত নিভাঁজ অসমীয়া ভাষাৰ প্ৰথম পুথি। এই সময়ছোৱাৰ উল্লেখযোগ্য কবিসকল হ'ল হেম সৰস্বতী হৰিবৰ বিপ্ৰ কবিৰত্ন সৰস্বতী ৰুদ্ৰ কন্দলি আৰু মাধৱ কন্দলি। এওঁলোকে কমতাপুৰৰ ৰজা দুৰ্লভ নাৰায়ণ তেওৰ পুত্ৰ ইন্দ্ৰ নাৰায়ণ মহামাণিক্য আৰু তাম্ৰধ্বজ ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰি কাব্য ৰচনাত মনোনিবেশ কৰে। এইসকল কবিৰ হাততেই চতুৰ্দশ শতিকাত অসমীয়া ভাষাই স্বকীয় বৈশিষ্ট্যেৰে আত্মপ্ৰকাশ কৰি উচ্চমানৰ সাহিত্য সৃষ্টি কৰিবলৈ সক্ষম হয়।

এই যুগৰ সাহিত্যত তৎসম আৰু তদ্ভৱ শব্দৰ অধিক প্ৰয়োগ লক্ষ্য কৰা যায়। সৰ্বসাধাৰণ ৰাইজৰ বোধগম্যতাৰ হেতুকে তেওঁলোকে তদ্ভৱ শব্দৰাজিৰ লগতে কেতবোৰ বিদেশী শব্দ বিশেষকৈ আৰবী আৰু পাৰ্চীমূলীয় শব্দও সংযোগ কৰিছিল। ভট্টদেৱৰ হাততেই অসমীয়া গদ্যই বিশেষভাবে প্ৰতিষ্ঠা লাভ কৰে। তেওঁৰ গদ্যত সংস্কৃত শব্দৰ প্ৰয়োগ অধিক। অৱশ্যে তদ্ভৱ শব্দৰ প্ৰয়োগো কম নহয়। ভট্টদেৱৰ বাক্য গঠন প্ৰণালী সংস্কৃতৰ দ্বাৰা প্ৰভাৱান্বিত আৰু সংস্কৃত ব্যাকৰণ অনুসৃত। বিশেষকৈ বিশেষণ শব্দ প্ৰয়োগৰ ক্ষেত্ৰত এই নীতি অনুসৰণ কৰা দেখা যায়।

প্ৰাচীন অসমীয়া ভাষাত শংকৰী যুগত ৰচিত বৰগীত আৰু অংকীয়া নাটসমূহত ব্ৰজবুলি ভাষা ব্যৱহাৰ কৰা দেখা যায়। অসমত ব্ৰজবুলিৰ উদ্ভৱ আৰু বিকাশৰ সময় ষষ্ঠদশ শতিকাৰ পৰা অষ্টাদস শতিকালৈ ধৰা হৈছে। ব্ৰজবুলি ভাষা সম্পৰ্কে উল্লেখ কৰি বিৰিঞ্চি কুমাৰ বৰুৱাই লিখিছে — 'ব্ৰজধামত উৎপত্তি যদিও ব্ৰজাৱলী কোনো

জাতিগত ভাষা নহয় আৰু ই কোনো নিৰ্দিষ্ট ভৌগোলিক পৰিসীমাৰ ভিতৰত আবদ্ধ নাছিল।' পশ্চিমবংগ আৰু উৰিষ্যাত এই ভাষাক 'ব্ৰজবুলি বোলা হয়। 'ব্ৰজাবলী বা 'ব্ৰজবুলি ভাষাৰ উৎপত্তি সম্পৰ্কত পণ্ডিতসকলৰ মাজত মতভেদ আছে। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে — এই ভাষা কোনো বিশেষ অঞ্চলৰ হুবহু কথিত ভাষা নহয় মধ্যযুগীয় বৈষ্ণৱ কবিসকলে গঢ়ি লোৱা এটা কৃত্ৰিম সাহিত্যিক ভাষা। বিদ্যাপতিৰ পদাবলীসমূহত যি ভাষা প্ৰয়োগ কৰিছে সেই ভাষাৰ লগত কবিসকলে স্বকীয় ভাষা আৰু আন দুই-এঠাইৰ দুই চাৰিটা শব্দ সংমিশ্ৰণ ঘটাই এই নতুন ভাষাৰ সৌধ নিৰ্মাণ কৰিছে।"

বিৰিঞ্চি কুমাৰ বৰুৱাই ব্ৰজবুলি ভাষাক অসমৰ সাংস্কৃতিক আধ্যাত্মিক আৰু ভাষাতাত্বিক বিকাশৰ বাবে উমৈহতীয়া ৰাষ্ট্ৰভাষা আখ্যা দিছে। আনহাতে উপেন্দ্ৰ নাথ গোস্বামীয়ে মন্তব্য আগবঢাইছে যে 'অসমীয়া ব্ৰজবুলি ভাষাটো মিথিলাৰ পৰা অহা এটা সম্পূৰ্ণ কৃত্ৰিম ভাষা নহয়। নতুবা বংগদেশৰ মাজেদিও ই অসমত প্ৰবেশ কৰা নাই। ইয়াৰ ভিত্তি হৈছে চৰ্যাপদৰ ভাষাই প্ৰতিনিধিত্ব কৰা পূৰ্বপ্ৰচলিত সাহিত্যিক ভাষাটোহে। সেইবাবেই চৰ্যাগীতৰ ভাষা উত্তৰ পূব ভাৰতৰ সমগ্ৰ জনসাধাৰণৰ উমৈহতীয়া ভাষা হোৱাৰ দৰেই ব্ৰজবুলি ভাষাও উত্তৰ পূব ভাৰতৰ সৰহভাগ লোকৰ বোধগম্য ভাষা আছিল। গতিকে ক'ব পাৰি যে অসমৰ ব্ৰজবুলিৰ ঘাই শিপাদাল অসমৰ মাটিতেই ৰোপিত হৈছিল।

গ) মধ্যযুগৰ অসমীয়া ভাষা ঃ

ভট্টদেৱৰ পৰৱৰ্তী যুগটো বিশেষভাৱে গদ্য সাহিত্যৰ বিকাশৰ যুগ। এই সময়ছোৱাতে কথাগুৰু চৰিত কথা ৰামায়ণ বুৰঞ্জী আৰু ব্যৱহাৰিক জ্ঞানৰ বিবিধ পুথি ৰচিত হয। সেইবাবেই ভাষাতাত্বিক দিশৰ পৰা এই কালছোৱাৰ গুৰুত্ব অনস্বীকাৰ্য। সপ্তদশ শতিকাৰ ৎ ৰভণিৰে পৰাই আহোম ৰজাসকলৰ অনুপ্ৰেৰণাত বুৰঞ্জী আৰু সত্ৰসমূহৰ আশ্ৰয়ত চৰিত সাহিত্যই বিকাশ লাভ কৰিছিল। বুৰঞ্জী আৰু চৰিতপুথিৰ বিকাশে অসমীয়া কাব্যৰীতিক অভিনৱত্ব প্ৰদান কৰা বুলিব পাৰি।

গুৰুচৰিত সমূহত অসমৰ সামাজিক ইতিহাসৰ ভালেমান গুৰুত্বপূৰ্ণ সমল অন্তৰ্নিহিত হৈ আছে। ৰজাঘৰীয়া পৃষ্ঠপোষকতাত লিখা বুৰঞ্জীসমূহতকৈ অন্য এক দৃষ্টিভংগী লৈ ভক্তিধৰ্মক প্ৰাধান্য দি লিখা চৰিতপুথিসমূহে মধ্যযুগীয় অসমৰ সামাজিক আৰু সাংস্কৃতকি দিশৰ ভালেমান গুৰুত্বপূৰ্ণ দিশ পোহৰলৈ আনে।

---

৭ বৰুৱা বিৰিঞ্চি কুমাৰ ঃ অসমীয়া কথা সাহিত্য, (পুৰণি ভাগ) পৃ ৪

৮ শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া নাট সাহিত্য পৃঃ ১৭

গুৰুচৰিতসমূহৰ ভিতৰত 'কথাগুৰুচৰিত'ৰ গদ্যশৈলী উন্নতমানৰ। অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ ইতিহাসৰ ভালেমান গুৰুত্বপূৰ্ণ কথাই চৰিতখনিত ঠাই পাইছে। সেইদৰে গোবিন্দ দাসৰ 'সন্ত সম্প্ৰদায়ৰ কথা' হেমচন্দ্ৰ গোস্বামী সংগৃহীত পদ্মপুৰাণ মনোহৰ ৰচিত 'সাত্বততন্ত্ৰ' আদি এই কালছোৱাত ৰচিত সহজ প্ৰকৃতিৰ গদ্য সাহিত্যৰ নিদৰ্শন। চৰিতপুথিত বৰ্ণিত বিষয়ৰ সৈতে প্ৰকৃত অসমীয়া জীৱৰ সম্বন্ধ হোৱাত আৰু সাধাৰণ প্ৰজাৰ অনুপ্ৰেৰণাৰ কাৰণে সংকলন কৰাৰ হেতু চৰিতপুথিত সৰল আবেগময়ী কথ্যভাষা ব্যৱহৃত হৈছে। সত্ৰীয়া পৰিবেশত গঢ়ি উঠাৰ হেতু চৰিতপুথিৰ গদ্যত এক ভকতীয়া ঠাচো পৰিলক্ষিত হৈছে।

চৰিতপুথিৰ দৰে অসম বুৰঞ্জীৰ সৈতে শাস্ত্ৰীয় দাৰ্শনিক তত্ত্বৰ সম্বন্ধ নাই। ই ৰাজ পৰিয়ালৰ ঘৰুৱা দৃষ্টান্ত আৰু এই ৰচনাৱলীৰ সৈতে জড়িত লোক বিদগ্ধ সংস্কৃত পণ্ডিত নহয় বুলিও অনুমান কৰিব পাৰি।

আধুনিক অৰ্থত বুৰঞ্জীসমূহ বিজ্ঞানসম্মত ইতিহাস নহ'লেও তাত ইতিহাসৰ সমল অন্তৰ্নিহিত হৈ আছে। অসমীয়া গদ্যৰীতিৰ দিশৰ পৰাও সাহিত্যৰ ইতিহাসত বুৰঞ্জীসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বুৰঞ্জীৰ ভাষা অনাড়ম্বৰ বাক্যৰীতি সৰল আৰু জঁতুৱা ঠাচেৰে পৰিপূৰ্ণ। বুৰঞ্জীৰ গদ্য সম্পৰ্কে উল্লেখ কৰি হেমচন্দ্ৰ গোস্বামীয়ে লিখিছে —

ইয়াৰ লেখাত ক'তো বাহুল্য নাই, ক'তো অতিৰঞ্জনৰ চেকা নাই। ভাষা যেনে সৰল তেনে আঁত নলগা। কোনো সঁচা কথাকে গোপন কৰিবৰ চেষ্টা নাই। ৰজাঘৰৰ অনেক চেকা লগা কথাও এই বুৰঞ্জীত খোলাখুলিভাৱে লিখা আছে।

উপমা ৰূপক দৃষ্টান্ত উপকথা আদিৰ সংযোগে বুৰঞ্জীৰ গদ্যক সৰসত প্ৰদান কৰিছে। পুৰণি বুৰঞ্জীৰ বাক্যৰীতি ভাব প্ৰকাশৰ অনুকূল চুটি চুটি। ইয়াত অনাৱশ্যকীয় কথাৰ অৱতাৰণা কৰি বাক্য দীঘল কৰাৰ প্ৰয়াস দেখা নাযায়। বুৰঞ্জীৰ গদ্যত তৎসম অৰ্ধতৎসম তদ্ভৱ দেশী বিদেশী আদিৰ শব্দৰ লগতে আহোম আৰু জনজাতীয় শব্দৰো প্ৰয়োগ ঘটিছে।

মধ্যযুগৰ অন্যান্য ৰচনাৰ ভিতৰত গোপালচৰণ দ্বিজৰ 'কথা ভক্তি ৰত্নাকৰ' আৰু ৰঘুনাথ মহন্তৰ 'কথা ৰামায়ণ'ৰ এক সুকীয়া গুৰুত্ব আছে। মহন্তই 'কথা-ৰামায়ণ'ত মাধৱ কন্দলিক অনুসৰণ কৰিলেও বাক্য গাঁথনিৰ দিশৰ পৰা ই অংকীয়া নাটৰ অধিক ওচৰ চপা। কথা ৰামায়ণৰ গদ্য সম্পৰ্কে উল্লেখ কৰি সত্যেন্দ্ৰ নাথ শৰ্মাই লিখিছে — 'কথা ৰামায়ণৰ গদ্যৰ ঠাচ ভট্টদেৱৰ গদ্যৰ অনুৰূপ কিন্তু ভট্টদেৱতকৈ কিছু সৰল।'[৯]

---

৯ বৰুৱা বিৰিঞ্চিকুমাৰ' প্ৰাগুক্ত গ্ৰন্থ

১০ শৰ্মা সত্যেন্দ্ৰ নাথ : অসমীয়া সাহিত্যৰ ইতিবৃত্ত পৃ ১৭৮

বুৰঞ্জীৰ বাহিৰেও মধ্যযুগত ভালেমান বিবিধ বিষয়ক গ্রন্থ ৰচিত হয়। এইবোৰ হ'ল – হস্তি বিদ্যার্ণৱ ঘোঁৰা নিদান কামৰত্ন তন্ত্র নীতি লতাঙ্কুৰ ইত্যাদি।

পুৰণি অসমীয়া লিপিৰ সংক্ষিপ্ত ইতিহাস

অসমীয়া লিপি মূল ভাৰতীয় লিপিৰ সৈতে সম্পর্কিত আৰু ইয়াৰ মূল ব্রাহ্মীলিপি। ব্রাহ্মীলিপি ভাৰতবর্ষৰ স্বকীয় লিপি আৰু অশোকৰ সময়ৰ পৰাই ভাৰতীয় লিপিৰ ধাৰাবাহিক ইতিহাস পোৱা যায়। এই লিপি পৰৱৰ্তী কালৰ প্রায়বোৰ ভাৰতীয় লিপিৰ জননীস্বৰূপ।

ব্রাহ্মী লিপিৰ মূল সম্পর্কে প্রাচ্য আৰু পাশ্চাত্য পণ্ডিতসকলৰ মাজত মতভেদ বিদ্যমান। কানিংহাম ৰাজবলী পাণ্ডে দীনেশচন্দ্র সৰকাৰ গৌৰীশংকৰ হীৰাচান্দ ওঝা ভোলানাথ তিৱাৰী আদি পণ্ডিতৰ মতে ব্রাহ্মীলিপিৰ জন্মস্থান ভাৰতবর্ষ। তাৰ বিপৰীতে চাৰ উইলিয়াম জোনচ বুর্ণেল ৱেবাৰ প্রভৃতি পণ্ডিতসকলে ব্রাহ্মী লিপিৰ মূল বহিঃ ভাৰতীয় ফিনিচীয় লিপি বুলি ক'ব খোজে। আই টেলৰ আৰু জর্জ ব্যুহলাৰৰ মতে ব্রাহ্মী লিপিৰ মূল ছেমিটিক লিপি। কিন্তু পৰৱৰ্তী লিপিবিদ পণ্ডিতসকলে এই মত অস্বীকাৰ কৰিছে। ব্রাহ্মীলিপিৰ পৰাই পৰৱৰ্তী কালত ক্রম বিৱর্তনৰ মাজেদি ভাৰতীয় আঞ্চলিক লিপিসমূহৰ সৃষ্টি হৈছে। ব্রাহ্মী লিপিৰ বিকাশৰ স্তৰকেইটা এনেধৰণৰ

ক) অশোকৰ অনুশাসন লিপি

খ) কুষাণ যুগৰ লিপি

গ) গুপ্ত যুগৰ লিপি

ঘ) প্রাচীন আঞ্চলিক লিপিৰ আদিৰূপ।

'অশোকৰ অনুশাসন মালাত বহুলভাৱে ব্যৱহৃত আৰু কুশানবংশীয় নৃপতিমণ্ডলীৰ ছত্রছায়াত পল্লৱিত ব্রাহ্মী লিপিৰ বিৱর্তন ঘটি খ্রীষ্টিয় ৪র্থ ৫ম শতিকা মানত এই লিপিয়ে স্বকীয় ৰূপ লাভ কৰে। ব্রাহ্মীলিপিৰ উত্তৰ ব্রাহ্মী শৈলীৰ অন্তর্গত গুপ্তলিপি আৰু সিদ্ধমাতৃকা বা কুটিল লিপিৰ ক্রমবিকশিত ৰূপ কুটিল লিপিৰ পৰাই পুৰণি অসমীয়া লিপিৰ উদ্ভৱ হোৱা বুলি কোনো কোনো পণ্ডিতে মতপ্রকাশ কৰিছে।

ভাৰতীয় লিপিৰ ক্রমবিকাশৰ ইতিহাসত অসমীয়া লিপিয়ে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। পঞ্চম শতিকাৰ পৰা নৱম শতিকালৈকে ইতিমধ্যে আৱিস্কৃত হোৱা শিলালিপি তাম্রলিপিসমূহে অসমীয়া লিপিৰ ক্রমবিকাশৰ বিষয়ে অধ্যয়নত বিশেষভাৱে সহায় কৰে। লিপি অধ্যয়নৰ বাবে এতিয়ালৈকে আৱিস্কৃত প্রাচীনতম লিপি হৈছে নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি। এই লিপিৰ সময় পঞ্চম শতিকাৰ আদিভাগ বুলি

ঠাবৰ কৰা হৈছে। সুৰেন্দ্ৰ বৰ্মাৰ উমাচল লিপি পঞ্চম শতিকাৰ শেষভাগত খোদিত লিপি। মুকুন্দ মাধৱ শৰ্মাই নগাজৰী খনিকৰ গাঁৱৰ লিপি উমাচল লিপিতকৈ প্ৰাচীন বুলি মতপোষণ কৰিছে।[১১]

এইখিনিতেই মন কৰিবলগীয়া কথা যে অসমীয়া লিপি আকাৰত কুটিল লিপিৰ ওচৰ চপা যদিও কুটিল লিপিৰ বিকাশৰ বহু আগতেই নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি আৰু উমাচল লিপি উৎকীৰ্ণ হয়। কুটিল লিপিৰ জন্মৰ আৰু বিকাশৰ সময় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকা। কিন্তু নগাজৰী খনিকৰ গাঁৱৰ লিপি আৰু উমাচল লিপিৰ আখৰৰ গঢে এই কথা স্পষ্টভাৱে প্ৰতিপন্ন কৰে যে দুয়োখন লিপিয়েই ষষ্ঠ শতিকাৰ আগৰ আৰু ইয়াত কুটিল লিপিৰ নমুনা নাই। তাৰ পৰিবৰ্তে প্ৰাচ্য ৰীতিৰ ব্ৰাহ্মী বা গুপ্ত শৈলীৰ নমুনাহে ইয়াত স্পষ্ট। প্ৰাচীন কামৰূপৰ আটাইকেইখন শিলালিপি বা তামৰ ফলিতে ব্ৰাহ্মী ব আৰু ৱ আখৰৰ পাৰ্থক্য ৰখা নাই। কিন্তু নগাজৰী খনিকৰ লিপিত স্পষ্টৰূপত ব্ৰাহ্মীৰ ব আৰু ৱ আছে। কিন্তু পৰৱৰ্তী অসমৰ শিলালিপিসমহত এই পাৰ্থক্য ৰক্ষিত হোৱা নাই। চতুৰ্থ শতিকাৰ সমুদ্ৰগুপ্তৰ প্ৰয়াগ প্ৰশস্তিৰ আখৰৰ সৈতে থকা সাদৃশ্যৰ ওপৰত নিৰ্ভৰ কৰি সেয়ে খৃষ্টীয় চতুৰ্থ শতিকাৰ পৰাই অসমীয়া লিপিৰ বিকাশৰ ধাৰা আৰম্ভ হৈছে বুলি অনুমান কৰিব পাৰি।

পৰৱৰ্তী কালৰ ষষ্ঠ শতিকাৰ মাজভাগৰ এখনি উল্লেখযোগ্য শিলালিপি হ'ল বৰগঙ্গা শৈলশাসন। এইখনি শৈলশাসনৰ আখৰৰ গঢত প্ৰাচীনত্বৰ স্বাক্ষৰ বিদ্যমান। এইখন লিপিৰ সৈতে পৰৱৰ্তী কালৰ ডুবি আৰু নিধানপুৰ শিলালিপিৰ ক্ৰমবিকশিত ৰূপটোৱে অসমীয়া লিপিৰ বিকাশৰ ধাৰাটি স্পষ্ট কৰাত সহায় কৰে। অৰ্থাৎ এই লিপিসমূহৰ মাজত লিপিৰ বিকাশৰ ঐতিহাসিক ধাৰাটো ইয়াত স্পষ্টভাৱে পৰিলক্ষিত হয়। গতিকে সিদ্ধান্ত কৰিব পাৰি যে কুটিল লিপিয়ে স্বকীয় ৰূপ লাভ কৰাৰ আগতেই অসমীয়া লিপিয়ে স্বকীয় বৈশিষ্ট্য লাভ কৰি বিকাশৰ পথত আগবঢা ধাৰণাটো স্পষ্ট আৰু অধিক যুক্তিসন্মত।[১২]

খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰা সাম্প্ৰতিক কাললৈকে অসমীয়া লিপিৰ ক্ৰমবিকাশৰ ধাৰাটোক সমালোচকসকলে নানাধৰণে ভগাই দেখুৱাইছে। বিশ্বেশ্বৰ হাজৰিকাই লিপিৰ ক্ৰমবিকাশৰ ধাৰাটোক ছটা ভাগত বিভক্ত কৰিছে।[১৩]

সেয়া হ'ল —

১। প্ৰাচীন কামৰূপী লিপি (৫ম শতিকাৰ পৰা ৮ম শতিকালৈ)

২। নব্য অসমীয়া লিপি (৯ম শতিকাৰ পৰা ১১ শতিকাৰ প্ৰথম ৪ দশকলৈ)

---

১১ *শৰ্মা মুকুন্দ মাধৱ : অধ্যয়ন পৰিচয় পৃ ১৬২*

১২. *নাথ প্ৰফুল্ল কুমাৰ : অসমীয়া ভাষাৰ অধ্যয়ন পৃঃ ১৪০*

১৩ *হাজৰিকা বিশ্বেশ্বৰ : অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ পৃ° ৪৬*

৩। প্ৰাক্ অসমীয়া লিপি (১১শ শতিকাৰ ছয় দশকৰ পৰা ১২শ শতিকালৈ)

৪। প্ৰাচীন অসমীয়া লিপি (১৩শ শতিকাৰ পৰা ১৪শ শতিকালৈ)

৫। মধ্যযুগীয় অসমীয়া লিপি (১৫শ শতিকাৰ পৰা ১৯শ শতিকাৰ প্ৰথম চাৰি দশকলৈ)

৬। আধুনিক অসমীয়া লিপি (১৯ শ শতিকাৰ শেষ চাৰি দশকৰ পৰা বৰ্তমানলৈ)

ৰামচৰণ ঠাকুৰীয়াই অসমীয়া লিপিৰ বিকাশৰ ইতিহাসক প্ৰধান দুটা যুগত ধৰি প্ৰত্যেককে আকৌ স্তৰ অনুযায়ী কেইটামান উপ বিভাগত ভগাইছে।[১৪]

সেয়া হ'ল —

১। কামৰূপী লিপি

(ক) প্ৰাচীন কামৰূপ বা ভৌম লিপি (৫ম ৭ম শতিকা)

(খ) নব্য কামৰূপী লিপি (৮ম ১২শ শতিকা)

২। অসমীয়া লিপি

(ক) আদি অসমীয়া লিপি (১৩শ ১৫শ শতিকা)

(খ) মধ্য অসমীয়া লিপি (১৬শ ১৯শ শতিকা)

(গ) আধুনিক অসমীয়া লিপি (১৯শ বৰ্তমানলৈকে)

উপেন্দ্ৰনাথ গোস্বামীযে খৃষ্টীয় পঞ্চম শতিকাৰ পৰা ত্ৰয়োদশ শতিকাৰ পিছৰ পৰা উনবিংশ শতিকাৰ মাজভাগলৈ 'মধ্যযুগীয় অসমীযা লিপি আৰু অৰুণোদয়ৰ জন্মকালৰ পৰা বৰ্তমানলৈ 'আধুনিক অসমীযা লিপি এই তিনিটা প্ৰধান ভাগত ভগাইছে।[১৫]

কামৰূপী লিপি :

খৃষ্টীয় পঞ্চম শতিকাৰ আগভাগৰ নগাজৰী খনিকৰ গাঁৱৰ শিলালিপিৰ পৰা ১২০৬ খ্ৰীষ্টাব্দৰ কানাই বৰশী বোৱা শিলালিপি পৰ্যন্ত এই সময়ছোৱাৰ লিপিৰ ক্ৰমবিকাশৰ ধাৰাটো খৃষ্টীয় পঞ্চম শতিকাৰ পৰা ত্ৰয়োদশ শতিকালৈকে ইতিমধ্যে আবিষ্কৃত বিভিন্ন শিলালিপি আৰু তাম্ৰ ফলিত সংৰক্ষিত লিপিৰ যোগেদি ভালদৰে হৃদয়ংগম কৰিব পাৰি। ইতিমধ্যে পঞ্চম আৰু ষষ্ঠ শতিকাৰ ভিতৰৰ তাম্ৰ শাসনবোৰ লক্ষ্য কৰিলে দেখা যায় যে এই সময়ছোৱাত বিভিন্ন লিপিসমূহৰ আখৰৰ ক্ষেত্ৰত কিছু উল্লেখনীয় পৰিবৰ্তন সূচিত হৈছে। বিশেষকৈ নৱম দশম শতিকাৰ আদিভাগৰ

১৪ ঠাকুৰীয়া ৰামচৰণ : পাঠ-সমীক্ষা প্ৰসংগত পৃঃ ৩৪ ৪০

১৫ গোস্বামী উপেন্দ্ৰনাথ : অসমীয়া লিপি।

তাম্রলিপিসমূহৰ গঢ়ে আধুনিক লিপিৰ ফালে গতি কৰিছে। লিপিত ব্যৱহৃত ভালেমান মধ্যস্বৰ আৰু যুক্ত ব্যঞ্জনেও আধুনিক ৰূপৰ দিশত অগ্রসৰ হৈছে। বনমাল বর্মাৰ পৰৱর্তীয়া তাম্রশাসন বলবর্মনৰ উত্তৰ বৰবিল উলুবাৰী আৰু নগাঁও তাম্রলিপিত এনে নিদর্শন পোৱা যায়। এই লিপিসমূহত প্রায়বোৰ আখৰ আৰু যুক্তাক্ষৰে আধুনিক অসমীয়া ৰূপ পৰিগ্রহ কৰিছে। গতিকে খৃষ্টীয় নৱম দশম শতিকাৰ ভিতৰত অসমীয়া লিপিয়ে এটা সুকীয়া ৰূপ গ্রহণ কৰিবলৈ সক্ষম হৈছে। মুঠতে খৃষ্টীয় ৫ম শতিকাৰ নগাজৰী খনিকৰ গাঁৱৰ শিলালিপিৰ পৰা আৰম্ভ কৰি ত্রয়োদশ শতিকাৰ কানাই বৰশী বোৱা শিলালিপিলৈ কামৰূপী লিপিৰ এই দীঘলীয়া গতিপ্রবাহত প্রায় তেৰখনমান শিলালিপি তাম্রলিপি অন্তর্ভুক্ত কৰিব পাৰি। এই লিপিসমূহৰ ভিতৰত উত্তৰ গুৱাহাটীত প্রাপ্ত কানাই বৰশী বোৱা শিলালিপিখন ঐতিহাসিক দিশৰ পৰা বিশেষ গুৰুত্বপূর্ণ। ইয়াত সন্নিবিষ্ট বাক্যদুশাৰী হ'ল —

'শাকে তুৰুগ যুগ্মেশে মধুমাসে ত্রয়োদশে।
কামৰূপং সমাগত্য তুৰস্কা ক্ষয়মাযয়ু।।

অর্থাৎ ১১২৭ শকৰ চ'ত মাহৰ ১৩ দিনৰ দিনা কামৰূপলৈ আহি তুৰস্কসকল ক্ষয়প্রাপ্ত হ'ল।

কানাই বৰশীবোৱা শিলালিপি ত্রয়োদশ শতিকাৰ আদিভাগৰ অসমীয়া লিপিৰ সুন্দৰ নিদর্শন।

মধ্যযুগীয় অসমীয়া লিপি ঃ

ত্রয়োদশ শতিকাৰ কানাই বৰশী বোৱা শিলালিপিৰ পৰাই প্রকৃতপক্ষে অসমীয়া লিপিৰ মধ্যযুগ আৰম্ভ হৈছে। ইয়াৰ পৰৱর্তী কালছোৱাৰ উল্লেখযোগ্য লিপিসমূহ হ'ল আমবাৰী আৰু গছতল শিলালিপি বাউতকুছি লিপি নীলাচলত পোৱা মাধৱ ৰজাৰ ফলি লগতে শ্রীকৃষ্ণ কীর্তন আৰু চর্যাচর্যবিনিশ্চয়ৰ লিপিৰ কথা উল্লেখ কৰিব পাৰি। তদুপৰি আহোম ৰজাসকলৰ দিনত প্রদত্ত বিভিন্ন তাম্রলিপি পেৰাকাকত সত্রাদিত লিখিত সাঁচিপতীয়া পুথি প্রভৃতি এই যুগৰ লিপিৰ সার্থক নিদর্শন।

ছশ বছৰীয়া আহোম ৰাজত্বকালত ৰচিত বুৰঞ্জীসমূহত মধ্যযুগীয় অসমীয়া লিপি ব্যৱহাৰ কৰিলেও টাই বা আহোম লিপিও ব্যৱহাৰ কৰা হৈছিল যাক তেওঁলোকে 'অসমাক্ষৰ' আখ্যা দিছিল। মধ্যযুগত বহুলভাৱে ব্যৱহৃত সাঁচিপাত তুলাপাত আদিত ব্যৱহৃত অসমীয়া লিপিসমূহক হেমচন্দ্র গোস্বামীয়ে প্রধানকৈ তিনিটা ভাগত বিভক্ত কৰিছে। সেয়া হ'ল —

ক) গড়গঞা লিপি
খ) বামুণীয়া লিপি
গ) কাইথেলী বা লহকৰী লিপি

আহোমসকলৰ ৰাজধানী গড়গাঁৱক কেন্দ্ৰ কৰি গঢ় লৈ উঠা লিপিটোৱেই হ'ল গড়গঞা লিপি। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে — 'আহোম ৰাজধানীক কেন্দ্ৰ কৰি উদ্ভৱিত এই লিপিভংগীৰ প্ৰচলন হয় কাৰণেই ইয়াৰ নামকৰণ হয় গড়গঞা। বুৰঞ্জীবোৰত সাধাৰণতে এই ভংগী ব্যৱহাৰ হোৱা দেখা যায়। অৱশ্যে পদপুথি আদিতো ইয়াৰ ব্যৱহাৰ কম নাছিল।

গড়গঞা লিপিৰ আখৰবোৰ ধুনীয়া আৰু একে গঢ়ৰ। আহোমসকলে লেখকৰ বৰুৱাৰ অধীনত লেখাৰু নামৰ এটা খেল সৃষ্টি কৰি তেওঁলোকক বুৰঞ্জী আৰু অন্যান্য পুথি পাঁজি লিখিবৰ কাৰণে নিয়োগ কৰিছিল। নেওগৰ মতে গড়গঞা লিপি অতি সৰল আৰু নিৰলংকৰা। মহেন্দ্ৰ বৰায়ো এই লিপিৰ সৰলতা আৰু স্পষ্টতাৰ কথা উল্লেখ কৰি গৈছে।

অসমীয়া লিপি আৰু নাগেৰী লিপিৰ সংমিশ্ৰণত গঢ় লৈ উঠা লিপিয়েই হ'ল বামুণীয়া লিপি। সংস্কৃত টোলক কেন্দ্ৰ কৰি এই লিপিয়ে বিকাশ লাভ কৰিছিল। বিশেষকৈ ব্ৰাহ্মণসকলে সংস্কৃত পুথি নকল কৰিবৰ কাৰণে এই লিপি ব্যৱহাৰ কৰিছিল। এই লিপিৰ আখৰ লতাপকীয়া।

আনহাতে কায়স্থসকলে পুথি নকল কৰোঁতে তথা হিচাপ পত্ৰ ৰাখিবৰ কাৰণে ব্যৱহাৰ কৰা লিপিয়েই হ'ল কাইথেলী লিপি। উজনি আৰু নামনি অসমৰ অঞ্চল বিশেষে এই লিপি প্ৰচলিত হৈছিল। নামনি অসমৰ 'লহকৰ' উপাধিৰ লোকসকল কায়স্থকুলৰ। এওঁলোকৰ উপাধি অনুসৰি এই লিপিক লহকৰী বুলিও কোৱা হয়। কায়স্থসকলে লেখা ধৰ্মীয় পুথি পাঁজি অংকশাস্ত্ৰ চিকিৎসা শাস্ত্ৰ আদি ইয়াৰ অন্তৰ্গত। 'হস্তি বিদ্যাৰ্ণৱ' কাইথেলী লিপিৰ আখৰ লতা আকৃতিৰ পাকৰ সংখ্যা বেছি। আখৰবোৰ সমান গঢ়ৰ সুন্দৰ আৰু ফটফটীয়া।

পুৰণি অসমৰ ধৰ্মৰ ইতিহাস

ক) শৈৱধৰ্ম ঃ

প্ৰাচীন কামৰূপত প্ৰায় আটাইবোৰ জনজাতিৰ মাজতেই থলুৱা ৰূপত শিৱৰ উপাসনা কৰা হৈছিল। শিৱ প্ৰাক-বৈদিক দেৱতা আৰু খুব সম্ভৱ কিৰাতসকলে দ্ৰাবিড়সকলৰ পৰাই শিৱপূজাৰ আদৰ্শ গ্ৰহণ কৰে। কিয়নো প্ৰাক-বৈদিক সিন্ধু উপত্যকাৰ সংস্কৃতিতে বৃষভ-বাহন শিৱ আৰু সৰ্প উপাসনাৰ আভাস পোৱা যায়।

বৈদিক সাহিত্যত উল্লেখ কৰা ৰুদ্ৰ দেৱতাই পৰৱৰ্তী কালত শিৱ দেৱতাৰূপে পৰিচিত হোৱা বুলি ধাৰণা কৰিব পাৰি। ঋকবেদত শিৱ শব্দতো বিশেষণৰূপত ব্যৱহৃত হোৱা দেখা যায়।[16] শ্বেতাশ্বেতৰ উপনিষদৰ এঠাইত ৰুদ্ৰক 'মহেশ্বৰ বোলা হৈছে। একেখন উপনিষদত ৰুদ্ৰক বুজাবৰ কাৰণে হৰ মহাদেৱ ঈশ ঈশান মহেশ্বৰ ভাগৱত ইত্যাদি ভালেমান সমাৰ্থক শব্দৰ প্ৰয়োগ কৰাটো লক্ষ্য কৰা যায়। শ্বেতাশ্বেতৰ উপনিষদত ঈশানকে সকলো যোনিৰ গৰাকী বুলিছে।[17] পৰমব্ৰহ্ম পৰমেশ্বৰৰ নিজাশক্তিৰ পৰাই স্পন্দনমাত্ৰ অপৰাশক্তি সৃষ্টি হৈছে আৰু এই শক্তিৰ যোগেদিয়েই ব্ৰহ্মই জগত সৃষ্টি কৰিছে। 'মুণ্ডক উপনিষদ'ত সেয়েহে ব্ৰহ্মাকে যোনি বোলা হৈছে। ব্ৰহ্ম সাক্ষাতকাৰী সাধকে যেতিয়া ব্ৰহ্মাযোনি দৰ্শন কৰে তেতিয়া তেওঁ পৰম সাম্য লাভ কৰে।[18]

প্ৰাগাৰ্য জনগোষ্ঠীসমূহৰ মূল সংগ্ৰাম আছিল সৃষ্টিকেন্দ্ৰিক। এনে সংগ্ৰামৰ সৈতে উৰ্বৰতাৰ প্ৰশ্নটো সাঙোৰ খাই আছিল। সমাজবিজ্ঞানীসকলে ধাৰণা কৰে যে প্ৰাগাৰ্য লোকসকলে পুং আৰু স্ত্ৰী শক্তিক যথাক্ৰমে পিতৃ আৰু মাতৃশক্তি ৰূপত অতি প্ৰাচীন কালৰ পৰাই জননেন্দ্ৰিয়ৰ প্ৰতীক ৰূপত উপাসনা কৰিছিল। প্ৰাগাৰ্য শিৱযোগীৰ লগতে জীৱজন্তুৰো অধিকাৰী আছিল। যজুৰ্বেদ[19] অথৰ্ববেদ[20] শতপথ ব্ৰাহ্মণ[21] আচলায়ন গৃহ্যসূত্ৰ[22] আদিত পশুপতি ৰুদ্ৰৰে এটা ৰূপ। মহেঞ্জোদাৰো হৰপ্পাৰ সভ্যতাৰ সময়ৰে পৰাই বৃষভ পূজাৰ আভাস পোৱা যায়। ঋকবেদত[23] শিৱক বৃষভেৰে সৈতে তুলনা কৰা হৈছে। গতিকে প্ৰাগাৰ্য বৃষ দেৱতা আৰু ঋকবেদৰ বৃষ দেৱতাৰ সংমিশ্ৰণত শিৱ দেৱতাৰ সৃষ্টি হোৱা বুলি অনুমান কৰিব পাৰি। বৈদিক যুগৰ পৰৱৰ্তী সাহিত্যতো শিৱ উপাসনাৰ সৈতে সৃষ্টিৰ কথাই জড়িত হৈ থকা দেখা যায়। পুৰাণ আৰু মহাভাৰতীয় সাহিত্যতো ভক্তসকলে স্বামী লাভ সম্পদ লাভ আদি উদ্দেশ্য লৈয়েই শিৱ আৰু শক্তিক উপাসনা কৰিছিল।

কৃষি দেৱতাসকল প্ৰায়েই জননশক্তিৰ দেৱতা। মহেঞ্জোদাৰো সভ্যতাৰ প্ৰটʼশিৱও কৃষিদেৱতা সৃষ্টিৰ দেৱতা — যাৰ আভাস মূৰ্ত্তিটোৰ শিৰৰ কীৰিটিত থকা বৃক্ষৰ মোটিফৰ পৰা অনুমিত হয়। মহাভাৰতত[24] লিংগ উপাসক উপমন্যুয়ে অন্ন আৰু

১৬ ঋকবেদ ১০/১২৪/২
১৭ শ্বেতাশ্বেতৰ উপনিষদ ৪/১
১৮ মুণ্ডক উপনিষদ ৩/১ ৩
১৯ বাজসনেয় সংহিতা ১৪/২৮
২০ ৭/১১ ১২
২১ ১/৭ ৮ ৪/১ ৩
২২ ৪/৮ ১৯
২৩ ২/৩৩
২৪ মহাভাৰত ৮/২১৮ — ২৬

গাখীৰৰ প্ৰাচুৰ্য্যৰ বাবে শিৱৰ ওচৰত প্ৰাৰ্থনা কৰিছে। কৃষক ৰাইজৰ বাবে শিৱ মহাদেৱ।[২৫] শিৱ পুৰাণত[২৬] নাদ বিন্দুৰ সম্মিলন আৰু তাৰ বিস্ফোৰণ হৈছে শিৱৰ প্ৰতীক। ঋকবেদত[২৭] দুডাল জুইশলাৰ কাঠিৰ ঘৰ্ষণকো সৃষ্টিৰ প্ৰতীক যোনি হিচাপে দেখুওৱা হৈছে। পৰৱৰ্তী বেদ আৰু ব্ৰাহ্মণাদিত এই শলা দুডালক যথাক্ৰমে পুৰুৰৱা উৰ্ৱশীৰ সৈতে তুলনা কৰিছে।[২৮]

লিঙ্গ পুৰাণত শিৱ লিঙ্গক প্ৰশংসা কৰা হৈছে আৰু ই সমগ্ৰ বিশ্বক ধাৰণ কৰা বুলি উল্লেখ কৰিছে। লিঙ্গক সৃষ্টিৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হৈছে। ই অদৃশ্য আৰু স্ব প্ৰকাশ জ্যোতি। শংকৰাচাৰ্যই সৌন্দৰ্যলহৰীত'ত উল্লেখ কৰিছে যে শিৱই শক্তিৰ সহযোগতহে সৃষ্টিকাৰ্যৰ বাবে সক্ষম হয় অন্যথা শিৱ শৱসদৃশ।[২৯] আগমে পুৰুষ প্ৰকৃতিৰ অভিন্ন সত্তাৰ বৰকৈ প্ৰশংসা কৰিছে। তন্ত্ৰৰ মতে মানৱ দেহ বিশ্ব চৰাচৰৰেই ক্ষুদ্ৰ সংস্কৰণ যি অসংখ্য নাড়ী ছয়চক্ৰ আদিৰ সমষ্টিৰে গঠিত। তন্ত্ৰত এই চক্ৰসমূহক পদ্ম বোলা হৈছে। এই ছয় চক্ৰতে ব্ৰহ্মাই লিঙ্গৰূপত অৱস্থান কৰি আছে আৰু এই লিঙ্গকে আবৃত কৰি শক্তিয়ে কুণ্ডলীকৃত সৰ্পৰ দৰে জীৱদেহ ৰক্ষা কৰি আছে।

শিৱ লিঙ্গ বায়ু, স্কন্দ মৎস্য কূৰ্ম ভৱিষ্য ব্ৰহ্মাণ্ড আৰু মাৰ্কেণ্ডয় — ইত্যাদি সকলোবোৰ শৈৱধৰ্মীয় পুৰাণতে শিৱৰ লিঙ্গ উপাসনাৰ গুণাগুণ বৰ্ণনা কৰিছে। বামণ পুৰাণ আৰু অন্যান্য তান্ত্ৰিক গ্ৰন্থত চতুৰ্জাতিৰ কাৰণে লিঙ্গ উপাসনাৰ স্বীকৃতি দিয়া হৈছে। 'স্মৃতিৰত্ন'ত গাখীৰ দৈ মাখন আদিৰে লিঙ্গ ধৌত কৰাৰ গুণ বখানিছে। বৰাহমিহিৰৰ 'বৃহৎ সংহিতা'ত উপাসনা কৰিবলগীয়া লিঙ্গৰ আকৃতি প্ৰকৃতি সম্পৰ্কে উল্লেখ পোৱা যায়।

লিঙ্গ পুৰাণত (অধ্যায় ১৮ ২০) ব্ৰহ্মা আৰু বিষ্ণু উভয়ৰে মাজত নিজৰ শ্ৰেষ্ঠতা সম্পৰ্কে যুক্তি তৰ্কৰ অৱতাৰণা কৰা দেখা যায়। এনে সময়তে উভয়ৰে মাজত এটি জ্যোতিৰ্লিঙ্গৰ আবিৰ্ভাৱ হয়। অসীমলৈ ব্যাপ্ত এই স্ব-প্ৰকাশ জ্যোতিত দুয়ো আচৰিত হয় আৰু নিজৰ শ্ৰেষ্ঠতা প্ৰমাণৰ বাবে উভয়ে চেষ্টা কৰে। সেই উদ্দেশ্যে জ্যোতিৰ্লিঙ্গৰ আদি অন্ত নিৰূপণৰ বাবে ব্ৰহ্মাই ওপৰলৈ আৰু বিষ্ণুৱে তললৈ পৰিভ্ৰমণ কৰিলে যদিও এই কাৰ্যত এজনেও সফলতা লাভ কৰিব নোৱাৰিলে। একে কাহিনীকে কিছু পৰিৱৰ্তিত

২৫ *Delton, E T Descriptive Analogy of Bengal Vol II P 203*
২৬ *শিৱপুৰাণ ষোড়শ অধ্যায় পদ ৮৬-৯০*
২৭ ২/২৯ ১ — ৬,
২৮ *অথৰ্ববেদ ৪/১১ ১ শতপথ ব্ৰাহ্মণ ৩/৪ ১ ২২, কাত্যায়ন শ্ৰৌতসূত্ৰ ইত্যাদি ৪/৭ ২২, ৫/১ ৩০ ইত্যাদি*
২৯ *Srinivasm, T N A Handbook of South Indian Images Tirupati 1954 p 66*
৩০ *Kane P V History of Dharasastra Vol II Part II p 738*

ৰূপত বায়ুপুৰাণ মৎস্যপুৰাণ মাৰ্কণ্ডেয় পুৰাণ কুৰ্মপুৰাণ আদিত বিবৃত হৈছে। দাৰ্শনিক ভাবে এই জ্যোতিৰ্লিঙ্গ পৃথিৱী আৰু আকাশৰ সংযোজক নাইবা বিশ্বৰ পৰম সত্তা। মহাভাৰতৰ সপ্তিক পৰ্বত শিৱই অশ্বত্থামাৰ আগত জলন্ত শিখাৰ সৈতে আবিৰ্ভাব হোৱাৰ উল্লেখ পোৱা যায়। শিৱ[৩১] আৰু স্কন্দ[৩২] পুৰাণত বাৰটি জ্যোতিৰ্লিঙ্গৰ উল্লেখ পোৱা যায়। অৱশ্যে এইকেইটি লিঙ্গৰ সৈতে যৌন শক্তিৰ কোনো সম্পৰ্ক নাই আৰু ইয়াৰ পবিত্ৰতা সৰ্বজনবিদিত।

মহাভাৰতৰ সভাপৰ্বত শিৱভক্ত বাণাসুৰৰ উল্লেখ পোৱা যায়। কালিকা পুৰাণৰ বৰ্ণনাৰ পৰা জনা যায় যে নৰকাসুৰে প্ৰাগজ্যোতিষত ৰাজত্ব কৰাৰ বহু আগৰে পৰাই এই দেশ শিৱৰ নিজা লীলাভূমি আছিল।

স চ দেশ স্ব ৰাজ্যাৰ্থে পূৰ্ব্বং গুপ্তশ্চ শম্ভুনা।[৩৩]

সেই সময়ত এই দেশত পূৰ্বৰে পৰা বসবাস কৰি থকা শিৱৰ ভক্ত কিৰাতসকলক বিষ্ণুৱে শিৱক অনুমতি সাপেক্ষে কামৰূপৰ মধ্যভাগৰ পৰা আঁতৰাই পূবে ললিতাকান্তাক সীমা কৰি পূব সাগৰৰ পাৰত বহুৱায়।

এবমুক্ত্বা স্বয়ং বিষ্ণু শম্ভোৰণুমতে তদা।
সৰ্বান্ কিৰাতান পূৰ্বস্যাং সাগৰান্তে ন্যবেশয়েৎ।।[৩৪]

অৱশ্যে নৰকাসুৰৰ ৰাজ পৃষ্ঠপোষকতা নাপালেও সেই সময়ত প্ৰাগজ্যোতিষত গুপ্ত ৰূপত শিৱৰ আৰাধনা চলি আছিল

নৈবাৰাধ্যোস্তথাশম্ভুৰন্তৰ্গুপ্ত স মে পুৰে।

প্ৰাগজ্যোতিষৰ ৰজা ভগদত্ত আৰু শোণিতপুৰ নৃপতি বাণৰজা শিৱ উপাসক আছিল বুলি জনা যায়। প্ৰাচীন অসমৰ তাম্ৰশাসন সমূহৰ মতে ভাস্কৰবৰ্মা হৰ্জৰ বৰ্মা বনমালা বৰ্মা বল বৰ্মা আদি ৰজাসকলো শিৱভক্ত আছিল। কালিকা পুৰাণৰ মতে শিৱ কিৰাতসকলৰো প্ৰধান উপাস্য দেৱতা আছিল। প্ৰাক্‌শংকৰী যুগত সমগ্ৰ অসমতে শৈৱ আদৰ্শ শক্তিশালী আৰু সৰ্বব্যাপ্ত আছিল। প্ৰাচীন কামৰূপত সাধাৰণতে শিৱক লিঙ্গৰূপত পূজা কৰা হৈছিল। শিৱলিঙ্গৰ বাহিৰেও ঈশান বা ঈশানেশ্বৰ মহেশ বা মহেশ্বৰ লকুলীশ নটৰাজ ভৈৰব উমা মহেশ্বৰ আৰু হৰি-হৰ ইত্যাদি ৰূপত শিৱক পূজা কৰা হৈছিল।

---

৩১ উত্তৰ খণ্ড ৩৮ অধ্যায়
৩২ অবন্তি খণ্ড ১/১/ ২
৩৩ কালিকা পুৰাণ ৩৮/৯৬
৩৪ কালিকা পুৰাণ ৩৯/২৮–২৯
৩৫ কালিকা পুৰাণ ৪৪/৬৫

সপ্তম শতিকাৰ ভাস্কৰ বৰ্মাৰ পৰা আৰম্ভ কৰি দ্বাদশ শতিকালৈকে প্ৰাচীন কামৰূপত ৰাজত্ব কৰা প্ৰায়বোৰ ৰজাই আছিল শিৱভক্ত। অসমত অতি প্ৰাচীন কালৰে পৰাই থলুৱা ৰূপত শিৱক পূজা কৰা হৈছিল। বিশেষকৈ বড়ো-কছাৰী সকলে বাথৌ সোণোৱাল-কছাৰীসকলে বুঢ়া-বুঢ়ী দেউৰী চুতীয়াসকলে কুণ্ডিমামা বলিয়া বাবা ইত্যাদি বিবিধ নামেৰে নিজ নিজ লোকাচাৰ অনুযায়ী শিৱক পূজা কৰিছিল।

'চতুৰ্থ শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত শালস্তম্ভ আৰু ব্ৰহ্মপাল বংশৰ হিন্দু ৰজাসকলৰ মাজত শৈৱধৰ্মৰ প্ৰাধান্য প্ৰতিষ্ঠিত হোৱা যেন অনুমান হয়। তেওঁলোকৰ তাম্ৰশাসনবোৰত বিষ্ণু আৰু দেৱীৰ উল্লেখ বৰ বেছি নহয়। এই ৰজাসকলে নিজকে নৰক ভগদত্ত আৰু ব্ৰজদত্তৰ বংশধৰ বুলি বৰ্ণনা দিছে। ফলিবোৰত ভগদত্ত আৰু ব্ৰজদত্তক শিৱভক্ত বুলি কোৱা হৈছে। ভাস্কৰবৰ্মাই তেওৰ আৰাধ্য শিৱ পিণাকপাণি চন্দ্ৰলেখা কিৰীটিৰে শোভিত ভস্মৰঞ্জিত আৰু সৌন্দৰ্য্য কাম দেৱতাতকৈয়ো অধিক বুলি উল্লেখ কৰিছে।

ওঁ প্ৰণম্য দেৱ, শশিশেখৰ (,) প্ৰিয়, পিণাকিনং
*ভস্মকনৈৰ্বিভূষিত, *[৩৬]

হৰ্জৰ বৰ্মাৰ হাইয়ুংথল লিপিত আৰু তেওক পুত্ৰ বনমালৰ তামৰ ফলিতো শিৱ দেৱতাৰ প্ৰতি ভক্তিভাৱৰ প্ৰকাশ ঘটিছে

স পুণাতু পিনাকীযো যচ্ছীৰ্ষে স্বৰ্ধুনী জলম কীৰ্ণ, বেচক বাতেন তাৰকা প্ৰকৰায়িত,[৩৭] ইত্যাদি।

নৱম শতিকাৰ বনমালদেৱৰ ফলিত এইজনা ৰজাই হাটক শিৱৰ নটি মন্দিৰ পুনৰ্নিমাণ কৰি মন্দিৰৰ নামত গাওঁ হাতী বেশ্যা দিয়াৰ সুন্দৰ বৰ্ণনা পোৱা যায়। একেখন ফলিতে ৰাজধানী হাৰুপেশ্বৰৰ কাষৰ কামকূট পৰ্বতত শ্ৰীকামেশ্বৰ আৰু মহাগৌৰীৰ থানৰ উল্লেখ আছে। বনমালৰ শিৱভক্তিৰ প্ৰমাণ তেওঁৰ নাতি বলবৰ্মাৰ ফলিতো আছে। তাত কোৱা হৈছে, বৃদ্ধ বলবৰ্মাই পুতেকৰ কান্ধত ৰাজ্যভাৰ অৰ্পণ কৰি মহেশ্বৰৰ জ্যোতিত বিলীন হৈ গ'ল।

'অনশন বিধিনা বীৰ স্তেজসি মহেশ্বৰে লীন '।

এই ফলিবোৰত শিৱক নানা বিশেষণেৰে বিভূষিত কৰা হৈছে। 'ইন্দ্ৰপাল ৰজাৰ গুৱাহাটী ফলিত গৌৰীয়ে শিৱক দ্যুত-ক্ৰীড়াত ঘটুৱা আৰু তেওঁৰ পৰশু বৃষভ অৰ্দ্ধচন্দ্ৰ আদি সকলো পণত লাভ কৰাৰ কাহিনী সৃষ্টি কৰা হৈছে। পিছত বস্তুবোৰ গৌৰীয়ে শিৱক ঘূৰাই দিলে কিন্তু ক'লে তাৰ পৰিৱৰ্তে তেওঁ যেন গঙ্গাক তেওঁৰ জলবহা

৩৬ ভাস্কৰবৰ্মাৰ নিধানপুৰ তাম্ৰলিপি
৩৭ বনমালৰ তামৰ ফলি

অৰ্থাৎ পানী যোগাতীৰূপে পায়। ইন্দ্ৰপাল শিব আৰু গিৰিজা দুয়োৰে ভক্ত। ইন্দ্ৰপালৰ নাতি ধৰ্মপালৰ ফলিত শিৱৰ অৰ্দ্ধনাৰীশ্বৰ ৰূপ অঙ্কন কৰি প্ৰণাম জনোৱা হৈছে।[৯]

প্ৰাক আহোম যুগৰ কেইবাটাও মন্দিৰৰ ভগ্নাৱশেষ অসমৰ বিভিন্ন ঠাইত আবিস্কৃত হৈছে আৰু এই মন্দিৰৰ স্থাপত্যৰ নিদৰ্শনৰ পৰা মন্দিৰসমূহ শিৱমন্দিৰ ৰূপেই চিহ্নিত হৈছে। তেজপুৰৰ দ পৰ্বতীয়াত পোৱা শিৱমন্দিৰৰ ধ্বংসাৱশেষবোৰ গুপ্তযুগৰ শেষৰফালৰ স্থাপত্যৰ নিদৰ্শন বুলি অনুমান কৰা হৈছে। সেইদৰে ধনুখনা পৰ্বত আৰু তেজপুৰৰ অন্যান্য ঠাইতো কেইবাটাও মন্দিৰৰ ধ্বংসাৱশেষ আৱিস্কৃত হৈছে। তেজপুৰৰ বিশ্বনাথ মন্দিৰ আৰু গোলাঘাটৰ নেঘেৰিটিঙৰ শিৱমন্দিৰো প্ৰাক আহোম যুগৰ।

পূৰণি কমতা ৰাজ্যত ৰাজত্ব কৰা কোচ ৰাজবংশৰ ৰজাসকলো শৈৱধৰ্মী আছিল আৰু তেওঁলোকে জনজাতীয় আচাৰেৰে শিৱ পূজা কৰিছিল যেন লাগে। 'দৰং ৰাজবংশাৱলী'ত কোচ ৰজাসকলৰ ৰাজত্বকালত শৈৱধৰ্মী ব্ৰাহ্মণ পদ্ধতিৰ পূজা আৰু জনজাতীয় পদ্ধতি — উভয় পদ্ধতিৰে শিৱপূজা অনুষ্ঠিত হোৱাৰে আভাস পোৱা যায়। উক্তগ্ৰন্থৰ বৰ্ণনা মতে মহাৰাজ নৰনৰায়ণে আহোম ৰাজ্য আক্ৰমণ কৰাৰ সময়ত হিন্দু ৰীতিমতে শিৱক পূজা কৰাত শিৱ অসন্তুষ্ট হৈ যুদ্ধ অভিযানৰ প্ৰথম নিশাতে তেওঁক সপোনত দেখা দি কছাৰীৰ ৰীতি অনুসৰি পূজা-কৰিবলৈ নিৰ্দেশ দিয়ে[৪০] আৰু ৰজাই সোণকোষ নৈৰ পাৰৰ গাৰি থানত কছাৰীৰ ৰীতিমতে শিৱ পূজাৰ আয়োজন কৰে।[৪১] গতিকে দেখা যায় যে কোচ-কছাৰীসকলৰ পূজা পদ্ধতি কৈৰাতজ ধৰ্ম অনুসৰি নৃত্য গীত দেওধাই আদিৰ সমন্বয়ত সম্পাদিত হৈছিল। কালিকা পুৰাণত বৰ্ণিত বিতাড়িত কিৰাতসকলৰ মাজতো অনুৰূপ আচাৰ আৰু পূজাবিধি প্ৰচলিত আছিল।

---

৩৮ *স্বাস্তি। খট্টাঙ্গ (?) পৰশুবৃষ শশিকলেভ্যা বিস্তাদিয়ংময়া*
সৰ্বস্বংজিতমদ্য নাম কিতব প্ৰত্যাৰ্পিতং তেপুনঃ
প্ৰেষ্যা কেবলমস্ত মে গদোতিগৌৰী শিৱা
শস্তোৰ্দ্যুতক — লাজিতস্য জয়তি ব্ৰীড়া বিমভ্ৰং শিৰ"। — ইন্দ্ৰপালৰ গুৱাহাটী তাম্ৰফলি

৩৯ *স্বস্তি। বন্দে ভমৰ্দ্ধযুৱতীশ্বৰমাদিদেৱ স্নিগ্ধীৱবোকাকনামণি কৰ্চৰ (জং)*
(উষু) দ পান কুচকুঙ্কুমভস্মভিন্নং শৃঙ্গাৰ ৰৌদ্ৰ ৰসয়োৰিৱ সৰ্গমেকম্।।
'আপোনাৰ নীতি এৰিবিহি কিয়।
কছাৰীৰ মতে এতো কৰিয়ো নাচন।
তোৰ জয় হৈৱ কৈলো স্বৰূপ বচন।। দৰং ৰাজবংশাৱলী পদ ৩২৫

৪১ *'হংস পাৰ মদ ভাত মহিষ শূকৰ।*
কুকুৰা ছাগল উপহাৰ নিৰন্তৰ।।
পাতিলা নাচন তথা মাদল বজাই।
সবাৰো মাজত তুলিলন্ত দেওধাই।। দৰং ৰাজবংশাৱলী পদ ৩২৭

সেইবাবেই কৈৰাতিক আচাৰ আৰু ব্ৰাহ্মণ্য আচাৰ নীতিৰে কৰা পূজা উভয়কে স্বীকৃতি প্ৰদান কৰি মহাৰাজ নৰনাৰায়ণে গোঁহাইকমল আলিৰ উত্তৰ দিশত বসবাস কৰা কছাৰীসকলক জনজাতীয় ৰীতি অনুসৰি পূজা কৰিবলৈ আৰু উক্ত আলিৰে দক্ষিণ দিশত থকা মন্দিৰ সমূহত ব্ৰাহ্মণ্য আচাৰেৰে পূজা কৰিবলৈ ৰজাই নিৰ্দেশ দিছিল।[৪২]

ব্ৰাহ্মণ্য আচাৰেৰে পূজা কৰা শিৱ মন্দিৰ সমূহত প্ৰচলিত ৰীতি সমূহৰ ভিতৰত দেওঘৰৰ নটীৰ নাচ আৰু শিৱ চতুৰ্দশীৰ দিনা মন্দিৰৰ প্ৰাঙ্গনত ডিঙি মুচৰি পঠা ছাগলী বলি দিয়াৰ প্ৰথা প্ৰচলিত আছিল। আনহাতে কছাৰী পূজা পদ্ধতিত মদ মাংস খোৱা আৰু নৈবেদ্য দিয়াৰ লগতে নৃত্য-গীত দেওধা তোলা আদি প্ৰথাৰ প্ৰচলন আছিল।

'কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰত শিৱৰ সাধাৰণ ৰূপতকৈও ভৈৰৱ ৰূপৰ প্ৰাধান্য অধিক আৰু সেয়েহে তেওঁৰ বামাচাৰ পূজাহে অধিক প্ৰচলিত। চৰিতপুথিসমূহত বিশেষকৈ ৰামানন্দ দ্বিজৰ শংকৰ চৰিতত পুৰণি কামৰূপত ভৈৰৱ পূজাৰ প্ৰাধান্যৰ উল্লেখ পোৱা যায়। 'অসম বুৰঞ্জী'তো শিৱৰ ভৈৰৱ ৰূপৰ উল্লেখ কৰা হৈছে।

অতি পুৰণি কালৰে পৰাই অসমৰ প্ৰায়বোৰ শিৱ মন্দিৰত দেৱদাসী নৃত্যৰ প্ৰচলন আছিল। শিৱ নটৰাজ আৰু তেও নৃত্যগীত আৰু সঙ্গীতৰ গুৰু। দেৱদাসীসকলে শিৱক সন্তুষ্ট কৰাৰ মানসেৰে সুন্দৰ ধ্ৰুপদী ভঙ্গীমা প্ৰদৰ্শনেৰে শিৱৰ ওচৰত নৃত্যৰ নৈবেদ্য আগবঢ়ায়। অসমৰ ঐতিহ্যমণ্ডিত শিৱমন্দিৰ যেনে নেঘেৰীটিং শিৱমন্দিৰ বিশ্বনাথ শিৱমন্দিৰ হাজোৰ শিৱমন্দিৰ ডুবি পৰিহৰেশ্বৰ দেৱালয় বেজেৰাৰ পিঙ্গলেশ্বৰ মন্দিৰ বংশৰৰ ভৃঙ্গেশ্বৰ মন্দিৰ গুৱাহাটীৰ উমানন্দ আদিত অতীজৰে পৰাই নৃত্য গীতৰ মাধ্যমেৰে শিৱক সন্তুষ্ট কৰাৰ প্ৰয়াস কৰা হৈছিল।

আহোম ৰজাসকলৰ ভিতৰত চুডাংফা বা বামুনী কোঁৱৰেই প্ৰথমে হিন্দুধৰ্ম গ্ৰহণ কৰে। তেওঁৰ পৰৱৰ্তী ৰজা চুচেংফা বা প্ৰতাপসিংহই হিন্দুধৰ্ম গ্ৰহণ কৰি শিৱমন্দিৰ প্ৰতিষ্ঠা আৰু শিৱপূজাত মনোনিৱেশ কৰে। দেৰগাওঁ আৰু বিশ্বনাথৰ শিৱ'দল নিৰ্মাণ কৰাই তেও ব্ৰহ্মোত্তৰ আৰু দেৱোত্তৰ মাটি দান দিয়ে। আন এগৰাকী আহোম ৰজা গদাধৰ সিংহই ব্ৰহ্মপুত্ৰৰ মাজত উমানন্দ মন্দিৰ নিৰ্মাণ কৰাৰ লগতে বিশ্বনাথৰ মন্দিৰো নিৰ্মাণ কৰি তাম্ৰফলি প্ৰদান কৰে। গদাধৰ সিংহৰ পুত্ৰ ৰুদ্ৰসিংহও শিৱৰ পৰম ভক্ত আছিল। ৰুদ্ৰসিংহ আৰু শিৱসিংহই অসমত হিন্দুধৰ্ম প্ৰচাৰৰ কাৰণে অশেষ চেষ্টা কৰিছিল। শিৱসিংহৰ দিনত ভালেমান শিৱমন্দিৰ নিৰ্মাণ কৰা হৈছিল। আহোম ৰজা

---

৪২ *গোঁহাইকমল আলি মধ্যে সীমা কৰি।*
উত্তৰ ফালে আছে যতেক কছাৰী।।
সেহিফালে দেৱালয় আছে যত যত।
কোচে মেচে পুজিবেক মোহোৰ বাক্যত।।
দক্ষিণৰ ফালে পূজা ব্ৰাহ্মণে কৰিব।
এহি নিবন্ধনে সবে ধৰ্ম প্ৰবৰ্ত্তিব।। দৰং ৰাজবংশাৱলী পদ ৩৩৬-৩৩৭

প্ৰমত্ত সিংহয়ো নিজকে হৰ গৌৰীৰ সেৱক হিচাপে পৰিচয় দি গৈছে। হিন্দু ধৰ্মৰ আন এগৰাকী প্ৰধান পৃষ্ঠপোষক ৰাজেশ্বৰ সিংহই নিজকে 'হৰিচৰণ চাৰণ 'মহেশ্বৰ চৰণ কিঙ্কৰ 'মহেশ্বৰ চৰণ ছায়ানুসৰণ পৰায়ণ ইত্যাদি বিশেষণেৰে বিভূষিত কৰিছে। গতিকে দেখা যায় যে প্ৰাগ-ঐতিহাসিক যুগৰে পৰা আৰম্ভ কৰি বৰ্মন ৰাজ বংশ শালস্তম্ভ ৰাজবংশ পাল ৰাজবংশ আহোম আৰু কোচ ৰাজবংশৰ ৰাজত্বকালত শিৱ পূজা আৰু শিৱ উপাসনাই প্ৰাধান্য লাভ কৰি আহিছে। অসমত বসবাস কৰা অন্যান্য জনাজাতীয় মূলৰ লোকসকলেও বিভিন্ন নাম আৰু ৰূপত নিজস্ব লোকাচাৰ অনুসৰি শিৱৰ উপাসনা কৰা দেখা যায়। পুৰণি অসমীয়া সাহিত্যত বিশেষকৈ লোক সাহিত্যত শিৱৰ লোক ৰূপটো অতি আকৰ্ষণীয়ভাবে ফুটাই তোলা হৈছে। শিৱৰ বৈদিক আৰু পৌৰাণিক ৰূপৰ বিপৰীতে এই লোক ৰূপটো লোক কবিৰ কল্পনাত অতি মোহনীয় আৰু চিত্তাকৰ্ষক ৰূপত প্ৰতিভাত হৈ উঠিছে।

(খ) শাক্তধৰ্ম ঃ

অতি প্ৰাচীন কালৰে পৰাই কামৰূপ শক্তি সাধনাৰ বাবে উৎকৃষ্ট স্থান হিচাপে পৰিগণিত হৈ আহিছে। মহানিৰ্বাণ তন্ত্ৰত তান্ত্ৰিক-সাধনাৰ বাবে উল্লেখ কৰা প্ৰসিদ্ধ স্থান কেইখনৰ ভিতৰত কামৰূপৰ নামো উল্লেখ কৰিছে। যোগিনীতন্ত্ৰতো অনুৰূপ উল্লেখ পোৱা যায়। 'হৰগৌৰী সংবাদ'তো কামৰূপৰ শ্ৰেষ্ঠতা আৰু পৱিত্ৰতাৰ কথা উল্লেখ কৰি এই পীঠত সাধকৰ সকলো মনোকামনা পূৰ্ণ হয় বুলি উল্লেখ কৰিছে

নৰকস্য পুৰং ৰম্যং পীঠ শ্ৰেষ্ঠসমুত্তমম্।
মুক্তিক্ষেত্ৰ পীঠ ৰূপম সৰ্বকামফলপ্ৰদম্।
কামৰূপেতি তৎলোকা গায়ন্তি গিৰিনন্দিনি।।[43]

অন্যান্য পুৰাণতো কামৰূপক সৰ্বশ্ৰেষ্ঠ সাধনপীঠ হিচাপে স্বীকাৰ কৰা দেখা যায়।[44] 'কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰ'ত দেৱীৰ আবাসস্থান হিচাপে কামৰূপ শক্তি সাধনৰ আৰু সিদ্ধিলাভৰ উপযুক্ত স্থান হিচাপে নিৰ্ণীত হৈছে। কালিকা পুৰাণৰ মতে মহাপীঠ হিচাপে কামৰূপ চতুৰ্বৰ্গ ফল-প্ৰদায়ক আৰু ইয়াত হৰ গৌৰী সদায় বাস কৰে। সেইবাবেই কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰত কামৰূপৰ কামাখ্যা মন্দিৰত মহামায়াৰ পূজা সকলোতকৈ শুভফলপ্ৰদায়ক বুলি উল্লেখ কৰিছে।

'কামাখ্যায়াং মহামায়াপূজাং য কৃতবান সকৃৎ।
স চেহ লভতে কামান্ পৰত্ৰ শিৱৰূপতাম্।।'[45]

---

৪৩ হৰগৌৰী সংবাদ দ্বিতীয় পটল।
৪৪ বৃহদ্ধৰ্ম পুৰাণ মধ্যখণ্ড ১০/৩৭
৪৫ কালিকাপুৰাণ ৫৮/৪৪

দেব মধ্যে যথা বিষ্ণু সৰ্বশ্ৰেষ্ঠা যথা লক্ষ্মী ।
কামৰূপে তথা দেবী পূজা সৰ্বোত্তমা স্মৃতা।।
কামাখ্যায়াং মহামায়াং য পূজয়তি মানৰ ।
সৰ্বকামমিহপ্ৰাপ্য পৰলোকে শিৱোভৱেৎ।।[৪৬]

অন্যান্য তন্ত্ৰ আৰু পুৰাণতো শক্তি সাধনৰ মহাপীঠ হিচাপে কামৰূপৰ কামাখ্যাৰ মহিমাৰ কথা ঘোষণা কৰিছে। কুব্জিকা তন্ত্ৰ মহানিচাৰ তন্ত্ৰ আদিতো মহাপীঠ হিচাপে কামৰূপৰ শ্ৰেষ্ঠত্ব ঘোষিত হৈছে। কামাখ্যা তন্ত্ৰতো কামাখ্যাত যোনিপূজা অতি শুভ ফলপ্ৰদায়ক বুলি উল্লেখ কৰিছে। সেইদৰে দেৱীভাগৱত'তো কামৰূপক সৰ্বশ্ৰেষ্ঠ সাধনপীঠ হিচাপে স্বীকৃতি দিয়া দেখা যায়

তেত্ৰত্যা পৃথিবী সৰ্বা দেবীৰূপা স্মৃতা বুধ।
নাত পৰতৰ, স্থানং কামাখ্যাযোনিমণ্ডলাৎ।।[৪৭]

কালিকাপুৰাণৰ মতে নৰকেই পোনপ্ৰথমে প্ৰাগজ্যোতিষপুৰত শক্তিপূজাৰ প্ৰৱৰ্তন কৰে। নৰকাসুৰে প্ৰাগজ্যোতিষৰ ৰাজপাট আৰোহন কৰাৰ সময়ত কামাখ্যা দেৱীয়েই আছিল কামৰূপৰ নায়িকা — 'কামাখ্যা যত্ৰ নায়িকা। সেয়ে প্ৰাগজ্যোতিষৰ সিংহাসনত নৰকক অধিষ্ঠিত কৰি বিষ্ণুৱে কামাখ্যাৰ বাহিৰে আন দেৱতাক পূজা নকৰিবৰ বাবে সকীয়াই থৈ গ'ল।[৪৮] সেয়ে পিতৃৰ নিৰ্দেশ অনুসৰি বেদশাস্ত্ৰত পাৰদৰ্শী নৰকে নীলাচল পাহাৰত কামাখ্যাদেৱীৰ পূজা কৰিছিল

'নৰকোহপি তদাধীমান বেদশাস্ত্ৰাৰ্থপাৰগ ।
ব্ৰাহ্মণ্যনীতিকুশলো বদান্যো দানতৎপৰ ।।
কামাখ্যাপূজনৰতো নীলকূটে মহাগিৰৌ।।[৫০]

বিভিন্ন তাম্ৰশাসনৰ সাক্ষ্যৰ পৰা দেখা যায় যে ভাস্কৰবৰ্মা আৰু তেওঁৰ পূৰ্বপুৰুষসকল শৈৱ আছিল। অৱশ্যে ভাস্কৰবৰ্মা শৈৱ হ'লেও তেও আন ধৰ্মৰ প্ৰতিও উদাৰ আছিল। ভাস্কৰবৰ্মাৰ পৰৱৰ্তী কালৰ শালস্তম্ভ আৰু পাল ৰাজবংশই কামৰূপত ৰাজত্ব কৰে আৰু এওলোক মূলত শৈৱ আছিল বুলি জনা যায়। অৱশ্যে নৱম শতিকাৰ ৰজা বনমালবৰ্মাৰ (৮৩৫ ৮৬০খৃ) তাম্ৰশাসনত থকা কামেশ্বৰ মহাগৌৰী'ৰ পৰা তেওঁৰ বংশৰ ৰজাসকল যে কামেশ্বৰ আৰু মহাগৌৰীৰ উপাসক আছিল সেইকথা অনুমান কৰিব পাৰি। পুৰণি কামৰূপৰ কিছুমান শিলত কটা দুৰ্গামূৰ্ত্তি আৱিস্কৃত হৈছে

৪৬ যোগিনী তন্ত্ৰ ২/৬/১৫১ ১৫৩)
৪৭ দেবীভাগৱত ৭/৩৮/১৮
৪৮ কালিকা পুৰাণ ৩৮/৯৫
৪৯ কালিকা পুৰাণ ৩৮/১৪৪
৫০ কালিকা পুৰাণ ৩৮/১৫২, ১৫৩

আৰু এইসমূহ নৱমৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত খোদিত বুলি পণ্ডিতসকলে অনুমান কৰিছে। পালবংশৰ ৰজা ইন্দ্ৰপাল (১০৩০ ১০৫৫ খৃ) 'কামেশ্বৰ মহাগৌৰীকে'ই তেওঁৰ ইষ্টদেৱতা হিচাপে প্ৰণাম জনাইছে। গতিকে কামৰূপৰ পাল ৰাজবংশৰ ৰজাসকল শৈৱ হ'লেও তেওঁলোকে শাক্তিক সমানেই উপাসনা কৰিছিল। কাৰণ ইন্দ্ৰপালৰ তাম্ৰশাসনত তেওঁক ব্যাকৰণ মীমাংসা আৰু ন্যায়ৰ লগতে তন্ত্ৰশাস্ত্ৰতো নিপুণ বুলি উল্লেখ কৰা হৈছে।

পণ্ডিতসকলে অনুমান কৰে যে পাল ৰাজবংশৰ ৰাজত্বৰ কালছোৱাতে কামৰূপত কালিকাপুৰাণ গ্ৰন্থ ৰচিত হয় আৰু এই সময়ছোৱাতেই কামৰূপত শক্তিবাদে ৰাজপৃষ্ঠপোষকতা লাভ কৰিবলৈ সক্ষম হয়। শক্তিবাদ আৰু শক্তিসাধন সম্পৰ্কীয় যিবোৰ কথা কালিকাপুৰাণত লিপিবদ্ধ হৈছে, সেয়া নিশ্চয় পুৰাণখনি ৰচনা কৰাৰ আগৰে পৰাই কামৰূপত প্ৰচলিত আছিল। এই সম্পৰ্কত বিশিষ্ট ইতিহাসবিদ কনকলাল বৰুৱাৰ মন্তব্য প্ৰণিধানযোগ্য

The Kamrupa kings probably after Brahmapala adopted Tantrikism as their tenet and as a result of his royal patronage Kamakhya soon became a renowned cantre of Trantic sacrifices mysticism sorcery

চুতীয়াসকল শাক্ত আছিল আৰু তেওলোকে কেঁচাইখাতী দেৱীক পূজা উপাসনা কৰিছিল। এই দেৱীয়ে পৰৱৰ্তী কালত তাম্ৰেশ্বৰী দেৱী নামে জনাজাত হয়। 'কছাৰী বুৰঞ্জী'ৰ পৰা জনা যায় যে কছাৰীসকলো শক্তিৰ একনিষ্ঠ উপাসক আছিল।

শৈৱধৰ্মৰ দৰেই অসমৰ শাক্তধৰ্মৰ ঐতিহ্যও অতি প্ৰাচীন। মাতৃ উপাসক আষ্ট্ৰিক জাতিৰ সংস্কৃতিৰ প্ৰভাৱে পুৰণি কামৰূপত মাতৃতন্ত্ৰ বা মাতৃ উপাসনাৰ ভেটি নিৰ্মাণ কৰিছিল বুলি ভবাৰ থল যথেষ্ট। পণ্ডিতসকলে অনুমান কৰে যে অষ্ট্ৰিক সংস্কৃতিসম্পন্ন খাচীসকলৰ 'কা মেই খা বুটীগোঁসানী গাভৰু হৈ আৰ্যীকৰণ হয় আৰু সংস্কৃত পণ্ডিতৰ হাতত পৰি কামাখ্যা দেৱী ৰূপে গঢ লয়।[৫২] অসমৰ জনজাতীয় সমাজত বিশেষকৈ কছাৰী জয়ন্তীয়া আহোম চুতীযা আদি জনগোষ্ঠীৰ মাজত লোকাচাৰ মতে নানা ৰূপত শক্তিৰ উপাসনা কৰা হৈছিল। শংকৰদেৱৰ উপৰিপুৰুষ ভূঞাসকলো এসময়ত শাক্ত আছিল।

পুৰণি অসমৰ শাক্ত পীঠসমূহত বলি বিধান দি পূজা কৰা হৈছিল। কামাখ্যাৰ ভৈৰৱী মন্দিৰ আৰু কেচাইখাতীৰ আগতো বলি দিয়া হৈছিল। দেওশালসমূহত

---

৫১ *Barua K L Early History of Kamrupa.*

৫২ *শৰ্মা, নীলা : অসমৰ সংস্কৃতি — পৃ ১১০*

হাঁহ,পাৰ ছাগলী ম'হ আদি বলি দিয়া হৈছিল। সুবচনী পূজাতো লোকাচাৰ অনুসৰি নানাবিধ বলি দিয়া হৈছিল। শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ মালিনী ফুলবাৰী নীলাচলৰ কামাখ্যা শিলঘাটৰ কামাখ্যা নুমলীগড় আদিত অতি প্ৰাচীন কালতেই শক্তিপীঠ প্ৰতিষ্ঠা কৰা হৈছিল। দুৰ্গাপূজাৰ সময়ত এই শাল বা থানবোৰত বিভিন্ন বলি দি পূজা কৰা হৈছিল। অ ব্ৰাহ্মণ পুৰোহিতে কেঁচা তেজ দেৱীলৈ আগবঢ়াই সেৱকক আশীৰ্বাদ দিছিল আৰু বলি কটা ছাগলী বা ম'হৰ মাংস প্ৰসাদৰূপে ভক্ষণ কৰিছিল। কোনো কোনো পীঠত ব্ৰাহ্মণ পুৰোহিতে যথাবিহিত পূজা কৰিছিল। শিৱসিংহৰ দিনত ৰজাই পৰ্বতীয়া গোঁসাইৰ দীক্ষা লৈ শাক্ত ধৰ্ম গ্ৰহণ কৰে আৰু ফলস্বৰূপে শাক্ত বৈষ্ণৱৰ শীতল সংঘৰ্ষ আৰম্ভ হয়। অৱশ্যে তেওঁৰ আগতে ৰজা গদাধৰ সিংহই ৰাজধানীত দুৰ্গাপূজা পাতিবলৈ অনুমতি দিছিল যদিও নিজে পূজাত অংশগ্ৰহণ কৰা নাছিল।

পৰ্বতীয়া গোঁসাইৰ আগমনে অসমৰ শক্তি উপাসনা পদ্ধতিলৈ পৰিৱৰ্তনৰ জোৱাৰ আনে। পুৰণি অসমৰ দেৱীথান আৰু দেওথানসমূহত অনাৰ্য পদ্ধতিৰে পূজা চলিছিল। বিশেষকৈ ফুলবাৰী দেওঘৰ দেওপানী আৰু কামাখ্যা আদিত প্ৰাচীন জনজাতীয় পদ্ধতিৰে পূজা কৰা হৈছিল। পৰ্বতীয়া গোঁসায়ে নিজে পূজাবিধি ৰচনা কৰি অসমৰ থান দেৱালয় আদিত নতুন পদ্ধতিৰে পূজা চলাবলৈ নিৰ্দেশ দিয়ে।

শিৱসিংহৰ দিনত (১৭১৪-৪৪) ৰজাই পৰ্বতীয়া গোঁসাইৰ দীক্ষা লৈ শাক্ত ধৰ্ম গ্ৰহণ কৰাত তেওঁক ভালৰি বোলাবলৈ অনেক মন্ত্ৰী আৰু বিষয়াই পৰ্বতীয়া গোঁসাইৰ ওচৰত দীক্ষাগ্ৰহণ কৰে। পৰ্বতীয়া গোঁসায়ে এনেদৰে ভালেমান প্ৰভাৱশালী শিষ্য আৰু ধন-সম্পত্তি লাভ কৰি অধিক ক্ষমতাশালী হৈ উঠে। আনহাতে কাল সংহতিৰ শিষ্যসকলে শাক্ত মন্ত্ৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে আৰু ফলস্বৰূপে শাক্ত আৰু বৈষ্ণৱৰ মাজত এক শীতল সংঘৰ্ষৰ সূত্ৰপাত হয়।

'আহোম ৰাজত্বকালৰ শেষৰফালে দুৰ্গা বা শক্তিয়ে আহোম ৰজাসকলৰ উপাসনাত প্ৰাধান্য লাভ কৰে। দিহিঙীয়া ৰজাৰ দিনৰ পৰা আহোমসকলে লোক-পৰম্পৰা অনুসাৰে কেঁচাইখাতী গোঁসানীক পূজা দিবলৈ ধৰে। দেওশাল বিলাকত নৰবলি দিয়া প্ৰথাও প্ৰচলিত আছিল আৰু প্ৰজাসকলে ৰজা প্ৰতাপসিংহৰ দীৰ্ঘায়ু কামনা কৰি প্ৰাৰ্থনা জনাইছিল এনেদৰে — 'স্বৰ্গদেৱৰ সলনি আমাৰে নশ নৰবলি আইলৈ দিমহঁত তেও স্বৰ্গদেউ কুশলে থাকক।

আহোম ৰজাসকলৰ ভিতৰত পোনপ্ৰথমে প্ৰতাপসিংহই মাটিৰ প্ৰতিমা সজাই দুৰ্গাপূজা কৰে। সুন্দৰ গোঁসাইৰ মুখেদি কোচ ৰাজধানীত ৰাজসিকভাৱে দুৰ্গোৎসৱ পালন কৰাৰ কথা শুনি ৰজাই তেওঁলোকক দেৱীঘৰতো মৃন্ময় মূৰ্ত্তিত পূজা কৰাৰ ব্যৱস্থা কৰিছিল। তেতিয়াৰে পৰা আহোম ৰাজগৃহত নিয়মীয়াভাৱে শাৰদীয় দুৰ্গাপূজা

৫৩ গণেশ নীলা : প্ৰাগুক্ত গ্ৰন্থ, পৃ ৪৭

অনুষ্ঠিত হয়। আহোমৰ ৰজা ৰুদ্ৰসিংহই জয়সাগৰৰ পশ্চিমপাৰে ইটাৰে এটি স্থায়ী দেৱীঘৰ নিৰ্মাণ কৰে। ইয়াৰ আগলৈকে অস্থায়ী মণ্ডপতহে দুৰ্গাপূজা অনুষ্ঠিত হৈছিল। তেতিয়াৰে পৰা ৰংপুৰত ৰাজধানী থকালৈকে দেৱীঘৰতে পূজা অনুষ্ঠিত হৈছিল।

আহোমসকলৰ মাজত দুৰ্গাপূজাৰ বাহিৰেও লোকাচাৰ অনুসৰি সুবচনী নামৰ বিশেষ শক্তিপূজাৰ প্ৰচলন আছিল। তেওঁলোকৰ বাবে সুবচনীয়েই ৰাজধৰণী সংসাৰ ধৰণী আৰু জগত ঈশ্বৰী। সুবচনীৰ বাহিৰেও তেওঁলোকে কেঁচাইখাতী লখিমী আদি শক্তিৰ পূজা কৰে। অসমৰ প্ৰাচীন শক্তিপীঠ কামাখ্যা তাম্ৰেশ্বৰী আৰু কেঁচাইখাতীৰ বাহিৰে প্ৰায়বোৰ শক্তিপীঠেই আহোম ৰাজত্ব কালতে নিৰ্মিত হয়। তাৰ ভিতৰত শিৱসিংহৰ দিনত শিৱসাগৰৰ দেৱীদল গৌৰীসাগৰৰ দেৱীদল উগ্ৰতাৰা মন্দিৰ প্ৰমত্ত সিংহৰ দিনত শিলঘাটৰ কামাখ্যা মন্দিৰ ৰাজেশ্বৰ সিংহৰ দিনত ৰংপুৰৰ হৰ গৌৰী দেৱালয় দীৰ্ঘেশ্বৰী মন্দিৰ নাতি গোঁসাইৰ দ'ল নেঘেৰীটিঙৰ পঞ্চদেৱতাৰ মন্দিৰ লক্ষ্মীসিংহৰ দিনত হাজোৰ জয়দুৰ্গা মন্দিৰ গৌৰীনাথ সিংহৰ দিনত বুঢ়ী গোঁসানীৰ দেৱালয় ছত্ৰাকাৰ দেৱালয় আদি বিভিন্ন শাক্তপীঠ দ'ল দেৱালয় আদি নিৰ্মিত হয়।

শক্তিপূজা বা মাতৃপূজা উৰ্বৰা বিশ্বাসৰ প্ৰতীক আৰু ইয়াৰ সৈতে কৃষিৰ সম্পৰ্ক আছে। উমা পাৰ্বতী আৰু দুৰ্গাই ভাৰতীয় সংস্কৃতিত মাতৃপূজাৰ সৰ্বোৎকৃষ্ট নিদৰ্শন হিচাপে প্ৰাধান্য লাভ কৰা দেখা যায। পৃথিৱীৰ উৰ্বৰা শক্তিৰ সৈতে মাতৃশক্তিৰ সাদৃশ্য আছে। ভাৰতীয় সভ্যতা সংস্কৃতিৰ ইতিহাসত অষ্ট্ৰিক প্ৰট'অষ্ট্ৰলয়দ প্ৰভৃতি জনগোষ্ঠীয়ে মাটি খন্দা আৰু কৃষি পদ্ধতি আৱিস্কাৰৰ যোগেদি মানব সভ্যতালৈ অপৰিসীম অৱদান আগবঢ়াই থৈ গৈছে। মাতৃশক্তিক 'ভগৱতী বোলা হৈছে, যি 'ভগ'ৰ অধিকাৰী আনহাতে পুৰুষশক্তি ভগৱান। পাণিনীৰ সূত্ৰৰ ওপৰত মন্তব্য কৰি পতঞ্জলিয়ে শৈৱ উপাসকসকলক শিৱ ভাগৱত বুলিছে। স্ত্ৰী শক্তি হৈছে জগতৰ সকলো জাগতিক পদাৰ্থৰ সৃষ্টিকৰ্ত্ৰী আৰু ভাগৱত — যিটো শিৱ আৰু আন ঈশ্বৰৰ ক্ষেত্ৰতে' প্ৰয়োগ কৰা হয় সেয়া ভগৱতীৰ পুংৰূপ হিচাপে পৰৱৰ্তী কালত ব্যৱহাৰ কৰা হয়।

চাৰ্লচ ইলিয়টে উল্লেখ কৰিছে যে শাক্তধৰ্ম হ'ল বহুত নাম আৰু ৰূপৰ এগৰাকী দেৱীক নানা যৌনাচাৰ আৰু জীৱবলি আৰু য'ত আইনে বাধা নিদিয়ে নৰবলিৰে কৰা পূজা (*A Goddess of many names and forms who is adored with sexual rites and the sacrifice of animals or when the law permits of men*)[৪৪] পণ্ডিতসকলে দুৰ্গাৰ বিভিন্ন নাম ৰূপ আৰু পূজা পদ্ধতিলৈ চাই আৰ্য অনাৰ্য হিন্দু বৌদ্ধ তান্ত্ৰিক দ্ৰাবিড়ী মংগোলীয় আনকি সুমেৰীয় বেবিলনীয় আৰু হেলনিক বিশ্বাস আৰু ধ্যান-ধাৰণাৰ উপকৰণ দেখা পাইছে। প্ৰাচীন কামৰূপত

---

৪৪ Eliot Charles Hinduism and Buddism, 1921 Vol II Introduction P XXXVI

শক্তি তেনেই আদিম ৰূপৰ পৰা আৰম্ভ কৰি শেহতীয়া ৰূপতো প্ৰচলিত হৈছিল। শক্তি নানান ৰূপত আৰু নামত পূজিতা — কুমাৰী কালী কপালী মহাকালী চণ্ডী চামুণ্ডা কৰালা কাত্যায়নী তাৰা উগ্ৰতাৰা উমা পাৰ্বতী দুৰ্গা শ্যামা ভদ্ৰা ভদ্ৰাকালী বিজয়া কৌশিকী কণ্টাৰবাসিনী কালিকা হৈমৱন্তী দেৱী মহাদেৱী ভৈৰৱী ত্ৰিনয়নী অম্বিকা ভবানী জগন্মাতা ভগৱতী মহেশ্বৰী জগদ্ধাত্ৰী মহিষমৰ্দিনী ইত্যাদি নামত শক্তিপূজা কৰা হয়। তদুপৰি শক্তিৰ কিছুমান থলুৱা নাম আৰু ৰূপো দেখা পোৱা যায়। প্ৰাচীন কামৰূপত আই মহামায়া কেঁচাইখাতী ভুৰুলী মালিনী বুঢ়ীগোঁসানী আৰু কামাখ্যা নামতো পূজিতা আছিল। শক্তিক সদায়েই জীৱৰ তেজেৰে পূজা কৰা হৈছিল।

শাক্তদৰ্শন মতে শক্তিয়েই বিশ্বসৃষ্টিৰ মূল কাৰণ। সৃষ্টিৰ প্ৰতিটো অণুতেই শক্তি বিৰাজিত হৈ আছে। শক্তিৰ ইচ্ছাতেই ভৌতিক জগতৰ সৃষ্টি হৈছে। এই শক্তি চিদ্ৰূপিনী চৈতন্য স্বৰূপিনী। শক্তিৰ আত্মপ্ৰকাশৰ ফলতেই বৈচিত্ৰ্যময় জগতৰ সৃষ্টি হৈছে। বিশ্বসৃষ্টিৰ মূলতে যি পৰমাত্মা বিদ্যমান সেয়ে শক্তিৰ পৰম ৰূপ। শিৱ পুৰাণৰ মতে দেৱী সাক্ষাৎ (পৰা) শক্তি আৰু মহাদেৱ শক্তিমান এই সমস্ত চৰাচৰ জগত তেওলোকৰ বিভূতি মাত্ৰ।

শক্তি সাক্ষান্মহাদেৱী মহাদেৱ বিভূতি স শক্তিমান।
তয়োৰ্বিভূতিলেশো বৈ সৰ্বমেতচ্চৰাচৰম্।।

শিৱ আৰু শক্তি দুয়ো জগতৰ কৰ্ত্ৰী দুয়ো এক আৰু অভিন্ন জোন আৰু জ্যোৎস্নাৰ দৰেই শিৱ-শক্তিৰ অভিন্ন সম্পৰ্ক। শিৱৰ অনুৰূপ গুণৰাশিৰে গুণান্বিত বাবেই পৰমাপ্ৰকৃতি বা শক্তিক শিৱৰ সহধৰ্মিনী আখ্যা দিয়া হৈছে। এই শক্তিয়েই প্ৰয়োজনবোধে সূক্ষ্ম আৰু স্থূল শৰীৰ ধাৰণ কৰি বিবিধ ৰূপত অভিব্যক্ত হয়। তিলৰ ভিতৰত তেল থকাৰ দৰেই সমস্ত জগত-প্ৰপঞ্চতে শক্তিয়ে বিৰাজ কৰি আছে। সেইবাবেই চৰাচৰ জগত শক্তিময়।

(গ) কৈৰাতজ ধৰ্ম ঃ

অসমৰ ধৰ্মৰ ইতিহাস অতি প্ৰাচীন। যোগিনীতন্ত্ৰ'ত প্ৰাচীন কামৰূপৰ ধৰ্মক 'কৈৰাতজ ধৰ্ম' বোলা হৈছে। অৰ্থাৎ পুৰণি কামৰূপৰ ধৰ্ম কিৰাত জাতিৰ ধ্যান-ধাৰণা সম্ভূত।[৫৫] এই ধৰ্মত দীঘলীয়া ব্ৰত নাইবা সন্ন্যাসৰ ব্যবস্থা নাই ইয়াত জাতিগত সংসৰ্গদোষ ধৰা নহয় স্ত্ৰীধৰ্ম বিশেষকৈ ঋতু ৰক্ষা কৰাটো ধৰ্মৰূপে বিবেচিত।

৫৫। সৰ্বেণি যোগিনীপীঠে ধৰ্ম কৈৰাতজ মতঃ। ২/৯/৯

শুক্ৰদৰ্শন পালন নকৰে আৰু সদায় তামোল খায়। কামৰূপত হাঁহ,পাৰ কাছ, গাহৰি সৰ্বদায় ভক্ষণীয়। কামৰূপত এইবোৰ পৰিত্যাগ কৰিলেহে মানুহৰ দুখ দুৰ্গতি হয়।[৫৬] সৌমাৰপীঠত মানুহ আচাৰ বৰ্জিত সৰ্বভক্ষী আৰু সৰ্বাবিক্ৰয়ী (ইয়াত মানুহে জীয়াৰী বিয়া দি গাধন লয)। ইয়াত নাৰী সদায়েই সন্তোষত থাকে আৰু ৰজাসকল পূণ্যবান হয়।[৫৭] সৌমাপীঠত জাতিবিচাৰ আৰু ধৰ্ম জাতি অনুসৰি নিৰূপিত হয় আৰু সেই অনুক্ৰমে পালন কৰে।[৫৮] এই ধৰ্ম বৈদিক ধৰ্মতকৈ সম্পূৰ্ণ পৃথক আছিল আৰু নিৰ্দ্ধাৰিত শাস্ত্ৰীয় অনুশাসনৰ পৰিবৰ্তে থলুৱা আচাৰ-নীতি মানি চলা হৈছিল। আনকি মদ্যপানো ধৰ্মৰ লেখতেই ধৰা হৈছিল।[৫৯] আধুনিক অসমীয়া জনজীৱনতো কৈৰাজত ধৰ্মসম্ভূত লোকাচাৰ প্ৰায়ে অস্বীকাৰ কৰিব নোৱাৰি। পৰৱৰ্তী কালত হিন্দুধৰ্মৰ অন্তৰ্গত শৈৱ শাক্ত বৈষ্ণৱ আদৰ্শৰ প্ৰভাৱে অসমীয়া জনজীৱনত আধিপত্য বিস্তাৰ কৰিলেও প্ৰাচীন ঐতিহ্যসম্ভূত লোকাচাৰসমূহে সাম্প্ৰতিক কালতো জনজীৱনত গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়।

পশ্চিমৰ পৰা অহা আৰ্যসকলেও অসমত আহি মাছ খাবলৈ শিকিলে সেলেঙি লগাই ওঠ ৰঙা কৰি তামোল খাবলৈ শিকিলে ৰামপাৰ নাখালেও হাঁহ পাৰ খাব পৰা হ'ল। ঘৰচীয়া গাহৰি অভক্ষ্য বিবেচিত হ'লেও বনৰীয়া বৰা গাহৰি ভক্ষ্য। আনকি শংকৰদেৱৰ বৈষ্ণৱ আচৰণৰ মাজতো কৈৰাতজ ৰীতি-নীতিৰ অবাধ বিচৰণ লক্ষ্য কৰা যায়। 'দৰংৰাজবংশাৱলী'ত কোচৰজা নৰনাৰায়ণে আহোমৰ বিৰুদ্ধে হোৱা ৰণত শিৱৰ আদেশ মতে কছাৰীৰ ৰীতিৰে (কৈৰাতজ ধৰ্ম অনুসাৰে) পূজা কৰাৰ উল্লেখ পোৱা যায়

'প্ৰথম নিশাত দেখা দিলে সদাশিৱ।
বোলে আপোনাৰ ৰীতি এৰিলিহি কিয়।।
কছাৰীৰৰ মতে এতো কৰিও নাচন।
তোৰ জয় হৈবো কৈলো স্বৰূপ বচন।।

৫৬। *কামৰূপে ন সন্ধ্যাস্তথা দীৰ্ঘব্ৰতং প্ৰিয়ে।*
নত্তাদ্দ্যোং সামিষং দেৱি ব্ৰহ্মচৰ্য্য মতং ন চ।।
সংসৰ্গাৎ পাতকং নৈৱ স্ত্ৰীধৰ্মে ধৰ্মমাশ্ৰয়েৎ।
ন শুক্ৰদৰ্শনং স্ত্ৰীনাং তাম্বুলাশা সদা ভৱেৎ।।
হংসপাৰাৱতং ভক্ষং কূৰ্মবৰাহমেৱ চ।
কামৰূপে পৰিত্যাগাদ্দুৰ্গতিস্তত্ৰ সম্ভৱেৎ।। ২/৯/১৩

৫৭। *হীনাচাৰস্তু সৌমাৰে সৰ্বাশী সৰ্ববিক্ৰয়ী।*
তত্ৰ নাৰী সদা তুষ্টা তত্ৰ ৰাজা পুণ্যবান।। ২/৯/১৭

৫৮। *কৌলাপীঠে জাতি-ধৰ্মান্ বজাত্যুক্তেন বৰ্তয়েৎ।*
ধৰ্মাধৰ্ম বিচাৰেণ ৰূপং বলিকল্পনম্।। ২/৯/১৮

৫৯। *ন লঙ্ঘয়েৎ পানধৰ্মং দেশধৰ্মং ন লঙ্ঘয়েৎ।*
যস্মিন পীঠে যঃ আচাৰঃ স আচাৰো বিধিস্মৃতঃ।। ২/৯/১৯

গতিকে সদাশিৱই সপোনত দেখা দি নির্দেশ দিয়া ধৰণে সোণকোষ নদীৰ তীৰত ৰজাই কৈৰাতিক পদ্ধতিৰে পূজাৰ আয়োজন কৰিলে

পাতিলা নাচন যত আনিয়া কছ ী।।
হংস পাৰ মদ ভাত মহিষ শূকৰ।
কুকুৰা ছাগল উপহাৰে নিৰন্তৰ।।
পাতিলা নাচন তথা মাদল বজাই।
সবাবো মাজত তুলিলন্ত দেওধাই।।[৬০] ইত্যাদি।

কালিকাপুৰাণৰ মতে কামৰূপত শাক্তধর্ম প্রতিষ্ঠাৰ আগতেই ইয়াত শৈৱধৰ্মই ইয়াত প্রাধান্য লাভ কৰিছিল আৰু তেও আছিল মূলতং কিৰাতসকলৰ উপাস্য দেৱতা। এই জ্ঞানৰহিত আৰু অত্যন্ত মদ্য মাংসৰত কিৰাতসকলে শিৱক নিশ্চয় মদ মাংস দি এক বিশেষ পদ্ধতিৰে পূজা কৰিছিল। নৰকে নতুনকৈ আর্য উপনিবেশ স্থাপন কৰি দেৱীধর্ম প্রতিষ্ঠা কৰিলেও শৈৱধর্ম এই দেশত গুপ্তৰূপে থাকি গ'ল। 'অন্তর্গুপ্ত স মে পুৰে।'[৬১] বোধকৰোঁ থলুৱা জনজাতিসকলৰ মাজত পৰম্পৰাগত ৰীতি অনুসৰি মদ মাংস আদি উপচাৰেৰে সম্পাদিত হোৱা নৃত্য গীত দেওধাই সম্বলিত পূজা পদ্ধতিকেই কৈৰাতজ পদ্ধতি আখ্যা দিয়া হৈছে।

(ঘ) বৈষ্ণৱ ধর্ম ঃ

অসমত বৈষ্ণৱ আদৰ্শৰ ঐতিহ্যও অতি প্রাচীন। ভাস্কৰ বৰ্মাৰ উপৰিপুৰুষ মহাভূতিবৰ্মাই নিজকে শ্ৰীপৰমদৈৱত পৰমভাগৱত বুলি পৰিচয় প্রদান কৰা কথাষাৰ এইক্ষেত্ৰত বেচ প্রণিধানযোগ্য। তান্ত্রিক পূজা পদ্ধতিতো বাসুদেৱক 'ও নমো ভগৱতে বাসুদেৱায় 'ওঁ নমো নাৰায়ণায় ৰূপে পূজা কৰা হৈছে। মনকৰিবলগীয়া যে কালিকাপুৰাণত বিষ্ণু পূজাৰ যি বিধান আছে, সি তান্ত্রিক বিধানহে। মন্ত্র মুদ্রা মণ্ডল ন্যাস নানাবিধ ক্রূৰকর্ম আদি তান্ত্রিক পূজাৰ লগৰীয়া।

বিষ্ণু বৈদিক দেৱতা বেদত তেও সূৰ্যৰে এক অভিব্যক্তি। এই বিষ্ণুৱেই কালক্ৰমত সাত্বতসকলৰ বাসুদেৱ পঞ্চৰাত্ৰসকলৰ নাৰায়ণ আভীৰবোৰৰ গোপাল কৃষ্ণৰ সৈতে অভেদ হৈ শ্ৰেষ্ঠ দেৱতাৰূপে থিয় দিয়ে। খৃষ্টীয় পঞ্চম শতিকাৰ পাণিনীৰ অষ্টাধ্যায়ীৰ পৰা আৰম্ভ কৰি বিভিন্ন যুগত নানা সাহিত্য শাস্ত্ৰ সকলোতে বিষ্ণু নাৰায়ণ আৰু বৈষ্ণৱ সম্প্রদায়ৰ উল্লেখ পোৱা যায়।[৬২] পঞ্চম শতিকাৰ কামাখ্যাৰ উমাচল

৬০। দৰং ৰাজবংশাৱলী পৃ ৬৪
৬১। কালিকা পুৰাণ ৪০/৬৬
৬২। শৰ্মা সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ ইতিবৃত্ত পৃ ৮১।

শিলালিপিত সুৰেন্দ্ৰ বৰ্মাক 'ভাগৱত বলভদ্ৰস্বামিন বুলি উল্লেখ কৰা হৈছে। বৈষ্ণৱ ধাৰাণাৰ মূলমন্ত্ৰ হৈছে — 'ওঁ নমোনাৰায়ণায় বেদ্মহে, বাসুদেৱায় ধীমহি ওঁ তন্নো বিষ্ণু প্ৰচোদয়াৎ ইত্যাদি।

প্ৰাক-শংকৰীযুগৰ ভালেমান স্থাপত্য ভাস্কৰ্যৰ ভগ্নাৱশেষত বৈষ্ণৱ ধৰ্মৰ অৱস্থিতিৰ প্ৰমাণ পোৱা যায়। তাৰ ভিতৰত নৱম দশম শতিকাৰ দেওপানীৰ বিষ্ণুমূৰ্ত্তি দশম একাদশ শতিকাৰ ডিব্ৰুগড়ত পোৱা পিতলৰ বিষ্ণুমূৰ্ত্তি শিৱসাগৰত পোৱা শিলৰ মূৰ্ত্তি অষ্টম-নৱম শতিকাৰ শুক্ৰেশ্বৰৰ বিষ্ণু-জনাৰ্দন মূৰ্ত্তি আদিৰ উল্লেখ কৰিব পাৰি। উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্তৰ অনন্তশায়ী বিষ্ণু বৰপেটাৰ চতুৰ্ভুজ বিষ্ণু মূৰ্ত্তিৰ ভাস্কৰ্য ওখ খাপৰ। তদুপৰি হয়গ্ৰীৱ বিষ্ণু আৰু বাসুদেৱক তান্ত্ৰিক পদ্ধতিৰে পূজা কৰা হৈছিল। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰত উক্ত বাসুদেৱ আৰু হয়গ্ৰীৱ বিষ্ণু উপাসনাৰ তান্ত্ৰিক পদ্ধতিৰে পূজা কৰা হৈছিল। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰত উক্ত বাসুদেৱ আৰু হয়গ্ৰীৱৰ বিষ্ণু উপাসনাৰ তান্ত্ৰিক পদ্ধতিৰ উল্লেখ আছে।[৬৩] কামৰূপৰ অধিপতি ধৰ্মপালৰ পুষ্পভদ্ৰা লিপিত ৰজাই বৰাহৰূপী বিষ্ণুৰ স্তুতি কৰা দেখা যায়। কামৰূপৰ প্ৰাচীন তাম্ৰশাসনবোৰতো বৰাহ, নৰসিংহ জামদগ্ন্য ৰাম দাশৰথি শ্ৰীৰামৰ উল্লেখ পোৱা যায়। নন্দ-যশোদা বসুদেৱ দৈৱকী গোপ গোপীয়ে সৈতে কৃষ্ণলীলাৰ আৰু লক্ষ্মীকথাৰো ইয়াত ইঙ্গিত আছে। সমসাময়িক ভাস্কৰ্য স্থাপত্যয়ো তামৰফলিৰ যুগৰ বৈষ্ণৱ ধৰ্মৰ বীজৰ অস্তিত্ব সমৰ্থন কৰে।[৬৪] শিৱসাগৰত পোৱা বিষ্ণুমূৰ্ত্তি কামাখ্যাৰ বেণু গোপালৰ মূৰ্ত্তি দেওপানীৰ ভাস্কৰ্য আদি প্ৰাচীন অসমৰ ভাস্কৰ্যৰ নিদৰ্শন। প্ৰাকশংকৰী যুগৰ অসমীয়া কবি হেম সৰস্বতী মাধৱ কন্দলি আৰু হৰিবৰ বিপ্ৰৰ ৰচনাতো বৈষ্ণৱ আদৰ্শৰ পৰিচয় পোৱা যায়।

অসমৰ ধৰ্মীয় ঐতিহ্যত মহাপুৰুষ শংকৰদেৱৰ ভূমিকা গুৰুত্বপূৰ্ণ। 'বহু দেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান-দানৰ যোগে বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি সামাজিক চৈতন্যৰ জাগৰণ কৰ্ম-ধৰ্মৰ বিভীষিকা নিবাৰণ বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ অন্তৰক আধ্যাত্মিক উপলব্ধি প্ৰদানৰ লীলাক্ষেত্ৰ বুলি ডাঠকৈ কৰা প্ৰতিপাদন সামাজিক শ্ৰেণীবদ্ধৰ ব্যৱধান অপসাৰণ — এই কেইটিক বাণীকান্ত কাকতিদেৱে অসমীয়া আধ্যাত্মিক জীৱনৰ উৎকৰ্ষৰ বিষয়ত মহাপুৰুষৰ চতুৰঙ্গ দান বুলি আঙুলিয়াই দেখুৱাইছে।

শঙ্কৰদেৱে জাতিভেদ বৰ্ণবৈষম্য দূৰ কৰি ভক্তিৰ যোগেদি এখন সমতাপূৰ্ণ সমাজ গঠনৰ পোষকতা কৰিছিল। মহাপুৰুষীয়া ধৰ্মৰ মূল চাৰিবস্তু হৈছে — নাম দেৱ গুৰু আৰু ভকত। ভক্তিৰ যোগেদি জনসাধাৰণৰ মানসিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে

৬৩। শৰ্ম্মা, নীলা ঃ অসমৰ সংস্কৃতি, পৃঃ ২৮।

৬৪। নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃ ১১।

শংকৰদেৱে সাতজনক ধৰ্মাচাৰ্য পাতিছিল। তেওলোক হ'ল মাধৱদেৱ দামোদৰদেৱ হৰিদেৱ ৰামৰাম নাৰায়ণদাস ঠাকুৰ আতা মনু আৰু হৰিহৰ। শংকৰদেৱে পাতি থৈ যোৱা এই সাতোজন ধৰ্মাচাৰ্য সমান মৰ্যাদাসম্পন্ন আছিল যদিও মহাপুৰুষজনাই তিৰোভাৱৰ আগতে মাধৱদেৱক প্ৰধান ধৰ্মাচাৰ্য পাতি যোৱাত বাকীসকল ক্ষুন্ন হৈছিল আৰু মৰ্যাদাৰ প্ৰশ্নত সমমৰ্যাদাসম্পন্ন মাধৱদেৱক গুৰু অধিকাৰ হিচাপে স্বীকাৰ কৰিবলৈ টান পাইছিল। ফলস্বৰূপে দামোদৰদেৱ আৰু হৰিদেৱ পূৰ্বৰ বৈষ্ণৱ পৰম্পৰাৰ পৰা কিছু আঁতৰি আহে আৰু ব্ৰাহ্মণ্য ৰীতি-নীতিক আদৰি লয়। ফলত ব্ৰাহ্মণ্য ৰীতি নীতিৰ লগতে অন্যান্য আদৰ্শৰ প্ৰাধান্যই শংকৰদেৱৰ আদৰ্শক বহুধা বিভক্ত ৰূপ প্ৰদান কৰে। শংকৰদেৱৰ একশৰণ আদৰ্শৰ প্ৰভাৱত বহুমুখী দৈৱশক্তি একধা বিশিষ্ট হ'লেও পৰৱৰ্তী যুগত পুনৰ একাধিক দেৱতাই মূৰ দাঙি উঠিল। দামোদৰদেৱ আৰু হৰিদেৱৰ যুটীয়া প্ৰচেষ্টাতেই ব্ৰহ্মসংহতিৰ সৃষ্টি হয়। আহোম ৰাজত্বত ব্ৰহ্ম সংহতিৰ চাৰিসত্ৰই ৰাজসত্ৰহিচাপে স্বীকৃতি আৰু মৰ্যাদা লাভ কৰাত ব্ৰহ্মসংহতি গজগজীয়া হৈ পৰে আৰু উচ্চাত্মিকা বৃদ্ধি পায় জাতিভেদ আদৰ্শ পুনৰ মূৰ দাঙি উঠাত একান্ত ভকতসবৰ নিগুণ কৃষ্ণৰ গুণ তল পৰিল। গীত মাত ৰাগ পয়াৰ শংকৰী পৰম্পৰাৰ পৰা আঁতৰি আহিল।[৬৫] পৰৱৰ্তী কালত শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰ জী-নাতি আৰু নাতি জোঁৱাইৰ যোগেদি বঢ়া সত্ৰ কেইখনমানৰ ওপৰত ভিত্তি কৰি পুৰুষ সংহতিয়ে জন্ম লাভ কৰে। ইয়াৰ পাছতেই মাধৱদেৱক গুৰু আৰু শংকৰদেৱক গুৰুৰো গুৰু বুলি মানি মথুৰাদাস ঠাকুৰ আতা আদিৰ নেতৃত্বত নিকা সংহতিৰ সৃষ্টি হয়। নিকা সংহতিৰ মূলতে বৰপেটা মধুপুৰ কমলাবাৰী আৰু ইয়াৰ অনুগামী সত্ৰসমূহ।

মাধৱদেৱৰ আজ্ঞাপৰ ধৰ্মাচাৰ্যসকলৰ ভিতৰত উদাৰ দৃষ্টিসম্পন্ন আৰু প্ৰতিভাশালী আচাৰ্য হ'ল ভৱানীপুৰীয়া গোপাল আতা। তেও উজনিৰ আহোম কছাৰী মৰাণ বৰাহী চুতীয়া তিৱা আদি জনগোষ্ঠীৰ মাজত ধৰ্মপ্ৰচাৰৰ দায়িত্ব গ্ৰহণ কৰি অতি উদাৰ চিত্তেৰে ধৰ্মীয় আচাৰ-নীতিৰ শিথিলতাৰ যোগেদি তেওলোকক বৈষ্ণৱ ধৰ্মৰ সংস্পৰ্শলৈ আনিবলৈ সক্ষম হয়। গোপাল আতাৰ এনে ধৰ্মীয় উদাৰতাৰ ফলস্বৰূপেই মহাপুৰুষ মাধৱদেৱৰ জাতি-বৰ্ণবিহীন এখন সমতাপূৰ্ণ সমাজ গঢ়াৰ দিশটো প্ৰশস্ত হৈ উঠিল। গোপাল আতাৰ দ্বাৰা প্ৰৱৰ্ত্তিত এই পন্থা পাছলৈ কাল-সংহতি ৰূপে সমাজত জনাজাত হ'ল। কৈৱাতজমূলীয় ধৰ্ম অৱলম্বনকাৰীসকলক ভাৰতীয় আৰ্যধৰ্মৰ সংস্পৰ্শলৈ অনাত গোপাল আতাৰ কাল-সংহতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

শংকৰদেৱে একশৰণ ভক্তিধৰ্ম প্ৰচাৰ কৰিছিল আৰু জাতিভেদ-বৰ্ণবৈষম্য দূৰ কৰি এখনি সাম্যবাদী সমাজ গঠন কৰাৰ পোষকতা কৰিছিল। সেইবাবেই তেওঁ জনজাতীয় মূলৰ গাৰো মিৰি, ভোট নগা সকলো লোককে নৱ বৈষ্ণৱ ভক্তিধৰ্মৰ

৬৫। গগৈ, লীলা ঃ অসমৰ সংস্কৃতি পৃঃ ১২১।

অংশীদাৰ কৰিছিল। 'কিন্তু শংকৰদেৱৰ পৰৱৰ্তী এশ বছৰৰ ভিতৰতে এই আদৰ্শলৈ অতীতৰ ব্ৰাহ্মণ্য পুৰোহিত শ্ৰেণীৰ উচ্চাম্নিক শোষণ নিষ্পেষণৰ বা-বতাহ ৰবলৈ ধৰিলে।[৬৬] 'মুক্তিতো নিস্পৃহ ভকতৰ গুৰুত্ব কমি আহিল আৰু সমাজত বাহ্যিক আচাৰ অনুষ্ঠানে প্ৰাধান্য লাভ কৰিলে পুৰুষ-সংহতি আৰু নিকা সংহতি আচাৰ প্ৰধান সংহতিলৈ ৰূপান্তৰিত হ'ল আৰু ব্ৰহ্ম সংহতিত পুনৰাই ব্ৰাহ্মণ্য সংস্কৃতিয়ে প্ৰাধান্য লাভ কৰিলে। পুৰুষ সংহতিয়েও গোপনে শ্ৰাদ্ধ পিণ্ড লগুন শালগ্ৰাম আৰু গায়ত্ৰী লৈ ব্ৰাহ্মণ্য ৰীতিক আদৰণি জনালে।

মহাপুৰুষ শংকৰদেৱে জাতিভেদ অস্বীকাৰ কৰিছিল যদিও কাল সংহতিৰ বাহিৰে বাকীকেইটা সংহতিত জাত্যাভিমানে বিশেষ প্ৰাধান্য লাভ কৰিছিল। গোপাল আতাই নগা মিৰি আহোম কছাৰী সকলো লোকক শৰণ দিয়াৰ বাবেই আনৰ সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছিল।

শংকৰদেৱে নাট ভাওনা নৃত্য গীত আদিৰ মাধ্যমেৰে জাতি-বৰ্ণ-ধৰ্ম সম্প্ৰদায় নিৰ্বিশেষে সকলোকে বৈষ্ণৱ ধৰ্মৰ ডোলেৰে বান্ধি ভক্তিৰ যোগেদি জনসাধাৰণৰ মুক্তিৰ পথ প্ৰশস্ত কৰিবলৈ প্ৰয়াস কৰিছিল। অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া একশৰণ ভাগৱতী ধৰ্মই বিশেষ জাগৰণৰ সূচনা কৰিছিল। সেইজাগৰণ আজিও অসমবাসীৰ মাজত বিদ্যমান।

অসমত প্ৰাপ্ত স্থাপত্য ভাস্কৰ্যৰ আধাৰত খৃষ্টীয় নৱম শতিকামানৰ পৰাই বৈষ্ণৱ মন্দিৰ আৰু বিষ্ণুমূৰ্ত্তিৰ নিৰ্দশন দৃষ্টিগোচৰ হয়। 'কালিকা পুৰাণ'তো তান্ত্ৰিক বিধানেৰে সম্পাদিত বিষ্ণু-পূজাৰ বিধান পোৱা যায়। যোগিনীতন্ত্ৰতো কামৰূপৰ নখন শক্তিপীঠৰ লগতে এখনি বিষ্ণুপীঠৰ উল্লেখ কৰিছে।

'বাসুদেৱ পূজাৰ বাবে তিনি প্ৰকাৰৰ মন্ত্ৰ নিৰ্দেশ কৰা হৈছে — বীজমন্ত্ৰ অঙ্গ মন্ত্ৰ আৰু প্ৰত্যঙ্গ মন্ত্ৰ। বীজমন্ত্ৰ হ'ল — 'ওঁ নমো নাৰায়ণায়। অঙ্গমন্ত্ৰ দ্বাদশাক্ষৰ 'ওঁ নমো ভগৱতে বাসুদেৱায় প্ৰত্যঙ্গ মন্ত্ৰ অষ্টাদশাক্ষৰ 'ওঁ নমো বিষ্ণৱে সুৰপতয়ে মহাবলায় স্বাহা।[৬৭] 'কালিকাপুৰাণ'ত মণিকূট গিৰিৰ ওপৰত হয়গ্ৰীৱৰূপে বিষ্ণুৰ অধিষ্ঠানৰ কথা উল্লিখিত হৈছে, আৰু এঠাইত হয়গ্ৰীৱ বিষ্ণুৱে জ্বৰাসুৰক বধ কৰা আৰু আন এঠাইত হয়গ্ৰীৱ অসুৰক বধ কৰাৰ কথা বৰ্ণনা কৰা হৈছে।

যোগিনীতন্ত্ৰত বিষ্ণুক জনাৰ্দন বুলি কৈ পুনৰ তেওঁৰ তিনিখন ক্ষেত্ৰৰ উল্লেখ কৰা হৈছে — অশ্বক্ৰান্তত কল্কিৰূপী জনাৰ্দন নন্দন পৰ্বতৰ পশ্চিমে বৌদ্ধ জনাৰ্দন আৰু হাজোত হয়গ্ৰীৱ জনাৰ্দন।[৬৮]

৬৬। গগৈ লীলা : প্ৰান্তৰ প্ৰভু, পৃঃ ১২১।
৬৭। নেওগ, মহেশ্বৰ : অসমৰ ধৰ্মৰ ধুৰণী, আচাৰ আৰু পোহৰ পৃ ২১।
৬৮। কাকতি বাণীকান্ত : বাণীকান্ত ৰচনাৱলী, পৃ ১১৪।

'কালিকাপুৰাণ'তো ভালেমান বিষ্ণু-মাহাত্ম্যসূচক উক্তি সন্নিবিষ্ট হৈছে।[৬৯] অনুৰূপভাৱে যোগিনীতন্ত্ৰতো অনেক ঠাইত বিষ্ণুৰ শ্ৰেষ্ঠত্ব ঘোষিত হৈছে।

'কামৰূপে যথা বিষ্ণু সৰ্বশ্ৰেষ্ঠো মহেশ্বৰি।
কামৰূপে তথা দেৱীপূজা সৰ্ব্বোত্তমা স্মৃতা।।'[৭০]

'যথা নাৰায়ণো শ্ৰেষ্ঠো দেৱানাং পুৰুষোত্তম।'[৭১]

সংহিতাবোৰত বৈষ্ণৱসকলৰ বিশ্বাস আৰু কাৰ্যাৱলীৰ বৰ্ণনা লিপিবদ্ধ হৈছে। এইবোৰক বৈষ্ণৱসকলৰ কল্পসূত্ৰ আখ্যা দিব পাৰি। ভাণ্ডাৰকাৰে নাৰদ পঞ্চৰাত্ৰৰ প্ৰসঙ্গ উল্লেখ কৰি কৈছে যে — 'যিবোৰ মত পূৰণি পঞ্চৰাত্ৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত, গোপাল-কৃষ্ণ ৰূপটো তাৰ অঙ্গীভূত নহয়। যি ধৰ্মক ভাগৱদগীতাই ব্যাখ্যা কৰিছে, সেয়ে ঐকান্তিক ধৰ্ম বা একেশ্বৰবাদ ; কিন্তু পঞ্চৰাত্ৰ পদ্ধতিত যদিও বাসুদেৱৰ পূজা বিহিত আছে, আৰু যদিও বা ভক্তি উভয়তে বৰ্তমান তথাপি পঞ্চৰাত্ৰ পদ্ধতি আৰু ভাগৱদগীতাৰ মাজত কোনো মৌলিক সম্বন্ধ দেখা নাযায়।'[৭২]

দাক্ষিণাত্যৰ বৈষ্ণৱমতৰ সৈতে অসমৰ নৱ বৈষ্ণৱ ধৰ্মমতৰ সাদৃশ্যৰ বিষয়ে ক'বলৈ গৈ বাণীকান্ত কাকতিয়ে দেখুৱাইছে যে শংকৰদেৱে কীৰ্ত্তনত 'সকলো অৱতাৰৰ কাৰণ স্বৰূপ নাৰায়ণক প্ৰণাম কৰাৰ দৰেই দাক্ষিণাত্যৰ বৈষ্ণৱমততো ইয়াৰ ভক্তসকলক নাৰায়ণৰ বাহিৰে আন দেৱতাক পূজা কৰিবলৈ নিষেধ কৰিছিল। এই নাৰায়ণ উপনিষদৰ সকলোৰে আদি কাৰণ।[৭৩] শঙ্কৰদেৱৰ ধৰ্মমতত নাৰায়ণ চৈতন্যময় শুদ্ধৰূপ হৰি আৰু তেঁৱেই 'সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।[৭৪] শঙ্কৰদেৱৰ চাৰি নামৰ মন্ত্ৰতো ৰামানুজৰ 'নাৰায়ণ আৰু বিষ্ণুস্বামীৰ তিনি নামৰ মন্ত্ৰ 'ৰাম কৃষ্ণ হৰি'ৰ সংমিশ্ৰণ যেন অনুমান হয়।[৭৫]

(ঙ) বৌদ্ধ ধৰ্ম ঃ

প্ৰাচীন কামৰূপত এসময়ত বৌদ্ধ ধৰ্মই প্ৰচাৰ লাভ কৰিছিল। সম্ভৱত: অশোকৰ ৰাজত্বকালত বৌদ্ধধৰ্মৰ সম্প্ৰসাৰণৰ সময়তেই দক্ষিণ পূব এচিয়াৰ বিভিন্ন প্ৰদেশৰ দৰেই পূৰণি কামৰূপতো বৌদ্ধধৰ্মই প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰে। চৰ্যাকালীন সময়ছোৱাত অসমত সহজযানী বৌদ্ধমত প্ৰচলন আছিল যেন অনুমান হয়।[৭৬]

৬৯। *'সৰ্বশ্ৰেষ্ঠো যথা বিষ্ণুস্তথৈব সৰ্বোত্তমা যথা। কালিকা পুৰাণ ৬০/৪১।*
৭০। *যোগিনীতন্ত্ৰ, ২/৬/৪৯।*
৭১। *যোগিনীতন্ত্ৰ, ২/৪/৩৭।*
৭২। *Bhandarkar R G Vaisnavism Saivism and Minor Religious systems 1913 P 39*
৭৩। *Ghanar T Rajagopala The Vaisnavite Reformers of India, 1909 P 18*
৭৪। *কীৰ্ত্তন ঃ চতুৰ্বিংশতি অৱতাৰ বৰ্ণন পদ ১।*
৭৫। *Farquhar J N Outlines of the Religious Literature of India, 1920 P 238.*
৭৬। *লক্ষ্মী লীলা ঃ অসমৰ সংস্কৃতি পৃ ১৭।*

হিউয়েন চাং কামৰূপলৈ অহাৰ সময়ত কামৰূপৰ লোকসকল দেবপূজক আছিল বুলি উল্লেখ কৰিছে। ভাস্কৰবৰ্মা নিজেই শিৱ উপাসক আছিল। কলহনৰ ৰাজতৰঙ্গিনীত কাশ্মীৰৰ ৰজা মেঘবাহনে পুৰণি কামৰূপৰ (প্ৰাগজ্যোতিষপুৰ) ৰাজকন্যা অমৃতপ্ৰভাক বিয়া কৰোবাৰ উল্লেখ পোৱা যায়। অমৃতপ্ৰভাই লৌহদেশৰ বৌদ্ধ ভিক্ষু স্তৌনপাক কাশ্মীৰলৈ নিয়াৰ কথা উল্লেখ কৰিছে। এই লৌহ দেশ লৌহিত্য দেশ বা 'কামৰূপ হোৱাই স্বাভাৱিক।

চৰ্যাগীতসমূহ অষ্টমৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচিত আৰু ইয়াৰ কেইবাগৰাকীও লেখক প্ৰাচীন কামৰূপৰ বুলি জনা যায়। গীতসমূহত তান্ত্ৰিক বৌদ্ধমতৰ আভাস পোৱা যায়। গতিকে পালবংশ শালস্তম্ভ বংশৰ ৰজাসকলে কামৰূপত ৰাজত্ব কৰাৰ সময়ছোৱাত সাধাৰণ প্ৰজাৰ মাজত তান্ত্ৰিক ৰূপত বৌদ্ধধৰ্মৰ প্ৰচলন আছিল যেন অনুমান কৰিব পাৰি। পণ্ডিতসকলে অনুমান কৰে যে হাজো কামাখ্যা শুক্ৰেশ্বৰ যোগীযোপা আদিত প্ৰাপ্ত বৌদ্ধ স্থাপত্য ভাস্কৰ্যৰ অৱশেষসমূহ এই সময়ৰ সৃষ্টি। হাজোৰ হয়গ্ৰীৱ মাধৱ বিগ্ৰহক ভূটীয়া তিব্বতী মানুহে আজিও বুদ্ধদেৱৰ মূৰ্ত্তি বুলি বিশ্বাস কৰে।

মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱ বৈষ্ণৱ ধৰ্মৰ কালছোৱাতো অসমত বৌদ্ধধৰ্মৰ কিছু অৱশেষ আছিল যেন অনুমান হয়। কথাগুৰুচৰিতত শংকৰদেৱে বৌদ্ধ টাটকীয়া লগপোৱাৰ উল্লেখ ৰাম-সৰস্বতীৰ ব্যাসাশ্ৰম আৰু বংশীগোপালদেৱৰ চৰিতত তান্ত্ৰিক বৌদ্ধমতৰ উল্লেখে এনে ধাৰণা স্পষ্ট কৰে।

আহোমসকলো আদিতে বৌদ্ধ আছিল আৰু তেওঁলোকে অনুসৰণ কৰা কেতবোৰ আদৰ্শত বৌদ্ধধৰ্মৰ উপাদান বিদ্যমান। কিন্তু পৰৱৰ্তী কালত অসমলৈ প্ৰব্ৰজন কৰা টাই-জনগোষ্ঠীৰ লোকসকল — বিশেষকৈ টাই খামতি টাই ফাকে টাই- খাময়াং টাই আইতন ইত্যাদি সম্পূৰ্ণ বৌদ্ধধৰ্মী তেওঁলোকৰ বাহিৰেও অৰুণাচল প্ৰদেশত বসবাস কৰা মনপা চেৰদুকপেন আৰু তেওঁলোকৰ দাঁতিকাষৰীয়া দুই-এটা জনজাতিয়ে বৌদ্ধধৰ্ম গ্ৰহণ কৰিছে।

খৃষ্টীয় দশম-দ্বাদশ শতিকাৰ ভিতৰত বৌদ্ধধৰ্মৰ বজ্ৰযানী শাখাই কামৰূপত প্ৰবেশ লাভ কৰি সহজীয়া পন্থাত পৰিণত হয়। তিব্বতৰ পুৰণি ঐতিহ্যৰ ওপৰত ভিত্তি কৰি পণ্ডিতসকলে মন্তব্য কৰিছে যে বৌদ্ধ সিদ্ধাচাৰ্যসকলৰ ভিতৰত কেইবাগৰাকীও কামৰূপৰ লোক আছিল। অভিনৱ গুপ্ত নামৰ এগৰাকী পুৰণি কামৰূপৰ পণ্ডিতে 'তন্ত্ৰসাৰ আৰু 'তন্ত্ৰালোক নামৰ দুখনি গ্ৰন্থ ৰচনা কৰা বুলি জনা যায়। দক্ষিণ ভাৰতৰ বিখ্যাত পণ্ডিত শংকৰাচাৰ্যৰ সৈতে অভিনৱ গুপ্ত তৰ্কযুদ্ধত লিপ্ত হোৱাৰ কথাই

তন্ত্ৰশাস্ত্ৰত অভিনব গুপ্তৰ পাণ্ডিত্যৰ কথাই সোঁৱাৰাই দিয়ে। পুৰণি কামৰূপৰ সৈতে দাঁতিকাষৰীয়া তিব্বত আৰু নেপালৰ ধৰ্মীয় আৰু সাংস্কৃতিক সম্পৰ্ক আছিল আৰু সেয়ে পৰস্পৰৰ মাজত জ্ঞান বিদ্যা প্ৰভৃতি বিষয়ত যোগসূত্ৰ স্থাপিত হৈছিল। পঞ্চম শতিকাৰ কামৰূপৰ দুহিতা অমৃতপ্ৰভাৰ পিতৃ এগৰাকী বৌদ্ধ ধৰ্মাবলম্বী ৰজা আছিল আৰু তেওঁৰ গুৰু আছিল এগৰাকী তিব্বতী বৌদ্ধ।

পুৰণি কামৰূপত বামাচাৰৰ প্ৰাধান্য আছিল অধিক। 'কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰতো বামাচাৰৰ প্ৰাধান্য লক্ষ্য কৰা যায়। এসময়ত পুৰণি কামৰূপ প্ৰধানকৈ বজ্ৰযানীসকলৰ লীলাখেলাৰ ঠাই হিচাপে পৰিগণিত হৈছিল। মৰিচ উইণ্টাৰনিজৰ মতে 'বজ্ৰযান হ'ল বৌদ্ধ ধাৰণাৰ কিঞ্চিৎমাত্ৰ সংযোগেৰে অদ্বৈতবাদী দৰ্শন ইন্দ্ৰজাল আৰু ৰতিশাস্ত্ৰৰ এক অদ্ভুত মিশ্ৰণ। (a queer mixture of monistic philosophy magic and erotics with a small admixture of Buddhist ideas)'[17] চৰিতপুথি সমূহত বামাচাৰী বৌদ্ধসকলৰ প্ৰাদুৰ্ভাৱৰ উল্লেখ পোৱা যায়। শংকৰদেৱ বেলগুৰি ধুৱাহটা গ্ৰামত থাকোঁতে সেইগ্ৰামে দুটা বৌধমতিয়া টাটকিয়া (বাজীকৰ) আছিল এটা হই ব্যাধি এটা হই বৈদ্য জাৰে ফুকে সজ হই বস্ত্ৰ টকা ধান উপাধি দিএ জাই এইমতে প্ৰবৰ্ত্তি আছে' গুৰু শুনি পাষণ্ডমৰ্দ্দনৰ কীৰ্ত্তন কৰি দিলে ভকতে গাই ফুৰে শুনি ৰব নুবাৰি গ'ল গুচি দাতিলৈ।

ৰমানন্দ দ্বিজৰ বংশীগোপাল চৰিততো উজনিত বংশীগোপালদেৱে বৌধইতৰ সন্মুখীন হবলগীয়া হৈছিল বুলি উল্লেখ কৰিছে, যিসকলে বাহিৰত ভকতৰ বেশ ধাৰণ কৰি ভিতৰি ভিতৰি নানা ধৰণৰ অপকৰ্ম কৰিছিল

'ব্যভিচাৰ মতে দেখো সবে প্ৰবৰ্ত্তয়।।
অম্ল-যোনি বিচাৰ-আচাৰ কিছো নাই।
প্ৰবৃত্তিক চাহিলে পাষণ্ড সমুদায়।।'[19]

অনুৰূপভাৱে ৰাম সৰস্বতী বিৰচিত 'ব্যাসাশ্ৰম'ত কেনেদৰে ব্ৰাহ্মণসকলেও বৌদ্ধ বাজীকৰৰ ৰূপ গ্ৰহণ কৰিছিল তাৰ আভাস পোৱা যায়। এই বৌদ্ধ বাজীকৰ সকলে বৌদ্ধধৰ্মৰ পবিত্ৰ আচাৰ আৰু সংযম পৰিত্যাগ কৰি ভোগ-প্ৰবৃত্তি চৰিতাৰ্থ কৰাতহে গুৰুত্ব আৰোপ কৰিছিল। বৌদ্ধধৰ্ম বিশুদ্ধ ৰূপত নহ'লেও তান্ত্ৰিক ৰূপত এসময়ত কামৰূপত প্ৰচলিত আছিল আৰু বজ্ৰযানীসকলৰ কাৰ্যকলাপ তথা তন্ত্ৰ-মন্ত্ৰৰ প্ৰাধান্যৰ পৰাই সেই কথা অনুমান কৰিব পাৰি। চৰিতপুথিত এনে আচাৰকেই বৌধাচাৰ আৰু তেওঁলোকৰ মাজত প্ৰচলিত শাস্ত্ৰ-সমূহকে বৌধশাস্ত্ৰ বোলা হৈছে।

১৭। *Winternitz, M History of Indian Literature 1933 Vol II P 388.*
১৮। *নেওগ মহেশ্বৰ (সম্পা) ঃ গুৰুচৰিত-কথা ছেদ ৮৮।*
১৯। *নেওগ মহেশ্বৰ (সম্পা) ঃ বংশীগোপালদেৱৰ চৰিত।*

(চ) নাথধৰ্ম :

নাথধৰ্ম উত্তৰ পূব ভাৰতৰ এটি অন্যতম প্ৰাচীন ধৰ্ম। এসময়ত সমগ্ৰ ভাৰতবৰ্ষতে এই ধৰ্মই প্ৰসাৰ আৰু প্ৰতিপত্তি লাভ কৰিছিল। মধ্যযুগীয় নৱ বৈষ্ণৱ ভক্তি-আন্দোলনৰ প্ৰাক মুহূৰ্ত্তত সমগ্ৰ ভাৰতৰ স্থাপত্য ভাস্কৰ্য ধৰ্ম দৰ্শন সাহিত্য চিত্ৰকলা আৰু সাংস্কৃতিক জীৱনলৈ নাথধৰ্মই প্ৰভূত বৰঙনি আগবঢ়াই থৈ হৈছে।

কৌলজ্ঞান নিৰ্ণয় 'অকুলবীৰ তন্ত্ৰ আদিৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি অনুমান কৰিব পাৰি যে নাথধৰ্মৰ উৎপত্তিৰ ঠাই প্ৰাচীন কামৰূপেই আছিল। নাথধৰ্মৰ প্ৰৱৰ্ত্তক মীননাথ পুৰণি কামৰূপৰেই লোক আছিল বুলি অনুমান কৰা হৈছে। তেওঁৰ প্ৰধান শিষ্য গোৰক্ষনাথো পূৰ্ববঙ্গ অৰ্থাৎ পুৰণি কামৰূপৰে লোক আছিল। বিভিন্ন সাহিত্যিক সমলৰ পৰাও গোৰক্ষনাথৰ সৈতে পুৰণি কামৰূপৰ নিকট সম্পৰ্কৰ আভাস পোৱা যায়। 'তন্ত্ৰালোক'ৰ ভাষ্যমতে মীননাথে কামৰূপতেই সাধনা কৰিছিল আৰু তেওঁ কামৰূপতেই ভৈৰৱ ভৈৰবীৰ পৰা যোগশিক্ষা লাভ কৰিছিল

'ভৈৰৱ-ভৈৰৱাৎ প্ৰাপ্তং যোগং ব্যাপং তত প্ৰিয়ে।
তৎসকাশাত্তু সিদ্ধেন মীনাখ্যেন ৱৰাননে।।
কামৰূপে মহাপীঠে মৎচ্ছেন্দেন মহাত্মানা।'[৮০]

নাথধৰ্ম কেইগৰাকীমান নাথ উপাধিবিশিষ্ট যোগীৰ দ্বাৰা উদ্ভাৱিত আৰু প্ৰচাৰিত হৈছিল বাবেই আলোচ্য ধৰ্মক 'নাথধৰ্ম' বোলা হৈছে। এই ধৰ্মই কেইবাশমান বছৰৰ আগেয়ে সমগ্ৰ উত্তৰ পূব ভাৰতত প্ৰভাৱ বিস্তাৰ কৰিছিল।[৮১]

নাথধৰ্ম মূলতঃ শৈৱ যোগধৰ্ম য'ত এক পৰমাত্মা স্বীকৃত হৈছে। পৰমাত্মাই চৰাচৰ জগতৰ সৃষ্টি স্থিতি আৰু পালনৰ গৰাকী। সমস্ত জগত-প্ৰপঞ্চ পৰমাত্মাৰ পৰাই উদ্ভৱ হৈছে আৰু শেষত পৰমাত্মাতে বিলীন হৈ যাব। যোগীসকলে এই পৰমাত্মাকে 'শিৱ বুলিছে।[৮২] নাথধৰ্ম কৌল শৈৱ বৌদ্ধমতৰ সংমিশ্ৰণত উদ্ভৱ হোৱা এটি প্ৰজ্ঞাবাদী ধৰ্ম। এই ধৰ্ম বিশিষ্ট তত্ত্ব আৰু দৰ্শনৰ ভেটিত প্ৰতিষ্ঠিত।[৮৩] ইয়াৰ এটা ধাৰা ব্ৰাহ্মণ্য বৈদিক আনটোধাৰা বৌদ্ধ জ্ঞানবাদী।[৮৪] যোগধৰ্ম আৰু বৌদ্ধধৰ্ম পৰস্পৰভাৱে সম্পৰ্কিত উভয়ধৰ্ম পৰস্পৰ প্ৰমাণসিদ্ধ।[৮৫]

৮০। তন্ত্ৰ অভিনৱ : 'তন্ত্ৰালোক'ৰ টীকা।
৮১। শাস্ত্ৰী হৰপ্ৰসাদ : প্ৰবাসী বৈশাখ ১৩২২ বাংলা পৃ ১৬৬।
৮২। শ্বেতাশ্বেতৰ উপনিষদ ৬/৭।
৮৩। নাথ, ৰাজমোহন : নাথ-যোগীতত্ত্ব পৃ ২২।
৮৪। হাজৰিকা পৰীক্ষিত : চৰ্যাপদ পৃ ৫৬।
৮৫। ভট্টাচাৰ্য আশুতোষ : গোপীচন্দ্ৰৰ গান পাতনি পৃ ২৫।

বৌদ্ধৰ সহজীয়া সাধনা হিন্দুধৰ্মৰ তন্ত্ৰ আৰু শৈৱ আগমৰ প্ৰভাৱ নাথধৰ্মত পৰা যেন লাগে। তন্ত্ৰৰ শিৱ আৰু শক্তিয়েই সহজযান পন্থৰ শূন্যতা আৰু কৰুণা। নাথধৰ্মৰ নাদ বিন্দুৰ মিলন সহজযান পন্থৰ শূন্যতা আৰু কৰুণাৰ মিলনৰ সমপৰ্যায়ৰ। নাথধৰ্মৰ প্ৰধান বিশেষত্ব হৈছে পৰমাৰ্থ তত্ত্বজ্ঞানৰ দ্বাৰা অজৰামৰ হোৱাতকৈ 'অজপা গায়ত্ৰী মন্ত্ৰৰ জৰিয়তে অদ্ভুত শক্তি লাভ কৰা।[৮৬] নাথধৰ্মত মূৰ্ত্তিপূজা নাই, কিন্তু লিঙ্গপূজা আছে। এই লিঙ্গ গভীৰ দাৰ্শনিক তত্ত্বেৰে পৰিপূৰ্ণ।[৮৭]

শিৱ সৰ্বশক্তিমান সৰ্বজ্ঞ সৰ্বব্যাপ্ত, সৰ্বনিয়ন্তা আৰু অনন্ত শক্তিমান। তেওঁক ধাৰণা কৰিব নোৱাৰি বাক্য আৰু মন উভটি আহে। সেই আনন্দস্বৰূপ ব্ৰহ্মক জানিলে আৰু একো জানিবলৈ বাকী নাথাকে

'যতোবাচো নিৰ্বৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ
আনন্দো ব্ৰহ্মণো বিদ্বান ন বিভেতি কদাচন।।[৮৮]

যোগৰ জৰিয়তে পাৰ্থিৱ দুখৰ পৰিসমাপ্তি ঘটাই পৰমাত্মাৰ স্বৰূপ উপলব্ধি কৰাই নাথসকলৰ সাধনাৰ পৰম উদ্দেশ্য। শৰীৰৰ পঞ্চভূত পঞ্চতন্মাত্ৰ আদিৰ যথাৰ্থ উৎকৰ্ষৰ জৰিয়তে দেহমধ্যস্থ শক্তিৰে যথাৰ্থ ফল লাভ কৰাই নাথ যোগীসকলৰ সাধনা।

নাথধৰ্ম মতে শিৱৰ পৰাই ব্যক্ত জগতৰ সৃষ্টি হৈছে। শিৱ নিমিত্ত কাৰণ ব্যক্ত জগত উপাদান কাৰণ। চেতনস্বৰূপ শিৱৰ দ্বাৰাই সমগ্ৰ জগত সঞ্জীৱিত। মায়াই সৃষ্টিৰ পৰিণামী কাৰণ। মায়াৰ সহায়তেই শিৱ বা ব্ৰহ্মাই সমগ্ৰ জগত সৃষ্টি কৰিছে।[৮৯] পৰাশক্তি বা মায়া বিচিত্ৰ কাৰ্যকাৰিণী। তেওঁৰ সৃষ্টিক্ৰিয়াও মায়িক। বস্তুতঃ জীৱ শিৱস্বৰূপ পাশবদ্ধ হোৱাৰ বাবেই জীৱই বাৰে বাৰে জন্মগ্ৰহণ কৰে পাশবদ্ধো ভবে জীৱ পাশমুক্ত সদাশিৱঃ।[৯০]

ঈশ্বৰ স্বৰূপশক্তি মায়াশক্তিৰ গৰাকী।[৯১] তেওৰ ইচ্ছাতেই শক্তি ক্ৰিয়াশীলা হয়। শক্তিৰ আত্মপ্ৰকাশৰ বাবেই অনন্ত বৈচিত্ৰময় জগতৰ সৃষ্টি হৈছে। মহাশক্তিৰূপা অনাদি

৮৬। বসু মনীন্দ্ৰমোহন : চৰ্যাপদ ভূমিকা।
৮৭। ঋক ১/৩৫/৬ অথৰ্ব ১০/৭ ইত্যাদি।
৮৮। তৈত্তিৰীয় উপনিষদ।
৮৯। শ্বেতাশ্বেতৰ উপনিষদ ৪/১০।
৯০। কুলাৰ্ণৱ তন্ত্ৰ ১/৪৮।
৯১। শ্বেতাশ্বেতৰ উপনিষদ ৪/১০।

শক্তি অব্যক্তা। সাম্যাবস্থাত তেওঁ পৰমশিৱৰ সৈতে অদ্বয় ভাবাপন্ন হৈ থাকে। আনহাতে শিৱ প্ৰকৃতি-পুৰুষ উভয়ৰূপা। তেঁৱে বিশ্বৰ সৃষ্টি স্থিতি-লয়ৰ গৰাকী। তেওঁ বৰ্ণহীন নিত্য অপৰিমেয় আৰু জ্যোতিস্বৰূপ। সেয়েহে তেওঁক উপাসনা কৰা সহজ নহয়। নিৰ্গুণ ঈশ্বৰক উপাসনা কৰাটো সহজ নহয় বাবেই সাধকে দেহৰ মাজত 'লিঙ্গৰূপত অৱস্থান কৰা 'হংসৰূপী শিৱৰ উপাসনা কৰিব লাগে।[৯২] শ্বেতাশ্বেতৰ উপনিষদত 'ঈশান বা 'শিৱকে সমস্ত যোনিৰ গৰাকী বোলা হৈছে।[৯৩] কৌলজ্ঞান নিৰ্ণয়'তো শিৱক লিঙ্গ বোলা হৈছে। সকলো জাগতিক পদাৰ্থই এই লিঙ্গৰ বিন্দুৰ পৰা উদ্ভৱ হৈছে।[৯৪] শিৱ আৰু মহালিঙ্গৰ শক্তিয়েই বিন্দু। পৰশিৱ আৰু পৰাশক্তিৰ মিলনত যি জগত সৃষ্টিৰ ইচ্ছা হয় তাকে বিন্দু আখ্যা দিয়া হৈছে।[৯৫] বিন্দুয়েই সমস্ত উৎপত্তি লয়ৰ কাৰণ।

নাথধৰ্মত গুৰুৰ স্থান অতি উচ্চ। অৱধূতৰূপী গুৰুৱেই নাথসকলৰ পৰমগুৰু ৰূপে বিবেচিত।[৯৬] এনে গুৰু বৰ্ণ আশ্ৰম পাপ পূণ্য আৰু ভোগ ত্যাগৰ অতীত। নাথধৰ্মত গুৰুৱেই একমাত্ৰ কাণ্ডাৰী। গুৰুৰ অবিহনে নাথ যোগ সাধনাত অগ্ৰসৰ হোৱাটো অসম্ভৱ।[৯৭] শিৱস্বৰূপ নাথগুৰু সকলো ধৰণৰ বিঘিনী বিনাশকাৰী আৰু মানৱ দেহধাৰী গুৰুৰ পৰা পৃথক। 'হঠযোগ প্ৰদীপিকা'ত এনে গুৰুকে 'নাদ বিন্দু-কলাত্মনে বোলা হৈছে।[৯৮] এনে গুৰুৰ চৰণ-কমল ধ্যানৰ জৰিয়তে সাধকৰ নিৰঞ্জন পদপ্ৰাপ্ত ঘটে।

নাথধৰ্মত গুৰুতকৈ শ্ৰেষ্ঠ দেৱতা আৰু নাই। নাথগুৰুসকল সৰ্ববিদ্যা বিশাৰদ মহাতপা আৰু সকলোৰে মন্ত্ৰদাতা।[৯৯] এনে সদগুৰুৰ অবিহনে সহজাবস্থাত উপনীত হোৱাটো কঠিন 'দুৰ্লভা সহজাৱস্থা সদগুৰু কৰুণাং বিনা।[১০০] সহজাৱস্থা লাভেই নাথ যোগীৰ বাবে মোক্ষ পৰম পুৰুষাৰ্থ বা নাথ স্বৰূপত অৱস্থান।

৯২। শ্বেতাশ্বেতৰ উপনিষদ ৪/৩।
৯৩। শ্বেতাশ্বেতৰ উপনিষদ ৪/১১।
৯৪। কৌলজ্ঞান নিৰ্ণয় ৩/১০।
৯৫। মল্লিক কল্যাণী ঃ নাথসম্প্ৰদায়ৰ ইতিহাস দৰ্শন ও সাধন প্ৰণালী পৃ ১৯৬।
৯৬। সিদ্ধ -সিদ্ধান্ত পদ্ধতি ৬/১।
৯৭। হঠযোগ প্ৰদীপিকা ৪/৫।
৯৮। হঠযোগ প্ৰদীপিকা ৪/১।
৯৯। গোৰক্ষ সিদ্ধান্ত সংগ্ৰহ, পৃ ১৪।
১০০। হঠযোগ প্ৰদীপিকা ৪/৫।

নাথগুৰুসকল দৃশ্যমান ব্ৰহ্মস্বৰূপ। তেওঁলোক সাংসাৰিক মায়া-মোহৰ অতীত। এনে গুৰু কৈৱল্যমুক্ত সন্নাসী আৰু কুলাচাৰহীন। এওঁলোক জীৱন্মুক্ত সৰ্বদোষবিবৰ্জিত যোগদেহৰ অধিকাৰী আৰু পৰম শ্ৰেষ্ঠ। অচিন্ত্য শক্তিমান মৃত্যুঞ্জয়ী যোগীয়ে নানাৰূপ ধাৰণ কৰি ত্ৰিভুৱন বিচৰণ কৰে। এনে গুৰুৰ কৃপাতে সিদ্ধ ব্যক্তিসকলে যোগীপদ লাভ কৰি সংসাৰচক্ৰৰ মায়া অতিক্ৰম কৰিবলৈ সক্ষম হয়।

যোগসাধনাৰ প্ৰাধান্যৰ বাবেই নাথসকলক যোগী আখ্যা দিয়া হৈছে।[১০১] ন্যায় বৈশেষিক শৈৱ প্ৰত্যাভিজ্ঞা বীৰশৈৱ পাশুপত পঞ্চৰাত্ৰ ভাগৱত বৌদ্ধ জৈন শাক্ত আদি বিভিন্ন ধৰ্মীয় সম্প্ৰদায়ত যোগৰ প্ৰাধান্য স্বীকাৰ কৰা হৈছে। যোগী যাজ্ঞবল্ক্যই যোগধৰ্মকেই পৰম অৰ্থাৎ শ্ৰেষ্ঠধৰ্ম বুলিছে। যোগীৰ যোগ-সাধনাৰ প্ৰধান উদ্দেশ্যই হৈছে ভগৱদপ্ৰাপ্তি আৰু সিদ্ধদেহ লাভ। সিদ্ধদেহৰ উদ্দেশ্য অমৰত্ব প্ৰাপ্তি আৰু জগতৰ মঙ্গল সাধন।

নাথধৰ্মত যোগ-সাধন প্ৰণালীৰ মূলতত্ত্ব হৈছে 'চিত্তশুদ্ধি। চিত্তশুদ্ধিৰ জৰিয়তে কায়াশুদ্ধি আৰু সিদ্ধদেহপ্ৰাপ্তি সম্ভৱ। চিত্ত স্বচ্ছ হ'লে তাত পৰমশিৱৰ ছায়াপাতৰ জৰিয়তে জীৱৰ দ্বিজত্বপ্ৰাপ্তি ঘটে। উল্লেখযোগ্য যে গুৰুৰ কৃপাৰ জৰিয়তেহে এনে দ্বিজত্বপ্ৰাপ্তি সম্ভৱ।

যোগৰ জৰিয়তে সুস্থ আৰু নিৰোগী জীৱন যাপন কৰি দীৰ্ঘজীৱি হোৱাটো সম্ভৱ। সেইবাবেই যোগধৰ্মক অন্যান্য সকলো মাৰ্গৰ ভিতৰত শ্ৰেষ্ঠ মাৰ্গ বোলা হৈছে।[১০২] শৰীৰৰ ৰিপু আৰু ইন্দ্ৰিয়সমূহক নিজৰ আয়ত্ত্বাধীন কৰিবৰ বাবে যোগসাধন পৰম কাৰ্যকৰী। যোগৰ জৰিয়তে পাৰ্থিৱ কামনা-বাসনাৰ পৰিসমাপ্তি নঘটিলে সাধকৰ মনত ব্ৰহ্মভাৱৰ সঞ্চাৰ সম্ভৱ নহয়।[১০৩] গতিকে যোগেই ব্ৰহ্মপ্ৰাপ্তিৰ সহায়ক।

যোগসিদ্ধি সকলোৰে বাবে সম্ভৱ নহয়। এনে সিদ্ধিৰ বাবে কঠোৰ সাধনাৰ প্ৰয়োজন। জ্ঞানৰ যোগেদি মুক্তি লাভতকৈ যোগৰ জৰিয়তে সহজে মুক্তিলাভ সম্ভৱ বাবেই যোগমাৰ্গক মুক্তিলাভৰ অন্যান্য সাধন মাৰ্গতকৈ শ্ৰেষ্ঠমাৰ্গ আখ্যা দিয়া হৈছে।[১০৪] নাথ যোগীসকলৰ মতে শক্তি আৰু শিৱৰ বাবেই জগত সৃষ্টি সম্ভৱ হৈছে। শক্তিয়েই

১০১। ন্যায় ৪/২।
১০২। গোৰক্ষ সিদ্ধান্ত সংগ্ৰহ, পৃ ৫।
১০৩। শ্বেতাশ্বেতৰ উপনিষদ ৬/১০।
১০৪। যোগবীজ শ্লোক নং, ৬৬।

মানৱ দেহত কুণ্ডলিনীৰূপত বিৰাজ কৰিছে। সৰ্পৰাজ বাসুকি যেনেকৈ পৰ্বত কাননাদি সমন্বিতে সমগ্ৰ ধৰণীৰ আধাৰ সেইদৰে সৰ্পাকাৰ কুণ্ডলিনী শক্তিয়েই সমস্ত যোগতন্ত্ৰৰ আধাৰ

সশৈলবনধাত্ৰীনাং যথাধাৰোহহিনায়ক ।
সৰ্বেষাং যোগতন্ত্ৰাণাং তথাধাৰো হি কুণ্ডলী।।
সুপ্তা গুৰু প্ৰসাদেন যথা জাগৰ্ত্তি কুণ্ডলী।
তদা সৰ্বানি পদ্মানি ভিদ্যন্তে গ্ৰন্থয়োহপি চ।।[১০৫]

যোগশাস্ত্ৰৰ মতে মানৱদেহ সৰ্বমুঠ ছটি চক্ৰৰ সমষ্টি মূলাধাৰ স্বাধিষ্ঠান মণিপুৰ অনাহত বিশুদ্ধ আৰু অজ্ঞাচক্ৰ। ইয়াৰে সহস্ৰাৰ চক্ৰত শিৱস্থান অৱস্থিত। এই চক্ৰ মানৱদেহৰ শিৰোভাগত অৱস্থিত আৰু সহস্ৰ দলযুক্ত। শক্তিস্থান মূলাধাৰত স্থিত বুলি বিশ্বাস কৰা হয়। সহস্ৰাৰ আৰু মূলাধাৰ চক্ৰৰ জৰিয়তেই মানৱদেহৰ সমগ্ৰ সৃষ্টিপ্ৰক্ৰিয়া সম্ভৱ হৈছে। যোগৰ জৰিযতে এই শক্তিক উৰ্দ্ধমুখী কৰাই সহস্ৰাৰস্থিত শিৱৰ সৈতে মিলন ঘটোৱাই নাথসকলৰ সাধনা। এনেদৰে শিৱ-শক্তিৰ মিলনৰ জৰিয়তে সামৰস্য লাভ কৰিলে যোগীয়ে অপৰিবৰ্তিত যোগদেহ লাভ কৰিবলৈ সক্ষম হয়।

১০৫। হঠযোগ প্ৰদীপিকা ৩/১।

দ্বিতীয় অধ্যায়

চৰ্যাগীত

চৰ্যাগীত প্ৰত্ন অসমীয়া ভাষাৰ প্ৰথম লিখিত সাহিত্যৰ নিদৰ্শন। ১৯০৭ চনত হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থালয়ৰ পৰা চাৰিখন গ্ৰন্থ উদ্ধাৰ কৰি আনে। সেয়া হ'ল সৰহব্ৰজৰ দোহাকোষ কৃষ্ণচাৰ্যৰ দোহাকোষ ডাকাৰ্ণৱ আৰু চৰ্যাচৰ্যবিনিশ্চয়। চৰ্যাগীত মুঠ ৫০ টি গীতৰ সংকলন যদিও ইয়াৰ মুঠ ৪৬ টা গীতহে উদ্ধাৰ হৈছে। বাকীখিনি তিব্বতী টীকাৰ আধাৰত প্ৰবোধচন্দ্ৰ বাগচীয়ে সম্পাদনা কৰি উলিয়াইছে। হৰপ্ৰসাদ শাস্ত্ৰীয়ে বংগীয় সাহিত্য পৰিষদৰ তৰফৰ পৰা ১৯১৬ চনত আটাইকেইখন গ্ৰন্থ 'হাজাৰ বছৰেৰ পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধগান ও দোহা নামেৰে ছপাই উলিয়ায়। এই চৰ্যাগীত সমূহৰ টীকা কৰিছিল মুনিদত্তই। টীকাৰ লগতে দত্তই সম্পূৰ্ণ গীতটো লিপিবদ্ধ কৰিছে। মুনিদত্তৰ টীকা সম্বলিত গীতসমূহৰ ভিতৰত ২৪ ২৫ ৪৮ আৰু ২৩ সংখ্যক গীতৰ পাতকেইখিলা নষ্ট হৈছে। মুনিদত্তৰ টীকাৰে সৈতে তিব্বতী ভাষালৈ অনুবাদ কৰা চৰ্যাগীতিকোষখনৰ নাম আছিল 'চৰ্যাগীতিকোষবৃত্তিনাম। ইয়াৰ পৰা বাগচীয়ে গীতকেইটি সংস্কৃতলৈ অনুবাদ কৰে। ১৯৪৫ চনত মণীন্দ্ৰমোহন বসুৱে চৰ্যাপদ নামদি গীতসমূহৰ দ্বিতীয় সংকলন প্ৰকাশ কৰি উলিয়ায়। অনুৰূপভাৱে প্ৰবোধ চন্দ্ৰ বাগচী আৰু শান্তি ভিক্ষু শাস্ত্ৰীয়ে 'চৰ্যাগীতিকোষ নামেৰে ১৯৫৬ চনত প্ৰকাশ কৰি উলিয়ায়। অনুৰূপভাৱে উক্ত বছৰতে সুকুমাৰ সেনেও 'চৰ্যাগীতি পদাৱলী নামেৰে সংকলন প্ৰকাশ কৰি উলিয়ায়। আনহাতে শশিভূষণ দাসগুপ্তই বৌদ্ধধৰ্ম আৰু চৰ্যাগীতি আৰু তাৰাপদ মুখাৰ্জীয়ে 'চৰ্যাগীতি নামেৰে একোটিকৈ সংকলন প্ৰকাশ কৰি উলিয়ায়। ১৯৭৭ চনত নীলৰতন সেনে মূলপুথিৰ আলোকচিত্ৰ সহ 'চৰ্যাগীতিকোষ নামেৰে এটি প্ৰতিৰূপ সংকৰণ এটি প্ৰকাশ কৰি উলিয়ায়। অসমীয়াত পৰীক্ষিত হাজৰিকাই 'চৰ্যাপদ আৰু প্ৰণৱজ্যোতি ডেকাই 'চৰ্যাগীত আৰু বৌদ্ধতন্ত্ৰ নামৰ দুটি সংকলন প্ৰকাশ কৰি উলিয়াইছে। গতিকে দেখা যায় যে বিভিন্ন সংকলনত চৰ্যাগীতসমূহৰ সংকলনৰ বিভিন্ন নাম দিছে যদিও 'চৰ্যাগীতিকোষ নামটোৱেই যুক্তিযুক্ত। কিয়নো এশটা চৰ্যাগীতিৰ সংকলনৰ কোষটিৰ নাম আছিল আচাৰ্য মুনিদত্তৰ

মতে চৰ্যাশতেনাহৃতগীতিকানাম্ কোষং। গতিকে এশ গীতৰ সংকলনৰ সৈতে পঞ্চাশটা গীতৰ সংকলনৰ নাম একেটাই হোৱাটো স্বাভাৱিক।

মুনিদত্তই গীতখিনিৰ ভাষা প্ৰাকৃত বুলিছে যদিও অসমীয়া ভাষাৰ সৈতেহে ইয়াৰ সাদৃশ্য অধিক। হৰপ্ৰসাদ শাস্ত্ৰীয়ে গীতসমূহৰ ভাষা বাংলা বুলিছে। পৰৱৰ্তী বঙালী পণ্ডিতসকলৰ শাস্ত্ৰীৰ মতৰ পুনৰাবৃত্তি ঘটিছে। চৰ্যাগীতক অসমীয়া বাংলা হিন্দী মৈথিলী উৰিয়া প্ৰভৃতি প্ৰতিটো ভাষাই ইয়াৰ পূৰ্বস্তৰৰ নিদৰ্শন হিচাপে দাবী উত্থাপন কৰা দেখা যায়। গীতবোৰৰ কিছুমান ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বিশেষত্ব মধ্য অসমীয়াৰ মাজেদি আহি আধুনিক অসমীয়ালৈকে বাগৰি অহাটো বাণীকান্ত কাকতিয়ে দেখুৱাইছে।

চৰ্যাগীত ৰচনাৰ সময় অষ্টমৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত বুলি ধৰা হৈছে। বৌদ্ধধৰ্ম আছিল যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত ধৰ্ম। সেয়ে যুক্তিৰে প্ৰমাণ কৰিব নোৱাৰা আত্মা ঈশ্বৰ পুনৰ্জন্ম আদিৰ স্থান বৌদ্ধধৰ্মত নাছিল। অৱশ্যে পৰৱৰ্তীকালত বৌদ্ধধৰ্মত জন্মান্তৰবাদে প্ৰৱেশ লাভ কৰে। বৌদ্ধধৰ্মত নিৰ্বাণ লাভ কৰিবৰ কাৰণে সন্ন্যাস ধ্যান আৰু কঠোৰ নীতি নিয়ম পালন কৰাটো আছিল বাধ্যতামূলক। পৰৱৰ্তীকালত বৌদ্ধ সন্ন্যাসীসকলে সোনকালে নিৰ্বাণ লাভ কৰিবৰ কাৰণে নানা ধৰণৰ চমু উপায়ৰ সৃষ্টি কৰিলে আৰু তাৰে পৰাই মন্ত্ৰ ধাৰণী আদিৰ সৃষ্টি হ'ল। এনেদৰেই বৌদ্ধধৰ্মত ক্ৰমান্বয়ে মন্ত্ৰ ধাৰণী মুদ্ৰা মণ্ডল আদিৰ প্ৰৱেশ ঘটিল আৰু যুক্তিপ্ৰধান বৌদ্ধধৰ্মত যুক্তিহীন আচাৰে স্থান লাভ কৰিলে। বৌদ্ধধৰ্মত পঞ্চশীল নীতি মানি চলাতো অতি আৱশ্যকীয়। এই কঠোৰ নীতিসমূহ হ'ল — প্ৰাণী হত্যা নকৰা চুৰ নকৰা ব্ৰহ্মচৰ্য ভংগ নকৰা মিছা কথা নোকোৱা আৰু ৰাগীয়াল বস্তু ভক্ষণ নকৰা। ইয়াৰ উপৰিও আবেলি ভোজন পৰিত্যাগ কৰা নৃত্য গীত আদি উপভোগৰ পৰা আঁতৰি থকা প্ৰসাধন আৰু আ অলংকাৰ পৰিধানৰ পৰা বিৰত থকা ইত্যাদি ভালেমান কঠোৰ নিয়ম মানি চলিব লাগিছিল। কিন্তু শিষ্যসকলে বুদ্ধদেৱৰ সন্মুখত এই নিয়মবোৰৰ প্ৰতিবাদ কৰিব নোৱাৰিলেও গোপনে এই নিয়মবোৰ ভংগ কৰিছিল। ফলত এনে নিয়ম ভংগকাৰীসকলক বৌদ্ধ ধৰ্মৰ পৰা বহিস্কাৰ কৰা হৈছিল। প্ৰথম শতিকামানৰ পৰাই বৌদ্ধধৰ্মৰ পৰা বহিস্কৃত লোকসকলে মহাযান পন্থা তৈয়াৰ কৰে আৰু এই পন্থাৰ মূল গ্ৰন্থ প্ৰজ্ঞাপাৰমিতা ৰচিত হয়। বৌদ্ধধৰ্মৰ কঠোৰ নিয়ম মানি চলাৰ পৰিবৰ্তে সাংসাৰিক সুখ ভোগৰ মাজেদি বৌদ্ধ ধৰ্ম মানি চলিও এওঁলোকে গোপনে মন্ত্ৰ নামৰ এবিধ সাহিত্য সৃষ্টি কৰি সেইবোৰ জনসাধাৰণৰ মাজত ধৰ্মৰ প্ৰলেপ দি প্ৰচাৰ কৰিবলৈ ধৰিলে আৰু এইবোৰ বুদ্ধদেৱৰ মুখনিসৃত বুলি প্ৰচাৰ কৰাৰ ফলত পৰৱৰ্তী কালত বৌদ্ধধৰ্মত

মন্ত্র ধাৰণী বন্দনা আৰু অসংখ্য দেৱদেৱীৰ আবির্ভাব হ'ল। এনেদৰেই বৌদ্ধধৰ্মত মহাযানী পন্থাৰ সৃষ্টি হয়।

বুদ্ধদেৱে যাগ যজ্ঞৰ নামত পশুহত্যাকে ধৰি ধৰ্মৰ নামত চলা ব্যভিচাৰসমূহ দূৰ কৰিবৰ কাৰণে বৌদ্ধধৰ্মত কঠোৰ সংযম আৰু পঞ্চশীল নীতিক ঠাই দিছিল। তেওঁ মদ মাংস মাছ, নাৰী প্ৰভৃতি উত্তেজক বস্তু নিষিদ্ধ কৰিছিল। এই ধৰ্ম আছিল পূৰ্ণ ব্ৰহ্মচৰ্যৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু তান্ত্ৰিক বৌদ্ধসকলে নিৰ্বাণৰ নামত বৌদ্ধ ধৰ্মত পঞ্চ মকাৰক স্থান দি বুদ্ধদেৱৰ মতক সম্পূৰ্ণ গুৰুত্বহীন কৰি পেলালে। তেওলোকে বুদ্ধদেৱৰ মত আৰু দৈহিক তথা মানসিক অস্তিত্বৰ পৰিঘটনাবোৰক পাঁচটা স্কন্ধ বা ভাগত বিভক্ত কৰি এই প্ৰতিটো স্কন্ধৰ অধিস্থাতা হিচাপে একোগৰাকীকৈ শক্তিৰ কল্পনা কৰি পাঁচজন ধ্যানী বুদ্ধৰ কল্পনা কৰিলে। এনেদৰেই তান্ত্ৰিক বৌদ্ধসকলে বুদ্ধদেৱক গুৰুত্বহীন কৰি পেলালে। তাৰ লগে লগে তান্ত্ৰিকসকলে নিৰ্বাণক শূন্য বিজ্ঞান আৰু মহাসুখ ৰূপে কল্পনা কৰি নিৰ্বাণপ্ৰাপ্ত বোধিচিত্তক নাৰীৰ আলিংগনবদ্ধ অৱস্থাত পোৱা সুখৰ সৈতে ৰিজাই নাৰীৰ সৈতে সংসৰ্গ বা মিলনকে যোগ আৰু নাৰীয়েই নিৰ্বাণ লাভৰ কাৰণে শক্তিশালী উপাদান ৰূপে প্ৰচাৰ কৰিবলৈ ধৰিলে।

তান্ত্ৰিক আচাৰ অতি গোপনীয় আছিল আৰু ই উদ্ভৱ কালৰ পৰা প্ৰায় তিনিশ বছৰ অতি গোপনে গুৰু পৰম্পৰা ৰূপত চলি আহিছিল। এই মত প্ৰচাৰত চৌৰাশীজন সিদ্ধাচাৰ্যই বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। এই সিদ্ধসকল খৃষ্টীয় সপ্তম অষ্টম আৰু নৱম শতিকাৰ লোক আছিল। এওলোকে ৰচনা কৰা গীতবোৰ সন্ধ্যা ভাষাত ৰচিত আৰু প্ৰহেলিকাময় অৰ্থৰে পৰিপূৰ্ণ।

'চৰ্যাগীতবোৰ সহজযান পন্থৰ ধৰ্ম-সাধনৰ গীত। প্ৰত্যেকটো চৰ্যা সাঁথৰৰ দৰে ইয়াৰ বাহ্যিক অৰ্থ অতি সহজ। কিন্তু গূঢ়াৰ্থ বা মৰ্মাৰ্থ বুজা কঠিন। এই কাৰণেই এই গীতসমূহৰ উদ্ধাৰকৰ্তাই ইয়াৰ ভাষাক সন্ধ্যাভাষা বুলিছে। সন্ধ্যাৰ আধা আলো আধা ছায়াৰ ৰহস্য ঘনতাই প্ৰত্যেক চৰ্যাকে আবৰি ৰাখিছে। এই মতৰ সাৰাংশ হ'ল এয়ে যে চিত্তৰ লগত বিষয় সম্পৰ্কৰ বিচ্ছেদ ঘটাই, সকলো বাহ্যিক ভেদভাব বিলুপ্ত কৰি চিত্তক শূন্যতাত প্ৰতিষ্ঠা কৰা। এই শূন্যতা বোধৰ লগত কৰুণাৰ সংযোগ ঘটিলে চিত্তই নিৰ্বাণ লাভ কৰে।'[১] চৰ্যাগীতবোৰৰ বিষয়বস্তু ৰহস্যসময়ভাৱে গূঢ় প্ৰকৃতিৰ কাৰণ সিবোৰত সহজযানৰ গুপ্ত সাধনতত্ব নিহিত আছে আৰু ৰহস্যময় ভাষাত সাধনৰ পথো নিৰ্দেশ কৰা আছে। ইয়াৰ ভাষাতো ইচ্ছাকৃত জটিলতা বৰ্তমান কাৰণ সেই ভাষা সাংকেতিক যাৰে তাৰে বাবে নহয় সি বোৱা গুৰুৱে কলা শিষ্যক (গুৰুবোৰ সে সীস কাল) বুজোৱা কিছুমান ইংগিত মাত্ৰ। বৃত্তিকাৰে সেই ভাষাক বুলিছে

১ সত্যেন্দ্ৰনাথ শৰ্মা অসমীয়া সাহিত্যৰ ইতিবৃত্ত)

সন্ধ্যাভাষা সন্ধ্যাবচন সন্ধ্যা সংকেত বা সন্ধ্যা — যি ভাষাৰ অভীষ্ট মৰ্মাৰ্থ গভীৰভাবে অনুধ্যান কৰিহে হৃদয়ংগম কৰিব পৰা যায়। শাস্ত্ৰীয়ে কোৱাৰ দৰে 'আলো আঁধাৰি ভাষা কতক আলো কতক অন্ধকাৰ খানিক বুজা যায় খানিক বুঝা যায় না।[২]

বজ্ৰযানৰ উদ্ভৱ হয় তৃতীয় শতিকাত। এই শতিকাত মৈত্ৰেয়নাথে আৰম্ভ কৰা মহাযান বৌদ্ধধৰ্মৰ যোগাচাৰ দৰ্শনৰ পৰাই পোনপটীয়াকৈ বজ্ৰযানৰ উদ্ভৱ হৈছে। এই দৰ্শন অনুসৰি বাহ্যিক জগতখন অস্তিত্বহীন আৰু মূলতঃ মনৰ সৃষ্টি। দৰাচলতে পাৰ্থিৱ বস্তুবোৰ সপোন সদৃশ আৰু ক্ষণস্থায়ী। নিৰ্বাণ অবিহনে পুনৰ্জন্মৰ হাত সৰাটো সম্ভৱ নহয়।

নিৰ্বাণ লাভৰ পথৰ প্ৰধান প্ৰতিবন্ধক হৈছে ক্লেশাবৰণ আৰু ভেদয়াবৰণ। ক্লেশাবৰণে যিকোনো বস্তুৰ স্বৰূপ বুজাত বাধা দিয়ে। আনহাতে ভেদয়াবৰণে পূৰ্ণজ্ঞান অথবা পাৰমিতা উপলব্ধিত বাধাৰ সৃষ্টি কৰে। গতিকে ক্লেশাবৰণৰ পৰা মুক্ত হ'বলৈ হ'লে শূন্যতাৰ উপলব্ধি কৰিব লাগিব। সেইদৰে ভেদয়াবৰণ লাভৰ কাৰণে নৈৰাত্মাৰ ধ্যান অপৰিহাৰ্য।

'ভৱ হ'ল দু খময় আৰু তাৰ নিবৃত্তিয়েই নিৰ্বাণ গতিকে নিৰ্বাণ সুখময়। এই সুখবাদৰ ওপৰতে সহজযানীসকলে বিশেষ গুৰুত্ব আৰোপ কৰিছে।

চৰ্যাগীতৰ ৰচকসকল হ'ল যথাক্ৰমে আৰ্যদেৱপাদ কঙ্কনপাদ কম্বলাম্বৰপাদ কুক্কুৰীপাদ কৃষ্ণবজ্ৰাপাদ কৃষ্ণাচৰ্যাপাদ গুণ্ডৰীপাদ চাটিল্লাপাদ জয়নন্দীপাদ ডোম্বীপাদ ঢেণ্টনাপাদ তন্ত্ৰীপাদ তাড়কপাদ, দাৰিকপাদ ধামপাদ বিৰুৱাপাদ বীণাপাদ ভাদেপাদ ভুসুকপাদ মহীধৰপাদ লুইপাদ শবৰপাদ শান্তিপাদ আৰু সৰহপাদ।

আৰ্যদেৱপাদ আচাৰ্য নাগাৰ্জুনৰ শিষ্য আছিল। তেওঁ দাক্ষিণাত্যৰ শ্ৰীপৰ্বতলৈ গৈ নাগাৰ্জুনৰ ওচৰত ৰসায়ন আদি ঐন্দ্ৰজালিক বিদ্যা শিকে। তেওঁ কিছুকাল নালন্দাত আছিল। আৰ্যদেৱপাদে মুঠ ১৩ খন গ্ৰন্থ ৰচনা কৰিছিল। চৰ্যাগীতৰ অন্তৰ্গত ৩১ নং চৰ্যাগীতৰ ৰচক আৰ্যদেৱপাদ।

সুকুমাৰ সেনে কঙ্কনপাদ নামটো ছদ্মনাম বুলি কৈছে। তাৰানাথৰ 'ভাৰতৰ বৌদ্ধধৰ্মৰ বুৰঞ্জী'ত তেওঁৰ নাম নাই। কম্বলপা হৈছে মন্ত্ৰযানৰ মূল প্ৰৱৰ্তক। তেওঁ প্ৰজ্ঞা-পাৰমিতা নৱ নামৰ গ্ৰন্থখনি ৰচনা কৰে। ইয়াৰ বাহিৰেও তেওঁৰ নামত আন বাৰখন গ্ৰন্থ পোৱা গৈছে। কম্বলপা চৰ্যাগীতৰ অন্তৰ্গত ৮নং গীতটিৰ ৰচয়িতা।

---

২ লেখক মহেশ্বৰ : অসমীয়া সাহিত্যৰ ৰূপৰেখা।

কুক্কুৰীপাদ ধৰ্মপালৰ সমসাময়িক আৰু তেওঁৰ নামত ১৬ খন গ্ৰন্থ পোৱা যায়। চৰ্যাগীতৰ অন্তৰ্গত ১৮ নং গীতটো তেওঁৰ দ্বাৰা ৰচিত। কৃষ্ণবজ্ৰপাদৰ দোহাকোষৰ টীকা ৰচয়িতা কৃষ্ণাচাৰ্যপাদ জালন্ধৰি আৰু গোপীচন্দ্ৰৰ সমসাময়িক। এওঁ জালন্ধৰিৰ শিষ্য আছিল। চৰ্যাগীতৰ অন্তৰ্গত বাৰটি গীত তেও ৰচনা কৰিছিল।

তাৰানাথৰ 'ভাৰতৰ বৌদ্ধধৰ্মৰ বুৰঞ্জী'ত গুণ্ডৰীপাদৰ নাম নথকাৰ হেতুকে সুকুমাৰ সেনে এই নামটো ছদ্মনাম বুলি ভাবে। চৰ্যাগীতৰ ৪ নং গীতটো গুণ্ডৰীপাদৰ দ্বাৰা ৰচিত। চাটিল্লপাদ আন এজন গীতিকাৰ। ৫ নং চৰ্যাটি এওঁৰ দ্বাৰা ৰচিত। আন এগৰাকী চৰ্যাকাৰ হ'ল জয়নন্দীপাদ যি ৪৬ নং চৰ্যাটি ৰচনা কৰিছিল। বিনয়তোষ ভট্টাচাৰ্যৰ An Introduction to Buddhist Esterism'ত ডোম্বীপাদক ডোম্বী হেরুক ৰূপে চিনাক্ত কৰা হৈছে। এও সহজ যোগিনীৰ শিষ্য আছিল। তেওৰ নামত সংস্কৃত ভাষাত কেইবাখনো গ্ৰন্থ পোৱা যায়।

ঢেণ্ঢনপাদ যোগাচাৰ তন্ত্ৰৰ সমৰ্থক আছিল। তেও অনুত্তৰ তন্ত্ৰ মহাতন্ত্ৰ আৰু অতিতন্ত্ৰ বিৰোধী আছিল। চৰ্যাগীত ৰচযিতা তাডকপাদৰ এটি গীত পোৱা গৈছে। সংকলনৰ অন্তৰ্গত ৩৪ নং গীতটিৰ ৰচয়িতা দাৰিকপাদ। ধামাপাদে দুখনি গ্ৰন্থ ৰচনা কৰিছিল। সংকলনৰ অন্তৰ্গত ৪৭ নং গীতটি তেওঁৰ দ্বাৰা ৰচিত। তেও লক্ষ্মীঙ্কৰাৰ শিষ্যত্ব গ্ৰহণ কৰে।

এসময়ৰ নালন্দা বিহাৰৰ উপাধ্যক্ষ বিৰূৱাপাদে লক্ষ্মীঙ্কৰাৰ ওচৰত শৰণ লৈছিল। তেওঁৰ এগৰাকী শিষ্যাৰ নাম সুখসিদ্ধা। তেওঁ দাক্ষিণাত্যৰ শ্ৰীপৰ্বতলৈ গৈ আচাৰ্য নাগবোধিৰ অধীনত যমাৰিক আৰাধনা কৰি সিদ্ধি লাভ কৰে। তেওঁৰ নামত কুৰিখন গ্ৰন্থ পোৱা গৈছে। চৰ্যাগীতৰ সংকলনত বিৰূৱাপাদৰ তিনিটা গীত সংকলিত হৈছে।

বজ্ৰডাকিনীনিষ্পন্নক্ৰম গ্ৰন্থৰ লিখক বীণাপাদ তিব্বতী ঐতিহ্যমতে বিৰূৱাপাদৰ বংশধৰ। সংকলনৰ অন্তৰ্গত ১৭নং গীতটি বীণাপাদৰ দ্বাৰা ৰচিত।

সহজানন্দ দৃষ্টিগীতিকাৰ ৰচক ভাদেপাদ জালন্ধৰিৰ শিষ্য। সংকলনৰ অন্তৰ্গত ৩৫ নং গীতটি ভাদেপাদে ৰচনা কৰে।

তাৰানাথৰ বুৰঞ্জীত ভুসুকুৰ বিষয়ে তথ্য পোৱা নাযায়। সুকুমাৰ সেনে তেওঁক ক্ষত্ৰিয় জাতিৰ লোক বুলি ভাবে। চৰ্যাগীতৰ ১৬ নং গীতটি ৰচনা কৰিছে মহীধৰপাদে। গীতটিত নিৰ্বাণৰ বাবে মত্তলীয়া বোধিচিত্তক মত্তলীয়া হাতীৰ সৈতে তুলনা কৰা হৈছে। আদি সিদ্ধাচাৰ্য লুইপাদে উৰিষ্যাৰ ৰজা নাগেশক বজ্ৰযান পন্থাত দীক্ষিত কৰায়। ৰজা

নাগেশে সিদ্ধি লাভ কৰি দাৰিকপাদ নামে জনাজাত হয়। এওঁ সপ্তম শতিকাৰ লোক আছিল। লুইপাদৰ নামত পাঁচখন গ্ৰন্থ পাৱা গৈছে। চৰ্যাগীতৰ সংকলনত তেওঁৰ দুটা গীত সংকলিত হৈছে।

বজ্ৰযোগিনী সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতা শবৰপাদ শবৰ জাতৰ লোক আছিল আৰু তেও নাগাৰ্জুনৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। বিনয়তোষ ভট্টাচাৰ্যৰ মতে এওঁ সপ্তম শতিকাৰ লোক। তেওঁৰ নামত সাতখন গ্ৰন্থ পোৱা গৈছে।

শান্তিপাদ জাতিত ব্ৰাহ্মণ আছিল আৰু ধৰ্মপালৰ দিনত তেওঁ বিক্ৰমশীলা বিশ্ববিদ্যালয়ৰ পূব দ্বাৰৰ দ্বাৰ পণ্ডিত আছিল। সিংহলৰ ৰজাৰ আমন্ত্ৰণক্ৰমে তেও সিংহললৈ যায় আৰু তিনি বছৰৰ পিছত বিক্ৰমশীললৈ ঘূৰি আহে। শান্তিপাদ ১১ খন গ্ৰন্থ ৰচনা কৰিছিল। চৰ্যাগীতৰ সংকলনত তেওঁৰ দুটা গীত সন্নিবিষ্ট হৈছে। সৰহপাদ বা ৰাহুলভদ্ৰৰ জন্ম হয় পূব ভাৰতৰ ৰাজ্ঞী নামে ঠাইত। প্ৰাচ্যৰ ৰজা চন্দনপালৰ ৰাজত্বকালত তেও জীৱিত আছিল। পৰৱৰ্তী কালত তেওঁ নালন্দা মঠৰ প্ৰধান অধ্যাপক হয়গৈ। তেও ধৰ্মকীৰ্তিৰ সমসাময়িক আছিল। বিনয়তোষ ভট্টাচাৰ্যৰ মতে তেওঁৰ সময় সপ্তদশ শতিকাৰ প্ৰথম ভাগ (৬৩৩ খ্ৰীষ্টাব্দ)। তন্ত্ৰবাদৰ প্ৰচাৰত তেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। সৰহপাদৰ নামত ২৪ খন গ্ৰন্থ পোৱা যায়। চৰ্যাগীতৰ সংকলনত তেওঁৰ মুঠ চাৰিটা গীত সংকলিত হৈছে।

চৰ্যাপদৰ গীতিকাৰসকল চৌৰাসী সিদ্ধাচাৰ্যৰ অন্তৰ্ভুক্ত। উক্ত চৌবিশজন গীতিকাৰৰ ভিতৰত কেইবাগৰাকীও গীতিকাৰ পুৰণি কামৰূপৰ লোক আছিল বুলি জনা যায়। অতি প্ৰাচীন কালৰেপৰাই পুৰণি কামৰূপ তন্ত্ৰপ্ৰধান স্থানৰূপে পৰিচিত আছিল। তদুপৰি সহজযানী বজ্ৰযানী প্ৰভৃতি তান্ত্ৰিক সম্প্ৰদায়ৰ সৈতেও কামৰূপৰ নামটো জড়িত হৈ আছিল। Pag Sam Jon Zan গ্ৰন্থৰ মতে সৰহপাৰ জন্ম প্ৰাচ্যদেশৰ ৰাজ্ঞী নামৰ ঠাইত। এই ঠাইক মহেশ্বৰ নেওগে কামৰূপৰ ৰাণী অঞ্চল বুলি চিনাক্ত কৰিছে। সেইদৰে মীননাথ কাহ্নুপাদ লুইপাদ প্ৰভৃতি-পুৰণি কামৰূপৰ সিদ্ধ আছিল। অভিনৱগুপ্তৰ তন্ত্ৰালোকৰ টীকা অনুসাৰে মীননাথেই কামৰূপত যোগিনী কৌলমত প্ৰচাৰ কৰে।

মুঠতে চৰ্যাগীতসমূহ অসমীয়া ভাষা সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন। অৱশ্যে অসমীয়াৰ লগতে বঙলা হিন্দী উৰিয়া মৈথিলী আদি ভাষায়ো চৰ্যাগীতক নিজ নিজ ভাষাৰ আদি স্তৰৰ নিদৰ্শন ৰূপে দাবী কৰি আহিছে।

মন্ত্ৰ সাহিত্য, ইয়াৰ শ্ৰেণী-বিভাজন আৰু বৈশিষ্ট্য

প্ৰাচীন কামৰূপ তন্ত্ৰ মন্ত্ৰৰ কাৰণে সমগ্ৰ ভাৰত ত বিখ্যাত আছিল। অষ্টম-নৱম শতিকাৰ বিখ্যাত দাৰ্শনিক শংকৰাচাৰ্যৰ জীৱন-কাহিনীৰ সৈতে কামৰূপৰ তন্ত্ৰ মন্ত্ৰৰ কথা জড়িত হৈ আছে। প্ৰচলিত কিম্বদন্তী অনুসৰি অভিনৱ গুপ্ত নামৰ এগৰাকী লোকে তান্ত্ৰিক অভিচাৰ কৰি শংকৰাচাৰ্যৰ মৃত্যু ঘটাইছিল। শিখধৰ্মৰ গুৰু নানক অসমলৈ আহোঁতে তেওঁৰ এগৰাকী শিষ্য মৰ্দনক এগৰাকী কামৰূপী তিৰোতাই কুমন্ত্ৰ কৰিছিল।

বিভিন্ন সময়ৰ মুছলমান ঐতিহাসিকসকলে প্ৰাচীন কামৰূপৰ তন্ত্ৰ মন্ত্ৰৰ প্ৰাদুৰ্ভাৱৰ কথা উল্লেখ কৰি গৈছে। 'আলমগীৰ নামা 'বাহাৰিস্থান ই ঘায়বী পাদশ্যাহ বুৰঞ্জী আদি গ্ৰন্থতো পুৰণি কামৰূপত তন্ত্ৰ মন্ত্ৰৰ ব্যাপক প্ৰচলনৰ আভাস পোৱা যায়। 'আলমগীৰ নামা'ৰ বৰ্ণনা অনুসৰি যি লোক বিদেশৰ পৰা কামৰূপলৈ আহে, এই দেশৰ যাদু মন্ত্ৰৰ প্ৰভাৱত তেও উৱাদিহ নোপোৱা হয় জীৱন লৈ নিজ দেশলৈ ঘূৰি যোৱা তেওৰ টান হয়।

মন্ত্ৰ সাহিত্যৰ উদ্ভৱকাল সম্পৰ্কে সঠিক সিদ্ধান্ত দিয়া অসম্ভৱ যদিও প্ৰাক-শংকৰী যুগত ইয়াৰ ব্যাপক চৰ্চা আছিল যেন অনুমান হয়। ডিম্বেশ্বৰ নেওগৰ মতে 'মন্ত্ৰসমূহ অতি আদিম অন্তত একাদশ-দ্বাদশ শতিকাৰ পিছলৈ নাহে, বিশেষকৈ অসমীয়া সমাজত বৈষ্ণৱ-ধৰ্মৰ ঢৌ উঠাৰ পাচত আৰু এনেবোৰ তন্ত্ৰ মন্ত্ৰৰ ন কৈ জন্ম হোৱা সম্ভৱ নহয় বুলিয়ে ভাবিব পাৰি।'[৩]

প্ৰাচীন কামৰূপত তন্ত্ৰ-মন্ত্ৰৰ চৰ্চা ঃ

গোৰক্ষনাথৰ 'কামৰত্ন তন্ত্ৰ পুৰণি কামৰূপত ৰচিত এখনি উল্লেখযোগ্য তান্ত্ৰিক গ্ৰন্থ। 'কালিকা পুৰাণ যোগিনী তন্ত্ৰ সৰ্বানন্দ নাথৰ 'সৰ্বোল্লাস তন্ত্ৰ ইত্যাদি প্ৰাচীন কামৰূপত ৰচিত তন্ত্ৰ সম্পৰ্কীয় উল্লেখযোগ্য গ্ৰন্থ। যোগিনী তন্ত্ৰ'ৰ পূৰ্বখণ্ডত যোগাভ্যাস স্বপ্নৱতী মধুমতী মৃত-সঞ্জীৱনী মুণ্ড-সাধন ইত্যাদি বিদ্যাৰ লগতে গুৰু-জপ মাহাত্ম্যৰ বৰ্ণনা পোৱা যায়। যোগি সম্প্ৰদায়া বিস্মৃতি'ত মৎস্যেন্দ্ৰ নাথৰ পৰকায় প্ৰৱেশ আৰু গোৰক্ষবিজয়'ত গোৰক্ষ নাথৰ মৃতসঞ্জিৱনী বিদ্যাৰ আভাস পোৱা যায়। এনে বৰ্ণনাই মধ্যযুগৰ প্ৰাচীন কামৰূপৰ উচ্চস্তৰৰ সমাজ আৰু সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰে। 'কামৰত্ন তন্ত্ৰ' সম্পৰ্কত সম্পাদক হেমচন্দ্ৰ গোস্বামীয়ে লিখিছে The Book

৩। নেওগ, ডিম্বেশ্বৰ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃ ১০০।

describes how by indications and other methods of man as well as women can be subdued attracted make hostile paralysed killed freed from evils excited and so on It gives the methods to be adopted for the performance of the above facts on the form of medicines mantras and jantras "[8]

'কামৰত্ন তন্ত্ৰ'ত আছে 'বশ আকৰ্ষণ এই কৰ্ম বসন্তকালত কৰিব গ্ৰীষ্মত বিদ্বেষণ বৰ্ষাত স্তম্ভন শিশিৰত মাৰণ শৰতত শান্তি-পুষ্টি হেমন্তত উচ্চাটন সম্পৰ্কীয় মন্ত্ৰ প্ৰয়োগ কৰিব লাগে। 'বৰহেংগুলী মন্ত্ৰ'ত হেংগুলীক প্ৰাণ দিবৰ বাবে গোৰক্ষ নাথৰ নাম লোৱা হৈছে 'উঠ স্ত্ৰী গোৰক্ষ নাথ বাবা ফুট। সেইদৰে 'সৰ্বঢাক মন্ত্ৰ'ত আছে — শ্ৰীকৃষ্ণং পুণ্ডীকাক্ষং গোৰক্ষনাথং হৰি হৰি চৰণং। একে মন্ত্ৰতে ব্যাধিৰ জন্মবৃত্তান্ত দাঙি ধৰি লিখিছে

'অৰে অৰে ব্যাধি শুন কৰ্ণ পাতি। মহাদেউৰ পুত্ৰ গোৰক্ষৰ নাতি।
খাওন পিওন অশুদ্ধ হাতে। অমুকাক ৰক্ষা কৰে শ্ৰীগোৰক্ষনাথে।[৫]

যোগিনী তন্ত্ৰ'ত নানাবিধ তান্ত্ৰিক সাধন বিদ্যা আৰু যোগ পদ্ধতিৰ স্পষ্ট উল্লেখ আৰু বৰ্ণনা পোৱা যায়। এই গ্ৰন্থত ষটকৰ্ম সাধন পদ্ধতিৰো বিস্তৃত উল্লেখ আছে। এই ষটকৰ্ম হ'ল (ক) শান্তি — ৰোগ বা বিপদত মংগল কামনা কৰি কৰা কৰ্ম (খ) বশ্য —বশীভূত কৰিবৰ উদ্দেশ্যে কৰা কৰ্ম (গ) স্তম্ভন — বাধা দিয়াৰ কাৰণে ধৰিবৰ কাৰণে কৰা কৰ্ম (ঘ) বিদ্বেষণ — দুজনৰ মাজত বৈৰতা জগোৱাৰ কাৰণে কৰা কৰ্ম (ঙ) উচ্চাটন — দূৰীভূত কৰিবৰ কাৰণে কৰা কৰ্ম আৰু (চ) মাৰণ — ধ্বংসৰ কাৰণে কৰা কৰ্ম।

যোগিনীতন্ত্ৰ'ত কামৰূপক গুহ্যতীৰ্থ 'তাৰ্কতন্ত্ৰ আৰু 'কুব্জিকা তন্ত্ৰ'ত মহাপীঠ আৰু 'মহানীল তন্ত্ৰ'ত কামৰূপ পীঠক সকলো পীঠৰ ভিতৰত শ্ৰেষ্ঠপীঠ আখ্যা দিয়া হৈছে।[৬] অকুলবীৰ তন্ত্ৰ কৌলজ্ঞান নিৰ্ণয় আদি গ্ৰন্থত যোগ-তান্ত্ৰিক সাধন পদ্ধতি কৌলমাৰ্গ আদি উল্লেখ পোৱা যায়।

তন্ত্ৰ-মন্ত্ৰ আৰু যোগ-সাধন পদ্ধতিত মন্ত্ৰৰ গুৰুত্ব ঃ

নাথধৰ্মৰ ধৰ্মীয় সাধন পদ্ধতিৰ ভিতৰত ওঙ্কাৰ সাধনৰ গুৰুত্ব সৰ্বাধিক। সদ্গুৰু এই সাধন-প্ৰণালীৰ পথ-প্ৰদৰ্শক। পাৰমাৰ্থিক দৃষ্টিত জীৱ শিৱস্বৰূপ হ'লেও অনাদি

৪। গোস্বামী, হেমচন্দ্ৰ ঃ কামৰত্ন তন্ত্ৰৰ ভূমিকা
৫। কামৰত্ন তন্ত্ৰ, পৃ ১০০।
৬। বৰুৱা বিৰিঞ্চি কুমাৰ ঃ অসমীয়া কথা সাহিত্য (পুৰণি ভাগ)

মলৰ আধিক্যৰ বাবে জীৱৰ গাত শিৱত্বৰ অভিব্যক্তি নহয়। ও-কাৰ সাধনৰ জৰিয়তে জীৱদেহত চিৎশক্তিৰ বিকাশ হয় আৰু জীৱই শিৱসাম্যতা লাভ কৰে।

চিত্তৰ চাঞ্চল্য দূৰ কৰিবৰ বাবে ওঁ-কাৰ সাধন অতি কাৰ্যকৰী। জীৱদেহত বা গাত্ৰ ধাৰণ কৰি থকা বাবে হংসমন্ত্ৰক গায়ত্ৰী'ও বোলা হয়। যোগীসকলে গায়ত্ৰী মন্ত্ৰক পৰম মোক্ষদায়িনী ৰূপে বিবেচনা কৰে

'অজপা নামগায়ত্ৰী যোগিনাং মোক্ষদায়িনী।
অস্যাঃ সংকল্পমাত্ৰেন সৰ্বপাপৈ প্ৰমুচ্যতে।।'[৭]

'কুলাৰ্ণৱ তন্ত্ৰ'ত জীৱৰ প্ৰাণধাৰিণী শ্বাস প্ৰশ্বাসকে গায়ত্ৰী বা 'মহামন্ত্ৰ' বুলিছে।[৮]

মহাবায়ু যেনেকৈ মহাসমুদ্ৰৰ একাংশ হিল্লোলিত কৰি পুনৰ মহাকাশত বিলীন হয় সেইদৰে চিৎস্বৰূপ পৰমাপ্ৰকৃতিও সৃষ্টিৰ উদ্দেশ্যেৰে চিৎস্বৰূপ পৰমাত্মাক হিল্লোলিত কৰি পুনৰ পৰমাত্মাতে মিলি যায়। পৰমাপ্ৰকৃতিৰ এই হিল্লোলেই 'স্পন্দনশক্তি'। পৰমাত্মাৰ স্পন্দনেই প্ৰপঞ্চজগত সৃষ্টিৰ মূল কাৰণ। এই স্পন্দনৰ পৰাই প্ৰকাশ গতি স্থিতি নাইবা সত্ত্ব-ৰজ তমোময় একপ্ৰকাৰ কণৰ উদ্ভৱ হয়। ইয়াকে গুণ বোলা হৈছে। এই গুণসমূহ যেতিয়ালৈকে অবিভাজ্য থাকে তেতিয়ালৈকে সৃষ্টি নহয়। বিভাজিত হ'লেই এক বা পৰস্পৰ মিলিতভাৱে ত্ৰিগুণাত্মক সৃষ্টিকাৰ্য সম্পন্ন হয়। পৰমপুৰুষ আৰু পৰমাপ্ৰকৃতিৰ মিলনত সৃষ্টি হোৱা বাবে স্পন্দনশক্তিও পুৰুষ-প্ৰকৃতি নাইবা শিৱ শক্তি আদি উভয় নামেৰে পৰিচিত হয়

'শক্তিৰূপ স্থিতশ্চন্দ্ৰো বামনাড়ী প্ৰবাহক।
দক্ষনাড়ীপ্ৰবাহশ্চ শম্ভুৰূপী দিবাকৰ।।'[৯]

আনহাতে জীৱ হৃদয়স্থ প্ৰাণ বা স্পন্দন শক্তিয়েই প্ৰাণ আপানৰ উভয় দিশত গতি কৰা 'হংস' বা 'অজপা মন্ত্ৰ'

'হংকাৰেণ বহিৰ্যাতি সংকাৰেণ বিশেৎ পুন।
হংসহংসেত্যেতোমন্ত্ৰং জীৱো জপতি সৰ্বদা।।'[১০]

ও-কাৰ সাধনাত ত্ৰিৰত্নৰ উপলব্ধি কৰাটো বিধান। এই ত্ৰিৰত্ন হৈছে —ক) চিৎস্বৰূপ ঈশ্বৰ বা পৰম শিৱ খ) পৰমশিৱৰে সৈতে নিত্যযুক্ত চিৎশক্তি গ) বিন্দু, মহামায়া বা কুণ্ডলিনী।[১১]

৭। *গোৰক্ষ সংহিতা ১/৪৪।*
৮। *কল্যাণী মল্লিক : নাথ সম্প্ৰদায়েৰ ইতিহাস দৰ্শন ও সাধন প্ৰণালী পৃ ৪৫৯।*
৯। *পৱন বিজয় স্বৰোদয় ৪/১০।*
১০। *গোৰক্ষ সংহিতা ১/৪২।*
১১। *কল্যাণী মল্লিক : প্ৰাগুক্ত গ্ৰন্থ, পৃ ৪৭২।*

অ-উ ম-কাৰে যথাক্রমে ভূঃ ভূবঃ আৰু স্ব-লোকক বুজাইছে। প্রণৱ ব্রহ্মস্বৰূপ। গতিকে প্রণৱ নির্ভৰ ব্যক্তিৰ কেতিয়াও ভয় নাথাকে

'যুঞ্জীত প্রণবে চেত প্রণবো ব্রহ্ম নির্ভয়ং।
প্রণবে নিত্যযুক্তস্য ন ভয়ং বিদ্যতে কচিৎ।'[১২]

'হঠযোগ'ত মনৰ একাগ্রতা সৃষ্টি তথা সমাধি লাভত প্রণৱ তথা গায়ত্রী মন্ত্রৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। হঠযোগী আৰু তান্ত্রিকসকলে নির্গুণ ব্রহ্ম উপলব্ধিৰ বাবে উচ্চাৰণ কৰা অনাহত ধ্বনিৰ আধাৰো হ'ল শব্দস্বৰূপ ব্রহ্ম, যাক তেওঁলোকে নাদ-ব্রহ্ম আখ্যা দিছে। তান্ত্রিকসকলে মন্ত্রৰ মাধ্যমেৰে শিৱ-শক্তিৰ তত্ত্ব উপলব্ধিৰ প্রয়াস কৰে আৰু উভয়কে বুজাবৰ বাবে যথাক্রমে বিন্দু আৰু নাদ শব্দ দুটিৰ প্রয়োগ কৰে। বিন্দুৰ অস্তিত্ব আছে যদিও নাদৰ অবিহনে ইয়াৰ বিস্তাৰ বা প্রসাৰ অসম্ভৱ। সেইবাবেই শক্তিক নাদ আখ্যা দিয়া হৈছে। মন্ত্রসমূহ নাদৰেই বিকাৰ মাত্র।

ভাৰতীয় আধ্যাত্মিক জীৱনত গায়ত্রীমন্ত্রৰ প্রভাৱ অনস্বীকার্য। ঋকবেদত গায়ত্রীমন্ত্রৰ যোগেদি সূর্যদেৱতাক স্তুতি কৰা হৈছে। মন্ত্রত প্রণৱস্বৰূপ গায়ত্রীমন্ত্রৰ সণ্চালনী উল্লেখ পোৱা যায়। বিভিন্ন মন্ত্রৰ বীজমন্ত্রস্বৰূপে মন্ত্র উচ্চাৰণ কৰাৰ আগতেই 'ওম উচ্চাৰণ কৰা হয়। মন্ত্রত ব্যৱহৃত ঔং হ্রীং ক্লীং ফট স্বাহা আদি মন্ত্রত ব্যৱহৃত শব্দসমূহ গুপুত সাধনাৰ ইংগিত মাত্র। বৌদ্ধ তন্ত্রতো এনে উল্লেখ পোৱা যায়। দেৱ দেৱীৰ পূজাত এক অক্ষৰযুক্ত মন্ত্র কিছুমান প্রার্থনামূলক অথবা প্রশংসামূলক মন্ত্রৰ সৈতে আবৃত্তি কৰা হয় যিবোৰক বিভিন্ন দেৱ দেৱীৰ বীজমন্ত্র আখ্যা দিব পাৰি। মন্ত্রসমূহক বেদবিহিত কৰিবৰ কাৰণে ওঁ স্বাহা আদি মঙ্গলবচন সংযোগ কৰা হৈছে। যেনে 'সর্বাংক নাশায় স্বাহা — ইত্যাদি।

বীজমন্ত্রসমূহ প্রায়ে এক অক্ষৰ বিশিষ্ট যেনে — ক্লীং ক্রীং শ্রীং ঐং হুং ক্ষৌং যাং ৰাং লাং বাং ক্রোং দং ইত্যাদি। প্রতিগৰাকী দেৱ দেৱীৰেই সুকীয়া সুকীয়া বীজমন্ত্র আছে যাৰ যোগেদি সেই সেই দেৱীক জাগ্রত কৰিব পাৰি বুলি ধাৰণা কৰা হয়। যেনে —

দুর্গা ওম্ হ্রীং দুর্গায়ৈ নমঃ।
সূর্য্য ওম্ হ্রীং শ্রীসূর্য্যায়ৈ নমঃ। ইত্যাদি।

মন্ত্রত উচ্চাৰিত এনে ধ্বনিৰ স্পন্দনে মন্ত্র সাহিত্যৰ গাম্ভীর্য বৃদ্ধি কৰিছে। জাতি বর্ণ-নির্বিশেষে সকলো স্তৰৰ মানুহৰ মাজত মন্ত্রৰ বিশ্বাস থকাৰ বাবেই মন্ত্র সাহিত্যক 'জন সাহিত্য Popular poetry আখ্যা দিয়া হৈছে।

১২। *গোপাল সংহিতা ৫/৬।*

তন্ত্ৰ মন্ত্ৰৰ মূলতে হৈছে নাৰী বা স্ত্ৰী শক্তি। তান্ত্ৰিক পূজাৰ বাবে মাছ, মঙহ আৰু নাৰী অত্যাৱশ্যকীয় 'বিনা শক্তিং ন পূজ্যান্তি মৎস্য মাংসং বিনা প্ৰিয়ে। তান্ত্ৰিকসকলৰ নাৰী সাধনা আৰু সহজীয়াপন্থীসকলৰ নাৰী-সাধনাৰ মাজত সাদৃশ্য লক্ষ্য কৰা যায়। উভয় সাধনাতেই পৰকীয়া প্ৰীতিত গুৰুত্ব দিয়া হৈছে। সহজাত প্ৰেম বা ভালপোৱাই সমাজ বান্ধনিৰ মুখ্য প্ৰবৃত্তি আৰু ইয়াৰ ফলতেই বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি সম্ভৱ হৈছে। সহজীয়া পন্থাত ধৰ্মাচৰণৰ বাবে কামক অতিক্ৰম কৰি প্ৰেমময় ভগৱানৰ স্বৰূপ উপলব্ধি কৰাটোৱেই মূল লক্ষ্য। 'অমৃত ৰত্নাৱলী'ৰ মতে —

'প্ৰথম সাধন ৰতি সম্ভোগ শৃংগাৰ। সাধিবে সম্ভোগ ৰতি পালাবে বিকাৰ।
জীৱ ৰতি দূৰে যাবে কৰিলে সাধন। তাৰ পৰে প্ৰেম ৰতি কৰে নিবেদন।।

বজালি বিষালি সৰ্বঢাক কৰতি আদি বিভিন্ন মন্ত্ৰৰ বিষয়বস্তু মূলত মহাদেৱ পাৰ্বতী নেতা পদ্মাৱতী অথবা মোহিনী মহাদেৱ আদিৰ প্ৰেমলীলা। সাপৰ বিষ জৰা প্ৰায়বোৰ মন্ত্ৰতো নাগমাতা পদ্মাৱতীৰ বিবিধ কাৰ্যকলাপৰ বৰ্ণনা পোৱা যায়।

মন্ত্ৰৰ শক্তি

মন্ত্ৰৰ অন্তৰ্নিহিত শক্তি সম্পৰ্কে উল্লেখ কৰি হেমচন্দ্ৰ গোস্বামীয়ে লিখিছে — প্ৰতি মন্ত্ৰতে দুটা ভাগ থাকে। তাৰ এভাগ 'সিদ্ধ বা 'বীজমন্ত্ৰ বোলে আৰু আনভাগক 'সাধ্যমন্ত্ৰ বোলে। হ্ৰীং ক্লীং ফট ইত্যাদি বীজবিলাক ঋষিবিলাকে তপস্যা কৰি ধ্যানত লাভ কৰা সেইগুণে সেইভাগ নিত্যসিদ্ধ মন্ত্ৰ। আৰু যি ভাগত ৰোগৰ জন্ম দেৱতা আদিৰ প্ৰতি তুতি-নাতি আৰু ৰোগে এৰি গ'ল — ৰোগীৰ মনত এনে ভাব জন্মোৱা কথা আছে, সেইভাগকে 'সাধ্যমন্ত্ৰ বোলে। কিয়নো এই ভাগকে ওজাই নিজে সাধন কৰি সিদ্ধি কৰি ল'ব লাগে নহ'লে তাৰ একো গুণ নধৰে।

মন্ত্ৰ সাহিত্যৰ 'স্পন্দন শক্তি'ৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেখা যায়। মন্ত্ৰসমূহৰ ভাষাৰ ধ্বনি স্পন্দন (Sound Vibration) ৰ যোগেদি ইয়াৰ অন্তৰ্নিহিত অতিলৌকিক শক্তিৰ সাৰ্থকতা নিৰ্ভৰ কৰে সেইবাবেই মন্ত্ৰৰাজিত প্ৰকৃত আৰু শুদ্ধ উচ্চাৰণৰ প্ৰতি অত্যধিক গুৰুত্ব প্ৰদান কৰা হৈছিল।

বৈদিক সাহিত্যত মন্ত্ৰ ঃ

শব্দ-শক্তি বা ধ্বনি বৈশিষ্ট্য মন্ত্ৰৰাজিৰ অন্যতম বিশেষত্ব। বৈদিক সাহিত্যক 'মন্ত্ৰ আৰু 'ব্ৰাহ্মণ এই দুই ভাগত বিভক্ত কৰা হৈছে। যজ্ঞৰ বিভিন্ন গুৰু দেৱ-দেৱীৰ উপাসনাৰ বাবে মন্ত্ৰবোৰ আবৃত্ত হয়। আনহাতে যজ্ঞৰ পদ্ধতি-প্ৰণালী আদিৰ বৰ্ণনাত ব্ৰাহ্মণ ভাগটোৱে গুৰুত্ব দিয়ে।

বৈদিক সাহিত্যত শব্দক ব্ৰহ্ম আখ্যা দিয়া হৈছে। প্ৰকৃতাৰ্থত শব্দই হৈছে ব্ৰহ্মৰ প্ৰথম অমূৰ্ত প্ৰকাশ।

মন্ত্ৰৰ ভাষা

গোৰক্ষনাথ বিৰচিত 'কামৰত্ন তন্ত্ৰ'ৰ মন্ত্ৰবোৰ সংস্কৃতীয়া। দুই এটি মন্ত্ৰৰ ভাষা আৰু ৰচনাৰীতিত অবাৰ্চীনতাৰ স্বাক্ষৰ স্পষ্ট। উদাহৰণ স্বৰূপে 'মুখভঙ্গা মন্ত্ৰ'ৰ উল্লেখ কৰিব পাৰি

পাৰ্বতীয়ে বোলে জানা মহাদেউ কৃষি কৰিব লাগে। ভিক্ষাৰ চাউলেৰে পেট নভৰে। তিনি চাৰি প্ৰাণী কাৰ্তিক গণপতি মই বুদ্ধি দিও তুমি কৃষি লোৱা। কুবেৰৰ তালৈ যোৱা কঠীয়া আনা বলোভদ্ৰ গোসাঁইৰ তালৈ যোৱা নাঙল যুঁৱলি আনা'। ইন্দ্ৰৰ তালৈ যোৱা মাটি দিব। যম ৰজাৰ তালৈ যোৱা মহিষটি আনা তোমাৰ বলধটিৰে এহাল কৰা।[১৩] ইত্যাদি।

কিছুমান মন্ত্ৰ যথেষ্ট দীঘল আৰু ইয়াত ৰামায়ণ মহাভাৰত পুৰাণ আদিৰ একো একোটা কাহিনী সন্নিবিষ্ট কৰা হৈছে। 'বলিয়া কুকুৰে খোৱা মন্ত্ৰ'ত কুকুৰৰ সৃষ্টি সম্পৰ্কে এটি কাহিনী সন্নিবিষ্ট কৰা হৈছে

'মাঘ মাহে প্ৰতিপদ তিথি সৰমাত হন্তে কুটা ভৈলা উৎপত্তি। উৎপত্তি হন্তে কুটা আগ ভৈল এতেকে সৰমা কুকুৰ নাম থৈল। চাৰি চাৰি গোটা দান্ত কৰি জেংগ জেংগ সৰ্বকালে তোহোৰ নুগুছে খেংগ খেংগ। জাতিগণ সহিতে সদাযে অমংগল যৈত আছে নুগুছে কন্দল। হেন দেখি সৰমাৰ মনে মহাতাপ ক্ৰোধ কৰি সৰমায়ে তোক দিলে শাপ তোৰ ঘাৱে মৃত্যু নোহোক কোনো প্ৰাণী।[১৪] ইত্যাদি।

জুয়ে পোৰা ঘা শুকুৱাবৰ বাবে ব্যৱহাৰ কৰা মন্ত্ৰটিৰ কাহিনীভাগ মূল ৰামায়ণৰ। তাৰ বৰ্ণনা এনে ধৰণৰ —

'ৰামে ফালিলে খৰি লক্ষ্মণে জ্বালিলে জুই সীতাই পানী ঢালিলে থাকে যেনে তেনে হৈ।

লংকাৰ অগ্নি হনুমন্তই খাই, মুখৰ অগ্নি মুখে নুমাই। [১৫] ইত্যাদি।

'ৰাম কৱতি' পুথিত কেইটিমান পদৰ ভিতৰতে ৰামায়ণৰ কাহিনীভাগ ডাঙি ধৰা হৈছে। সেইদৰে 'বায়ু মন্ত্ৰ'ত হনুমান বান্ধ খোৱাৰ কথা আৰু 'ইন্দ্ৰ কৱতি'ত অৰ্জুনে কৱতিবাণ ছেদ কৰাৰ কথা উল্লেখ কৰিছে।

১৩। মুখভংগা মন্ত্ৰ।

১৪। বলিয়া কুকুৰে খোৱা মন্ত্ৰ।

১৫। জুয়ে পোৰা মন্ত্ৰ।

মন্ত্ৰ সিদ্ধিৰ বাবে গুৰুৰ প্ৰাধান্য ঃ

মন্ত্ৰত সিদ্ধি লাভ কৰিবলৈ হ'লে গুৰু অপৰিহাৰ্য। ভালেমান মন্ত্ৰত সিদ্ধিৰ কাৰণে গুৰু আৰু কামাখ্যা দেৱীক চিন্তা কৰা দেখা যায়।

'সিদ্ধ গুৰুৰ পাৱে ৰক্ষা কৰ কামৰূপৰ কামাখ্যা মাৱে।'
'গুৰুক সুমৰি সাত প্ৰহৰৰ বাট যাওঁ। (কৰিত মন্ত্ৰ)

মন্ত্ৰৰ শ্ৰেণীবিভাজন ঃ

মন্ত্ৰসমূহক প্ৰধানকৈ তিনিভাগত ভগাব পাৰি
(ক) প্ৰাৰ্থনা মন্ত্ৰ।
(খ) ধৰ্মীয় কৃত্যৰ সৈতে জড়িত মন্ত্ৰ আৰু
(গ) যাদুবিদ্যাৰ সৈতে জড়িত মন্ত্ৰ।

বিভিন্ন প্ৰসংগত দেৱ দেৱীৰ অনুগ্ৰহ বিচাৰি কৰা স্তুতি বা প্ৰাৰ্থনাই প্ৰাৰ্থনা মন্ত্ৰৰ অন্তৰ্গত। আনহাতে ধৰ্মীয় কৃত্যৰ সৈতে জড়িত আৰু হোম-যজ্ঞ পূজা আদিৰ বিভিন্ন গুৰু স্তুতিৰ সৈতে ব্যৱহৃত মন্ত্ৰসমূহক ধৰ্মীয় কৃত্যৰ সৈতে জড়িত মন্ত্ৰ বুলিব পাৰি। ৰোগ-ব্যাধি ইত্যাদি নিৰাময়ৰ বাবে ব্যৱহৃত মন্ত্ৰবোৰেই হ'ল যাদুবিদ্যা সম্পৰ্কীয় মন্ত্ৰ। এই মন্ত্ৰ সাধাৰণতে দুই প্ৰকাৰৰ — স্তুতিমূলক আৰু ধমক প্ৰধান।

তালিকাৰ মাধ্যমেৰে এই শ্ৰেণী বিভাজন এনেদৰে দেখুৱাব পাৰি

মন্ত্ৰৰ শ্ৰেণীবিভাজন
- প্ৰাৰ্থনা মন্ত্ৰ
- ধৰ্মীয়কৃত্যৰ সৈতে জড়িত মন্ত্ৰ
- যাদুবিদ্যাৰ সৈতে জড়িত মন্ত্ৰ
  - বিনয় বা স্তুতিমূলক
  - ধমক বা ধমকিপ্ৰধান

যাদুমূলক মন্ত্ৰক ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি সু মন্ত্ৰ বা কল্যাণকাৰী যাদু আৰু কু মন্ত্ৰ অথবা অকল্যাণকাৰী যাদুমন্ত্ৰ আখ্যা দিব পাৰি। কু মন্ত্ৰসমূহ সাধাৰণতে 'অভিচাৰ মন্ত্ৰ'ৰূপে জনাজাত।

যাদু
- শুক্ল যাদু বা কল্যাণকাৰী যাদু বা সু মন্ত্ৰ
- কৃষ্ণযাদু বা অকল্যাণকাৰী যাদু বা কু-মন্ত্ৰ

কু-মন্ত্ৰ প্ৰয়োগ পদ্ধতিক 'বাণ মৰা' বুলিও কোৱা হয়। এনে বাণ বিবিধ প্ৰকাৰৰ যেনে — চক্ৰবাণ বিষ্ণুবাণ ৰুদ্ৰবাণ সুদৰ্শন চক্ৰ বাণ ত্ৰিশূল বাণ শিৱ বাণ পাশুপাত মন্ত্ৰ (বাণ) নৰসিংহ বাণ ইত্যাদি।

সুদৰ্শন চক্ৰ বাণ লোক-মংগলকামী আৰু ভূত-প্ৰেত দৈত্য-দানৱ নিধন তথা ৰোগ-ব্যাধি নিৰাময়ৰ বাবে এই বাণ প্ৰয়োগ কৰা হয়। যেনে —

'বৈকুণ্ঠৰ পৰা প্ৰভু কৰিলা হুংকাৰ। চল চল চল চক্ৰ গগন সঞ্চাৰ।।
গোঁসাইৰ হুংকাৰে চক্ৰ প্ৰচণ্ড। স্বৰ্গে চলি গৈলা কম্পে স্বৰ্গখণ্ড।।
যত দেৱগণক চক্ৰ লাগ পাইলা। খণ্ড খণ্ড কৰি কাটিয়া পেলাইলা।।
কুজ্ঞান কু-মন্ত্ৰ খেদি লাগে পাইলা। তৈৰ পৰা চক্ৰ পাতালক গৈলা।।
দেখি নাগগণ পলাইবাক লৈলা।।'[১৬] ইত্যাদি।

অসমীয়া মন্ত্ৰসাহিত্যত যাদুমূলক মন্ত্ৰৰ পৰিসৰ যথেষ্ট ব্যাপক। এনে মন্ত্ৰৰ ভিতৰত সৰ্বঢাক মন্ত্ৰ কৱচি মন্ত্ৰ নৰসিংহ মন্ত্ৰ ক্ষেত্ৰপাল মন্ত্ৰ পক্ষীৰাজ মন্ত্ৰ মুখভংগা মন্ত্ৰ সৰ্পৰ ধৰণী মন্ত্ৰ মোৰৰ মন্ত্ৰ জ্বৰৰ মন্ত্ৰ বৰবেজালি মন্ত্ৰ মোহিনী মন্ত্ৰ আদিৰ উল্লেখ কৰিব পাৰি।

গোপনীয়তা মন্ত্ৰ সাহিত্যৰ অন্যতম বৈশিষ্ট্য। গুৰুৰ পৰা মন্ত্ৰ শিকি তেওঁলোকৰ নিৰ্দেশমতে ইয়াৰ প্ৰয়োগ নকৰিলে মন্ত্ৰই কামত নিদিয়ে বুলি ধাৰণা কৰা হয়।

অসমৰ জনজাতীয় লোকসকলৰ মাজতো বিভিন্ন ধৰণৰ মন্ত্ৰৰ প্ৰচলন আছে। বড়োসকলে ওজা বেজ কবিৰাজ আদিৰ দ্বাৰা ভূত প্ৰেত অপায় অমংগল দূৰীকৰণৰ বাবে প্ৰয়োগ কৰা মন্ত্ৰক তেওঁলোকে 'মন্থ্ৰৌ' বোলে। অসমৰ কাৰ্বি ৰাভা মিচিং বড়ো ডিমাচা ইত্যাদি জনগোষ্ঠীৰ মাজতো বিভিন্ন ধৰণৰ মন্ত্ৰৰ প্ৰচলন আছে।

মন্ত্ৰৰ ব্যাপকতা ঃ

মন্ত্ৰসাহিত্যৰ বিষয়বস্তু ব্যাপক। নিৰক্ষৰ গ্ৰাম্য জনসাধাৰণৰ বিশ্বাস অন্ধবিশ্বাসৰ পৰা আৰম্ভ কৰি শাস্ত্ৰীয় তথা পৌৰাণিক আৰু মহাকাব্যিক ঐতিহ্যৰ বহুতো কথাই মন্ত্ৰ সাহিত্যৰ অন্তৰ্ভুক্ত হোৱাত ইয়াৰ পৰিসৰ বৃদ্ধি পাইছে। মন্ত্ৰসমূহ অসমীয়া সংস্কৃত আৰু জনজাতীয় ভাষাতো পোৱা যায়।

মন্ত্ৰবোৰ জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত সমানে প্ৰচলিত। কোনো কোনো মন্ত্ৰত গড়িয়া বেজ'বো উল্লেখ পোৱা যায়। বেদবাহ্য আচৰণৰ সৈতে জড়িত বাবেই মন্ত্ৰক বেদৰ বাহিৰৰ সাহিত্য বা ওভোটা বেদ বোলা হৈছে।

১৬। সুদৰ্শন মন্ত্ৰ।

কিছুমান মন্ত্র অতি সংক্ষিপ্ত আৰু দুই-তিনিটা শব্দৰ সমষ্টি মাথোন। এই মন্ত্রসমূহ এশ আঠবাৰ বা ততোধিক সংখ্যক জপ কৰাৰ বিধি প্রচলিত হৈ আহিছে। যোগিনীতন্ত্রত এটা সৰ্বঢাক মন্ত্র উল্লেখ কৰি সেই মন্ত্র নিতৌ পাঠকৰি যথানিয়মে নির্মিত কবচ ধাৰণ কৰিলে সকলো প্রকাৰৰ সৌভাগ্য লাভ হয় বুলি কোৱা হৈছে।

মানুহৰ জাগতিক জীৱনৰ বাবে প্রয়োজনীয় প্রায়বোৰ বিষয়েই মন্ত্র সাহিত্যৰ অন্তর্ভূক্ত হৈছে। এনে বিষয়ৰ ভিতৰত ৰোগ-ব্যাধি নিবাকৰণ ভূত প্রেত দূৰীকৰণ বশীকৰণ সম্মোহন সৌভাগ্যকৰণ ধন-ধান্য বৃদ্ধিকৰণ শত্রু ক্ষয়কৰণ আদি প্রায় সকলো বিষয় মন্ত্র সাহিত্যৰ অন্তর্ভূক্ত হৈছে।

মন্ত্র সাহিত্যৰ ভিতৰত কৰতি মন্ত্রত অথর্ববেদৰ উল্লেখ পোৱা যায়। এটি মন্ত্রত অথর্ববেদক 'আদ্য কৰতি' বোলা হৈছে, যিটোৱে মন্ত্র সাধনাৰ মূল প্রেৰণা অথর্ববেদৰ পৰাই লাভ কৰা বুলি অনুমান কৰাত সহায় কৰে। অথর্ববেদ মন্ত্রপ্রধান আৰু ইয়াৰ অধিকাংশ সূক্তই নানাবিধ মন্ত্রৰ সমষ্টি।

কৰতি মন্ত্রত অথর্ববেদৰ পৰা মন্ত্রৰ সৃষ্টি হোৱা বুলি দেখুৱা হৈছে —

'অনন্ত শয্যাত ব্রহ্মা সুতিয়া আচন্ত চাৰি বেদ বাজ ভৈলা নিশ্বাসত হন্তে। ওঙ্কাৰ শবদে অথর্ববেদ ভৈলা। অথর্ব আদ্য কৰতি কহে। কৰতিৰ হন্তে জগত ৰহে। কৰতি মধ্য বেদ ওংকাৰ শব্দে কৰতি ব্রহ্মা কৰতি।

হিন্দু ধর্মৰ দৰেই বৌদ্ধ ধর্মতো মন্ত্রই গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰি আহিছে। বৌদ্ধধর্মত বিশেষকৈ মহাযান বৌদ্ধধর্মৰ অন্তর্গত তান্ত্রিক মার্গত হিন্দুধর্মৰ দৰেই মন্ত্রৰ গুৰুত্বপূর্ণ ভূমিকা লক্ষ্য কৰা যায়। ইচলামধর্মীসকলৰ মাজতো মন্ত্রৰ প্রচলন আছে।

বৌদ্ধ ধর্মৰ ধাৰণী মন্ত্রৰ সাদৃশ্যৰ বিষয়ে উল্লেখ কৰি বিৰিঞ্চি কুমাৰ বৰুৱা ডাঙৰীয়াই লিখিছে 'মধ্যযুগৰ বৌদ্ধধর্মতো এনে ধৰণৰ জৰা ফুৰা মন্ত্রৰ বিশেষ প্রচলন হৈছিল। ইয়াৰ নাম আছিল ধাৰণী বা পৰিত্তা অর্থাৎ যি মন্ত্রই বিপদৰ পৰা ধৰি ৰাখে অথবা পৰিত্রাণ কৰে।[১৭]

ধৰণী মন্ত্র'ত আছে —

ধৰণী কটকট ধৰণী চাৰ, মোৰ ধৰণীৰ উপৰে বিষ নাই আৰ।।
নাম্যো ধৰণী নাম্যো জল। বিষ নামি যা পাতালপুৰ। যেবে ছাৰি বিষ উপৰে যাস। আই পদ্মকুমাৰীৰ মাথা খাস। ইত্যাদি।

১৭। বৰুৱা বিৰিঞ্চি কুমাৰ ঃ প্রাগুক্ত গ্রন্থ।

মন্ত্ৰৰ সাহিত্যিক সৌন্দৰ্য :

সাহিত্যিক দৃষ্টিভংগীৰ পৰাও মন্ত্ৰসমূহৰ গুৰুত্ব অনস্বীকাৰ্য। মন্ত্ৰৰ অলৌকিক শক্তিৰ সৈতে মানুহৰ সহজাত বিশ্বাস আৰু আন্তৰিকতাৰ দিশটো জড়িত হৈ আছে।

গদ্যৰ সকলোবোৰ লক্ষণ নাথাকিলেও অসমীয়া গদ্যৰ ক্ৰমবিকাশৰ ইতিহাসত মন্ত্ৰ সাহিত্যত ব্যৱহৃত গদ্যৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। অৱশ্যে সৰহভাগতে বাক্য বিন্যাস প্ৰকৰণৰ নিয়ম ৰক্ষিত হোৱা দেখা নাযায়। সেয়ে মন্ত্ৰৰ গদ্যক প্ৰকৃত গদ্য নুবুলি অসমীয়া গদ্যৰ প্ৰাৰম্ভিক নমুনা বোলাহে অধিক যুক্তিসংগত।[১]

জতুৱা ঠাঁচৰ সঘন প্ৰয়োগ আৰু আলংকাৰিক বৰ্ণনাই মন্ত্ৰসমূহক সাহিত্যিক গুণেৰে সমৃদ্ধ কৰিছে। উদাহৰণ স্বৰূপে সুদৰ্শন চক্ৰৰ ভয়ত পেপুৱা লগা যক্ষবোৰৰ প্ৰসংগ উল্লেখ কৰিব পাৰি

'কাৰো একোখন কাণ কুলাৰ সমান। এক কাণে দুই কাণ আৰু চাৰি কাণ।।
এক ভৰি দুই ভৰি কাৰো কোত্তো ভৰি। চক্ৰৰ ভয়ত সবে পলাই লৰৰি।।
অতি কতো চেলা কতো কণা কতো কুজা। কতো কতো খোৰা আৰু কতো বেজীসুৰা।।

কাৰো দুই হাত চুটি দুই ভৰি চুটি। কাৰো ঢোপ পেট যায় মাটিত বাগৰি
বেঙৰ সমান চকু চেপেটা নাসিকা। কাৰো চুটি ঢোপপেট কাৰো বেঙসুৰা।।' ইত্যাদি।

'স্ত্ৰী মোহিনী' মন্ত্ৰতো সাহিত্যিক সৌন্দৰ্যৰ আভাস পোৱা যায়। যেনে

'চন্দ্ৰে দিলে কটাৰী সূৰ্যে দিলে পাণ। অমুকাৰ চুটি চৰণ কেতিয়া পাম।
শীতল পুখুৰী পিছল পানী তাতে আছে কুম্ভকৰ্ণি।
কুম্ভকৰ্ণে বোলে তোক আমুকি আনি দিয়া মোক।

সাহিত্য সৃষ্টিৰ উদ্দেশ্যে ৰচিত নহ'লেও মন্ত্ৰসমূহত বিবিধ ৰসৰ সমাহাৰ লক্ষ্য কৰা যায়। পুৰুষ মোহিনী মন্ত্ৰত শৃংগাৰ ৰসৰ বৰ্ণনা অতি চমৎকাৰ।

মোহিনী মোহিনী যদি মুহিবাক লৈলা। হস্ত গা আংগুলি জংঘা অতি সৰু দেখিলা যেন হৰৰ ডম্বৰু। হলফল কৰে যেন দুই স্তন দেখিয়া পুৰুষৰ থিৰ নোহে মন।

১৮। শৰ্মাদলৈ হৰিনাথ : অসমীয়া গদ্য সাহিত্যৰ গতিপথ পৃ ২০।

মন্ত্ৰ সাহিত্যৰ বৈশিষ্ট্য ঃ

- গোপনীয়তা আৰু ৰক্ষণশীলতা মন্ত্ৰ সাহিত্যৰ দুটি লক্ষণীয় বৈশিষ্ট্য। যুগ যুগ ধৰি মুখ পৰম্পৰা ৰূপে চলি অহা বাবে মন্ত্ৰ সাহিত্যতো কিছু অবাৰ্চীনতা লক্ষ্য কৰা যায়।
- মন্ত্ৰবোৰ মৌখিক সাহিত্যৰ অন্তৰ্গত।
- মন্ত্ৰৰ সঠিক ৰচনাকাল নিৰ্ণয় কৰা কঠিন।
- লোক-সাহিত্যৰ অন্যান্য শাখাৰ দৰে প্ৰচাৰ আৰু প্ৰসাৰ নোহোৱা বাবে অৰ্থাৎ ৰক্ষণশীলতাৰ বাবে মন্ত্ৰৰ ভাষাত পৰিবৰ্তনৰ ৰূপ কম।
- মন্ত্ৰত ৰচোঁতাৰ নাম পোৱা নাযায়।।
- জৰা ফুকা ইত্যাদি বেদবাহ্য আচৰণৰ বাবে মন্ত্ৰসমূহক 'ওভোটা বেদ আখ্যা দিয়া হৈছে।
- মন্ত্ৰবোৰ ছন্দগন্ধী অত্যানুপ্ৰাসযুক্ত আৰু প্ৰায়বোৰ মন্ত্ৰতেই শেষবৰ্ণৰ মিল লক্ষ্য কৰা যায়।
- মন্ত্ৰসমূহত শাৰীৰ দৈৰ্ঘ্য আৰু ধ্বনিৰ সংখ্যা সকলো ক্ষেত্ৰতে সমান নহয়।
- মন্ত্ৰত ঠায়ে ঠায়ে পুৰাণ মহাকাব্য আদিৰ কাহিনীৰ পুনৰাবৃত্তি লক্ষ্য কৰা যায়।
- মন্ত্ৰসমূহত মধ্যযুগৰ অসমত বসবাস কৰা বিবিধ জনগোষ্ঠীৰ লোক বিশ্বাসৰ প্ৰতিফলন ঘটিছে।
- বিবিধ উপকথাৰ সংযোগে মন্ত্ৰৰ পৰিসৰ বৃদ্ধিত সহায় কৰিছে।
- অসংলগ্নতা ইয়াৰ অন্য এক বৈশিষ্ট্য।
- লোক বিশ্বাস আৰু অলৌকিক শক্তিত বিশ্বাসে মন্ত্ৰৰ জনপ্ৰিয়তা বৃদ্ধিত সহায় কৰিছে।
- কিছুমান মন্ত্ৰত অবাচ্য আৰু অশ্লীল শব্দৰো প্ৰয়োগ লক্ষ্য কৰা যায়। বিশেষকৈ চেলাৰ বিষ জৰা ইত্যাদি মন্ত্ৰবোৰত অবাচ্য শব্দৰ প্ৰয়োভৰ দেখা যায়।
- মন্ত্ৰত শৃংগাৰ অদ্ভুত ভয়ানক ইত্যাদি বিবিধ ৰসৰ সমাহাৰ লক্ষ্য কৰা যায়।
- মন্ত্ৰসমূহত প্ৰায়ে পুনৰুক্তিৰ প্ৰাধান্য দেখা যায়। যেনে — ব্ৰহ্মাৰ গাঁঠি কটো বিষ্ণুৰ গাঁঠি কাটো। ৰুদ্ৰৰ গাঁঠি কাটো ইত্যাদি।
- মন্ত্ৰৰ ঠাইবিশেষে তান্ত্ৰিক বীজমন্ত্ৰৰ প্ৰয়োগ কৰি ৰহস্যঘন পৰিবেশ সৃষ্টি কৰা হৈছে।
- মন্ত্ৰসমূহ সাহিত্যিক দিশৰ পৰাও গুৰুত্বপূৰ্ণ। বিভিন্ন ৰস অলংকাৰ আৰু জতুৱা ঠাঁচৰ সংযোগে মন্ত্ৰৰ সাহিত্যিক সৌন্দৰ্য বৰ্ধনত সহায় কৰিছে।
- মন্ত্ৰসমূহত ৰচকৰ বৰ্ণনা শক্তিৰো পৰিচয় পোৱা যায়।

- মন্ত্ৰসমূহত স্থানবিশেষে সৃষ্টিতত্ত্বৰ বৰ্ণনাও সন্নিবিষ্ট হৈছে।
- মন্ত্ৰসমূহৰ ভাষা কথিত ভাষাৰ ওচৰচপা।
- মন্ত্ৰসমূহত বৈদিক অবৈদিক উভয় পৰম্পৰাৰ পৰিচয় পোৱা যায়।

উপসংহাৰ ঃ

মন্ত্ৰসমূহ অসমৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া বিশ্বাস আৰু জীৱন-অভিজ্ঞতাৰ স্তূপীকৃত ৰূপ। অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ ধৰ্মীয় বিশ্বাস ৰীতি-নীতি পৰম্পৰা লোক বিশ্বাস কল্পনা আৰু আৰ্থ-সামাজিক দিশৰ সৈতে জড়িত ভালেমান বিষয় মন্ত্ৰ-সাহিত্যৰ মাজেদি প্ৰতিফলিত হৈছে।

মন্ত্ৰসমূহ মূলতঃ পৌৰাণিক আৰু মহাকাব্যিক ঐতিহ্যৰ লোক-ৰূপ বুলিব পাৰি। গাৰ্হস্থ্য জীৱনত পালিবলগীয়া নীতি-নিয়মৰে পৰা আৰম্ভ কৰি আয়ুৰ্বেদ সম্পৰ্কীয় জ্ঞান আৰু বিশ্বাসলৈকে লোকাচাৰ আৰু লোকৰীতিৰ পৰা আৰম্ভ কৰি লোক চিকিৎসা আৰু লোক পূজা পদ্ধতিলৈ বৈদিক আৰু অবৈদিক উভয় পৰম্পৰাৰ স্বৰূপ মন্ত্ৰসমূহৰ মাজেদি ফুটি উঠিছে। মন্ত্ৰসমূহৰ উপযুক্ত সংৰক্ষণ আৰু প্ৰণালীবদ্ধ অধ্যয়নৰ যোগেদি মধ্যযুগৰ অসমৰ ধৰ্মীয় ঐতিহ্য বিশেষকৈ তান্ত্ৰিক ধৰ্ম মহাযান বৌদ্ধধৰ্ম সহজীয়া ধৰ্ম ইত্যাদিৰ বিষয়ে সম্যক জ্ঞান লাভ কৰাৰ লগতে মধ্যযুগৰ অসমৰ সমাজ আৰু সংস্কৃতিৰ বিষয়ে অধ্যয়নতো মন্ত্ৰসাহিত্যই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি সিদ্ধান্ত কৰিব পৰা যায়।

নাথ সম্প্ৰদায়ৰ সাহিত্য

নাথ-সম্প্ৰদায়ৰ সাহিত্যৰাজিৰ মূল আধাৰ-গ্ৰন্থ সংস্কৃত পুৰাণ উপপুৰাণ যদিও আধুনিক ভাৰতীয় আৰ্যভাষাতো এনে ভালেমান সাহিত্যৰ সৃষ্টি হৈছে। আমি ইয়াত সংস্কৃত সাহিত্যৰ বিভিন্ন গ্ৰন্থৰ প্ৰসঙ্গ উল্লেখ কৰিলেও আধুনিক ভাৰতীয় আৰ্যভাষা অসমীয়াত ৰচিত নাথ-সম্প্ৰদায়ৰ লিখিত আৰু মৌখিক সাহিত্যৰাজিৰ আলোচনাহে দাঙি ধৰাৰ প্ৰয়াস কৰিছো।

নাথ-সম্প্ৰদায়ৰ সাহিত্যৰাজি জনসাধাৰণৰ উদ্দেশ্যে ৰচিত হোৱাত তাৰ ভাষা তৎকালীন লোকভাষাৰ অনুগামী হৈছে। এইসমূহ সাহিত্যৰ সৰহভাগেই যোগ-বিষয়ক কথাৰ ওপৰত ভিত্তি কৰি ৰচিত হোৱা সত্ত্বেও অপূৰ্ব সাহিত্যিক গুণেৰে সমৃদ্ধ হৈছে। যোগ আৰু শৈৱ ধৰ্মৰ ধৰ্মীয় দৰ্শনৰ লগে লগে ইয়াত সমসাময়িক সমাজ আৰু সংস্কৃতিৰ প্ৰাসঙ্গিক আলোচনাও আছে। তলত অসমৰ নাথ সম্প্ৰদায়ৰ সাহিত্যৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা হ'ল।

চৰ্যাগীত ঃ

নাথ-সম্প্ৰদায়ৰ সাহিত্যৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে প্ৰথমে চৰ্যাগীতৰ কথাই উল্লেখ কৰিব লাগিব। 'চৰ্যা' হ'ল ছন্দোবদ্ধ নাতিদীৰ্ঘ ৰচনা। ভাবেই চৰ্যাৰ প্ৰাণ। এনে পদ বৰ্ণনামূলক নাইবা তত্ত্বমূলকো হ'ব পাৰে। 'আধ্যাত্মজনিত অৰ্থ পদান্তে মিল আৰু দুই চৰণ দ্বিতীয় অৰ্দ্ধতো সেই একে লক্ষণ-ইয়াকে বোলে 'চৰ্যা।'[১৯]

চৰ্যাগীতসমূহ প্ৰত্ন অসমীয়া ভাষাৰ প্ৰথম সাহিত্যিক নিদৰ্শন। চৰ্যাগীতৰ পুথিখনৰ আচল নাম 'চৰ্যাগীতিকোষ। এই গ্ৰন্থত নাথ যোগী সম্প্ৰদায়ৰ ধৰ্মীয় আচাৰ সম্বন্ধীয় বিধি নিষেধৰ উল্লেখ পোৱা যায়। গ্ৰন্থখনি হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপাল ৰাজদৰবাৰৰ গ্ৰন্থাগাৰৰ পৰা আন তিনিখন গ্ৰন্থৰে সৈতে উদ্ধাৰ কৰি আনি 'হাজাৰ বছৰেৰ পুৰাণ বাঙ্গলা ভাষায় বৌধগান ও দোহা নামেৰে 'বঙ্গীয় সাহিত্য পৰিষদ'ৰ পৰা প্ৰকাশ কৰি উলিয়ায়। বাকী তিনিখন গ্ৰন্থ হৈছে সৰহব্ৰজৰ দোহাকোষ কৃষ্ণাচাৰ্যৰ দোহাকোষ আৰু 'ডাকাৰ্ণৱ।

'চৰ্যাগীতিকোষ তেইশজন সিদ্ধাচাৰ্যৰ দ্বাৰা ৰচিত মুঠ পঞ্চাশটি গীতৰ সংকলন। গীতসমূহৰ ভিতৰত তেৰটি কাহ্নুপাদৰ আঠটি ভুসুকপাদৰ তিনটি কুক্কুৰীপাদৰ দুটিকৈ যথাক্ৰমে লুইপাদ শান্তিপাদ আৰু শবৰপাদৰ আৰু অন্যান্য গীতিকাৰৰ এটিকৈ গীত সংকলিত হৈছে। ইয়াৰ ভিতৰত কাহ্নুপাদ আৰু কৃষ্ণাচাৰ্যই সৰ্বাধিক গীতৰ ৰচক।[২] চৰ্যাগীতসমূহক নাথ-সাহিত্যৰ অন্তৰ্ভুক্ত কৰাৰ মূলতে ইয়াৰ অন্তৰ্নিহিত দৰ্শন আৰু সাধন প্ৰণালীৰ কথা উল্লেখ কৰিব পাৰি। ভালেমান গীতত যোগী[২১] যোগিনী[২২] আৰু 'নাথ[২] শব্দৰ প্ৰয়োগ লক্ষ্য কৰা যায়। অৱশ্যে প্ৰসঙ্গক্ৰমে এটা কথা কৈ থোৱা উচিত হ'ব যে চৰ্যাগীতৰ সকলোবোৰ ৰচকেই নাথ সম্প্ৰদায়ৰ নহয়। তথাপিও সৰহ সংখ্যক যে নাথ সম্প্ৰদায়ৰ লোক আছিল সেই কথা সহজে অনুমান কৰিব পাৰি।

নাথপন্থৰ গুৰুবাদ চৰ্যাগীততো স্বীকৃত হৈছে। এই গীতসমূহ সন্ধ্যাভাষাত ৰচিত।[২৪] গতিকে গীতৰ অভিধা অৰ্থৰ বাহিৰেও যি অভিপ্ৰেত অৰ্থ থাকে সেয়া গুৰুৰ কৃপা অবিহনে বুজাটো সম্ভৱ নহয়।

---

১৯ 'অৰ্থবাধ্যাত্মিকং প্ৰাসং পাদৰিতয় শোভনম্।
উত্তৰাৰ্দ্ধে ভৱেদেবং চৰ্যা চাতু নিগদ্যতে।। — মানসোল্লাস

২০ 'চৰ্য' শব্দৰ অৰ্থ আচৰণীয় আৰু 'অচৰ্য'ৰ অনাচৰণীয়। চৰ্যাসমূহত ধৰ্ম-সম্বন্ধীয় আচৰণীয় আৰু অনাচৰণীয় উভয়বিধ বিষয়ৰ নিৰ্দেশ আছে বাবেই ইয়াক 'চৰ্যাচৰ্যবিনিশ্চয় বোলা হৈছে।

২১ চৰ্যা নং ১০ ১১ ২২, ৩৭ আৰু ৪২।

২২ চৰ্যা নং ৩ ৪ আৰু ২৭।

২৩ চৰ্যা নং ১৫।

২৪ শাস্ত্ৰী হৰপ্ৰসাদ ঃ বৌদ্ধগান ও দোহা ভূমিকা, পৃ ৮।

অধিকাংশ চৰ্যাতেই দাৰ্শনিক তত্ত্বকথা বিবৃত হৈছে। ইয়াৰে ২ ১১ আৰু ৩৬ নং চৰ্যাত যোগৰ আৰু ৩ ৪ ২৭ ন চৰ্যাত তান্ত্ৰিক সাধনৰ উল্লেখ পোৱা যায়।

চৰ্যাগীতৰ সংকলত মীননাথৰ কোনো গীত সংকলিত নহ'লেও চৰ্যাৰ সংস্কৃত টীকাত ভুসুকপাদৰ গীতৰ ব্যাখ্যা প্ৰসঙ্গত মীননাথ বিৰচিত পদৰ কেইশাৰীমান তুলি দিয়া হৈছে। উক্ত পদটিত 'অষ্টাঙ্গ যোগ'ৰ অন্তৰ্গত 'সমাধি সাধনৰ আভাস পোৱা যায়।

মীননাথে শৈৱ আৰু বৌদ্ধধৰ্মৰ দাৰ্শনিক তত্ত্বক ভেটিস্বৰূপে লৈ নাথধৰ্ম প্ৰবৰ্ত্তন কৰে আৰু কায়াসিদ্ধিৰ বাবে যোগাচাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

নাথপন্থীৰ সাধনাৰ চৰম উদ্দেশ্য হৈছে সহজাবস্থা প্ৰাপ্তি।[২৫] যি অৱস্থা লাভ হ'লে মানুহে জন্ম মৃত্যুৰ বন্ধনৰ পৰা হাত সাৰি ব্ৰহ্মোপলব্ধি লাভ কৰিবলৈ সক্ষম হয় তেনে আনন্দকে সহজানন্দ বোলা হৈছে। নাথধৰ্মত সহজাবস্থা লাভ কৰিবলৈ হ'লে যোগসাধনা একান্ত প্ৰয়োজনীয়।[২৬] যোগৰ দ্বাৰা কায়াসিদ্ধি নকৰিলে সহজাবস্থাত উপনীত হ'ব নোৱাৰি।[২৭]

বিশিষ্ট আৰু ব্যাপকভাবে নিয়মীয়াকৈ যোগ-সাধনা কৰা কাৰণেই নাথসকলক সমাজত যোগী বুলি জনা যায়। এই সম্প্ৰদায়ত যোগসাধনা আৰু ধৰ্মচৰ্চা পৰস্পৰ পৰিপূৰক। অবিনশ্বৰ দেহৰ নিত্যত্ব নাথ-সম্প্ৰদায়ৰ দৰে চৰ্যাগীততো স্বীকৃত হৈছে।[২৮] এই দিশৰ পৰাও নাথ-সম্প্ৰদায়ৰ সৈতে চৰ্যাগীতৰ সম্পৰ্ক বিচাৰ কৰি চাবলগীয়া।

নাথ যোগীসকলৰ মতে মানৱ জীৱন অপৰিপক্ক ক্ষয়িষ্ণু আৰু দুখময়। সেয়ে পৰিপক্ক ক্ষয়হীন আৰু সুখময় জীৱন যাপন কৰিবৰ বাবে দেহকেন্দ্ৰিক সাধনাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। যোগশাস্ত্ৰৰ মতে 'যোগাগ্নিৰ দ্বাৰা দেহ মনৰ মায়াক দগ্ধ কৰিলেহে ক্ষণভংগুৰ মানৱদেহক ক্ষয়হীন যোগদেহলৈ পৰিবৰ্তন কৰাটো সম্ভৱ।[২৯]

যোগীসকলে দেহকেই ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ সংস্কৰণ বুলিছে।[৩০] ব্ৰহ্মাণ্ডত যি আছে, সেয়ে কুণ্ডলী ৰূপত মানৱ দেহত বিৰাজ কৰিছে।[৩১] জীৱদেহৰ ভিতৰত এই শক্তিৰ বিকাশৰ কাৰণেই যোগসাধনাৰ প্ৰয়োজন। যোগীসকলে ঘাইকৈ চাৰি প্ৰকাৰৰ যোগ সাধনাত গুৰুত্ব দিছিল— মন্ত্ৰযোগ হঠযোগ লয়যোগ আৰু ৰাজযোগ। চৰ্যাগীততো

---

২৫ *সেন সুকুমাৰ ঃ কল্যাণশ্ৰী শাৰদীয় সংখ্যা ১৩৫৫ বাংলা।*
২৬ *হঠযোগ প্ৰদীপিকা ১/৫২*
২৭ *গোৰক্ষ সিদ্ধান্ত সংগ্ৰহ পৃ ১*
২৮ *সেন সুকুমাৰ ঃ চৰ্যাগীতি পদাৱলী, ভূমিকা পৃ ৩৩*
২৯ *শ্বেতাশ্বেতৰ উপনিষদ ২/১২*
৩০ *সিদ্ধসিদ্ধান্ত পদ্ধতি ৩/২*
৩১ *সিদ্ধসিদ্ধান্ত পদ্ধতি ৩/২*

যোগ-সাধনাৰ অনুৰূপ উল্লেখ পোৱা যায়। ২ নং চৰ্যাত কুম্ভক যোগৰ জড়িয়তে সহজানন্দ লাভৰ কথা বিবৃত হৈছে। এনে বহুতো উদাহৰণ দিব পাৰি।

নাথপন্থীসকলে 'নাদ বিন্দু'ক সাধনাৰ বিশিষ্ট প্ৰতীক হিচাপে ব্যৱহাৰ কৰি আহিছে। চৰ্যাগীততো নাদ বিন্দু সাধনাৰ অনুৰূপ উল্লেখ পোৱা যায়।[৩২] যোগমাৰ্গত সিদ্ধি লাভ কৰিবলৈ হ'লে ধৈৰ্য ত্যাগ সংযম আৰু সাধনাৰ একান্ত প্ৰয়োজন। এই কথাকেই একাধিক চৰ্যাত সোঁৱৰাই দিয়া হৈছে।

চৰ্যাগীতত যোগ সাধনাৰ বাবে প্ৰয়োজনীয় বিভিন্ন নাড়ীৰ উল্লেখ পোৱা যায়। এনে নাড়ীৰ ভিতৰত ইড়া পিঙ্গলা আৰু সুষম্না নাড়ীৰ গুৰুত্ব অধিক।[৩৩] গোৰক্ষ সংহিতা'তো উক্ত তিনি প্ৰকাৰৰ নাড়ীৰ উল্লেখ পোৱা যায়।[৩৪] চৰ্যাগীততো বিভিন্ন প্ৰসঙ্গত এই তিনিবিধ নাড়ীৰ উল্লেখ কৰিছে। সন্ধ্যাভাষাত ৰচিত হোৱা বাবে গীতসমূহত ইড়া পিঙ্গলাক বুজাবলৈ যথাক্ৰমে আলি-কালি ধমন চমন চন্দ্ৰ-সূৰ্য গঙ্গা যমুনা বাম দাহিন আদি পাৰিভাষিক শব্দ প্ৰয়োগ কৰিছে। ইড়া আৰু পিঙ্গলা নাড়ীৰ সৈতে মানৱ দেহৰ অবিচ্ছিন্ন সংযোগৰ কথা নাথ সাহিত্যৰ বিভিন্ন ঠাইত প্ৰতীক উপমা ৰূপক চিত্ৰকল্প আদিৰ জৰিয়তে দাঙি ধৰাৰ প্ৰয়াস কৰা দেখা যায়। অৱশ্যে চৰ্যাৰ তত্ত্বলোকত প্ৰৱেশৰ বাবে এইবোৰ অৱলম্বনহে, গূঢ় তত্ত্ব প্ৰতিপাদনহে উপমা প্ৰয়োগৰ মূল লক্ষ্য।

নাথ সম্প্ৰদায়ৰ সাহিত্যত 'চন্দ্ৰ-সূৰ্য প্ৰতীকৰ জড়িয়তে বিশ্বসৃষ্টিৰ ৰহস্য ব্যাখ্যা কৰা হৈছে। 'হাড়মালা 'অনাদ্য চৰিত্ৰ 'শূন্য পুৰাণ আদিত ইয়াৰ পুনৰাবৃত্তি ঘটিছে। চন্দ্ৰ আৰু সূৰ্য প্ৰকৃতাৰ্থত শিৱ-শক্তিৰেই ভিন্ন ৰূপ। নৰনাৰীৰ দেহৰ ভিতৰত চন্দ্ৰ সূৰ্যই শিৱ আৰু শক্তি ৰূপত বিৰাজ কৰিছে।

নাথ সম্প্ৰদায়ৰ সাধনাত যোগ আৰু তন্ত্ৰৰ অপূৰ্ব সংমিশ্ৰণ লক্ষ্য কৰ' যায়। নাথযোগ সাধনা গুহ্যতকৈও গুহ্য অতি গোপনীয়। সেয়েহে নাথ সাধন মাৰ্গত গুৰুৰ সহায় একান্ত বাঞ্ছনীয়। প্ৰায়বিলাক তন্ত্ৰতেই সাধনাৰ বাবে গুৰুৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰা হৈছে। চৰ্যাগীততো সাধনাৰ বাবে গুৰুক প্ৰাধান্য দিয়া দেখা যায়। গুৰুৰ অবিহনে এনে সাধন মাৰ্গত অগ্ৰসৰ হোৱাটো কঠিন।

চৰ্যাগীতত ঠায়ে ঠায়ে যোগিনী নৈৰাত্মাদেৱী চণ্ডালী ডোম্বী শবৰী নৈৰামণি আদি স্ত্ৰী-শক্তিৰ উল্লেখ পোৱা যায়। প্ৰায়বোৰ গীততেই সাধক যোগীৰ সৈতে এইসকল স্ত্ৰী-শক্তিৰ মিলন দেখুওৱা হৈছে। অৱশ্যে যোগসাধনাৰ ক্ষেত্ৰত এইবোৰ তেজ মঙহৰ বাস্তৱ সত্য বুলিব নোৱাৰি।

---

৩২ *সৰহপাদ ১৪ নং চৰ্যা*

৩৩ *তস্যাং মধ্যে ত্ৰয়ঃ শ্ৰেষ্ঠা বামদক্ষিণমধ্যমা ; পবনবিজয় স্বৰোদয় ১/৯*

৩৪ *গোৰক্ষ সংহিতা ১/২৩*

৩৫ *হঠযোগ প্ৰদীপিকা ১/১১*

চৰ্যাগীতত সাংখ্য আৰু যোগৰ প্ৰাধান্য লক্ষ্য কৰা যায়। চৰ্যাত যি সহজ সাধনাৰ উল্লেখ কৰা হৈছে, সেয়া সহজাত বৃত্তি নাইবা ইন্দ্ৰিয়বৃত্তিৰ পৰা লাভ কৰা ক্লেশমুক্তিৰ সাধনা। পতঞ্জলে ইয়াকেই 'চিত্তবৃত্তিনিৰোধ বুলিছে।'৩৬ বিষয়ৰ বন্ধনেই মানুহৰ যাবতীয় দুখৰ কাৰণ। এই বন্ধনৰ পৰা মুক্ত হ'ব নোৱাৰিলে সহজাবস্থা অৰ্থাৎ মহাসুখলাভ সম্ভৱ নহয়।

সংসাৰখন অসত্য। মায়াৰ আৱৰণৰ বাবেহে অসত্য সংসাৰখন সত্য যেন লাগে। সংসাৰৰ অস্তিত্ব সম্পৰ্কে এনে উপলব্ধি হ'লেই সাধকে ভোগপ্ৰবৃত্তি ত্যাগ কৰি বাসনাৰ পৰা মুক্তি লাভ কৰিব পাৰে। লুইপাদে সেয়েহে বাসনাৰ বন্ধন পৰিত্যাগ কৰি শূন্যবস্তুকে কাম্যৰূপে গ্ৰহণ কৰিবলৈ উপদেশ দিছে।

সত্ত্ব-ৰজ তমোময়ী প্ৰকৃতি আৰু বুদ্ধিৰ পৰাই অহংকাৰৰ উৎপত্তি হয়। অহংকাৰৰ পৰা যথাক্ৰমে মন পঞ্চ কৰ্মেন্দ্ৰিয় পঞ্চ জ্ঞানেন্দ্ৰিয় পঞ্চতন্মাত্ৰ আৰু পঞ্চভূতৰ সৃষ্টি হয়। চৰ্যাটিত ধমন আৰু চমন শব্দ দুটাই যথাক্ৰমে প্ৰকৃতি আৰু বুদ্ধিক বুজাইছে। ইয়াত ইন্দ্ৰিয়জয়ৰ বাবে যোগাভ্যাসৰ বৰ্ণনা কৰি প্ৰকৃতি আৰু অহংকাৰৰ পৰিচয় দাঙি ধৰা হৈছে। মন শান্ত নহ'লে অৰ্থাৎ, চিত্তলয় নহ'লে সাধনাৰ পথত অগ্ৰসৰ হোৱা সম্ভৱ নহয়। ভুসুকপাদৰ ২১ নং চৰ্যাত মুষিকক ম'নৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হৈছে। বাসনাচঞ্চল চিত্ত মুষিকৰ দৰেই মুক্তিলাভৰ প্ৰতিবন্ধক। জনগণৰ মানসিক আৰু আধ্যাত্মিক উন্নতি সাধনৰ উদ্দেশ্যে ভাৰতীয় যোগশাস্ত্ৰক অনুসৰণ কৰিয়েই চৰ্যাৰ ভিত্তি গঢ় লৈ উঠিছে।

কাহ্নুপাদৰ এটি চৰ্যাত বিবাহৰ বৰ্ণনা পোৱা যায়। প্ৰকৃতি পুৰুষ আৰু বুদ্ধিৰ সৈতে সৃষ্টিজগত আৰু জীৱৰ কি সম্বন্ধ তাকেই চৰ্যাটিত প্ৰতিপন্ন কৰিবলৈ বিচৰা যেন লাগে। পুৰুষ আৰু প্ৰকৃতিৰ পৃথকত্ব মুক্তিৰ উপায়। প্ৰকৃতিৰ শুদ্ধ আৰু সাত্ত্বিক বুদ্ধিৰ সৈতে পুৰুষৰ সংযোগ নঘটিলে মুক্তি অসম্ভৱ। চৰ্যাটিত বায়ুদ্বাৰ নিৰোধকে বিবাহ আৰু বায়ুকে ডোম্বী আখ্যা দিয়া হৈছে। বায়ুদ্বাৰ ৰুদ্ধ অৱস্থাত সাত্ত্বিকা প্ৰকৃতিৰ সৈতে ধ্যানযোগত যোগীৰ যি মহাসুখলাভ তাকেই পুৰুষ আৰু প্ৰকৃতিৰ মিলন — অৰ্থাৎ, বিবাহ আখ্যা দিয়া হৈছে।

বুদ্ধিৰূপিনী প্ৰকৃতি আৰু পুৰুষৰ পতি-পত্নী সম্বন্ধ সাংখ্য দৰ্শনতো বিবৃত হৈছে। চৰ্যাটিত ডোম্বী 'অবধূতিকা বা 'প্ৰকৃতি। এই ডোম্বীৰ সৈতেই সিদ্ধযোগীৰ মিলন হৈছে।

আৰ্যদেৱৰ ৩১ নং চৰ্যাত ধ্যানৰ বৰ্ণনা আছে। ধ্যানাৱস্থাত সাধকৰ চিত্ত অচিত্ততাত বিলীন হয় আৰু ইন্দ্ৰিয় বায়ু আদি ক্ৰিয়াহীন হৈ পৰে। ফলত সাধকে সিদ্ধিলাভ কৰিবলৈ সক্ষম হয়।

৩৬. যোগদৰ্শন ১/২

নাথযোগী সম্প্ৰদায়ত নৈতিক জীৱন-যাপনৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। শবৰপাদৰ ২৮ নং চৰ্যাত 'কায় বাক আৰু চিত্ত এই ত্ৰিবিধ সংযমৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়। দাৰিকপাদৰ ৩৪ নং চৰ্যাতো অনুৰূপ উল্লেখ পোৱা যায়।

আলোচনাৰ পৰা দেখা যায় যে চৰ্যাগীতসমূহৰ বিষয়বস্তু আৰু ইয়াৰ সাধন প্ৰণালীৰ সৈতে নাথযোগী সম্প্ৰদায়ৰ ধৰ্মীয় সাধন প্ৰণালীৰ সাদৃশ্য অতি গভীৰ।

গোৰক্ষ বিজয় ঃ

চৰ্যাগীতৰ পাছতেই নাথসাহিত্যৰ উল্লেখযোগ্য গ্ৰন্থ হৈছে গোৰক্ষ বিজয়। কেইবাজনো পণ্ডিত বিশেষকৈ ডিম্বেশ্বৰ নেওগ ৰাজমোহন নাথ যতীন্দ্ৰনাথ গোস্বামী সত্যেন্দ্ৰনাথ শৰ্মা পৰীক্ষিত হাজৰিকা আদিয়ে গোৰক্ষ বিজয় 'মীনচেতন আদিক অসমীয়া নাথসাহিত্য হিচাপে আলোচনা কৰিছে। দীনেশ চন্দ্ৰ সেনেও এইসমূহ সাহিত্যক 'নাথ গীতিকা আখ্যা দিছে। শশীভূষণ দাশগুপ্ত কল্যাণী মল্লিক প্ৰবোধ চন্দ্ৰ বাগচী পঞ্চানন মণ্ডল পীতাম্বৰ দত্ত বড়থাল হৰপ্ৰসাদ শাস্ত্ৰী সুকুমাৰ সেন ৰামেশ্বৰ পাল আদি পণ্ডিতৰ লগতে হাজাৰী প্ৰসাদ দ্বিবেদী প্ৰফুল্ল চৰণ চক্ৰবৰ্তী বেণীমাধৱ বৰুৱা ৰাধাগোবিন্দ নাথ নলিনীকান্ত ভট্টশালী আদি অন্যান্য ভাৰতীয় পণ্ডিতৰ আলোচনাতো গোৰক্ষবিজয় 'মীনচেতন গোপীচন্দ্ৰৰ গীত আদিয়ে 'নাথ সাহিত্য হিচাপে ঠাই পাইছে।

গোৰক্ষবিজয় বা 'মীনচেতন কাব্যৰ বিষয়বস্তু হৈছে, 'কদলী ৰাজ্যত নাৰী মায়াপাশত আবদ্ধ মীননাথক তেওঁৰ শিষ্য গোৰক্ষনাথে উদ্ধাৰ কৰাৰ কাহিনী। 'মীনচেতন'ৰ অৰ্থই হৈছে আত্মাৰ চৈতন্য। এই চৈতন্যৰ দ্বাৰা গোৰক্ষনাথে কামিনী প্ৰেমমত্ত নিজগুৰুৰ আত্মাৰ চৈতন্য পুনৰসঞ্চাৰ কৰাৰ কথাকেই বুজাইছে যেন ধাৰণা হয়।

গোৰক্ষবিজয় গ্ৰন্থখনিত ইচলামীয় শব্দৰ প্ৰচুৰ প্ৰয়োগে এইকথা দৃঢ়তাৰে প্ৰতীয়মান কৰায় যে গীতসমূহ জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে জনপ্ৰিয় আছিল। নাথ সম্প্ৰদায়ৰ সাহিত্যৰাজি প্ৰায়বোৰ আধুনিক ভাৰতীয় আৰ্যভাষাৰ সৈতেই ঘনিষ্ঠভাৱে সম্পৰ্কিত। গোৰক্ষ বিজয় পুথিখনি আৰম্ভ কৰিছে এনেদৰে

'প্ৰথমে প্ৰণাম কৰি নিৰাকাৰ গোঁসাই।
তুমি বিনে ত্ৰিভুৱনে আৰু কেহ নাই।
মন দিয়া কহ শুনি দ্বিজ মিশ্ৰ বাণী।
ৰচি আছে গোৰক্ষ বিজয় অমৃত কাহিনী।"

গোৰক্ষ বিজয়'ত মহাদেৱৰ বিভিন্ন অঙ্গৰ পৰা চাৰিসিদ্ধৰ জন্ম-কাহিনী বিবৃত হৈছে ঃ

'শ্ৰীগুৰু ভজিয়া সিদ্ধ মহাদেৱ হইল।
তাহাৰ অনন্তভাৱ কেহ নাজানিল।
মহাদেৱৰ অঙ্গে চাৰিসিদ্ধা যে জন্মিল।
দেৱীৰ চক্ৰেতে তাৰা মতিভ্ৰম হইল।
হস্তহতে হাড়ীপাই কৰ্ণেতে কানপাই।
জটা হতে গোৰ্খ হয় নাসিকাই মীনাই।'

হৰ গৌৰীয়ে কৈলাশত থকা সময়তে এবাৰ গৌৰীয়ে মহাদেৱক অনুৰোধ কৰিলে যাতে সিদ্ধসকলে বিয়া বাৰু কৰাই সংসাৰধৰ্ম পালন কৰে। তেতিয়া মহাদেৱে সিদ্ধসকল কাম ক্ৰোধ ৰহিত বাবে তেওলোকৰ সংসাৰ কৰাৰ প্ৰয়োজন নাই বুলি ক'লে। মহাদেৱৰ কথা শুনি পাৰ্বতীয়ে তেওলোকৰ পৰীক্ষা লোৱাৰ অভিপ্ৰায় প্ৰকাশ কৰিলে। তেতিয়া শিৱই যোগৰ বলেৰে সিদ্ধসকলক আমন্ত্ৰণ জনালে আৰু দেৱীয়ে ভুৱনমোহিনী ৰূপ ধাৰণ কৰি সিদ্ধসকলক আহাৰ পৰিৱেশন কৰিলে। দেৱীৰ ৰূপ দেখি গোৰক্ষনাথৰ বাহিৰে সকলোবোৰ সিদ্ধ মুগ্ধ হ'ল আৰু তেওলোকৰ মনত নানান অভিলাষ জাগি উঠিল। গোৰক্ষ বিজয়'ত আছে

দেৱীৰ যে ৰূপ দেখি যত সিদ্ধগণ।
কামবানে ভেদিলেক স্থিৰ নোহে মন।।
দেৱীয়ে কৰিল মায়া বিবিধ প্ৰকাৰে।
বিষম কপট মায়া কে বুজিতে পাৰে।।

কল্পিলেক মীননাথে মনে আশ কৰি।
ত্ৰিজগতে পাই যদি এমন সুন্দৰী।।
বিচিত্ৰ শয়নে থাকি অমনে নাৰী লই।
ৰঙ্গ কতুকে তবে ৰমন গোঞাই।।
এৱমস্তু বলি দেৱী দিলা এহি বৰ।
কদলীৰ ৰাজা হইবা বাটে জাও চলি।।
তবে মন চিন্তিলেক হাড়ীপা সিদ্ধাই।
এমন সুন্দৰী তবে আমি যদি পাই।।

দেৱীৰ শাপনুসাৰে মীননাথ কদলী দেশত ৰাণী মজলাৰ প্ৰণয়-পাশত আবদ্ধ হৈ যোগজ্ঞান ভ্ৰষ্ট হয়। মীননাথৰ শিষ্য গোৰক্ষনাথে তেওঁক পুনৰ পূৰ্বৰ মাৰ্গলৈ ওভোটাই আনে।

গোৰক্ষবিজয়ৰ মতে কানুপাই নিজ গুৰুৰ অন্বেষণত ঘূৰি ফুৰোঁতে কদলী ৰাজ্যত মীননাথৰ পতনৰ সম্ভেদ পাই গোৰক্ষনাথক জনায়। গোৰক্ষনাথে নৰ্ত্তকীৰ বেশ ধাৰণ কৰি কদলী নগৰত প্ৰৱেশ কৰিলে আৰু মাদলৰ সংকেতেৰে নৃত্য কৰি যোগ-ব্যাখ্যা কৰিবলৈ ধৰিলে।

'নাচন্তি জে গোৰ্খনাথ ঘাঘৰেৰ বোলে।
কায়াসাধ কায়াসাধ মাদলে হেন বোলে।।
নবীন কুকিলে যেন আধ আধ বোলে।
কায়াসাধ কায়সাধ মন্দিৰা এ বোলে।।

মীননাথে যোগৰ সংকেত পাই পুলকিত হ'ল আৰু নিজৰ ভুল উপলব্ধি কৰিলে

'মীনে বলে শুন পুত্ৰ যতি গোৰখাই।
পড়িয়াছি কদলিৰ ভোলে কিৰূপে ত্ৰাণ পাই।।

তেতিয়া গোৰক্ষনাথে গুৰুক মায়া মোহ ত্যাগ কৰিবলৈ ক'লে। যোগহীন জীৱন তেলহীন প্ৰদীপ নাইবা জলহীন মৎস্যৰ দৰেই অসাৰ্থক। গতিকে সংসাৰৰ মায়ামোহ ত্যাগ কৰি যোগ সাধন কৰিব লাগে। প্ৰথম অৱস্থাত শৰীৰৰ অৱশতাৰ বাবে মীননাথে যোগসাধনৰ বাবে অপাৰগতা প্ৰকাশ কৰিলে যদিও শেষত নিজৰ ভুল উপলব্ধি কৰি পুনৰ যোগ মাৰ্গলৈ ঘূৰি আহিল।

'কহিতে কহিতে গোৰ্খ হাতে দিল তুড়ি।
উঠি গেল মীননাথ ৰাজ্যপাট এৰি।।

গোৰক্ষবিজয়'ত কদলী ৰাজ্যৰ যি বৰ্ণনা পোৱা যায় তাৰ পৰা নিশ্চিতভাৱে ধাৰণা কৰিব পাৰি যে 'কদলী ৰাজ্য নাথযোগী ৰাজ্য আছিল। গোৰক্ষনাথে যোগৰ বলেৰে শূন্যপথেৰে আহি এজোপা বকুল গছৰ তলত আশ্ৰয় লওঁতে এগৰাকী যোগিনীয়ে তেওক প্ৰণয় পাশত আবদ্ধ কৰিবলৈ চেষ্টা কৰাৰ কথাও উক্ত গ্ৰন্থতপোৱা যায়। গ্ৰন্থৰ মতে যোগিনী গৰাকীয়ে গোৰক্ষনাথক প্ৰলোভিত কৰিছে এনেদৰে

জোগি বাড়িতে জোগি যাইবা অন্নজলে স্থিতি পাইবা
কিবা আৰ হইবেক বস্ত্ৰ।
তোহ্মি আহ্মি জাতিজন একগোত্ৰে উতপন
তাতে পুনি দোষ নাহি হএ।।
গাভুৰ জোগিয়া তুহ্মি জোয়ান জোগিনী আহ্মি
জেবা থাকে কৰিম বেৰহাৰ।

কাটিম চিকন সুতি তোম্মিএ বুনিব ধুতি
হাতে নি বেচিলে পাইবা কৌড়ি। ইত্যাদি

কদলী ৰাজ্যৰ লোকসকল যে নাথধৰ্মত বিশ্বাসী যোগীজাতিৰ লোক আছিল তাৰ একাধিক প্ৰমাণ গ্ৰন্থখনিত পোৱা যায়।

গোৰক্ষ বিজয় গ্ৰন্থখনি যোগ বিষয়ক তাত্ত্বিক আলোচনাৰে পৰিপূৰ্ণ। বহু ঠাইত ৰূপক আৰু উপমাৰ জড়িয়তে এনে ব্যাখ্যা দাঙি ধৰা হৈছে।

'জল না থাকিলে গুৰু কোথা জীয়ে মাছ।
শিকড় কাটিলে বাপু উপাড়য়ে গাছ।।
জ্ঞান ছাড়ি পাইলা তুমি কদলীৰ মাথা।
আগে লাগে মিঠা বাপু পাছে লাগে তিতা।।
ভাল কয় গোৰ্খনাথে - লয় মোৰ মন।
যোগ সাধন কৰ - শুন স্বৰূপ বচন।।

আকৌ

'উলটিয়া যোগ ধৰ আপোনাকে ৰক্ষা কৰ
গুৰু বাক্য কৰ আলাপন।
ভাৰ গুৰু অহে সোণা ত্ৰিপুনীতে দেও হানা
খালি ভৱ ৰৰিতে কাৰণ।।
গোৰ্খেৰ বিজয় বাণী ৰচিয়াছে যোগ ধ্যানী
একচন্দ্ৰ কৰহ শ্ৰৱণ।

আকৌ

'অধে উৰ্ধে তালি দেও গুৰু মোচন্দৰ।
আত্মা পৰিচয় কৰ দেহেৰ ভিতৰ।।

'তত্ত্ব না জানিয়া যোগ না কৰিও হেলা।
পকিছে মাথাৰ কেশ হৈয়া যাইৰ কালা।।'

"গোৰ্খনাথ বলে শুন-মীন মোচন্দৰ।
দুষ্টজনা না ৰাখিবা দেহেৰ ভিতৰ।।
মন পৱন স্থিৰ কৰা ক্ষেমাৰে কৰ ৰাজা।
গৰল ভক্ষণ কৰি দেহ কৰ তাজা।

সাহিত্যিক দিশৰ পৰাও গ্ৰন্থখনি কম গুৰুত্বপূৰ্ণ নহয়।

মীন চেতন

কবি শ্যামদাস সেন ৰচিত 'মীনচেতন' নামৰ পুথিখনি নলিনীকান্ত ভট্টশালীৰ দ্বাৰা সম্পাদিত হৈ 'ঢাকা সাহিত্য পৰিষদ'ৰ পৰা প্ৰকাশিত হৈছে।

'মীন চেতন' গ্ৰন্থৰ কাহিনীভাগ 'গোৰক্ষ বিজয়'ৰ সৈতে একেই। পাৰ্বতীৰ অভিশাপত মীননাথ কদলী ৰাজ্যত যোগভ্ৰষ্ট হোৱা আৰু গোৰক্ষনাথে তেওঁৰ আত্মাত চৈতন্য জাগ্ৰত কৰা ঘটনাটিৰ আলমতেই 'মীনচেতন'ৰ কাহিনীটি নিৰ্মিত হৈছে। আদৰ্শভ্ৰষ্ট হ'লে যে মহাসিদ্ধ যোগীৰো পতন হ'ব পাৰে মীননাথৰ পতনৰ যোগেদি উক্ত কাব্যত সেই কথাই বিবৃত হোৱা যেন লাগে। গ্ৰন্থখনিত আনুষঙ্গিকভাবে নাথধৰ্মৰ তত্ত্ব আৰু কায়াসাধনৰ তাৎপৰ্য আলোচিত হৈছে। মীনচেতনৰ অৰ্থ হৈছে 'আত্মাৰ চৈতন্য'।

মীননাথৰ শিষ্য গোৰক্ষনাথে কায়াসাধনা আৰু মহাজ্ঞানৰ সংকেত দি যি যোগতত্ত্ব ব্যাখ্যা কৰিছিল তাৰ ফলতেই পতনমুখী গুৰুৰ পুনৰুদ্ধাৰ সম্ভৱ হৈছিল।

মনৰ চঞ্চলতাই সাংসাৰিক ক্লেশৰ ঘাই কাৰণ। মীননাথ চঞ্চল চিত্তৰ অধীন হোৱাৰ বাবেই কদলী ৰাজ্যৰ মায়াত আবদ্ধ হ'বলগীয়া হৈছিল। গোৰক্ষনাথে তেওঁক চিত্তৰ চঞ্চল বৃত্তি নিৰোধ কৰিবলৈ উপদেশ দিছিল। এই চিত্তবৃত্তি নিৰোধ কাৰ্যই যোগ। সাংসাৰিক ক্লেশৰ পৰা হাত সাৰিবলৈ হ'লে যোগেই হৈছে একমাত্ৰ শ্ৰেষ্ঠ পন্থা। গোৰক্ষনাথৰ উপদেশত মীননাথে মহাজ্ঞান ফিৰাই পাইছিল আৰু তেওঁৰ আত্মাত চেতনাৰ সঞ্চাৰ হৈছিল বাবেই আলোচ্য গ্ৰন্থখনিৰ নাম 'মীন চেতন'।

ময়নামতীৰ গান

'গোৰক্ষ বিজয়' আৰু 'মীন চেতন'ৰ দৰেই 'ময়নামতীৰ গান'ো নাথ সম্প্ৰদায়ৰ সাহিত্যৰ উল্লেখযোগ্য নিদৰ্শন। 'ময়নামতী গান'ৰ কেইবাটাও পাণ্ডুলিপি প্ৰকাশিত হৈছে। ১৮৭৩ চনত গ্ৰীয়াৰ্চনে ত্ৰিপুৰাৰ কোনো এজন নাথযোগীৰ মুখেদি ময়নামতীৰ গানৰ কাহিনীভাগ শুনি 'মাণিকচন্দ্ৰ ৰাজাৰ গান' নামেৰে এচিয়াটিক চোচাইটিৰ পত্ৰিকাত প্ৰকাশ কৰে। অনুৰূপভাবে বিশ্বেশ্বৰ ভট্টাচাৰ্যই ৰংপুৰ জিলাৰ কোনো নাথযোগীৰ মুখেদি শুনি 'ময়নামতীৰ গান'ৰ এটি সংগ্ৰহ 'বঙ্গীয় সাহিত্য পৰিষদ পত্ৰিকা'ত প্ৰকাশ কৰি উলিয়ায়। 'ময়নামতীৰ গান'ৰ আন এটি সংকলন নলিনীকান্ত ভট্টশালীয়ে 'ঢাকা সাহিত্য পৰিষদ'ৰ পৰা প্ৰকাশ কৰি উলিয়ায়।[৩৯] গীতসমূহ ভবানীদাস ৰচিত আৰু ত্ৰিপুৰাৰ অন্তৰ্গত কুমিল্যাৰ পৰা সংগৃহীত।[৪]

---

৩৭ *যোগাৎ পৰতৰো নাস্তি মাৰ্গস্তু মোক্ষদঃ। যোগবীজ শ্লোক ৬৬*

৩৮ *J A S B Vol 1 No 3*

৩৯ *বঙ্গীয় সাহিত্য পৰিষদ পত্ৰিকা ১৩১৫ বাংলা সংখ্যা ২*

৪ *ঢাকা সাহিত্য পৰিষদ পত্ৰিকা ১৩২১ বাংলা*

'ময়নামতী গান'ৰ বিষয়বস্তু আপেক্ষিকভাৱে প্ৰাচীন হ'লেও ইয়াৰ ভাষা কিছু পৰিমাণে অৰ্বাচীন। গোৰক্ষবিজয় 'শূন্য পুৰাণ 'ডাকৰ বচন আদিৰ ভাষাৰ সৈতে 'ময়নামতীৰ গান'ৰ ভাষাৰ মিল দেখা যায়। গীতৰ ৰচকসকল আপেক্ষিকভাৱে আধুনিক কালত জন্মিলেও তেওলোকৰ মনৰ পৰা পৰম্পৰাগত ধ্যান-ধাৰণা সংস্কাৰ আদি আঁতৰ হোৱা নাছিল যেন অনুমান হয়। সংকলিত গীতসমূহ হয়তো তিনি চাৰিশ বছৰৰ আগৰ নহয় কিন্তু মুখ পৰম্পৰা ৰূপত ই জনসমাজত দীৰ্ঘদিন ধৰি চলি অহা বাবে ইয়াত অতীত যুগৰ চিন্তা মনীষাৰ সংযোগ ঘটিছে যেন অনুমান হয়।

কামৰূপত তান্ত্ৰিক ধৰ্মৰ প্ৰচলনৰ সময়ছোৱাত 'মযনামতীৰ গান ৰচিত হোৱা যেন অনুমান হয় গীতত তন্ত্ৰ মন্ত্ৰ অলৌকিক শক্তি আদিৰ প্ৰতি জনসাধাৰণৰ অটল বিশ্বাসৰ পৰিচয় পোৱা যায়। প্ৰায়বোৰ আধুনিক ভাৰতীয় আৰ্যভাষাৰে দশম দ্বাদশ শকিতাৰ ভিতৰত ৰচিত হোৱা মৌখিক সাহিত্যৰাজিত ডাইনী পুৰোহিত আৰু সিদ্ধসকলৰ অলৌকিক কাহিনীৰ প্ৰভাৱ লক্ষ্য কৰা যায়।

মযনামতীৰ গান নিৰক্ষৰ চহা কবিৰ ৰচনা হ'লেও ই সাহিত্যিক গুণেৰে পৰিপূৰ্ণ। গীতৰ ভাষা সিমান সাৱলীল আৰু মাৰ্জিত নহ'লেও আপেক্ষিক সংক্ষিপ্ততা আৰু প্ৰকাশভঙ্গীৰ সৰলতা গীতসমূহত বিদ্যমান।

'ময়নামতীৰ গান'ত নাৰী স্বাধীনতাৰ আভাস পোৱা যায। বিবাহত যৌতুক প্ৰথাৰ প্ৰচলন আছিল যেন অনুমান হয়।[১]

নাথ সাহিত্যত ময়নামতীক 'তান্ত্ৰিক যোগিনী হিচাপে চিত্ৰিত কৰা হৈছে।[৪২] ময়নামতী অতি আধ্যাত্মিক গুণসম্পন্না নাৰী আছিল। তেওঁ আছিল মাণিকচন্দ্ৰৰ পত্নী আৰু ৰজা গোবিন্দচন্দ্ৰৰ বা গোপীচন্দ্ৰৰ মাতৃ। ময়নামতীৰ বাল্যকালৰ নাম আছিল শিশুমতী। ময়নামতীয়ে অতি কম বয়সতে গোৰক্ষনাথৰ শিষ্যত্ব গ্ৰহণ কৰি নাথধৰ্ম অবলম্বন কৰিছিল।

পৰম ভোগবিলাসী ৰজা মাণিকচন্দ্ৰই বৃদ্ধ বয়সত পুনৰ বিবাহ পাশত আবদ্ধ হৈ নব বিবাহিতা পত্নীসকলৰে সৈতে ময়নামতীৰ বিবাদৰ বাবে তেওক ৰাজ্যৰ পৰা আঁতৰাই ফেৰুসা নগৰ'ত থাকিবলৈ দিয়ে। ময়নামতীয়ে যোগৰ বলেৰে 'ৰজাৰ জীৱনৰ অন্তিমকাল উপস্থিত হোৱা বুলি জানিব পাৰি স্বামীৰ প্ৰাণৰক্ষাৰ কাৰণে চেষ্টা কৰে। কিন্তু ময়নামতীৰ পৰা মহাজ্ঞান গ্ৰহণ কৰি জীৱন ৰক্ষা কৰিবলৈ মাণিকচন্দ্ৰ অসম্মত হ'ল আৰু মৃত্যুক আঁকোৱালি ল'লে।

৪১ অদুনাক বিবাহ কৈলে পদুনাক পাইল দানে।
একনত বাদী পাইল ব্যাভাবেৰ কাৰণে। পদ ৬৯৫

৪২ সেন দীনেশচন্দ্ৰ ঃ বঙ্গভাষা ও সাহিত্য

মাণিকচন্দ্ৰৰ মৃত্যুৰ পাছত ময়নামতীৰ এটি পুত্ৰ জন্ম হয়। তেওঁৰ নাম ৰখা হয় গোপীচন্দ্ৰ। ময়নামতীয়ে গোপীচন্দ্ৰক সিংহাসনত বহুৱাই নিজে ৰাজকাৰ্য পৰিচালনা কৰে আৰু পুতেকে যৌৱনত পদাৰ্পণ কৰাত অদুনা আৰু পদুনাৰ সৈতে বিয়া পাতি দিয়ে।

বিয়াৰ পাছত ৰজা গোপীচন্দ্ৰই পৰম আসক্তিৰে নব বিবাহিতা পত্নীসকলৰে সৈতে ভোগী জীৱন যাপন কৰাত মাকে পুতেকক আসন্ন মৃত্যুৰ পৰা ৰক্ষা কৰিবলৈ বাৰ বছৰৰ বাবে সন্ন্যাস গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিলে। কিন্তু গোপীচন্দ্ৰই মাতৃৰ এনে আজ্ঞা পালন কৰিবলৈ টান পালে আৰু মাকৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিলে।

শেষত সাংসাৰিক মায়া মোহৰ অসাৰতা সম্পৰ্কে প্ৰত্যয় জন্মাত গোপীচন্দ্ৰই সন্ন্যাস গ্ৰহণ কৰিবলৈ মান্তি হ'ল। তেও মাতৃৰ পৰা নানান আধ্যাত্মিক প্ৰশ্নৰ উত্তৰ বিচাৰিলে আৰু ৰাণীসকলৰ মন্ত্ৰণা অনুসৰি ময়নামতীৰ জ্ঞান আৰু যোগ সিদ্ধিৰ পৰীক্ষাও ল'লে। ময়নামতী এই সকলোবোৰতে হেলাৰঙে উত্তীৰ্ণ হোৱাত গোপীচন্দ্ৰৰ মাতৃৰ কথাত বিশ্বাস জন্মিল আৰু হাড়িপাৰ শিষ্যত্ব গ্ৰহণ কৰিলে।

'ময়নামতীৰ গান' মৌখিত সাহিত্যৰ অৰ্ন্তগত হ'লেও ইয়াৰ পুৰাতাত্ত্বিক সত্যতা আছে। 'ময়নামতীৰ গান'ত মেহেৰকুল আৰু পতিকেৰা নগৰৰ উল্লেখ পোৱা যায়। এই দুই ঠাইৰ সৈতে ময়নামতীৰ নাম জড়িত। ত্ৰিপুৰাত ময়নামতীৰ নামত এটি পাহাৰো আছে।

ময়নামতী এগৰাকী অত্যন্ত প্ৰভাৱশালী ৰমণী আছিল আৰু তেওৰ একান্ত প্ৰচেষ্টাতে গোপীচন্দ্ৰই সন্ন্যাস গ্ৰহণ কৰি যোগী হৈছিল। ময়নামতীয়ে গোৰক্ষনাথ প্ৰদত্ত মহাজ্ঞানৰ জড়িয়তে অলৌকিক ক্ষমতা লাভ কৰিছিল। আনকি যমদেৱতা মহাদেৱ আদিয়েও তেওক সমীহ কৰি চলিছিল।

গোপীচন্দ্ৰৰ গীত

গোপীচন্দ্ৰৰ গীত'ৰ ভালেকেইটা সংকলন বৰ্তমানে প্ৰকাশ হৈ ওলাইছে। এনে গীতৰ ভিতৰত ভবানী দাস ৰচিত গোপীচন্দ্ৰেৰ পাঁচালী সুকুৰ মামুদ ৰচিত গোপীচন্দ্ৰেৰ সন্ন্যাস আৰু দুৰ্লভ মল্লিকৰ গোপীচন্দ্ৰৰ গীত আদি অন্যতম। দুৰ্লভ মল্লিক বিৰচিত গোপীচন্দ্ৰৰ পাঁচালী নলিনীকান্ত ভট্টশালী আৰু বৈকুণ্ঠনাথ দাসৰ সম্পাদনাত ১৯০১ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা গোপীচন্দ্ৰৰ গান প্ৰকাশ পায়। গোপীচন্দ্ৰৰ গান গোপীচন্দ্ৰৰ সন্ন্যাস আৰু গোপীচন্দ্ৰৰ পাঁচালী দুই খণ্ডত গোপীচন্দ্ৰৰ গান নামেৰে দীনেশ চন্দ্ৰ সেন বসন্ত ৰঞ্জন ৰায় আৰু বিশ্বেশ্বৰ ভট্টাচাৰ্যৰ সম্পাদনাত প্ৰকাশিত হয়। ১৯১৪ চনত আশুতোষ ভট্টাচাৰ্যৰ দ্বাৰা এই গ্ৰন্থ সংশোধিত হৈ পুনৰ প্ৰকাশ লাভ কৰে।

ঐতিহাসিক দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে গোবিন্দচন্দ্ৰ বা গোপীচন্দ্ৰ এজন ৰজা আছিল যি অতি কম বয়সতে বৈৰাগ্যক আঁকোৱালি লৈছিল। ৰাণী ময়নামতীৰ চেষ্টাতে নবীন নৃপতিয়ে যোগী জীৱন যাপন কৰাৰ কৰুণ কাহিনীভাগক লৈয়েই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰাদেশিক ভাষাত নানান মৌখিক সাহিত্যৰ সৃষ্টি হৈছে।

গোপীচন্দ্ৰ ৰজা মাণিকচন্দ্ৰ আৰু ময়নামতীৰ পুত্ৰ আছিল। মাণিকচন্দ্ৰ সমটত ৰাজ্যৰ চন্দ্ৰবংশীয় ৰজাৰ বংশধৰ বুলি অনুমান কৰা হৈছে। এই বংশৰ ৰজাসকল বৌদ্ধ আছিল যদিও পাছত শৈৱধৰ্মত দীক্ষিত হয়। ময়নামতীয়ে সৰুতেই গোৰক্ষনাথৰ শিষ্যত্ব গ্ৰহণ কৰি নাথধৰ্ম গ্ৰহণ কৰে। কিছুদিনৰ আগতে লোকনাথ আৰু মৰুণ্ডনাথৰ তাম্ৰফলিৰ পৰা এই সামন্ত ৰজাসকলৰ বিষয়ে কিছুকথা জানিব পৰা গৈছে।

গোপীচন্দ্ৰৰ গান'ৰ বিভিন্ন প্ৰতিলিপিত ইয়াৰ আভ্যন্তৰীণ ঘটনাৰাজি কিছু পৃথক ৰূপত দেখিবলৈ পোৱা যায়। গ্ৰীয়াৰ্চন সংগৃহীত তথা ভবানীদাস ৰচিত গীতত মাণিকচন্দ্ৰ ৰজাৰ পূৰ্বপুৰুষৰ কোনো পৰিচয় পোৱা নাযায়। ৰংপুৰৰ কাহিনী মতে ৰজা মাণিকচন্দ্ৰ বৃদ্ধ বয়সত সংসাৰৰ প্ৰতি অধিক আসক্ত হয় আৰু নৱ বিবাহিতা পত্নীসকলৰে সৈতে যাতে কাজিযাৰ সূত্ৰপাত নহয় সেই উদ্দেশ্যে ময়নামতীক ৰাজধানীৰ পৰা আঁতৰাই ফেৰুসা নগৰ'ত থাকিবলৈ দিয়ে। মাণিকচন্দ্ৰ ৰজাৰ ৰাজত্বকালৰ প্ৰথম সময়ছোৱাত প্ৰজাৰ সুখ শান্তিৰ সীমা নাছিল। কিন্তু দক্ষিণৰ পৰা অহা এজন নতুন দেৱানৰ জড়িয়তে প্ৰজাৰ ওপৰত ধাৰ্য কৰা বৰ্ধিত কৰৰ বাবে প্ৰজাৰ দুখ দুৰ্গতি দিনক দিনে বৃদ্ধি পাবলৈ ধৰিলে। এনে অৱস্থাত কৃষকে হালৰ গৰু সদাগৰে নৌকা আনকি ফকীৰে ঝোলা পৰ্যন্ত বিক্ৰী কৰিবলগীয়া হ'ল।[৪৩] তেতিয়া প্ৰজাসাধাৰণে পৰামৰ্শ কৰি ৰজাক অভিশাপ দিয়াটো ঠিক কৰিলে। ফলত ৰজাৰ পৰমায়ু হ্ৰাস পালে।

গীতৰ মতে প্ৰজাসাধাৰণে নদীতীৰত ধৰ্মপূজা কৰি ৰজাক অভিশাপ দিয়া বাবেই ৰজা মাণিকচন্দ্ৰৰ মৃত্যু হৈছিল। এই ধৰ্মই অনাদি ধৰ্ম নাথ স্বয়ং শিৱ।[৪৪]

মাণিকচন্দ্ৰ ৰজাৰ মৰণকাল উপস্থিত হোৱাত বিধাতাৰ নিৰ্দেশ অনুসৰি যমদূতে ৰজাৰ প্ৰাণ নিবলৈ আহিল। ময়নামতীয়ে যোগৰ বলেৰে সেই কথা জানিব পাৰি ৰজাৰ প্ৰাণ বচাবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁৰ চেষ্টাই কাম নিদিলে। ময়নামতীয়ে গঙ্গাৰ মুখেদি স্বামীৰ মৃত্যুৰ সংবাদ পাই মৃত্যু দেৱতা যমক অশেষ নিৰ্যাতন দিলে। শেষত গোৰক্ষনাথৰ মধ্যস্থতাত এটি পুত্ৰলাভৰ বৰ লৈ ময়নামতী স্বগৃহলৈ উভটি আহিল।

---

৪৩ *'নাঙ্গল বেচে জোঙ্গল বেচে আৰু বেচে ফাল।*
খাজনাৰ আগত বেচায় দুধৰ ছাৱাল।' পৃ৩

৪৪ *ধৰ্মপূজাৰ ধৰ্মদেৱতাক 'মনসাকাব্য'ত শিব দেৱতাৰ সৈতে একে কৰি দেখুওৱা হৈছে। 'অৰ্দ্ধজল মহাদেৱ অৰ্দ্ধ জল ধৰ্ম।' হাড়মালা আৰু অন্যান্য চৰিত্ৰতো ধৰ্মদেৱতাৰ উল্লেখ আছে।*

গৃহলৈ উভটি আহি ময়নামতীয়ে স্বামীৰ লগতে একেখন চিতাতে আৰোহণ কৰিলে। কিন্তু যোগৰ বলত অক্ষত অৱস্থাৰে স্বামীৰ অন্ত্যেষ্টিক্ৰিয়া সমাপন কৰি ময়নামতী গৃহলৈ ঘূৰি আহিল।[৪৫]

দেৱতাৰ বৰ অনুসৰি যথাসময়ত ময়নামতীৰ এটি পুত্ৰ জন্ম হ'ল। সন্তানটিৰ নাম ৰখা হ'ল গোপীচন্দ্ৰ। ময়নামতীৰ গীতত এই বিষয়ে নানান সৰু বৰ কাহিনী পোৱা যায়।

গোপীচন্দ্ৰৰ শিক্ষাৰ অন্তত বিবাহৰ আয়োজন কৰা হ'ল। বিয়াৰ পাছতেই আদেশ অনুসৰি গোপীচন্দ্ৰ সন্ন্যাসী হ'বলগীয়া হ'ল। শেষত শুভ দিন-বাৰ চাই ময়নামতী আৰু সিদ্ধসকলৰ সাক্ষাতত গোপীচন্দ্ৰক যোগী কৰা হ'ল।

পুত্ৰ যোগি কৰিবেন মএনামন্তি বাই।
নাপিত আনিয়া ৰাজাৰ মস্তক মুড়িল।।'

গোপীচন্দ্ৰক কৰ্ণচ্ছেদ কৰি কৌপিন পিন্ধাই হাড়ীৰ ওচৰত সাক্ষাৎ কৰোৱা হ'ল। হাড়ীৰ আদেশত গোপীচন্দ্ৰই মাতৃ আৰু পত্নীসকলৰ ওচৰত ভিক্ষা বিচাৰিলে। তাৰ পাছতেই গোপীচন্দ্ৰ হাড়ীৰ সৈতে সন্ন্যাসলৈ ওলাল। বাটত হাড়ীয়ে ৰজাক নানান কষ্ট দিবলৈ ধৰিলে। অৱশেষত হীৰানটীৰ ওচৰত গোপীচন্দ্ৰক বন্ধক দি হাড়ীপা যোগাসনত বহিল। হীৰানটীয়ে গোপীচন্দ্ৰৰ ওচৰত প্ৰেমভিক্ষা কৰি ব্যৰ্থ হৈ তেওক নানান নিৰ্যাতন দিবলৈ ধৰিলে।

এনেদৰেই বহুদিন পাৰ হৈ গ'ল। গোপীচন্দ্ৰৰ কোনো খবৰ-বাতৰি নাপাই ৰাণীসকল অতীষ্ঠ হৈ পৰিল। তেওলোকৰ নিৰ্দেশত গৃহপালিত শুকপখীয়ে গোপীচন্দ্ৰৰ অনুসন্ধান কৰি শেষত নদীৰ ঘাটত লগ পাই অন্তেষপুৰৰ সংবাদ দিলে। ৰজায়ো নিজৰ ৰক্তেৰে দুখন চিঠি লিখি পখীদ্বয়ৰ হাতত প্ৰেৰণ কৰিলে। গোপীচন্দ্ৰৰ চিঠি পাই ময়নামতীয়ে হাড়ীপাক যোগেৰে সংকেত দিলে আৰু হাড়ীয়ে হীৰানটীৰ হাতৰ পৰা গোপীচন্দ্ৰক উদ্ধাৰ কৰিলে।

ৰাজ্যলৈ ওভোটাৰ পথত হাড়ীয়ে ৰজাক নানান জ্ঞান দিবলৈ ধৰিলে। এনে জ্ঞানৰ ভিতৰত যোগ দেহতত্ত্ব আদিয়েই প্ৰধান। ৰজাৰ জ্ঞানৰ পৰীক্ষাও হ'ল। পাছত ময়নামতী আৰু ৰাণীসকলৰে সৈতে গোপীচন্দ্ৰৰ মিলন হ'ল। ৰজাৰ আগমনত ৰাজধানীত আনন্দৰ সোঁত বৰলৈ ধৰিলে। প্ৰজাৰ খাজনা পুনৰ কমাই দিয়া হ'ল। দেশত সুখ-সমৃদ্ধি বৃদ্ধি পালে।

---

৪৫ *জলিয়া উঠিল যখন ব্ৰহ্মা হুতাশন। নিজনাম জপে মুনি কৰিয়া আসন।।*
মাণিকচন্দ্ৰ পুৰিয়া হইল ভস্ম ধুলি। চিতাবস্ত্ৰে উঠে মুনি নৈয়া ভিজা চুলি।। — গোপীচন্দ্ৰৰ সন্ন্যাস, পৃ ৬

গোপীচন্দ্ৰৰ গীতৰ পাণ্ডুলিপিৰ ভিন্নতা অনুসাৰে ইয়াৰ মূল কাহিনীভাগৰো ভিন্নতা পৰিলক্ষিত হয়। ৰংপুৰৰ পৰা সংকলিত গীতত গোপীচন্দ্ৰৰ ৰাণীসকলৰ ভিতৰত অদুনা আৰু পদুনাৰ উল্লেখ পোৱা যায়। ভৱানীদাসৰ সংকলনত এই দুগৰাকী ৰাণীৰ বাহিৰেও ৰত্নমালা কাঞ্চনমতী আদিৰ নাম পোৱা যায়। সুকুৰ মামুদৰ গীতত অদুনা পদুনাৰ লগতে চন্দনা আৰু ফন্দনাৰো উল্লেখ পোৱা যায়। সেইদৰে দুৰ্লভ মল্লিকৰ গ্ৰন্থত গোপীচন্দ্ৰই সন্ন্যাসৰ পৰা ঘূৰি আহি হাড়ীপাক মাটিৰ তলত পুতি থোৱাৰ উল্লেখ পোৱা যায়। এনে উল্লেখ তিব্বতীয় গাঁথা আৰু সুকুৰ মামুদৰ গীততো পোৱা যায়।

গোপীচন্দ্ৰৰ গীত'ৰ সংঘটিত ভৌগোলিক সংস্থান সম্পৰ্কতো কিছু প্ৰভেদ লক্ষ্য কৰা যায়। গ্ৰন্থসমূহৰ অন্তৰঙ্গ প্ৰমাণৰ ওপৰত ভিত্তি কৰি অনুমান কৰিব পাৰি যে গোপীচন্দ্ৰ মেহেৰকুলৰ ৰজা আছিল। ভৱানী দাসৰ গীতৰ বিভিন্ন স্থানত মেহেৰকুলৰ উল্লেখ পোৱা যায়। এনে উল্লেখ সুকুৰ মামুদৰ গীততো আছে। দুৰ্লভ মল্লিকৰ গীতৰ মতে গোপীচন্দ্ৰৰ ৰাজধানী পাটিকা নগৰ।

ভৱানী দাস আৰু সুকুৰ মামুদে যি মেহেৰকুল নগৰৰ বৰ্ণনা কৰিছে, সেয়া লালমাই পৰ্বতৰ অংশবিশেষ — আধুনিক 'ময়নামতী পাহাৰ বুলিযেই অনুমান কৰা হৈছে। এই ঠাইত আৱিস্কৃত ভগ্নাৱশেষ সমূহক প্ৰত্নতাত্ত্বিকসকলে 'ময়নামতী আৰু গোপীচন্দ্ৰৰ বাসস্থানৰ ভগ্নাৱশেষ বুলিছে। এই পাহাৰত বহুতো প্ৰাচীন দেৱালয়ৰ ভগ্নাৱশেষ আৱিস্কৃত হৈছে। উল্লেখযোগ্য যে এই পাহাৰৰ দাঁতি-কাষৰীয়া অঞ্চলত এতিয়াও বহুতো যোগীজাতিৰ লোকে বসবাস কৰে।

১৮০৯ খৃষ্টত ময়নামতী পাহাৰত আৱিস্কৃত ৰণবংকমলৰ তাম্ৰশাসনত পট্টিকেৰা নগৰ'ৰ নাম পোৱা যায়। চন্দ্ৰবংশীয় ৰজা শ্ৰীচন্দ্ৰদেৱৰ তাম্ৰশাসনতো ৰোহিতগিৰি ভূজাং অৰ্থাৎ ৰোহিতগিৰিৰি উল্লেখ পোৱা যায়। এই ৰোহিতগিৰিয়েই 'লালমাই পৰ্বত'ৰ সংস্কৃত নাম হোৱাতো সম্ভৱ। গোপীচন্দ্ৰৰ গীতত কৰতোৱা নদীৰ উল্লেখ পোৱা গৈছে। 'কালিকা পুৰাণ'ৰ মতে কৰতোৱা নদী পুৰণি কামৰূপৰ সীমা নিৰ্ধাৰক আছিল।[৪৬]

নাথপন্থী যোগীসকলে ৰজা গোপীচন্দ্ৰ মাণিকচন্দ্ৰ গোৰক্ষনাথ আৰু মীনানাথৰ কীৰ্ত্তিকাহিনীসমূহ গাই গাই দেশ দেশান্তৰ পৰিভ্ৰমণ কৰিছিল। গ্ৰীয়াৰ্চনে এনে পৰিব্ৰাজক যোগীৰ মুখৰ পৰাই 'মাণিকচন্দ্ৰ ৰাজাৰ গান সংগ্ৰহ কৰি প্ৰচাৰ কৰিছিল বুলি অনুমান কৰিব পাৰি।

---

৪৬. কৰতোয়া নদী পূৰ্বং যাবদদিকৰবাসিনীম্।
ত্ৰিংশদ যোজনবিস্তীৰ্ণং যোজনৈকশতায়তম্।। কালিকা পুৰাণ ৫১/৬৫

নাথযোগী সকলৰ মাজত প্ৰাদেশিক ব্যৱধান অধিক নাছিল। তেওঁলোক আছিল মূলত পৰিব্ৰাজক।[৪৭] নাথধৰ্ম আৰু সংস্কৃতিৰ প্ৰচাৰৰ উদ্দেশ্যে তেওঁলোকে দেশৰ ইঠাইৰ পৰা সিঠাইলৈ পৰিভ্ৰমণ কৰিছিল।

পুৰণি কামৰূপত নাথধৰ্ম প্ৰসাৰৰ একাধিক প্ৰমাণ পোৱা যায়। আনকি ৰাজস্থানত প্ৰচলিত গীতৰ মাজতো মূল কামৰূপী সুৰ নিহিত হৈ আছে।[৪৮] বৰ্তমান গোৱালপাৰা জিলাৰ ভিতৰুৱা অঞ্চলত নিৰক্ষৰ চহালোকৰ মুখত এনে গীতৰ আবৃত্তি শুনিবলৈ পোৱা যায়।

হাড়মালা ঃ

'হাড়মালা গ্ৰন্থ দ্বিজ শত্ৰুঘ্ন বিৰচিত আৰু ৰাজমোহন নাথৰ দ্বাৰা কোনো নাথযোগীৰ গৃহৰ পৰা সংগৃহীত। 'বঙ্গীয় সাহিত্য পৰিষদ পত্ৰিকা'ৰ দ্বিতীয় সংখ্যাত 'নাথধৰ্মে সৃষ্টিতত্ত্ব শীৰ্ষক আলোচনাত ৰাজমোহন নাথ সম্পাদিত 'বঙ্গীয় নাথপন্থৰ প্ৰাচীন পুথি আৰু প্ৰফুল্ল চৰণ চক্ৰবৰ্তীৰ 'নাথধৰ্ম ও সাহিত্য শীৰ্ষক গ্ৰন্থতো 'হাড়মালা গ্ৰন্থ সংকলিত হৈছে। কাছাৰ জিলাৰ নৃপেন্দ্ৰনাথ চৌধুৰীয়েও ১৯৭১ চনত গ্ৰন্থখনি অন্যান্য গ্ৰন্থৰ সৈতে প্ৰকাশ কৰি উলিয়াইছে।

'হাড়মালা গ্ৰন্থত সিদ্ধমত অনুযায়ী নাথযোগী সকলৰ 'সিদ্ধিপদ প্ৰাপ্তিৰ আভাস দাঙি ধৰা হৈছে।[৪৯] বহুযুগ ধৰি নাথযোগী সকলৰ মাজত চলি অহা কায়াযোগ সাধনাৰ আভাস গ্ৰন্থখনিত স্পষ্ট। হৰ গৌৰীৰ কথোপকথনৰ ছলেৰে গ্ৰন্থখনিত নৰদেহৰ যৌগিক ব্যাখ্যা দাঙি ধৰা হৈছে। মনকৰিবলগীয়া যে গ্ৰন্থোক্ত শিৱ পাৰ্বতী কোনো তেজ মঙহৰ দেহধাৰী জীৱ নহয় তত্ত্বৰ সাকাৰ ৰূপক মাত্ৰ।

'হাড়মালা গ্ৰন্থৰ বিষয়বস্তু এনেধৰণৰ শিৱৰ ডিঙিত হাড়ৰ মালা দেখি পাৰ্বতীয়ে ইয়াৰ কাৰণ জানিব বিচৰাত শিৱই উত্তৰ দিলে যে যুগে যুগে পাৰ্বতী শিৱৰ পত্নী আছিল আৰু যোগজ্ঞানৰ অভাৱত তেওঁ বাৰে বাৰে মৃত্যুবৰণ কৰিবলগীয়া হৈছিল। শিৱই পাৰ্বতীৰ স্মৃতিচিহ্ন স্বৰূপে প্ৰতি জন্মতেই তেওঁৰ দেহৰ একোডুখৰি হাড় জমা ৰাখি তাৰে এধাৰ মালা প্ৰস্তুত কৰি পিন্ধিছিল। অমৰত্ব গুণৰ অধিকাৰী হোৱা বাবে শিৱই পাৰ্বতীৰ পুনৰাবৰ্তনৰ কথা জানিবলৈ সক্ষম হৈছিল। শিৱৰ মুখেদি এনে কথা শুনাৰ পাছত স্বাভাৱিকতে পাৰ্বতীয়ে আশ্চৰ্য প্ৰকাশ কৰিলে আৰু স্বামীৰ পৰা অমৰত্বৰ কৌশল সম্পৰ্কে জানিবলৈ ইচ্ছা প্ৰকাশ কৰিলে।

---

৪৭ সেন সুকুমাৰ ঃ কল্যাণশ্ৰী শাৰদীয় সংখ্যা ১৩৫৫ বাংলা।

৪৮ চন্দা গোটা খুটা কৰিলে সুবিজ কৰিলে পাট।
নিজে উঠ খোৱা খোৱে ত্ৰিকোণীকে বাট।

৪৯ পণ্ডিত ভবেন্দ্ৰনাথ ঃ শৈৱ দৰ্শন আৰু সাহিত্যৰ পটভূমি, পৃ ২০৮

শিৱই পাৰ্বতীক যোগসাধনাৰ কথা উল্লেখ কৰিলে। যোগ সাধনা কৰা বাবেই শিৱ অমৰ আৰু যোগৰ অভাৱতেই পাৰ্বতী মৰণশীলা। পাৰ্বতীৰ মনৰ 'কৌতূহল দূৰ কৰিবৰ কাৰণে শিৱই লগতে যোগ আৰু দেহতত্ত্ব সম্পৰ্কীয় বিভিন্ন তত্ত্বপূৰ্ণ কথাও পাৰ্বতীৰ ওচৰত ব্যক্ত কৰে। শিৱ আৰু পাৰ্বতীৰ মাজৰ এই কথোপকথনেই হাড়মালা গ্ৰন্থৰ মূল প্ৰতিপাদ্য বিষয়।

হাড় হ'ল মানৱদেহৰ কঠিনতম পদাৰ্থ। মুণ্ড হ'ল সৰ্বজ্ঞান প্ৰকাশক বৰ্ণ বা অক্ষৰৰ প্ৰতীক।

মানৱদেহ পাঁচোটি কোষেৰে গঠিত অন্নময় প্ৰাণময় বিজ্ঞানময় আনন্দময় আৰু চিন্ময়। উপনিষদত অন্নকে জড় বোলা হৈছে। জড়ৰ পৰিণতি চিন্ময়ত্ব চিন্ময়ত্বৰ আবৰণ জড়। 'কঠোপনিষদ'ত পঞ্চভূতাত্মক জড়দেহকে প্ৰাণৰ অন্ন বোলা হৈছে।[৫০] শৰীৰস্থ কুণ্ডলিনী শক্তি মূলাধাৰৰ পৰা সহস্ৰাৰলৈ উৰ্ধগমন হ'লে ই শিৱসামীপ্য লাভ কৰে। ফলত সাধকৰ অন্তৰৰ পৰা জড ভাবৰ অৱসান ঘটে আৰু চেতন ভাবৰ উদয় হয়।

মানৱৰ মৃত্যুৰ পাছত মৃতদেহ অগ্নিদগ্ধ হ'লেও হাড অৱশেষ থাকে। বৈদিক যুগৰ যম-নচিকেতা আদিৰ কথোপকথনত বিবৃত কথাখিনিয়েই 'হাড়মালা গ্ৰন্থত হৰ পাৰ্বতীৰ সংবাদৰূপে বৰ্ণিত হৈছে। কঠোপনিষদতো যমে নচিকেতাক এধাৰি বহুৰূপা মালা উপহাৰ দিয়াৰ উল্লেখ পোৱা যায়।[৫১] এই মালাৰ সৈতে বহুজন্মৰ বহুৰূপা প্ৰকৃতিৰ স্মৃতি বিজড়িত হৈ আছে।

'হাড়মালা গ্ৰন্থৰ আলোচ্য বিষয়ত গুহ্য সাধন পদ্ধতি আৰু দৰ্শনৰ লগতে জীৱমুক্তিবাদৰ আভাস পোৱা যায়। জীৱমুক্তিবাদ আৰু গুৰুবাদৰ সৈতে নাথ সম্প্ৰদায়ৰ প্ৰাচীন ঐতিহ্য জড়িত হৈ আছে। হাড়মালা গ্ৰন্থ উক্ত ঐতিহ্য আৰু পৰম্পৰাৰ বাহক।

গ্ৰন্থখনি আৰম্ভ কৰিছে এনেদৰে

'হাড়মালা দেখে দেবি শিবেৰ গলাতে।
বিস্মিত হইয়া দেবি বোলয় শিবেতে।।
হাড়মালা কেন প্ৰভু কণ্ঠেৰ উপৰে।
বড়ই বিস্ময় প্ৰভু ভৈল মোৰ মনে।।
ইহাৰ স্বৰূপ প্ৰভু কহিবা আপনে।
যোগজ্ঞান হৃদয়ঙ্গম কৰা কাৰণেই শিৱ মৃত্যুঞ্জয়ী।।

---

৫০ কঠ উপনিষদ ২/৩/১৮
৫১ কঠ উপনিষদ ১/১/১৬

ব্রহ্মজ্ঞান চিন্তাই শিৱৰ জৰা মৃত্যুৰ পৰা হাত সাৰি থকাৰ একমাত্র কাৰণ

'শিৱে বোলে দেৱি আমি জানি যোগ।
ব্রহ্ম জ্ঞান চিন্তি থাকি নাহি মৃত্যু ৰোগ।।

'হাড়মালা' গ্রন্থৰ আন এটি মনকৰিবলগীয়া বৈশিষ্ট্য হৈছে নাথধর্মৰ সৃষ্টিতত্ত্ব ব্যাখ্যা। হাড়মালাৰ সৃষ্টিতত্ত্বত বেদান্ত শূন্যবাদ সাংখ্য তন্ত্র উপনিষদ বিবিধ পুৰাণ সংহিতা আৰু যোগশাস্ত্রৰ প্রভাব পৰিছে। হাড়মালাত ব্রহ্মৰ স্বৰূপ বর্ণনা সৃষ্টিতত্ত্ব শৰীৰতত্ত্ব নাদ আৰু বিন্দুতত্ত্ব নাড়ী আৰু বায়ুতত্ত্ব জীৱাত্মা প্রভৃতিৰ কার্য শিৱ শক্তিৰ স্বৰূপ শূন্যতত্ত্ব নিৰঞ্জনতত্ত্ব আদি বিবিধ বিষয়ৰ তাত্ত্বিক আলোচনাই ঠাই পাইছে। মুঠতে নাথধর্ম আৰু সাধনাৰ এটি সামগ্রিক ৰূপ গ্রন্থখনিত বিদ্যামান।

হাড়মালাত চন্দ্র সাধনৰ যোগেদি কায়াসিদ্ধি লাভ কৰি অমৰত্ব লাভ কৰাৰ লগতে ওঁ-কাৰ সাধনৰ জড়িয়তে ব্রহ্মপ্রাপ্তিৰ নির্দেশ দিয়া হৈছে। নাথধর্মৰ মতে শব্দময় ব্রহ্ম আৰু নিশব্দময় নিৰঞ্জন পৰমাত্মা'ৰ মাজত কোনো ভেদ নাই। শব্দাতীত নিৰঞ্জন পৰব্রহ্মৰেই অন্য নাম। আকৌ পৰব্রহ্মক একমেবাদ্বিতীয়ম বোলা হৈছে। আনহাতে শিৱকো 'শিৱমেবাদ্বিতীয়ম' বুলিছে। পৰমাত্মাৰ বিষয়ে লিখি শেষ কৰিব নোৱাৰি বাবেই তেও অলখ অলখনাথ বা অলখ নিৰঞ্জন।

হাড়মালাৰ আন এঠাইত নিৰাকাৰ ব্রহ্মক ধর্ম'স্বৰূপ বোলা হৈছে। এইখিনিতেই শূন্যপুৰাণৰ সৃষ্টিতত্ত্বৰ সৈতে হাড়মালাৰ সাদৃশ্য মনকৰিবলগীয়া। হাড়মালাত বর্ণিত বিবিধ তত্ত্বৰ প্রাসঙ্গিক ব্যাখ্যাই গ্রন্থখনিৰ সাহিত্যিক আৰু দার্শনিক গাম্ভীর্য বৃদ্ধি কৰিছে।

অনাদ্য চৰিত্র

'অনাদ্য চৰিত্র' নামৰ পুথিখনি অসমৰ হাইলাকান্দিৰ পৰা সংগ্রহ কৰি ৰাজমোহন নাথে 'বঙ্গীয় সাহিত্য পৰিষদ পত্রিকা'ত 'নাথধর্মে সৃষ্টিতত্ত্ব' শীর্ষক প্রবন্ধত আলোচনা কৰে। পৰৱর্তী কালত এই গ্রন্থখনি 'বঙ্গীয় নাথপন্থৰ প্রাচীন পুথি'ত সংকলিত হয়।

'অনাদ্য চৰিত্র' গ্রন্থখনি নাথগুৰুৰ প্রতি শ্রদ্ধা-সহকাৰে প্রণাম জনাই আৰম্ভ কৰা হৈছে

'প্রণামহ নত শিৱে নাথে গুৰুৰ চৰণ।
আদি অন্ত নাই তাৰ জীৱন মৰণ।।
নাই তান ৰূপ ৰেখ নাই তান দেয়।
নিকটে আচয় মর্ম না জানিয় কেয়।। (১)।

নাই আদ্য অনাদ্য না ছিল ধর্মেশ্বৰ।

না ছিল চন্দ্র সূর্য স্বর্গ ইন্দ্রেশ্বৰ।। (৪)।
না ছিল আকাশ পাতাল ধৰণী পৱন।
না ছিল অগ্নিপানী না ছিল হুতাশন।।
না ছিল দৰিয়া সাগৰ কুলাকুল।
না ছিল পূর্ব-পশ্চিম তিনিকুল।। (৫)

সেই সময়ত অলেকনাথে সত্যযুগ সৃষ্টি কৰাৰ কথা ভাবিলে আৰু নিৰাকাৰ ৰাতিৰ পৰাই দিৱসৰ সৃষ্টি কৰিলে।[৫২] অলেকনাথেই দ্বৈতাদ্বৈতৰ অতীত অদ্বয় অৱস্থা। নাথগুৰুৰ সংকল্পৰ পৰাই প্ৰথম অনাদি দেহৰ সৃষ্টি হৈছে। অনাদ্য চৰিত্ৰত দেহতত্ত্ব পিণ্ড আৰু ব্ৰহ্মাণ্ডতত্ত্ব প্ৰণৱ আৰু গায়ত্ৰীতত্ত্ব নাড়ীতত্ত্ব আৰু সৃষ্টিতত্ত্বৰ তাত্ত্বিক ব্যাখ্যা পোৱা যায়।

'অনাদ্য চৰিত্ৰ'ত নাথধৰ্মৰ সৃষ্টিতত্ত্বৰ বিষয়ে বিবৃত কথাখিনি ঋকবেদৰ নাৰদীয় সূক্তৰ অনুৰূপ।[৫৩]অনাদ্য চৰিত্ৰত কল্পাতীত পৰমব্যোমৰ গৰাকীকে অলেকনাথ বা অলখ নিৰঞ্জন বোলা হৈছে। প্ৰাণ শক্তিয়েই সৃষ্টি ব্যঞ্জনাৰ কাৰণ অনাদি ধৰ্মনাথ। এঁৱে শিৱ। আদ্যাশক্তিয়েই কাকেতুকা দেৱী মায়া।

অনাদ্য চৰিত্ৰৰ মতে অনাদি ধৰ্মনাথে মৃত গো-ৰূপ ধাৰণ কৰি নিজ পুত্ৰসকলৰ ওচৰত আবিৰ্ভাৱ হৈ তেওঁলোকৰ পৰীক্ষা কৰিলে। একমাত্ৰ শিৱই পিতৃৰ ছলনা বুজি পাই মৃত গো দেহক যথাবিধি সৎকাৰ কৰিলে। সেই সময়তে অনাদি ধৰ্মনাথৰ বিভিন্ন অঙ্গৰ পৰা অষ্টসিদ্ধা আৰু নৱনাথৰ উৎপত্তি হোৱা বুলি কাব্যখনিত বৰ্ণনা কৰা হৈছে।

মনসা কাব্য ঃ

ভাৰতবৰ্ষত অতি প্ৰাচীন কালৰে পৰাই সৰ্পপূজাৰ প্ৰচলন আছিল বুলি ধাৰণা কৰিব পাৰি। শুক্ল যজুৰ্বেদ[৫৪] তৈত্তিৰীয় সংহিতা[৫৫] আপস্তম্ভ শ্ৰৌতসূত্ৰ[৫৬] আদিত প্ৰাচীন সৰ্পপূজাৰ আভাস পোৱা যায়।

মনসা কাব্যৰ প্ৰধান উপাস্য দেৱী মনসাৰ প্ৰাচীনত্বৰ সম্পৰ্কে কবলৈ গৈ পণ্ডিতকলে দুগৰাকী নাৰীৰ উল্লেখ কৰিছে। দুয়োগৰাকী নাৰীয়েই অথৰ্ব বেদৰ। ইয়াৰে এগৰাকী হৈছে 'সৰ্পবিদ্যা বিশাৰদা কিৰাত কন্যা আৰু আনগৰাকী হৈছে সৰস্বতী।

৫২ *সিদ্ধ সিদ্ধান্ত পদ্ধতি ১/৪*
৫৩ *বক্তব্য বেণীমাধৱ ঃ সভাপতিৰ অভিভাষণ বঙ্গীয় সাহিত্য পৰিষদ ১৩৩১ বাংলা।*
৫৪ *শুক্ল যজুৰ্বেদ ১৩/৬-৮*
৫৫ *তৈত্তিৰীয় সংহিতা ৪/২/১/২৮*
৫৬. *আপস্তম্ভ শ্ৰৌতসূত্ৰ ১৬/২/৪*

অথৰ্ববেদৰ মতে দুয়োগৰাকীয়েই বিশনাশিনী। পণ্ডিতসকলে অনুমান কৰে যে বৌদ্ধসকলৰ সৰ্প দেৱী জাঙ্গুলীয়েই কালক্ৰমত মনসা দেৱীলৈ ৰূপান্তৰিত হৈছে।

মনসা শব্দটো গঠিত হৈছে 'মনস্ শব্দৰ তৃতীয়া'ৰ একবচনত। মনসা হৈছে মনৰ কৰণ বা ক্ৰিয়াৰ প্ৰতীক। মনস্তাত্ত্বিক সকলৰ মতে মানৱ জীৱন কিছুমান মানসিক প্ৰবৃত্তিৰ সমষ্টি। 'মনেই হৈছে মানুহৰ সবাতোকৈ দ্ৰুত আভ্যন্তৰীণ মানসিক শক্তি। মানুহৰ দশেন্দ্ৰিয়ৰ বাহিৰেও স্মৃতি চেতনা আদিৰ ওপৰতো মনৰ প্ৰভাৱ দেখা যায়। মনৰ দ্বাৰাই মানৱ জীৱন পৰিচালিত হয়।

সাংখ্য আৰু যোগ দৰ্শনতো মনৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেখা যায়। মনৰ বৃত্তিসমূহৰ নিৰোধৰ যোগেদিহে জীৱৰ মুক্তি সম্ভৱ। মনৰ বৃত্তিসমূহৰ বাবেই মানৱ জীৱন অমৃতময় নাইবা বিষময় হ'ব পাৰে। 'মনসা মংগল কাব্য'ত মনসাৰ দুই প্ৰকাৰৰ দৃষ্টিৰ ফলস্বৰূপে চণ্ডীৰ জীৱনলৈ অহা বিবিধ পৰিৱৰ্তনৰ উল্লেখ পোৱা যায়। বৌদ্ধ তান্ত্ৰিকসকলেও মূলাধাৰস্থিত কুণ্ডলিকেই জাঙ্গুলিৰূপত উপাসনা কৰে। মনসা কবিসকলেও তোতলা ব্ৰহ্মাণী মনসা বিষহৰি পদ্মা আদি বিভিন্ন নামেৰে এইগৰাকী দেৱীৰ গুণানুকীৰ্ত্তন কৰিছে।

পাণিনিয়ে মনৰ পৰা মনসাৰ উৎপত্তি হোৱা বুলিছে। 'অনাদ্য চৰিত্ৰ'ত অনাদিৰ হাতৰ পৰাই আদ্যশক্তি তথা কাকেতুকাৰ জন্ম হোৱা বুলিছে।

মনসাৰ আন নাম কেতকা। 'অনাদ্য চৰিত্ৰ'ত উল্লেখ কৰা মনস্বাই মনসা আৰু কাকেতুকাই কেতুকা হোৱাটো সম্ভৱ। কেত কেতু কেতন — আদি শব্দৰ অৰ্থ 'স্ফুৰ জ্যোতি ।

খৃ দশম শতিকাৰ পাছত ৰচিত দেৱী ভাগৱত আৰু 'ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ'ত মনসাদেৱীৰ জন্মবৃতান্ত বিবৃত হৈছে। দুয়োখন পুৰাণৰ মতেই মনসা কাশ্যপ ঋষিৰ মানস কন্যা। সেয়ে তেওঁৰ নাম মনসা।

মনসা সৰ্পৰ দেৱী বাসুকীৰ ভগিনী আৰু সৰ্ববিষ বিনাশিনী। মনসা দেৱীৰ পূজা পদ্ধতিৰ বিষয়ে সৃষ্টি হোৱা সাহিত্যৰ প্ৰথম নিদৰ্শন পোৱা যায় খৃ পঞ্চদশ শতিকাৰ শেষভাগৰ পৰা।

মনকৰ বিৰচিত মনসা কাব্য তিনিটা খণ্ডত বিভক্ত। সৃষ্টিখণ্ড হৰ গৌৰীৰ বিবাহ খণ্ড আৰু পদ্মাজন্ম খণ্ড। কাব্যৰ সৃষ্টি খণ্ডত বৰ্ণিত বৰ্ণনাৰ সৈতে শূন্য পুৰাণ আৰু অন্যান্য ধৰ্ম সাহিত্যৰ সৃষ্টিতত্ত্বৰ সাদৃশ্য মনকৰিবলগীয়া। মনকৰৰ সৃষ্টিতত্ত্ব মতে শিৱই পৰমপুৰুষ। আনহাতে ধৰ্মদেৱতা আৰু মহাদেৱকো কাব্যখনিত একে কৰি দেখুওৱা যেন লাগে। পণ্ডিতসকলে অনুমান কৰে যে এই সৃষ্টিতত্ত্ব তান্ত্ৰিক বজ্ৰযান আৰু শৈৱনাথ সম্প্ৰদায়ৰ ধৰ্মমতৰ সংমিশ্ৰণত উদ্ভৱ হৈছে। 'বৃহধৰ্ম পুৰাণ'তো এনে সৃষ্টিতত্ত্বৰ আভাস

পোৱা যায়। মনকৰৰ মনসাকাব্যই ধৰ্ম আৰু শৈৱনাথ ধৰ্মমতৰ এটা লুপ্তপ্ৰায় স্তৰ নিৰ্দেশ কৰা বুলি পণ্ডিতসকলে অনুমান কৰে।

অসমৰ কামৰূপ গোৱালপাৰা আৰু দৰং জিল্লাৰ নাথযোগী সকলৰ মাজতো মনসা পূজাৰ প্ৰচলন দেখা যায়। অসমীয়া মনসা কাব্যত দেৱীৰূপে মনসাৰ মাহাত্ম্য আৰু পূজা পদ্ধতিৰ বৰ্ণনা দাঙি ধৰা হৈছে। মনকৰ দুৰ্গাবৰ আৰু সুকবি নাৰায়ণদেৱ ৰচিত মনসাকাব্যও পুৰণি অসমত মনসা পূজাৰ প্ৰচলনৰ আভাস পোৱা যায়। মাৰি মৰক বিনাশিনী কাৰণে মনসাৰ আন নাম 'মাৰৈ'। অসমৰ বড়ো-কছাৰী সকলৰ মাজতো মাৰৈ পূজাৰ প্ৰচলন দেখা যায়। মনসাপূজাৰ সৈতে জড়িত আন দুটি বহিৰঙ্গ অনুষ্ঠান হৈছে দেওধনি আৰু ওজাপালি। কছাৰীসকলৰ মাৰৈ পূজাৰ সৈতে দেওধনী নৃত্য অঙ্গাঙ্গীভাৱে জড়িত। কিন্তু শাস্ত্ৰীয় পূজা পদ্ধতিৰ সৈতে এই দুটা অনুষ্ঠানৰ বিশেষ সম্পৰ্ক দেখা নাযায়।

কামৰূপত মনসা পূজাৰ সৈতে ধৰ্ম পূজা'ও সংযুক্ত হৈ থকা দেখা যায়। এই পূজাত ধৰ্মৰ ঘট বুলি এটি জলপূৰ্ণ ঘট পূজা কৰি সেই জলেৰে মনসাক স্নান কৰোৱা হয়। মঙ্গলদৈ অঞ্চলত অনুষ্ঠিত মনসা পূজাৰ লগতে ধৰ্মদেৱতাৰ নামতো এভাগ পূজা কৰা হয়।

সাধাৰণতে সিজুগছৰ ঠানিত মনসা দেৱীৰ নিবাস বুলি বিশ্বাস কৰা হয়। সেয়েহে মনসা পূজাত সিজু গছৰ ঠানি বিশেষভাৱে প্ৰয়োজনীয়। 'অনাদ্য চৰিত্ৰ'ত ধৰ্মদেৱতাৰ পিঠিৰ ঘামৰ পৰাই সিজুগছৰ উৎপত্তি হোৱা বুলি কোৱা হৈছে।

তৃতীয় অধ্যায়

ৰামাই পণ্ডিতৰ 'শূন্যপুৰাণ'

'অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি'ত ডিম্বেশ্বৰ নেওগ বৰ্তমান বংগীয় সাহিত্যৰ অন্তৰ্গত ৰামাই পণ্ডিতৰ 'শূন্যপুৰাণ কবি সঞ্জয় আৰু কবীন্দ্ৰ পাত্ৰৰ মহাভাৰত আৰু তাৰ উপৰি 'ময়নামতী আৰু গোপীচন্দ্ৰৰ গান অসমীয়া বুলি সুমুৱাই লয় আৰু 'অসমীয়া সাহিত্যিকসকলে এইবিষয়ে গহীনকৈ ভাবি চাব বুলি আশা কৰে।

ৰামাই পণ্ডিতৰ 'শূন্য পুৰাণ ধৰ্ম দেৱতাৰ পূজা সম্পৰ্কে বৰ্ণনা কৰা হৈছে। ধৰ্মপূজা মূলত বংগদেশৰ পশ্চিমাঞ্চলৰ উৎসৱ যদিও প্ৰাচীন অসমতো ধৰ্ম দেৱতাৰ পূজা প্ৰচলন থকাৰ প্ৰমাণ পোৱা গৈছে। বংগদেশৰ পশ্চিমাঞ্চলত ৰাঢ় প্ৰদেশত প্ৰধানভাৱে এই পূজা প্ৰচলিত হ'লেও অসমতো মনসা পূজাৰ লগত ধৰ্ম দেৱতাই এভাগি পূজা পায়। শূন্য পুৰাণৰ সম্পাদক নগেন্দ্ৰ নাথ বসু আৰু দীনেশ চন্দ্ৰ সেনৰ মতে ৰামাই পণ্ডিত একাদশ শতিকাৰ বাঁকুড়া জিলাৰ লোক। অৱশ্যে এই সম্পৰ্কে মতভেদো আছে।

দীনেশ চন্দ্ৰ সেনৰ মতে 'শূন্য পুৰাণ'ৰ কবি ৰামাই পণ্ডিতেই পোন প্ৰথমে বংগদেশত ধৰ্মমত প্ৰচাৰ কৰে। অৱশ্যে ৰামাই পণ্ডিতৰ সকলোবোৰ কথা ঐতিহাসিক বুলি ধৰিব নোৱাৰি। দীনেশ চন্দ্ৰ সেনে ৰামাই পণ্ডিত সম্পৰ্কে History of Bengali Literature'ত লিখিছে

Ramai pandit was a contemporary of Dharma Pal II who reigned in Gaud in the early part of the 11th Century A D Rajendra Chalo s rock inscription (1012 A D) discovered in Tirumalaya probably makes mention of this monarch Rama Rai Pandit was born on the 5th day of the waxing moon in the month of Baisakh, towards the end of the 10th century A D

যোগেশ চন্দ্ৰ বিদ্যানিধিৰ মতে শূন্য পুৰাণ চতুৰ্দশ শতিকাৰ আগৰ নহয়। সুকুমাৰ সেনে ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰি শূন্য পুৰাণৰ ভাষা কোনোপধ্যেই ষোড়শ শতিকাৰ আগৰ নহয় বুলি মত প্ৰকাশ কৰিছে। গতিকে দেখা যায় যে শূন্যপুৰাণৰ ভাষাত বিভিন্ন যুগৰ ভাষাৰ প্ৰভাৱ সংৰক্ষিত হৈ আছে।

শূন্য পুৰাণৰ ভাষাৰ মাজত অসমীয়া ভাষাৰ বৈয়াকৰণিক ঠাচ বিদ্যমান। সেইবাবেই চৰ্যাগীত আৰু শ্ৰীকৃষ্ণ কীৰ্তনৰ সৈতে থকা সাদৃশ্যৰ প্ৰতি লক্ষ্য ৰাখি কোনো কোনোৱে ইয়াক অসমীয়া সাহিত্যৰ প্ৰাক-শংকৰী যুগৰ নিদৰ্শন ৰূপে মতপ্ৰকাশ কৰিছে। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে — 'নাৰায়ণদেৱৰ পদ্মপুৰাণৰ দৰে হয়তো শূন্য পুৰাণৰো কোনো কোনো খণ্ড এসময়ত অসম আৰু বংগদেশ দুয়ো ঠাইতে প্ৰচলিত আছিল। সেইকাৰণে মনকৰৰ কাব্যৰ লগত স্থান বিশেষে শূন্য পুৰাণৰ অংশ বিশেষৰ অদ্ভুত সাদৃশ্য দেখা পাও। মনকৰ পঞ্চদশ শতিকাৰ শেষ আৰু ষোড়শ শতিকাৰ আদি ভাগৰ কবি সেই হিচাপে শূন্য পুৰাণৰ অংশ বিশেষৰ ৰচনা কাল পঞ্চদশ শতিকা বা তাৰ অলপ আগত নিৰ্ণয় কৰিব পাৰি। শূন্য পুৰাণৰ বাক্যবিলাক চুটি চুটি আৰু উক্তি প্ৰত্যুক্তিৰে পৰিপূৰ্ণ। উদাহৰণস্বৰূপে — কোন মাসে কোন ৰাসি। চৈত্ৰ মাসে মীন ৰাসি। হে কালিন্দি জল বাৰ ভাই বাৰ আদিত্ত। হস্ত পাতি লহ সেৱকেৰ অৰ্ঘ্য পুষ্প পানি। সেৱক হ'ব সুখি আমনি ধামাৎকান্নি। শূন্য পুৰাণৰ অন্তৰ্গত 'অথবাৰমাসি খণ্ডত চ'ত মাহৰ পৰাই গোটেই বাৰ মাহৰ প্ৰতি মাহৰে ৰাশি ৰাশিৰ অধিপতি দ্বাদশ আদিত্যৰ নাম অঘ্য পুষ্প জল নিবেদন কৰি সুখ আৰু মুক্তি কামনা কৰিছে। বাৰজন দেৱতা দ্বাদশ ভাতৃ ভগ্নীৰ কল্পনা কৰিছে আৰু প্ৰত্যেকক আদিত্য বুলিছে। তেনেকৈয়ে 'অৰ্থ-ধৰ্ম স্থান অংশটো শঙ্খৰ বৰ্ণনা কৰিছে। ইয়াৰো কিছু অংশ গদ্যত ৰচনা কৰিছে। এই গদ্যৰো বৈশিষ্ট্য আছে। 'অথ বাৰ মাসি আৰু 'অথ ধৰ্মস্থান দুয়ো খণ্ডৰে গদ্য ৰচনাত পদ্যৰ ছন্দ থকা যেন লাগে। এয়া ৰচকজনৰ বৈশিষ্ট্য বুলিব পাৰি।[১]

সৃষ্টি পাতনিৰ বৰ্ণনাৰে 'শূন্য পুৰাণ আৰম্ভ কৰা হৈছে আৰু আৰম্ভণিৰ পূৰ্বতে ধৰ্মদেৱতাক শ্ৰী শ্ৰী ধৰ্মায় নম বুলি প্ৰণাম জনোৱা হৈছে। তাৰ পাছতেই সৃষ্টিৰ পূৰ্বতে পৰ্বত পাহাৰ ৰবি শশী সাগৰ দেৱতা ঋষি মুনি জীৱ-জন্তু একোৱেই নাছিল বুলি উল্লেখ কৰিছে। এদিন প্ৰভুৰ দয়া হোৱাত নিজৰ পৰাই পুৰুষৰ জন্ম দিলে। এনেদৰে চৈধ্য যুগ অতিক্ৰম কৰাৰ পিছত বিভিন্ন জীৱ-জন্তু চৰাচৰ পুৰুষ প্ৰকৃতি আদিৰ জন্ম দিলে। ৫৬ টা অধ্যায়ত সম্পূৰ্ণ শূন্য পুৰাণৰ প্ৰথম ৫টা অধ্যায়ত সৃষ্টি পাতনিৰ বৰ্ণনা কৰা হৈছে আৰু পৰৱৰ্তী অধ্যায়সমূহত ধৰ্মপূজাৰ বিবিধ পদ্ধতি সম্পৰ্কে

---

১ হাজৰিকা বিশ্বেশ্বৰ (সম্পা) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী ১ম খণ্ড।

আলোচনা সন্নিবিষ্ট হৈছে। গ্ৰন্থৰ একেবাৰে শেষৰ অধ্যায়ত বৌদ্ধধৰ্মৰ পতন আৰু হিন্দুধৰ্মৰ পুনৰ উত্থানৰ কথা লিপিবদ্ধ কৰা হৈছে।

ধৰ্মপূজা বংগদেশৰ পশ্চিম অঞ্চলৰ ধৰ্মীয় উৎসৱ। বংগদেশত সাধাৰণতে পতিত ব্ৰাহ্মণ আৰু নিম্নশ্ৰেণীৰ হিন্দুৰ মাজত শূন্যৰূপী ধৰ্মদেৱতাৰ পূজা প্ৰচলিত হৈ আহিছে। ধৰ্মপূজাৰ সৈতে আৰ্য অনাৰ্য বৈদিক পৌৰাণিক বৌদ্ধ প্ৰভৃতি বিবিধ প্ৰভাৱৰ সমন্বয় সাধিত হৈছে।

অসমতো এসময়ত ধৰ্মপূজাৰ প্ৰচলন আছিল। বৈষ্ণৱ ধৰ্মৰ চৰিত পুথিত উল্লেখ থকা মতে অনন্ত কন্দলি ধৰ্ম পূজক আছিল কিন্তু তেওঁৰ পত্নী আছিল পৰম বিষ্ণুভক্তা। অনন্ত কন্দলিৰ পূজাত ধৰ্ম দেৱতা সন্তুষ্ট হৈ ধৰ্মই বৃষভ ৰূপ ধাৰণ কৰি নিতৌ তেওঁৰ পূজা গ্ৰহণ কৰিছিল। চৰিতকাৰৰ ভাষাত —

ধৰ্ম পূজে সন্তোষ হৈ পূজাত ব্যক্ত হৈ বৃষভ স্বৰূপে গ্ৰহণ কৰে নিতে। তাৰাৰ পত্নীটি মহা শান্তি বিষ্ণুৰ ভক্তা অশোকাৰ বিপ্ৰপত্নী সদৃশ। আত্ৰ নিতে হৰি গুণ গাই গুৰুজনৰ মাহাত্ম্য উৎকৰিয়া কৰি থাকে।

এই কথাত খং উঠি অনন্ত কন্দলিয়ে এদিন পত্নীক মাৰ কিল কৰাত সেইদিনাৰে পৰা পূজাত বৃষৰূপ ধৰ্মই দেখা নিদিয়া হ'ল পূজাও গ্ৰহণ নকৰা হ'ল। সেয়ে কবিৰ মনটো বিষণ্ন হৈ পৰিল। পিছত পত্নীয়ে তেওঁৰ দুখৰ কাৰণ সোধাত কন্দলিয়ে উত্তৰ দিছিল — বোলে কি সোধ মই যাক পূজিছিলোঁ চৈতন্য ৰূপে লৈছিল। তোক মাৰিবৰ পৰা নোলাই নাখাইও। তেতিয়া অনন্ত কন্দলিৰ পত্নীয়ে উত্তৰ দিছিল — শ্ৰীশংকৰ ৰূপে হৰি অৱতাৰ পূৰ্ণে বটদ্ৰৱাত ত'লৈকে গ'ল। পত্নীৰ কথা শুনি শংকৰদেৱৰ ওচৰলৈ গৈ অনন্ত কন্দলিয়ে তেওঁ ধৰ্মচৰ্চা কৰি থকা ঠাইতে দেখিলে ধৰ্ম পৰি আছে কপিলা গো ৰূপে। তেতিয়া শংকৰদেৱৰ আগত অনন্ত কন্দলিয়ে ধৰ্ম পূজা কৰাৰ কথা ব্যক্ত কৰে।

পশ্চিম অসমত মনসা পূজাৰ লগতে ধৰ্ম পূজা হয়। মনসা দেৱীৰ পূজাৰ আগদিনা পূৰ্ণ ঘট আগলি কলপাতত পতা হয় আৰু ইয়াক ধৰ্মৰ ঘট বোলা হয়। মনকৰৰ মনসা গীততো ধৰ্ম সম্বন্ধে উল্লেখ পোৱা যায়। নামনি অসমত প্ৰাচীন কালৰে পৰাই গৃহদেৱতা হিচাপে আনুসংগিকভাৱে ধৰ্মদেৱতাৰ পূজা কৰা দেখা যায়। 'উজনি অসমতো বিয়াৰ হোমৰ ওচৰত কন্যাৰ মোমায়েকে ধৰ্মৰ ঘট ধৰা কথাটো আৰু চাওঁতাল আদি অষ্ট্ৰিক ভাষীলোকৰ বিয়াত কইনাৰ মোমায়েকৰ প্ৰাধান্যৰ কথা এই বিষয়ত বিশেষ মন কৰিবলগীয়া।'[২]

---

২ নেওগ মহেশ্বৰ পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি পৃঃ ৫১।

শূন্য পুৰাণৰ ভাষাৰ বিষয়ে উল্লেখ কৰি বিশিষ্ট সাহিত্যিক সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীয়ে লিখিছে —

'ৰামাই পণ্ডিতৰ দ্বাৰা ৰচিত শূন্য পুৰাণ আন এখনি অসমীয়া-বঙালী ভাষাৰ উমৈহতীয়া নিদৰ্শন দাবি ধৰা কাব্য। বঙালীসকলে কাব্যৰ ৰূপত এই পুথিৰ তুলনা কৰিব পাৰে। এই পুথিত মহাযানী বৌদ্ধ আৰু তান্ত্ৰিক হিন্দুৰ আচাৰ-বিচাৰ ধ্যান-বিশ্বাস আদিৰ প্ৰভাৱ মনকৰিবলগীয়া। তদুপৰি পুথিত নানা কালৰ কথিত ভাষাৰ প্ৰভাৱ লক্ষ্য কৰা যায়। এই বিলাকৰ পৰাও অনুমান হয় সম্ভৱত এই পুথিয়ে লিখিতভাৱে সম্পূৰ্ণ ৰূপ লাভ কৰাৰ আগতে মানুহৰ মুখ বাগৰি চলি আহিছিল আৰু ৰামাই পণ্ডিতে ব্যক্তিগতভাৱে কবিপ্ৰাণৰ আবেগ ঢুলি তাকেই নতুন জীৱন দিলে।'[৩]

বংগদেশত ধৰ্মপূজা সাধাৰণতে পতিত ব্ৰাহ্মণ আৰু নিম্নশ্ৰেণীৰ হিন্দুসকলৰ মাজত প্ৰচলিত। হৰপ্ৰসাদ শাস্ত্ৰীয়ে ধৰ্মদেৱতাক বংগদেশত বৌদ্ধধৰ্মৰ প্ৰভাৱৰ শেষ প্ৰতীক বুলি ভাবে। অৱশ্যে 'শূন্যপুৰাণ'ৰ ধৰ্মদেৱতা তথা ধৰ্মপূজাৰ উৎপত্তি আৰু বিকাশত মহাযানী বৌদ্ধধৰ্মৰ লগতে তান্ত্ৰিক হিন্দুধৰ্ম আৰু আদিম লোক বিশ্বাস আৰু লোকাচাৰৰ প্ৰভাৱৰ দিশটোও অস্বীকাৰ কৰিব নোৱাৰি। মুঠতে ধৰ্মপূজাৰ সৈতে বৌদ্ধ তান্ত্ৰিক হিন্দু আৰু লৌকিক প্ৰভাৱ সন্নিবিষ্ট হৈ আছে।

বড়ু চণ্ডীদাসৰ শ্ৰীকৃষ্ণকীৰ্তন

অসমীয়া আৰু বঙলা উভয় ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যৰে পৰিপূৰ্ণ পুৰণি পুথিসমূহৰ ভিতৰত বড়ু চণ্ডীদাসৰ শ্ৰীকৃষ্ণকীৰ্তন অন্যতম। বাণীকান্ত কাকতিয়ে শ্ৰীকৃষ্ণকীৰ্তনৰ ভাষা আলোচনা কৰি ইয়াত অসমীয়া আৰু বঙালী উভয় ভাষাৰ নিদৰ্শন সন্নিবিষ্ট হোৱা বুলি উল্লেখ কৰিছে।

বড়ু চণ্ডীদাসৰ শ্ৰীকৃষ্ণকীৰ্তন খনি বসন্তৰঞ্জন ৰায় বিদ্বৎবল্লভে সম্পাদনা কৰি উলিয়াইছে। এই চণ্ডীদাস পৰৱৰ্তী কালৰ পদাৱলী ৰচয়িতা চণ্ডীদাসৰ পৰা পৃথক। গ্ৰন্থখনৰ ৰচনাকাল চতুৰ্দশ শতিকা বুলি পণ্ডিতসকলে মতপোষণ কৰিছে।

শ্ৰীকৃষ্ণকীৰ্তন ৰাধা-কৃষ্ণৰ প্ৰেম-লীলা বিষয়ক এখনি শৃংগাৰ ৰসাত্মক কাব্য। কাব্যখনত বিষ্ণু বা কৃষ্ণকে একমাত্ৰ উপাস্য দেৱতা হিচাপে প্ৰতিষ্ঠা কৰাৰ হৈছে। জয়দেৱৰ গীত-গোবিন্দৰ ৰাধা-কৃষ্ণৰ প্ৰেমবিষয়ক বিষয়বস্তুৰ আভাস কাব্যখনত লক্ষ্য

---

৩ গোস্বামীসৰ সত্যেন্দ্ৰ নাৰায়ণ : অসমীয়া সাহিত্যৰ কথা পৃঃ ১৪।

কৰা যায়। কাব্যখনত ৰাধা-কৃষ্ণৰ লীলাক জন্মখণ্ড অম্বুলখণ্ড দানখণ্ড নৌকাখণ্ড ভাৰখণ্ড ছত্ৰখণ্ড বৃন্দাবন খণ্ড কালীদমন খণ্ড যমুনাখণ্ড বংশীখণ্ড আৰু ৰাধাবিৰহখণ্ড এই তেৰটা খণ্ডত বিভক্ত কৰা হৈছে। একো একোটা খণ্ডত কৃষ্ণ বিষয়ক একোটি ঘটনা বা আখ্যান বৰ্ণনা কৰা হৈছে। মাজে মাজে সংস্কৃত শ্লোকৰ প্ৰয়োগে আৰু পাত্ৰ পাত্ৰীৰ আলাপ সংলাপৰ যোগেদি নাট্যৰস সৃষ্টি কৰিছে।[৪] কাব্যখনৰ প্ৰতিটো খণ্ডই স্বয়ংসম্পূৰ্ণ যদিও ঠাইবিশেষে পৰস্পৰৰ মাজত সংযোগ সূত্ৰ ৰক্ষিত হৈছে। আনহাতে ঠাইবিশেষে কবিয়ে নিজৰ উক্তি অথবা সংস্কৃত শ্লোকৰ জৰিয়তে সংযোগ সূত্ৰ ৰক্ষাৰ প্ৰয়াস কৰিছে। কাব্যখনিত মুঠ ১৬১ টা শ্লোক আৰু ৪১৮ টা পদ আছে। কাব্যৰ অন্তৰ্গত গীতসমূহত ৰাগ তাল আদি নিৰ্দেশ কৰাৰ পৰা অনুমান কৰিব পাৰি যে এইবোৰ গাবৰ কাৰণে ৰচিত হৈছিল। এটা পুৰুষ আৰু একাধিক নাৰীচৰিত্ৰ থকা গুণে কোনো কোনোৱে ইয়াক ঝুমুৰ শ্ৰেণীৰ শৃংগাৰ ৰসাত্মক গীতিকাব্য বুলিব আৰু উত্তৰ বংগৰ 'জাগেৰ গান'ৰ সৈতে মিল দেখুৱাব খোজে।

কাব্যখনৰ আখ্যানভাগৰ মূল কি সেই সম্পৰ্কে নিশ্চিতভাৱে ক'ব নোৱাৰি। কিয়নো কাব্যৰ অন্তৰ্গত জন্ম বৃন্দাবন কালীযদমন বস্ত্ৰহৰণ আৰু ৰাধাবিৰহ খণ্ডৰ সৈতে ভাগৱত পুৰাণ বিষ্ণু পুৰাণ আৰু ব্ৰহ্মবৈবৰ্ত পুৰাণৰ কাহিনীগত সাদৃশ্য থাকিলেও অন্যান্য খণ্ড বিশেষকৈ অম্বুল দান নৌকা ভাৰ ছত্ৰ বংশী বাণ প্ৰভৃতি খণ্ডৰ মূল নিৰ্ণয় কৰাটো সম্পূৰ্ণ কঠিন। সুকুমাৰ সেনে মতপ্ৰকাশ কৰে যে এই খণ্ডবোৰটা হৰিবংশ নামৰ কোনো লৌকিক পুৰাণ লৌকিক কাহিনী অথবা কবি কল্পনাৰ সহায়ত ৰচনা কৰা হৈছে।

চণ্ডীদাসে ৰাধা চৰিত্ৰৰ বিকাশ নানা অৱস্থাৰ মাজেদি সুন্দৰভাৱে দেখুৱাই আদিৰসৰ সমাহাৰেৰে কাব্যখনি উজ্বলাই তুলিছে। ভাগৱত পুৰাণৰ বিষয়বস্তুৰ সামান্য সহায় ল'লেও তাৰ সৈতে লৌকিক চিন্তাৰ সহযোগত কবিয়ে ৰাধা-কৃষ্ণৰ প্ৰেম কাহিনীৰ মনোৰম বৰ্ণনা দাঙি ধৰিছে, ফলত ঠাইবিশেষে কাব্যখনি গ্ৰাম্য দোষৰ পৰা মুক্ত হ'ব পৰা নাই।

লিপিবিদ ৰাখালদাস বন্দোপাধ্যায়ে শ্ৰীকৃষ্ণ কীৰ্ত্তন পুথিৰ ৰচনাকাল খৃষ্টীয় চতুৰ্দশ শতিকাৰ প্ৰথমাৰ্দ্ধ বুলি মতপ্ৰকাশ কৰিছে। আনহাতে মহম্মদ শহীদুল্লাহ, ড সুনীতি কুমাৰ চট্টোপাধ্যায় প্ৰমুখ্যে ভাষাবিদসকলে ইয়াৰ ৰচনাকাল চতুৰ্দশ-পঞ্চদশ শতিকা বুলি সিদ্ধান্ত কৰিছে। আনহাতে বাণীকান্ত কাকতিয়ে শ্ৰীকৃষ্ণ কীৰ্ত্তনৰ ভাষা সম্পৰ্কে আলোচনা কৰি মতপ্ৰকাশ কৰিছে যে শ্ৰীকৃষ্ণকীৰ্ত্তনৰ ভাষা অসমীয়া-বঙলাৰ পৃথক

---

৪ শৰ্মা সত্যেন্দ্ৰনাথ ঃ 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত' পৃঃ ৪৬।

হৈ ওলোৱাৰ প্ৰাক-কালৰ ভাষাৰ নিদৰ্শন। মুঠতে শ্ৰীকৃষ্ণ-কীৰ্তনৰ ৰচনাকাল কোনোপধ্যেই চতুৰ্দশ শতিকাৰ পিছলৈ নিব নোৱাৰি।

উপেন্দ্ৰ নাথ গোস্বামীয়ে শ্ৰীকৃষ্ণকীৰ্তনৰ ভাষা সম্পৰ্কে 'ভাষা আৰু সাহিত্য গ্ৰন্থত বহলাই আলোচনা কৰিছে। বৈযাকৰণিক বৈশিষ্ট্যৰ ফালৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে 'উত্তম পুৰুষৰ বৰ্তমান কালৰ ক্ৰিয়াত ওঁ ক্ৰিয়াৰ আগত নিষেধাৰ্থক 'ন সংযোগ অপদানাৰ্থত 'হন্তে'ৰ ব্যৱহাৰ ভৱিষ্যৎ ক্ৰিয়া বুজাবলৈ 'ইব্'ৰ ব্যৱহাৰ আদি অসমীয়া ভাষাৰ স্বকীয় বিশেষত্ব কিছুমান শ্ৰীকৃষ্ণকীৰ্তন'ত পোৱা যায়।

যেনে — কৰিবো যাইবো খাইবোঁ ইত্যাদি। (ভৱিষ্যৎ কালৰ ৰূপ) নহে নাহি নজাএ নজানো না'দেখিলোঁ (নঞৰ্থক ক্ৰিয়াৰূপ) থাকিতে বুঝিতে আদি (কৃদন্ত ৰূপ) আদেশিল খণ্ডিব আদি (নামধাতু।) মৰি যাহা কাটি নিলে লইয়া দিল আদি (যৌগিক ক্ৰিয়া)।

সৰ্বনাম শব্দৰ প্ৰযোগৰ ক্ষেত্ৰতো শ্ৰীকৃষ্ণ কীৰ্তনৰ ভাষাৰ সৈতে অসমীয়া ভাষাৰ মিল দেখা যায। কাব্যখনত ক্ৰিযাপদ আৰু ক্ৰিযাবিভক্তিসমূহো কাল আৰু পুৰুষ অনুযাযী পুৰণি অসমীযা ভাষাৰ সৈতে সাদৃশ্যযুক্ত। কাব্যখনত ব্যৱহৃত শব্দাৱলীৰ অধিক সংখ্যকেই খাচ অসমীযা শব্দ আৰু সেযে শ্ৰীকৃষ্ণ কীৰ্তনৰ ভাষাক উদ্ভৱকালীন অসমীয়া ভাষাৰ উৎকৃষ্ট নিদৰ্শন হিচাপে গণ্য কৰিব পাৰি। উদাহৰণস্বৰূপে তলত জন্মখণ্ডৰ কিছু নিদৰ্শন দাঙি ধৰা হ'ল

'নীল কুটীল ঘন মৃদু দীৰ্ঘকেশ।
তাতে ময়ুৰৰ পুচ্ছ দিল সুবেশ।।
চন্দনে তিলক আতি শোভিত কপালে।
দুই পাশে লঘু মধ্য উন্নত বিশালে।।
সকল দেৱৰে খোলে হৰি বনমালী।
অৱতাৰ কৰি কৰে ধৰণীত কেলি।।
সুৰেখ সুপুট নাসা নয়ন কমল।
কামান সদৃশ শোভে ভ্ৰূহি যুগল।

ওপৰৰ বৰ্ণনাশৈলীয়ে আমাক মনকৰ পীতাম্বৰ প্ৰভৃতি কবিৰ ৰচনাশৈলীলৈ মনত পেলাই দিয়ে। কাব্যৰ অন্তৰ্গত গীতবোৰৰ ভণিতাত অনন্ত বড়ু আৰু বড়ু চণ্ডীদাস এই দুটা নাম পোৱা যায়। কিন্তু চণ্ডীদাস নামৰ প্ৰয়োগ অধিক। অৱশ্যে পদাৱলী ৰচয়িতা দ্বিজ চণ্ডীদাস আৰু বড়ু চণ্ডীদাস দুয়োজন পৃথক ব্যক্তি। কিয়নো 'বৈষ্ণৱ পদাৱলী আৰু শ্ৰীকৃষ্ণকীৰ্তন'ৰ ভাষাৰ মাজত বিশেষ মিল দেখা নাযায়।

অসমৰ লোক সাহিত্য

লোক সাহিত্যক মৌখিক সাহিত্য জন সাহিত্য অলিখিত সাহিত্য আদি নামেৰেও জনা যায়। বেচকমে লোক সাহিত্যিক বুজাবৰ কাৰণে বাচিক কলা (Verbal art) পৰিভাষাটো ব্যৱহাৰ কৰিছে। তেওঁৰ মতে — The concept of verbal art avoids all of there difficulties and has the further advantage of emphasizing the essential features which distinguish the folktale myth proverb and related forms

'অসমীয়া সাহিত্যৰ ইতিবৃত্ত'ত সত্যেন্দ্ৰনাথ শৰ্মাই লোক সাহিত্যিক তলত দিয়া ধৰণে ভগাইছে

ক) লোকগীত

খ) ফকৰা যোজনা আৰু প্ৰবচন

গ) সাধুকথা।

সেইদৰে অসমীয়া সাহিত্যৰ ৰূপৰেখা'ত মহেশ্বৰ নেওগে লোক সাহিত্যক তলত দিয়া ধৰণে বিভক্ত কৰিছে

ক) গীতি সাহিত্য

খ) সাধু কথা

গ) মন্ত্ৰ

ঘ) প্ৰবচন ফকৰা যোজনা আৰু সাথৰ

ঙ) ডাকৰ বচন।

নগেন শইকীয়াই লোকমন আৰু লোক সাহিত্য প্ৰবন্ধত লোক সাহিত্যক তিনিটা ভাগত ভগাই দেখুৱাইছে

ক) লোকগীত

খ) লোককথা

গ) ফকৰা যোজনা আৰু প্ৰবচন

ওপৰত উল্লেখ কৰা বিভাগবোৰৰ আধাৰত লোক সাহিত্যক এনেদৰে শ্ৰেণীবিভক্ত কৰি দেখুৱাব পাৰি৽

(ক) লোকগীত ঃ

অনুষ্ঠানমূলক ঃ বিহুগীত বিয়ানাম আইনাম লখিমী সবাহৰ গীত ভেকুলী বিয়াৰ নাম মহহো গীত ইত্যাদি।

আখ্যানমূলক গীত

(ক) ঐতিহাসিক ঃ নাহৰৰ গীত জয়মতী কুঁৱৰীৰ গীত বদন বৰফুকনৰ গীত চিকন সৰিযহৰ গীত মণিৰাম দেৱানৰ গীত গৌৰীনাথ সিংহৰ গীত ইত্যাদি।

(খ) জনশ্ৰুতিমূলক গীত ঃ ফুলকোঁৱৰৰ গীত মণিকোঁৱৰৰ গীত জনগাভৰুৰ গীত মযনামতীৰ গীত গোপীচন্দ্ৰৰ গীত ইত্যাদি।

(গ) কাল্পনিক ঃ মধুমতীৰ গীত বাৰমাহী গীত জুনা ইত্যাদি।

বিবিধ বিষয়ক ঃ নিচুকণি গীত খেল ধেমালিৰ গীত তত্ত্বমূলক গীত ইত্যাদি।

লোককথা লোকসাধু, মিথ ইত্যাদি।

সাথৰ

ফকৰা যোজনা পটন্তৰ ইত্যাদি।

লোকগীত

বিহুগীত

অনুষ্ঠানমূলক লোকগীতৰ ভিতৰত প্ৰথমে বিহুগীতৰ কথা উল্লেখ কৰিব পাৰি। ৰঙালী বিহুৰ উপলক্ষ্যে নৃত্যৰ সৈতে বিহুগীত গোৱা হয। কৃষিজীৱী সমাজত বসন্তৰ পৰশ লাগি উন্মনা হোৱা মনৰ আনন্দ প্ৰকাশৰ কাৰণে প্ৰাকৃতিক পৰিবেশৰ লগত সুৰত সুৰ মিলাই হিয়াৰ তলি উদঙাই ডেকা গাভৰুৰ নাচোনৰ গিৰিপনিত পৃথিৱী শস্যসম্ভৱা হৈছিল আৰু খেতিয়কৰ আশাৰ পথাৰত সোণগুটি জিলিকি উঠিছিল।

বিহুগীতত অসমীয়া জাতীয় জীৱনৰ উচ্ছ্বাস বিজৰিত আনন্দ আৰু হৃদয়ৰ আকুল আহ্বান শুনিবলৈ পোৱা যায়। ব'হাগ বিহুৰ কথা কৈ থাকিলেও ওৰ নপৰে। সেইবাবেই বছৰেকৰ মূৰত অহা ব'হাগৰ বিহুটিৰ বাবে অসমীয়াৰ ইমান আগ্ৰহ

অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো,
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো।

বিহুগীতৰ ছন্দে ছন্দে অসমীয়াৰ বিহুৰ প্ৰতি থকা আগ্ৰহ, মৰম হেঁপাহ আৰু আন্তৰিক স্নেহৰ ভাব প্ৰকাশিত হৈছে। বিহুগীতৰ ভাষা সৰল ভাব কোমল ছন্দ সাৱলীল আৰু সুৰ মনোমোহা।

বিয়ানাম ঃ

বিযানাম অসমীয়া গীতি সাহিত্যৰ এবিধ আপুৰুগীয়া সম্পদ। বিযানামৰ ঘাই উৎস নাৰী হৃদয আৰু ই হৈছে নাৰী মনৰ একচেতীযা অভিব্যক্তি। নাৰী জীৱনৰ দায়িত্ব আৰু কৰ্ত্তব্য মোহনীয ভাব অনুভূতি জীৱনৰ বিচিত্ৰ অভিজ্ঞতা ইত্যাদি নাৰী জীৱনৰ বহুতো গুৰুত্বপূৰ্ণ দিশেই বিযানামৰ মাজেদি প্ৰকাশ পাইছে। ড সত্যেন্দ্ৰ নাথ শৰ্মাৰ ভাষাত 'দাম্পত্য জীৱনৰ আদৰ্শ কন্যাৰ ৰূপ যৌৱন উলিযাই দিবলৈ ধৰা কন্যাৰ আসন্ন বিচ্ছেদৰ কাৰুণ্য নাৰী জীৱনৰ আশা আকাঙ্খা আৰু ঘৰুৱা চিত্ৰৰ সুন্দৰ প্ৰকাশ বিযানামবোৰত লক্ষ্য কৰা যায।

আযতীৰ মঙ্গল উৰুলিৰে দৰা কন্যাক নোৱাবলৈ পানী আনিবলৈ যাওতে সমস্বৰে গোৱা গীতবোৰ কাব্যিক দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ।

অ'লাই আহা শশীপ্ৰভা ৰজাৰ মহাদৈ।
শুভক্ষণে যাত্ৰা কৰি জলে আনোগৈ।।
অ'লাই আহা দৈৱকী এ যমুনালৈ যাও।
কৃষ্ণক নোৱাব জল দিব গংগামাও।।

প্ৰকৃতিৰ জীযাৰী আযতীসকলে প্ৰকৃতিৰ বুকুৰ পৰা বুটলি আনি কল্পনাৰ বোলেৰে ৰহনাই তোলা বিযানামেৰে তেওলোকৰ কল্পনা আৰু সৌন্দৰ্য স্পৃহাৰ নিদৰ্শন দাঙি ধৰে।

লাই হালে জালে আবেলি বতাহে
লখা হালে জালে পাতে। ইত্যাদি।

কিছুমান বিযানামত কৃষ্ণ-ৰুক্মিণী ৰাম সীতা উষা অনিৰুদ্ধ আদিৰ বিযাৰ কথা উল্লেখ কৰি দৰা কইনাক আদৰ্শ বৈবাহিক জীৱনৰ বাবে অনুপ্ৰেৰণা যোগোৱা হৈছে।

বিয়ানামক সাধাৰণতে দুটা ভাগত ভগাব পাৰি

(ক) গহীন আৰু ৰুচিপূৰ্ণ গীত

(খ) যোৰানাম বা খিচাগীত।

গহীন আৰু ৰুচিপূৰ্ণ গীতবোৰে বিয়াঘৰত এটি গহীন পৰিবেশৰ সৃষ্টি কৰে। বিশেষকৈ পৌৰাণিক চৰিত্ৰসমূহৰ বিবাহৰ বৰ্ণনাৰ যোগেদি পৰিবেশন কৰা গীতবোৰ গহীন আৰু ৰুচিপূৰ্ণ আনহাতে বিয়াঘৰত আনন্দমুখৰ পৰিবেশ সৃষ্টিৰ কাৰণে একাজলি নিৰ্মল হাঁহিৰে পৰিপূৰ্ণ কিছুমান হাস্য ৰসাত্মক গীত গোৱা হয়। এনে গীতৰ মাধ্যমেদি পৰস্পৰে পৰস্পৰক জোকাই ধেমালি কৰি পৰিবেশটো উপভোগ্য কৰি তোলে। উদাহৰণ স্বৰূপে —

লুইতৰ চপৰা দবাটো জপৰা
বহি খটা কঁথা সিয়ে
আমাৰে আইদেউ সৰ্বাংগ সুন্দৰী
বটীয়া বাটিৰ দিয়ে। ইত্যাদি।

আইনাম

বসন্তৰ অধিষ্ঠাত্ৰী দেৱীৰ সন্তুষ্টিৰ অৰ্থে তেওৰ ওচৰত জনোৱা গীতিধৰ্মী প্ৰাৰ্থনাই হ'ল আইনাম। বিযানামৰ দৰেই আইনামবোৰো নাৰীকণ্ঠৰ ভক্তিভৰা কাকুতিৰে পৰিপূৰ্ণ তুতি প্ৰাৰ্থনাৰ গীত

'দুখীয়াৰ ঘৰলৈ আহে সাতো ভনী
দিবলৈ নাইকীয়া একো
মূৰৰ চুলি চিঙি পায় মলচি
দেহাকে পাৰি দিমে সাকোঁ।

লোক বিশ্বাস অনুসৰি বসন্তৰ অধিষ্ঠাত্ৰী দেৱীগৰাকী শক্তি বা দুৰ্গাৰ এটা ৰূপ মাত্ৰ। কিন্তু তেওক শাস্ত্ৰসন্মত বিধিৰে পূজা বৰাৰ পৰিৱৰ্তে লোকাচাৰসন্মত ভাবহে আসন পাতি নাম গাই তেওৰ সন্তুষ্টিৰ বিধান কৰা হয়।

আই ওলোৱা মানুহক লোকাচাৰ মতে পকনি আৰু শুকনিৰ ব্যৱস্থা কৰা হয়। তাৰ পাছতেই আইক সন্তুষ্টি কৰিবলৈ থুৰীযা তামোল আগবঢাই গীতিধৰ্মী প্ৰাৰ্থনাৰ আয়োজন কৰা হয়।

আই স্বয়ং মহামায়া হ'লেও মাতৃসুলভ মহান আদৰ্শই তেওৰ মাতৃৰূপটো ঢাকি ধৰাত তেওঁৰ শুভ্ৰ কোমল পৱিত্ৰ স্পৰ্শই পৃথিৱীৰ মানুহক পৱিত্ৰ কৰিছে

লুইতৰ বালি তিয়াব নোৱাৰি
বৰুণে নিতিয়াই মানে
মনিচৰ পোৱালি তুলিব নোৱাৰি
আইমাতৃ নোতোলে মানে।

এনেদৰেই লোক বিশ্বাস ধৰ্মীয় বিশ্বাস আৰু লোকাচাৰৰ সমন্বয়ত আইনামসমূহে মোহনীয় ৰূপ পৰিগ্ৰহ কৰিছে।

লখিমী সবাহৰ নাম ঃ

কৃষিজীৱী জনগণৰ লোকবিশ্বাসৰ আধাৰত গঢ লৈ উঠা লোক উৎসৱ লখিমী সবাহৰ উদ্দেশ্যে গোৱা গীতেই লখিমী সবাহৰ গীত। অসমৰ দৰে বিশ্বৰ অন্যান্য

দেশতো শইচৰ অধিষ্ঠাত্ৰী দেৱীক শাস্ত্ৰীয় বিধিৰ উপৰিও সমামাজিক লোকাচাৰ অনুসৰি পূজা উপাসনা কৰাৰ প্ৰথা প্ৰচলিত আছে। অসমত সাধাৰণতে ধান দাই শেষ কৰি অতি শ্ৰদ্ধাৰে তিনি গোছা ধান লখিমী বুলি সযতনে ঘৰলৈ অনা হয়। এই উদ্দেশ্যে পবিত্ৰ অন্তঃকৰণেৰে আলি পদূলি সাৰি ভঁৰালত চাকি-শলিতা জ্বলাই লখিমী আদৰা হয় —

এৰায়ো কান্দিলে তৰায়ো কান্দিলে
তই থাক মই যাওঁ কৰি
ভঁৰালত ধৰণী কঁপে থৰে থৰি
লখিমী পালেহি বুলি।

লখিমী সবাহৰ গীতত একাধিক সৃষ্টিমূলক উপকথাৰ সংযোগ লক্ষ্য কৰা যায়। লখিমী সবাহৰ সৈতে কৃষিজীৱী সমাজৰ পৰম্পৰাগত সাংস্কৃতিক প্ৰমূল্যবোধ আৰু লোকবিশ্বাস জড়িত হৈ আছে।

অপেচৰা সবাহৰ নাম

জনগণৰ সৰল বিশ্বাসৰ আধাৰত গঢ লৈ উঠা এক প্ৰকাৰৰ উদ্দেশ্যধৰ্মী লোকগীত হৈছে অপেচৰা সবাহৰ নাম। লোক বিশ্বাসৰ আধাৰত গঢ় লৈ উঠা কোমল অনুভূতিসম্পন্ন এই অনুষ্ঠান উজনি আৰু নামনি সৰ্বত্ৰ অপেচৰা সবাহৰ উপলক্ষ্যে গোৱা হয়। উজনি অসমত চকুৰ অসুখ পিঠাখোৱা ৰোগ ছোৱালী যথা সময়ত পুষ্পিতা নোহোৱা আদি ৰোগ হ'লে অপেচৰাৰ ঘাটি লগা বুলি বিশ্বাস কৰে। এনেবোৰ দোষ খণ্ডনৰ বাবে কল পিঠাগুৰি গাখীৰ আদি দি সবাহ পাতে। সবাহ সাধাৰণতে দুপৰীয়া চোতালত পাতে।

অপেচৰা সবাহৰ গীতবোৰ কাব্যিক দিশৰ পৰা অতি সুন্দৰ

জোনে বেলিয়ে লগে ভটিয়ালে
লগত যায় তামুলী তৰা
খন্তেক বৈ যোৱা আই অপেশ্বৰী
লৈ যোৱা কুমাৰীৰ পূজা।

গতিকে দেখা যায় যে লোক বিশ্বাসৰ আধাৰত গঢ় লৈ উঠিলেও ভাষাৰ সাৱলীলতা আৰু চিত্ৰকল্পৰ মধুৰ প্ৰয়োগৰ দিশৰ পৰা অপেচৰা নামৰ সাহিত্যিক মূল্য অনস্বীকাৰ্য।

মহহো গীত ঃ

মহহো গীতৰ ৰচনা শিশু মনোধৰ্মী আৰু অনেক ক্ষেত্ৰত শিথিল আৰু সামঞ্জস্যহীন। লোক বিশ্বাসৰ আধাৰত গঢ় লৈ উঠা এই উৎসৱ উপলক্ষে আঘোণ মাহৰ পূৰ্ণিমা তিথিত মহহো গীত গাই ৰঙালী বিহুৰ দৰে চোতালে চোতালে আশীৰ্বাদ দি ফুৰিলে ম'হ আঁতৰি যায় বুলি জনসাধাৰণে বিশ্বাস কৰে। গীতসমূহ শিশু মনোধৰ্মী আৰু অন্যান্য শিশু বিষয়ক গীতৰ দৰে বিষয়ৰ পৰা বিষয়ান্তৰলৈ ই গতিশীল

'অ হৰি মহো হো ৰে মহো-হো
মহ খেদিব টোকন ল'।
কাণা-কুজা খেদা গুৰা।
অজা মাতি ল'লা ৰবেৰ পুৰা।।
অজা মাতি ল'লো লাজে
চাৰি বামুণৰ চাৰি কাজে।
একলা বামুণৰ হাউৰা পেট
হাউৰা পেটত পৰিল পানী
যমে মানুহে টানা-টানি। ইত্যাদি।

আখ্যান গীত (Ballads)

বেলাড শব্দৰ অসমীয়া প্ৰতিশব্দ হৈছে মালিতা। ফুলৰ মালাৰ দৰে ধাৰাবাহিকভাবে একো-একোটা কাহিনী গীতিব্যঞ্জকভাৱে দাঙি ধৰাৰ বাবেই ইয়াক মালিতা বা কাহিনী গীত বা আখ্যান গীত আখ্যা দিয়া হয়। বিষয়বস্তুৰ আধাৰত আখ্যান গীতক তিনি ভাগত বিভক্ত কৰিব পাৰি। সেয়া হ'ল — বুৰঞ্জীমূলক কিম্বদন্তিমূলক আৰু কাল্পনিক।

বুৰঞ্জীমূলক গীত

বদন বৰফুকনৰ গীতত বদন বৰফুকন আৰু পূৰ্ণানন্দ বৰগোঁহাইৰ মাজত হোৱা বিবাদৰ ফলস্বৰূপে বদন বৰফুকনে অসমলৈ মান আনি অসমীয়া প্ৰজাৰ ওপৰত চলোৱা অমানুষিক অত্যাচাৰৰ বৰ্ণনা আৰু সেই অত্যাচাৰত অতীষ্ঠ হৈ ৰাজমাও আৰু ডাঙৰীয়াসকলে লগ লাগি ৰূপ সিং নঙালৰ হতুৱাই বদন বৰফুকনক হত্যা কৰে। গীতটিত বুৰঞ্জীৰ বাস্তৱতা বিকৃত নকৰাকৈ কল্পনাৰ পৰশেৰে সজীৱ কৰি তোলা হৈছে।

বুৰঞ্জীমূলক কাহিনীৰ পটভূমিত ৰচিত আন এটি উল্লেখযোগ্য গীত হ'ল চিকণ সৰিয়হৰ গীত। ৰাজদ্ৰোহৰ অপৰাধত অভিযুক্ত হৈ মৃত্যুক আকোঁৱালি লোৱা চিকণ

সৰিয়হৰ গীতত অন্যান্য মালিতাৰ দৰে আৰম্ভণিতে বিভিন্ন দেৱ দেৱতালৈ সেৱা জনোৱা হৈছে। লোক বিশ্বাসৰ সাৰ্থক প্ৰয়োগ গীতটিত লক্ষ্য কৰা যায়।

কমলেশ্বৰ সিংহৰ দিনত হৰদত্ত আৰু বীৰদত্তৰ নেতৃত্বত কামৰূপৰ প্ৰজাসাধাৰণে বিদ্ৰোহ কৰিছিল আৰু কলীয়া ভোমোৰাই এই বিদ্ৰোহ দমন কৰি হৰদত্তক শূলত দি বধ কৰিছিল। মন কৰিবলগীয়া যে হৰদত্ত বীৰদত্তই কামৰূপীয়া প্ৰজাক মুক্তি দিয়াৰ প্ৰয়াস কৰিছিল যদিও প্ৰজাই তাক ৰাজদ্ৰোহ বুলিহে বিবেচনা কৰিছিল। সেয়ে গীতটোত তেওঁলোকৰ প্ৰতি বিৰূপ মনোভাৱ পোষণ কৰা দেখা যায়।

ইংৰাজৰ হাতৰ পৰা দেশৰ স্বাধীনতা পুনৰুদ্ধাৰৰ প্ৰয়াস কৰি জীৱন উৎসৰ্গা কৰা মণিৰাম দেৱানৰ দেশপ্ৰেম আৰু আত্মত্যাগৰ কাহিনী লৈ মণিৰাম দেৱানৰ গীত ৰচিত হৈছে। গীতটিত লোক বিশ্বাসৰ গভীৰ প্ৰভাৱ লক্ষ্য কৰা যায়। মণিৰামৰ মৃত্যুত স্বভাৱ কবিৰ অন্তৰত উথলি উঠা শোকৰ মানসিক অভিব্যক্তি মণিৰাম দেৱানৰ গীতত প্ৰকাশিত হৈছে।

গৌৰীনাথ সিংহৰ গোপন প্ৰেমৰ কাহিনী লৈও এটি মালিতা সৃষ্টি হৈছে। কাহিনী মতে ৰজাই হেনো ৰাতি গোপনে গৌৰাত উঠি গড় পাৰ হৈ হাৰীপৰা আলিৰ কাষৰ সোণাধৰ হাৰীৰ ঘৰলৈ যায় আৰু তাত গৈ সোণাধৰ হাৰীৰ জীয়াৰী তৰাৱতী আইদেউক লগ ধৰেগৈ

পাতো কাটিলো পচলা কাটিলো
কলাডিল লেবেপি গ'ল
তৰাৱতীৰ গিৰিয়েক সোণাধৰ হাৰীৰ জোঁৱায়েক
খেন্দৰ তলে সৰকি গ'ল।

জনশ্ৰুতিমূলক গীত ঃ

জনশ্ৰুতিমূলক কাহিনী গীতৰ ভিতৰত মণিকোঁৱৰৰ গীত আৰু ফুলকোঁৱৰৰ গীত — এই মালিতা দুটি অসমীয়া মালিতাসমূহৰ ভিতৰত অতি জনপ্ৰিয়।

শঙ্খদেৱ ৰজাৰ পুতেক মণিকোঁৱৰে এদিন নগৰত ঘোঁৰা চেকুৰাই ফুৰোঁতে ফুকনৰ জীয়েক কাচনমতীত চকু পৰে আৰু পিছত সোণাৱৰ তামুলীৰ মুখেদি আচল ঘটনা জানিব পাৰি তেওঁলৈ বিয়া দিলে

'গায়নে বায়নে সেন্দুৰী আলিয়ে
কেকুঁৰী দোলাতে উঠি
হীৰা-মুকুতাৰে মণিধৰ কোঁৱৰে
কাচনক আনিলে তুমি।'

কিন্তু মণিকোঁৱৰৰ যোল্ল বছৰ বয়স হোৱাত তেওঁৰ পানীত পৰি মৃত্যু হ'ল। সোণাবৰ তামুলীয়ে গৈ কাচনমতীক বাতৰি দিলেগৈ আৰু কাচন কুঁৱৰীৰ বিলাপ বিননি সহ্য কৰিব নোৱাৰি তেওঁক মাকৰ ঘৰলৈ পঠাই দিয়া হ'ল ল'ৰাটিৰ নাম ৰাখিলে ফুল কোঁৱৰ। ফুলকোঁৱৰ ডাঙৰ হৈ বাপেকক বিচাৰি কাঠৰ পখীঘোঁৰাত উঠি উৰা মাৰিলে

'আকাশী ঘোঁৰাতে উঠি ফুলকোঁৱৰে
পিতাকৰ দেশকে এৰে,
মনিচে নমনে দেৱেও নমনে
বিজুলী সঞ্চাৰে চলে।

কিন্তু গুৰুৰ দোষ লাগি কাঠৰ পখী ঘোঁৰাৰ পাখি ছিগাত ফুলকোঁৱৰ গৈ মালিনীৰ ফুলনিবাৰীত পৰিল আৰু পিছদিনাখন বহুদিন নুফুলা ফুলনিডৰা চকুত লগাকৈ ফুলি উঠিল। পিছত দিজাই মালিনীৰ ঘৰত থাকি সৌভাগ্যক্রমে ৰজাৰ জীয়েক ধন পচতুলাক লাভ কৰিবলৈ সক্ষম হ'ল। সাধুকথাৰ লক্ষণেৰে পৰিপূৰ্ণ এই গীতৰ ৰচনা ৰীতি বিহুগীতৰ সৈতে একে।

জনগাভৰুৰ গীতটি কিছু পৰিমাণে অৰ্বাচীন। এই গীতৰ সৈতে গোপীচন্দ্ৰ ময়নামতীৰ গীতৰো সাদৃশ্য মনকৰিবলগীয়া। লোক বিশ্বাস আৰু লোক সাহিত্যৰ দিশৰ পৰাও গীতটি বৈশিষ্ট্যপূৰ্ণ।

নাথ সম্প্ৰদায়ৰ সাহিত্যত ময়নামতীৰ গীত আৰু গোপীচন্দ্ৰৰ গীত অতি প্ৰসিদ্ধ। মাতৃ ময়নামতীৰ নিৰ্দেশ অনুসৰি গোপীচন্দ্ৰই সন্ন্যাস গ্ৰহণ কৰাৰ কাহিনী এই দুয়োটা গীতৰ মূল বিষয়।

কাল্পনিক কাহিনী গীত

বছৰটোৰ বাৰটা মাহৰ প্ৰাকৃতিক পৰিবেশ অনুসৰি বিৰহী প্ৰিয়াৰ মনকৈ যিবোৰ চিন্তাৰ ধুমুহা আহে, তাক কবিত্বময়ী ভাষাত কৰা প্ৰকাশকেই বাৰমাহী গীত আখ্যা দিব পাৰি। বাৰমাহী গীতত সাধাৰণতে প্ৰিয়া প্ৰিয়ৰ বিৰহৰ চিত্ৰ অংকন কৰা হৈছে। অনিৰ্দিষ্ট দিনৰ বাবে সাউদ ব্যৱসায়লৈ ওলাই যোৱাত বিৰহী প্ৰিয়াৰ মনৰ মাজত থুপ খাই থকা বিৰহৰ বোজা পাতলাবলৈ তেওঁৰ গীত গাবৰ মন যায়। বাৰমাহী গীতত প্ৰকৃতিৰ মনোৰম বৰ্ণনাৰ লগে লগে মানুহৰ মনৰ ওপৰত প্ৰকৃতিয়ে কৰা প্ৰতিক্ৰিয়াৰো সুন্দৰ চিত্ৰ অংকিত হৈছে। বাৰমাহী গীতবোৰ প্ৰায়েই আঘোণ মাহৰ পৰা আৰম্ভ কৰা হৈছে

'আঘোণে মাহতে নাকোটিলা পাত।
খাবলৈ নাপালা প্ৰভু নৱধানৰ ভাত।।
আঘোণ মাহতে শান্তি বিচীয়াৰে জোন।
যোল বছৰে শান্তিৰ উলন্ত যৌৱন।।'

অৱশ্যে সীতা বাৰমাহী গীত আঘোণ মাহৰ পৰিবৰ্তে ব'হাগ মাহৰ পৰা আৰম্ভ কৰা হৈছে। বাৰমাহী গীতৰ অন্তৰ্গত মধুমতীৰ গীতত তেওঁৰ স্বামী বণিজ বেহাৰলৈ যোৱাত প্ৰকৃতিৰ পৰিবৰ্তনৰ লগে লগে মধুমতীৰ নলৈ অহা বিৰহৰ ভাবনাবোৰ গীতৰূপে ধৰা দিছে। সীতা-বাৰমাহী গীতত ৰামচন্দ্ৰৰ বিৰহত কাতৰ হৈ সীতাই বছৰৰ মাহে প্ৰতি একোটিকৈ অনুভূতি প্ৰকাশ কৰিছে এনেদৰে

'আঘোণৰ মাহতে বাপু শালিৰে ৰতৰ।
দূৰৰ পৰা ৰামচন্দ্ৰক কৰিছোঁ কাতৰ।
পুহৰ মাহতে বাপু অতি বৰ শীত।
মই অভাগিনী সীতাৰে নাই থান থিত।। ইত্যাদি।

সেইদৰে ৰাধা বাৰমাহী গীতত ৰাধাৰ বিৰহৰ বৰ্ণনাৰ লগে লগে প্ৰাকৃতিক পৰিবেশৰো সুন্দৰ চিত্ৰ অংকিত হৈছে। ইয়াৰ বাহিৰেও কন্যা বাৰমাহী শান্তি বাৰমাহী প্ৰভৃতি বিভিন্ন বাৰমাহী গীত পোৱা গৈছে।

জুনা এবিধ কাল্পনিক কাহিনী গীতি। মূলতে জুনা শব্দই হুচৰি গাওতে নাচনীয়ে নাচিবলৈ লোৱাৰ আগতে গোৱা বিহুনাম বুজাইছিল। কিন্তু পিছলৈ ই কেইটামান নিৰ্দিষ্ট কাহিনীগীতক বুজাবলৈ ধৰে। অসমীয়া ভাষাত পৰুৱাৰ জুনা নাওলৰ জুনা তাঁতীৰ জুনা কপাহৰ জুনা ইত্যাদি কেইটামান জুনা পোৱা গৈছে। বিষয়বস্তুৰ ফালৰ পৰা জুনাবোৰক সাধাৰণভাৱে দুটা ভাগত ভগাব পাৰি — (১) ধৰ্মীয় জুনা আৰু (২) সামাজিক জীৱনৰ জুনা। লোক মনোৰঞ্জনৰ প্ৰয়াস হাস্য ৰসৰ প্ৰাধান্য ছন্দ আৰু গঠন প্ৰণালীৰ সাদৃশ্য লোকমনক আকৰ্ষণ কৰাৰ প্ৰয়াস গ্ৰাম্য কথনভংগী প্ৰভৃতি জুনাবোৰৰ মনকৰিবলগীয়া বৈশিষ্ট্য।

বিবিধ বিষয়ক লোকগীত

ধাইনাম ঃ

শিশুমনৰ কোমল আবেগ অনুভূতি আৰু আশা আকাঙ্খাৰ ওপৰত ভিত্তি কৰি ৰচিত সাংগীতিক সুষমাৰে মাধুৰ্যমণ্ডিত সুৰ লগাই গোৱা গীতবোৰেই ধাইনাম। এই গীতবোৰৰ ভিতৰত শিশুৰ মন মুহিব পৰা সম্মোহনী শক্তি আছে। ধাইনামক নিচুকণি গীতো বোলে। ধাইনামত প্ৰাকৃতিক দৃশ্যৰ মনোৰম বৰ্ণনাৰ লগতে মাতৃ হৃদয়ৰ বিবিধ অভিব্যক্তি আশা আকাঙ্খা মৰম স্নেহ, শিশুৰ উদাৰ কল্পনা আদিৰ প্ৰতিফলন ঘটিছে।

শিশু মনত অনুসন্ধিৎসা জগাই তুলিব পৰাকৈ ৰঙীন কল্পনাৰে এখন মায়াময় কল্পলোকত তেওঁলোকক বিচৰণ কৰিব'স এৰি দি কোমলমতীয়া শিশুৰ মনলৈ বিমল আনন্দ কঢ়িয়াই অনাই ধাইনামসমূহৰ মূল উদ্দেশ্য। সংগীতৰ প্ৰতি শিশুমনৰ স্বাভাৱিক আকৰ্ষণৰ প্ৰতি লক্ষ্য ৰাখিয়েই ধাইনামত শিশু চৰিত্ৰৰ মনোমোহা ৰূপ চিত্ৰিত হৈছে।

খেল-ধেমালিৰ গীত

খেল ধেমালিৰ গীতবোৰ লৌকিক ক্ৰীড়াৰ অবিচ্ছেদ্য অংগ আৰু লোক সাহিত্যৰ এক অমূল্য সম্পদ। অসমত প্ৰচলিত বিশেষকৈ ল'ৰা ছোৱালীয়ে অংশগ্ৰহণ কৰা খেলসমূহত গীতৰ ব্যৱহাৰ অধিক।

খেল ধেমালিৰ গীতৰ বিষয়বস্তু শিশুৰ অভিজ্ঞতাৰ সৈতে সম্পৰ্কিত। তেওঁলোকৰ চকুৰ আগত ঘটি থকা কাহিনী একোটায়েই সাধাৰণতে এনে গীতত ভুমুকি মাৰে। যেনে —

'তাই মাই লোণে মাছে খায়
বৰঘৰৰ মেকুৰী সৰুঘৰলৈ যায়।
ঢাকোন পেলাই পইতাভাত খায়।
এইটো তই খা এইটো মই খাওঁ।
এইটো ঘৰৰখীয়া বুঢ়ালৈ থক।।

নামনি অসমৰ গীততো অনুৰূপ নিদৰ্শন লক্ষ্য কৰা যায়

'হুম দুম আকাশে দুম।
মৌ পৰে চিলা পৰে।।
আমাৰে গছৰ মকুৰা।
তাক কৰিম ভকুৰা।।

খেল ধেমালিৰ গীতবোৰত শিশু মনস্তত্ত্বৰ লগে লগে জাতীয় জীৱনৰো বিবিধ দিশ সোমাই আছে। সাহিত্যিক দিশৰ পৰাও গীতবোৰৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি।

নাওখেলৰ গীত ঃ

নাওখেলৰ গীত অসমীয়া গীতি সাহিত্যৰ এক অমূল্য সম্পদ। নাওখেলৰ গীতক বহল অৰ্থত নাৱৰীয়াৰ গীতো আখ্যা দিব পাৰি। বণিজৰ কাৰণে ডিঙা মেলি বিদেশত বাণিজ্য কৰিবলৈ যোৱা সাউদক কিন্তু ভাৰ্যাই বুকুৰ পৰা আঁতৰি যাবলৈ নিদিয়ে। মাজে সময়ে ৰাধা-কৃষ্ণৰ প্ৰণয় কাহিনীয়েও আহি নাওখেলৰ গীতত ভুমুকি মাৰিছেহি। এনে

গীতৰ বিষয়বস্তুৰ সৈতে নাও বা নাববীয়াৰ কোনো সম্পৰ্ক নাই। অৱশ্যে গোৱালপাৰা জিলাত প্ৰচলিত নাওখেলৰ গীতৰ বিষয়বস্তু নাওকেন্দ্ৰিক। সাহিত্যিক দিশৰ পৰাও নাওখেলৰ গীতৰ সৌন্দৰ্য আৰু মাধুৰ্য অপৰিসীম।

সদাশিৱৰ নাম ঃ

অসমীযা সাহিত্যত শিৱৰ লোকৰূপটো অতি জনপ্ৰিয। লোকগীত মন্ত্ৰসাহিত্য ইত্যাদিত শিৱৰ সংসাৰ বিৰাগী জধলা ৰূপটোৰ চিত্ৰ অতি সুন্দৰভাৱে অংকন কৰা হৈছে। মুঠতে সদাশিৱৰ নামত শিৱৰ ঐশ্বৰ্য গুণ আদিৰ লগে লগে লোক ৰূপটোও অতি সাৰ্থক ৰূপত ফুটাই তোলা হৈছে।

মন্ত্ৰ সাহিত্য

পুৰণি কালত অসমত তন্ত্ৰ মন্ত্ৰৰ বিষয়ে ব্যাপক চৰ্চা হৈছিল। 'আলমগীৰনামা 'বাহাৰিস্তান ই ঘায়বী ইত্যাদি গ্ৰন্থত অসমত মন্ত্ৰচৰ্চাৰ উল্লেখ পোৱা যায়।

গোপনীয়তা মন্ত্ৰ সাহিত্যৰ এক মনকৰিবলগীযা বৈশিষ্ট্য। গোপনীযতাৰ লগতে ভূত প্ৰেত দূৰীকৰণ বশীকৰণ সম্মোহন সৌভাগ্যকৰণ ধন ধান্য বৃদ্ধি বৰণ শত্ৰু ক্ষয়কৰণ ইত্যাদি মানুহৰ জাগতিক জীৱনৰ প্ৰযোজনীয বিবিধ বিষযে মন্ত্ৰত ঠাই পাইছে। যোগিনীতন্ত্ৰত'ত মন্ত্ৰৰ সাধন আৰু প্ৰযোগ পদ্ধতিৰ বিস্তৃত বৰ্ণনা পোৱা যায। সাহিত্যিক দিশৰ পৰাও মন্ত্ৰসমূহৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি।

মন্ত্ৰবোৰ গদ্য আৰু পদ্য উভয়তে ৰচিত। এইবোৰ মুখ পৰম্পৰাৰূপে চলি অহা কাৰণে ইয়াৰ ভাষাত অৰ্বাচীনতাৰ ছাপ স্পষ্ট। মন্ত্ৰসমূহ সংস্কৃত অসমীয়া আৰু জনজাতীয ইত্যাদি বিভিন্ন ভাষাত পোৱা যায়।

তত্বমূলক গীত

দেহবিচাৰৰ গীত ঃ

দেহ বিচাৰৰ গীত দেহতত্ব সম্পৰ্কীয় আধ্যাত্মিক গীত। দেহৰ ক্ষণস্থায়িত্ব আত্মাৰ অবিনশ্বৰতা কাম ক্ৰোধ লোভ মোহৰ প্ৰভাৱ আদিয়েই হৈছে দেহ বিচাৰৰ গীতৰ মূল বিষয়বস্তু। গীতবোৰত প্ৰতীকৰ মাধ্যমেদি বিশেষকৈ দেহটোক ঘৰ নাও গছ আদি প্ৰতীকৰ সহায়ত উপলব্ধি কৰিবলৈ প্ৰয়াস কৰা হৈছে।

দেহবিচাৰৰ গীত দেহতত্ব সম্পৰ্কীয় আধ্যাত্মিক গীত। দেহৰ ক্ষণস্থায়িত্ব, আত্মাৰ অবিনশ্বৰতা কাম ক্ৰোধ লোভ-মোহৰ প্ৰভাৱ আদিয়েই হৈছে দেহ বিচাৰৰ গীতৰ

মূল বিষয়বস্তু। গীতবোৰত প্ৰতীকৰ মাধ্যমেদি বিশেষকৈ দেহটোক ঘৰ নাও গছ আদি প্ৰতীকৰ সহায়ত উপলব্ধি কৰিবলৈ প্ৰয়াস কৰা হৈছে।

দেহবিচাৰৰ গীতৰ মতে মানৱদেহ ব্ৰহ্মাণ্ডৰেই ক্ষুদ্ৰ সংস্কৰণ। এইসমূহ গীতত কেতিয়াবা সংসাৰ নদীত পাৰি দিয়া নাৱৰ কেতিয়াবা নখন দুৱাৰযুক্ত নগৰৰ লগত দেহক তুলনা কৰা দেখা যায়। ইয়াৰ বাহিৰেও দেহৰ ভিতৰত ষটচক্ৰৰ স্থান ইড়া পিংগলা সুষুন্না আদি নাড়ীৰ অৱস্থিতি কুণ্ডলিনী শক্তিৰ জাগৰণ আৰু গতি জীৱনৰ নশ্বৰতা গুৰুৰ সাহায্য দৈহিক সংযমৰ প্ৰয়োজনীয়তা আদি তান্ত্ৰিক যোগসাধন মাৰ্গৰ আধ্যাত্মিক ধাৰণাসমূহৰ বিৱৰণ এই গীতবোৰত পোৱা যায়। সংসাৰৰ অনিত্যতা আৰু অসাৰতাই দেহবিচাৰৰ গীতত প্ৰাধান্য লাভ কৰিছে।

টোকাৰী গীত ঃ

টোকাৰীক বাদ্য হিচাপে লৈ পৰিবেশন কৰা এবিধ দেহ বিচাৰৰ গীতকে টোকাৰী গীত আখ্যা দিয়া হৈছে। দুই-এটা গীতত টোকাৰীৰ উৎপত্তিৰ বৰ্ণনাও পোৱা যায়। গীতবোৰত তন্ত্ৰ আৰু দেহতত্ত্বচৰ্চাৰ প্ৰভাৱ মনকৰিবলগীয়া। টোকাৰী গীতৰ সৈতে সদাশিৱ আৰু পাৰ্বতীৰ নাম জড়িত হৈ আছে

যেতিয়া বিধিখে দুই পাত মেলিলে
তললৈ মেলিলে শিয়া
সেই গছে জুপি খোজে মহাদেৱে
টোকাৰী সাজোঁগৈ দিয়া।
মহাদেউ গোঁসায়ে টোকাৰী সাজিলে
বাটে পাৰেৱতী গুণা।

টোকাৰী গীতৰ ৰচকে টোকাৰীৰ সৈতে মানৱ দেহৰ সম্পৰ্ক বিচাৰি পাইছে আৰু সেয়ে দেহমধ্যস্থ ইড়া পিংগলা চিত্ৰা আৰু সুষুন্না এই চাৰি গছি নাড়ীৰ লগত টোকাৰীৰ চাৰি গুণৰ সাদৃশ্য স্থাপন কৰা হৈছে।

টোকাৰী গীতবোৰৰ অন্তৰালত একো একোটা গভীৰ তত্ত্বব্যঞ্জক কথা অন্তৰ্নিহিত হৈ আছে। এনে অৰ্থ সহজে বুজাটো কঠিন।

বৃন্দাবনী গীত ঃ

শ্ৰীকৃষ্ণই বৃন্দাবনত কৰা লীলাখেলাৰ পটভূমিত ৰচিত কেতবোৰ গীত গোপিনীসকলে গোপিনীসবাহত আৰু অন্যান্য নাম-প্ৰসংগত গায়। এই নামবোৰত বৃন্দাবনৰ লীলাই প্ৰাধান্য লাভ কৰা বাবে ইয়াক বৃন্দাবনী গীত বা গোঁসাই নাম বোলা হয়।

লোক-বিশ্বাসৰ সাৰুৱা ক্ষেত্ৰত ঠন ধৰি উঠা লোকাচাৰ আৰু লৌকিকতাৰ প্ৰভাৱে অতীতৰে পৰা প্ৰচলিত আধ্যাত্মিক আদৰ্শৰ ঠাইত শ্ৰীকৃষ্ণৰ লৌকিক চৰিত্ৰ অংকনত প্ৰেৰণা যোগালে। ফলত বৈষ্ণৱ আদৰ্শত বৰ্জনীয় ৰাধা চৰিত্ৰৰ লগতে কৃষ্ণ চৰিত্ৰৰ মানৱীয় দোষ দুৰ্বলতাসমূহে অকৃত্ৰিম ঠাচত ধৰা দিলে। গীতসমূহৰ মাজেদি ৰাধা-কৃষ্ণৰ প্ৰেমৰ লৌকিক ৰূপটো অতি সুন্দৰ ৰূপত প্ৰকাশিত হৈছে ঃ

'যমুনাৰ তীৰতে কানাই গৰু চাৰে
মাথাতে মুকলি চুলি।
সিপাৰৰে পৰা ৰাধাই ডাকে দিয়ে
মোকে পাৰে কৰা বুলি।
কেনেকৈ পাৰ কৰিম ৰাধিকা সুন্দৰী
ঘাটত নাইকিয়া নাও
যেনে-তেনে ধৰি দিয়া পাৰে কৰি
মথুৰা হাটলৈ যাওঁ।

অৱশেষত ৰাধাৰ কাকুতি-মিনতি উপেক্ষা কৰিব নোৱাৰি কানাই নাও লৈ আহিল

'নাও হেঙুলীয়া বঠা হেঙুলীয়া
আৰু হেঙুলীয়া চৈ
চৈৰে ভিতৰে ৰাধিকা বহিছে
সোণেৰে সঁথুৰা লৈ।

বৃন্দাবনী গীতত শ্ৰীকৃষ্ণৰ লৌকিক ৰূপ বিশেষকৈ হাতত বাঁহী লৈ লগৰ গৰখীয়াৰ লগত গৰু চৰোৱা দৃশ্যটো অতি চকুত লগা

'বৃন্দাবনতে দামুৰি হেৰেলিয়াই
বান্ধে মথুৰাতে গাই
হাতত কৰিয়া লৈ প্ৰভুদেউ আছে বৈ
দামুৰি মেলোতা নাই।'

বৃন্দাবনী নামবোৰত লোকগীতৰ প্ৰভাৱ সুস্পষ্ট। কাব্যিক দিশৰ পৰাও গীতসমূহৰ গুৰুত্ব অনস্বীকাৰ্য।

জিকিৰ ঃ

অসমৰ মুছলমান লোকসকলৰ মাজত প্ৰচলিত আল্লাৰ নাম মাহাত্ম্যসূচক গীত জিকিৰসমূহত ইছলাম ধৰ্ম সম্পৰ্কীয় সদাচাৰ নীতি আৰু আল্লাৰ নামৰ গৌৰৱ আৰু

মাহাত্ম্য প্ৰকাশ পাইছে। প্ৰায়বোৰ জিকিৰ গীতেই আজানপীৰ বা চাহ মিলনৰ নামত প্ৰচলিত যদিও সকলোখিনি তেখেতৰ ৰচনা নহয়। ভালেমান গীতত মধ্যযুগীয় বৈষ্ণৱ সাহিত্যৰ লগতে লোকগীতৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়।

ডাকৰ বচন

অসমীয়া নিৰক্ষৰ জনগণৰ কাৰণে 'ডাকৰ বচন বেদৰ বাণী'ৰ দৰেই ব্যৱহাৰিক জ্ঞানৰ এখনি মৌখিক বিশ্বকোষ। বেদ তেওঁলোকে নামানিব পাৰে কিন্তু ডাকৰ বচন তেওঁলোকৰ হাড়ে হিমজুৰে মিলি আছে। সেইবোৰ তেওঁলোকৰ বাবে বিবেক-বাণী স্বৰূপ। ডাকৰ বচন লোক জীৱনৰ সঞ্চিত জ্ঞানৰ ভঁৰাল জাতীয় জীৱনৰ সামূহিক অভিব্যক্তি। 'সমাজৰ বিশেষকৈ কৃষিপ্ৰধান সমাজৰ সকলো লাগতিয়াল আৰু ব্যৱহাৰিক বিষয়ৰ জ্ঞান ডাকৰ বচনত থুপাই থোৱা হৈছে। শ শ বছৰ ধৰি জাতিয়ে লাভ কৰা ব্যৱহাৰিক অভিজ্ঞতা ৰুচি অভিৰুচি শুভাশুভৰ ধাৰণা বিশ্বাসৰ আধাৰভূমি এই বচনসমূহ। ধৰ্ম প্ৰকৰণ নীতি প্ৰকৰণ ৰন্ধন প্ৰকৰণ গৃহিণী লক্ষণ পৰিত্যাগ কথন স্বাস্থ্য প্ৰকৰণ কৃষি লক্ষণ বৰ্ষা লক্ষণ জ্যোতিষ প্ৰকৰণ আদি সমাজৰ সকলো লাগতিয়াল বিষয়ে অভিজ্ঞতাপ্ৰসূত উপদেশ পোৱা যায়। মানুহৰ সৌন্দৰ্যবোধত দোলন দি যাব পৰা সুকুমাৰ ভাব-কল্পনাৰ প্ৰকাশ ইয়াত ঘটা নাই কিন্তু কম কথাতে বা থোৰতে ব্যৱহাৰিক সত্য আৰু অভিজ্ঞতা একোটি ৰূপ দিয়াত অসামান্য দক্ষতা ফুটি উঠিছে।

সাঁথৰ

সাঁথৰ লোক সাহিত্যৰ এটি আপুৰুগীয়া সম্পদ। সাঁথৰৰ অন্তৰ্নিহিত কথাবস্তুক ৰহস্যময়তাৰ কুঁৱলীৰে আবৃত কৰি ৰখা হয়। সেয়ে ৰহস্যৰ জাল ছিন্ন কৰি সাঁথৰৰ অৰ্থ উপলব্ধি কৰিবৰ বাবে বিশেষ বুদ্ধিমত্তাৰ প্ৰয়োজন।

সাঁথৰৰ যোগেদি বুদ্ধিৰ তীক্ষ্ণতা জোখা বা চৰ্চা কৰাৰ এটি পৰম্পৰা লোক সমাজত দীৰ্ঘদিন ধৰি চলি আহিছে। তলত তেনে দুটিমান নিদৰ্শন দাঙি ধৰা হ'ল

(ক) *হাবিত কাহে, ওলাই নাহে।* — (কুঠাৰ)

(খ) *সোঁমাখি নহয় কিন্তু কৰে গুণ গুণ।*
বামুণ নহয় কিন্তু ডিঙিত লগুণ।। — (যঁতৰ)

(গ) *টিপিকি মাদত পানী খায়*
উলুবনিত খপ্‌জপায়। — (খুৰ)

সাঁথৰবোৰ বৃত্তগন্ধী আৰু বিবিধ অলংকাৰেৰে পৰিপূৰ্ণ। ইয়াৰ অধিকাংশৰে সম্পৰ্ক ঘৰুৱা জীৱনৰ সৈতে।

ফকৰা

ফকৰাই যোজনা পটন্তৰতকৈ পৃথক গভীৰ আৰু পাৰমাৰ্থিক অৰ্থবোধক নিৰ্দিষ্ট সংখ্যক কথাক বুজায়। পুৰণিকালত ধৰ্মৰ গোপনীয়তা ৰক্ষা কৰা বা গাম্ভীৰ্য বৰ্ধনৰ বাবে কিছুমান পাৰ্থিৱ তথ্যপূৰ্ণ কথা আলোচনা কৰা হৈছিল। এইবোৰ হৈছে গভীৰ অৰ্থময়তাৰে আওপকীয়াকৈ কথা কোৱাৰ ধৰণ। ধৰ্মীয় পৰম্পৰাৰ সৈতে জড়িত আৰু পাৰমাৰ্থিক ভাবব্যঞ্জক হোৱা বাবে ইয়াৰ গূঢ়াৰ্থ উপলব্ধি কৰাটো যথেষ্ট কঠিন। উদাহৰণ স্বৰূপে —

গুৰুকো মাৰিবা ভকতক মাৰিবা
মাৰিবা সোদৰৰ ভাই
লগৰ সংগ ভকতক মৰিয়াই মাৰিবা
তেবেসে নিজ গুৰুক পায়।

ইয়াত গুৰু = মন ভকত = বাসনা সোদৰৰ ভাই = হাত দুখন ইন্দ্ৰিয় লগৰ সংগ ভকত = ৰিপুসমূহ। নিজ গুৰু = পৰম্পদ মাৰিবা = দমন কৰিবা।

কেৱল ভকতীয়া সমাজতে নহয়। লোক জীৱনৰ বিভিন্ন স্তৰত বিভিন্ন উপলক্ষ্যত ফকৰাৰ ব্যৱহাৰ চলি আহিছে। মুঠতে ফকৰাবোৰ লোক প্ৰজ্ঞা আৰু লোক জীৱনৰ অভিজ্ঞতাৰ সৰ্বোৎকৃষ্ট নিদৰ্শন।

যোজনা-পটন্তৰ

ফকৰাৰ দৰেই লোক অভিজ্ঞতাৰ বিচিত্ৰ দিশৰ সঞ্চিত ভঁৰাল হ'ল যোজনা আৰু পটন্তৰসমূহ। মানুহৰ বাস্তৱ জীৱনৰ অভিজ্ঞতালব্ধ জ্ঞানৰ বাচকবনীয়া মণি মুকুতাই হ'ল যোজনা পটন্তৰ।

'কিছুমান কথাৰ মূল কথাটো বুজাবলৈ লগত ছন্দস্পন্দে প্ৰয়োগ কৰি একেবাৰি কথা এনেয়ে জোৰা দিয়া হয় এনেবিধ কথাই হ'ল যোজনা। পটন্তৰত সাধাৰণতে দুফাকি কথা থাকে আৰু দুয়োফাকি কথাৰ বিষয়বস্তুৰ স্বভাৱৰ মিল থাকে আৰু সিটোৰ লগত ইটোক বুজাবলৈ ব্যৱহাৰ কৰা হয়।

প্ৰবচনবোৰ সাধাৰণতে কোনো ঘটনাৰ পটভূমিত সৃষ্টি হয় আৰু পাছত সমজাতীয় ঘটনাৰ পৰিণতি বুজাবলৈ ইয়াক ব্যৱহাৰ কৰা হয়। যেনে গড়গঞা কটাৰীৰ ডাবেও কাটে 'লালুকীলৈ কি তপত পানী লাগিছে' 'কুকুৰৰ নেজ দীঘল নিজে পাৰি বহে ইত্যাদি।

যোজনাবোৰত সাধাৰণতে দুফাকি কথা থাকে। যেনে —

'জাণকে বুলিলে জকাই
আন্ধাৰে মুন্ধাৰে চিনিব নোৱাৰি
পৈযেকক বুলিলে ককাই।

'চপনীয়াক নিদিবা ঠাই
ল'ৰা-ছোৱালীক নিদিবা লাই।

পটন্তৰবোৰত সাধাৰণতে স্বভাৱত মিল থকা দুটা কথাৰ তুলনা কৰা হয়। অসমীয়া ভাষাত জনসাধাৰণৰ জ্ঞান আৰু অভিজ্ঞতাৰ স্বতঃস্ফূৰ্ত প্ৰকাশ ঘটিছে এই পটন্তৰসমূহত। যেনে —

'আটাইতকৈ তিতা নেমুটেঙাৰ পাত
তাতোকৈ তিতা মাহী আইৰ মাত।

লগাওঁতে লগাওতে কেঁচা খৰিও লাগে
ভগাওঁতে ভগাওঁতে মহামিত্ৰও ভাগে।   ইত্যাদি।

সাধুকথা

সাধুকথাবোৰ লোকমনৰ প্ৰতিচ্ছবি আৰু ইয়াত লোকজীৱনৰ চিন্তা আদৰ্শ কল্পনা আৰু লোকবিশ্বাস জড়িত হৈ আছে। নিজৰ অভিজ্ঞতাক সজাই পৰাই আনৰ আগত প্ৰকাশ কৰিব বিচৰা চিৰন্তন প্ৰবৃত্তিটোৰ পৰাই সাধুকথাই জন্মলাভ কৰা বুলি অনুমান কৰিব পাৰি। সাধুকথাত জনজীৱনৰ নানাৰঙী বিচিত্ৰ অভিজ্ঞতাৰাজিৰ লগে লগে কল্পনা বিশ্বাস মনস্তাত্বিক, চিন্তাধাৰা আদি থুপ খাই আছে।

বিভিন্ন ঠাইত সাধুকথাৰ মাজত বিষয়বস্তুৰ ঐক্য থাকিলেও ইয়াৰ কথনৰীতি আৰু উপস্থাপন পদ্ধতি স্থান বিশেষে বেলেগ বেলেগ। সাধুকথাৰ গুৰুত্বৰ বিষয়ে উল্লেখ

কবি লক্ষ্মীনাথ বেজবৰুৱাই লিখিছে — এটা জাতিৰ পুৰণি সাধুকথাৰ ইতিহাস আৰু ভাষাৰ ভিতৰত এটা শব্দৰ ইতিহাস এখন ডাঙৰ যুদ্ধৰ ইতিহাসতকৈ মূল্যবান।

সাধুকথাই শিশুৰ মনত গভীৰ চাপ বহুৱায়। কিছুমান সাধুকথাত অলৌকিক আৰু আধিভৌতিক উপাদানৰ সংযোগ লক্ষ্য কৰা যায়। মুঠতে সাধুকথাবোৰত লোক জীৱনৰ চিন্তা আৰু মনীষাৰ সাৰ্থক প্ৰতিফলন ঘটিছে।

উপসংহাৰ

অসমীয়া লোক-সাহিত্যৰ আলোচনাত জনজাতীয় লোক সাহিত্য সম্পৰ্কেও আলোচনা হোৱাটো বাঞ্চনীয়। অসমত বসবাস কৰা বিভিন্ন জনজাতীয় লোকসকলৰ মাজত স্বকীয় চিন্তা জীৱনদৰ্শন আৰু সমাজ জীৱনৰ প্ৰতিফলন তেওলোকৰ লোক সাহিত্যত ঘটিছে। এইসমূহৰ বিস্তৃত অধ্যযন আৰু গৱেষণাৰ যোগেদিহে আমাৰ জনগোষ্ঠীয় ঐক্য আৰু সম্প্ৰীতিৰ ভাব অধিক বাটৰ্টীয়া কৰিব পাৰি।

চতুৰ্থ অধ্যায়

প্ৰাক শংকৰী যুগৰ অসমীয়া সাহিত্য

শংকৰদেৱৰ পূৰ্বৰ অসমীয়া সাহিত্যৰ যুগটোক প্ৰাক্ শংকৰী যুগ আখ্যা দিয়া হয়। প্ৰাক শব্দৰ অৰ্থ হ'ল পূৰ্বৰ বা আগৰ। অৰ্থাৎ শংকৰদেৱৰ আবিৰ্ভাৱৰ পূৰ্বৰ যুগটোৱেই প্ৰাক শংকৰী যুগ। আমি জানো যে শংকৰদেৱৰ আবিৰ্ভাৱ হৈছিল ১৪৪৯ খ্ৰীষ্টাব্দ অৰ্থাৎ পঞ্চদশ শতিকাৰ মাজভাগত। গতিকে খ্ৰীষ্টিয় ত্ৰয়োদশ চতুৰ্দশ শতিকাৰ পৰা আৰম্ভ কৰি পঞ্চদশ শতিকাৰ মাজভাগলৈকে এই যুগটোক প্ৰাকশংকৰী যুগ আখ্যা দি ় পাৰি। অৱশ্যে খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ আগৰ লিখিত সাহিত্যৰ নিদৰ্শন হিচাপে ে ামাৰ হাতত থকা সাহিত্য সম্পদ চৰ্যাগীতো প্ৰাক শংকৰী যুগৰে সম্পদ যদিও ইয়াক প্ৰত্ন অসমীয়া সাহিত্য বুলি ধৰা হৈছে।

প্ৰাক শংকৰী যুগৰ সাহিত্যৰাজিলৈ দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে এই যুগটোৰ সাহিত্যৰাজি মূলত মহাকাব্যিক আৰু পৌৰাণিক ঐতিহ্যৰ ওপৰত নিৰ্ভৰশীল। এই যুগৰ প্ৰায়কেইজন কবিয়েই ভাৰতীয় প্ৰধান মহাকাব্য ৰামায়ণ আৰু মহাভাৰতৰ কাহিনীক আধাৰ হিচাপে লৈ গ্ৰন্থ ৰচনাত মনোনিৱেশ কৰিছে। মাধৱ কন্দলি হৰিবৰ বিপ্ৰ কবিৰত্ন সৰস্বতী এই কেইগৰাকী কবিৰ আধাৰ গ্ৰন্থ হৈছে ৰামায়ণ অথবা মহাভাৰত। আনহাতে হেম সৰস্বতীৰ কাব্যৰ মূল আধাৰ হৈছে 'বামণ পুৰাণ আৰু 'হৰগৌৰী সম্বাদ এই দুখনি গ্ৰন্থ পৌৰাণিক ঐতিহ্যৰ ওপৰত নিৰ্ভৰশীল।

দ্বিতীয় মন কৰিবলগীয়া বৈশিষ্ট্য হ'ল এইসকল কবিয়ে সেই সময়ত পুৰণি কামৰূপৰ বিভিন্ন ঠাইত ৰাজত্ব কৰা জনজাতীয় মূলৰ ৰজাসকলৰ পৃষ্ঠপোষকতা লাভ কৰি কাব্য ৰচনাত মনোনিৱেশ কৰিছিল। তেনে ৰজাসকল হৈছে মহামাণিক্য ইন্দ্ৰ নাৰায়ণ দুৰ্লভ নাৰায়ণ আৰু শ্ৰীমন্ত তাম্ৰধ্বজ।

গতিকে দেখা যায় যে সেইসময়ৰ উদাৰচিতীয়া জনজাতীয় মূলৰ ৰজাসকলে থলুৱা ভাষা-সাহিত্যৰ চৰ্চাত পৃষ্ঠপোষকৰ ভূমিকা গ্ৰহণ কৰিছিল। এই যুগত হয়তো

আৰু অন্যান্য কবিয়েও কাব্য ৰচনা কৰিছিল কিন্তু এতিয়ালৈকে তেনে কাব্য উদ্ধাৰ হোৱা নাই।

আন এটা মনকৰিবলগীয়া কথা এই যে মাধৱ কন্দলি বিৰচিত ৰামায়ণখনৰ দৰে মহাভাৰতৰ পূৰ্ণাংগ ভাঙনি সেই যুগত হোৱা নাছিল। জৈমিণীয় অশ্বমেধ পৰ্বৰ অন্তৰ্গত বভ্ৰুবাহনৰ যুদ্ধ তাম্ৰধ্বজৰ যুদ্ধ জয়দ্ৰথ বধ সত্যকি প্ৰবেশ আদি মহাভাৰতৰ অন্তৰ্গত বিবিধ খণ্ডকাব্য মাথোন সৃষ্টি হৈছিল। বভ্ৰুবাহনৰ যুদ্ধ ৰচনাৰ প্ৰসংগক্ৰমে মহাভাৰতীয ঐতিহ্যৰ বাহিৰৰ পৰা ৰামায়ণৰ কাহিনীৰ আধাৰত 'লৱকুশৰ যুদ্ধ কাব্য ৰচনা কৰিছে।

হেম সৰস্বতী ঃ

অসমীয়া সাহিত্যৰ ইতিহাসকাৰসকলে হেম সৰস্বতীৰ সময় ত্ৰয়োদশ শতিকাৰ শেষ আৰু চতুৰ্দশ শতিকাৰ আদিভাগ বুলি ঠাৱৰ কৰিছে। কালিৰাম মেধি আৰু সত্যেন্দ্ৰনাথ শৰ্মাৰ এই মতৰ বিপৰীতে কনকলাল বৰুৱা আৰু দেবানন্দ ভৰালীয়ে হেম সৰস্বতীক চতুৰ্দশ শতিবাৰ মাজভাগৰ কবি বুলি অনুমান কৰিছে।

হেম সৰস্বতীৰ নামত এতিযালৈকে দুখনি গ্ৰন্থ পোৱা গৈছে -- প্ৰহ্লাদ চৰিত্ৰ আৰু 'হৰগৌৰী সম্বাদ। প্ৰহ্লাদ চৰিত্ৰ'ত কবিযে নিজৰ পৰিচয এনেদৰে দিছে

'কমতামণ্ডল দুৰ্লভ নাৰায়ণ নৃপবৰ অনুপাম।
তাহান ৰাজ্যেত ৰুদ্ৰ সৰস্বতী দেৱযানী কন্যা নাম।।
তাহান তনয় হেম সৰস্বতী ধ্ৰুবৰ অনুজ ভাই।
পদবন্ধে তেহো কৰিলা প্চাৰ বামন পুৰাণ চাই।

তেওঁৰ আন এখনি গ্ৰন্থ 'হৰগৌৰী সম্বাদ'ত কবিযে পৰিচয প্ৰদান কৰিছে এনেদৰে

'ভূপ দুৰ্লভ নাৰায়ণ পাত্ৰ পশুপতি সুত
সৰ্বশাস্ত্ৰে পণ্ডিত সুজান
তাহাৰ তনয় চাৰি ধনঞ্জয় আদি কৰি
ধ্ৰুব ভৈলা কুলত প্ৰধান।
অপৰ হেমন্ত কবি হৰ গৌৰী পদ সেৱি
হেম সৰস্বতী ভৈলা নাম।

কমতামণ্ডলৰ ৰজা দুৰ্লভ নাৰায়ণ আৰু তেওৰ পাত্ৰ (বিষয়া) পশুপতি সুত তথা ৰুদ্ৰ সৰস্বতীৰ পুত্ৰ হেম সৰস্বতী। হৰগৌৰী সম্বাদত হেম সৰস্বতীৰ পিতৃক 'সৰ্বশাস্ত্ৰে পণ্ডিত সুজান আখ্যা দিয়া হৈছে। প্ৰাক শংকৰী যুগৰ আন এগৰাকী কবি কবিৰত্ন সৰস্বীয়েও 'জয়দ্ৰথ বধ'ৰ কাহিনী ৰচনা কৰোতে অনুৰূপ ধৰণে আত্মপৰিচয় প্ৰদান কৰা দেখা যায়। কবিৰত্ন সৰস্বতীয়ে তেওঁৰ পৃষ্ঠপোষক ৰজা ইন্দ্ৰ নাৰায়ণৰ

পাছতেই নিজৰ পিতৃৰ উল্লেখ কৰি তেওঁক পণ্ডিত তিলক কুল প্ৰকাশক নিষ্কলংক যেন শশী আখ্যা দিছে। গতিকে দেখা যায় যে দুয়োজন কবিৰ পিতৃ দুগৰাকী পণ্ডিত আৰু ৰাজ বিষয়া আছিল।

কবিয়ে যি 'কমতামণ্ডল'ৰ উল্লেখ কৰিছে, সেয়া বৰ্ত্তমান পূৰ্ববংগ আৰু পশ্চিম অসমৰ অন্তৰ্গত। এসময়ত কামৰূপ গোৱালপাৰা কোচবিহাৰ আৰু জলপাইগুৰি জিলাক সামৰি লোৱা অঞ্চলক 'কমতামণ্ডল বোলা হৈছিল। গতিকে হেম সৰস্বতী নিশ্চয় পশ্চিম অসমৰ লোক আছিল।

হেম সৰস্বতীৰ এশ চৰণযুক্ত প্ৰহ্লাদ চৰিত্ৰ অসমীয়া সাহিত্য উঁৰালৈ এক উল্লেখযোগ্য অৱদান। ১৯২৩ চনত ভাষাবিদ কালিৰাম মেধিয়ে কাব্যখনি সম্পাদনা কৰি উলিয়ায়। প্ৰহ্লাদ চৰিত সৰু বৰ্ণনাত্মক কাব্য হ'লেও অসমীয়া সাহিত্যৰ ইতিহাসত কাব্যখনৰ গুৰুত্ব অনস্বীকাৰ্য। কাব্যখনৰ আৰম্ভণিতে দানৱৰাজ হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদৰ হৰিভক্তিৰ গভীৰতাৰ পৰিচয় ফুটি উঠিছে। হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদে বামানয় শাস্ত্ৰৰ প্ৰতি দেখুওৱা অনিহাই দৈত্য ৰজা হিৰণ্যকশিপুক চিন্তিত কৰি তোলে আৰু যিকোনো প্ৰকাৰে প্ৰহ্লাদক হৰিভক্তিৰ পৰা বাৰণ কৰিবৰ কাৰণে প্ৰয়াস অব্যাহত ৰখা হয়। কিন্তু বিভিন্ন চেষ্টাৰ অন্ততো হিৰণ্যকশিপুয়ে পুত্ৰক নিজ মাৰ্গলৈ ঘূৰাই 'আনিব নোৱৰাত তেওৰ ধৈৰ্যচ্যুতি ঘটে আৰু শেষত নৰসিংহৰূপী হৰিৰ হাতত তেও প্ৰাণ বিসৰ্জন দিবলগীয়া হয়।

প্ৰহ্লাদৰ মতে 'মাধৱত পৰে কোন আছে সংসাৰত আৰু সেয়ে মাধৱৰ কৃপাৰ বলত কোটি সহস্ৰ হাতীয়েও প্ৰহ্লাদক মাৰিবলৈ সক্ষম হোৱা নাই। বিষধৰ সৰ্পও প্ৰহ্লাদৰ ওচৰত হাৰ মানিবলৈ বাধ্য হৈছে। গতিকে প্ৰহ্লাদে উপলব্ধি কৰিছে যে 'হৰি যাক ৰক্ষা কৰে মাৰে তাক কুনে। ইপিনে প্ৰহ্লাদে দেউতাকৰ পৰা যথেষ্ট তিৰস্কাৰৰ সন্মুখীন হ'বলগীয়াত পৰিছে। ক্ৰোধত ৰ'ব নোৱাৰি তেও কৈছে —

'আমাৰ বংশত তই ভৈলি কুলাংগাৰ।
মোহোৰ বংশত উপজিল ধুমকেতু।

আনকি হৰিনাম স্মৰণৰ পৰা বিৰত ৰাখিবৰ কাৰণে প্ৰহ্লাদক ৰাজ্যভাৰ অৰ্পনৰ দৰে লোভনীয় প্ৰস্তাৱো অৰ্পন কৰা হৈছে। কিন্তু পিতাকৰ সকলো প্ৰলোভন নাকচ কৰি প্ৰহ্লাদে অংগীকাৰ কৰিছে

'মাধৱেসে পিতামাতা মাধৱেসে প্ৰাণ।
মাধৱত পৰে কোন বন্ধু আছে আন।

হৰি আৰু হিৰণ্যকশিপুৰ দ্বৈৰথ যুদ্ধখনৰ প্ৰাৰম্ভত ঈশ্বৰৰ অস্তিত্বলৈ পিতা পুত্ৰৰ মাজত তৰ্কৰ সূচনা হৈছে। পিতাকৰ যুক্তি খণ্ডন কৰি প্ৰহ্লাদে হৰিৰ সৰ্বব্যাপকত্বৰ আভাস দাঙি ধৰিছে। আনকি সম্মুখত থকা স্ফটিকৰ স্তম্ভৰ ভিতৰতো তেও হৰিক দেখিবলৈ পোৱা বুলি কৈছে।

'স্ফটিকক তম্ভে হৰি দেখোহো প্ৰত্যখ।'

তেতিয়া হিৰণ্যকশিপুৱে ক্ৰোধেৰে স্ফটিকৰ স্তম্ভত প্ৰহাৰ কৰাত তাৰ ভিতৰৰ পৰা নৰসিংহ ওলাই আহিল আৰু উভয়ৰে মাজত যুদ্ধ সংঘটিত হ'ল। হিৰণ্যকশিপু আৰু নৰসিংহৰ মাজত সংঘটিত যুদ্ধখনৰ বৰ্ণনা কবিয়ে অতি চিত্তাকৰ্ষক ৰূপত দাঙি ধৰিছে

হেন দেখি নাৰায়ণে গুণে মনে মনে।
মোক যে এনুবা চোটে আনে সহে কুনে।।
গিৰ গিৰ শবদে পৰিলা ভূমি চাপ।
ঘনে ঘনে কাম্পন্ত পৃথিৱী সাত তাপ।।
চোৰায়ে দখন অতি তেজয় আটাস।
স্বৰ্গ-মৰ্ত্য-পাতালেত লাগিল ত্ৰবাস।।
থলে বাৰে যুঁজে থল যাই ৰসাতল।
জলে যেৰে যুঁজে জল শুখায় সকল।।
গিৰিত যুজয় গিৰি খণ্ড খণ্ড হয়।
দেৱাসুৰ নৰে বোলে মিলিল প্ৰলয়।।

অৱশেষত সন্ধিয়া পৰত বিষ্ণুৰূপী নৰসিংহই অসুৰক পানীপোতালৈ চোঁচোৰাই নি জল স্থল নহয় উৰুত বহুৱাই নখেৰে বিদাৰি অসুৰৰ প্ৰাণ ল'লে

'অস্ত্ৰে শস্ত্ৰে নকাটিলা নখে বিদাৰিলা।
ৰাত্ৰি দিন কিছু নোহে সন্ধ্যাতে মাৰিলা।।

হিৰণ্যকশিপুৰ মৃত্যুত প্ৰহ্লাদ বাস্তৱ জগতলৈ উভতি আহে আৰু মনত তীব্ৰ অনুশোচনাৰ সঞ্চাৰ হয়। পিতৃৰ মৃত্যুৰ কাৰণে প্ৰহ্লাদে নিজকে দোষী বুলি ভাবে —

'হা প্ৰাণ পিতৃ মই কিমত কি কৰিলো।
তুমি কি নিজিলা মই প্ৰাণে মৰিলো।।
পিতৃয়ে পৰম গুৰু পিতৃ ইষ্টদেৱ।
পিতৃ বিনে সংসাৰত বন্ধু নাহি কেৱ।।

যাহাৰ প্ৰসাদে মই দেখিলো সংসাৰ।
পিতৃ অবিহনে দেখো দিনতে আন্ধাৰ।।

প্ৰহ্লাদৰ দুখ দেখি অৱশেষত সান্ত্বনা দিবৰ কাৰণে নাৰায়ণে এনেদৰে কৈছে

'নাকান্দা নাকান্দা বাপু নকৰা সন্তাপ।
কৈৰ ভাৰ্যা পুত্ৰ দেখা কৈৰ মাৰ বাপ।।
যেহেন বৃক্ষত পক্ষী থাকে এক সংগে।
নিশা গোট বৃক্ষে যেন মতে ৰংগে ঢংগে।।
ৰজনী প্ৰসন্ন ভৈলে দশোদিশে যাই।
পিতৃৰ পুত্ৰৰ জানা তেনয় পৰায়।।'

ৰাতি একেডাল গছৰ ডালত আশ্ৰয় লোৱা পক্ষীবোৰ পুৱাৰ লগে লগে পৰস্পৰ বিচ্ছিন্ন হৈ যোৱাৰ দৰেই পিতা পুত্ৰয়ো নিজ কক্ষপথত বিচৰণ কৰে। ভগৱানৰ উদ্দেশ্য পূৰণ কৰাত প্ৰহ্লাদ নিমিত্ত মাত্ৰ। নাৰায়ণৰ কথাত পতিয়ন গৈ প্ৰহ্লাদে অৱশেষত ভগৱানৰ স্তুতি কৰিছে

'নমো নাৰায়ণ প্ৰভু দেৱ যদুপতি।
তোমাৰ চৰণে মোৰ থাকোক ভকতি।।
ভকত বৎসল প্ৰভু কৰুণা সাগৰ।
মই অনাথক নচাৰিবা দামোদৰ।।
অভয় চৰণে মই পশিলো শৰণ।
অপাৰ সাগৰে পাৰ কৰা নাৰায়ণ।।

ভগৱানৰ চৰণত প্ৰহ্লাদৰ একান্ত আত্মসমৰ্পনে পৰৱৰ্তী কালৰ বৈষ্ণৱ কবিসকলক মনত পেলাই দিয়ে।

হেম সৰস্বতীৰ আন এখন গ্ৰন্থ হ'ল 'হৰগৌৰী সম্বাদ। পুথিখনৰ এটা নকল ধুবুৰীৰ অজয় কুমাৰ চক্ৰৱৰ্তীৰ হাতত পোৱা গৈছে। 'হৰগৌৰী সম্বাদ পুথিখনত মুঠ ছটা অধ্যায় আৰু ৮৯৯ টা পদ আছে। প্ৰত্যেক অধ্যায়ৰ অন্তত ক্ৰমান্বয়ে 'ইতি নৰসিংহ পুৰাণে হিৰণ্যকশিপু বধ 'ইতি হৰগৌৰী সম্বাদে তাৰক যুদ্ধ সমাপ্ত ইত্যাদি কথাৰ সংযোজন হৈছে। এনে উল্লেখে হৰগৌৰী সংবাদৰ কাহিনীভাগৰ সৈতে নৰসিংহ পুৰাণৰ সম্পৰ্ক সূচিত কৰে। অৱশ্যে কাব্যখনত অন্যান্য গ্ৰন্থৰ প্ৰভাবো অস্বীকাৰ কৰিব নোৱাৰি।

'হৰগৌৰী সম্বাদ সম্পৰ্কে মন্তব্য দি সত্যেন্দ্ৰ নাথ শৰ্মাই লিখিছে 'হৰগৌৰীসম্বাদ কবিৰ পৰিণত বয়সৰ ৰচনা বুলি ধাৰণা হয়। এই পুথি প্ৰকাশ হ'লে হেম সৰস্বতীৰ কাব্য-প্ৰতিভাৰ সম্যক আলোচনা সম্ভৱ হ'ব।

হৰিবৰ বিপ্ৰ ঃ

প্ৰাক শংকৰী যুগৰ শ্ৰেষ্ঠ কবিসকলৰ ভিতৰত মাধৱ কন্দলিৰ পিছতেই হৰিবৰ বিপ্ৰৰ স্থান। তেওঁৰ নামত তিনিখন কাব্য পোৱা গৈছে 'বভ্ৰুবাহনৰ যুদ্ধ 'তাম্ৰধ্বজৰ যুদ্ধ আৰু 'লৱকুশৰ যুদ্ধ। কবিয়ে 'বভ্ৰুবাহনৰ যুদ্ধ নামৰ পুথিত আত্ম পৰিচয় প্ৰদান কৰি লিখিছে

'জয় জয় নৰপতি দুৰ্লভি নাৰায়ণ ৰজা
কামপুৰে ভৈলা বীৰবৰ।
সপুত্ৰ বান্ধৱে সেৱে সুখে ৰাজ্য কৰন্তোক
জীৱন্তোক সহস্ৰ বৎসৰ।।
তাহান ৰাজ্যত থিত সাধুজন মনোনীত
অশ্বমেধ বিৰচিত সাৰ।
বিপ্ৰ হৰিবৰ কই গৌৰীৰ চৰণ সেৱি
পদবন্ধে কৰিলো প্ৰচাৰ।।

ওপৰৰ ভনিতাৰ পৰা বুজা যায় যে কবি হৰিবৰ বিপ্ৰই দুৰ্লভনাৰায়ণ ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। নগেন্দ্ৰ নাথ আচাৰ্যৰ মতে দুৰ্লভ নাৰাযণ চতুৰ্দশ শতিকাৰ মাজভাগৰ পশ্চিম অসমৰ ৰজা আছিল আৰু হৰিবৰ বিপ্ৰ তেওৰ সভাকবি আছিল। কালিৰাম মেধিৰ মতেও দুৰ্লভ নাৰায়ণৰ সময় চতুৰ্দশ শতিকাৰ মাজভাগ (১৩৩০ ৫০)। আনহাতে বাণীকান্ত কাকতিয়ে দুৰ্লভ নাৰায়ণণক ত্ৰয়োদশ শতিকাৰ শেষ আৰু চতুৰ্দশ শতিকাৰ আদিভাগৰ কবি বুলি মত প্ৰকাশ কৰিছে। এই সম্পৰ্কে মতভেদ দূৰ কৰি সত্যেন্দ্ৰনাথ শৰ্মাই যুক্তিৰে সিদ্ধান্তত উপনীত হৈছে যে 'চতুৰ্দশ শতিকাৰ প্ৰথমাৰ্ধৰ দুৰ্লভ নাৰায়ণ ৰজাই হৰিবৰ বিপ্ৰৰ পৃষ্ঠপোষক আছিল বুলি ধৰাই বেছি সমীচীন হ'ব। অনুৰূপভাৱে Aspects of early Assamese Literature গ্ৰন্থৰ দ্বিতীয় সংস্কৰণত মহেশ্বৰ নেওগে উল্লেখ কৰিছে যে — সেই সময়ৰ সাহিত্যত উল্লেখ কৰা ৰজাসকলৰ ভিতৰত দুৰ্লভ নাৰায়ণেই প্ৰাচীনতম যেন অনুমান হয়। তেওক ত্ৰয়োদশ শতিকাৰ পিছৰ ফালে নাইবা চতুৰ্দশ শতিকাৰ মাজভাগৰ আছিল বুলি অনুমান কৰা হয়। এই গ্ৰন্থৰে আন এঠাইত তেও লিখিছে যে পণ্ডিতসকলে সিদ্ধান্ত কৰিছে যে চতুৰ্দশ শতিকাৰ দ্বিতীয় পাদ (১৩৩০-৫০) নাইবা ত্ৰয়োদশ শতিকাৰ পিছৰ ভাগেই দুৰ্লভ নাৰায়ণৰ ৰাজত্বৰ সময় আছিল। বাণীকান্ত কাকতিৰ মতেও তেওঁ কোনোপধ্যে চতুৰ্দশ শতিকাৰ পিছৰ হ'ব নোৱাৰে।

হৰিবৰ বিপ্ৰৰ নামত এতিয়ালৈকে তিনিখন কাব্য পোৱা গৈছে আৰু আটাইকেইখন কাব্যই অনুবাদ কাব্য। জৈমিনীয় মহাভাৰতৰ আশ্বমেধিক পৰ্বৰ কাহিনীক আধাৰ হিচাপে লৈ কবিয়ে কাব্যকেইখন ৰচনা কৰিছে। ভাষা প্ৰকাশভংগী আদিৰ ক্ষেত্ৰত সামান্য পাৰ্থক্য থাকিলেও তিনিওখন কাব্যৰ মাজত বিষয়বস্তুগত সাদৃশ্য বিদ্যমান। কাব্যকেইখনত যুদ্ধই বিশেষ প্ৰাধান্য লাভ কৰিছে।

'লৱ-কুশৰ যুদ্ধ'ৰ উল্লেখৰ পৰা জনা যায় যে কবিয়ে বভ্ৰুবাহনৰ যুদ্ধ ৰচনা কৰাৰ আগতে 'লৱ-কুশৰ যুদ্ধ কাব্যখন ৰচনা কৰিছে। কাব্যখনৰ এঠাইত কবিয়ে লিখিছে

'ৰামক জিনিল যেন লৱ-কুশ শৰে।
অৰ্জুনক জিনিলেক মণিপুৰেশ্বৰে।।
দুয়ো কথা শুনিবৰ মোৰ মন লাগে।
তথাপিতো ৰাম কথা কহিয়োক আগে।।'

তাম্ৰধ্বজৰ যুদ্ধৰ কাহিনী বভ্ৰুবাহনৰ যুদ্ধৰ পিছৰ ঘটনা। গতিকে মহাভাৰতৰ ঘটনাৰ ক্ৰম অনুসৰি কাব্যখন বভ্ৰুবাহনৰ যুদ্ধৰ পিছত ৰচিত বুলি ধাৰণা কৰিব পাৰি।

জৈমিণীয় মহাভাৰতৰ অশ্বমেধ পৰ্বৰ অন্তৰ্গত ২৫ ৩৬ অধ্যায়ৰ ভিতৰৰ ৰাম অযোধ্যালৈ উভটি অহাৰ পৰা লৱ-কুশৰ লগত যুদ্ধৰ পিছত অশ্বমেধ যজ্ঞ সম্পাদন কৰালৈকে কাহিনীভাগ লৱকুশৰ যুদ্ধ'ত অন্তৰ্ভুক্ত হৈছে। কাব্যখনৰ মূল উদ্দেশ্য হৈছে ৰামৰ সৈতে লৱ-কুশৰ যুদ্ধৰ বৰ্ণনা কৰা সেয়ে কাব্যখনৰ নাম ৰখা হৈছে লৱ-কুশৰ যুদ্ধ। মূলত বাৰটা অধ্যায়ত ৰামে লংকা বিজয়ৰ পিছত অযোধ্যালৈ উভটি যোৱাৰে পৰা আৰম্ভ কৰি অশ্বমেধ যজ্ঞ সমাপনলৈকে সমস্ত কাহিনীভাগ বৰ্ণনা কৰা হৈছে। হৰিবৰ বিপ্ৰৰ কাব্যৰ কাহিনীও মূলৰ সৈতে একেই যদিও কাহিনীৰ শেষত সীতা আৰু লৱ-কুশৰ অযোধ্যা গমন আৰু ৰামে অশ্বমেধ যজ্ঞ সম্পাদন কৰাৰ বিষয়ে কবিয়ে উল্লেখ কৰা নাই। কবিয়ে মূল কাহিনীৰ বিশেষ সালসলনি কৰিছে আৰু ঠাই বিশেষে বৰ্ণনা ৰসাল আৰু প্ৰাঞ্জল কৰাৰ উদ্দেশ্যে কবিয়ে বৰ্ণনা বিস্তৃত কৰিছে। সেইদৰে যুদ্ধৰ বৰ্ণনাও তেওঁ বিস্তৃতভাৱে দিছে। অৱশ্যে ঠাইবিশেষে মূলতকৈ সংক্ষিপ্ত কৰাও দেখা যায়। মুঠতে লৱ-কুশৰ যুদ্ধৰ কাহিনীভাগ কবিয়ে অসমীয়া পাঠক-শ্ৰোতাৰ উপযোগীকৈ ৰচনা কৰি উলিয়াইছে।

জৈমিণীয় অশ্বমেধৰ ১৪-৪০ অধ্যায়ৰ কাহিনীৰ আধাৰত হৰিবৰ বিপ্ৰই 'বভ্ৰুবাহনৰ যুদ্ধ কাহিনীভাগ ৰচনা কৰিছে। মূলত চতুৰ্দশ অধ্যায়ত পাণ্ডৱৰ অশ্বমেধ যজ্ঞৰ ঘোঁৰা মাহিষ্মতীপুৰত প্ৰৱেশ কৰাৰ পৰা চত্বাৰিংশ অধ্যায়ত কৃষ্ণই সঞ্জীৱনী মণিৰ সহায়ত অৰ্জুন আদিক জীয়াই তোলা ভীম আদিৰ হস্তিনাপুৰলৈ যাত্ৰা আৰু নগাসকলৰ পাতাললৈ প্ৰত্যাগমনলৈকে কাহিনীভাগৰ বৰ্ণনা পোৱা যায়। হৰিবৰ বিপ্ৰই

মূলত বৰ্ণিত কাহিনীক আধাৰ হিচাপে লৈয়েই বভ্ৰুবাহনৰ যুদ্ধ কাব্যখন ৰচনা কৰিছে যদিও কবিয়ে প্ৰয়োজনবোধে মূলৰ কাহিনীভাগৰ কিছু সালসলনি কৰিছে। মূলত প্ৰদ্যুম্ন আৰু বভ্ৰুবাহনৰ যুদ্ধত মৰা সৈন্য আদিৰ অংগ-প্ৰত্যংগ তেজ আদিৰে ৰণক্ষেত্ৰৰ যি বিভৎস আৰু বিস্তৃত বৰ্ণনা আছে, তাৰ বহুখিনি বাদ দি কবিয়ে সংক্ষিপ্ত কৰিছে। সেইদৰে মৃত আৰু অৰ্ধমৃত বীৰক লৈ অপ্সৰাসকলে কৰা আদি ৰসাত্মক বৰ্ণনা সময়োপযোগী নহয় বাবে কবিয়ে বাদ দিছে।

আনহাতে অৰ্জুনৰ দ্বাৰা অপমানিত হৈ বভ্ৰুবাহনে কৰা যুদ্ধৰ আয়োজনৰ বৰ্ণনা কবিয়ে মূলতকৈ বিস্তাৰিতভাৱে দিছে। মৃত্যু সুনিশ্চিত বুলি জানি অৰ্জুনে বৃষকেতুৰ আগত দুখ কৰা কথাখিনিও কবিয়ে কল্পনাৰ ৰহনেৰে সজীৱ কৰি তুলিছে। অৰ্জুনক বভ্ৰুবাহনে অৰ্ধচন্দ্ৰ বাণ নিক্ষেপ কৰা দেখি অৰ্জুনে কৃষ্ণক স্মৰণ কৰা আদিৰ প্ৰসংগত কবিয়ে মূলতকৈ কল্পনাক অধিক প্ৰাধান্য দিছে। অৱশ্যে অন্যান্য ক্ষেত্ৰত কবিয়ে প্ৰায়ে মূলক অনুসৰণ কৰিছে।

জৈমিণীয় মহাভাৰতৰ অশ্বমেধ পৰ্বৰ ৪১ ৪৬ অধ্যায়ৰ কাহিনীৰ আধাৰত কবিয়ে 'তাম্ৰধ্বজৰ যুদ্ধ'ৰ আখ্যানভাগ ৰচনা কৰিছে। কবিয়ে মূলৰ কাহিনীৰ বিশেষ পৰিবৰ্তন ঘটোৱা নাই। অৱশ্যে মূলত ময়ুৰধ্বজ নগৰৰ 'ৰত্ন নগৰ নাম কবিয়ে 'বাণপুৰ কৰিছে। তাম্ৰধ্বজৰ নাম মূলত ঠায়ে ঠায়ে 'সুচিত্ৰ বুলিও উল্লেখ আছে যদিও কবিয়ে সেই নাম ব্যৱহাৰ কাৰ নাই। সেইদৰে মূলত মন্ত্ৰীৰ নাম 'বহুলধ্বজ আছে যদিও কবিয়ে 'বংশধ্বজ নামটোহে ব্যৱহাৰ কৰিছে।

এনেদৰে ঠাইবিশেষে কবিয়ে কিছু সালসলনি কৰিছে যদিও সৰহভাগ কথাই কবিযে মূলৰ বৰ্ণনাৰ অনুৰূপে ভাঙনি কৰিছে। মূলৰ মতে তাম্ৰধ্বজৰ দৰে কামজয় সত্যবাদী ব্যক্তিৰ সৈতে অৰ্জুনে যুদ্ধ কৰা অনুচিত বুলি অৰ্জুনে তেওক আগতীয়াকৈ সোঁৱৰাই দিছে। কাৰণ কৃষ্ণৰ বাহিৰে আন কাৰো ময়ুৰধ্বজৰ সৈতে যুদ্ধ কৰাৰ শক্তি নাই।

অনিৰুদ্ধ বৃষকেতু বভ্ৰুবাহন আদিৰ লগত তাম্ৰধ্বজৰ যুদ্ধৰ বৰ্ণনাত কবিয়ে মূলক অনুসৰণ কৰিছে। যদিও ঠাইবিশেষে মূলতকৈ বিস্তৃত ৰূপত বৰ্ণনা দাঙি ধৰিছে। এনে বৰ্ণনাই কাব্যখনিৰ আকৰ্ষণীয় গুণ বৃদ্ধি কৰিছে।

মুঠতে হৰিবৰ বিপ্ৰৰ তিনিওখন কাব্যই উচ্চস্তৰৰ অনুবাদকৃতিৰ নিদৰ্শন। কাব্যকেইখনিৰ মাধ্যমেদি কবিৰ অসাধাৰণ কাব্য প্ৰতিভাৰ স্বাক্ষৰ স্পষ্ট হৈ উঠিছে। উপমা ৰূপক প্ৰভৃতি বিবিধ অলংকাৰৰ প্ৰয়োগে তিনিওখন শোভা বৃদ্ধি কৰি কাব্যকেইখন মনোগ্ৰাহী আৰু জনপ্ৰিয় কৰি তুলিছে। তলত দুটিমান নিদৰ্শন দাঙি ধৰা হ'ল

ক) 'আগে যেন মনুষ্যে পৰড়ে খৰতৰি।
ছাগ বুলি বাঘৰ গলত আছে ধৰি।।
মনুষ্যে এড়ান্তে গলৰ লেৰে বাঘে।
তোৰ মোৰ পটন্তৰ সেহিমতে লাগে।।' (বভ্রুবাহনৰ যুদ্ধ)

খ) 'হৃদয়ত পৰি ধীৰে দুই হাতে আটে।
বলৱন্ত নাৰী যেন বেসুৰাৰ বাটে।। (বভ্রুবাহনৰ যুদ্ধ)

গ) সাগৰ বুলিয়া ঝাম্প দিলোঁ পিয়াসত।
সিও শুকাই থালি ভৈল মোহোৰ ভাগ্যত।।(তাম্রধ্বজৰ যুদ্ধ)

ঘ) যেন পানী খোজন্তে দুষক দিলা বিধি।' (তাম্রধ্বজৰ যুদ্ধ)

ঙ) বালিত নৰহে যেন অল্প বৃষ্টিজল। (লৱকুশৰ যুদ্ধ)

চ) লোণ নাৰ জল গৈল আঙ্গলিক চখো।। (লৱকুশৰ যুদ্ধ)

কাব্যকেইখনত ফকৰা যোজনা প্ৰবাদ পটন্তৰো অতি সাৰ্থক ৰূপত প্ৰয়োগ কৰা হৈছে। খণ্ডবাক্য আৰু জঁতুৰা ঠাচৰ প্ৰয়োগো যথেষ্ট। কবিয়ে প্ৰয়োজনবোধে প্ৰাকৃতিক দৃশ্য আদিৰ বৰ্ণনাত অসমৰ গছ-গছনি চৰাই চিৰিকতি আদিৰ বৰ্ণনা দাঙি ধৰিছে ঠাইবিশেষে অসমৰ সামাজিক ৰীতি-নীতি লোকাচাৰ লোকবিশ্বাস আদিৰো সুন্দৰ প্ৰয়োগ কৰিছে। বভ্রুবাহনৰ যুদ্ধ কাব্যত অৰ্জুনৰ মূৰৰ ওপৰত শগুণ উৰা কুন্তীয়ে সপোনত অৰ্জুনক গায়ে মূৰে তেল ঘঁহি, জবা ফুলৰ মালা পিন্ধি গাত গোবৰৰ প্ৰলেপ সানি ম'হৰ পিঠিত উঠি দক্ষিণলৈ যোৱা দেখা, লৱকুশৰ যুদ্ধ কাব্যত সীতাৰ বাও চকু ল'ৰা ৰামৰ সেনাৰ ওপৰত শগুণ উৰা প্ৰভৃতি ভালেমান জনবিশ্বাসৰ কথাও কাব্যকেইখনত উল্লেখ কৰা হৈছে।

হৰিবৰ বিপ্ৰৰ কাব্যত প্ৰাক-শংকৰী যুগৰ ভাষাৰ বৈশিষ্ট্যসমূহ সুন্দৰভাৱে ৰক্ষিত হৈছে। ছন্দৰ ক্ষেত্ৰত পদ আৰু দুলড়ী ছন্দৰ প্ৰয়োগেই অধিক। মুঠতে প্ৰাক-শংকৰী যুগৰ কবিসকলৰ ভিতৰত মাধৱ কন্দলিৰ পিছতেই হৰিবৰ বিপ্ৰক স্থান দিব পাৰি।

কবিৰত্ন সৰস্বতী ঃ

কবিৰত্ন সৰস্বতীয়ে কমতাপুৰৰ ৰজা দুৰ্লভ নাৰায়ণৰ পুত্ৰ ইন্দ্ৰনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰি মহাভাৰতৰ দ্ৰোণপৰ্বৰ অন্তৰ্গত 'জয়দ্ৰথ বধ অসমীয়ালৈ অনুবাদ কৰে। কবিৰত্ন সৰস্বতীৰ ঘৰ বৰপেটাৰ ওচৰৰ ছোটশিলা গাঁৱত। তেওঁৰ পিতৃ চক্ৰপাণি শিকদাৰ ৰাজবিষয়া আৰু পণ্ডিত ব্যক্তি আছিল।

মহাভাৰতৰ দ্ৰোণপৰ্বৰ অন্তৰ্গত 'জয়দ্ৰথ বধ'ত কবিয়ে আত্ম পৰিচয় দিছে এনেদৰে ঃ

'নৃপ শিৰোমণি দেৱ মহামানী
দুৰ্লভ নাৰায়ণ ৰজা।
নিতে পুত্ৰৱতে পালিলা সন্ততে
পৃথিৱীৰ যত প্ৰজা।।
তাহান তনয় ভৈলা ধৰ্মময়
ইন্দ্ৰ নাৰায়ণ দেৱ।
মহাবীৰ ধীৰ স্বভাৱে গম্ভীৰ
নিতে কৃত হৰি সেৱ।।
নিজ বাহুবলে পাইলা অবিকলে
অখণ্ড মহীমণ্ডলে।
যাত খাটে নমি সততে প্ৰণামি
বিপক্ষ নৃপসকলে।।
যাতে সৰ্বক্ষণ ইন্দ্ৰ নাৰায়ণ
বৰ দেন্ত সদাশিৱ।
হৌক নৰেশ্বৰ পাক্ষ গৌড়েশ্বৰ
পিতা-পুত্ৰ চিৰঞ্জীৱ।।

ভণিতাটোৰ শেষৰফালে কবিয়ে নিজৰ গাঁও পিতৃ পৰিচয় আৰু পিতৃৰ পাণ্ডিত্যৰ বিষয়ে স্পষ্টভাৱে উল্লেখ কৰিছে

ছোটশিলা নাম আছে এক গ্ৰাম
যত গ্ৰাম মধ্যে সাৰ।
আছিলা তথাতে জগত প্ৰখ্যাতে
চক্ৰপাণি শিকদাৰ।।
পটু নটবৰ কায়স্থ প্ৰবৰ
ধৰ্মৱন্ত মহাযশী।
পণ্ডিত তিলক কুল প্ৰকাশক
নিষ্কলঙ্ক যেন শশী।।
তাহান তনয় অতি শুভনয়
কবিৰত্ন সৰস্বতী।
দ্ৰোণ পৰ্বপদ জয়দ্ৰথ বধ
কৌতুহলে নিগদতি।।'

কনকলাল বৰুৱাই দুৰ্লভ নাৰায়ণৰ পুত্ৰ ইন্দ্ৰ নাৰায়ণৰ ৰাজত্বকাল ১৩৫০ ৬৫ চন বুলি সিদ্ধান্ত কৰিছে। কবিৰত্ন সৰস্বতী মাধবদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰৰ উপৰিপুৰুষ আছিল। নগেন্দ্ৰনাথ বসুৱে Social History of Kamrupৰ তৃতীয় খণ্ডত কবিৰত্ন সৰস্বতীৰ বংশ পৰিচয় দাঙি ধৰিছে এনেদৰে *কবিৰত্ন সৰস্বতী চক্ৰপাণি কবিৰত্ন বা শ্ৰীহৰি সৰস্বতী হৰিপাল ভূঞা ৰামপাল ভূঞা জয়পাল ভূঞা কৃষ্ণপাল বা গোপাল ভূঞা কৃপাল ভূঞা গয়পাল বা গয়াপাণি ৰামচৰণ ঠাকুৰ।* পণ্ডিতসকলে অনুমান কৰে যে বৰ্তমান বৰপেটা মহকুমাৰ শিলাগাঁৱেই কবিৰত্ন সৰস্বতীৰ জন্মস্থান (ছোটশিলা)।

জয়দ্ৰথ বধৰ অন্তৰ্গত কৈলাস বৰ্ণনা অতিশয় মনোৰম আৰু বিস্তৃত। 'জয়দ্ৰথ বধ'ৰ কাহিনীত সপোন ৰাজ্যত বিচৰণ কৰা অৰ্জুনে কৈলাস যাত্ৰাৰ শেষত উপস্থিত হোৱা মহাদেৱৰ স্থানত প্ৰাকৃতিক দৃশ্য উপভোগ কৰোঁতে দেখা পোৱা বিভিন্ন ফুল ফল চৰাই চিৰিকতিৰ বৰ্ণনা কবিয়ে সুন্দৰভাৱে দাঙি ধৰিছে। কবিৰ এই বৰ্ণনা পৰবৰ্তী কালৰ কবি শংকৰদেৱৰ 'হৰমোহন'ৰ উপবন বৰ্ণনাৰ অনুৰূপ। কৈলাস বৰ্ণনা'ত হৰৰ উদ্যানৰ ফুল ফলবোৰে অসমৰ প্ৰকৃতিকে প্ৰতিনিধিত্ব কৰিছে

লবংগ মালতী ফুলিল সেউতি
কুন্দ কুৰুবক জাই।
চম্পা নাগেশ্বৰ শিৰিষ বিস্তৰ
হাতে মেলি ফুল পাই।
ৰাঙ্গন ৰেৱতী আছে থুপি থুপি
তগৰ জয়ন্ত মালী।
ফুলভৰে হালি পৰে ডাল ভাঙ্গি
ফুলিল বকুল জালি।। ইত্যাদি।

মূল মহাভাৰতৰ দ্ৰোণ পৰ্বৰ ভিতৰুৱা 'জয়দ্ৰথ বধ'ৰ কাহিনীৰ অন্তৰ্গত কুবেৰৰ উদ্যান সৰোবৰ আদিত ফুল চৰাই আদিৰ উল্লেখ আছে যদিও সেই বৰ্ণনা অতিশয় সীমিত। কবিয়ে মূলৰ কেইটামান শ্লোকৰ আধাৰত অসমৰ প্ৰকৃতিৰ সৈতে খাপ খোৱাকৈ ফুল ফল চৰাই চিৰিকতিৰ এখনি সুন্দৰ তালিকা দাঙি ধৰিছে।

'আম যাম চাম আতি অভিৰাম
শাল তাল ডাল দেখি।
ফুলিলা কণ্টকী সুবৰ্ণ কেতেকী
ফুল মধ্যে পাক লেখি।

গুৱা নাৰিকল জবা পনিয়ল
লেতেকু টেঙ্গা দাড়িম্ব।
সোলেঙ্গ মধুৰী আছে ডাল ভৰি
ৰসে টুপ টুপ জিম্ব।।
কমলা কপুৰা যেন চেনিচূড়া
স্বাদেত আমোদ মোল।
পড়ণ্টা কণ্টুক আছে জোক জোক
দৰশনে হোৱে ভোল।। ইত্যাদি।

মূলৰ উপমাদি অলংকাৰৰ দ্বাৰা কবি কিছু পৰিমাণে উপকৃত হ'লেও তেওঁৰ ৰচনাত মাধৱ কন্দলি হৰিবৰ বিপ্ৰ আদিৰ ৰচনাৰ প্ৰভাৱ পৰাটো স্বাভাৱিক। কৈল্যাস বৰ্ণনাৰ প্ৰসংগত কবিয়ে প্ৰয়োগ কৰা উপমা আৰু চিত্ৰকল্পবোৰ বিশেষকৈ 'বুৰো বুৰো কৰে তীৰ 'ফুল ভৰে ভাগে ডাল 'বহয় মলয়া বাব কোকিলে তেজয ৰাৱ 'কুলা হেন কাণ লৰে ঘনে ঘন উন্নত কঠিন ঘন পীন স্তন 'তান নখে খত সুৰত বেকত ইত্যাদিয়ে পাঠক শ্ৰোতাক এখনি মনোৰম ৰম্যপুৰীলৈ লৈ যায়। কবিৰত্ন সৰস্বতীৰ কাব্য প্ৰতিভাৰ বিষয়ে উল্লেখ কৰি সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে — 'মহাপুৰুষ শংকৰদেৱৰ 'হৰমোহন'ৰ উপবন বৰ্ণনাৰ সমকক্ষ নহ'লেও প্ৰায় ওচৰে ওচৰে যাব পৰা কাব্য সৌন্দৰ্য কৈলাস বৰ্ণনাত আছে বুলি ক'লে ভুল নহ'ব। কৈলাসৰ ফল ফুলৰ শোভা প্ৰমথ অৰ্থাৎ শিৱৰ অনুচৰসকলৰ বিস্ময়জনক বৰ্ণনা নাগৰিকসকলৰ ৰূপ যৌবন আৰু মদন চঞ্চল হাৱ ভাৱৰ সুন্দৰ বিৱৰণ কৈলাস বৰ্ণনাত পোৱা যায় কিন্তু মাধৱ কন্দলি বা হৰিবৰ বিপ্ৰৰ ঘৰুৱা চিত্ৰ আৰু জতুৱা ঠাচ কবিৰত্ন সৰস্বতীৰ ৰচনাত বিশেষ পোৱা নাযায়।

কবিৰত্ন সৰস্বতীয়ে 'জয়দ্ৰথ বধ ৰচনা কৰাৰ আগতে আৰু দুখন কাব্য ৰচনা কৰা বুলি উল্লেখ কৰিছে। সেয়া হ'ল 'শকুন্তলা উপাখ্যান আৰু 'যযাতিৰ চৰিত্ৰ

'পদবন্ধে আদিপৰ্ব কৰিলো বিচিত্ৰ।
শকুন্তলা উপাখ্যান যযাতি চৰিত্ৰ।।

কিন্তু কবিৰত্ন সৰস্বতীৰ 'জয়দ্ৰথ বধ'ৰ কোনো পাণ্ডুলিপি এতিয়ালৈকে পোৱা হোৱা নাই। সেয়ে 'অসমীয়া সাহিত্যৰ চানেকি'ত সন্নিবিষ্ট হোৱা কৈলাস বৰ্ণনা'ৰ বাহিৰে 'জয়দ্ৰথ বধ'ৰ কোনো পাণ্ডুলিপি এতিয়ালে উদ্ধাৰ নোহোৱাত কবিজনৰ কাব্য প্ৰতিভাৰ বিষয়ে সম্যক মূল্যায়ন সম্ভৱ হৈ উঠা নাই।

ৰুদ্ৰ কন্দলিৰ 'সাত্যকি প্ৰৱেশ ঃ

গৌড়েশ্বৰ ধৰ্ম নাৰাযণৰ পুত্ৰ শ্ৰীমন্ত তাম্ৰধ্বজ ইন্দ্ৰনাৰায়ণৰ সমসাময়িক তথা চতুৰ্দশ শতিকাৰ মাজভাগৰ ৰজা আছিল। ৰুদ্ৰকন্দলিয়ে শ্ৰীমন্ত তাম্ৰধ্বজৰ পৃষ্ঠপোষকতাত সংস্কৃত মহাভাৰতৰ দ্ৰোণপৰ্বৰ অন্তৰ্গত 'সত্যকি প্ৰবেশ'ৰ অনুবাদ কৰিছিল। কনকলাল বৰুৱাৰ মতে প্ৰাচীন কামৰূপ কমতা ৰাজ্যৰ পূৱ অঞ্চলত দুৰ্লভ নাৰায়ণে আৰু পশ্চিমে অঞ্চলত শ্ৰীমন্ত তাম্ৰধ্বজ ৰজাই চতুৰ্দশ শতিকাৰ আগভাগত ৰাজত্ব কৰিছিল।

ইন্দ্ৰ নাৰাযণ আৰু তাম্ৰধ্বজ উভয়ৰে ৰাজত্বকাল চতুৰ্দশ শতিকাৰ মাজভাগ। কবিয়ে আত্ম পৰিচয় প্ৰসংগত শ্ৰীমন্ত তাম্ৰধ্বজক 'বিষ্ণুৰ ভকত আৰু মহামায়াৰ সেৱক বুলি উল্লেখ কৰিছে। কবিৰ মতে —

'শ্ৰীমন্ত তাম্ৰধ্বজ অনুজ সহিতে।
বৃদ্ধৰ সমান ধৰ্ম শিশু বয়সতে।।
বুদ্ধিত গম্ভীৰ ক্ষেমাৰন্ত শুভনয়।
যাহাৰ যশক সৰ্বজনে প্ৰশংসয়।।
বিষ্ণুৰ ভকত মহামায়াৰ সেৱক।
পুত্ৰৰ সমানে কৰি দৰিদ্ৰ পালক।।
দুই ভাইৰ স্নেহ যেন ৰাম-লক্ষ্মণৰ।
সবাঙ্কৰে জীৱন্তোক সহস্ৰ বৎসৰ।।

কবিয়ে মূল মহাভাৰতৰ বিৱৰণত মূলক অনুসৰণ কৰিছে যদিও প্ৰয়োজনবোধে সংক্ষিপ্ত কৰিছে। যদুবংশৰ শিনি ৰজাৰ পুত্ৰ সাত্যকিৰ বীৰত্বৰ বৰ্ণনা কৰা অংশখিনিত কবিয়ে প্ৰায়ে মূলক অনুসৰণ কৰিছে। কন্দলিৰ অনুবাদত শিনিপুত্ৰ সাত্যকিতকৈ দ্ৰোণৰ লগত হোৱা ধৃষ্টদ্যুম্নৰ পঞ্চভ্ৰাতৃৰ যুদ্ধ আৰু মৃত্যুৰ বিৱৰণে ঠাই পাইছে। তাৰ পিছত ক্ৰমান্বয়ে শিশুপালৰ পুত্ৰ ধৃষ্টকেতু আৰু তেওঁৰ পুত্ৰ জৰাসন্ধৰ পুত্ৰ আৰু কৈকেয় ৰজা বৃহৎক্ষত্ৰৰ সৈতে হোৱা যুদ্ধ কেইখনে ঠাই পাইছে। বিৰকত ধৃষ্টকেতু আৰু বৃহৎক্ষত্ৰৰ লগত হোৱা দ্ৰোণৰ যুদ্ধ কেইখনে ঠাই পাইছে। বিৰকত ধৃষ্টকেতু আৰু বৃহৎক্ষেত্ৰৰ লগত হোৱা দ্ৰোণৰ যুদ্ধ কেইখনৰ বৰ্ণনাক মুখ্যভাৱে দাঙি ধৰি বাকী কেইখন যুদ্ধক গৌণ পৰ্যায়ত বৰ্ণনা কৰা হৈছে। সত্যকি আৰু দুৰ্যোধনৰ ভ্ৰাতা দুঃশাসনৰ যুদ্ধৰ বিৱৰণ আনকেইখনতকৈ দীঘলীয়া

'অৰ্জুনক দেখো বুলি শীঘ্ৰে চলি যান্ত।
দুনাই দুশ্মাসনে নৱ শৰ হানিলন্ত।।

সাত্যকীয়ো তাক হানিলন্ত পঞ্চবাণ।
পুন আঠ শৰে সাত্যকীক বৰ টান।।
সাত্যকীয়ো বাহু মূলে দুশৰে তাৰিলা।
দুনাই ধনু ছেদিবাৰে বেগে যে লড়িলা।।
আওয়ান সেনাগণ পলাই ভাগি ভাগি।
দুশাসনে শকতি হানিলা পাশ লাগি।।
পাঞ্জৰিয়া হাতে শৰ হানি যুযুধান।
কাটিলন্ত শকতি পৰিলা সেহি থান।।
আন ধনু ধৰি পিচে পিচে খেদি গৈলা।
তিনি শৰে ভেদিবাৰে আটাসেক দিলা।।
ক্রোধিয়া সাত্যকি হানিলন্ত ষাঠি বাণ।
দুশাসন হৃদয়ত কৰিলা সন্ধান।।
দুশাসন বীৰ ঢলি পৰিলা ৰথত।
আৰু দশ নাৰাচ হানিলা হৃদয়ত।।
সুস্থ হুয়া দুশাসন দুনাই গৈলা খেদি।
সিংহনাদ কৰিলেক কুৰি শৰে ভেদি।।
দুনাই সাত্যকি বীৰে হানি তিনি শৰে।
দৃঢ় কৰি ভেদিলেক স্তন ভিতৰে।।
চাৰি শৰ মাৰি ঘোঁৰা নিলা যমথান।
একশৰ মাৰি সাৰথিৰ লৈলা প্ৰাণ।।
একশৰ হানি তাৰ কাটিলন্ত ধনু।
দুই প্ৰান্তি সাৰথিৰ বেলেগাইলা তনু।। ইত্যাদি।

'সাত্যকি প্ৰবেশ'ৰ কোনো কোনো অংশত কবিয়ে চমকপ্ৰদ কাল্পনিক বৰ্ণনাৰ যোগেদি কাব্যখনি আকৰ্ষণীয় তুলিছে। কাব্যখনত দ্ৰোণৰ ক্ষত্ৰিয়নীতিক পাঞ্চালসকলে কঠোৰভাৱে সমালোচনা কৰিছে যদিও কৌশলগত কাৰণতে দ্ৰোণই নিৰ্বিকাৰৰ ভূমিকা গ্ৰহণ কৰিছে।

ৰুদ্ৰ কন্দলিৰ ৰচনাত মাধৱ কন্দলি আৰু হৰিবৰ বিপ্ৰৰ যুদ্ধ বৰ্ণনাৰ শব্দ-সাদৃশ্য মনকৰিবলগীয়া। অৱশ্যে এই ক্ষেত্ৰত সংস্কৃত সাহিত্যৰ উপমাদি অলংকাৰ আৰু কবিপ্ৰসিদ্ধিৰ প্ৰভাৱো অস্বীকাৰ কৰিব নোৱাৰি। দ্ৰোণৰ প্ৰতি পাঞ্চাল সৈন্যৰ বিৰোদগাৰত গাম্ভীৰ্যৰ অভাৱ ঘটিলেও তাৰ মাজেদি কবিয়ে জন সাধাৰণৰ মনত তৃপ্তি দিবলৈ সক্ষম হৈছে

'মৰিলে মৰিলে ব্ৰহ্মবধী পাপশালী।।
কিসক লাগিয়া ব্ৰহ্মকুলে উপজিলি।
কিসক লাগিয়া তুমি তপ আচৰিলি।।
পুৰাণ সংহিতা পঢ়িলাহা চাৰি বেদ।
ধৰ্মৰো শাস্ত্ৰৰো তুমি জানা অবিচ্ছেদ।।
কোন শাস্ত্ৰ বলে ব্ৰাহ্মণৰ হিংসা ধৰ্ম।
কিস লাগি এৰিলাহা আপোনাৰ কৰ্ম।।

মুঠতে মূলৰ সৈতে সংগতি ৰাখি কবিয়ে বাচকবনীয়া শব্দচয়নৰ যোগেদি কাব্যখনি উপাদেয় কৰি তুলিছে। দ্ৰোণপৰ্বৰ ভিতৰুৱা সাত্যকি প্ৰবেশৰ মূল কাহিনী অনুসৰণ কৰোঁতে কেতিয়াবা মূল শ্লোকৰ হুবহু অনুবাদ কেতিয়াবা এটাতকৈ অধিক শ্লোকৰ আংশিক অনুবদ্ধ কৰি বাকী অংশ ভাবানুবাদ বা অভিযোজনাৰে সম্পূৰ্ণ কৰা পৰিলক্ষিত হৈছে। কবিয়ে মূল শ্লোকৰ সাৰ্থক অনুবাদ কৰাৰ লগে লগে ঠাই বিশেষে স্বকীয় সৃজনী প্ৰতিভাৰো পৰিচয় দিবলৈ সক্ষম হৈছে। কাব্যখনিত কবিৰ অলংকাৰ প্ৰয়োগৰ দক্ষতাই কাব্যখনিৰ সৌন্দৰ্যবৰ্ধনত সহায় কৰিছে। উদাহৰণ স্বৰূপে —

ক) পূৰ্ণচন্দ্ৰ সম জ্বলে চাৰিবো বদন।
ভল্লে কাটিলন্ত ভৰদ্বাজৰ নন্দন।।
চাৰিবো বদন ধৰণীত পৰি ভাসে।
লাগেছিঙ্গা পদ্ম যেন কৰয় প্ৰকাশে।।

খ) দ্ৰোণৰ ৰথক ঢাকিলেক শৰবেগে।
ভাস্কৰক ঢাকে যেন বাৰিষাৰ মেঘে।।
তাহাৰ বিক্ৰম দেখি দ্ৰোণৰ বিস্ময়।
শৰ চোট পায়া বৰ শৰীৰ কাম্পয়।। ইত্যাদি।

উপমাদি অলংকাৰৰ লগে লগে ঘৰুৱা চিত্ৰকল্প আদিৰ সাৰ্থক প্ৰয়োগৰ যোগেদি কম পৰিসৰৰ ভিতৰতে কবিয়ে স্বকীয় সৃজনী প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। বৈয়াকৰণিক দিশৰ পৰাও কবিয়ে সমসাময়িক কবিসকলৰ আৰ্হিকে গ্ৰহণ কৰিছে। মুঠতে 'সাত্যকি প্ৰবেশ'ৰ অনুবাদত কন্দ্ৰ কন্দলিয়ে অলংকাৰ প্ৰয়োগ শব্দচয়ন আৰু বৈয়াকৰণিক বৈশিষ্ট্যৰ দিশৰ পৰা প্ৰাক্-শংকৰী যুগৰ অন্যান্য কবিসকলৰ দৰেই অপৰিসীম দক্ষতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে।

মাধৱ কন্দলিৰ 'ৰামায়ণ ঃ

ভাৰতবৰ্ষৰ প্ৰাদেশিক ভাষাত ৰচিত ৰামায়ণসমূহৰ ভিতৰত কন্দলি ৰামায়ণেই সৰ্বপ্ৰথম। মাধৱ কন্দলিৰ জীৱন আৰু সাহিত্যকৃতিৰ বিষয়ে ইতিমধ্যে যিখিনি পোৱা গৈছে, তাৰ পৰা জনা যায় যে তেওঁ বৰাহী ৰজা মহামাণিক্যৰ সভা কবি আছিল আৰু তেওঁৰ অনুৰোধক্ৰমে 'সপ্তকাণ্ড ৰামায়ণ' পদবন্ধে ৰচনা কৰিছিল

সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো লম্ভা পৰিহৰি সাৰোদ্ধৃতে।

অৱশ্যে কন্দলিয়ে সপ্তকাণ্ড ৰামাযণৰ উল্লেখ কৰিলেও বৰ্তমান প্ৰচলিত অসমীয়া ৰামায়ণত কন্দলি বিৰচিত পাঁচোটা কাণ্ডহে পোৱা গৈছে। মাধৱ কন্দলি ৰামাযণৰ আদি আৰু উত্তৰাকাণ্ড যথাক্ৰমে মাধৱদেৱ আৰু শংকৰদেৱেহে ৰচনা কৰি কাব্যখনি পৰিপূৰ্ণ কৰে।

মাধৱ কন্দলিৰ ৰামায়ণৰ ভাবাদৰ্শ সম্পৰ্কত কন্দলিযে নিজে উল্লেখ কৰি যোৱা কথা এষাৰ এইখিনিতে বিশেষভাৱে উল্লেখযোগ্য দৈৱবাণী নুনি ইটো লৌকিকহে কথা। কিন্তু কন্দলিযে লৌকিক কথা বুলি অভিহিত কৰিলেও তেওঁৰ ৰামায়ণ অলৌকিকতাৰ পৰা সম্পূৰ্ণভাৱে মুক্ত নহয়। শংকৰদেৱে মাধৱ কন্দলিক পূৰ্বকবি অপ্ৰমাদী বুলি উল্লেখ কৰি গৈছে

পূৰ্বকবি অপ্ৰমাদী মাধৱ কন্দলি আদি
তেহে বিচৰিলা ৰাম কথা।
হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ
মোৰ হৈল তেহ্নয় অৱস্থা।।

শংকৰদেৱৰ এনে উল্লেখে কবিজনাৰ কাব্যিক প্ৰতিভাৰ শ্ৰেষ্ঠতাকে সূচনা কৰে। কন্দলিয়ে অৱশ্যে নিজকে 'কবিৰাজ কন্দলি' বুলি আত্ম পৰিচয প্ৰদান কৰিছে

'কবিৰাজ কন্দলি যে আমাকেসে বুলি কয়
কৰিলোহো সৰ্বজন বোধে।
ৰামায়ণ সুপয়াৰ শ্ৰীমহামাণিক্য যে
বৰাহ ৰাজাৰ অনুৰোধে।।

মাধৱ কন্দলিৰ ৰামায়ণ বাল্মিকী ৰামায়ণৰ দৰেই লৌকিক। কন্দলি ৰামায়ণৰ ৰাম সকলো ক্ষেত্ৰতেই সুখ-দুখৰ অধীন লৌকিক মানৱ অনন্ত কন্দলিৰ দৰে তেওঁ ৰামক ভজনীয় দেৱতা বা পৰমেশ্বৰ ৰূপত অধিষ্ঠিত কৰা নাই। সেয়ে অনন্ত কন্দলিৰ ৰামায়ণ ভক্তিপ্ৰধান আনহাতে মাধৱ কন্দলিৰ ৰামায়ণ লৌকিক প্ৰধান।

মাধৱ কন্দলিৰ ৰামায়ণত আদি আৰু উত্তৰাকাণ্ড সংযোগ সম্পৰ্কত 'কথাগুৰুচৰিতত এষাৰ সুন্দৰ কথাৰ অৱতাৰণা কৰা হৈছে

'মাধৱ কন্দলিৰ কবিতা ৰামায়ণ ঢাকি তুচকৈ গুছাবৰ মন দিলে অনন্ত কন্দলিয়ে। তেহে গুৰুজনাত বিপ্ৰে স্বপ্নত শৰণাপন্ন হৈ প্ৰাৰ্থিলে ৰবৰ হেতু। পাছে গুৰুজনে বোলে বৰাপো তোমাৰ মিতাৰ শাস্ত্ৰ কবিতা যে গুছাব খোজে আমি ধৰো গোৰত তুমি হোৱা আগে। তেহে ৰ'ল উপদেশ আচুফুল হ'ল। আগি উপদেশ নাই শুভ শুভহে আছিল আধ্যাত। ছোট আতা দিছে।

কথাগুৰুচৰিত উল্লেখৰ পৰা জনা যায় যে কন্দলি ৰামায়ণৰ আদি আৰু উত্তৰাকাণ্ড যথাক্ৰমে মহাপুৰুষ মাধৱদেৱ আৰু শংকৰদেৱৰ সংযোজন। বৰ্তমান প্ৰচলিত কন্দলি ৰামায়ণৰ অধ্যায়সমূহৰ শেষত সংযোগ কৰা ভক্তিবিষয়ক ভনিতাসমূহ মাধৱদেৱৰ সংযোজন। লগতে কন্দলি ৰামায়ণে যাতে মাধৱ কন্দলি বিৰচিত ৰামায়ণৰ জনপ্ৰিয়তা হ্ৰাস কৰিব নোৱাৰে তাৰবাবেই মহাপুৰুষ দুজনাই লগ হৈ কন্দলি ৰামায়ণ জনপ্ৰিয় কাব্যৰূপে জীয়াই ৰখাৰ দায়িত্ব বহন কৰিছিল।

মাধৱ কন্দলিৰ ৰামাযণৰ মূল আধাৰ গ্ৰন্থ মহৰ্ষি বাল্মিকী বিৰচিত সংস্কৃত ৰামায়ণ। অসমীয়া সাহিত্যত মাধৱ কন্দলিৰ পাছতেই শংকৰদেৱ মাধৱদেৱ অনন্ত কন্দলি দ াবিৰ ৰঘুনাথ মহন্ত প্ৰভৃতি কেইবাগৰাকীও কবি সাহিত্যিকে ৰামায়ণ ৰচনা কৰিছে দিও কন্দলিৰ ৰামায়ণখনি বিভিন্ন দিশৰ পৰা গুৰুত্বপূৰ্ণ।

কন্দলি ৰামাযণ বাল্মিকী ৰামাযণৰ অবিকৃত অসমীয়া ৰূপান্তৰ। অন্যান্য ৰামায়ণৰ দৰে প্ৰক্ষিপ্ত কাহিনীৰ সংযোগ কন্দলি ৰামায়ণত দেখা নাযায়। বাল্মিকী ৰামায়ণৰ গৌড়ীয় পাঠৰ আধাৰত কন্দলিয়ে ৰামায়ণৰ ভাঙনি কৰিছে। এই ৰামায়ণ কৃত্তিবাস অথবা অন্যান্য বৈষ্ণৱ কবিৰ ৰামায়ণৰ দৰে অলৌকিক অথবা বৈষ্ণৱ আদৰ্শপুষ্ট নহয়। ইযাত সমসাময়িক সমাজৰ চিত্ৰ অকৃত্ৰিম ৰূপত উপস্থাপন কৰা হৈছে। প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা আদিৰ দিশত কবিয়ে সততে অসমৰ পৰিবেশৰ প্ৰতি চকু ৰাখিছে আৰু সেইবোৰ অসমৰ প্ৰকৃতিৰ অনুকূল ৰূপত ফুটাই তুলিবলৈ যত্ন কৰিছিল। উদাহৰণস্বৰূপে সুন্দৰা কাণ্ডৰ পুষ্প উদ্যানৰ কথা উল্লেখ কৰিব পাৰি।

মাধৱ কন্দলিৰ ৰামায়ণ মৌলিক ৰচনা নহয় বাল্মিকী ৰামায়ণৰ মৌলিক অনুবাদহে। কিন্তু অনুবাদ হ'লেও কন্দলিৰ ৰামায়ণত মৌলিক সৃজনী প্ৰতিভাৰ পৰিচয় পোৱা যায়।

মাধৱ কন্দলিৰ ৰামায়ণ বাল্মিকী ৰামায়ণৰ আক্ষৰিক অনুবাদ নাহয় শ্লোকানুবাদহে। কন্দলিয়ে ৰামায়ণৰ শ্লোকসমূহ হৃদয়ঙ্গম কৰিছিল আৰু তাৰ সাৰসমূহৰ কাব্যিক ৰূপ প্ৰদান কৰিছিল। এনে কাৰ্যত তেওঁ সততে মূলৰ প্ৰতি লক্ষ্য ৰাখিছিল আৰু

প্ৰয়োজনবোধে মূল কাহিনীভাগ বিকৃত নকৰাকৈ স্থানীয় ৰহণ সানিছিল। সেয়ে কন্দলিৰ ৰামায়ণ মূলতকৈ অসমীয়া ৰূপত অধিক উপভোগ্য।

মাধৱ কন্দলিৰ মৌলিক সৃজনী প্ৰতিভাৰ স্বাক্ষৰ ৰামায়ণ কাব্যখনিৰ সৰ্বত্ৰতে বিদ্যমান। বাল্মিকী ৰামায়ণৰ দৰে অযথা প্ৰসংগৰ পুনৰুক্তি কন্দলি ৰামায়ণত নাই তাৰ পৰিবৰ্তে সমগ্ৰ ঘটনাৱলী আত্মস্থ কৰি কবিয়ে নিজাববীয়াকৈ সকলোখিনি কলাসম্পন্নভাৱে অতি সুন্দৰ আৰু নিটোল ৰূপত উপস্থাপন কৰিছে। কিন্তু ক'তো মূলভাব বিকৃত হ'বলৈ এৰি দিয়া নাই অথবা বক্তব্যও অস্পষ্ট কৰা নাই, গতিকে কন্দলিৰ ৰামাযণ পুনৰুক্তি দোষৰ পৰা মুক্ত। মূল বাল্মিকী ৰামাযণৰ সুন্দৰা কাণ্ডৰ প্ৰথম অধ্যাযত হনুমানে সাগৰ পাৰ হোৱা বৰ্ণনাৰ মুঠ দুশ চাৰিটা শ্লোকৰ ভাঙনি কবিযে মাত্ৰ দুকুৰি পোন্ধৰটা পদতে সমাপ্ত কৰিছে। সেইদৰে অৰণ্যকাণ্ড কিষ্কিন্ধ্যা কাণ্ড লংকাকাণ্ড আদিৰ বৰ্ণনাতো কবিয়ে মৌলিক সৃজনী প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছে।

মূল বাল্মিকী ৰামায়ণৰ চিত্ৰকুটৰ নৈসৰ্গিক প্ৰকৃতিৰ চিত্ৰণ বাল্মিকীযে অতি কম সংখ্যক শ্লোক ব্যৱহাৰ কৰিছে, কিন্তু কন্দলিয়ে মূলতকৈ কিছু বিস্তৃত ৰূপত এই বৰ্ণনা দাঙি ধৰি অসমৰ প্ৰকৃতিৰ মনোমুগ্ধকৰ চিত্ৰ অংকন কৰিছে

দেখা দেখা জানকী হৰিষ কৰি মন।
ফলমূল মুকুত বিবিধ তৰু বন।।
জাই জুতি বকুল বন্দুলি কৰ্ণিকাৰ।
কাঞ্চন তগৰ কুন্দ শেৱালী মন্দাৰ।।
অশোক পলাশে ফুলি গৈল হিসাহিসি।
নাগেশ্বৰ চম্পক ফুলিল অহৰ্নিশি।।

এনে বৰ্ণনা মূলত পাবলৈ নাই। সেইদৰে সুন্দৰা কাণ্ডত হনুমানে বামুণৰ বেশ ধাৰণ কৰি মধুফল ধ্বংস কৰিবলৈ ওলোৱা দৃশ্যও কবি কল্পনাৰ অপূৰ্ব নিদৰ্শন

এহি গুণি হনুমন্তে তেখনে সীতাৰ আগে
ধৰিলন্ত ব্ৰাহ্মণৰ বেশ।
হাতত বাৰেণ্ডী কুশ চৰিৰি ৰখৱা ছাটি
শন পক্কি হেন ভৈল কেশ।।
আপোনা আঙ্গুলে তান কান্ধৰ লাগুল ভৈল
জক জক কৰৈ খোট দান্ত।
থিৰ নযায়ে হাত ভৰি বৃদ্ধ ব্ৰাহ্মণৰ বেশ
দেখি সীতা হাসি তুলিলন্ত।'

এনেবোৰ বৰ্ণনাই কাব্যখনিৰ স্বাভাৱিকত্ব বৃদ্ধি কৰিছে। যথোপযুক্ত শব্দৰ ব্যৱহাৰৰ ক্ষেত্ৰতো বাল্মিকীতকৈ কন্দলিয়েই অধিক স্বাভাৱিকত্বৰ পৰিচয় দিবলৈ সক্ষম হৈছে। বাল্মিকীৰ বৰ্ণনা অনুসৰি লংকাৰ পৰা বিজয়ী হৈ প্ৰত্যাৱৰ্তন কৰোতে হনুমানে 'সিংহনাদ ধ্বনি কৰিছিল' কন্দলিৰ মতে 'ৰিংগ' দিছিল। এনেদৰে শব্দ বাঁচনিৰ ক্ষেত্ৰত নিপুণতা কন্দলি ৰামায়ণৰ মন কৰিবলগীয়া বৈশিষ্ট্য। বান্দৰবিলাকৰ বান্দৰালিৰ চিত্ৰও কবিয়ে সুন্দৰ আৰু সাৰ্থক ৰূপত চিত্ৰিত কৰিবলৈ সক্ষম হৈছে। এইক্ষেত্ৰত সুন্দৰাকাণ্ডৰ বৰ্ণনা বেচ চমৎকাৰ আৰু মনোমোহা।

পৰিবেশ পৰিস্থিতিৰ উপযুক্ত চিত্ৰণত কন্দলিয়ে স্বকীয় সৃজনী প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। অতি কম কথাৰ মাজেদি একো একোটি বিশেষ পৰিস্থিতিৰ চিত্ৰগ্ৰাহী ৰূপ দাঙি ধৰিব পৰাটো কম কৃতিত্বৰ কথা নহয়। পুৰণি অসমীয়া কবিতাত ব্যংগাত্মক শৈলীৰ প্ৰযোগৰ ক্ষেত্ৰতো কন্দলিকেই বাটকটীয়া আখ্যা দিব পাৰি।

লোকজীৱনৰ কথনভংগীৰ সাৰ্থক প্ৰয়োগ কন্দলি ৰামাযণৰ আন এটি মন কৰিবলগীয়া বৈশিষ্ট্য। ৰামৰ বনবাসৰ বাতৰি শুনি শোক বিহ্বল কৈশল্যাই কৈকেয়ীৰ প্ৰতি প্ৰযোগ কৰা উক্তি অলংকাৰপূৰ্ণ আৰু অতি সাৰ্থক।

মুঠতে কল্পনাৰ তীব্ৰতা অনুভূতিৰ সূক্ষ্মতা প্ৰকাশভংগীৰ সৰলতা আৰু সংক্ষিপ্ততা সুন্দৰ চিত্ৰকল্পৰ যথাৰ্থ আৰু সাৰ্থক প্ৰযোগ শব্দ নিৰ্বাচনৰ চাতুৰ্য আৰু লোকজীৱনৰ কথনভংগীৰ সাৰ্থক প্ৰয়োগ আদিয়ে মাধৱ কন্দলিৰ ৰামায়ণক অসমীয়া সাহিত্যৰ ইতিহাসত এখনি উচ্চ আসন লাভ কৰাত সহায় কৰিছে।

অসমৰ লোকভাষাক কাব্যভাষা ৰূপে প্ৰতিষ্ঠা কৰাত মাধৱ কন্দলিৰ কৃতিত্ব অতুলনীয়। তৎসম তদ্ভৱ আৰু দেশী শব্দৰ যথাযথ প্ৰয়োগ জঁতুৱা ঠাচৰ সাৰ্থক ব্যৱহাৰ থলুৱা উপমা পটন্তৰ আদিৰ প্ৰয়োগ মাধৱ কন্দলিৰ ৰামায়ণৰ প্ৰভাৱশালীতাৰ মূল কাৰণ। উদাহৰণস্বৰূপে লোক জীৱনৰ পৰা আহৰণ কৰা কেইটামান উপমাৰ নিদৰ্শন দাঙি ধৰা হ'ল *'বটালি নাকাটে যেন বিনা হাঠুৰীবে' 'দুইৰো ভৈলা শৰীৰ সাৰংগা যেন জাল' 'বতাহতে খসি যেন পৰে পকা ফল' 'এক হাতে কোনে ধৰিবেক দুই শ'ল' 'তপত খোলাত কৰে মাছে যেন মত'* ইত্যাদি। জঁতুৱা ঠাচৰ প্ৰয়োগো তাকৰ নহয়।

মাধৱ কন্দলিৰ ৰামায়ণত পয়াৰ ছবি দুলড়ি ঝুমুৰি প্ৰভৃতি বিবিধ ছন্দৰ ব্যৱহাৰ কৰা হৈছে। কন্দলি ৰামায়ণত সমকালীন অসমৰ ধৰ্ম সমাজ আৰু লোক জীৱনৰ প্ৰতিফলন ঘটিছে।

মাধৱ কন্দলিৰ নামত দেবজিৎ নামৰ আন এখনি কাব্য পোৱা গৈছে। কাব্যখনৰ ভণিতাত মাধৱ আৰু মাধৱ কন্দলি দুয়োটা নামেই পোৱা যায় যদিও কাব্যখনি ৰামায়ণৰ কবি মাধৱ কন্দলিৰ বুলি মানি ল'বলৈ টান। ৰামায়ণৰ তুলনাত কাব্যখনৰ ভাষা নিম্নমানৰ। 'মাধৱ কন্দলিৰ ৰামায়ণত শব্দচয়ন আৰু গ্ৰন্থখনত যি নিপুণতা পদবন্ধৰ যি কোমলতা সাংগীতিক লয় ছন্দ অলংকাৰৰ মঞ্জুল প্ৰয়োগ আৰু ৰসৰ গভীৰ ব্যঞ্জনা দেবজিৎ কাব্যত অনুপস্থিত।

পণ্ডিতসকলে অনুমান কৰে যে দেবজিৎ কাব্যখন কোনোবা অখ্যাত কবিৰ ৰচনা। ৰাম সৰস্বতীৰ বধ কাব্যৰ আৰ্হিত স্বকল্পিত কাহিনী এটা লৈ তাৰ সৈতে নামৰ মাহাত্ম্যৰ উপদেশ জুৰি দি কাব্যখন ৰচনা কৰা হৈছে। অৰ্জুনৰ হাতত ইন্দ্ৰাদি দেৱতাসকল পৰাভূত হোৱাৰ কাহিনীৰে দেবজিৎ কাব্যখন ৰচিত হৈছে যদিও কাব্যিক সুষমাৰ অভাৱ কাব্যখনত সততে পৰিলক্ষিত হয়।

পঞ্চম অধ্যায়

অসমৰ নৱ-বৈষ্ণৱ ভক্তিধৰ্মৰ সামাজিক পটভূমি

ভাৰতীয় ভক্তিধৰ্মৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় যে সপ্তম দশম শতিকাৰ তামিল দেশৰ আলৱাৰসকলৰ পৰাই ভক্তি আন্দোলনৰ সূত্ৰপাত হৈছিল। তেওঁলোকৰ দ্বাৰা ৰচিত ভক্তিমূলক গীতসমূহ তামিল বৈষ্ণৱসকলৰ বেদস্বৰূপ। আন্তৰিক ভক্তি আৰু প্ৰেমৰ যোগেদি ঈশ্বৰ লাভৰ সংযোগ সেতু নিৰ্মাণত আলৱাৰসকলৰ অৱদান কম নহয়।

দাক্ষিণাত্যত ৰামানুজাচাৰ্যই পোনপ্ৰথমে ভক্তিধৰ্ম প্ৰচাৰ কৰা বুলি জনা যায়। এওঁ দ্বাদশ শতিকাৰ লোক আছিল। ভক্তিক দাৰ্শনিক ভেটিত প্ৰতিষ্ঠা কৰিবলৈ এওঁৱেই শ্ৰীবৈষ্ণৱ সম্প্ৰদায়ৰ সৃষ্টি কৰে। মহাৰাষ্ট্ৰ প্ৰান্তত জ্ঞানদেৱ আৰু নামদেৱে দ্বাদশ-ত্ৰয়োদশ শতিকাৰ ভিতৰত ভক্তিধৰ্ম প্ৰচাৰ কাৰ্যত মনোনিবেশ কৰে। উত্তৰ ভাৰতত কিছু পলমকৈ অৰ্থাৎ চতুৰ্দশ পঞ্চদশ শতিকাতহে এই আন্দোলনে দেখা দিয়ে। ৰামানন্দ কবীৰ বল্লভাচাৰ্য দাদু দয়াল আদিৰ নাম এই প্ৰসংগত উল্লেখযোগ্য। ষোড়শ শতিকাৰ আদিভাগত বল্লভাচাৰ্যই মথুৰা-বৃন্দাবনত শংকৰদেৱে অসমত আৰু চৈতন্যদেৱে বংগদেশত ভক্তি আন্দোলনৰ গুৰি বঠা ধৰে। শংকৰদেৱৰ বহুকাল আগৰে পৰা অসমত বৈষ্ণৱ ধৰ্মৰ এটি ক্ষীণ সুঁতি বৈ থকাটো কিছুমান তাম্ৰলিপি খোদিত বিষ্ণুমূৰ্তি আৰু লিখিত গ্ৰন্থৰ পৰা অনুমান কৰিব পাৰি। নগাঁও জিলাৰ বৰগংগাত থকা মহাৰাজ ভূতিবৰ্মাৰ লিপিৰ পৰা জনা যায় যে তেঁও (ভূতি বৰ্মা) পৰম ভাগৱত। পৰৱৰ্তী পালবংশীয় দুই এখন শিলালিপিতো অনুৰূপ বৰ্ণনা পোৱা যায়। 'কালিকা পুৰাণ যোগিনীতন্ত্ৰ আদি পুথিয়েও পুৰণি কালত বিষ্ণু উপাসনাৰ প্ৰচলনৰ ইংগিত দিয়ে। প্ৰাক-শংকৰী যুগৰ কবি হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিত্ৰ মাধৱ কন্দলিৰ ৰামায়ণ আদিতো বৈষ্ণৱ প্ৰভাৱ লক্ষ্য কৰা যায়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে ভাৰতীয় সাহিত্যত ভক্তিধৰ্মৰ ধাৰাৰ পৰিবৰ্তন হ'লেও ই মূলতঃ সংস্কৃত সাহিত্যত বৰ্ণিত ভক্তি সাহিত্যৰে ক্ৰম বিকশিত ৰূপ বুলিব পাৰি। পুৰাণ শ্ৰীমদ্ভাগৱত গীতা আদিত ভক্তিধৰ্মৰ

মহত্বৰ পৰিচয় পোৱা যায়। সৰ্বভাৰতীয় পটভূমিত ভক্তিধৰ্মই সগুণ আৰু নিৰ্গুণ এই দুই ধাৰাত বিকাশ লাভ কৰে। যিসকল কবিয়ে ব্ৰহ্মক নিৰ্গুণ নিৰাকাৰ আদি ৰূপত উপাসনা কৰি সাহিত্যত তাৰ বৰ্ণনা কৰিলে তেওঁলোক নিৰ্গুণ ধাৰাৰ কবি আৰু যিসকলে ঈশ্বৰৰ সগুণাত্মক ৰূপ কল্পনাৰে উপাসনা কৰি সাহিত্য সৃষ্টি কৰিলে তেওঁলোক সগুণ ধাৰাৰ অন্তৰ্গত। নিৰ্গুণ ধাৰাক পুনৰ দুই ধাৰাত বিভক্ত কৰি পাৰি জ্ঞানাশ্ৰয়ী শাখা (সন্তমত) আৰু প্ৰেমাশ্ৰয়ী শাখা (চুফীমত)। যিসকল লোকে জ্ঞানক মহত্ব দি জ্ঞানৰ জৰিয়তে ভগৱৎ প্ৰাপ্তিৰ সোপান ৰচনা কৰিলে তেওঁলোক জ্ঞানমাৰ্গী শাখাৰ অন্তৰ্গত। কবীৰ ৰৈদাস দাদুদয়াল ভলুকদাস আদি এই ভাগত পৰে। প্ৰেমক মহত্ব দি প্ৰেমৰ জৰিয়তে ভগৱৎ প্ৰাপ্তিৰ আকাঙ্খা কৰাসকল প্ৰেমামাৰ্গী শাখাৰ অন্তৰ্গত। এই মাৰ্গৰ ভক্ত কবিসকল চুফী কবি আৰু এওঁলোক প্ৰায়েই জাতিত মুছলমান। জায়সী কুতুবুন মঞ্জন উস্মাণ আদি এই মাৰ্গৰ অন্তৰ্গত।

সগুণ ভক্তিৰ ধাৰা দুই ভাগত বিভক্ত কৃষ্ণ ভক্তি ধাৰা আৰু ৰাম ভক্তি ধাৰা। তুলসীদাসৰ দৰে যিসকল ভক্ত কবিয়ে শ্ৰীৰামচন্দ্ৰকেই পৰমপুৰুষ স্বৰূপে কল্পনা কৰি ভক্তিধৰ্মৰ ধাৰণা ব্যক্ত কৰি মানৱ সমাজক ভক্তিৰ এনাজৰীৰে বান্ধি ৰাখিবলৈ সক্ষম হৈছিল তেওঁলোক ৰাম ভক্তি শাখাৰ অন্তৰ্গত। অন্য শাখাটিযে কৃষ্ণ ভক্তিৰ জৰিয়তে মোক্ষপ্ৰাপ্তিৰ কথা চিন্তা কৰিছিল। মীৰাবাই, সুৰদাস আদিৰ নাম এই ক্ষেত্ৰত উল্লেখযোগ্য।

ভক্তিকালৰ সাধাৰণ বিশেষত্ব ঃ

ভক্তিকালীন কবি আৰু সন্তসকলৰ মাজত কিছুমান সাধাৰণ বিশেষত্ব দেখিবলৈ পোৱা যায়। সেইবোৰ হ'ল —

ক) প্ৰায় সকলো শাখাৰ কবিয়েই তেওঁলোকৰ আৰাধ্য দেৱতাৰ নাম স্মৰণ আৰু গুণানুকীৰ্তন কৰিছিল।

খ) ভক্ত কবিসকলে গুৰুৰ ওপৰত অত্যধিক গুৰুত্ব দিছিল। গুৰুৰ অবিহনে সংসাৰ সাগৰত পাৰ হোৱা কঠিন। সেইবাবেই ভৱসাগৰ তাৰণৰ কাৰণস্বৰূপ গুৰুৰ সহায় অনিবাৰ্য।

গ) চৰাচৰ জগতৰ সৃষ্টি স্থিতি প্ৰলয়ৰ কাৰণ পৰমপুৰুষ সচ্চিদানন্দ পৰমব্ৰহ্মক লাভ কৰিবলৈ প্ৰাচীন কালত ঋষি-মুনিসকলে প্ৰধানকৈ চাৰিটা পথেৰে আগবাঢ়িছিল — ধৰ্ম জ্ঞান যোগ আৰু ভক্তি। ইয়াৰ প্ৰত্যেক পথৰে লক্ষ্য কিন্তু একেটা ঈশ্বৰপ্ৰাপ্তি।

ঘ) কৰ্ম জ্ঞান আৰু যোগৰ পথতকৈ ভক্তিৰ পথ প্ৰশস্ত। সেয়ে ভক্ত কবিসকলৰ মাজত ভক্তিভাৱৰ প্ৰাধান্য উপলব্ধি কৰা যায়।

ঙ) বাহ্যিক আড়ম্বৰৰ বিৰুদ্ধাচৰণ ভক্ত কবিসকলৰ শৃংখলিত জীৱনৰ সম্বল। পাৰ্থিৱ কামনা আৰু ঐহিক ভো । বিলাসত নিমজ্জিত থাকি অমূল্য মানৱ জীৱন নিস্ফল নকৰিবলৈ সকলোকে সকীয়াই দি ভক্ত কবিসকলে তপ-জপ-যাগ যজ্ঞৰ অসাৰতা ঘোষণা কৰিছে। লগতে মানুহক নৈতিক বলত বলীয়ান হোৱাটো কামনা কৰিছে।

চ) সমন্বয়ৰ ভাৱনা তীব্ৰতৰ হোৱাত ধাৰ্মিক সামাজিক আৰু দাৰ্শনিক চিন্তাধাৰাৰ মাজত সংযোগ সেতু নিৰ্মিত হৈছিল আৰু সমগ্ৰ ভাৰতজুৰি হৰিভক্তিৰ প্ৰচাৰ কৰিছিল।

ছ) ঈশ্বৰ প্ৰাপ্তিৰ কাৰণে আত্মিক উন্নতিৰ প্ৰয়োজন। নম্ৰভাৱ তাৰ লক্ষণীয় গুণ। এই গুণৰ সহায়ত তেওঁলোকে ভগৱানৰ ওচৰত আত্মসমৰ্পণ কৰি সকলো পাৰ্থিৱ কামনা-বাসনা তেওঁৰ চৰণত অৰ্পণ কৰি ভৱ তাৰণৰ উপায় 'অনাদি অনন্ত-নিৰ্গুণ গুণ নিয়ন্তা পৰম পুৰুষ ভগৱন্তক চিন্তা কৰিছে।

অসমত নৱবৈষ্ণৱ ভক্তিধৰ্ম ঃ

'সকলো শ্ৰেণীৰ লোককে হিন্দু ধৰ্মৰ ভিতৰত থাকিবলৈ উপযোগী সমল দিয়া আৰু আনকো হিন্দু ধৰ্ম ল'বলৈ আকৰ্ষণ কৰা আৰু ইছলামৰ লগত সংঘৰ্ষৰ কাৰণ হ্ৰাস কৰা — এই তিনিটা সমস্যালৈ লক্ষ্য ৰাখি প্ৰাচীন কালৰে পৰা ক্ষীণভাৱে হ'লেও অব্যাহতভাৱে প্ৰবাহিত হৈ থকা ঐকান্তিক বৈষ্ণৱ ভক্তিমাৰ্গক সন্চালনিভাৱে প্ৰৱৰ্তন কৰিবলৈ ধৰ্ম-সংস্কাৰকামীসকলে মনোনিৱেশ কৰে। বিষ্ণুৰ প্ৰতি ঐকান্তিক নিষ্ঠা আৰু ভক্তিৰ যোগেদিয়েই ভক্তিমাৰ্গত মুক্তিলাভ কৰিব পাৰি। ভক্তিমাৰ্গত কৃষ্ণ-বিষ্ণু অভিন্ন। ইয়াৰ বাবে তপ জপ যজ্ঞ পূজা আদিৰ আৱশ্যক নাই। 'শংকচাৰ্যৰ বিশুদ্ধ ভক্তিমাৰ্গ প্ৰাকৃতজনৰ উপযোগী নহয় আৰু ভক্তিৰ স্থান তাত গৌণ। গতিকে বিভিন্ন বৈষ্ণৱ দাৰ্শনিক আৰু ভক্তসকলে দাৰ্শনিক দৃষ্টিৰে ভক্তিমত স্থাপন কৰি বিভিন্ন অঞ্চলত প্ৰকাশ কৰে।

মহাপুৰুষ শংকৰদেৱে পঞ্চদশ শতিকাৰ শেষৰ ফালে এই ধৰ্মৰ পাতনি মেলে আৰু সমাজত নৈতিক আদৰ্শ আধ্যাত্মিক সাধন আদিৰ জৰিয়তে প্ৰতিপত্তি বিস্তাৰ কৰে। নাম দেৱ গুৰু আৰু ভকত এই চাৰিটা তত্ত্বক লৈ তেওঁ একশৰণ নামধৰ্ম প্ৰচাৰ কৰে।

'বহু দেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান দানৰ যোগে বহু সত্যৰ মাজত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি সামাজিক চৈতন্যৰ জাগৰণ ধৰ্ম-কৰ্মৰ বিভীষিকা নিবাৰণ; বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ অন্তৰক আধ্যাত্মিক উপলব্ধিৰ প্ৰধান ক্ষেত্ৰ বুলি ডাঠকৈ কৰা

প্ৰতিপাদন সামাজিক শ্ৰেণীবদ্ধ ব্যৱধান অপসাৰণ এই কেইটিক বাণীকান্ত কাকতিয়ে অসমীয়া আধ্যাত্মিক জীৱনৰ উৎকৰ্ষৰ বিষয়ত মহাপুৰুষৰ চতুৰংগ দান বুলি আঙুলিয়াই দেখুৱাইছে। এই চাৰিটা দানৰ বিস্তাৰ আৰু বিকাশ আমি পোন প্ৰথমে শংকৰদেৱৰ আৰু তেওঁৰ অনুৰক্তসকলৰ ৰচনাৱলীত দেখা পাও। সেই ৰচনাৱলীত নতুন এক আধ্যাত্মিক আৰু সামাজিক আলোডণৰ স্পন্দনেৰে সঞ্জীৱিত।

অসমভূমিত পৱিত্ৰ নামধৰ্মৰ সম্মোহনী সুৰেৰে সমগ্ৰ জনতাৰ শ্ৰৱণ মন পুলকিত কৰি অসমীয়া জাতিক সামগ্ৰিক জীৱনৰ স্তৰে স্তৰে কোঁহে কোঁহে মহাপুৰুষৰ বলিষ্ঠ তুলিকাৰ পৰশ ঘটাই জাতিটোক বিশিষ্ট মৰ্যাদাৰে জীয়াই থাকিবলৈ প্ৰেৰণা যোগায়। নৱ বৈষ্ণৱ ধৰ্মৰ আন্দোলনে মধ্যযুগৰ ভাৰতীয় জনজীৱনৰ সংস্কৃতিৰ পথ প্ৰোজ্জ্বল কৰি তোলাৰ সময়তে সমগ্ৰ ভাৰতজুৰি বিষ্ণুভক্তি প্ৰচাৰমুখী সাহিত্যৰ সৃষ্টি হয়। উত্তৰ ভাৰতৰ তুলসীদাস কবীৰদাস আৰু সুৰদাসৰ দৰেই অসমতো শংকৰদেৱ মাধৱদেৱ আদিয়ে বৈষ্ণৱধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি তেওলোকৰ ৰূপদায়িনী তুলিকাৰ পৰশ ঘটায়। ফলত পুৰণি অসমীয়া সাহিত্যাকাশত জ্যেতিষ্মান চন্দ্ৰৰ দৰেই তেওঁলোক জিলিকি উঠে অসমীয়া জাতিৰ জাতীয় জীৱনৰ দুষ্কৃতি নাশি সংস্কৃতিৰ আলোকেৰে জাতীয় জীৱন মহিমামণ্ডিত কৰি তুলিবলৈ অসমীয়া সাহিত্যৰ নিপুণ কলাকাৰ শংকৰদেৱে শ্ৰীমদ্ভাগৱত পুৰাণ (কেইটামান খণ্ড)-ৰ দৰে বিষ্ণু-মাহাত্ম্য প্ৰকাশক গ্ৰন্থৰ অনুবাদৰ লগতে ইয়াৰ ভক্তিৰস প্ৰধান উপযুক্ত বিষয়বস্তুক অৱলম্বন কৰি তেও কাব্য গীত নাট ভটিমা আদি ৰচনা কৰে। তেওঁৰ সমসাময়িক কবি ৰাম সৰস্বতীয়ে 'মহাভাৰত অনন্ত কন্দলিয়ে 'ৰামায়ণ 'ভাগৱত পুৰাণ (কেইটামান খণ্ডৰ অনুবাদ) মাধৱদেৱে 'নামঘোষা 'ভক্তি ৰত্নাৱলী আদি ৰচনা কৰি ভক্তিধৰ্মৰ ধাৰাটো পৰিব্যাপ্ত কৰে। পীতাম্বৰ কবিয়েও দশমস্কন্ধ ভাগৱত অনুবাদ কৰিছিল কিন্তু তেওঁৰ অনুবাদত লৌকিকতাক প্ৰাধান্য দিয়া কাৰণে শংকৰদেৱে ভক্তিৰ বাবে প্ৰয়োজনীয় সংযম চেৰাই যোৱা বুলি (তামসিক) তেওঁক সমালোচনা কৰিছিল।

ভক্তিধৰ্ম প্ৰচাৰেই শংকৰদেৱৰ ৰচনাৰ মূল প্ৰেৰণা আছিল। সেয়ে ৰচনাৰ বিভিন্ন স্থানত মূলৰ পৰা ফালৰি কাটি জনসাধাৰণৰ মনত ভগৱানৰ প্ৰতি ধাউতি আনিবৰ কাৰণে কৃষ্ণভক্তিপ্ৰধান অংশবোৰ তেওঁ বহলাই বৰ্ণনা কৰিছিল লগতে ভক্তিধৰ্ম প্ৰচাৰত বিশেষ সহায়ক নোহোৱা অংশবোৰ চমুৱাই বৰ্ণনা কৰিছিল। এইবোৰে অসমীয়া জাতিৰ ধৰ্মীয় সামাজিক আৰু সাংস্কৃতিক দিশত যথেষ্ট ধৰণে অৰিহণা যোগোৱা বুলিব পাৰি।

শংকৰদেৱ

১৪৪৯ খৃষ্টাব্দত (১৩৭১ শকত) বৰদোৱা জিলাৰ আলিপুখুৰী গাঁৱত শংকৰদেৱৰ জন্ম হয়। তেওঁ পিতৃ কুসুম্বৰ ভূঞা আৰু মাতৃ সত্যসন্ধ্যা। কবিয়ে নিজৰ পৰিচয় প্ৰদান কৰি ভাগৱত পুৰাণৰ অষ্টম স্কন্ধত লিখিছে

টেমোনীয়া বন্ধে গ্ৰাম   বটদ্ৰৱা যাৰ নাম
লৌহিত্যৰ জলে অনুকূল।
ভৈলা সেহি গ্ৰামেশ্বৰ   যাৰ নাম ৰাজধৰ
কায়স্থ কুলৰ পদ্মফুল।।
তান পুত্ৰ সূৰ্যবৰ   মহা ৰৱা বংশধৰ
অতি গুণৱন্ত সন্ত শিষ্ট।
যাৰ যশ এড়ো জ্বলে   জয়ন্ত মাধৱ দলে
দুই ভাই যাহাৰ কনিষ্ঠ।।
তান হৈতে ভৈল জাত   সমস্ত দেশতে খ্যাত
প্ৰসিদ্ধ কুসুম নাম যাৰ।
গুণৱন্ত মহামানী   দাতাৰ অগ্ৰেতগণি
শিৰোমণি সমস্ত ভূঞাৰ।।
তাহাৰ তনয় কবি   কৃষ্ণৰ চৰণ সেবি
শংকৰে ৰচিলা ইটো গীত।
শুনিয়োক বুধ লোক   মোৰ পদ যেন হোক
কৃষ্ণ কথা শুনি ৰঞ্জা চিত্ত।।

সৰুতেই মাতৃ পিতৃৰ বিয়োগ ঘটাত আইতাক খেৰসূতীৰ তত্ত্বাৱধানত ডাঙৰ দীঘল হৈ তেওঁ মহেন্দ্ৰ কন্দলিৰ টোলত বিদ্যাৰম্ভ কৰে আৰু অতি কম দিনৰ ভিতৰতে সকলো শাস্ত্ৰতে পাৰদৰ্শিতা লাভ কৰে। শিক্ষা সমাপ্ত হোৱাৰ পিছত তেওঁ পাৰিবাৰিক দায়িত্ব গ্ৰহণ কৰাৰ লগে লগে ডেকা বয়সতে ভূঞা পদ লাভ কৰি ডেকাগিৰি নামেৰে খ্যাত হয়।

এৰৈশ বছৰ বয়সত সূৰ্যৱতীৰ সৈতে বিবাহপাশত আবদ্ধ হয় আৰু বত্ৰিশ বছৰমান বয়সত তেওঁ সাংসাৰিক বন্ধনৰ পৰা মুক্ত হৈ ককাক জয়ন্ত আৰু মাধৱক শিৰোমণি ভূঞাৰ বাব গোধাই দি প্ৰথমবাৰৰ বাবে তীৰ্থযাত্ৰা কৰে। বাৰ বছৰকাল ভাৰতৰ বিভিন্ন তীৰ্থ পৰিভ্ৰমণ কৰি ঘৰলৈ উভতি আহে আৰু একাশণতীয়াকে

ধৰ্মচৰ্চাত আত্মনিয়োগ কৰে। এইছোৱা কালতে তেওঁ পৰিয়ালৰ হেঁচাত কালিন্দী আইৰ সৈতে দ্বিতীয়বাৰ বিবাহ পাশত আবদ্ধ হয়।

শংকৰদেৱে বৰদোৱাত কিছুকাল থাকি ১৫১৬ চন মানত লুইতৰ উত্তৰ পাৰলৈ গৈ শিঙৰি বৌতা ভলুকাগুৰি গাংমৌ আদিত কিছুকাল থাকি ধুৱাহাটা বা বেলগুৰি পায়গৈ। তাতেই তেওঁৰ মাধৱদেৱৰ সৈতে মিলন ঘটে। মাধৱদেৱৰ লগতে ৰামদাস ৰত্নাকৰ কন্দলি ভাস্কৰ বিপ্ৰ ব্যাস কলাই আদিয়ে ইয়াতে শংকৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰে।

শংকৰদেৱে ধৰ্মপ্ৰচাৰ কাৰ্যত নানা বাধা বিঘিনিৰ সন্মুখীন হ'বলগীয়া হৈছিল। সেয়ে তেওঁলোকে আহোম ৰাজ্য এৰি কোচ ৰাজ্যলৈ ঢাপলি মেলিছিল। তেতিয়া কোচ ৰাজ্যৰ ৰজা আছিল নৰণাৰায়ণ। নৰণাৰায়ণৰ ভাতৃ চিলাৰায়ে শংকৰদেৱৰ সুম্বন্ধীয়া ভাই ৰামৰায়ৰ জীয়েক ভুবনেশ্বৰীক বিয়া কৰাইছিল। গতিকে চিলাৰায়ৰ যোগেদি নৰণাৰায়ণৰ সৈতে শংকৰদেৱৰ সু-সম্পৰ্ক গঢ় লৈ উঠিছিল। ১৫৬৮ খৃষ্টাব্দত ১১৯ বছৰ বয়সত শংকৰদেৱৰ দেহাৱসান ঘটে।

সাহিত্য প্ৰতিভা ঃ

মহাপুৰুষ শংকৰদেৱৰ বিপুল সাহিত্য সম্ভাৰ মূলত ভাগৱতৰ ওপৰত আধাৰিত। তেওঁৰ ৰচনাৱলীক মূলত কাব্য নাট গীত ভক্তিতত্ত্বমূলক গ্ৰন্থ সংকলন গ্ৰন্থ প্ৰভৃতি ভাগত ভগাব পাৰি। তলত শংকৰদেৱৰ ৰচনাৱলীৰ চমু পৰিচয় আগবঢ়োৱা হ'ল।

কীৰ্তন-ঘোষা ঃ

অসমৰ বৈষ্ণৱ সাহিত্যৰ অনুপম গ্ৰন্থ কীৰ্তন ঘোষা শ্ৰীমন্ত শংকৰদেৱ বিৰচিত গ্ৰন্থসমূহৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ। ভক্তিধৰ্ম পালনৰ সৰ্বোৎকৃষ্ট উপায় হিচাপে শ্ৰৱণ কীৰ্তনৰ উপযোগীকৈ গ্ৰন্থখনি প্ৰণয়ন কৰি উলিওৱা হৈছে।

শংকৰদেৱে তেওঁৰ জীৱনৰ বিভিন্ন সময়ত কীৰ্তনৰ অন্তৰ্গত বিভিন্ন খণ্ডসমূহ প্ৰণয়ন কৰি উলিয়ায়। তেওঁৰ মহাপ্ৰয়াণৰ পিচত প্ৰধান শিষ্য মাধৱদেৱে ৰামচৰণ ঠাকুৰৰ হতুৱাই বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা কীৰ্তনৰ খণ্ডবোৰ সংগ্ৰহ কৰি 'কীৰ্তন ঘোষা পুথিখন সংকলিত কৰি উলিয়ালে।

'কীৰ্তন ঘোষা এখনি আখ্যানমূলক ভক্তিকাব্য আৰু ইয়াৰ মূল 'ভাগৱত পুৰাণ। অৱশ্যে ভাগৱতৰ বাহিৰেও পদ্মপুৰাণ ব্ৰহ্মাণ্ড পুৰাণ স্কন্দ পুৰাণ ব্ৰহ্ম পুৰাণ বিষ্ণু পুৰাণ বৃহৎ নাৰদীয় পুৰাণ আৰু অন্যান্য পুৰাণবো প্ৰভাৱ কম বেছি পৰিমাণে কীৰ্তনত পৰিছে। কীৰ্তন ঘোষাৰ অন্তৰ্গত বিভিন্ন খণ্ডবোৰ হ'ল — (১) চতুৰ্বিংশতি অৱতাৰ বৰ্ণনা (২) নাম অপৰাধ (৩) পাষণ্ড মৰ্দন (৪) ধ্যান বৰ্ণন (৫) অজামিল উপাখ্যান

(৬) প্ৰহ্লাদ চৰিত্ৰ (৭) গজেন্দ্ৰোপাখ্যান (৮) হৰমোহন (৯) বলি ছলন (১০) শিশুলীলা (১১) ৰাসক্ৰীড়া (১২) কংসবধ (১৩) গোপী উদ্ধৱ সংবাদ (১৪) কুঁজীৰ বাঞ্ছা পূৰণ (১৫) অক্ৰুৰৰ বাঞ্ছা পূৰণ (১৬) জৰাসন্ধৰ যুদ্ধ (১৭) কালাযৱন বধ (১৮) মুচকুণ্ড স্তুতি (১৯) সামন্তক হৰণ (২০) নাৰদৰ কৃষ্ণ দৰ্শন (২১) বিপ্ৰপুত্ৰ আনয়ন (২২) দামোদৰ বিপ্ৰাখ্যান (২৩) দৈৱকীৰ পুত্ৰ আনয়ন (২৪) বেদস্তুতি (২৫) শ্ৰীকৃষ্ণৰ লীলামালা (২৬) শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ (২৭) উৰেষা বৰ্ণন। ইয়াৰে ধ্যান বৰ্ণন মাধৱদেৱৰ আৰু 'সহস্ৰনাম বৃতান্ত' ৰত্নাকৰ কন্দলিৰ ৰচনা। গতিকে কীৰ্তন পুথিৰ অন্তৰ্গত মুঠ পাঁচিশটা খণ্ডহে শংকৰদেৱৰ দ্বাৰা ৰচিত। 'উৰেষা বৰ্ণন খণ্ডই যদিও প্ৰথমতে ৰচিত হৈছিল তথাপিও ইয়াক কীৰ্তনৰ শেষতহে স্থান দিয়া হয়। কিয়নো ইয়াত জগন্নাথ মন্দিৰ প্ৰতিষ্ঠাৰ কাহিনী বৰ্ণনা কৰা হৈছে।

কীৰ্তন ঘোষাত অতিৰিক্তভাবে শ্ৰীধৰ কন্দলিৰ 'ঘুনুচা কীৰ্তন মাধৱদেৱৰ ধ্যান বৰ্ণন শংকৰদেৱৰ 'ৰুক্মিণীৰ প্ৰেমকলহ' আৰু 'ভৃগু পৰীক্ষা অন্তৰ্ভুক্ত কৰা হৈছে। এই সম্পৰ্কত মন্তব্য কৰি মহেশ্বৰ নেওগে লিখিছে 'দুই-এখন সাঁচিপতীয়া 'কীৰ্তন ঘোষা পুথিত কীৰ্তন পোৱা যায়। কিন্তু এইকেইটি সততে কীৰ্তন ঘোষাৰ অন্তৰ্গত বুলি বিবেচিত নহয় বাবে ওপৰঞ্চি ৰূপেহে পৰিশিষ্টত সন্নিবেশ কৰ হ'ল।

কীৰ্তন-ঘোষাৰ মহত্ব আৰু সৌন্দৰ্য সম্পৰ্কে মন্তব্য কৰি বেজবৰুৱাই লিখিছে 'ভাষাৰ লালিত্য ছন্দৰ ঝংকাৰ সুৰৰ লাৱণ্য ভাবৰ মাধুৰ্য ভক্তিৰ দৃঢ়তা চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শংকৰদেৱৰ কীৰ্তন ৰচিত। কীৰ্তনৰ বিষয়ে মন্তব্য কৰি আন এগৰাকী বিশিষ্ট সমালোচকে লিখিছে — প্ৰহ্লাদৰ নিৰ্মল ভকতি হিৰণ্যকশিপুৰ অগ্নিসম ক্ৰোধ স্তম্ভৰ পৰা ওলোৱা নৰসিংহৰ ভৈৰৱ মূৰ্তি গ্ৰাহৰ যুঁজত গজেন্দ্ৰৰ স্তুতি উদ্ধৱক নাঁৰলে মাতি নি ব্ৰজনাৰীসকলে শ্ৰীকৃষ্ণৰ বতৰা সোধা শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ সময়ত উদ্ধৱৰ শোকবহ্নি আৰু মনৰ ব্যাকুলতা ব্যাধৰ কাকুতি মিনতি দ্বাৰকাত যদুকুল ধ্বংস হোৱাত সাগৰৰ পাৰত নাৰীসকলৰ হৃদয় বিদাৰক বিননি আদি কিমান আছে তাক কৈ শেষ কৰিব নোৱাৰি। 'কীৰ্তন'ত হৰ্ষ বিষাদ প্ৰেম বিৰহ ক্ৰোধ ক্ষমা আদিয়ে জুমুৰি পাতিছে, ইয়াত নৱৰসৰ মিলন হৈছে।

গুণমালা

লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত গুণমালা বাৰস্কন্ধ ভাগৱতৰ পকেট এডিচন। গুণমালা কুসুমমালা ছন্দত ৰচিত এখনি সৰু গ্ৰন্থ। গ্ৰন্থখনি অকলশৰীয়াকৈ ঈশ্বৰৰ লীলা স্মৰণৰ উদ্দেশ্যে ৰচনা কৰা হৈছে। একশৰণ ধৰ্মৰ মতানুসাৰে নাম দেৱ আৰু ভক্তিৰ প্ৰতিপাদন কৰাই পুথিখনিৰ ঘাই উদ্দেশ্য বুলি ক'ব পাৰি। পুথিখনি শংকৰদেৱৰ বিৰাট পাণ্ডিত্যৰ পৰিচায়ক। মহাৰাজ নৰণাৰায়ণৰ ইচ্ছা অনুসৰি দ্বাদশস্কন্ধ ভাগৱতৰ

সাৰাংশৰূপ এই গ্ৰন্থখনি একেটা বৈঠকতে পঢ়িব পৰাকৈ শংকৰদেৱে ৰচনা কৰি উলিয়াইছে।

ভক্তি-প্ৰদীপ ঃ

শংকৰদেৱৰ ভক্তি তত্ত্বজ্ঞাপক গ্ৰন্থ কেইখনিৰ ভিতৰত ভক্তি প্ৰদীপ অন্যতম। চৰিতপুথিৰ বৰ্ণনা মতে শংকৰদেৱে জীৱনৰ আদি ভাগতেই 'ভক্তিপ্ৰদীপ ৰচনা কৰে। কিন্তু গ্ৰন্থখনিৰ বিভিন্ন দিশ পৰ্যালোচনা কৰি মহেশ্বৰ নেওগে গ্ৰন্থখনি মহাপুৰুষজনাৰ প্ৰৌঢ় বয়সৰ ৰচনা বুলি মতপ্ৰকাশ কৰিছে। তেওঁৰ মতে — ধৰ্মমতৰ পৰিপুষ্টতা আৰু ৰচনা পদ্ধতিৰ পৰিণত অৱস্থালৈ চাই গুৰুজনাৰ ৮৭/৮৮ বছৰত পুথিখনি বিৰচিত হৈছিল বুলিহে বিশ্বাস হয়।

'ভক্তি-প্ৰদীপ'ত কৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনৰ মাধ্যমেৰে ভক্তিতত্ত্বৰ ব্যাখ্যা দাঙি ধৰা হৈছে। কাব্যখনিত অব্যভিচাৰী ভক্তিৰ লক্ষণ আৰু স্বৰূপ সম্পৰ্কেও ব্যাখ্যা দাঙি ধৰা হৈছে। ভক্তি প্ৰদীপৰ বৰ্ণনীয় বিষয়সমূহ হ'ল — (ক) যাগ-যজ্ঞৰ অৰ্থহীনতা (খ) মোক্ষৰ উপায় (গ) ভক্তি কি আৰু তাৰ লক্ষণ (ঘ) কৃষ্ণত ভক্তি থাকিলেও যদি অপকৰ্ম কৰে তেনে তেওঁলোকৰ ব্যৱস্থা কি (ঙ) কৃষ্ণদ্ৰোহী কাক কোৱা হয় (চ) ভকতৰ লক্ষণ কি (ছ) ভাগৱত ধৰ্ম কি (জ) নাম মাহাত্ম্য আৰু শেষত বৈকুণ্ঠৰ বৰ্ণনা।

অৰ্জুনে শ্ৰীকৃষ্ণক ওপৰোক্ত প্ৰশ্নসমূহ সুধিছে আৰু কৃষ্ণই তাৰ যথাযথ উত্তৰ দিছে। ভক্তি প্ৰদীপৰ কেন্দ্ৰীয় বিষয় হ'ল যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞ। এই যজ্ঞত সমবেত ঋষিসকলৰ মাজত মোক্ষ সম্পৰ্কত নানা ধৰণৰ যুক্তি তৰ্কৰ অৱতাৰণা হৈছিল আৰু প্ৰত্যেকেই নিজ নিজ মতৰ সপক্ষে যুক্তি দাঙি ধৰিছিল

'যজ্ঞ দান ব্ৰতে মোক্ষ কাহাৰো যুগুতি।
কেহো বোলে মহাযোগ জ্ঞানেসে মুকুতি।।
কেহো বোলে সাধে গতি নাহি ৰাজসূয়।
অংগিৰা নাৰদে বুলিলন্ত ইয়ো নুই।।

যাগ-যজ্ঞ জ্ঞান আদি সকলো যে মোক্ষদানত অসমৰ্থ সেই কথা নাৰদ আৰু আঙ্গিৰাৰ মুখেদি শুনি অৰ্জুনে এই বিষয়ে অৰ্জুনক সমিধান দি ক'লে যে ভক্তিয়েই মুক্তিৰ একমাত্ৰ পথ। একান্ত ভক্তিৰ যোগেদিহে জীৱই পাৰ্থিব কৰ্মবন্ধনৰ পৰা মুক্তি লাভ কৰিবলৈ সক্ষম হয়।

তাৰ পিছতেই শ্ৰীকৃষ্ণই অৰ্জুনক জনালে যে ভগবানৰ নাম শ্ৰৱণ কীৰ্ত্তনেই দৰাচলতে উত্তম ভক্তি। হৰিকেই জগতৰ একমাত্ৰ আত্মাৰূপে জ্ঞান কৰি সকলো

দেৱতাৰ ভিতৰত তেওঁকেই পৰম দেৱতা বুলি একচিত্তে তেওঁৰ সেৱা কৰা আৰু তেওঁৰ বাহিৰে আন কোনো দেৱতাৰ প্ৰতি আনুগত্য প্ৰকাশ নকৰাটোৱেই হৈছে প্ৰকৃত ভক্তিৰ লক্ষণ।

এনেদৰে অৰ্জুনৰ বিবিধ প্ৰশ্নৰ উত্তৰ দি কৃষ্ণই তেওঁৰ বাহিৰে আনদেৱতাক পূজা কৰোঁতাসকল 'কৃষ্ণদ্ৰোহী আৰু অভকত বুলিও জনালে। তেও লগতে জনালে যে কৃষ্ণদ্ৰোহীসকল ম্লেচ্ছ আৰু চণ্ডালতকৈয়ো অপৱিত্ৰ।

প্ৰকৃত ভক্তৰ লক্ষণ সম্পৰ্কে ক'বলৈ গৈ কৃষ্ণই জনালে যে শুদ্ধভাৱে একান্তচিত্তে জগতৰ আত্মাস্বৰূপ সৰ্বব্যাপক সৎ চিৎ আৰু আনন্দ স্বৰূপ পৰম নিৰ্মল পুৰুষ ভগৱন্তক নিত্য স্মৰণ কৰাটোৱেই প্ৰকৃত ভক্তৰ লক্ষণ। তাৰ পাছতেই তেওঁ ভাগৱত ধৰ্মৰ বিষয়ে উল্লেখ কৰি কয় যে শুচি হৈ মনক সংযত কৰা, সকলোতে সমবুদ্ধি কৰি দান দিয়া আনধৰ্মক নিন্দা নকৰা সকলো ভূতত দয়া কৰা শান্তচিত্ত আৰু সৰ্বজন বৎসল হোৱা ভাগৱত ধৰ্ম। তাৰ পাছতেই অৰ্জুনৰ প্ৰশ্নৰ উত্তৰত কৃষ্ণই নামৰ মাহাত্ম্য সম্পৰ্কে ব্যাখ্যা দাঙি ধৰে।

একৈ একৈ নামে মোৰ জগত উদ্ধাৰে।
স্মৰণত কৰে পাপ সমূহ সংহাৰে।।'

চৰিতপুথিত গৰুড় পুৰাণ'ৰ আধাৰত 'ভক্তি-প্ৰদীপ গ্ৰন্থখন ৰচনা কৰা বুলি উল্লেখ কৰা হৈছে। 'ভক্তি-প্ৰদীপ'ৰ আৰম্ভণিতেই কবিয়ে মূলৰ সংকেত দি এনেদৰে লিখিছে

'শুনা সভাসদ পাপ কৰিয়া উছাদ।
গৰুড় পুৰাণে কৃষ্ণ-অৰ্জুন সংবাদ।।
ভকতি প্ৰদীপ নাম মহত্তৰ গতি।
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি।।

কিন্তু ভক্তি-প্ৰদীপৰ মূল 'গৰুড় পুৰাণ হ'লেও পুথিখনি গৰুড় পুৰাণৰ ভাঙনি নহয়। কবিয়ে গৰুড় পুৰাণৰ কথাবস্তুৰ লগতে একাদশ স্কন্ধ ভাগৱত আৰু গীতাৰো দুই-এফাকি কথা সন্নিবিষ্ট কৰি কাব্যখনি তত্ত্বপূৰ্ণ কৰি তুলিছে। ভক্তি-প্ৰদীপত একেশ্বৰবাদৰ মহিমা ঘোষিত হৈছে আৰু অন্য দেৱ-দেৱতাৰ পূজা পৰিহাৰ কৰি একান্তমনে ভগৱান শ্ৰীকৃষ্ণৰ নাম-গুণ শ্ৰৱণ-কীৰ্তনৰ যোগেদি জীৱৰ মুক্তিসম্ভৱ বুলি যুক্তি দৰ্শাইছে।

ভক্তি-ৰত্নাকৰ ঃ

ভক্তি ধৰ্মৰ বৈশিষ্ট্য আৰু মাহাত্ম্য প্ৰচাৰৰ উদ্দেশ্যে শংকৰদেৱৰ সংস্কৃত ভাষাত ৰচিত একমাত্ৰ গ্ৰন্থখনি হৈছে 'ভক্তি-ৰত্নাকৰ। গ্ৰন্থখনি ভাগৱত পুৰাণ নৰসিংহ পুৰাণ নাৰদী পুৰাণ পদ্ম পুৰাণ ব্ৰহ্মাণ্ড পুৰাণ মৎস্য পুৰাণ গীতা পাণ্ডৱী গীতা শ্ৰীধৰ স্বামীৰ টীকা ভাষ্য বিষ্ণু ধৰ্মোত্তৰ বৈষ্ণৱানন্দন যোগসাৰ শাস্ত্ৰ প্ৰভৃতিৰ ভক্তি তত্ত্বমূলক শ্লোকসমূহৰ সাৰ সংগ্ৰহ কৰি গ্ৰন্থখনি ৰচনা কৰা হৈছে।

ৰামচৰণ ঠাকুৰে গ্ৰন্থখনি অসমীয়ালৈ ভাঙনি কৰি উলিয়ায়। ভক্তি ৰত্নাকৰত মুঠ চৌত্ৰিশটা অধ্যায়ত বিভিন্ন বিষয় সামৰি লোৱা হৈছে। আলোচ্য বিষযসমূহ হ'ল গুৰু-সেৱা মাহাত্ম্য নৰদেহা মাহাত্ম্য সাধু-সংগ মাহাত্ম্য সন্ত ভক্তৰ লক্ষণ ঈশ্বৰ নিৰ্ণয় মাহাত্ম্য শ্ৰৱণ-কীৰ্তন স্মৰণ পূজা মাহাত্ম্য ভক্তি যোগ মাহাত্ম্য উত্তম অন্তৰংগ নিৰ্গুণ সপ্ৰেম ভক্তিৰ বৰ্ণনা আৰু সগুণ নিৰ্গুণ-সপ্ৰেম ভক্তিৰ বৰ্ণনা আৰু সগুণ নিৰ্গুণ ভক্তিৰ ভেদ উত্তম মধ্যম-প্ৰাকৃত ভক্তৰ লক্ষণ আচাৰ ভ্ৰষ্ট ভক্ত মাহাত্ম্য ভগৱানৰ ভক্তি প্ৰাৰ্থনা মাহাত্ম্য কলিৰ পৰম ধৰ্ম জীৱ ঈশ্বৰৰ ভেদ মাহাত্ম্য হৰি ভক্তিহীনৰ নিন্দা নিৰূপণ ভক্ত দ্বেষীৰ পৰিণাম ভক্তৰ অংগ-প্ৰশংসা ভক্তৰ জন্ম-কৰ্মাদি প্ৰশংসা হৰি ভক্তিবিহীনতাৰ জন্ম-কৰ্মাদি নিন্দা প্ৰবৃত্তি পথৰ নিন্দা স্বৰ্গাদি সুখৰ নিন্দা ভাৰতবৰ্ষৰ প্ৰশংসা ভক্তিহীন প্ৰায়শ্চিত্তৰ নিন্দা বৈৰাগ্য মাহাত্ম্য আৰু মায়াতৰণৰ উপায় ইত্যাদি।

ভাগৱত পুৰাণত উল্লেখ কৰা নৱবিধ ভক্তিৰ ভিতৰত 'ভক্তি-ৰত্নাকৰ'ত শ্ৰৱণ কীৰ্তন স্মৰণ অৰ্চন প্ৰভৃতি ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তনক শ্ৰেষ্ঠ স্থান দিয়া হৈছে। ভক্তি-ৰত্নাকৰ মৌলিক গ্ৰন্থ নহয় ভক্ত কবিগৰাকীয়ে বিভিন্ন ভক্তিতত্ত্বমূলক গ্ৰন্থৰ পৰা ভক্তিতত্ত্বৰ উজ্জ্বল ৰত্নৰ টুকুৰাসমূহ বুটলি আনি সৃষ্টি কৰা একো একোটা আকৰৰ সমষ্টিয়েই হ'ল 'ভক্তি-ৰত্নাকৰ।

নিমি-নৱসিদ্ধ সংবাদ ঃ

শ্ৰীমদ্ভাগৱত পুৰাণৰ একাদশ স্কন্ধৰ অন্তৰ্গত দ্বিতীয়ৰ পৰা পঞ্চম অধ্যায়লৈ মুঠ চাৰিটা অধ্যায়ৰ বিষয়বস্তুৰ আধাৰত শংকৰদেৱে নিমি-নৱসিদ্ধ নামৰ ভক্তিতত্ত্বমূলক পুথিখনি ৰচনা কৰি উলিয়াইছে। পুথিখনিত নিমি ৰজা আৰু এগৰাকী সিদ্ধ পুৰুষ ক্ৰমে কবি হৰি অন্তৰীক্ষ প্ৰবুদ্ধ পিপ্পলায়ন আবিৰ্হোত্ৰ দ্ৰুমিল চমস আৰু কৰভাজনৰ কথোপকথনৰ মাজেৰে ভক্তিতত্ত্বৰ আলোচনা কৰা হৈছে।

ভাগৱত পুৰাণৰ কেইটামান অধ্যায়ৰ অনুবাদ হ'লেও গধুৰ দাৰ্শনিক তত্ত্বেৰে পৰিপূৰ্ণ এইখনি এখনি স্বতন্ত্ৰ গ্ৰন্থ। গ্ৰন্থখনিত ভাগৱত ধৰ্মৰ মাহাত্ম্য প্ৰকাশ কৰা হৈছে এনেদৰে

শুনে বা ভণে বা স্মৰে নতুবা আদৰে।
আনে বা গাৱন্তে যিবা অভিনন্দা কৰে।।
দেৱ বিশ্বদ্ৰোহীকো পবিত্ৰ কৰে অতি।
হেন ধৰ্ম শুনিবে তোমাৰ ভৈলা মতি।।

'নিমি-নৱসিদ্ধ সংবাদ'ত নিমি ৰজাই আযোজন কৰা যজ্ঞস্থলীত দীপ্তিমান সূৰ্যসম নৱসিদ্ধক নিমিৰজাই এটি প্ৰশ্ন কৰিছে আৰু তেওঁলোকে ৰজাৰ প্ৰশ্নসমূহৰ উত্তৰ দিছে। মূল ভাগৱতত ৰজাই একেলগে প্ৰশ্নসমূহ উত্থাপন কৰা নাই প্ৰসংগক্ৰমেহে কৰিছে। কিন্তু কথাবস্তুৰ ঐক্য ৰক্ষাৰ কাৰণে শংকৰদেৱে ভাগৱতৰ অনুবাদত প্ৰশ্নকেইটি একেলগে উত্থাপন কৰিছে।

নিমি ৰজাই নৱসিদ্ধক সোধা প্ৰশ্নসমূহ আছিল — আত্যন্তিক সুখ কি ভাগৱত কাক বোলে তেওঁৰ ধৰ্মস্বভাৱ আৰু উক্তি কেনেকুৱা মায়া কি আৰু মায়া তৰণৰ উপায় কি ব্ৰহ্ম কাক বোলে কৰ্মযোগ কি কৃষ্ণৰ অৱতাৰ যুগধৰ্ম কি অভক্তৰ গতি কি আৰু ভগৱন্তৰ পূজাবিধি কেনে ইত্যাদি।

নৱসিদ্ধই ৰজাৰ প্ৰশ্নসমূহৰ উত্তৰ দি অন্তৰ্ধান হৈছে আৰু ৰজায়ো ভাগৱত ধৰ্ম আচৰণৰ যোগেদি পৰম গতি লাভ কৰিছে। গ্ৰন্থখনিৰ বিষয়বস্তু গভীৰ আৰু গূঢ়াৰ্থ ব্যঞ্জক।

অনাদি পাতন ঃ

'অনাদি পাতন শংকৰদেৱৰ আন এখনি দাৰ্শনিক তত্ত্ব প্ৰকাশক গ্ৰন্থ। অনাদি পাতনত সৃষ্টিৰ আদি আৰু প্ৰলয় প্ৰকৃতি আৰু তত্ত্বসকলৰ উৎপত্তি চৰাচৰ প্ৰাণীৰ বিকাশ সপ্তদ্বীপ সপ্তসাগৰ নৱবৰ্ষ জ্যোতি চক্ৰ নৰক দেহতত্ত্ব ইত্যাদি জটিল তাত্ত্বিক কথাবোৰৰ বৰ্ণনা দাঙি ধৰা হৈছে। কাব্যখনি ৰচনা কৰোঁতে কবিয়ে ভাগৱতৰ তৃতীয় স্কন্ধৰ বিষয়বস্তুৰ সৈতে বামণ পুৰাণৰ কথাও যোগ দিয়া বুলি উল্লেখ কৰিছে। বেজবৰুৱাৰ মতে — 'শংকৰদেৱে ভাগৱতৰ সৃষ্টি প্ৰকৰণাদি কথাবোৰৰ পৰা বাছি বাছি সাৰ সংগ্ৰহ কৰি এই পুথিখন এনেকৈ ৰচনা কৰিছে যে ইয়াক অনুবাদ নুবুলি সুকীয়া পুথি বোলা উচিত। কাব্যখনিত সৃষ্টি পাতনৰ বৰ্ণনাই প্ৰাধান্য লাভ কৰিছে।

বৰগীত ঃ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱ বিৰচিত আধ্যাত্মিক ভাববিশিষ্ট বিবিধ ৰাগ-ৰাগিনীযুক্ত চৈধ্য-প্ৰসংগৰ উপযোগী আৰু ভাৰতীয় উচ্চাংগ সংগীতৰ আৰ্হিত ব্ৰজবুলি ভাষাত ৰচিত এক প্ৰকাৰৰ ভক্তিমূলক গীতকেইই বৰগীত আখ্যা দিয়া হৈছে। 'বৰ' অৰ্থাৎ শ্ৰেষ্ঠ ভাব ভাষা আৰু বিষয়বস্তুৰ শ্ৰেষ্ঠতাই বৰগীতৰ শ্ৰেষ্ঠতাৰ মূল কাৰণ।

'বৰগীত'ৰ এটা নিৰ্দিষ্ট সংজ্ঞা দিয়া সম্ভৱ নহয়। পণ্ডিতসকলৰ মতে — 'ওখ নৈতিক আধ্যাত্মিক ভাব আৰু তাৰ উপযোগী ভাষা আৰু সুৰৰ সমাবেশ থকা গীতকেই বৰগীত বুলিব পাৰি। বৰগীত সংগীত শাস্ত্ৰৰ বিধান অনুসৰি ৰচিত আৰু নিৰ্দিষ্ট ৰাগ যুক্ত উচ্চাংগ সংগীত। এনে গীত পৰিবেশন কৰোতে সংগীত শাস্ত্ৰ ধৰা-বন্ধা নিয়ম নীতি আৰু অংগ অৱয়ব আদি মানি চলিব লাগে। সেয়েহে অন্যান্য গীতৰ পৰা ই পৃথক।

ৰাগ বৰগীতৰ মূলবস্তু। ৰাগৰ শুদ্ধ প্ৰয়োগ অবিহনে বৰগীতৰ প্ৰকৃত স্বৰূপ ফুটি নুঠে। মহেশ্বৰ নেওগৰ ভাষাত 'বৰগীত সাংসাৰিক জগতৰ প্ৰেম কাহিনীৰ পৰা সম্পূৰ্ণ মুক্ত আধ্যাত্মিক ভাবৰ উপাসনা প্ৰসংগৰ গীত। তদুপৰি ই মহাপুৰুষ বিৰচিত হ'ব লাগিব।

বৰগীতৰ প্ৰকৃত সংখ্যা এশ একাল্লবৈটা। ইয়াৰে এশ সাতাৱনটি মহাপুৰুষ মাধৱদেৱৰ আৰু চৌত্ৰিশটি শংকৰদেৱৰ দ্বাৰা ৰচিত। চৰিতপুথিৰ মতে শংকৰদেৱে বাৰকুৰি বৰগীত ৰচনা কৰে কিন্তু গীতবোৰ ঘৰপোৰা জুইত পুৰি নষ্ট হোৱাত মানুহৰ মুখত একুৰি চৈধ্যটাহে ৰয়গৈ।

'কথাগুৰুচৰিত'ৰ মতে শংকৰদেৱে প্ৰথমবাৰ তীৰ্থভ্ৰমণৰ কালছোৱাত 'মন মেৰি ৰাম চৰণহি লাগু বৰগীতটো ৰচনা কৰে। এই গীতটি খৰিকটীয়াৰ মুখত শুনি ভবানন্দই (পিছত নাৰায়ণ ঠাকুৰ) শংকৰদেৱৰ ওচৰত শৰণ লয়। সেইদৰে কোচৰজা নৰণাৰায়ণৰ ভাতৃ চিলাৰায়ে পত্নীৰ মুখত পামৰু মন ৰাম চৰণে চিত্ত দেহু গীতটো শুনি শংকৰদেৱৰ শৰণ ভিক্ষা কৰে। বাণীকান্ত কাকতিয়ে সেয়েহে লিখিছে — 'মৰুভূমিত উটে পানীৰ গোন্ধ লৈ জলাশয় বিচৰাৰ দৰে তৃষিত মানৱসকলেও বৰগীতৰ ধ্বনি প্ৰতিধ্বনিৰ প্ৰতি লক্ষ্য কৰি গুৰু দুজনাৰ ওচৰত উপস্থিত হৈছিল।

শংকৰদেৱৰ বৰগীতসমূহত বিভিন্ন ভাবৰ সংযোগ ঘটিছে। জ্ঞান আৰু ভক্তি যোগৰ লগতে বাৎসল্য সখ্য দাস্য আদি বিবিধ ভাবৰ সমন্বয়ে তেওঁৰ গীতসমূহ বৈচিত্ৰময় কৰি তুলিছে। ৰাগ প্ৰযোগৰ ফালৰ পৰা চাবলৈ গ'লে — আশোৱাৰী নাট মল্লাৰ ধনশ্ৰী গৌৰী শ্ৰী কেদাৰ সুহাই, বসন্ত মাউৰ ভূপালী অহিৰ কল্যাণ তুৰ বসন্ত ইত্যাদি ৰাগৰ সমাহাৰ গীতসমূহত লক্ষ্য কৰা যায়।

পৰিবৰ্তনশীল জগতৰ স্থাৱৰ জংগম সকলো পদাৰ্থই ব্ৰহ্ম অংশসম্ভূত। 'হামু যত জীৱ শিৱ তেৰি অংশ। ভগৱন্তৰ সৈতে জীৱৰ ভেদ আৰু অভেদ ভাব 'বৰগীত'ত তেওঁ লিখিছে

'যত জীৱ জঙ্গম কীট পতঙ্গম
অগ নগ জগ তেৰি কায়া।

সৰকহু মাৰি পূৰত ওহি উদৰ
নাহি কৰত ভূত দায়া।।
ঈশ স্বৰূপে হৰি সব ঘটে বৈঠহু
যৈচন গগণ বিয়াপি।
নিন্দাবাদ পৈ শূন্য হিংসা হৰি
তেৰি কৰোহো হামু পাপী। ইত্যাদি।

বৰগীতসমূহ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কবিত্ব প্ৰতিভাৰ জ্বলন্ত নিদৰ্শন। সাংসাৰিক বিষয়ভোগৰ প্ৰতি অনাস্থা যাগ যজ্ঞ পূজা পাতল তপ-জপ আদিৰ অসাৰতা জীৱন যৌৱনৰ ক্ষণস্থায়িত্ব আৰু পৰমজনৰ ওচৰত আত্ম নিবেদনৰ ভাবেৰে বৰগীতসমূহ পৰিপূৰ্ণ।

বিষয়বস্তুৰ গাম্ভীৰ্য আৰু সংযম বৰগীতসমূহৰ মন কৰিবলগীয়া বৈশিষ্ট্য। ইয়াত বিদ্যাপতি চণ্ডীদাসৰ গীতসমূহৰ দৰে ৰাধা-কৃষ্ণৰ অবৈধ প্ৰণয়ৰ চিত্ৰ নাই আছে ভক্ত আৰু ভগৱানৰ স্নেহ মধুৰ সম্পৰ্ক আৰু আন্তৰিকতা। শ্ৰীকৃষ্ণৰ বিৰহত অকল মানুহেই অন্য জীৱ-জন্তু তৰু-তৃণ-লতিকাও বিৰহত ভাঙি পৰিছে। শংকৰদেৱৰ বৰগীতত এনে বৰ্ণনা অতি প্ৰাণস্পৰ্শী। বৰগীতসমূহ ভক্ত কবিৰ গভীৰ অন্তৰৰ পৰা ওলোৱা ভক্তিভাৱৰ আত্মিক অভিব্যক্তি। বেছিভাগ গীতেই চৈধ্য প্ৰসংগৰ উপযোগীকৈ ৰচনা কৰা হৈছে। ভগৱান শ্ৰীকৃষ্ণৰ মধুৰ ৰূপৰ বৰ্ণনাই প্ৰায়বোৰ গীতৰ আধ্যাত্মিক গাম্ভীৰ্য বৃদ্ধি কৰিছে।

শংকৰদেৱৰ প্ৰায়বোৰ গীততেই আত্ম নিবেদনৰ কৰুণ সুৰ শুনিবলৈ পোৱা যায়। বিষধৰ সৰ্পসদৃশ বিষয়-সংসাৰৰ পৰা মুক্তি লাভ কৰি মোহাচ্ছন্ন জীৱনৰ কল্পতৰু হৰি ভক্তি লাভ কৰাই গীতসমূহৰ লক্ষণীয় বৈশিষ্ট্য। শৰীৰৰ ছয় ৰিপুৰ তাড়না আৰু ইন্দ্ৰিয় পৰিতৃপ্তিৰ ব্যৰ্থ প্ৰয়াসে মানৱ জীৱনৰ অমূল্য সময় অথলে নিয়ায়। গতিকে মৃত্যুকাল উপস্থিত হোৱাত ভগৱানক প্ৰাৰ্থনা কৰাৰ বাহিৰে আন কোনো উপায় নাথাকে।

মুঠতে বিষ্ণু বা কৃষ্ণৰ ৰূপ বৰ্ণনাৰ লগতে ৰাম-কৃষ্ণ-বিষ্ণুৰ অভেদত্ব প্ৰদান নিজৰ দোষ-ত্ৰুটী নামৰ মহিমা আৰু আত্ম নিবেদনৰ ভাবেৰে শংকৰদেৱৰ গীতসমূহ পৰিপূৰ্ণ। ৰূপক উপমা চিত্ৰকল্প আদিৰ প্ৰয়োগে বৰগীতসমূহৰ সাহিত্যিক মাধুৰ্য বৃদ্ধি কৰিছে। বৰগীতৰ ধ্বনিৰ ব্যঞ্জনা নিপুণ শব্দচয়ন আৰু আধ্যাত্মিক ভাবৰ প্ৰাধান্যই অসমৰ নৱ বৈষ্ণৱ ভক্তি আন্দোলনক প্ৰভূতভাবে সহায় কৰিছিল। বাণীকান্ত কাকতিৰ ভাষাত — পাখিলগা কাঁড়ৰ দৰে শংকৰদেৱ আৰু মাধৱদেৱৰ গীতবোৰ উৰি ফুৰি য'তে পৰিছিল তাত নৱ আধ্যাত্মিক ভাবৰ গুটি সিঁচিছিল। বৰগীতসমূহ মহাপুৰুষ শংকৰদেৱৰ কাব্যিক আৰু সাহিত্যিক প্ৰতিভাৰ উল্লেখযোগ্য নিদৰ্শন।

উল্লেখযোগ্য যে শংকৰদেৱ আৰু মাধৱদেৱৰ বাহিৰে অন্যান্য বৈষ্ণৱ সন্তই একে ৰাগ আৰু ষ্টাইলত ৰচনা কৰা গীতসমূহক বৰগীত বোলা নহয়। এইবোৰক গীতহে বোলা হয়। চমুকৈ ক'বলৈ হ'লে বৈষ্ণৱ ধৰ্মৰ মূল নীতি বিষ্ণু আৰু শ্ৰীকৃষ্ণৰ ৰূপ বৰ্ণনা ৰাম কৃষ্ণ আৰু বিষ্ণুৰ অভেদত্ব আত্ম-ক্ৰটী আত্ম-সমৰ্পন ভগৱানৰ কৃপা ভিক্ষা নামৰ মহিমা গোপিনী বিৰহ লীলা আৰু মাতৃ হৃদয়ৰ চিত্ৰ আদি বিষযৰ আলমত শংকৰদেৱৰ বৰগীতসমূহ ৰচিত হৈছে।

কাব্যসমূহ ঃ

ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচিত হ'লেও শংকৰদেৱৰ ৰচনাৰাজিত কাব্যিক সৌন্দৰ্য অক্ষুণ্ণ থকাটো মন কৰিবলগীয়া। শংকৰদেৱৰ দ্বাৰা ৰচিত কাব্য কেইখন হ'ল — হৰিশ্চন্দ্ৰ উপাখ্যান ৰুক্মিণীহৰণ কাব্য অজামিল উপাখ্যান অমৃত মন্থন আৰু কুৰুক্ষেত্ৰ।

হৰিশ্চন্দ্ৰ উপাখ্যান

হৰিশ্চন্দ্ৰ উপাখ্যানেই শংকৰদেৱৰ দ্বাৰা ৰচিত প্ৰথম কাব্য বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। মাৰ্কণ্ডেয় পুৰাণৰ সপ্তমৰ পৰা নৱমৰ কাহিনীৰ আধাৰত শংকৰদেৱে হৰিশ্চন্দ্ৰ উপাখ্যানৰ কাহিনীভাগ সুন্দৰভাৱে সজাই উলিয়াইছে। কবিয়ে নিজৰ উদ্দেশ্য সিদ্ধিৰ উদ্দেশ্যে মূল কাহিনীভাগৰ কিছু সাল-সলনি কৰিছে।

কবিযে ভক্তিৰ ক্ষেত্ৰখনি চাৰিওফালে খুঁটি মাৰি কৃষ্ণ সেৱকৰ বাবে নিকপকপীয়া কৰি ল'বলৈকে কাব্যখনি ৰচনা কৰা বুলি অনুমান হয়। কাব্যখনিৰ নায়ক হৰিশ্চন্দ্ৰই ৰাজপদ পুত্ৰ ভাৰ্যা সকলো হেৰুৱাই চাণ্ডালৰ ওৰত নিজকে বিক্ৰী কৰিও একান্ত ভক্তিপথৰ পৰা বিচ্যুত হোৱা নাছিল বাবেই অৱশেষত মুক্তি লাভ কৰিবলৈ সক্ষম হ'ল। হৰিশ্চন্দ্ৰৰ পত্নী শৈব্যাই স্বামীৰ দুখৰ সৈতে সমভাগিনী হৈ দাসীৰ জীৱন যাপন কৰিও ধৰ্মপথৰ পৰা বিচ্যুৎ হোৱা নাছিল। মূলৰ মতে হৰিশ্চন্দ্ৰই স্বৰ্গাৰোহণ কৰাৰ সময়ত বিশ্বামিত্ৰই ৰাজকুমাৰ ৰোহিতাশ্বক পিতৃ ৰাজ্যত অভিষিক্ত কৰিছিল কিন্তু শংকৰদেৱৰ কাব্যত নাবালক পুত্ৰ ৰোহিতাশ্বযো পিতৃক অনুসৰণ কৰা বুলি উল্লেখ কৰিছে। কবিযে পৰম ভক্ত হৰিশ্চন্দ্ৰৰ অবিচলিত বিষ্ণুভক্তিৰ নিদৰ্শন দাঙি ধৰি তেওঁৰ চৰিত্ৰত দান ত্যাগ সহিষ্ণুতা ক্ষমা পৰোপকাৰ প্ৰভৃতি আদৰ্শনীয গুণৰাজিৰ সমাবেশ ঘটাইছে। হৰিশ্চন্দ্ৰৰ বিপৰীতে বিশ্বামিত্ৰ চৰিত্ৰটি কৃপণ নিৰ্দয় আৰু ক্ষমাহীন ৰূপত চিত্ৰিত কৰিছে।

কাব্যখনত প্ৰতিটো চৰিত্ৰই মূলতকৈ অধিক স্পষ্টৰূপত আত্মপ্ৰকাশ কৰিছে। কাব্যখনিত খণ্ডবাক্য জঁতুৱা ঠাঁচৰ সুন্দৰ প্ৰয়োগ মন কৰিবলগীয়া। বৰ্ণনাৰ উপযোগীকৈ ছবি দুলড়ি পদ ঝুমুৰি প্ৰভৃতি বিবিধ ছন্দৰ সাৰ্থক প্ৰয়োগে কাব্যখনিৰ সোণত সুৱগা চৰাইছে।

ৰুক্মিণীহৰণ কাব্য

শংকৰদেৱৰ কাব্যসমূহৰ ভিতৰত সৰ্বাধিক জনপ্ৰিয় কাব্যখনি হ'ল ৰুক্মিণীহৰণ কাব্য। কবিয়ে হৰিবংশ আৰু ভাগৱত পুৰাণৰ কাহিনীৰ আধাৰত কাব্যখনি ৰচনা কৰিছে। কাব্যখনি কবিৰ আগবয়সৰ ৰচনা। এই সম্পৰ্কে মন্তব্য কৰি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই লিখিছে 'ৰুক্মিণীহৰণ পুথিখন যে শংকৰে তেওঁৰ ডেকাকালত ৰচনা কৰিছিল এইটোৰ অলপ আভাস পোৱা যায় আৰু তেওঁৰ বৰদোৱা বেলগুৰি আদি ঠাই এৰি ভাটিলৈ অহা আগেয়েই যে এইটোও বুজিব পাৰি।

ৰুক্মিণীহৰণ কাব্য শংকৰদেৱৰ কাব্য প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন। বেজবৰুৱাই কাব্যখনিক 'শংকৰদেৱৰ অমৃতময় লেখনিৰ অমৃতধাৰা'ৰূপে অভিহিত কৰিছে। ৰুক্মিণীহৰণ কাব্যৰ বিষয়বস্তু হৰিবংশৰ পৰা গ্ৰহণ কৰা হৈছে যদিও কবিয়ে কাহিনীভাগৰ সৈতে ভাগৱত পুৰাণৰ কথাও মিহলাই কাব্যখনি ৰসপূৰ্ণ কৰি তুলিছে। ত্ৰিজগতৰ পতি কৃষ্ণ আৰু ৰুক্মিণীৰ কৌতুকপূৰ্ণ বিবাহৰ বৰ্ণনাৰ মাজেদি ভগৱানৰ লীলা শ্ৰৱণ-কীৰ্তন কৰাটোকেই মনুষ্যৰ শ্ৰেষ্ঠধৰ্ম আখ্যা দিয়া হৈছে।

কবিয়ে কাব্যৰ প্ৰযোজনৰ প্ৰতি লক্ষ্য ৰাখি মূলৰ পৰা ঠাইবিশেষে আঁতৰি আহিছে আৰু শশীপ্ৰভা সুমালিনী প্ৰভৃতি অনুপম চৰিত্ৰৰ সৃষ্টি কৰিছে। কাব্যখনিত শৃংগাৰ বীৰ হাস্য কৰুণ ৰৌদ্ৰ ভয়ানক প্ৰভৃতি বিবিধ ৰসৰ অভিব্যক্তি প্ৰকাশিত হৈছে যদিও সমস্ত ৰসসমূহ ভক্তিৰসতে বিলীন হৈ পৰিছে।

অজামিল উপাখ্যান

ভাগৱত পুৰাণৰ পঞ্চম আৰু ষষ্ঠ স্কন্ধৰ কাহিনীৰ আধাৰত শংকৰদেৱে অজামিল উপাখ্যান কাব্যখনি ৰচনা কৰি উলিয়ায়। কবিয়ে মূলৰ কাহিনীৰ বিশেষ পৰিৱৰ্তন কৰা নাই। কাব্যখনিত নামৰ অপৰিসীম মহিমাৰ কথা প্ৰকাশ কৰা হৈছে। হৰিনামৰ প্ৰভাৱত পৰম পাতকীজনেও সংসাৰ সাগৰৰ পৰা মুক্তি লাভ কৰিবলৈ সক্ষম হয়।

অজামিল উপাখ্যান এখনি উত্তম ভক্তিকাব্য। কাব্যৰ আৰম্ভণিতে বিভিন্ন পাপকৰ্মৰ ফলস্বৰূপে ভোগ কৰিবলগীয়া বিভিন্ন নৰকৰ বৰ্ণনা দাঙি ধৰি পাঠকৰ মনত বিষয়ৰ প্ৰতি বৈৰাগ্য ভাব সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। পাপী অজামিলে মৃত্যুৰ সময়ত ভয়ত কাতৰ হৈ পুতেক নাৰায়ণৰ নাম স্মৰণ কৰিছিল যদিও সেই নামৰ বলতে অজামিলে যমদূতৰ পৰা ৰক্ষা পাবলৈ সক্ষম হ'ল। বিষ্ণুদূতৰ সান্নিধ্যই অতি শীঘ্ৰেই অজামিলৰ মনৰ পৰা সকলো ধৰণৰ পাপ চিন্তা দূৰ কৰিলে আৰু অজামিলে একান্ত মনেৰে নিৰ্মল চিত্তেৰে 'তুমিয়ে সুহৃদ আত্মা বুলি বান্ধৱ কৃষ্ণৰ চৰণত শৰণ গ্ৰহণ কৰিলে। ফলস্বৰূপে তেওঁৰ হৃদয়ত পৰম সৌন্দৰ্যময় কৃষ্ণৰ ৰূপ আৰু মুখত সুমঙ্গল কৃষ্ণৰ নামে স্থিতি লাভ কৰিলে

'দ্ৰৱিল দ্বিজৰ অতি আনন্দে হৃদয়।
দুই নয়নৰ নীৰ ধাৰায়ে বহয়।।
দেহাভোগে ইটো অতি ভৈলা বিৰকতি।
কৃষ্ণৰ ৰূপতে মাত্ৰ প্ৰবেশিলা মতি।।'

এনেদৰেই অজামিলে নামৰ বলতেই কৰ্ম বন্ধনৰ পৰা মুক্তিলাভ কৰিলে আৰু একান্তমনে কৃষ্ণৰ ৰূপ ধ্যান কৰি প্ৰাণ ত্যাগ কৰিলে — তেখনে ছাড়িলা বিপ্ৰে কৃষ্ণ বুলি প্ৰাণ। কাব্যখনিত বীৰ ভয়ানক ৰৌদ্ৰ শৃংগাৰ প্ৰভৃতি বিবিধ ৰসে ভক্তিভাবৰ পৰিপুষ্টিত সহায় কৰিছে।

অমৃত মথন ঃ

ভাগৱত পুৰাণৰ অষ্টম স্কন্ধৰ কাহিনীৰ আধাৰত শংকৰদেৱে অমৃত মন্থন কাব্যখনি প্ৰস্তুত কৰি উলিয়াইছে। কবিয়ে মূল কাহিনীভাগৰ বিশেষ পৰিবৰ্তন নকৰিলেও নিজৰ উদ্দেশ্যে ঠাই বিশেষে অনুকূল বৰ্ণনা দাঙি ধৰিছে।

কাব্যখনিৰ আৰম্ভণিতে কবিয়ে ভগৱন্তই দৈত্যক মোহগ্ৰস্ত কৰি দেৱতাক অমৃত পান কৰোৱাৰ যুক্তিযুক্ততা প্ৰদৰ্শন কৰিছে। দুৰ্বাসাৰ শাপত শ্ৰীহত দেৱতাসকলৰ বলিৰ আক্ৰমণত মৃত্যু হোৱাৰ বিপৰীতে দৈত্যসকলৰ মৃত সৈন্যসকলক শুক্ৰাচাৰ্যই সঞ্জীৱনীৰ সহায়ত পুনৰ জীৱিত কৰা আদিৰ বৰ্ণনা অতি জীৱন্ত। বৰ্ণনীয় বিষয়ক চমৎকাৰী কৰি তুলিবৰ কাৰণে কবিয়ে কলাত্মক কল্পনাৰ সহায় লৈছে। বহুক্ষেত্ৰত জতুৱা ঠাঁচেৰে পৰিপূৰ্ণ ভাষাই বৰ্ণনীয় বিষয়ক অধিক চিত্ৰময় আৰু আকৰ্ষণীয় কৰি তুলিছে।

বলিচলন ঃ

অষ্টম স্কন্ধ ভাগৱতৰ ১৮-২৩ অধ্যায়ৰ কাহিনীৰ আধাৰত শংকৰদেৱে বলিচলন কাব্যখনি ৰচনা কৰি উলিয়াইছে। অৱশ্যে কাব্যখনি আকৰ্ষণীয় কৰি তুলিবৰ কাৰণে কবিয়ে বামন পুৰাণৰো কিছু কথা কাব্যখনিত সংযোজন কৰিছে। কাব্যখনিত বলিক চলনা কৰি সুতলপুৰীলৈ পঠোৱালৈকে মূল আখ্যান ভাগ ভাগৱতৰ অনুৱৰ্তী। সুতলপুৰীৰ বৰ্ণনাত আৰু বিষ্ণু চক্ৰৰ দ্বাৰা দৈত্যকুল নিয়ন্ত্ৰিত হোৱাৰ বৰ্ণনাত বামন পুৰাণৰ উপাদানৰ সংযোগ কৰা হৈছে। চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত ভক্ত বলি মাতৃ অদিতি আৰু পত্নী বিন্ধ্যাৱলীৰ চৰিত্ৰ চিত্ৰণত কবিয়ে কৃতিত্বৰ পৰিচয় দিবলৈ সক্ষম হৈছে। কাব্যখনত বলিৰ চৰিত্ৰই মূলতকৈ অধিক প্ৰভাৱশালী ৰূপ লাভ কৰিছে। কাব্যখনত বলিৰ মাতৃ অদিতি আৰু পত্নী বিন্ধ্যাৱলীৰ চৰিত্ৰয়ো যথোচিত মৰ্যাদা লাভ কৰিছে।

কুৰুক্ষেত্ৰ যাত্ৰা ঃ

দশম স্কন্ধ ভাগৱতৰ কাহিনীৰ আধাৰত কবিয়ে কুৰুক্ষেত্ৰ যাত্ৰা কাব্যখনি ৰচনা কৰি উলিয়াইছে। কাব্যখনত ব্ৰজবাসীৰ সৈতে ভগবান শ্ৰীকৃষ্ণৰ অন্তিম মিলনৰ চিত্ৰ অংকন কৰা হৈছে। এই চিত্ৰৰ পটভূমিতে কৌৰৱ পাণ্ডৱ যাদৱ আৰু ভাৰতবৰ্ষৰ অসংখ্য ৰজা মহাৰজা আৰু ঋষি মুনি কুৰুক্ষেত্ৰ যুদ্ধত সূৰ্যগ্ৰহণ উপলক্ষে একত্ৰিত হোৱাৰ বৰ্ণনা দাঙি ধৰা হৈছে। অৱশ্যে এই ক্ষেত্ৰত কবিয়ে মূলৰ পৰা কিছু আঁতৰি আহিছে আৰু আৰম্ভণিৰে পৰা কৃষ্ণ চৰিত্ৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। যদুবংশীয় আৰু অন্যান্য ৰাজন্যবৰ্গই একত্ৰিত হৈ কুৰুক্ষেত্ৰত পাতিয়া বহল সভা কৃষ্ণ সভা কৃষ্ণ কথা কহে। কবিয়ে বসুদেৱ নন্দ যশোদা ৰোহিনী কৃষ্ণ আৰু গোপীসকলৰ কথোপকথনৰ যোগেদি অতীতৰ এক মধুৰ চিত্ৰ অংকন কৰিছে, যাৰ যোগেদি অতীত ভৱিষ্যৎ একাকাৰ হৈ পৰিছে। কুৰুক্ষেত্ৰৰ মহামিলনৰ ক্ষেত্ৰত কৃষ্ণপ্ৰেমৰ অমৃত ৰসেৰে সকলোকে আপ্লুত কৰি তুলিছে। মূলৰ মাত্ৰ দুটা শ্লোকৰ কৃষ্ণপত্নীসকলৰ বিৰহৰ কাহিনীৰ আধাৰত কবিয়ে স্বকীয় কল্পনাৰ সংযোগ ঘটাই মূল ঘটনাৰ লগত সংগতি ৰাখি কাল্পনিক উপকাহিনীৰ বৰ্ণনা দাঙি ধৰিছে। কৃষ্ণই নন্দ-যশোদা আৰু গোপীসকলক কৰা আদৰ আশ্বাসৰ বৰ্ণনাও অতি অন্তস্পৰ্শী।

অংকীয়া নাট ঃ

অসমৰ নৱ বৈষ্ণৱ ভক্তি-আন্দোলনৰ অন্যতম হোতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱ বিৰচিত বিশেষ কলা-কৌশলপূৰ্ণ একশ্ৰেণীৰ ধৰ্মমূলক নাটককে অংকীয়া নাট আখ্যা দিয়া হৈছে। অংকীয়া নাটক সৃষ্টি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কলাত্মক সৃজনী প্ৰতিভাৰ অন্যতম নিদৰ্শন। অসমত নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অন্যতম বাহনস্বৰূপে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে মধ্যযুগীয় অসমীয়া আৰু অন্যান্য লৌকিক ৰংগানুষ্ঠানসমূহৰ বিভিন্ন কলা কৌশলৰ লগত সংস্কৃত নাট্য শাস্ত্ৰৰ নিয়ম নীতিৰ সংযোজনেৰে সৃষ্টি কৰা এক অংক বিশিষ্ট নাট্যকলাকে 'অংকীয়া নাট' আখ্যা দিয়া হয়।

অংকীয়া নাট সৃষ্টি হোৱাৰ পূৰ্বে অসমীয়া সমাজত আনন্দ বিনোদনৰ বাবে অতীজৰে পৰা ভালেমান লোক-নাট্যানুষ্ঠান আছিল। সেইবোৰৰ ভিতৰত লোকনৃত্য, 'ঢুলীয়া নাচ' 'ওজাপালি' দেওধনি নাচ আৰু পুতলা নাচ'ৰ উল্লেখ কৰিব পাৰি। অংকীয়া নাটৰ উৎপত্তিৰ ক্ষেত্ৰত এই থলুৱা নাট্যানুষ্ঠানসমূহে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰা বুজিব পাৰি। পুতলা নাচ আৰু ওজাপালিৰ বাহিৰেও অসমৰ গোৱালপাৰা অঞ্চলত কুশান গান আৰু 'ভাৰী গান' নামৰ দুবিধ লোকধৰ্মী নাট্যানুষ্ঠানৰ উল্লেখ পোৱা যায়।

'কুশান গান'ৰ বিষয়বস্তু ৰামায়ণৰ। এই দুয়োবিধ উত্তৰ-বংগ আৰু পশ্চিম অসমৰ উমৈহতীয়া নাট্য সম্পদ দৰাচলতে পুৰণি অসমীয়া নাট্যানুষ্ঠান মধ্যযুগৰ উত্তৰ আৰু দক্ষিণ ভাৰতীয় নাট্যানুষ্ঠান আৰু সংস্কৃত নাটক — এই ত্ৰিবিধ প্ৰভাৱৰ ত্ৰিবেণী সংগমত অংকীয়া নাটৰ উৎপত্তি হৈছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তীৰ্থভ্ৰমণ কালছোৱাত অসমৰ বাহিৰৰ বহুতো নাট্যানুষ্ঠানৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাইছিল। মধ্যযুগৰ ভাৰতীয় লোক-নাট্যানুষ্ঠানসমূহৰ ভিতৰত কৰ্ণাটকৰ 'যক্ষগান অন্ধ্ৰপ্ৰদেশৰ 'বীথী তামিলৰ 'ভাগৱত মেলা আদিৰ নাম উল্লেখ কৰিব পাৰি। এইবোৰৰ উপৰিও উত্তৰ প্ৰদেশ ৰাজস্থানৰ নৌটংকী 'ৰামলীলা 'ৰাসলীলা মধ্যভাৰতৰ 'মাজ আৰু খ্যাল গুজৰাটৰ 'ভাৱাই মহাৰাষ্ট্ৰৰ 'ললিত তমসা 'দশাৱতাৰ আৰু বংগদেশৰ 'যাত্ৰা আদি উত্তৰ ভাৰতৰ উল্লেখযোগ্য নাট্যানুষ্ঠান। মহাপুৰুষ শংকৰদেৱে বাহিৰৰ এই জঁকাটোৰ লগতে নিজস্ব প্ৰতিভাৰ ৰক্ত চৰ্ম মাংসৰ সংযোগ ঘটাই স্বকীয় কলা কৌশলেৰে অসমীয়া অংকীযা নাটমালাৰ সৃষ্টি কৰে।

মন কৰিবলগীয়া যে মহাপুৰুষ দুজনাই নাট ৰচনা কৰোতে প্ৰায়েই 'নাট 'নাটক 'যাত্ৰা আদি শব্দ ব্যৱহাৰ কৰিছিল। একেখন নাটকতে কেতিয়াবা একাধিক নাট বুজোৱা শব্দৰ পুনৰাবৃত্তি ঘটিছে। মাধৱদেৱৰ নাট্যধৰ্মী ৰচনাসমূহৰ ভিতৰত একমাত্ৰ 'অৰ্জুন ভঞ্জন -এই নাটৰূপে আখ্যা পাবৰ যোগ্য। তেওঁৰ অন্যান্য নাটবোৰত কাহিনীৰ নিটোল ৰূপ একোটি ফুটি নুঠালৈ চাই সেইবোৰক 'ঝুমুৰা আখ্যা দিয়া হৈছে।

অংকীয়া নাটসমূহলৈ লক্ষ্য কৰিলে সাধাৰণতে কেতবোৰ বৈশিষ্ট্য চকুত পৰে। সেইবোৰ হৈছে সূত্ৰধাৰৰ প্ৰাধান্য কাব্যধৰ্মী গীত শ্লোক আৰু পয়াৰৰ প্ৰাচুৰ্য ব্ৰজবুলি ভাষাৰ প্ৰয়োগ আৰু লয়যুক্ত গদ্যৰ ব্যৱহাৰ। অংকীয়া নাটৰ সূত্ৰধাৰ সংস্কৃত নাটকৰ সূত্ৰধাৰৰ আদৰ্শত সৃষ্টি কৰিলেও নাটকৰ নৃত্য গীত অভিনয় আৰু দৰ্শকৰ মাজত অন্যতম সংযোগ সেতু হৈছে 'সূত্ৰধাৰ। অংকীযা নাটৰ অভিনয় পৰিচালনাৰ ক্ষেত্ৰত সূত্ৰধাৰেই প্ৰমুখ্য ব্যক্তি।

অংকীয়া নাটৰ কাহিনী আৰু বিষযবস্তু সাধাৰণতে গীতৰ মাধ্যমেদি প্ৰকাশ কৰা হয়। পাত্ৰ পাত্ৰীৰ মনৰ বিভিন্ন অৱস্থাৰ কথা ভাবানুগামী ছন্দ আৰু সংগীত মধুৰতাৰ যোগেদি ফুটাই তুলিবলৈ কৰা যত্ন এনে নাটকৰ লক্ষণীয় বিষয়। অংকীয়া নাটৰ ভাষা ব্ৰজবুলি আৰু গদ্য বৃত্তগন্ধী। অংকীয়া নাটৰ গদ্যত এক সুকীয়া কাব্যৰীতি বিদ্যমান।

মহাপুৰুষ শংকৰদেৱে অপূৰ্ব কলাত্মক প্ৰতিভাৰে মুঠ ছখনি নাটক ৰচনা কৰে। সেয়া হৈছে পত্নীপ্ৰসাদ কালীয় দমন কেলিগোপাল ৰুক্মিণী হৰণ পাৰিজাত হৰণ আৰু ৰাম-বিজয় নাট। প্ৰথম তীৰ্থযাত্ৰাৰ পৰা ঘূৰি আহি মহাপুৰুষে চিহ্নযাত্ৰা ভাওনা কৰিছিল যদিও সেই নামৰ কোনো লিখিত নাটক নাছিল।

একাধিক সমালোচকে পত্নীপ্ৰসাদকে শংকৰদেৱৰ প্ৰথম নাটক বুলিছে। নাটখনৰ বিষয়বস্তু ভাগৱতৰ ত্ৰিবিংশতিতম্ অধ্যায়ৰ পৰা লোৱা হৈছে। ভক্তিবিৰোধী ব্ৰাহ্মণসকলৰ লগত ভক্তি পৰায়ণা বিপ্ৰপত্নী আৰু গোপ বালকসকলৰ বিৰোধৰ সৃষ্টিৰে নাটকখনৰ কাহিনীভাগ অগ্ৰসৰ হৈছে। ক্ষুধাতুৰ গোপবালকসকলে শ্ৰীকৃষ্ণৰ উপদেশ অনুসৰি কৰ্মকাণ্ডী ব্ৰাহ্মণসকলৰ ওচৰলৈ গৈ বিফল মনোৰথ হোৱা আৰু বিপ্ৰপত্নীসকলে তেওঁলোকক গুৰুত্ব সহকাৰে আপ্যায়ন কৰা তথা শ্ৰীকৃষ্ণৰ মহিমা জানিব পাৰি ব্ৰাহ্মণসকল শেষত শ্ৰীকৃষ্ণৰ শৰণাপন্ন হোৱাৰ কথা নাটখনিত পোৱা যায়। নাটখনিত বিষ্ণুভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা হৈছে।

'কালিয় দমন নাটকৰ কাহিনীভাগ বিষ্ণুপুৰাণ হৰিবংশ আৰু ভাগৱত পুৰাণত পোৱা যায়। দশম স্কন্ধ ভাগৱত আৰু কীৰ্তনত মহাপুৰুষজনাই সুললিত ছন্দেৰে এই আখ্যানভাগ বৰ্ণনা কৰিছে। নাটখনিৰ মূল বিষয় হৈছে কালিনাগক দমন কৰা।

তৃষ্ণাতুৰ গোপবালকসকলে কালি হ্ৰদৰ জলপান কৰি বিষক্ৰিয়াত অচেতন হৈ পৰা অৱস্থাৰ পৰাই নাটখন আৰম্ভ হৈছে। পিছত কৃষ্ণৰ কালিহ্ৰদত অৱতৰণ সাময়িকভাৱে অচেতন ভাব প্ৰদৰ্শন আৰু কালিয়দমন নাগপত্নীসকলৰ হৃদয় বিদাৰক স্তুতি কালিনাগক ৰমণক দ্বীপলৈ প্ৰেৰণ আৰু শ্ৰীকৃষ্ণৰ বনাগ্নি পানেৰে নাটকখনৰ সামৰণি পৰিছে।

কেলিগোপাল নাটকৰ কাহিনীৰ মূল শ্ৰীমদ্ভাগৱত পুৰাণ 'বিষ্ণু পুৰাণ 'হৰিবংশ আৰু ব্ৰহ্ম বৈবৰ্তপুৰাণত পোৱা যায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে দশমস্কন্ধ ভাগৱত পাঁচোটা অধ্যায়ৰ পৰা (২৯ ৩৩ অধ্যায়) কেলিগোপাল নাটকৰ কাহিনীভাগ গ্ৰহণ কৰিছে। ই এখন নৃত্য গীত প্ৰধান অংকীয়া নাটক। নাটখনৰ ৰসাল ঘটনাপ্ৰৱাহে মল্লিকা ফুলেৰে সুশোভিত ৰূপালী যমুনা তীৰৰ সংগীত মধুৰ পৰিবেশৰ সৃষ্টি কৰে। কাব্যিক সৌন্দৰ্যমণ্ডিত নাটখনৰ বিভিন্ন গীতে গোপীসকলৰ প্ৰেম বিৰহৰ বিভিন্ন অৱস্থা সুন্দৰভাৱে ফুটি উঠাত সহায় কৰিছে। নাটকীয় সংঘাত চৰিত্ৰ সৃষ্টি নাইবা সংলাপৰ ঘনিষ্ঠ প্ৰয়োগ নোহোৱাকৈয়ো ই এক অভিনৱ কাব্যিক আবেদন লাভ কৰিবলৈ সক্ষম হৈছে। নাটখনৰ মাজেদি নৈতিক আদৰ্শ সংযম শিক্ষা আৰু প্ৰেম ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা হৈছে। নৃত্য-গীতৰ প্ৰাধান্যলৈ চাই সত্যেন্দ্ৰ নাথ শৰ্মাই কেলিগোপাল নাটক সংস্কৃত নাট্যৰাসক আৰু হল্লীসেৰে তুলনা কৰি 'হল্লীস'ৰ অধিক ওচৰচপা বুলি মন্তব্য কৰিছে।[১] নাটখনৰ আন এটা মনকৰিবলগীয়া কথা হ'ল 'ৰাধা চৰিত্ৰৰ নামোল্লেখ। অৱশ্যে কালিৰামে মেধি ডাঙৰীয়াই ৰাধা নামটো প্ৰক্ষিপ্ত বুলিছে।

১ শৰ্মা সত্যেন্দ্ৰনাথ : অসমীয়া নাট্য সাহিত্য পৃঃ ৫৭।

হৰিবংশ আৰু ভাগৱত পুৰাণৰ কথাবস্তুৰ সংযোগত মহাপুৰুষ শংকৰদেৱে 'ৰুক্মিণীহৰণ' নাট ৰচনা কৰে। অৱশ্যে চৰিতকাৰে হৰিবংশৰ কথা উল্লেখ কৰিলেও ৰুক্মিণীহৰণ কাব্যৰ দৰে নাটকত হৰিবংশৰ মিশ্ৰণ দেখা নাযায়। নাটখনত ৰুক্মিণী আৰু শ্ৰীকৃষ্ণৰ বিবাহৰ জৰিয়তে ভক্ত ভগৱানৰ মধুৰ সম্পৰ্ক প্ৰদৰ্শনৰ লগতে চেদীৰাজ শিশুপাল আৰু ৰুক্মবীৰৰ দৰে ভক্তিহীন লোকৰ দুৰাৱস্থা আৰু শ্ৰীকৃষ্ণ-ৰুক্মিণীৰ বিবাহৰ মধুৰ চিত্ৰ অংকন কৰা হৈছে। অতি কম পৰিসৰৰ ভিতৰতে নাটখনৰ চৰিত্ৰসমূহে জীৱন্ত ৰূপ পৰিগ্ৰহ কৰিছে। নাটখনত মুঠ একুৰি ছটা গীত সংযোজন কৰা হৈছে আৰু সেইবোৰত নায়ক-নায়িকাৰ মানসিক অৱস্থা উজ্জ্বলাই তোলাত সহায় কৰিছে।

শংকৰদেৱৰ নাটসমূহৰ ভিতৰত 'পাৰিজাত হৰণ'ই শ্ৰেষ্ঠ। এইখন নাটকতে নাট্যকাৰ বাস্তৱৰ ধৰাতললৈ নামি আহিছে। এপাহি পাৰিজাত পুষ্পৰ কাৰণে সৃষ্টি হোৱা এটি ঘৰুৱা সমস্যাক লৈ নাটকীয় কাহিনীভাগ অগ্ৰসৰ হৈছে। ৰুক্মিণী আৰু সত্যভামাৰ চাৰিত্ৰিক বৈপৰীত্য সতিনী বিদ্বেষ শচী সত্যভামাৰ বাকযুদ্ধ আদিয়ে নাটখনৰ আকৰ্ষণীয় গুণ বৃদ্ধি কৰিছে। নাৰদৰ টুটুকীয়া স্বভাৱ আৰু চৰিত্ৰই এই আকৰ্ষণত অৰিহণা যোগাইছে। ভগৱান শ্ৰীকৃষ্ণৰ মাহাত্ম্য প্ৰকাশৰ যোগেদি ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদনেই নাটখনিৰ মূল লক্ষ্য।

শংকৰদেৱৰ নাটসমূহৰ ভিতৰত 'সীতা সয়ম্বৰ' বা শ্ৰীৰাম বিজয়েই একেবাৰে শেষৰ ৰচনা। বিশ্বামিত্ৰ মুনিৰ অনুৰোধক্ৰমে দৈত্য দমনৰ উদ্দেশ্যে গমন কৰি ৰাম লক্ষ্মণে যজ্ঞভূমিৰ পৰা দৈত্য অপসাৰণ কৰি পাছত জনকৰ ৰাজসভালৈ গৈ হৰধনু ভংগ কৰি সীতাদেৱীক লাভ কৰিছিল। পিছত দ্বাৰকাৰ পৰা মিথিলালৈ প্ৰত্যাৱৰ্তন কৰোঁতে পৰশুৰামে শ্ৰীৰামচন্দ্ৰক আগভেটি ধৰাত ৰামচন্দ্ৰই পৰশুৰামৰ স্বৰ্গপথ ৰুদ্ধ কৰি দিছে। নাটখনৰ মূল ৰস শান্ত।

ওপৰত আলোচনা কৰা ছয়খন নাটকৰ বাহিৰেও চৰিতপুথিত শংকৰদেৱৰ নামত 'জন্মযাত্ৰা' আৰু 'কংসবধ' নামৰ দুখন নাটৰ উল্লেখ পোৱা যায়। গোপালদেৱৰ চৰিত পুথিত শংকৰদেৱৰ নামত 'উদ্ধৱ যান' নামৰ আন এখনি নাটৰ উল্লেখ পোৱা যায়।[২]

অনুবাদমূলক ৰচনা ঃ

শংকৰদেৱৰ পূৰ্বতে অসমত বিষ্ণু-উপাসনাৰ আভাস পোৱা যায়। অৱশ্যে এই কালছোৱাত অসমত ছোৱা-চোৰোকাকৈ ভাগৱত চৰ্চা হৈছিল যদিও তান্ত্ৰিকতাৰ প্ৰভাৱত এই চৰ্চা আছিল অতিশয় সীমিত। মহাপুৰুষ শংকৰদেৱে অসমত ভাগৱত চৰ্চাৰ পথটি প্ৰশস্ত কৰি তোলে। তেওঁৰ সময়ৰে পৰা ক্ৰমান্বয়ে গোপালচৰণ কেশৱচৰণ আৰু

২ গোস্বামী তীৰ্থনাথ ঃ গোপালদেৱৰ চৰিত্ৰ পৃঃ ২৫৯।

ভট্টদেৱলৈকে প্ৰায় সুদীৰ্ঘ ডেৰশ বছৰকাল ভাগৱত চৰ্চাৰ স্ৰোত প্ৰবলভাৱে বৱলৈ ধৰে। জগদীশ মিশ্ৰৰ পৰা সটীক ভাগৱত পোৱাৰ পিছত তেওঁ একাগ্ৰপতীয়াভাৱে ভাগৱত চৰ্চাত আত্মনিয়োগ কৰে। অৱশ্যে তেওঁ সম্পূৰ্ণ ভাগৱত অনুবাদ কৰাৰ পৰিবৰ্তে ভাগৱতৰ কেইটামান স্কন্ধ আৰু কিছুমান স্কন্ধৰ অংশবিশেষহে অনুবাদ কৰিছে। আনহাতে মাধৱ কন্দলি ৰামায়ণৰ উত্তৰাকাণ্ডও তেওঁৰ সৃষ্টি।

ভাগৱতৰ প্ৰথম স্কন্ধৰ অনুবাদত কবিয়ে মূলক যথাযথভাৱে অনুসৰণ কৰা নাই প্ৰয়োজন অনুসৰি বঢ়া টুটা কৰিছে। কবিয়ে প্ৰায়বোৰ কথাই মূলতকৈ সংক্ষিপ্ত কৰিছে যদিও কৃষ্ণৰ গুণানুকীৰ্তন সম্বলিত বৰ্ণনাসমূহ মূলতকৈ বহলাই কৰিছে। মূল ভাগৱতৰ প্ৰথম স্কন্ধৰ উনৈশটা অধ্যায়ৰ ৮১৬ টা শ্লোকৰ কথাখিনি শংকৰদেৱে ভালেখিনি প্ৰসংগ পৰিহাৰ কৰি মুঠ ৪২১ টা পদত সামৰিছে।

দ্বিতীয় স্কন্ধত মুঠ বাৰটা অধ্যায় আৰু ৩৯২ টা শ্লোক আছে। অসমীয়া অনুবাদত ২১৬ টা পদত অধ্যায়টো সামৰা হৈছে। ষষ্ঠ স্কন্ধৰ কেৱল 'অজামিল উপাখ্যান খণ্ডহে কবিয়ে অনুবাদ কৰিছে। ষষ্ঠ স্কন্ধৰ দৰে অষ্টম স্কন্ধও শংকৰদেৱে সম্পূৰ্ণৰূপে অনুবাদ কৰা নাই। অষ্টম স্কন্ধৰ অন্তৰ্গত গ্ৰাহ-গজেন্দ্ৰৰ উপাখ্যান 'অমৃত মন্থন আৰু 'বলিচলন'ৰ উপ আখ্যান কেইটি শংকৰদেৱে অনুবাদ কৰিছে। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচিত হ'লেও শংকৰদেৱৰ অনুবাদত পাণ্ডিত্য আৰু অলংকাৰ প্ৰয়োগৰ ক্ষেত্ৰত সিদ্ধহস্ততাৰ পৰিচয় পোৱা যায়।

মূল ভাগৱতৰ দশম স্কন্ধৰ ৯০ টা অধ্যায়ৰ ভিতৰত শংকৰদেৱে ১ ৪৭ অধ্যায়লৈ অনুবাদ কৰিছে। মহাপুৰুষৰ দ্বাৰা ৰচিত এইছোৱাক 'আদি দশম বুলি জনা যায়। অসমৰ বৈষ্ণৱ ধৰ্মৰ চাৰিপুথিৰ ভিতৰত দশম স্কন্ধ অন্যতম। ভাগৱতৰ অনুবাদ কৰোতে মহাপুৰুষজনাই প্ৰথমৰ দুয়োটা স্কন্ধই যথাসম্ভৱ চমু কৰিছে। তৃতীয় স্কন্ধৰ 'অনাদি পাতন'ত বামন পুৰাণৰ কিছু কথা সংযোগ কৰি সৃষ্টি তত্ত্বৰ কথাখিনি ৰচনা কৰিছে। চতুৰ্থ আৰু পঞ্চম স্কন্ধ শংকৰদেৱে অনুবাদ কৰা নাই। অৱশ্যে ষষ্ঠ স্কন্ধ অনুবাদ কৰোতে পঞ্চম স্কন্ধৰ শেষৰ নৰকৰ বৰ্ণনাখিনি 'অজামিল উপাখ্যান অধ্যায়ত সংযোগ কৰিছে। সপ্তম স্কন্ধৰ পৰা প্ৰহ্লাদ চৰিত্ৰৰ কিছু অংশ আৰু অষ্টম স্কন্ধৰ তিনিটি আকৰ্ষণীয় অধ্যায় মহাপুৰুষজনাই অনুবাদ কৰিছে। অষ্টম স্কন্ধৰ ভিতৰত গ্ৰাহ-গজেন্দ্ৰৰ উপাখ্যান 'অমৃত মন্থন আৰু 'বলিচলন — এই তিনিটা উপাখ্যানৰ প্ৰথমটো উপাখ্যান তেওঁ কীৰ্তন-ঘোষাৰ অন্তৰ্ভুক্ত কৰে আৰু বাকী দুটা অধ্যায় সুকীয়াকৈ ৰাখে।

চৰিত্ৰপুথিত শংকৰদেৱে নৱম স্কন্ধটিও অনুবাদ কৰাৰ ইংগিত পোৱা যায় যদিও এতিয়ালৈকে তেনে কোনো গ্ৰন্থ উদ্ধাৰ হোৱা নাই। দশম স্কন্ধটিয়েই মহাপুৰুষৰ আটাইতকৈ জনপ্ৰিয় কৰ্মৰূপে বিবেচিত হৈছে। মূল ভাগৱতৰ দশম স্কন্ধৰ ৯০ টা

অধ্যায় আছে। অসমীয়া কবিসকলে দশম স্কন্ধৰ পদ ভাঙনি কৰোতে আদি মধ্য আৰু শেষ — এই তিনিছোৱাত ভাগ কৰি ভাঙনি কৰিছে।

শংকৰদেৱে মূলৰ আদৰ্শ অটুত ৰাখি ১ ৪৭ অধ্যায়লৈ দশম স্কন্ধৰ (আদি দশম) অনুবাদ কৰিছে। এই অনুবাদৰ ভিতৰত 'ৰাস পঞ্চাধ্যায় আৰু গোপী উদ্ধৱ সংবাদ'ৰ বৰ্ণনাত কবিয়ে কাব্যিক সৌন্দৰ্যৰ দিশৰ পৰা চমৎকৃতি লাভ কৰিছে। কবিয়ে যথাসম্ভৱ মূলৰ সৈতে সংগতি ৰাখি পদ ৰচনা কৰিছে যদিও এই ক্ষেত্ৰত শ্ৰীধৰ স্বামীৰ 'ভাগৱত ভাৱাৰ্থ দীপিকা'ৰ সহায় লৈ অনেক পদ ৰচনা কৰিছে। কিন্তু মূল অনুসৰণ কৰিলেও কবিয়ে সকলো ক্ষেত্ৰতে মূলৰ অধ্যায় বিভাজন মানি চলা নাই।

জনসাধাৰণক ভগৱদ ভক্তিৰ জ্ঞান প্ৰদানৰ উদ্দেশ্য আগত ৰাখি শংকৰদেৱে ভাগৱত অনুবাদ কৰা বাবে মূলৰ জটিল দাৰ্শনিক কথাবোৰ অনুবাদত বাদ পৰিছে অথবা তাৰ ভাবাৰ্থখিনি সৰল ৰূপত দাঙি ধৰা হৈছে। দশম স্কন্ধৰ অনুবাদ ঠায়ে ঠায়ে মূলানুগ কোনো ঠাইত মূলৰ অৰ্থ প্ৰকাশক আৰু সংক্ষিপ্ত আৰু ঠাযে ঠাযে ব্যাখ্যাত্মক হৈছে। অৱশ্যে অনুবাদ সংক্ষিপ্ত কৰিবলৈ যাওতে দুই-এঠাইত মূলৰ অৰ্থ সুস্পষ্ট হৈ উঠা নাই। কিন্তু এনে ৰচনা অধিক নহয়।

ভাগৱত পুৰাণৰ অনুবাদ কৰোতে শংকৰদেৱে শ্ৰীধৰ স্বামীৰ টীকাৰ ওপৰত অধিক পৰিমাণে নিৰ্ভৰ কৰিছে যদিও কাব্যিক সৌন্দৰ্যৰে পৰিপূৰ্ণ এই কাব্যখনিৰ অনুবাদ মহাপুৰুষ গৰাকীৰ কলাত্মক সৃজনী প্ৰতিভাৰ উল্লেখযোগ্য নিদৰ্শন।

একাদশ স্কন্ধৰ বিষয়বস্তুৰ আধাৰত মহাপুৰুষজনাই প্ৰথমতে 'নিমি-নৱসিদ্ধ সংবাদ ৰচনা কৰে। পাছত একাদশ স্কন্ধৰ পদ সুকীয়াকৈ ভাঙোতে দ্বিতীয়ৰ পৰা পঞ্চম অধ্যায়লৈ — এই কথাখিনি বাদ দি প্ৰথম অধ্যায়ৰ পাছতেই ষষ্ঠ অধ্যায়ৰ অৱতাৰণা কৰিছে। মুঠতে মূলৰ ১৪৫৯ টা শ্লোকৰ ভাঙনি মহাপুৰুষজনাই সম্পূৰ্ণ কৰিছে ৮৪৬ টা পদত। দ্বাদশ স্কন্ধ ভাগৱতৰ অনুবাদ যথাৰ্থ আৰু মূলৰ লগত বিশেষ সংযোজন কৰা নাই প্ৰয়োজনবোধে সংক্ষিপ্তহে কৰিছে।

ভাগৱতৰ বিভিন্ন স্কন্ধৰ অনুবাদৰ ভিতৰত দশম স্কন্ধৰ অনুবাদ উচ্চ পৰ্যায়ৰ। শংকৰদেৱৰ বৰ্ণনা শক্তিৰ চমৎকাৰিত্বই ভাগৱতৰ কাব্যিক সৌন্দৰ্য বিকাশত সহায় কৰিছে। বিশেষকৈ নন্দোৎসৱ পুতনা বধ কালীয় দমন বৰ্ষাবৰ্ণনা শৰৎ বৰ্ণনা ৰাসলীলা গোপী উদ্ধৱ সংবাদ আদিৰ মাজেদি শংকৰদেৱৰ কবি প্ৰতিভাৰ স্বাক্ষৰ স্পষ্ট ৰূপত ফুটি উঠিছে।

ভাগৱত পুৰাণ এখনি মহাপুৰাণ আৰু ই পুৰাণ-সূৰ্য ৰূপে বিবেচিত। ভগৱৎ ভক্তিক গুৰুত্ব দি ৰচনা কৰা এই পুৰাণত কৃষ্ণকেই স্বয়ং ভগৱান আখ্যা দিয়া হৈছে। একমাত্ৰ কৃষ্ণৰ চৰণত শৰণৰ যোগেদি জীৱৰ মুক্তিসম্ভৱ বুলি ভাগৱত পুৰাণত দৃঢ়ভাৱে মতপোষণ কৰা হৈছে।

ভাগৱত এখনি আখ্যানমূলক গ্ৰন্থ। পুৰাণৰ লক্ষণ সম্বলিত আখ্যানপ্ৰধান এই গ্ৰন্থখনিত ভগৱান শ্ৰীকৃষ্ণৰ মহিমা উপলব্ধি কৰা যায়। ভাগৱতৰ কৃষ্ণ 'সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ সমগ্ৰ পুৰাণখনিৰ মাজেদি কৃষ্ণৰ অলৌকিক মহিমা কীৰ্তিত হৈছে। পুৰাণৰ মতে কৃষ্ণ বিষ্ণুৰ পূৰ্ণ অৱতাৰ গতিকে দুয়ো এক আৰু অভিন্ন।

ভাগৱতৰ কাহিনী বা আখ্যানভাগৰ প্ৰাচীনত্ব সম্পৰ্কে কোনো সঠিক সিদ্ধান্তত উপনীত হোৱাটো সম্ভৱ নহয় যদিও পণ্ডিতসকলে অনুমান কৰে যে বৈদিক যুগৰ সমাজ বাস্তৱৰ কাহিনীয়েই পৰৱৰ্তী কালত বিষ্ণু-কৃষ্ণৰ কাহিনীৰূপে অতিকথাত পৰিণত হৈছে। বেদৰ সময়ৰ পৰাই এইজাতীয় আখ্যানসমূহ মুখ বাগৰি বৈ আহি খৃষ্টীয় কোনো এটা সময়ত লিপিবদ্ধ হোৱা বুলি অনুমান কৰা হৈছে। অসমৰ নৱ বৈষ্ণৱ ভক্তিধৰ্ম মূলতঃ ভাগৱতপ্ৰধান। কৃষ্ণ-ভক্তিৰ মাহাত্ম্য প্ৰচাৰৰ যোগেদি বিভিন্ন আখ্যান বা কাহিনীৰ মাজেদি ভাগৱতত কেৱল কৃষ্ণকেই পৰমেশ্বৰ ভগৱানৰূপে প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰা হৈছে। সেই বাবেই অসমৰ বৈষ্ণৱসকলৰ মাজত দশমস্কন্ধৰ আদৰ আৰু জনপ্ৰিয়তা সৰ্বাধিক।

ভক্তিৰ যোগেদি ভগৱানক সন্তুষ্ট কৰি কিদৰে ভগৱানৰ অনুগ্ৰহ লাভ কৰিব পাৰি সেই বিষয়ে বিস্তৃত বিৱৰণযুক্ত মহাগ্ৰন্থই ভাগৱত গ্ৰন্থ। মহাপুৰুষ শংকৰদেৱৰ ভাষাত —

'সকল নিগম কল্পতৰু তাৰ ফল মহা ভাগৱত
শুকমুখে আসি ভূমিত ভৈল বিদিত।
ৰসত চতুৰ মিটোজন কৃষ্ণৰ চৰণে দিয়া মন
পৰম সন্তোষে পিয়োক ফল অমৃত।

ভাৰতবৰ্ষত আগম্ আৰু নিগম্ — এই দুবিধ পৰম্পৰাগত শাস্ত্ৰৰ উল্লেখ পোৱা যায়। আগম লোকায়ত দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত আনহাতে নিগম শাস্ত্ৰ কেৱল ঈশ্বৰ আৰু অলৌকিক আনন্দৰ ওপৰত নিৰ্ভৰশীল। আগম্ পন্থ সকাম নিগম্ পন্থ নিষ্কাম।

বেদান্তক সমস্ত বেদাদি গ্ৰন্থৰ সাৰ হিচাপে বিবেচনা কৰা হৈছে। অনুৰূপভাৱে 'ভাগৱত'কো 'সকল নিগম্ কল্পতৰুৰূপে বিবেচনা কৰা দেখা যায়।

ভাগৱতত নিষ্কাম ভক্তিৰ প্ৰাধান্য লক্ষ্য কৰা যায়। মুক্তিতো নিস্পৃহ ভক্তৰ একমাত্ৰ ভক্তিহে কাম্য।

মহাপুৰুষ শংকৰদেৱে অপ্ৰমাদী কবি মাধৱ কন্দলিৰ লুপ্ত হোৱা কাণ্ড দুটাৰ উত্তৰা কাণ্ডটো নিজে ৰচনা কৰে আৰু আদি কাণ্ডটো মাধৱদেৱৰ হতুৱাই ৰচনা কৰাই অসমীয়া ৰামায়ণক নিটোল ৰূপ প্ৰদান কৰে। মাধৱ কন্দলিয়ে ৰামায়ণৰ গৌড়ীয় পাঠক অনুসৰণ কৰি ৰামায়ণ ৰচনা কৰিছিল আৰু শংকৰদেৱেও উক্ত পাঠকে ভিত্তি হিচাপে লৈ

উত্তৰাকাণ্ড ৰচনা কৰিছে। কবিয়ে মূলৰ সাৰভাগ অটুত ৰাখি প্ৰয়োজনবোধ অন্য উৎসৰ পৰাও সমল সংগ্ৰহ কৰি অধ্যায়টো সম্পূৰ্ণ কৰি উলিয়াইছে। তেও মূল ৰামায়ণৰ বিস্তৃত কাহিনী আৰু বৰ্ণনা পৰিহাৰ কৰি কেৱল ৰাম সম্পৰ্কীয় কথাখিনিহে পৰিবেশন কৰিছে। সেয়ে বাল্মিকী ৰামায়ণৰ বহু অধ্যায়ৰ কথা আৰু কাহিনী শংকৰদেৱৰ অনুবাদত পোৱা নাযায়। মুঠতে উত্তৰাকাণ্ড ৰামায়ণত শংকৰদেৱে শৈল্পিক দক্ষতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে।

মাধৱদেৱ

১৪৮৯ চনত (১৪১১ শক) নাৰাযণপুৰৰ লেতেকুপুখুৰী পাৰত গোবিন্দগিৰীৰ ঔৰষত মনোৰমাৰ গৰ্ভত মাধৱদেৱৰ জন্ম হয়। লেতেকুপুখুৰী পাৰত হৰসিঙা বৰাৰ ঘৰত প্ৰায় ছবছৰ কাল থকাৰ পিছত গোবিন্দগিৰি সপৰিয়ালে আহি ঘাঘৰ নদীৰ পাৰত ঘাঘৰি মাজিৰ ঘৰত আশ্ৰয় লয়হি। ইয়াতেই মাধৱদেৱৰ ভনীয়েক উৰ্বশীৰ জন্ম হয়। উৰ্বশীক ৰামদাসৰ লগত বিয়া দি তেওঁলোক পুনৰ বণ্ডুকালৈ যায় আৰু তাতে ৰাজেন্দ্ৰ অধ্যাপকৰ টোলত মাধৱদেৱে শাস্ত্ৰ অধ্যয়ন কৰে।

বণ্ডুকাত থকা অৱস্থাতেই গোবিন্দগিৰিৰ মৃত্যু হোৱাত মাধৱদেৱ পুনৰ মাজুলীলৈ ঘূৰি আহে আৰু জোবায়েক ৰামদাসৰ মুখেদি শংকৰদেৱৰ কথা শুনি ধুৱাহাটাত শংকৰদেৱৰ সৈতে সাক্ষাৎ হয় আৰু এই সাক্ষাতৰ পিছতেই মাধৱদেৱৰ জীৱনৰ গতি সলনি হৈ যায়। মাধৱদেৱে শাক্তধৰ্ম পৰিত্যাগ কৰি শংকৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰে আৰু কায় মনোবাক্যে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰে।

বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে মাধৱদেৱে অসমৰ বিভিন্ন ঠাই পৰিভ্ৰমণ পৰিছিল আৰু কেইবাবাৰো ৰাজৰোষত পৰিবলগীয়া হৈছিল। তেওঁ গণককুছি, পাটবাউসী সুন্দৰীদিয়া প্ৰভৃতি বিভিন্ন ঠাইত কটাই অৱশেষত কোচবিহাৰলৈ যায় আৰু তাতেই ১৫১৮ শকত তেওঁৰ মহাপ্ৰয়াণ ঘটে।

ৰচনা সম্ভাৰ :

মাধৱদেৱ আছিল একেধাৰে কবি নাট্যকাৰ গীতিকাৰ সুগায়ক সমাজ সংগঠক আৰু ধৰ্ম প্ৰচাৰক। তেওঁৰ প্ৰথম পুথি 'জন্ম ৰহস্য' শংকৰদেৱৰ পৰামৰ্শমতে প্ৰস্তুত কৰি উলিয়ায়। ভাগৱতৰ দশম স্কন্ধ আৰু মহাভাৰতৰ সভাপৰ্বৰ ভিত্তিত মাধৱদেৱে তেওঁৰ একমাত্ৰ কাব্য 'ৰাজসূয়' ৰচনা কৰে।

গণককুছিত থকা কালতে মাধৱদেৱে নাট ৰচনাত মনোনিবেশ কৰে আৰু তেওঁৰ প্ৰথম নাট 'অৰ্জুন ভঞ্জন' ইয়াতেই ৰচিত হৈছিল বুলি অনুমান কৰা হৈছে। এইখনেই তেওঁৰ একমাত্ৰ পূৰ্ণাংগ নাট। বাকীবোৰ নাটত একোটা পূৰ্ণাংগ কাহিনীৰ অভাৱ নৃত্য গীতেৰে পৰিপূৰ্ণ একোটা নাটকীয় পৰিস্থিতিহে বিদ্যমান। সেয়েহে মাধৱদেৱৰ এইসমূহ নাট্যধৰ্মী ৰচনাক 'ঝুমুৰা' আখ্যা দিয়া হৈছে। তেওঁৰ ঝুমুৰাসমূহৰ ভিতৰত চোৰধৰা পিম্পৰা গুছোৱা ভূমি লেটোৱা আৰু ভোজন বেহাৰ নাট সন্দেহমুক্তভাৱে মাধৱদেৱ ৰচনা। কিন্তু ভূষণ হৰণ কোটোৱা খেলা ৰাস ঝুমুৰা গোবৰ্ধন যাত্ৰা আদিৰ সম্পৰ্কত পণ্ডিতসকলে সন্দেহ প্ৰকাশ কৰিছে। কিয়নো ৰচনা ৰীতিৰ ফালৰ পৰা এইসমূহ নাটক মাধৱদেৱৰ ৰচনা বুলি কোৱা কঠিন।

মাধৱদেৱৰ ঝুমুৰাসমূহত বিল্বমংগল নামৰ সংস্কৃত কবিগৰাকীৰ প্ৰভাৱ পৰিছে। হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যই ঝুমুৰাসমূহত হিন্দী কবি সূৰদাসৰ প্ৰভাৱ পৰা বুলি অনুমান কৰিছে।

শংকৰদেৱক অনুসৰণ কৰি মাধৱদেৱে মুঠ ১৫৭ টা গীত ৰচনা কৰে। বৰগীতসমূহত বিষ্ণু বা শ্ৰীকৃষ্ণৰ ৰূপ বৰ্ণনা ৰাম-কৃষ্ণ আৰু বিষ্ণুৰ অভেদত্ব আত্মগ্লানী, আত্ম-সমৰ্পণ ভগৱানৰ কৃপা ভিক্ষা নামৰ মহিমা গোপিনী বিৰহ, লীলা আৰু মাতৃ হৃদয়ৰ চিত্ৰ আদি প্ৰকাশ পাইছে। শংকৰদেৱৰ বৰগীততকৈ মাধৱদেৱৰ বৰগীতত অনুভূতিৰ গাঢ়তা আৰু ভক্ত হৃদয়ৰ আকুলতা অধিক দেখা যায়।

মাধৱদেৱে নিজৰ দোষ-ত্ৰুটি অকাতৰে স্বীকাৰ কৰি ভগৱানৰ ওচৰত দাস্যভাৱে আত্ম-সমৰ্পন কৰিছে। শ্ৰীকৃষ্ণৰ ৰূপক লৈয়ো তেওঁ দুটামান গীত ৰচনা কৰিছে। তেওঁৰ গীতসমূহৰ ভিতৰত সবাতোকৈ ঐশ্বৰ্যশালী ৰূপটো প্ৰকাশিত হৈছে গোপীবিৰহ বিষয়ক গীতসমূহত। এইসমূহ গীতত কল্পনাশক্তিৰ চমৎকাৰিত্ব প্ৰকাশিত হৈছে। মাধৱদেৱৰ কেইবাটাও গীতত শ্ৰীকৃষ্ণৰ দুমুখীয়া ব্যক্তিত্বৰ পৰিচয় পোৱা যায়। শ্ৰীকৃষ্ণ দেখাত সাধাৰণ গোপ শিশু হ'লেও তেৱেঁই সমগ্ৰ ব্ৰহ্মাণ্ডৰ গৰাকী অথচ তেঁৱে গোৱালীৰ ঘৰত গৰু চৰায় জীৱন অতিবাহিত কৰিছে।

শিশু কৃষ্ণক টোপনিৰ পৰা জগোৱা গীত কেইটিয়ে মাধৱদেৱৰ কলাত্মক সৃজনী প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। তেনে গীতৰ ভিতৰত 'উঠৰে উঠ বাপু, গোপাল হে নিশি পৰভাত ভৈল আৰু তেজৰে কমলাপতি পৰভাতে নিন্দ' আদি উল্লেখযোগ্য। ইয়াত গোকুলৰ এটা সুন্দৰ পৰিবেশ ফুটাই তোলা হৈছে।

শিশুকৃষ্ণৰ বিবিধ ৰূপৰ বৰ্ণনা আৰু শিশুসুলভ দুষ্টালি চাতুৰ্য ক্ৰিয়া কৌতুক আদিৰ বৰ্ণনাই মাধৱদেৱৰ বৰগীতত মুখ্য ভূমিকা গ্ৰহণ কৰিছে।

শংকৰদেৱৰ নিৰ্দেশক্ৰমে মাধৱদেৱে ৰামায়ণৰ আদিকাণ্ড অসমীয়ালৈ ভাঙনি কৰে। 'ৰামায়ণৰ আদিকাণ্ড' আৰু 'ৰাজসূয় কাব্য' — এই দুখনেই মাধৱদেৱৰ

আখ্যানমূলক ৰচনা। তেওঁৰ 'আদিকাণ্ড' বাল্মিকী ৰামায়ণৰ আদিকাণ্ডৰ চমু অথচ সৰস আৰু সাৰ্থক অনুবাদ। ৰাজসূয় কাব্যত মাধৱদেৱৰ কবিত্বশক্তিৰ চিত্তচমৎকাৰী স্বৰূপ ফুটি উঠিছে। ভক্তি-ৰত্নাৱলী নাম মালিকা আৰু জন্ম ৰহস্য মাধৱদেৱৰ ভক্তি তত্ত্বমূলক গ্ৰন্থ।

ৰাজসূয় কাব্য ঃ

মাধৱদেৱৰ ৰাজসূয় কাব্য কাব্যৰ সকলোবোৰ লক্ষণেৰে সমৃদ্ধ এখনি অতিশয় গুৰুত্বপূৰ্ণ কাব্য। কাব্যখনি ভাগৱত পুৰাণৰ দশম স্কন্ধৰ অৱলম্বনত ৰচিত হৈছে। অৱশ্যে প্ৰয়োজন বিশেষে তেওঁ অন্য গ্ৰন্থৰ পৰাও ইয়াত তথ্য সন্নিবিষ্ট কৰিছে। শংকৰদেৱে ভাগৱত পুৰাণৰ আদিছোৱা নিজে অনুবাদ কৰি শেষ ছোৱা অনন্ত কন্দলিক অনুবাদ কৰিবলৈ দিয়ে। কিন্তু কন্দলিয়ে ভক্তিতকৈ যুদ্ধ বিগ্ৰহৰ কথাত অধিক গুৰুত্ব দিয়াত শংকৰদেৱে তাত তৃপ্তি লাভ নকৰি দশমৰ শেষছোৱাৰ আলমত ভক্তিৰ মাহাত্ম্য প্ৰচাৰৰ উদ্দেশ্যে 'ৰুক্মিণীহৰণ কাব্য' আৰু 'কুৰুক্ষেত্ৰ' কাব্য ৰচনা কৰে। আনহাতে মাধৱদেৱে ৰাজসূয় কাব্য ৰচনা কৰি উলিয়ায।

৭৭৪ টি পদত সমাপ্ত এই কাব্যখনিত জৰাসন্ধ নিধন বন্দী ৰজাসকলক মুক্তি প্ৰদান শিশুপাল বধ আৰু যুধিষ্ঠিৰৰ ৰাজ অভিষেকৰ বৰ্ণনা দাঙি ধৰা হৈছে। কবিয়ে মূল কাহিনীৰ সৈতে সংগতি ৰাখি ঠাই বিশেষে বঢ়া টুটা কৰিছে। ভগৱান শ্ৰীকৃষ্ণৰ ঐশ্বৰিক মাহাত্ম্যই কাব্যখনিৰ গুৰুত্ব বৃদ্ধি কৰিছে। মাধৱদেৱৰ ৰচনাসমূহৰ মাজত কেৱল এইখনি কাব্যতেই শ্ৰীকৃষ্ণৰ পৰিণত বয়সৰ ছবি অংকিত হৈছে।

কাব্যখনিত মাধৱদেৱৰ বৰ্ণনা শক্তিৰ নৈপুণ্য লক্ষ্য কৰা যায়। ৰাজসূয় কাব্যত শ্ৰীকৃষ্ণৰ ৰাজসভা আৰু ইন্দ্ৰপ্ৰস্থ যাত্ৰাৰ বিস্তৃত বৰ্ণনা দাঙি ধৰা হৈছে। বিশ্বকৰ্মাই নিৰ্মাণ কৰা এই দ্বাৰকাৰ ৰাজসভাখনৰ মাহাত্ম্য আৰু সৌন্দৰ্যৰ বৰ্ণনা দাঙি ধৰিবলৈ গৈ কবিয়ে সুধৰ্মাৰ সভাখনক এটি সৰোবৰৰ সৈতে তুলনা কৰিছে

'কৃষ্ণ ভৈলা যেন নীল উৎপল সাক্ষাৎ।
কুমুদ কমল যদু বীৰগণ তাতে।।
ৰাজহংস চৰে যেন ধৱল চামৰ।
হয় হস্তী ভৈলা যেন কুম্ভীৰ মগৰ।।
নটে ভাটে গাৱে চাৰু কৃষ্ণৰ কীৰ্তন।
তেজে যেন ৰাৱে জলচৰ পক্ষীগণ।। ইত্যাদি।

কাব্যখনিত ছবি দুলড়ি ঝুমুৰি প্ৰভৃতি বিবিধ ছন্দৰ প্ৰয়োগ কৰা হৈছে। ৰসৰ ফালৰ পৰা চাবলৈ গ'লে ৰৌদ্ৰ বীৰ হাস্য আৰু শান্তৰসৰ অৱতাৰণাৰে ভক্তি ৰসৰ

পৰিপুষ্টিৰ প্ৰয়াস কৰা হৈছে। কাব্যখনিৰ ৰচনাৰীতি নিমজ অলংকাৰপূৰ্ণ আৰু কাব্যিক সুষমাৰে মণ্ডিত।

জন্মৰহস্য

মাধবদেৱৰ জন্ম ৰহস্য এখনি সৰু পুথি আৰু ই তেওঁৰ প্ৰথম কাব্য প্ৰয়াস। চৰিত পুথিৰ মতে চিলাৰায়ে জন্ম পুৰাণ নামৰ পুথিখনি মাদৈসকলে বুজি পোৱাকৈ পদত ৰচনা কৰিবৰ বাবে শংকৰদেৱক দিছিল আৰু শংকৰদেৱৰ অনুৰোধমৰ্মে মাধৱদেৱে কাব্যখনি ৰচনা কৰিছিল। কাব্যখনি অনুবাদ কৰোঁতে মাধৱদেৱে অপ্ৰয়োজনীয় অংশ বাদ দি চমুৱাই মূল বক্তব্য প্ৰচাৰ কৰিছিল বাবেই শংকৰদেৱে জন্ম ৰহস্য সম্পৰ্কত কৈছিল — 'আমি বঢ়াবহে পাৰো টুটাব নোৱাৰো তুমি ৰস্ব (হ্ৰস্ব) দীৰ্ঘ সৰে পাৰা দহো।

কাব্যখনিৰ সৰহভাগ ঠাই আগুৰি আছে শ্ৰীকৃষ্ণৰ পৰম পুৰুষত্ব সম্পৰ্কীয় উক্তি আৰু ব্যাখ্যাৰে। কবিয়ে কৃষ্ণৰ জীৱনৰ সকলোবোৰ লীলা মাহাত্ম্য কাব্যখনিত আড়ম্বৰপূৰ্ণভাৱে দাঙি ধৰিছে।

নামমালিকা ঃ

বিৰুপাক্ষ কাজিৰ অনুৰোধত মাধৱদেৱে নাম মালিকা নামৰ পুথিখন অনুবাদ ৰে। নামমালিকা দৰাচলতে কৃষ্ণ মাহাত্ম্যসূচক পদৰ সংকলন। কাব্যখনিত শ্ৰৱণ কীৰ্তনক অধিক প্ৰাধান্য দিয়া হৈছে আৰু কলিযুগত হৰিনামেই একমাত্ৰ পাপমুক্তিৰ পথ হিচাপে দেখুওৱা হৈছে।

ৰামায়ণৰ আদিকাণ্ড ঃ

শংকৰদেৱৰ উদ্‌গনি তথা অনুপ্ৰেৰণাত মাধৱদেৱে ৰামায়ণৰ আদিকাণ্ড জাগুনি কৰে। অৱশ্যে মাধৱদেৱৰ ৰামায়ণৰ আদিকাণ্ড বাল্মিকী ৰামায়ণৰ আদিকাণ্ডৰ হুবহু অনুবাদ নহয়। মুকুণ্ড মাধৱ শৰ্মাই আদিকাণ্ডৰ ঘাই আধাৰ বাল্মিকী ৰামায়ণৰ গৌড়ীয় সংস্কৰণ বুলি উল্লেখ কৰিছে। মাধৱদেৱে বাল্মিকী ৰামায়ণৰ ১৯৪১ টা শ্লোক সংকোচন ঘটাই ১৪৯১ টা পদত কাব্যখনি সমাপ্ত কৰিছে।

ভক্তি ৰত্নাৱলী ঃ

মাধৱদেৱৰ 'ভক্তি ৰত্নাৱলী নৱ বৈষ্ণৱ ভক্তিধৰ্মৰ এখনি অতি প্ৰসিদ্ধ ভক্তি তত্ত্ব প্ৰকাশক গ্ৰন্থ। ভাৰতীয় ভক্তিধৰ্মৰ ইতিহাসত শ্ৰীমদ্ভাগৱত গীতা আৰু ভাগৱত পুৰাণৰ দৰেই অসমীয়া নৱ-বৈষ্ণৱ ধৰ্মৰ ইতিহাসতো কীৰ্তন ঘোষা আৰু নামঘোষাৰ পাছতেই মহাপুৰুষ মাধৱদেৱ বিৰচিত ভক্তি ৰত্নাৱলীয়ে মুখ্য স্থান অধিকাৰ কৰিছে।

পুৰাণ-সূৰ্য ভাগৱতৰ সাৰ অংশৰে ৰচিত হোৱা বাবে ভক্তি ৰত্নাৱলীত সমস্ত শাস্ত্ৰৰ গূঢ়তত্ত্ব নিহিত হৈ থকা বুলি মহাপুৰুষ জনাই নিজেই উল্লেখ কৰি গৈছে —

'ভক্তি ৰত্নাৱলী নামে নাই পটন্তৰ।
পৰম অমূল্য ৰত্ন ভকত জনৰ।।

নিখিল বেদৰ সাৰ মহাভাগৱত।
সদা ভক্তিপদ যাৰ অতুল মহত।।
এতেকেসে সমস্ত বেদত শ্ৰেষ্ঠতৰ।
পৰম গোপনী ইটো সমস্ত শাস্ত্ৰৰ।।

ভক্তি শব্দই সাধাৰণতে প্ৰেম নিষ্ঠা আসক্তি অনুৰাগ আদি অৰ্থ প্ৰদান কৰে। 'ৰত্নাৱলী শব্দৰ অন্তৰ্গত 'ৰত্ন শব্দটোৱে উৎকৃষ্ট অৰ্থাৎ শ্ৰেষ্ঠ সম্পদক সূচাইছে। 'ৰত্ন শব্দৰ লগত 'আৱলী শব্দই 'শাৰী বা বংশ পৰম্পৰাৰ ইংগিত দিয়ে। গতিকে ৰত্নাৱলীয়ে 'অমূল্য ৰত্নেৰে নিৰ্মিত এধাৰি মালাৰ ইংগিত দিয়ে।

'ভক্তি ৰত্নাৱলী এখনি অনুদিত গ্ৰন্থ। গ্ৰন্থখনিৰ মূল ৰচক বিষ্ণুপুৰী সন্ন্যাসী। মাধৱদেৱে বিষ্ণুপুৰী সন্ন্যাসী ৰচিত 'ভক্তি ৰত্নাৱলী খন অসমীয়ালৈ অনুবাদ কৰে যদিও গ্ৰন্থখনিৰ মূল আধাৰ গ্ৰন্থ হৈছে পুৰাণ সূৰ্য শ্ৰীমদ্ভাগৱত পুৰাণ য'ত কৃষ্ণভক্তিৰ মহিমাৰ লগে লগে নৱবিধ ভক্তিৰ অন্তৰ্গত বিবিধ প্ৰকাৰৰ ভক্তিৰ বিষয়ে উল্লেখ কৰা হৈছে। মহাপুৰুষ মাধৱদেৱে গ্ৰন্থখনি অনুবাদ কৰোতে আক্ষৰিক অনুবাদৰ ওপৰত গুৰুত্ব নিদি ভাবানুবাদৰ ৰীতিহে গ্ৰহণ কৰিছে। বিষ্ণুপুৰী সন্ন্যাসীয়ে শ্ৰীমদ্ভাগৱত পুৰাণৰ পৰা ৩৯৭ টা শ্লোক বাছি লৈ তাত স্বকীয় দহটি আৰু ভক্তি সুধোদয়ৰ দুটি শ্লোক যোগ দি গ্ৰন্থখনি সংকলিত কৰি উলিয়ায়। 'ভক্তি-ৰত্নাৱলীৰ কেইবাটাও টীকা পোৱা যায়। এনে টীকাৰ ভিতৰত শ্ৰীধৰ স্বামীৰ সংস্কৃত ভাষাত ৰচিত কান্তিমালাক প্ৰামাণ্য বুলি ধৰা হৈছে। বিষ্ণুপুৰী সন্ন্যাসীৰ শিষ্য ব্ৰহ্মানন্দই হাজোৰ কাঠভূষণৰ মুখেদি শংকৰদেৱৰ পাণ্ডিত্যৰ কথা শুনি গুৰুজনালৈ এই গ্ৰন্থ প্ৰেৰণ কৰে আৰু গুৰুৰ নিৰ্দেশত মাধৱদেৱে গ্ৰন্থখনি পুংখানুপুংখৰূপে বিচাৰ কৰি ভক্তি আৰু একশৰণৰ মাহাত্ম্যত গুৰুত্ব প্ৰদান কৰা এই গ্ৰন্থখনি অসমীয়ালৈ ভাঙনি কৰি উলিয়ায়। ভক্তি বিৰচন সৎসংগ বিৰচন ভক্তি বিশেষণ বিৰচন শ্ৰৱণ বিৰচন কীৰ্তন বিৰচন স্মৰণ বিৰচন পদসেৱন বিৰচণ অৰ্চন বিৰচণ বন্দন বিৰচন দাস্য বিৰচন সখ্য বিৰচন আত্মনিবেদন বিৰচন আৰু শৰণ বিৰচণ। অৱশ্যে মূল ভক্তি ৰত্নাৱলীৰ বিৰচনসমূহ এইদৰে বিশিষ্ট শিতানত শ্ৰেণীবিভক্ত কৰা নাছিল।

ভক্তি-ৰত্নাৱলীৰ প্ৰথম বিৰচনত ভক্তিৰ সাধাৰণ পৰিচয় দাঙি ধৰি ভক্তি ভক্ত আৰু ভগবানৰ মহিমাসূচক ১২২ টা মূল শ্লোক সংযোজিত হৈছে। মহাপুৰুষ মাধৱদেৱে এই শ্লোকসমূহ মুঠ ২৯৪ টা পদ দুলড়ী আৰু ছবি ছন্দত ভাঙনি কৰিছে।

প্ৰথম বিৰচনত মাধৱদেৱে ভক্তিযেই সকলোধৰ্মৰ প্ৰধান ফল বুলি উল্লেখ কৰি ভগবানৰ প্ৰতি ভক্তি-পৰায়ণ হ'বলৈ আহ্বান জনাইছে। ভাগবত পুৰাণত বাসুদেৱ (কৃষ্ণক) ভকতি কৰিলে ভক্তিৰ প্ৰকৃত ফল মোক্ষ বা পৰমগতি লাভ হয় বুলি কোৱা হৈছে।

'বাসুদেৱ পৰ, জ্ঞানং বাসুদেৱ পৰ, তপ।
বাসুদেৱ পৰো ধৰ্মো বাসুদেৱ পৰাগতি।।'[১]

মাধৱদেৱেও যাগ যজ্ঞ যোগ ইত্যাদি সাধন মাৰ্গ পৰিহাৰ কৰি একান্তভাৱে কৃষ্ণৰ ভকতি কৰাত গুৰুত্ব আৰোপ কৰিছে। বেদাদি শাস্ত্ৰ সমূহেও কৃষ্ণকেই শ্ৰেষ্ঠ বুলিছে আৰু সকলো ধৰণৰ ধৰ্ম-কৰ্ম তীৰ্থ-ব্ৰত তেওঁৰেই অধীন বুলি অভিমত প্ৰকাশ কৰিছে। কৃষ্ণভক্তি পথ পৰিহাৰ কৰি আন পথ অৱলম্বনৰ যোগেদি মনত প্ৰকৃত শান্তি লাভ নহয় বাবেই মনৰ ক্লেশ দূৰীকৰণৰ বাবে মহৰ্ষি ব্যাসে নাৰদৰ উপদেশ অনুসৰণ কৰি ভক্তিপথ গ্ৰহণ কৰিছিল।

হৰিভক্তি কামনাহীন বাবেই ইয়াক নিষ্কাম ভক্তিও বোলা হয়। ভকতিৰ সোৱাদ পাব পাৰিলে সকাম ভক্তিও নিষ্কাম ভক্তিত পৰিণত হয়। এনেদৰে ভক্তি বিৰচনত ভাগৱতৰ সাৰোদ্ধাৰ কৰি ভক্তিৰ পৰমতত্ত্ব সম্পৰ্কে বৰ্ণনা দাঙি ধৰা হৈছে।

ভক্তি-ৰত্নাৱলীৰ দ্বিতীয় বিৰচনত সৎসংগৰ মাহাত্ম্য ১৫২ টা পদত দাঙি ধৰা হৈছে। এই বিৰচনটিৰ নাম 'সৎসংগ বিৰচন'। সৎসংগ বিৰচনত সৎসংগৰ উপস্থিতিয়ে তথা সান্নিধ্যই কেনেদৰে কৰ্মবন্ধ নাশ কৰে সেই কথা উল্লেখ কৰি মাধৱদেৱে লিখিছে —

'গংগা আদি কৰি যত তীৰ্থ নিৰন্তৰ।
হৰন্ত কেৱল পাপ মাত্ৰ শৰীৰৰ।।
সন্ত সংগে বাহিৰে ভিতৰে শুদ্ধি কৰে।
হেন সাধু সেৱা নকৰিবে কোন নৰে।।

ভক্তিমাৰ্গত গুৰুৰ দৰেই সৎসংগৰো বিশেষ ভূমিকা আছে। বিশেষকৈ প্ৰেমময়ী ভক্তিৰ স্তৰে স্তৰে উধাই গৈ শৰণাগতি লাভ কৰিবলৈ হ'লে সৎসংগৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সৎসংগই কেৱল ভক্তৰ সংগকে বুজায়। সৎসংগৰ দ্বিতীয় অৰ্থ হৈছে সৎ বৈষ্ণৱৰ সংগ। এনে সংগৰ প্ৰভাৱে ভক্তিভাৱ জাগ্ৰত কৰাৰ লগতে ইয়াৰ পৰিপুষ্টি আৰু উৎকৰ্ষ সাধনতো সহায় কৰে। সৎসংগৰ তৃতীয় অৰ্থ হ'ল সৎপুৰুষ অৰ্থাৎ গুৰুৰ

---

১ ভাগৱত পুৰাণ ১/২/২৯।

সংগ। সাধন পথত সন্মুখীন হোৱা বাধা বিপত্তিবোৰ মশীমূৰ কৰিবৰ কাৰণে গুৰুৰ সংগ অত্যাৱশ্যকীয়। সাধুসংগই দুঃসংগজনিত দোষ দূৰ কৰে আৰু ভগৱন্তৰ নাম শ্ৰৱণ কীৰ্তনৰ প্ৰতি ধাউতি বৃদ্ধি কৰে। ফলত ভক্তিই মোক্ষতো অধিক সুখ লভয় প্ৰচুৰ।

মাধৱদেৱৰ ভক্তি-ৰত্নাৱলীৰ তৃতীয় বিৰচন হৈছে ভক্তি বিশেষণ বিৰচন। ইয়াৰ মূল ৩২ টা শ্লোকৰ ভিতৰত ৩১ টা শ্লোক মূল ভাগৱতৰ বাকীটো 'হৰিভক্তি সুধোদয়'ৰ পৰা সংকলিত। মাধৱদেৱে মুঠ ৯০ টা পদত ভাঙনি কৰি শ্ৰৱণ-কীৰ্তনকে ভক্তিৰ শ্ৰেষ্ঠতম পথ বুলি অভিমত দাঙি ধৰিছে।

নৱবিধা ভক্তিৰ অন্তৰ্গত শ্ৰৱণ কীৰ্তন স্মৰণ পদসেৱন অৰ্চন বন্দন আত্ম নিবেদন দাস্য আৰু সখিত্ব প্ৰভৃতিক ভক্তিৰ বিশেষণৰূপে ব্যৱহাৰ কৰা কাৰণেই এইবোৰক 'ভক্তি বিশেষণ বোলা হৈছে। ভগৱান কৃষ্ণতে একান্তভাৱে দেহ মন অৰ্পণ কৰি নিজকে তেওঁৰ দাস বুলি মানি লৈ তেওৰ লীলা মালা শ্ৰৱণ কীৰ্তন স্মৰণ পদসেৱা অৰ্চনা-বন্দনা কৰা আৰু তেওকেই একমাত্ৰ সখী নাইবা প্ৰিয়তম জ্ঞান কৰি ভগৱন্তৰ প্ৰতি যি ভক্তি কৰা হয় সেয়ে উত্তম ভকতি। অৱশ্যে মনৰ অহংভাব পৰিহাৰ কৰি ভগৱান কৃষ্ণতে সকলো অৰ্পন কৰাটো সিমান সহজ নহয়। কিন্তু ক্ৰমাগত অনুশীলন আৰু সাধনাৰ যোগেদি এনে দুষ্কৰ কৰ্মও ভক্তিৰ যোগেদি সুগম হৈ উঠে।

ভক্তি-ৰত্নাৱলীৰ চতুৰ্থ বিৰচনৰ নাম শ্ৰৱণ বিৰচন। মূল ভাগৱতৰ ৪৫ টা শ্লোকৰ কথাখিনি মাধৱদেৱে ১৪৮ টা পদত ভাঙনি কৰি শ্ৰৱণ সুখক মুক্তিতকৈয়ো শ্ৰেষ্ঠ বুলি উল্লেখ কৰিছে —

'শ্ৰৱণৰ মহাসুখ মুকুতিত নাই।
মোক্ষ আদি কৰি সুখ শ্ৰৱণত পায়।

শ্ৰৱণৰ যোগেদি ভগৱান হৃদি স্থিত হৈ শ্ৰোতাৰ হৃদয়ত থকা 'অনাদি জন্মৰ দুৰ্বাসনাবোৰ দূৰ কৰে আৰু বিষয়-বাসনাত মলিন হৈ থকা মনক শোধন কৰে। সিদ্ধ সনৎ কুমাৰেও কৈছে যে শ্ৰদ্ধাৰে ভগৱানৰ কথা শ্ৰৱণ কৰিলে মন শুদ্ধ আৰু নিৰ্মল হোৱাৰ লগতে ভগৱানৰ কৰুণালাভো সম্ভৱ হৈ উঠে। হৰিকথা শ্ৰৱণৰ যোগেদি পৰম নিৰ্মল জ্ঞানৰ উদয় হয় আৰু সাংসাৰিক দুখ যাতনাৰ উপশম ঘটে আৰু পৰম সুখ লাভ হয়। এনেদৰে শ্ৰৱণ বিৰচনত শ্ৰৱণ ভক্তিৰ মাহাত্ম্য আৰু শ্ৰেষ্ঠত্বৰ কথা দাঙি ধৰা হৈছে।

পঞ্চম তথা 'কীৰ্তন বিৰচনত মুঠ ৫৭ টা শ্লোক আছে আৰু ইয়াৰে ১৬ টা মূল ভাগৱতৰ এটা হৰিভক্তি সুধোদয়ৰ পৰা চয়ন কৰা। মাধৱদেৱে মুঠ ১৯৭ টা পদত ইয়াৰ ভাঙনি কৰি কলিযুগত চতুৰ্বৰ্গ সাধনৰ বাবে একমাত্ৰ ঈশ্বৰৰ গুণানুকীৰ্তনেই প্ৰশস্ত পথ বুলি মতপ্ৰকাশ কৰিছে

'কলিৰ পৰম গুণ যাবা সবে জানে।
চাৰি যুগ মাজত কলিক শ্ৰেষ্ঠ মানে।।

কীৰ্তন বিৰচনত সংসাৰৰ সকলোবোৰ ধৰ্মৰ ভিতৰতে হৰিনাম কীৰ্তনক শ্ৰেষ্ঠ আখ্যা দিয়া হৈছে —

সংসাৰেত যত ধৰ্ম আছে শ্ৰেষ্ঠতৰ।
সমস্ততে কৰি শ্ৰেষ্ঠ কীৰ্তন কৃষ্ণৰ।।

সজ্ঞানেই হওক বা অজ্ঞানতেই হওঁক পৰম শ্ৰদ্ধাৰে হৰিৰ নাম-কীৰ্তন কৰিলে ই ভক্তৰ বাঞ্ছিত ফল প্ৰদান কৰে। বিভিন্ন পাপ কৰ্মত লিপ্ত হৈয়ো অজামিলে মৃত্যুৰ সময়ত যমদূতক সন্মুখত দেখি অতি মৰমৰ পুত্ৰ নাৰায়ণক নাম ধৰি মতাৰ লগে লগে চাৰি বিষ্ণুদূত উপস্থিত হৈ তেওঁক যমদূতৰ হাতৰ পৰা উদ্ধাৰ কৰিছিল। সেইবাবেই কলিযুগত হৰিৰ শ্ৰৱণ কীৰ্তনেই মহাপাপৰ পৰা পৰিত্ৰাণ লাভৰ একমাত্ৰ পথ।

ভক্তি-ৰত্নাৱলীৰ ষষ্ঠ তথা স্মৰণ বিৰচণ মূল ভাগৱতৰ ২৬ টা শ্লোকত সমাপ্ত হৈছে। মাধৱদেৱে ৬৯ টা পদত এই বিৰচনৰ ভাঙনি কৰি স্মৰণ ভক্তিৰ শ্ৰেষ্ঠতা প্ৰদৰ্শন কৰিছে। হৰি স্মৰণৰ দ্বাৰা চিত্ত শুদ্ধি লাভ হয় আৰু শুদ্ধচিত্তেৰে কৰা ভগৱন্তৰ স্মৰণে কেনেদৰে ভগৱন্তক হৃদযত স্থাপন কৰিব পাৰি সেই বিষযে কৃষ্ণই উদ্ধৱক কৈছে —

মোৰে ভজনত মন কৰিয়ো শোধন।
তাতে স্থাপি মোকে সুমৰিয়ো অনুক্ষণ।।
এতেকে গুচিবে ঘোৰ সংসাৰৰ দুখ।
অনায়াসে লভিবা পৰমানন্দ সুখ।।

ভক্তি-ৰত্নাৱলীৰ সপ্তম অৰ্থাৎ পদসেৱন বিৰচনত মূল ভাগৱতৰ ২১ টা শ্লোকৰ ভাঙনি ১১২ টা পদত সমাপ্ত কৰা হৈছে। ব্ৰহ্মা আদি কৰি অন্যান্য দেৱতাসকলে কৃষ্ণৰ চৰণ সেৱা কৰি পদসেৱনৰ শ্ৰেষ্ঠফল মোক্ষ লাভ কৰে বুলি ইয়াত প্ৰতিপাদন কৰা হৈছে। সংসাৰ চক্ৰৰ যাতনাৰ পৰা মুক্তি লাভ কৰিবৰ কাৰণে ভগৱানৰ পদসেৱা মহানৌকাস্বৰূপ যাৰ যোগেদি বিষয়ৰ প্ৰতি বৈৰাগ্য ওপজে আৰু নিৰ্মল ভকতি লাভ হয়।

ভক্তি ৰত্নাৱলীৰ অষ্টম অৰ্থাৎ অৰ্চন বিৰচন মূল ভাগৱতৰ ৯ টা শ্লোকৰ সমষ্টি। মাধৱদেৱে ২৫ টা পদত ইয়াৰ ভাঙনি কৰিছে। ভগৱানৰ প্ৰতিমা হৃদয়ত ধাৰণ কৰি তেওঁৰ পূজা অৰ্চনাৰ যোগেদিয়েই সকলো দেৱতাক তুষ্ট কৰিব পাৰি। গছৰ গুৰিত পানী দিলেই সকলো ঠাল ঠেঙুলিয়ে পানী পোৱাৰ দৰেই ভগৱান কৃষ্ণক অৰ্চনা কৰিলেই অন্যান্য সকলো দেৱতাক অৰ্চনা কৰাৰ তুল্য হয় —

সেহিমতে কৃষ্ণক আবাধে মিটৌজন।
ভৈল তাব সমস্ত দেবক আবাধন।।

ভক্তি-ৰত্নাৱলীৰ নৱম অৰ্থাৎ বন্দন বিৰচনত ভাগৱত পুৰাণৰ মূঠ চাৰিটা শ্লোকক মাধৱদেৱে যোল্লটা পদত ভাঙনি কৰিছে। বন্দন হৈছে ভগৱন্তক শ্ৰদ্ধাৰে সেৱা বা নমস্কাৰ জনোৱা।

একান্তভাৱে কায় মনোবাক্যে ভগৱান কৃষ্ণক বন্দনা কৰিলে আত্মস্বৰূপ উপলব্ধি সম্ভৱ হৈ উঠে

'ভক্তিৰ প্ৰভাৱে জানি নিজ স্বৰূপক।
তাতে স্থিত হুয়া সেৱা কৰয় কৃষ্ণক।।'

এনেদৰে কায় মনোবাক্যে কৰা ঈশ-বন্দনাত সকলো প্ৰকাৰৰ অমংগল দূৰ হয় আৰু মনুষ্যৰ বৈকুণ্ঠগতি সম্ভৱ হৈ উঠে। বন্দন ভক্তিৰ মহাত্ম্য স্বৰূপে সকলো ধৰণৰ ক্লেশমুক্তিৰ লগতে মুক্তিলাভো সম্ভৱ হৈ উঠে।

দশম অৰ্থাৎ দাস্য বিৰচনত মূল ভাগৱত চাৰিটা শ্লোকক মাধৱদেৱে ভক্তি ৰত্নাৱলীত সোতৰটা পদত ভাঙনি কৰিছে। এই বিৰচনত কায়-বাক্যমনে কৃষ্ণৰ চৰণত দাস্যভাৱেৰে কৰা ভক্তিৰ মাহাত্ম্য ঘোষণা কৰা হৈছে। কৃষ্ণহে একমাত্ৰ গৰাকী গতিকে কায় মনোবাক্যে সকলো তেওঁকে অৰ্পণ কৰি দাস্যভাৱেৰে তেওঁৰ উপাসনা কৰিলে সাংসাৰিক দুখ যন্ত্ৰণাৰ পৰা মুক্তিলাভৰ লগতে ভক্তি সাধনৰ পথো প্ৰশস্ত হৈ উঠে।

ভক্তি-ৰত্নাৱলীৰ একাদশ অৰ্থাৎ সখ্য বিৰচনত মূল ভাগৱতৰ মাত্ৰ দুটা শ্লোকক মাধৱদেৱে এঘাৰটা পদত ভাঙনি কৰিছে। বৃন্দাবনৰ গোপ গোপীসকলে সখ্যভাৱে কৃষ্ণৰ চৰণ চিন্তা কৰি মুক্তি লাভ কৰিছিল। ভক্তি-ৰত্নাৱলীত সখ্য ভক্তিৰ মহত্ব আৰু গুৰুত্ব সম্পৰ্কে উল্লেখ কৰি মাধৱদেৱে লিখিছে —

মোতেসে কেৱলে মাত্ৰ কৰিবা সখিত্ব।।
নবৰ্ত্তিব এতেকে অনৰ্থ আছে যত।
হৈবে আতি কৃত্য কৃত্য মোৰ প্ৰসাদত।।

ভগৱান জগত ব্যাপক সনাতন গতিকে তেওঁৰ সৈতে সখিত্ব কৰিব পাৰিলে কেতিয়াও বিয়োগ দুখৰ অন্ত নপৰে। অবিদ্যাজনিত মায়াত বন্দী হৈ সমস্ত কৰ্ম কৃষ্ণত অৰ্পন কৰিলে মানুহৰ মনৰ পৰা কৰ্মবাসনা আঁতৰি যায় আৰু সকলো ধৰণৰ অনৰ্থৰ অৱসান ঘটে।

ভক্তি-ৰত্নাৱলীৰ দ্বাদশ অৰ্থাৎ আত্ম-নিবেদন বিৰচনত মূল ভাগৱতৰ দুটা শ্লোকক মাধৱদেৱে এঘাৰটা পদত ভাঙনি কৰিছে। আত্ম-নিবেদন ভক্তি হৈছে নিজৰ দেহ

মন সকলো ভগৱান কৃষ্ণত অৰ্পণ কৰি সাংসাৰিক বন্ধৰ পৰা মুক্তি লাভ কৰা। যাগ যোগ জ্ঞান কৰ্ম তীৰ্থ ব্ৰত ইত্যাদিৰ দ্বাৰা ধৰ্ম অৰ্থ কাম ইত্যাদি ত্ৰিবৰ্গ সাধন ব্যৱস্থা বেদত ব্যক্ত হৈছে যদিও এইবোৰৰ দ্বাৰা সংসাৰৰ যাতনাৰ পৰা পৰিত্ৰাণ সম্ভৱ নহয়।

ভক্তি-ৰত্নাৱলীৰ ত্ৰয়োদশ অৰ্থাৎ শৰণ বিৰচনেই গ্ৰন্থখনিৰ শেষ বিৰচন। ইয়াৰ মূল সংস্কৃতৰ ১৬ টা শ্লোকৰ ১০ টা ভাগৱতৰ আৰু বাকী দুটা বিষ্ণুপুৰী সন্ন্যাসীৰ দ্বাৰা ৰচিত। মাধৱদেৱে নিজৰ মত সংযোজনেৰে মুঠ পয়ষষ্ঠিটা পদত বিৰচনাটি সম্পূৰ্ণ কৰিছে। এই বিৰচনত শৰণৰ মাহাত্ম্য ঘোষণা কৰা হৈছে। ভগৱান শ্ৰীকৃষ্ণৰ চৰণত কায় মনোবাক্যে শৰণ গ্ৰহণ কৰিলে ভক্তৰ সকলো ধৰণৰ সিদ্ধি সম্ভৱ হৈ উঠে।

কৃষ্ণৰ মহিমা অপাৰ। তেওঁক কোনোবাই অমৃত বুলি বিষ প্ৰদান কৰিলেও পুতনাৰ দৰে কৃষ্ণই তেওঁৰ মোক্ষপ্ৰাপ্তিহে ঘটায়। শ্ৰীমদ্ভাগৱত গীতাতো শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে —

'আন সকলো ধৰ্ম ত্যাগ কৰি কেৱল মোতেই শৰণ লোৱা মযেই তোমাক সকলো পাপৰ পৰা উদ্ধাৰ কৰিম।

সৰ্বধৰ্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচ ।।[২]

গতিকে দেখা যায় যে 'ভক্তি-ৰত্নাৱলী' বিষ্ণুপুৰী সন্ন্যাসীৰ মূল সংস্কৃত গ্ৰন্থৰ অসমীয়া ভাঙনি হ'লেও মহাপুৰুষ মাধৱদেৱৰ সৃজনী প্ৰতিভাৰ মৌলিকত্ব গ্ৰন্থখনিৰ মাজত সততে লক্ষ্য কৰা যায়। মহাপুৰুষ মাধৱদেৱৰ কবিত্ব ব্যক্তিত্ব আৰু ভক্তি পৰায়ণ মনোভাবৰ পৰিচয় ভক্তি-ৰত্নাৱলীৰ সৰ্বত্ৰ বিদ্যমান।

নামঘোষা

'নামঘোষা' মহাপুৰুষ মাধৱদেৱৰ ভক্ত জীৱনৰ শ্ৰেষ্ঠ কীৰ্তিস্তম্ভ ভাৰতীয় ভক্তি সাহিত্যলৈ উল্লেখযোগ্য অৱদান। কাব্যখনিত মহাপুৰুষজনাৰ কবিত্ব আৰু ভক্তি-ভাৱনাৰ অপূৰ্ব সমন্বয় সাধিত হৈছে, সংস্কৃত সাহিত্যৰ পুৰাণ গ্ৰন্থসমূহৰ দৰে নামঘোষাও শ্ৰেষ্ঠ কাব্যগ্ৰন্থৰ লগতে মহৎ ধৰ্মগ্ৰন্থত পৰিণত হৈছে।

'নামঘোষা' মূলত 'নাম' আৰু 'ঘোষা' — এই দুটি শব্দৰ সমষ্টি। নাম শব্দই গ্ৰন্থখনিৰ অন্তৰ্গত ভক্তিৰসৰ প্ৰতিনিধিত্ব কৰিছে আৰু ঘোষা শব্দই তাৰ ক্ৰিয়াত্মক দিশৰ পৰিচয় বহন কৰিছে। ঘোষা শব্দৰ অৰ্থ হ'ল ঘোষণা কৰা যদিও নামঘোষাৰ ক্ষেত্ৰত ই পুনৰাবৃত্তি হ'বলগীয়া গীতৰ প্ৰথম শাৰী বা অংশক বুজাইছে। নামঘোষাৰ প্ৰতিটো পদ বা কীৰ্তনৰ আৰম্ভণিতে একোফাকি ঘোষা আছে আৰু এই ঘোষা অংশটো

২ *শ্ৰীমদ্ভাগৱত গীতা ১৮/৬৬।*

পদসমূহৰ লগে লগে পুনৰাবৃত্তি কৰা হয়। নামঘোষাত নামেই প্ৰধান গতিকে নাম মাহাত্ম্য ঘোষণা কৰাৰ বাবেই গ্ৰন্থখনিৰ এই নাম হ'ব পাৰে। নামঘোষাত সাধন আৰু সাধ্য ভক্তি ভক্তিমাৰ্গৰ শ্ৰেষ্ঠতা আৰু ইয়াৰ বিবিধ লক্ষণৰ লগে লগে নামৰ মহিমা ঘোষিত হৈছে।

ভক্তিমাৰ্গত ৰস উপলব্ধিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেখা যায়। মাধৱদেৱৰ নামঘোষাৰো চৰম লক্ষ্য হৈছে ৰসময়ী ভক্তি লাভ 'ৰসময়ী মাগোহো ভকতি। আৰম্ভণিৰ পৰা শেষলৈ সমগ্ৰ কাব্যখনি ভক্তিৰসে ছাটি আছে।

নামঘোষাত ভগৱান কৃষ্ণকেই ভক্তিৰসৰ প্ৰধান আশ্ৰয় হিচাপে গ্ৰহণ কৰা হৈছে। বিষয়ৰ প্ৰতি অনুৰক্ত নহৈ একমাত্ৰ ভগৱানৰ চৰণত আত্ম সমৰ্পনেই এনে ভক্তিৰ চৰম লক্ষ্য। এই ক্ষেত্ৰত দুটা পৰস্পৰ বিৰোধী ভাবে ক্ৰিয়া কৰিছে — (ক) সংসাৰৰ প্ৰতি বিৰাগ বা বিতৃষ্ণা আৰু (খ) ঈশ্বৰৰ প্ৰতি অনুৰাগ বা আসক্তি। কিন্তু দেখাত পৰস্পৰ বিৰোধী যেন লাগিলেও এই অনুৰাগ আৰু বিৰাগে পাৰস্পৰিকভাৱে মিলিত হৈ শান্তৰসৰ স্থায়ীভাব শমভাৱক ভক্তিৰসৰ অভিমুখে গতি কৰাত সহায় কৰিছে। কিয়নো সংসাৰৰ প্ৰতি বিৰাগ বা বিতৃষ্ণা বৃদ্ধিৰ লগে লগে ভগৱানৰ প্ৰতি অনুৰাগ বা আসক্তি বৃদ্ধি পায়। গতিকে বিৰোধী যেন লাগিলেও উভয় ভাৱেই পৰস্পৰ পৰিপূৰক হিচাপেহে কাম কৰে।

বাণীকান্ত কাকতিয়ে নামঘোষাত তিনিটা ভাবৰ ধাৰা মিহলি হৈ থকা বুলি উল্লেখ কৰিছে পুণ্য শ্লোক শংকৰ স্মৃতি মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণভক্তিৰ মহিমা। নামঘোষাত এই তিনিও ধাৰাৰেই মূল কাৰণ হৈছে মাধৱদেৱৰ ৰসময়ী ভক্তিৰ গভীৰ আবেগ। ৰসময়ী ভক্তিৰ উৎস হিচাপে বাৎসল্য দাস্য সখ্য আদি বিবিধ নিষ্কাম ভাবৰ সমাহাৰ নামঘোষাত লক্ষ্য কৰা যায়। ভগৱানত একান্ত শৰণ নাইবা আত্ম নিবেদনেই এনে ভক্তি ভাবৰ প্ৰধান লক্ষণীয় বিষয়। ভক্তৰ অন্তৰত ভগৱানৰ প্ৰতি অনুৰাগ বৃদ্ধি পোৱাৰ লগে লগে বিভিন্ন পৰিস্থিতিৰ মাজেদি তেওলোকৰ অন্তৰৰ দাস্যভাবে ক্ৰমান্বয়ে শান্তৰসৰ অভিমুখে গতি কৰে ফলত ভক্তৰ অন্তৰত সংসাৰৰ প্ৰতি বৈৰাগ্য আৰু অন্যান্য আনুসংগিক প্ৰবৃত্তি জাগ্ৰত হয়।

'নামঘোষা ৰচনাৰ অন্তৰালত মহাপুৰুষ শংকৰদেৱৰ আজ্ঞা থকা বুলি কথা গুৰুচৰিতত উল্লেখ পোৱা যায়। বোলে বৰা পো সৰ্বস পালন কৰিবা নাহো মানে ঘোষা নামে এখনি প্ৰেম-ভক্তিগ্ৰন্থ কৰিবা আমাৰ পাছত যেন বৌ-বৰালিৰ পৰা ডৰিকণালৈকে ৰয় যেনেকৈ। দহ হাজাৰ বৈকুণ্ঠৰ নাম দিবা।

৩ কাকতি বাণীকান্ত পুৰণি অসমীয়া সাহিত্য।

ঈশ্বৰৰ অমৃতময় নাম একান্তমনে হৃদয়ত উপাসনা কৰি কণ্টকময় সংসাৰ সাগৰৰ পৰা পৰিত্ৰাণ পাব পাৰি। নামঘোষাৰ ভ্ৰ াৰভণিতে মাধৱদেৱে এই কথা ঘোষণা কৰিছে।

ব্ৰহ্মাই একমাত্ৰ চৈতন্য বাকী সকলো জড় গতিকে জড় উপাসনাৰ পৰিবৰ্তে চৈতন্য স্বৰূপ ভগৱান শ্ৰীকৃষ্ণৰ উপাসনা কৰাটো বাঞ্ছনীয়।

ব্ৰহ্মাৰ শক্তিয়েই মায়া মায়াই অসত্যক সত্যৰূপে প্ৰতিভাত কৰায় মানুহৰ মন জড়মুখী কৰে। ফলত চৈতন্য স্বৰূপ ব্ৰহ্মাৰ পৰা আঁতৰি মায়াময় বিষয় সংসাৰৰ প্ৰতি অধিক আসক্ত হয়। অনাদি পাতনত সেয়েহে শংকৰদেৱে মনকেই ব্ৰহ্ম বা মোক্ষলাভৰ প্ৰধান হেতু বুলিছে। মনৰ দৰেই দশেন্দ্ৰিয় আৰু পঞ্চ তন্মাত্ৰও জড়যুক্ত। এই জড় আৰু চৈতন্যস্বৰূপ ব্ৰহ্মাৰ মাজত সংযোগ স্থাপনৰ একমাত্ৰ হেতু হৈছে মন। মনেই জীৱক চৈতন্য ঈশ্বৰৰ প্ৰতি আকৰ্ষিত কৰি আধ্যাত্মিক সাধনাৰ পথত অগ্ৰসৰ কৰাই বিষয়ৰ বন্ধনৰ পৰা মুক্ত কৰাব পাৰে নাইবা বিষয়ৰ প্ৰতি আকৰ্ষিত কৰি বিষয় বন্ধনত আবদ্ধ কৰাবও পাৰে।

নামঘোষাৰ বিষয় সংসাৰৰ প্ৰতি অনাসক্ত হৈ হৰিনাম শ্ৰৱণ কীৰ্তন আৰু সাধুসংগ গ্ৰহণৰ যোগেদি মুক্তিৰ পথত অগ্ৰসৰ হ'বলৈ সকীয়াই দিয়া হৈছে —

'দুৰ্লভ মনুষ্য তনু লভিয়া পশুৰ যোগ্য
বিষয়ত আশা পৰিহৰা।
সন্তৰ সংগত বসি সুখে হৰিগুণ গায়া
সন্তোষ অমৃত পান কৰা।।

সাধুসংগই পূৰ্বজন্মৰ সুপ্ত সুকৃতি জাগ্ৰত হোৱাত সহায় কৰে আৰু সাধকে ভক্তিপথত অগ্ৰসৰ হ'বলৈ সক্ষম হয়। সন্তৰ সংগত শাস্ত্ৰচৰ্চা ঈশ্বৰৰ বাৰ্তালাপ আদিৰ যোগেদি মূঢ়জনৰ অন্তৰতো ভক্তিভাৱৰ সঞ্চয় হয়।

মানৱ জীৱনত মনৰ প্ৰভাৱ অতি ব্যাপক আৰু গভীৰ। জীৱ মনৰ অধীন হোৱা কাৰণে কৰ্মফল ভোগ কৰি সংসাৰৰ নিকাৰ-যন্ত্ৰণা ভুগিবলগীয়াত পৰে। চৈতন্য স্বৰূপ ঈশ্বৰৰ অংশ হ'লেও মন বা চিত্তৰ চঞ্চলতাৰ বাবেই অস্থিৰ পানীত প্ৰতিবিম্বিত সূৰ্যবিম্বৰ দৰেই অস্থিৰ মনেও চিৎস্বৰূপ ব্ৰহ্মাৰ উপলব্ধি কৰিবলৈ সক্ষম হয়। নামঘোষাত সেয়েহে মনৰ বিকৃতি দূৰ কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। মন যদি জড়যুক্ত ইন্দ্ৰিয়াদি বিষয়ভোগৰ প্ৰতি আসক্ত হয় তেতিয়া বন্ধন অনিবাৰ্য বন্ধনৰ ফলস্বৰূপে দেহ বিকাৰগ্ৰস্ত হয় আৰু মৃত্যু আসন্ন হৈ পৰে। সীমাবদ্ধ জীৱনত অপূৰ্ণ ভোগাকাংক্ষা লৈ জীৱই পুনৰ্জন্ম লাভ কৰে। নতুন জন্মতো জীৱৰ অপৰিসীম ভোগাকাংক্ষাৰ পৰিসমাপ্তি নহয়। এনেদৰেই জীৱই বাৰে বাৰে জন্মগ্ৰহণ কৰি বিভিন্ন যোনিত পৰিভ্ৰমণ কৰে।

বিষয়ভোগৰ ইচ্ছাৰ অন্য নাম কাম বা কামনা। সেয়ে এনে ইচ্ছা পূৰণৰ অৰ্থে সকলো ধৰণৰ শাৰীৰিক বা মানসিক চেষ্টাই সকাম কৰ্ম। এনে মানসিক চেষ্টাৰ দ্বাৰা পৰিচালিত হৈ বিষয়ভোগত লিপ্ত মানৱে জন্মগত প্ৰবৃত্তিৰ অধীন হৈ সংসাৰ চক্ৰত পৰিভ্ৰমণ কৰে। আনহাতে যিসকলে সংসাৰ চক্ৰৰ পৰা অব্যাহতি লাভৰ বাবে ভক্তি যোগ জ্ঞান আদি বিভিন্ন মাৰ্গ অনুসৰণ কৰি সংসাৰ বন্ধনৰ পৰা মুক্তি লাভ কৰিব বিচাৰে সেই মাৰ্গকেই নিবৃত্তি মাৰ্গ আখ্যা দিয়া হৈছে। এই মাৰ্গত বিষয়ভোগজনিত আনন্দ নাই আছে পৰম চৈতন্যস্বৰূপ ব্ৰহ্ম বা ঈশ্বৰৰ উপলব্ধিজনিত আনন্দ। সাধনাৰ যোগেদি ইন্দ্ৰিয়বৃত্তিক চৈতন্যমুখী কৰিলে পঞ্চমহাভূত আৰু পঞ্চ তন্মাত্ৰজনিত জড বোধ হ্ৰাস পায় আৰু মানৱ চৰিত্ৰত চৈতন্য ভাবৰ সঞ্চাৰ হয়। এনেদৰেই জড়ৰ পৰিবৰ্তে চৈতন্য স্বৰূপ ব্ৰহ্মৰ উপাসনাৰ যোগেদি নিৰ্গুণ ব্ৰহ্মৰ উপলব্ধি সম্ভৱ হৈ উঠে।

ত্ৰিগুণাত্মিকা প্ৰকৃতিয়েই 'মায়া। মায়াৰ পৰাই পঞ্চ মহাভূত পঞ্চ তন্মাত্ৰ আৰু ইন্দ্ৰিয়সমূহৰ উৎপত্তি হৈছে। পৰম চৈতন্য ঈশ্বৰৰ শক্তিৰূপে মায়াৰ পৰাই সমস্ত জগতখন সৃষ্টি হৈছে। আবৰণ আৰু বিক্ষেপণ এই দুই শক্তিৰ সহায়েৰে মায়াই সমগ্ৰ সৃষ্টিকাৰ্য নিয়ন্ত্ৰণ কৰিছে। মায়াৰ বাবেই অসত্য জগতখনো সত্যৰূপে প্ৰতিভাত হয়।

মায়াৰ আন এটা নাম অবিদ্যা ইয়াক বিকৃত জ্ঞান নাইবা ভ্ৰমাত্মকবোধো বুলিব পাৰি। অবিদ্যা নাশৰ বাবে হৃদয়ত চেতন স্বৰূপ জ্যোতিৰ্ময় পৰমব্ৰহ্মৰ উপলব্ধি একান্ত বাঞ্ছনীয়।

মহাপুৰুষ মাধৱদেৱৰ নামঘোষা কেইবাটিও দিশত সমকালীন সাহিত্য পৰম্পৰাৰ পৰা ব্যতিক্ৰম। এইখনি গ্ৰন্থত কবিয়ে পৰম্পৰাগত ৰীতিৰে দেৱবন্দনাৰ যোগেদি গ্ৰন্থৰ শুভাৰম্ভ নকৰি মুক্তিতো নিস্পৃহ ভক্তকহে নমস্কাৰ জনাইছে আৰু ৰসময়ী ভকতি ভিক্ষাৰ যোগেদি ভকতবৎসল ভগৱন্তৰ ভজনা কৰিছে। ইয়াৰ পাছতেই গুৰু-বন্দনা কৰা হৈছে। কিয়নো গুৰুৱে ৰসময়ী ভক্তিদানৰ যোগেদি ভক্তিকামীজনৰ সৰ্বাংগীন মংগল সাধন কৰে। এনে ভক্তিৰ বলেৰে ভগৱানকো নিজৰ অধীন কৰি ল'ব পাৰি বাবেই ভক্ত আৰু গুৰুৰ পাছতহে দেৱতাক স্থান দিয়া হৈছে।

ভক্ত গুৰু আৰু দেৱতাৰ পাছতেই গ্ৰন্থখনিত ভগৱান শ্ৰীকৃষ্ণ আৰু তেওঁৰ বিভিন্ন নামৰ প্ৰসংগ অৱতাৰণা কৰা হৈছে। কৃষ্ণ নিৰ্গুণ যদিও সগুণ নামৰ যোগেদিহে তেওঁক হৃদয়ত উপলব্ধি কৰিব পাৰি। এনে অন্তৰংগ নিৰাকাৰ সাধনাৰ লগে লগে বহিৰংগ তথা সাকাৰ সাধনাৰ বাবে ভক্তসকলে নিৰ্গুণ কৃষ্ণৰ গুণৰ ওপৰত অধিক নিৰ্ভৰ কৰিবলগীয়া হৈছে।

মহাপুৰুষীয়া ধৰ্মৰ মূল চাৰিবস্তু হৈছে ভকত নাম গুৰু আৰু দেৱ। নামঘোষাত এই চাৰি বস্তুৱে পৰ্যায়ক্ৰমে স্থান লাভ কৰিছে। মহাপুৰুষ শংকৰদেৱৰ প্ৰতি থকা

অবিচলা ভক্তি আৰু প্ৰগাঢ় বিশ্বাসৰ স্বাক্ষৰ নামঘোষাৰ সৰ্বত্ৰ বিদ্যমান। 'নামঘোষা'ত শান্তিপূৰ্ণ আধ্যাত্মিক জীৱন-যাপনৰ বা'ৰে সংযম শিক্ষা আৰু বৈৰাগ্যৰ প্ৰয়োজনীয়তাৰ কথা স্বীকাৰ কৰা হৈছে, সংযমহীন জীৱনত আৰ্থিকপক্ষ সবল হ'লেও মানসিক পক্ষ দুৰ্বল হোৱাটো স্বাভাৱিক। সেয়েহে আৰ্থিক মানসিক সকলো প্ৰকাৰৰ শান্তিৰ চিন্তা পৰিত্যাগ কৰি একান্তমনে লক্ষ্মীপতি ভগৱন্তৰ চিন্তা কৰা উচিত তেতিয়াহ'লে অনাকাংক্ষিতভাৱেও সকলোধৰণৰ প্ৰাপ্তি সম্ভৱ হৈ উঠে।

লক্ষ্মীপতি ভগৱন্ত যাহাৰে প্ৰসন্ন ভৈলা
তাহাৰ দুৰ্লভ কিছু নাই।

নামঘোষাত সকলো ধৰণৰ বাহ্যিক আচাৰ আৰু আড়ম্বৰপূৰ্ণ পূজা উপাসনা পৰিহাৰ কৰি ভকত আৰু সাধু সংগ গ্ৰহণৰ যোগেদি একান্তমনে হৰিনাম শ্ৰৱণ-কীৰ্তন কৰি তেওঁতে শৰণ ল'বলৈ উপদেশ দিয়া হৈছে।

'নাম হৈছে সত্য শিৱ-সুন্দৰৰ আনন্দময় সত্তাৰ উপলব্ধি এই নামেই ভকতৰ বোধস্বৰূপ সচ্চিদানন্দ ব্ৰহ্মৰ উপলব্ধিৰ প্ৰধান হেতু। ভক্তৰ হৃদয়ৰ গভীৰতম উপলব্ধিৰ অবিহনে এনে ব্ৰহ্মোপলব্ধি সম্ভৱ হৈ নুঠে। স্বৰূপতে ভক্তৰ হৃদয়ৰ চৈতন্যময়ী শক্তিয়েই ভক্তি নাম তাৰ প্ৰতীক মাথোন। এইদৰেই নামঘোষাত আৰম্ভণিৰ পৰা অন্তলৈ পৰমাৰ্থিক তত্ত্বৰূপে নামৰ মহিমা ঘোষিত হৈছে।

মাধৱদেৱৰ নাটক ঃ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ অনুসৰণ কৰি মহাপুৰুষ মাধৱদেৱে কেইখনমান নাটক ৰচনা কৰে। কিন্তু 'অৰ্জুন ভঞ্জন'ৰ বাহিৰে তেওঁৰ বাকীবোৰ নাট্যধৰ্মী ৰচনাত একোটা স্বয়ংসম্পূৰ্ণ কাহিনী পোৱা নাযায়। ভগবান শ্ৰীকৃষ্ণৰ লীলা সম্পৰ্কীয় সৰু ঘটনা একোটাৰ নাটকীয় ৰূপ এইসমূহ ৰচনাৰ মন কৰিবলগীয়া বৈশিষ্ট্য। এনে নাটকৰ ভিতৰত চোৰধৰা 'পিম্পৰা গুছোৱা 'দধিমথন 'ভূমি লেটোৱা আৰু ভোজন বেহাৰ'ৰ কথা উল্লেখ কৰিব পাৰি। চৰিত পুথি 'ৰাস-ঝুমুৰা কোটোৱা খেলা 'ভূষণ হৰণ 'ৰাম যাত্ৰা গোবৰ্ধন যাত্ৰা আদি নাটকো মাধৱদেৱৰ দ্বাৰা ৰচিত বুলি কোৱা হৈছে যদিও এই বিষয়ে যথেষ্ট সন্দেহৰ থল আছে।

মাধৱদেৱৰ নাটসমূহৰ ভিতৰত অৰ্জুন ভঞ্জনেই প্ৰথম সৃষ্টি যেন অনুমান হয়। নাটখনি শংকৰদেৱৰ জীৱন কালতেই ৰচিত। অৰ্জুন ভঞ্জনৰ কাহিনীভাগ দশম স্কন্ধ ভাগৱতৰ নৱমৰ পৰা দশম অধ্যায়ত বৰ্ণিত হৈছে। নাটকখনৰ বিকাশত তিনিটা ধাৰা লক্ষ্য কৰা যায়। প্ৰথম শিশু কৃষ্ণ আৰু মাতৃ যশোদাৰ স্নেহপূৰ্ণ বিৰোধ দ্বিতীয় যমলাৰ্জুন ভংগ আৰু তৃতীয় নন্দ-যশোদাৰ দম্পতি কলহ। নাটখনিৰ কাহিনীভাগ

আৰম্ভ হৈছে দধি মথনৰ কথাৰে। যশোদাৰ যিমানবিলাক দাসী আছে, সকলোৰে মনোযোগেৰে কাম নকৰাৰ ফলত উপযুক্ত পৰিমাণৰ লৱণু উৎপাদন সম্ভৱ হোৱা নাই। সেয়ে যশোদাই নিজে দিব্য বস্ত্র অলংকাৰ পৰিধান কৰি দধিমথন কাৰ্য আৰম্ভ কৰিছে। এনেতে শ্রীকৃষ্ণই উমলি থকাৰ পৰা দৌৰি আহি স্তন পান কৰিবৰ বাবে যশোদাক আমনি কৰিবলৈ ধৰিলে। যশোদায়ো কৃষ্ণক কোলাত লৈ গাখীৰ খুবাবলৈ আৰম্ভ কৰিলে। কিন্তু হেঁপাহ পলুৱাই গাখীৰ খাবলৈ নোপোৱাত অসন্তুষ্ট হৈ শ্রীকৃষ্ণই লৱণুবোৰ নষ্ট কৰিবলৈ ধৰিলে। গতিকে পুত্রক শাস্তি দিয়াৰ উদ্দেশ্যে যশোদাই শ্রীকৃষ্ণক উৰালত বান্ধি ৰাখিলে। কিন্তু নোমটেঙৰ কৃষ্ণই উৰালেৰে সৈতে চুচৰি গৈ অৰ্জুন গছুত খুন্দা মৰাত বিকট শব্দ কৰি গছজোপা উভালি পৰিল আৰু তাৰ পৰা দুজন শ্রীমন্ত পুৰুষৰ আবিৰ্ভাৱ হ'ল। তেওলোকে শ্রীকৃষ্ণক স্তুতি কৰিলে আৰু শ্রীকৃষ্ণৰ নিৰ্দেশ মতে স্বস্থানলৈ গমন কৰিলে। এনেতে বৃক্ষ ভঙাৰ শব্দ শুনি গোৱালসকলে দৌৰি আহি কোনো কাৰণ নোহোৱাকৈ অকস্মাতে প্রকাণ্ড গছ এজোপা ভাগি পৰা দেখি আচৰিত হ'ল। লগে লগে উৰালত বান্ধি ৰখা অৱস্থাত শ্রীকৃষ্ণক দেখা পাই নন্দৰজাই আথে বেথে কোলাত তুলি লৈ ঘৰলৈ গ'ল আৰু শ্রীকৃষ্ণক উৰালত বন্ধা বিষয়ক লৈ উভয়ৰে মাজত তুমুল বাকযুদ্ধৰ সৃষ্টি হ'ল। কিন্তু যশোদাক কথাৰে বলে নোৱাৰি শেষত নন্দৰাজ নিৰস্ত হ'ল। ইয়াতেই নাটখনৰ সামৰণি পৰিছে।

'অৰ্জুন ভঞ্জন নাটৰ বিষয়বস্তুৰ বিকাশত তিনিটা স্তৰ লক্ষ্য কৰা যায়। প্ৰথম শিশু কৃষ্ণ আৰু মাতৃ যশোদাৰ স্নেহপূৰ্ণ বিৰোধ দ্বিতীয় যমলাৰ্জুন ভংগ আৰু তৃতীয় নন্দ যশোদাৰ দম্পতি কলহ।

নাটখনিত প্ৰতীকৰ যোগেদি ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰা হৈছে। সাংসাৰিক মায়াই বন্ধনৰ ঘাই কাৰণ মায়ামুক্তভাৱে জীৱন নিৰ্বাহ নকৰিলে সীমাৰ মাজত অসীমৰ সন্ধান লাভ কৰিব নোৱাৰি। ভগৱান শ্রীকৃষ্ণক পুত্ৰৰূপে পায়ো যশোদাৰ বস্তুপ্ৰীতিৰ অৱসান নঘটাতো মায়াময় সংসাৰৰ প্ৰতি থকা অন্যতম আসক্তিৰে ফল। নন্দ যশোদাৰ দম্পতি কলহো তাৰ ব্যতিক্রম নহয়।

চোৰধৰা মহাপুৰুষ মাধৱদেৱৰ এখনি ক্ষুদ্ৰ পৰিসৰৰ নাটক। এটি নান্দী শ্লোকেৰে নাটখনি আৰম্ভ কৰা হৈছে। নাটখনৰ মূল 'ভাগৱত পুৰাণ নহয় বিল্বমংগল স্তোত্ৰতহে।[৪] শ্রীকৃষ্ণই লৱণু চুৰি কৰি মাতৃ যশোদা আৰু গোপীসকলক প্ৰায়েই ফাঁকি দি আহিছিল। কিন্তু এদিন হঠাতেই লৱণু চুৰি কৰি থকা অৱস্থাতে শ্রীকৃষ্ণ এগৰাকী গোপিনীৰ ঘৰত হাতে-লোটে ধৰা পৰিল। গোপী গৰাকীয়ে দুৱাৰ বন্ধ কৰি ওচৰ-চুবুৰীয়া গোপীসকলক আহ্বান জনালে আৰু সকলোৰে সহযোগত শ্রীকৃষ্ণক কৰায়ত্ব

৪ শৰ্মা সত্যেন্দ্ৰনাথ ঃ অসমীয়া নাট্য সাহিত্য পৃঃ ৭৫।

কৰিলে। তেওঁলোকে শ্ৰীকৃষ্ণক আবৰি ধৰি ৰাজপথলৈ লৈ আহিল। এনেতে ছেগ পাই শ্ৰীকৃষ্ণই লগৰ লগৰীয়াসকলক মাতি আনিলে আৰু গোপীসকলে তেওঁক মিছাকৈয়ে চোৰধৰা বুলি তেওঁলোককহে দোষাৰোপ কৰিলে। ইপিনে শ্ৰীকৃষ্ণই পুৱাতে খেলিবলৈ গৈ বেলি ভাটি দিয়ালৈকে ঘৰলৈ উভতি নহাত মাতৃ যশোদা অতিশয় চিন্তিত হ'ল আৰু চাৰিওফালে শ্ৰীকৃষ্ণক বিচাৰিবলৈ ধৰিলে। এনেতে চুবুৰীৰ এগৰাকী গোপীৰ মুখেদি শ্ৰীকৃষ্ণৰ বৃত্তান্ত শুনি যশোদাই মনত শান্তি পালে আৰু গোপীগৰাকীৰ সৈতে শ্ৰীকৃষ্ণৰ ওচৰত উপস্থিত হ'লগৈ। সেই সময়ত মাকক কাষত পাই শ্ৰীকৃষ্ণৰ সাহস বাঢ়িল আৰু লগৰ লগৰীয়াৰে সৈতে খেলি থাকোঁতে তেওঁক মিছাকৈয়ে চোৰ ধৰি হাৰাশাস্তি কৰা বুলি মাকৰ ওচৰত অভিযোগ দাখিল কৰিলে। শ্ৰীকৃষ্ণৰ মুখত প্ৰাণপুত্ৰৰ প্ৰতি এনে নিদাৰুণ ব্যৱহাৰ কৰা বুলি জানিব পাৰি যশোদাৰ বৰ খং উঠিল আৰু গোপীসকলক গালি পাৰি শ্ৰীকৃষ্ণক কোলাত লৈ মৰম কৰি পুনৰ সেই ঠাইলৈ নাহিবৰ কাৰণে সকীয়াই দি যশোদা আপোন গৃহলৈ আনন্দমনেৰে যাত্ৰা কৰিলে। নাটখনৰ কাহিনীভাগ চমুকৈ ইমানেই।

মাধৱদেৱৰ চোৰধৰা 'পিম্পৰা গুছোৱা' আৰু 'ভূমি লেটোৱা' তিনিওখন নাটৰ বিষয়বস্তু শ্ৰীকৃষ্ণৰ চৌৰ্যকৰ্মৰ সৈতে জড়িত। নাটকেইখনত মাতৃ পুত্ৰৰ মাজৰ অপত্য স্নেহ আৰু চিৰন্তন মানবীয় অনুভূতিৰ স্ফুৰণ লক্ষ্য কৰা যায়। চোৰধৰা নাটখনি নৃত্যপ্ৰধান আৰু শ্ৰীকৃষ্ণৰ পৰম পুৰুষত্ব প্ৰদৰ্শন কৰাই নাটখনিৰ ঘাই উদ্দেশ্য।

মাধৱদেৱৰ চোৰধৰা নাটৰ কথাবস্তুৰ সৈতে পিম্পৰা গুছোৱা নাটৰ কথাবস্তুৰ ভালেখিনি সাদৃশ্য বিদ্যমান। চোৰধৰা'ৰ দৰে 'পিম্পৰা গুছোৱা'তো শ্ৰীকৃষ্ণই গোৱালীৰ ঘৰত লৱণু চুৰি কৰি খাই ধৰা পৰিছে আৰু উভয়ৰে মাজত পৰস্পৰ কথাৰ কটাকটি হৈছে। কিন্তু বাকচতুৰ শ্ৰীকৃষ্ণক কথাৰে বলে নোৱাৰি গোৱালিনীৰ মুখ বন্ধ হৈছে। অৱশেষত উপায়বিহীনা হৈ গোপীসকলে যশোদাৰ ওচৰত গোচৰ দি শ্ৰীকৃষ্ণক গালি খুৱাইছে আৰু মাকৰ গালিত অসন্তুষ্ট হৈ শ্ৰীকৃষ্ণই অভিমানত জ্বলি উঠিছে আৰু কংসনগৰী মধুপুৰীলৈ পলাই যাব বুলি মাকক ভয় খুৱাইছে।

চোৰধৰাৰ দৰেই পিম্পৰা গুছোৱা নাটৰো মূল ভাগৱত পুৰাণ নহয় লীলাশুকৰ কৃষ্ণ-কৰ্ণামৃত গ্ৰন্থহে। কালিৰাম মেধি ডাঙৰীয়ায়ো নাটখনিৰ ওপৰত 'বিল্বমংগলৰ কৃষ্ণস্তোত্ৰৰ ছাঁ পৰাৰ কথা উল্লেখ কৰিছে।[৫] হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যই এইলানি ৰচনাৰ ওপৰত হিন্দী সাহিত্যৰ বিখ্যাত কৃষ্ণভক্ত কবি সুৰদাসৰ 'সুৰসাগৰ'ৰ প্ৰভাৱ পৰা বুলি অনুমান কৰে।[৬]

৫ মেধি কালিৰাম ঃ অঙ্কাৱলী (সম্পা°) পাতনি।
৬ ভট্টাচাৰ্য হৰিশ্চন্দ্ৰ ঃ অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি পৃঃ ৪৬।

শিশু কৃষ্ণৰ বাললীলাৰ চিত্ৰ বিশ্বাসযোগ্যভাবে মনোগ্ৰাহী ৰূপত উপস্থাপন কৰাতেই নাট্যকাৰৰ সাৰ্থকতা। নাটখনি মহাপুৰুষ মাধৱদেৱৰ কলাত্মক সৃজনী প্ৰতিভাৰ উৎকৃষ্ট নিদৰ্শন।

ভোজন বেহাৰ নাটকৰ মূল ভাগৱতৰ দশম স্কন্ধ। এই স্কন্ধৰে ত্ৰয়োদশ অধ্যায়ত নাটকীয় বিষয়বস্তুৰ অন্তৰ্গত কাহিনীভাগ বৰ্ণিত হৈছে। মাধৱদেৱে কাহিনীভাগৰ নাট্যৰূপ প্ৰদান কৰোঁতে নাটকীয় প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি মূল ঘটনাৰ কিছু সালসলনি ঘটাইছে। মহাপুৰুষ শংকৰদেৱৰ আদৰ্শ অনুসৰণ কৰি মাধৱদেৱে কেইবাখনো নাটক ৰচনা কৰিছিল। কালিৰাম মেধি সম্পাদিত 'অংকাৱলী'ত মাধৱদেৱৰ নামত ভনিতা থকা কেইবাখনো নাট সংকলিত হৈছে। এই কেইখনৰ ভিতৰত কোটোৰা খেলা 'ব্ৰহ্মামোহন 'ভূষণ হৰণ আৰু 'ৰাস ঝুমুৰ উল্লেখযোগ্য। অৱশ্যে অংকাৱলীৰ পাতনিতে তেওঁ নাটকেইখন প্ৰক্ষিপ্ত বুলি মত প্ৰকাশ কৰিছে। প্ৰক্ষিপ্ত বুলি ধৰাৰ মূলতে — (১) এইকেইখন নাটত নান্দীশ্লোক নাই আনকি মাজত আৰু শেষতো কোনোধৰণৰ শ্লোক দেখা নাযায়। কিন্তু সংস্কৃত নাট্যশাস্ত্ৰৰ বিধি অনুসৰি নাটসমূহৰ একো একোটা নান্দী শ্লোকেৰে আৰম্ভ কৰাটো বিধেয়। (২) ব্ৰহ্মামোহনৰ বাহিৰে বাকী আটাইকেইখন নাটত ৰাধা চৰিত্ৰই মুখ্য ভূমিকা গ্ৰহণ কৰিছে। যিহেতু মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মত ৰাধা নাইবা ৰাধা-কৃষ্ণৰ যুগল উপাসনাৰ ব্যৱস্থা নাই, গতিকে মাধৱদেৱৰ নাটতো ৰাধা চৰিত্ৰৰ অৱতাৰণা অসম্ভৱ বুলি কোনো কোনো পণ্ডিতে মতপোষণ কৰে। (৩) ভাষা প্ৰয়োগৰ ক্ষেত্ৰতো নাটকেইখনৰ শালীনতাবোধ আৰু আধ্যাত্মিক গাম্ভীৰ্যৰ পৰিচয় পোৱা নাযায়। 'ৰাস ঝুমুৰা নাটত ৰাধা-কৃষ্ণৰ মধুৰ প্ৰেমলীলাৰ চিত্ৰ প্ৰদৰ্শনেৰে আদিৰস পৰিবেশন কৰা হৈছে। কিন্তু অংকীয়া নাটৰ মূল ভাব শম বা নিৰ্বেদ আৰু ভক্তিৰস প্ৰতিপাদনেই এনে নাটৰ মূল উদ্দেশ্য। কোটোৰা খেলা নাটতো ৰাধাই প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। নাটখনত কোটোৰা খেলাৰ পৰিৱৰ্তে ৰাধা আৰু অন্যান্য গোপীসকলৰ সৈতে কৃষ্ণ আৰু গোপবালকসকলৰ চুপতা চুপতিয়েহে প্ৰাধান্য লাভ কৰিছে। নাটখনত নান্দী আৰু ভটিমা নাই, বৰ্ণনাও ঠায়ে ঠায়ে ৰুচিৰ অনুকূল নহয়। ব্ৰহ্মা মোহন নাটতো নান্দীশ্লোক আৰু অন্যান্য শ্লোক দেখা নাযায়। এই নাটৰ বিষয়বস্তু ভোজন বেহাৰ নাটৰ পৰিপূৰক। ভোজন বেহাৰ'ত আৰম্ভ হোৱা ঘটনাই ক্ৰম পৰিণতি লাভ কৰি এই নাটত পূৰ্ণতা লভিছে। নাটখনত শংকৰদেৱৰ দশমৰ প্ৰভাৱ স্পষ্ট।

ড° সত্যেন্দ্ৰনাথ শৰ্মাই 'ভূষণ হৰণ আৰু 'ব্ৰহ্মামোহন নাটক সন্দেহযুক্ত হ'লেও মাধৱদেৱৰ ৰচনা হোৱাটো সম্ভৱ বুলি অনুমান কৰে। কাৰণ 'ভূষণ হৰণ'ৰ নায়িকা ৰাধা হ'লেও ৰাধা-কৃষ্ণৰ প্ৰেমালিৰ লগৰীয়াহে, প্ৰেমিকা নহয়। নাটখনৰ ভাষাও কিছু পৰিমাণে মাধৱদেৱৰ ভাষাৰ সমগোত্ৰীয়।

মাধৱদেৱৰ নাটসমূহৰ ভিতৰত একমাত্ৰ অৰ্জুন ভঞ্জনেই পূৰ্ণাংগ পৰ্যায়ৰ নাটক। এই নাটত এটি স্বয়ংসম্পূৰ্ণ কাহিনী উপস্থাপন কৰা হৈছে। বাকী কেইখন নাটত একোটি পূৰ্ণ ঘটনাৰ পৰিবৰ্তে একো একোটি ক্ষুদ্ৰ বা খণ্ড কথাবস্তু সংযোজিত হোৱা বাবে এই নাটকেইখনক বুজাবৰ বাবে 'ঝুমুৰা' শব্দটো ব্যৱহাৰ কৰা হৈছে।

নৃত্যগীতৰ প্ৰাধান্যই এইসমূহ নাটৰ জনপ্ৰিয়তাৰ অন্যতম কাৰণ। স্ত্ৰী চৰিত্ৰৰ প্ৰাধান্য মাধৱদেৱৰ নাটকেইখনিৰ এটি মন কৰিবলগীয়া বৈশিষ্ট্য। নাটকেইখনৰ নায়ক শিশু কৃষ্ণ হ'লেও অন্যান্য চৰিত্ৰসমূহৰ সৰহ সংখ্যকেই নাৰী।

অনন্ত কন্দলি

অনন্ত কন্দলি শংকৰী যুগৰ এগৰাকী অতি প্ৰভাৱশালী কবি আছিল। 'বৃত্ৰাসুৰ বধ' কাব্যত সন্নিবিষ্ট তেওঁৰ আত্মপৰিচয়মূলক ভণিতাৰ পৰা জনা যায় যে তেওঁলোকৰ পূৰ্বপুৰুষ আছিল বাণী ঠাকুৰ। তেওৰ পুত্ৰ ধ্বজে বৌতা নগৰ নিবাসী শ্ৰীচন্দ্ৰ কন্দলিৰ কন্যা বনমালাক বিয়া কৰাই পূৰ্বৰ বাসস্থান কপিলী নৈৰ পাৰৰ পৰা উঠি আহি পত্নীসহ হাজো অঞ্চলত স্থায়ীভাৱে বসতি কৰিবলৈ লয়। পাছত তেওঁ তাতে সত্ৰ প্ৰতিষ্ঠা কৰি 'ভাগৱত চৰ্চাত মনোনিবেশ কৰে আৰু ৰত্নপাঠক ৰূপে পৰিচিত হয়। তেওঁ হাজোৰ মাধৱ দেৱালয়ৰ পাঠক আছিল। এই ৰত্ন পাঠকৰে চাৰি পুত্ৰৰ ভিতৰত জ্যেষ্ঠ পুত্ৰ শ্ৰীহৰিচৰণ বা শ্ৰীচন্দ্ৰ ভাৰতীয়েই পৰৱৰ্তী কালত অনন্ত কন্দলি নামেৰে পৰিচিত হয়। পৰৱৰ্তী কালত তেওঁ ভাগৱতাচাৰ্য ভাগৱত ভট্টাচাৰ্য ইত্যাদি বিভূতিৰে বিভূষিত হয়। সংস্কৃত সাহিত্যৰ অগাধ ব্যুৎপত্তি থাকিলেও কবিয়ে স্ত্ৰী-শূদ্ৰ সকলোৰে বুজিব পৰাকৈ নিজ ভাষাত কাব্যাদি ৰচনা কৰিবলৈ লয়।

'নাচাহিলা কাব্যকোষ কাতো নাতি পৰিতোষ
তৰ্কত কৰ্কশ ভৈলা মতি।
একে ভাগৱত শাস্ত্ৰ চিত্তক তোষিল মোৰ
তাতেসে দ্ৰৱিল মোৰ ৰতি।।
শ্লোক সংস্কৃতে আমি লিখিবাক ভাল জানি
তথাপি কৰিলো পদবন্ধ।
স্ত্ৰী শূদ্ৰ আদি যত জানোক পৰম তত্ত্ব
শ্ৰৱণত মিলয় আনন্দ।।'

অনন্ত কন্দলিয়ে নব বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি মহাপুৰুষ শংকৰদেৱৰ অনুমতি লৈ দশমস্কন্ধ ভাগৱতৰ উত্তৰাৰ্দ্ধৰ পদ ভাঙনি কৰে। কন্দলিৰ প্ৰতি থকা অগাধ বিশ্বাসৰ কাৰণেই শংকৰদেৱে তেওক এই কামত নিয়োজন কৰা বুলি অনুমান কৰিব পাৰি। অনন্ত কন্দলিৰ নামত ভালেমান গ্ৰন্থ পোৱা যায় যদিও বিভিন্ন দিশ পৰ্যালোচনা কৰি পণ্ডিতসকলে 'কুমৰ হৰণ কাব্য 'বৃত্তাসুৰ বধ কাব্য 'জীৱতুতি বৈষ্ণৱামৃত ৰামায়ণ আৰু শেষ দশম'কেই তেওঁৰ ৰচনা বুলি ঠিৰাং কৰিছে। আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীয়ে 'কল্পদ্ৰুম আৰু 'নীতিৰত্ন নামৰ সংস্কৃত পুথি দুখনিও অনন্ত কন্দলিৰ দ্বাৰা ৰচিত বুলি ঠাৱৰ কৰিছে।

বিষয়বস্তু অনুসৰি অনন্ত কন্দলিৰ ৰচনাৱলীক তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাব পাৰি —

(ক) কাব্য — কুমৰ হৰণ কাব্য আৰু বৃত্তাসুৰ বধ।

(খ) ধৰ্মতত্ত্ব সম্পৰ্কীয় — জীৱতুতি আৰু বৈষ্ণৱামৃত।

(গ) ভাগৱত পুৰাণৰ অনুবাদ — দশম মধ্য আৰু শেষ খণ্ড।

(ঘ, ৰামায়ণৰ অনুবাদ — অযোধ্যা কাণ্ড অৰণ্য কাণ্ড কিষ্কিন্ধ্যা কাণ্ড সুন্দৰা কাণ্ড আৰু লংকা কাণ্ড।

(ঙ) স্মৃতিশাস্ত্ৰ সম্পাদনা — নীতিৰত্ন আৰু কল্পদ্ৰুম।

? ৰহৰণ কাব্য ঃ

কুমৰহৰণ কাব্য অনন্ত কন্দলিৰ কাব্য সৃষ্টিৰ প্ৰথম প্ৰয়াস যেন অনুমান হয়। ইখনি কাব্যত কবিয়ে চন্দ্ৰভাৰতী বুলি নিজৰ পৰিচয় দিছে।

কুমৰ হৰণ কাব্যৰ মূল কাহিনীভাগ ভাগৱত পুৰাণ (১০/৬২-৬৩) হৰিবংশ (২/১১৬-১২৮) আৰু বিষ্ণু পুৰাণত (৫/৩২-৩৩) পোৱা যায়। ভাগৱত পুৰাণ আৰু বিষ্ণু পুৰাণত উক্ত কাহিনীভাগ সংক্ষিপ্ত যদিও হৰিবংশত ইয়াৰ বিস্তৃত বৰ্ণনা সন্নিবিষ্ট হৈছে। কবিয়ে হৰিবংশ আৰু ভাগৱত পুৰাণৰ কথাবস্তুৰ আধাৰত কুমৰ হৰণ কাব্যৰ কাহিনীভাগ ৰচনা কৰিছে।

কুমৰহৰণ কাব্য শংকৰী যুগৰ কবি চন্দ্ৰভাৰতীৰ এখনি অতি জনপ্ৰিয় কাব্য। কাব্যখনিৰ এঠাইত তেওঁ লিখিছে —

'কুমৰ হৰণ কথা অমৃত শৰূপে।
শ্ৰীচন্দ্ৰভাৰতী পদ কৰিলা প্ৰকাশে।'

'কুমৰহৰণ কাব্যৰ মূল কাহিনীভাগ ভাগৱত পুৰাণ (১০/৬২-৬৩) 'হৰিবংশ (২/১১৬-১২৮) আৰু 'বিষ্ণু পুৰাণ (৫/৩২-৩৩)-ত পোৱা যায়। অৱশ্যে হৰিবংশৰ

কাহিনীভাগ তুলনামূলকভাৱে কিছু বিস্তৃত। কবিয়ে হৰিবংশ আৰু ভাগৱত পুৰাণ উভয়ৰে কাহিনীৰ সমন্বয়ত কাব্যখনিৰ কাহিনীভাগ নিৰ্মাণ কৰি উলিয়াইছে। এই সম্পৰ্কত বিশিষ্ট সমালোচক সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে —

'চন্দ্ৰভাৰতীয়ে তেওঁৰ কাব্য-কাহিনীৰ পৰিকল্পনা কৰোঁতে কেৱল ভাগৱতৰ ওপৰতে নিৰ্ভৰ কৰা নাই। বিভিন্ন উৎসৰ পৰা উপাদান সংগ্ৰহ কৰি নিজৰো কথা তাত সংযোগ কৰি কাহিনীটোক ৰূপ দিছে।'[৭]

অৱশ্যে শংকৰদেৱে ৰুক্মিণী হৰণ কাব্য ৰচনা কৰোঁতে 'হৰিবংশ আৰু 'ভাগৱত পুৰাণ'ৰ কাহিনী একত্ৰে সংযোগ কৰাৰ কথা মুক্তভাৱে স্বীকাৰ কৰাৰ দৰে অনন্ত কন্দলিয়ে হৰিবংশৰ কথা ক'তো উল্লেখ কৰা নাই। তথাপিও কাব্যৰ কাহিনীভাগ বিশ্লেষণ কৰিলে কবিয়ে হৰিবংশৰ পৰা সমল আহৰণ কৰা কথাটো স্পষ্টভাৱে দৃষ্টিগোচৰ হয়। এই ক্ষেত্ৰত উষা পৰিণযৰ প্ৰভাৱৰ কথাও অস্বীকাৰ কৰিব নোৱাৰি। কিয়নো হৰিবংশ আৰু ভাগৱত পুৰাণত নথকা ভালেমান নতুন কথা কাব্যখনিত সংযোজিত হৈছে। ইযাৰে সকলোখিনি কবিৰ মৌলিক প্ৰতিভা বুলিও ক'ব নোৱাৰি। মন কৰিবলগীয়া কথা যে অনন্ত কন্দলিয়ে 'কুমৰ হৰণ কাব্য ৰচনা কৰাৰ বহু আগতেই পীতাম্বৰ কবিয়ে 'উষা পৰিণয় কাব্য ৰচনা কৰে। অনন্ত কন্দলিয়ে কুমৰ হৰণ কাব্য ৰচনা কৰোতে নিশ্চয় 'উষা পৰিণয় কাব্য চকুৰ আগত ৰাখিছিল যাৰ বাবে কুমৰ হৰণ কাব্যৰ বিষযবস্তু চৰিত্ৰ সৃষ্টি আৰু পৰিবেশ ৰচনাৰ বিভিন্ন দিশত কুমৰ হৰণ কাব্যৰ সৈতে উষা পৰিণয়ৰ মিল চকুত পৰে।

'হৰিবংশ'ত কুমৰ হৰণৰ কাহিনীভাগ বৈশম্পায়ন মুনিয়ে ৰজা জন্মেজয়ৰ আগত বৰ্ণনা কৰিছে। আনহাতে শ্ৰীচন্দ্ৰ ভাৰতীয়ে ভাগৱত পুৰাণৰ আদৰ্শত 'কুমৰ হৰণ কাব্য'ৰ কাহিনীভাগ শুকদেৱৰ মুখেৰে পৰীক্ষিতৰ আগত কোৱাইছে —

হেন শুনি শুকমুনি ব্যাসৰ তনয।
পৰীক্ষিত নৃপতিক বুলিলা বিনয়।।
শুনিয়ো নৃপতি ইটো অতি বিতোপন।
সবিশেষে কহো কথা কুমৰ হৰণ।।

হৰিবংশৰ কাহিনী অনুসাৰে বাণ কাব্যখনৰ কেন্দ্ৰীয় চৰিত্ৰ। বাণৰ দৰ্প-অহংকাৰ বল-বিক্ৰম শিৱভক্তি আদিয়ে কাব্যখনত প্ৰাধান্য লাভ কৰিছে। হৰিবংশৰ মতে শিৱৰ দ্বাৰা বৰপ্ৰাপ্ত বাণাসুৰ প্ৰবল পৰাক্ৰমী হৈ তেওঁৰ সমকক্ষ প্ৰতিযোদ্ধা বিচাৰি অতৃপ্ত হৈ পৰিছে।[৮]

---

৭ *শৰ্মা সত্যেন্দ্ৰনাথ : অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ, পৃঃ ১৬২।*

৮ *'ন দেবা ন চ গন্ধৰ্বা ন যক্ষা না পি পন্নগাঃ।*
তস্য যুদ্ধ ব্যতিষ্ঠন্ত দেব দেৱস্য তেজসা।।

সেয়ে তেওঁ শংকৰৰ পৰা জানিব বিচাৰিছে তেও কেতিয়াকৈ যুদ্ধৰ মুখামুখি হ'বলৈ সমৰ্থ হ'ব

কোন দিনা যুদ্ধ পাইবো তাক কহিয়োক।
আচোক পুৰুষ মোক হাসয়, স্ত্ৰী লোক।।'

সেয়ে উপায়ন্তৰ হৈ বাণে অৱশেষত শিৱকেই প্ৰতিযোদ্ধা হিচাপে কামনা কৰিছে —

'তুমি সম পুৰুষ আসোক মোৰ থাবে।
তেবে হাজাৰেক কৰ সাফল্য আম্মাৰে।।

এনে বৰ্ণনাৰ মূলতে ভাগৱত পুৰাণৰ প্ৰভাৱ থাকিব পাৰে। কুমৰ হৰণ কাব্যত কবিয়ে বাণৰ বংশ পৰিচয়ৰ পাছত যথাক্ৰমে উষাৰ জন্ম যৌৱন কাল অগ্নিগড়ত উষাৰ নিৰ্বাসন হৰ গৌৰীৰ বৰপ্ৰাপ্তি স্বপ্ন দৰ্শনৰ যোগেদি পতিলাভ আদি কাৰ্য সংঘটিত হোৱাৰ পাছতহে শিৱৰ প্ৰতিযোদ্ধা কামনাৰ কথা উল্লেখ কৰিছে। এইক্ষেত্ৰত কবিয়ে বাণৰ শিৱভক্তিৰ বৰ্ণনাত ভাগৱত পুৰাণৰ ওপৰত নিৰ্ভৰ কৰিছে যদিও ভালেমান দিশত মৌলিকত্ব প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে।

কুমৰ হৰণ কাব্যত উষা চৰিত্ৰই প্ৰাধান্য লাভ কৰিছে আৰু উষাৰ ৰূপ-যৌৱন অনিৰুদ্ধৰ সৈতে গন্ধৰ্ব বিবাহ আদিৰ যোগেদি উষা চৰিত্ৰক তদানীন্তন অসমীয়া সমাজ জীৱনৰ আদৰ্শেৰে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে। ভাগৱত পুৰাণত মাত্ৰ উষাৰ নামহে আছে 'তস্যোষা নামদুহিতা স্বপ্নে প্ৰাদুম্নিনা ৰতিম্। কিন্তু কবি চন্দ্ৰ ভাৰতীয়ে এই কথাৰ আধাৰতে স্বকীয় মৌলিক প্ৰতিভাৰ সংযোগ সাধনেৰে কাব্যখনিত উষাৰ ৰূপ যৌৱনৰ মনোৰম চিত্ৰ অংকন কৰিছে

'পূৰ্ণিমাৰ শশীসম বদন প্ৰকাশে।
ভুলি যায় কামানল মুচুকিয়া হাসে।।
অধৰক বিম্বফল বুলিবাক পাৰি।
দশন পাকতি যেন মুকুতাৰ সাৰি।।
হৃদয়ত দুই স্তন দেখি কৌতুহল।
যেন অভিনৱ দাড়িম্বৰ দুই ফল।।

এনে ৰূপ-সৌন্দৰ্যৰ বৰ্ণনা 'ভাগৱত পুৰাণ অথবা 'হৰিবংশ এখন কাব্যতো পাবলৈ নাই।

হৰিবংশৰ বৰ্ণনা মতে চিত্ৰলেখা অতিমানৱী অপ্সৰা। কিন্তু ভাগৱত পুৰাণৰ মতে তেওঁ বাণৰ মন্ত্ৰী কুম্ভাণ্ডৰ জীয়াৰী ঃ

"বাণস্য মন্ত্ৰী কুম্ভাণ্ড শ্চিত্ৰলেখাচ তৎসুতা।
সখ্যপচ্ছৎ সখীমুষাং কৌতুহল সমন্বিতা।"[৯]

অৰ্থাৎ বাণৰ জীয়াৰী উষাৰ সখী চিত্ৰলেখা তেওঁৰ মন্ত্ৰী কুম্ভাণ্ডৰ জীয়াৰী যিয়ে উষাৰ পৰা সপোনৰ ৰাজকুমাৰৰ কথা জানিবলৈ বিচাৰিছে। ইয়াৰ উত্তৰত উষাই শ্যাম বৰণৰ এগৰাকী মোহনীয ব্যক্তিয়ে তেওৰ অধৰ মধু পান কৰি যোৱা বুলি উল্লেখ কৰিছে।

কিন্তু হৰিবংশৰ মতে চিত্ৰলেখা কুম্ভাণ্ডৰ জীয়াৰী নহয় কুম্ভাণ্ডৰ জীয়াৰীৰ নাম ৰামাহে। চন্দ্ৰ ভাৰতীয়ে চিত্ৰলেখা আৰু ৰামাক একে কৰি পেলাইছে। কুমৰ হৰণ কাব্যত চিত্ৰলেখা এগৰাকী বিচিত্ৰ প্ৰতিভাৰ অধিকাৰিণী — তেও গীত গায় নাচে চিত্ৰ আঁকে আৰু মাযা বিদ্যাতো পাৰ্গত। কাব্যত চিত্ৰলেখাই নিজেই উল্লেখ কৰিছে —

সাগৰ তৰিবো কুমৰ হৰিবো
মায়া জানো বহুতৰ।
যাইবো মায়া কৰিবিষ্ণুৰ নগৰী
কেহো নিচিনিবে মোক।

কাব্যত চিত্ৰলেখাই নাৰদৰ পৰা হৰণলুকি বিদ্যা আহৰণ কৰি উক্ত বিদ্যাৰ যোগেদি কুমৰ হৰণ কৰাৰ বৰ্ণনা পোৱা যায়

'হেন শুনি চিত্ৰলেখি ভৈলা ৰংগমন।
হাতেত ঔষধি লৈয়া মৰ্দ্দিলা তেখন।।
দুইবো কঁপালে ফোঁট দিলা যে ৰংগ কৰি।
তেতিক্ষণে ভৈলা দুয়ো ভ্ৰমৰ ভ্ৰমৰী।।
পৃষ্ঠভাগে তাই কুমৰক তুলি লৈলা।
কুম্ভাণ্ডৰ জালে দুয়ো বাজ হৈয়া গৈলা।।
উৰ্দ্ধমুখী কৰি উৰিলেক ৰথগানে।
গগণে চলিলা যেন দেৱৰ বিমানে।।' ইত্যাদি।

অৱশ্যে হৰিবংশত হৰণলুকি বিদ্যাৰ পৰিবৰ্তে তামসী বিদ্যাৰ কথাহে উল্লেখ কৰিছে।[১০]

হৰিবংশৰ মতে উষা অনিৰুদ্ধৰ গুপ্ত প্ৰণয়ৰ কথা বাণৰজাই পৰীয়া বা চৰৰ যোগেদি জানিবলৈ সক্ষম হৈছিল। আনহাতে পীতাম্বৰ কবিয়ে উষা পৰিণয়ত কোকিলা নামৰ এগৰাকী দাসীৰ অৱতাৰণা কৰি তেওঁৰ যোগেদি ৰজাক এই গুপ্ত সম্ভেদ প্ৰদান

---

৯ ভাগৱত পুৰাণ ১০/৬২/১৪।
১০ হৰিবংশ ২/১১৯।

কৰে। কিন্তু পীতাম্বৰৰ কোকিলা বুঢ়ীৰ আদৰ্শত চন্দ্ৰভাৰতীয়ে কুজী বুঢ়ীৰ অৱতাৰণা কৰি কুমৰ হৰণ কাব্যত হাস্যৰসৰ সৃষ্টি কৰিছে।

হৰিবংশত হৰ পাৰ্বতীৰ পৰা বাণাসুৰৰ বৰ লাভৰ পিছত মন্ত্ৰী কুম্ভাণ্ডৰ পৰামৰ্শ বাণৰ উদণ্ড আচৰণ মৈৰাধ্বজ ভাগি পৰা ইত্যাদিৰ দীঘলীয়া বৰ্ণনা আছে যদিও কুমৰ হৰণ কাব্যত এইবোৰ ঘটনা পৰিহাৰ কৰা হৈছে।

হৰিবংশত বাণৰ চৰিত্ৰৰ প্ৰাধান্যৰ বিপৰীতে উষা পৰিণয় আৰু কুমৰ হৰণ কাব্যত উষা চৰিত্ৰই প্ৰাধান্য লাভ কৰিছে।

সপোনৰ স্বামীক বিচাৰি বিষাদ বিমনা উষাক চিত্ৰলেখাই সাতদিনৰ ভিতৰত স্বামীক আনি দিয়াৰ প্ৰতিশ্ৰুতি হৰিবংশত আছে যদিও ভাগৱত পুৰাণত তেনে উল্লেখ নাই। 'কুমৰ হৰণ'ত চিত্ৰলেখাই উষাক সপোনৰ স্বামী আনি দিব বুলি প্ৰতিশ্ৰুতি দিছে এনেদৰে —

'চিত্ৰলেখি বোলে সখি চিন্তা এৰিয়োক।
সপোনৰ স্বামী মঞি আনি দিবো তোক।।

সেইবাবেই বাণীকান্ত কাকতিয়ে লিখিছে যে —

'চন্দ্ৰভাৰতীৰ এই মৌলিক উদ্ভাৱনৰ পৰিণতিস্বৰূপে উষা চৰিত্ৰ 'হৰিবংশ বা 'ভাগৱত পুৰাণ'তকৈ অনেক পৰিমাণে উজ্বল আৰু স্পষ্ট হৈছে। চিত্ৰপট অংকনৰ জৰিয়তে কবিয়ে পাঠক শ্ৰোতাৰ অন্তৰত নাটকীয় গতি আৰু উৎকণ্ঠা সৃষ্টি কৰিবলৈ সক্ষম হৈছে। দ্বিতীয়তে অসমীয়া কবিৰ উষা চৰিত্ৰত উদ্যানৰ লতাৰ সৌন্দৰ্য বিদ্যমান। তেওঁ আদৰুৱা আজলী আৰু সখীগতপ্ৰাণা। হৰিবংশৰ নিচিনাকৈ কুমৰ হৰণ কাব্যৰ উষাই কুমাৰী ব্ৰত ভংগ্ন হোৱা বাবে দুখ কৰা নাই, কাৰণ আজলী কিশোৰী উষা চৰিত্ৰত এনে আত্মবিচাৰ শোভা নাপায়।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে শ্ৰীচন্দ্ৰ ভাৰতীয়ে কুমৰ হৰণ কাব্য ৰচনা কৰোতে সততে পীতাম্বৰ কবিৰ উষা পৰিণয়ৰ প্ৰতি চকু ৰাখিছিল। অৱশ্যে কবিয়ে কাব্যৰ কাহিনীভাগ ৰসাল কৰি তুলিবৰ কাৰণে ঠায়ে ঠায়ে মৌলিক কল্পনাৰ সহায় লৈছে আৰু তাৰ যোগেদি কাব্যখনিক নিটোল ৰূপ প্ৰদান কৰিছে।

উষাৰ ৰূপৰ বৰ্ণনা অগ্নিগড়ত অৱৰোধ, হৰ-পাৰ্বতীৰ বৰপ্ৰাপ্তি আদি কবি চন্দ্ৰ ভাৰতীৰ নিজা উদ্ভাৱনী শক্তিৰ পৰিচায়ক যাৰ যোগেদি কাব্যৰ বিষয়বস্তু অধিক ৰমণীয় হৈ উঠিছে।

উষা পৰিণয় আৰু ভাগৱতৰ কাহিনীৰ শেষত চিত্ৰলেখাৰ কোনো সম্ভেদ পোৱা নাযায়। হৰিবংশত উষা অনিৰুদ্ধৰ বিবাহ সম্পন্ন হোৱাৰ পিছত চিত্ৰলেখা স্বৰ্গলৈ যোৱা বুলি দেখুওৱাৰ বিপৰীতে শ্ৰীচন্দ্ৰভাৰতীয়ে যাদব কোঁৱৰ গদৰ লগত চিত্ৰলেখাৰ বিয়া হোৱা দেখুৱাই কুমৰ হৰণৰ কাহিনীভাগত নতুনত্ব প্ৰদান কৰিছে।

চিত্ৰলেখাই কুমৰ হৰণ কৰিবলৈ যাওঁতে যাত্ৰাপথত নাৰদক লগ পাই তেওঁৰ আগত মায়া প্ৰদৰ্শন কৰা, অনিৰুদ্ধই ৰতিকাতৰ অৱস্থাত চিত্ৰলেখাক সুৰতি ভিক্ষা কৰা আৰু চিত্ৰলেখাৰ সংগীতত মুগ্ধ হৈ কামভাৱৰ পৰা নিস্তাৰ লাভ কৰা ইত্যাদি কল্পিত ঘটনাও কবিয়ে কাব্যৰ অংগ স্বৰূপে কুমৰ হৰণত সংযোগ কৰি স্বকীয় কল্পনা প্ৰতিভাৰ পৰিচয় দিছে।

কাব্যখনত সংযোগ কৰা কুঁজী-নাপিত-গণক আদিৰ কাৰ্যকলাপে কাব্যখনিৰ স্বাভাৱিকতা বৃদ্ধি কৰিছে আৰু এনে বৰ্ণনাই কাব্যখনিক অসমীয়া সমাজৰ অধিক কাষ চপাই নিবলৈ সক্ষম হৈছে।

ভাগৱত পুৰাণৰ দশম স্কন্ধৰ ৬২ ৬৩ অধ্যায়ৰ কাহিনীভাগৰ লগতে পীতাম্বৰ কবিৰ উষা পৰিণয় হৰিবংশৰ কিছু উপাদান আৰু স্বকীয় কল্পনাৰ মনোৰম সংযোগেৰে কবিয়ে কুমৰ হৰণ কাব্যখনি প্ৰস্তুত কৰি উলিযাইছে।

হৰিবংশত উষাই অনিৰুদ্ধক সপোনত দেখাৰ অনুৰূপে 'কুমৰ হৰণ কাব্য'তো ভবানীৰ বৰ লাভ কৰি সপোনত অনিৰুদ্ধক দেখা পাই উষা ৰতিবিহ্বল হোৱা বৰ্ণনা অতি জীৱন্ত ৰূপত দাঙি ধৰা হৈছে। পাছত উষাই চিত্ৰলেখাক সপোনৰ স্বামীক বিচাৰি দিবলৈ তেওক খাটনি ধৰিছে। উষাৰ মনৰ অৱস্থা বুজি পাই চিত্ৰলেখাই উষাক বুজনি দিছে আৰু ত্ৰিভুৱনৰ সকলোবোৰ পুৰুষৰ ছবি আঁকি দিবলৈ সম্মতি প্ৰকাশ কৰিছে। অৱশেষত অনিৰুদ্ধৰ ছবিখন দেখি তেওঁৰ অবিহনে আত্মহত্যা কৰিব বুলি কোৱাত চিত্ৰলেখাই তেওঁক সান্ত্বনা দি ক'লে

'চিত্ৰলেখি বোলে সখি চিন্তা এড়িয়োকে।
সপোনৰ স্বামী মঞি আনি দিব তোকে।'

এনেদৰে কুমৰ হৰণৰ কাহিনীভাগ কবিয়ে মূলতকৈ জীৱন্ত ৰূপত দাঙি ধৰিবলৈ সক্ষম হৈছে।

ছন্দ আৰু অলংকাৰৰ সাৰ্থক প্ৰয়োগে কুমৰ হৰণ কাব্যৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। কাব্যখনৰ চৰিত্ৰসমূহো স্বকীয় বৈশিষ্ট্যেৰে উজ্জ্বল।

খ) বৃত্ৰাসুৰ বধ ঃ

ভাগৱত পুৰাণৰ ষষ্ঠ স্কন্ধৰ অন্তৰ্গত সপ্তম অধ্যায়ৰ পৰা উনবিংশ অধ্যায়ৰ কাহিনীৰ অৱলম্বনত বৃত্ৰাসুৰ বধ কাব্যখনি ৰচনা কৰা হৈছে। মূলৰ কাহিনীভাগত বিশ্বৰূপ উপাখ্যান নাৰায়ণ ধৰ্মোপদেশ ভগৱৎ উপদেশ বৃত্ৰাসুৰ বধ ইন্দ্ৰ বিজয় আৰু চিত্ৰকেতু উপাখ্যান আদি সন্নিবিষ্ট কৰা হৈছে। কাব্যখনিৰ কাহিনী বিকাশ চৰিত্ৰ সৃষ্টি আৰু পৰিস্থিতি চিত্ৰণত কবিয়ে মূলৰ পৰা বিশেষ আঁতৰি যোৱা নাই। বৃত্ৰাসুৰৰ

পৌৰুষত্ব আৰু শৌৰ্য-বীৰ্য জাত্যাভিমানী ইন্দ্ৰৰ অহংকাৰ আদিৰ চমকপ্ৰদ ৰূপায়ণত কবিৰ কল্পনা অব্যাহত আছে। কবিয়ে দধীচি মুনিৰ অস্থিৰে নিৰ্মিত বজ্ৰৰ দ্বাৰা ইন্দ্ৰই কেনেদৰে বৃত্ৰাসুৰক বধ কৰিলে তাৰ মনোৰম বৰ্ণনা কাব্যখনিৰ মাজেদি দাণ্ডি ধৰিছে। ঠাইবিশেষে মূলৰ সৌন্দৰ্য অব্যাহত ৰাখিও কবিয়ে কৃষ্ণভক্তিৰ মাহাত্ম্যৰ কথা স্বকীয়ভাৱে সংযোজন কৰিছে। এনে বৰ্ণনাই কাব্যখনিৰ আভ্যন্তৰীণ সৌন্দৰ্য বৃদ্ধি কৰিছে। কাব্যখনিত বীৰ কৰুণ বীভৎস অদ্ভুত ভয়ানক প্ৰভৃতি বিবিধ ৰসৰ উদ্ৰেক হ'লেও সকলোবোৰ ৰসেই ভক্তিৰসৰ পৰিপুষ্টিত সহায় কৰিছে।

ৰামায়ণ ঃ

অনন্ত কন্দলিয়ে বাল্মিকীকৃত সপ্তকাণ্ড ৰামায়ণৰ পদ ভাঙনি কৰিছিল যদিও বৰ্তমানলৈকে তেওঁৰ দ্বাৰা ৰচিত ৰামায়ণৰ তিনিটা কাণ্ডহে পোৱা গৈছে। মাধৱ কন্দলিৰ দ্বাৰা অনূদিত এখন ৰামায়ণ থকা সত্ত্বেও কি কাৰণেনো অনন্ত কন্দলিয়ে ৰামায়ণৰ অনুবাদ কৰ্মত লিপ্ত হ'বলগীয়া হ'ল এই বিষয়ে উল্লেখ কৰি তেও লিখিছে

'মাধৱ কন্দলি বিৰচিলা ৰামায়ণ।
তাক শুনি আমাৰ কৌতুক কৰে মন।
ৰামৰ সামান্য কথা গুণ যথাৰেত।
ভজনীয় গুণ যত নৈভৈল ৰেকত।।
এতেকে যতন কৰো ভকতিৰ পদে।
নুবুলিব নিন্দা সদা শুনা সভাসদে।।
সাক্ষাতে পৰম ব্ৰহ্ম জানিবা শ্ৰীৰাম।
আন চিন্তা তেজি তান ধৰা গুণ নাম।।'

গতিকে দেখা যায় যে অনন্ত কন্দলিয়ে ৰামচন্দ্ৰক পৰমব্ৰহ্ম ৰূপত প্ৰতিপাদন কৰিবৰ কাৰণে ভাগৱত পুৰাণৰ উপাদানৰ সংযোগ কৰি ৰামায়ণখন ভক্তিৰ অনুকূল ৰূপত অনুবাদ কৰিছিল। কিয়নো অনন্ত কন্দলি অকল কবিয়ে নহয়, তেও এগৰাকী ভক্তও। কবিৰ ভাষাত —

'ৰামায়ণ কথা পদে নিবন্ধিলো
ভাগৱতে চৰ্চা কৰি।
হৰি কথাবিনে দুৰ্ঘোৰ কলিত
তৰিতে কেহো নপাৰি।।'

অনন্ত কন্দলীয়ে ৰামৰ ভজনীয় গুণ ব্যক্ত কৰাৰ প্ৰয়াস কৰা কাৰণেই নবীনচন্দ্ৰ শৰ্মাই অনন্ত কন্দলিৰ ৰামায়ণক 'মাধৱ কন্দলি ৰামায়ণৰ ভক্তিমূলক সংস্কৰণ' আখ্যা

দিছে। গতিকে অনুমান কৰিব পাৰি যে অনন্ত কন্দলি অনুবাদৰ ক্ষেত্ৰত মাধৱ কন্দলিৰ ৰামায়ণৰ পৰা বিশেষ আঁতৰি যোৱা নাই। কাহিনী বৰ্ণনাৰ ক্ষেত্ৰত অনন্ত কন্দলি মাধৱ কন্দলিৰ ৰামায়ণৰ কেৱল ভক্তিতত্ত্ব প্ৰতিপাদনৰ ক্ষেত্ৰত নতুনকৈ গুৰুত্ব দিছিল। অসমীয়া ভাষাত ৰচিত ৰামায়ণত ভাগৱত পুৰাণৰ উপাদানৰ সংযোগ তথা ভক্তিতত্ত্বৰ সংমিশ্ৰণ ঘটোৱা কবি হিচাপে অনন্ত কন্দলিয়েই প্ৰথম।

ভাগৱতৰ অনুবাদ ঃ

শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা অনুপ্ৰাণিত হৈ অনন্ত কন্দলিয়ে ভাগৱত পুৰাণৰ দশম স্কন্ধৰ (৪৮ ৯০ অধ্যায়) অনুবাদ কৰে। শংকৰদেৱে দশম স্কন্ধৰ আৰম্ভণিৰ পৰা ৪৭ শ অধ্যায় অনুবাদ কৰে আৰু পিছৰছোৱা অনন্ত কন্দলিক অনুবাদ কৰিবলৈ দিয়ে। শেষ দশমত কবিয়ে মহাপুৰুষ শংকৰদেৱৰ গুণ-গৰিমা বৰ্ণনা কৰি লিখিছে

'আছিলা কায়স্থ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰ।
তেহো ভাগৱত কথা ৰচিলা সুন্দৰ।।
যাত হন্তে ভৈলা কৃষ্ণ কথাৰ প্ৰসিদ্ধি।
জানিলেক লোকে ভকতিসে নৱ নিধি।।
সিটো মহন্তৰ কত কহিবো মহত।
যাৰ কৃষ্ণকথা গীতে ব্যাপিলে জগত।।
নামত কায়স্থ মহা হৰিত ভকত।
কৃষ্ণ স্মৰি মৰি স্থিত ভৈলা বৈকুণ্ঠত।।

গতিকে বুজা যায় যে কন্দলিৰ দশমৰ অনুবাদ শেষ হোৱাৰ আগেয়েই মহাপুৰুষ শংকৰদেৱ বৈকুণ্ঠগামী হয়। মহাপুৰুষ শংকৰদেৱে ভাগৱতৰ কথাবস্তু আত্মসাৎ কৰি সুমিষ্ট ভাষাৰে পদ ৰচনা কৰাৰ দৰেই অনন্ত কন্দলিয়েও তেওঁৰ আৰ্হি অনুসৰণ কৰি ভাগৱতৰ অনুবাদত আত্মনিয়োগ কৰিছিল। সেয়ে কন্দলিৰ অনুবাদত ভক্তিভাৱৰ গভীৰতা সততে লক্ষ্য কৰা যায়। কবিয়ে অসমীয়া জনৰুচিৰ প্ৰতি লক্ষ্য ৰাখি ঠাই বিশেষে আন ঠাইৰ পৰাও উপাদান আনি কাব্যত সংযোগ কৰিছে। এই সম্পৰ্কত কবিৰ নিজস্ব উক্তি প্ৰণিধানযোগ্য

'ভাৱতৰ কথা কিছু কিছু এথা
গাম্থিলো বিচিত্ৰ কৰি।
গংগা যমুনাৰ জল যেন তুলি
থৈলো এক ঘটে ভৰি।।'

গতিকে দেখা যায় যে দশম স্কন্ধৰ অনুবাদত কবিয়ে ঠাইবিশেষে মহাভাৰতৰ উপাদানো সংযোগ কৰিছে।

বৈষ্ণৱামৃত আৰু জীৱ স্তুতি ঃ

এই দুখনি কবিৰ গহীন বিষয়ক ক্ষুদ্ৰ পৰিসৰৰ গ্ৰন্থ। দুয়োখনেই সংগ্ৰহ পুথি (Compilation)। প্ৰথমখন গ্ৰন্থত কৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনৰ মাধ্যমেৰে বিভিন্ন বৈষ্ণৱ গ্ৰন্থত বিবৃত ভক্তৰ লক্ষণ প্ৰকৃত বৈষ্ণৱৰ লক্ষণ গুৰু মাহাত্ম্য কৃষ্ণ নামৰ ফল প্ৰভৃতি প্ৰয়োজনীয় বিষযসমূহ আলোচনা কৰা হৈছে। দ্বিতীয়খন গ্ৰন্থত জীৱৰ মুক্তি সম্পৰ্কীয় কথাখিনি ভাগৱত পুৰাণৰ তৃতীয় স্কন্ধৰ (৩/৩০-৩১) কাহিনীৰ আধাৰত উপস্থাপন কৰা হৈছে।

নীতিৰত্ন আৰু কল্পদ্ৰুম ঃ

অনন্ত কন্দলিৰ দ্বাৰা ৰচিত এই দুখনি কবিৰ স্মৃতি নিবন্ধৰ সংকলন। কবিয়ে বিভিন্ন পুৰাণ উপনিষদৰ পৰা কল্পদ্ৰুমৰ শ্লোকসমূহ সংগ্ৰহ কৰিছে।

উপসংহাৰ

মহাপুৰুষ শংকৰদেৱৰ সান্নিধ্যলৈ অহাৰ আগলৈকে অনন্ত কন্দলি এগৰাকী মহা তাৰ্কিক আছিল বুলি কবিয়ে নিজেই উল্লেখ কৰি গৈছে —

'নাচাহিলো কাব্য কোষ কতো নাহি পৰিতোষ
তৰ্কতো কৰ্কশ ভৈল মতি।'

কিন্তু লাহে লাহে তেওঁৰ ভাগৱতৰ প্ৰতি ৰতি উপজিল আৰু মহাপুৰুষৰ সান্নিধ্য লাভ কৰি এই ৰতি ক্ৰমান্বয়ে গাঢ় হৈ পৰিল। ফলস্বৰূপে তেও শেষ দশমৰ পদ ভাঙনি কৰিবলৈ সুযোগ লাভ কৰে। বিষয়বস্তু পৰিবেশন আৰু ৰচনাৰীতিৰ ক্ষেত্ৰত অনন্ত কন্দলি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা প্ৰভাৱিত হৈছে। শংকৰদেৱতকৈ বয়সত কনিষ্ঠ হোৱাৰ বাবে কন্দলিয়ে শংকৰদেৱকেই আৰ্হি হিচাপে গ্ৰহণ কৰি সাহিত্য ৰচনাত অৱতীৰ্ণ হৈছিল যদিও তেওঁৰ স্বকীয় সৃজনী প্ৰতিভাও আছিল যথেষ্ট। তেওঁৰ ৰচনাত ভক্তিৰসৰ লগে লগে কাব্যৰসৰো সাৰ্থক প্ৰকাশ লক্ষ্য কৰা যায়। কন্দলিয়ে শংকৰ-মাধৱৰ অনুবাদ ৰীতি অনুসৰণ কৰি প্ৰয়োজন অনুসৰি গ্ৰহণ-বৰ্জন আৰু সংমিশ্ৰণৰ যোগেদি তেওঁৰ অমূল্য কাব্যসম্পদ সৃষ্টিত মনোনিবেশ কৰিছিল। মধ্যযুগীয় অন্যান্য কবিসকলৰ দৰেই অনন্ত কন্দলিয়ে তেওঁৰ কাব্যত পয়াৰ, ছবি দুলড়ি লেছাৰী ঝুনা ঝুমুৰী প্ৰভৃতি বিবিধ ছন্দৰ প্ৰয়োগ কৰিছে।

ৰাম সৰস্বতী

শংকৰী যুগৰ বিশিষ্ট কবিসকলৰ ভিতৰত ৰাম সৰস্বতী অন্যতম। তেওঁৰ পিতৃদত্ত নাম অনিৰুদ্ধ দ্বিজ 'ৰাম সৰস্বতী' তেওঁৰ কাব্য-প্ৰতিভাৰ স্বীকৃতিস্বৰূপে নৰনাৰায়ণে প্ৰদান কৰা উপাধিহে। কবি অনিৰুদ্ধক তেওঁৰ দীক্ষাগুৰু মুকুন্দদেৱে 'ভাৰতচন্দ্ৰ' আৰু 'কবিচন্দ্ৰ' আৰু চিলাৰায় দেৱান তথা শুক্লধ্বজে 'কবিচন্দ্ৰ' উপাধি প্ৰদান কৰা বুলি বিভিন্ন প্ৰসংগত উল্লেখ পোৱা যায়। তেওঁৰ আন দুটা উপাধি হ'ল 'ভাৰতচন্দ্ৰ' আৰু 'ভাৰতভূষণ'। 'পুষ্পহৰণ' নামৰ বধকাব্যখনিৰ এঠাইত কবিয়ে আত্ম পৰিচয় প্ৰদান কৰি লিখিছে —

'পিতৃয়ে মাতৃয়ে অনিৰুদ্ধ নাম দিলা।
কবিচন্দ্ৰ নামগোট দেৱানে বুলিলা।।
ৰাম সৰস্বতী নাম নৃপতি দিলন্ত।
ভাৰতৰ পদ মোক কৰা বুলিলন্ত।।'

সেইদৰে দীক্ষাগুৰুৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰি আন এঠাইত কবিয়ে লিখিছে —

'প্ৰণামো মুকুন্দ দেৱৰ চৰণে
গুণে নাহি সমসৰ।
আমোক ভাৰতচন্দ্ৰ নাম দিলা
কবিচন্দ্ৰ নাম আৰ।।

ৰাম সৰস্বতীৰ পিতৃৰ নাম ভীমসেন চূড়ামণি আৰু দীক্ষাগুৰু মুকুন্দদেৱ। শংকৰী যুগৰ কবিসকলৰ ভিতৰত সৰ্বাধিক পদ ৰচয়িতা কবিগৰাকী হ'ল ৰাম সৰস্বতী। ৰচনাৰ প্ৰাচুৰ্য আৰু মহাভাৰতীয় গ্ৰন্থৰাজিৰ প্ৰতি লক্ষ্য ৰাখি সমালোচকসকলে তেওঁক 'মহাভাৰতীয় কবি' 'অসমীয়া ব্যাস' আদি আখ্যা দিয়া দেখা যায়। ৰাম সৰস্বতীয়ে মহাভাৰতৰ কেইবাটাও খণ্ডৰ (পৰ্ব) ভাঙনি কৰাৰ বাহিৰেও বনপৰ্বৰ কাহিনীক আধাৰ হিচাপে লৈ 'বধকাব্য' নামৰ একশ্ৰেণীৰ সুকীয়া কাব্য ৰচনা কৰে। বধ কাব্যসমূহ ইমানেই জনপ্ৰিয় আছিল যে এইবোৰে সময়ত 'বৈষ্ণৱ কাব্য' 'জয় কাব্য' 'ভক্তি কাব্য' আৰু 'গণ কাব্য' ৰূপে লোকচিত্তত আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।

জন্মস্থান :

ৰাম সৰস্বতীৰ জন্মস্থান কামৰূপ জিলাৰ অন্তৰ্গত পচৰীয়া বুলি কবিয়ে উল্লেখ কৰি গৈছে। মহাভাৰতৰ বিভিন্ন পৰ্বত কবিয়ে আত্ম-পৰিচয় প্ৰসংগত তেওঁৰ জন্মস্থান পচৰীয়াৰ উল্লেখ কৰা দেখা যায় —

গ্ৰাম মধ্যে সাৰোদ্ধাৰ পচৰীয়া নাম যাৰ
কলিযুগে শ্ৰেষ্ঠ লেখে যাক।'

সেইদৰে —

গ্ৰাম মধ্যে সাৰোদ্ধাৰ পচৰীয়া নাম যাৰ
ধৰ্মপুৰ মধ্যে লেখি যাক। ইত্যাদি।

অৱশ্যে 'মঙলদৈৰ বুৰঞ্জী' প্ৰণেতা দীনেশ্বৰ শৰ্মাই ৰাম সৰস্বতীৰ জন্মস্থান 'চমৰীয়া' বুলি উল্লেখ কৰিছে। হৰিণাৰায়ণ দত্তবৰুৱাৰ দ্বাৰা সম্পাদিত 'অসমীয়া মহাভাৰত'ৰ ভীষ্মপৰ্বত আকৌ পচৰীয়াৰ পৰিবৰ্তে 'চমৰীয়া' শব্দটোহে পোৱা যায়।

'কামৰূপ মধ্যে গ্ৰাম নাহিকে উপাম।
তাতে গ্ৰাম ভৈলা চমৰীয়া যাৰ নাম।।

কিন্তু ভীষ্মপৰ্বৰ অন্যান্য প্ৰতিলিপিত চমৰীয়াৰ পৰিবৰ্তে পচৰীয়া নামহে সন্নিবিষ্ট হৈছে। গতিকে পচৰীয়াৰ পৰিবৰ্তে চমৰীয়াৰ প্ৰয়োগক লিপিকাৰৰ প্ৰমাদ বুলি ধাৰণা কৰিব পাৰি। ৰাম সৰস্বতীৰ পুতেক গোপীনাথ দ্বিজে ৰাম সৰস্বতীৰ জন্মস্থান 'পাটচৌৰা' বা 'চিনকোণা' বুলি উল্লেখ কৰিছে। এই পাটচৌৰাৰ পৰাই পচৰীয়া শব্দটি উদ্ভৱ হোৱাটো স্বাভাৱিক।

ৰাজ-পৃষ্ঠপোষকতা ঃ

ৰাম সৰস্বতীৰ পূৰ্বপুৰুষসকল পণ্ডিত লোক আছিল আৰু অগ্ৰজ ভাতৃ কবিচন্দ্ৰ ওচৰতেই ৰাম সৰস্বতীয়ে বিদ্যা শিক্ষা লাভ কৰিছিল। কবিত্ব আৰু পাণ্ডিত্যৰ বাবে ৰাম সৰস্বতীয়ে মহাৰাজ নৰনাৰায়ণৰ সভাকবিৰূপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। নৰনাৰায়ণৰ আদেশ অনুসৰি ৰাম সৰস্বতীয়ে পদ ৰচনা কৰাৰ কথা নিজেই উল্লেখ কৰিছে —

'জয় জয় নাৰায়ণ নৃপতি প্ৰধান।
যাহাৰ সমান ৰাজা নাহিকয় আন।।
ধৰ্ম নীতি পুৰাণ ভাৰত শাস্ত্ৰত।
অহোৰাত্ৰি বিচাৰন্ত কৰিয়া সতত।।
গৌড় কামৰূপে যত পণ্ডিত আছিলা।
সবাকো আনিয়া শাস্ত্ৰ দেখাণে পাতিলা।।'

মহাভাৰতৰ পদ-ৰচনাৰ অন্তৰালতো নৰনাৰায়ণৰ উদ্যোগ আৰু পৃষ্ঠপোষকতাৰ কথা কবিয়ে অকাতৰে স্বীকাৰ কৰিছে। কবিৰ ভাষাত —

'জয় নৰনাৰায়ণ ৰাজ শিৰোমণি।
সন্তৰ পৰম মিত্ৰ দুষ্টৰ অগণি।।
আমাক কৰিলা আজ্ঞা পৰম সাদৰে।
ভাৰতৰ পদ তুমি কৰিও যতনে।।
আমাৰ গৃহত আছে ভাষ্য-টীকা যত।
নিয়োক আপোন গৃহে দিলোহো সমস্ত।।
এহি বুলি ৰাজা পাছে বণখি জোৰাই।
পঠাইলা পুস্তকসৱ আমাসাৰ ঠাই।।
ধন-বস্ত্ৰ অলংকাৰ দিলা বহুতৰ।
দাস-দাসী দিয়া মান বঢ়াইলা বিস্তৰ।।'

বনপৰ্বৰ অন্তৰ্গত 'মনিচন্দ্ৰ ঘোষ পৰ্ব'তো কবিয়ে নৰনাৰায়ণৰ পৃষ্ঠপোষকতাৰ কথা উল্লেখ কৰিছে —

হেনয় মহন্ত নৰ নাৰায়ণ
নৃপতিত শ্ৰেষ্ঠতৰ।
আমাক আনিয়া আজ্ঞা কৰিলন্ত
পদ কৰা ভাৰতৰ।।
তাহাৰে আজ্ঞাতে বিৰচিলো আমি
চৌৱিশ হাজাৰ পদ।
মূল শ্লোক আৰ ত্ৰিংশ যে হাজাৰ
ব্যাসৰ মুখে নিবদ্ধ।।'

নৰনাৰায়ণৰ পৃষ্ঠপোষকতাৰ কালছোৱাতেই ৰাম সৰস্বতীয়ে আদি বনপৰ্ব পুষ্প হৰণ বনপৰ্ব মণিচন্দ্ৰ ঘোষ বনপৰ্ব বিজয় পৰ্ব কালকুঞ্জ শোষক বধ কুলাচল বধ ব্যাসাশ্ৰম বঘাসুৰ বধ প্ৰভৃতি কাব্য ৰচনা কৰে। নৰনাৰায়ণৰ দেহাৱসানৰ পিছত ৰাম সৰস্বতীয়ে কিছুদিনৰ বাবে ৰঘুদেৱ নাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰে। কৰ্ণপৰ্বৰ পদ ৰচনাত কবিয়ে ৰঘুদেৱৰ প্ৰতি প্ৰশস্তি বৰ্ণনা কৰিছে। দৰঙীৰাজ ধৰ্মনাৰায়ণৰ পৃষ্ঠপোষকতাত ৰাম সৰস্বতীয়ে সিন্ধুযাত্ৰা পৰ্ব বিৰাট পৰ্ব উদ্যোগ পৰ্ব দ্ৰোণ পৰ্ব কৰ্ণ পৰ্ব আদি ৰচনা কৰে। ভীষ্ম পৰ্বত কবিয়ে ধৰ্ম নাৰায়ণৰ পৃষ্ঠপোষকতাৰ কথা শ্ৰদ্ধা সহকাৰে উল্লেখ কৰিছে —

'ধৰ্মত প্ৰশান্ত কাম ধৰ্ম নাৰায়ণ নাম
থৈলা স্বৰ্গনাৰায়ণ ৰজা।'

ধৰ্ম নাৰায়ণৰ পিছত ৰাম সৰস্বতীয়ে দৰঙীৰাজ মকৰধ্বজ আৰু সুন্দৰ নাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰে। 'সাবিত্ৰী উপাখ্যান'ত কবিয়ে সুন্দৰনাৰায়ণ আৰু মকৰধ্বজ উভয় ৰজাৰ নামোল্লেখ কৰিছে। গতিকে দেখা যায় যে নৰনাৰায়ণৰ সময়ৰ পৰা দৰঙীৰজা সুন্দৰ নাৰায়ণৰ সময়লৈকে ৰাম সৰস্বতীয়ে সুদীৰ্ঘ সাহিত্যিক জীৱন যাপন কৰিছিল।

ৰচনাৱলী ঃ

ৰাম সৰস্বতীয়ে তেওঁৰ ৰচিত গ্ৰন্থসমূহৰ বিভিন্ন ঠাইত তেওৰ বিভিন্ন উপাধি আৰু পৃষ্ঠপোষক ৰজাসকলৰ উল্লেখ কৰি গৈছে। এনে উল্লেখৰ পৰা তেওঁৰ দ্বাৰা ৰচিত কেইখনমান গ্ৰন্থৰ স্থান-কাল নিৰ্ণয় কৰিব পাৰি। মহাভাৰতৰ আদি আৰু সভাপৰ্বত কবিয়ে অনিৰুদ্ধ নাম ব্যৱহাৰ কৰিছে। মহাৰাজ নৰনাৰায়ণৰ সান্নিধ্যলৈ অহাৰ আগতেই বোধকৰো কবিয়ে এই গ্ৰন্থসমূহ ৰচনা কৰিছিল। বনপৰ্বতহে কবিযে ৰাম সৰস্বতী নামেৰে প্ৰথম ভণিতা পেলাইছে আৰু মহাৰাজ নৰনাৰাযণৰ গুণানুকীৰ্তন কৰিছে। পৰৱৰ্তীকালত ৰচিত বিভিন্ন গ্ৰন্থত ৰঘুদেৱ নাৰায়ণ পৰীক্ষিত নাৰায়ণ ধৰ্ম নাৰাযণ সুন্দৰ নাৰায়ণ প্ৰভৃতি ৰজাসকলৰ প্ৰশস্তি পোৱা যায়।

ৰাম সৰস্বতীৰ ৰচনাৰাজিক থুলমূলকৈ চাৰিটা ভাগত বিভক্ত কৰিব পাৰি।

ক) **মহাভাৰতৰ বিভিন্ন পৰ্বৰ অনুবাদ ঃ** আদিপৰ্ব সভাপৰ্ব (কিছু অংশ) বনপৰ্ব বিৰাট পৰ্ব (কীচক বধ পৰ্যন্ত) উদ্যোগ পৰ্ব ভীষ্মপৰ্ব (অধিকাংশ) দ্ৰোণ পৰ্ব (গোপীনাথ দ্বিজৰ সহযোগত) আৰু কৰ্ণপৰ্ব।

খ) **মহাভাৰতৰ কথাবস্তুৰ আধাৰত ৰচিত সুকীয়া কাব্য ঃ** পাঞ্চালী বিবাহ, ব্যাসাশ্ৰম সাবিত্ৰী উপাখ্যান তীৰ্থযাত্ৰা ব্যঞ্জনপৰ্ব সুধন্বা বধ ইত্যাদি।

গ) **মহাভাৰতৰ বাহিৰৰ অন্য কাব্যৰ অনুবাদ ঃ** জয়দেৱৰ গীত গোবিন্দ'ৰ ভাঙনি।

ঘ) **বধকাব্য ঃ** পুষ্প হৰণ পৰ্ব মণিচন্দ্ৰ ঘোষ পৰ্ব বিজয় পৰ্ব যজ্ঞপৰ্ব কুলাচল বধ বঘাসুৰ বধ কালকুঞ্জ শোষকবধ কালজঙ্ঘ বধ খটাসুৰ বধ অশ্বকৰ্ণ বধ জঙ্ঘাসুৰ বধ সিন্ধু যাত্ৰা ভোজকাট বধ বিহংগম মোক্ষ কাব্য মহিষাদানৱ বধ ভীমচৰিত ইত্যাদি।

উল্লেখিত কাব্যৰাজিৰ বাহিৰেও অন্যান্য কেইবাখনো কাব্যত ৰাম সৰস্বতীৰ ভণিতা পোৱা যায় যদিও সেইবোৰ গ্ৰন্থ প্ৰক্ষিপ্ত হোৱাই স্বাভাবিক। মহাভাৰতৰ আদি পৰ্বই ৰাম সৰস্বতীৰ প্ৰথম আৰু 'সাবিত্ৰী উপাখ্যানেই তেওঁৰ শেষ ৰচনা। মহাভাৰতৰ অনুবাদত ৰাম সৰস্বতীক গোপীনাথ দ্বিজ বিদ্যাপঞ্চানন কংসাৰি কবি আদিয়েও সহায় কৰিছিল।

অনুবাদ ৰীতি ঃ

ৰাম সৰস্বতীয়ে অনুবাদ কৰোতে অন্যান্য বৈষ্ণৱ কবিসকলৰ দৰে জনসাধাৰণৰ প্ৰতি লক্ষ্য ৰাখিহে অনুবাদ কৰিছিল। সেইবাবেই মূলৰ জটিল বা দাৰ্শনিক তত্ত্বেৰে পৰিপূৰ্ণ কথাবোৰ যথাসম্ভৱ পৰিহাৰ কৰি সেইবোৰ জনসাধাৰণৰ বোধগম্য ৰূপত প্ৰকাশ কৰিছিল। সেইবাবেই তেওঁৰ ৰচনাত মহাভাৰতৰ কাব্যিক সৌন্দৰ্যতকৈ লোকৰঞ্জক বৰ্ণনা আৰু থলুৱা পৰিবেশৰ লগত খাপ খোৱা পৰিবেশ পৰিস্থিতিৰহে অধিক প্ৰাধান্য লক্ষ্য কৰা যায়।

ৰামসৰস্বতীৰ অনুবাদৰীতি মূলতঃ ব্যাখ্যামূলক। মহাভাৰতৰ বনপৰ্ব আৰু অন্যান্য বধকাব্য ৰচনাত কবিয়ে ব্যাখ্যাত্মক শৈলী অনুসৰণ কৰিছে। আনহাতে আদি সভা উদ্যোগ দ্ৰোণ কৰ্ণ প্ৰভৃতি পৰ্বৰ অনুবাদত কবিয়ে মূলৰ কথাখিনি সংক্ষিপ্ত পদত ভাঙনি কৰিছে আৰু এই অনুবাদ মূলতঃ সাৰগ্ৰাহী অনুবাদ। পূৰ্বকবি মাধৱ কন্দলি আৰু শংকৰদেৱৰ আৰ্হি অনুসৰণ কৰি ৰাম সৰস্বতীয়ে মহাভাৰতৰ বিভিন্ন পৰ্বৰ শ্লোকৰাজিৰ হুবহু অনুবাদ কৰাৰ পৰিবৰ্তে অসমীয়া পাঠকৰ ৰুচিৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি শ্লোকসমূহৰ সংক্ষিপ্ত বৰ্ণনা দাঙি ধৰিছে। এই সম্পৰ্কত কবিৰ স্বকীয় দৃষ্টিভংগী এনেধৰণৰ —

সংক্ষেপে অৰ্থক ধৰি কহিলো নিশ্চয়।
বাহুল্য কৰিলে কথা অনেক আচয়।।'

লোক মনোৰঞ্জনৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি মহাভাৰতৰ অনুবাদত ৰাম সৰস্বতীয়ে যথেষ্ট পৰিমাণে লোক-সাংস্কৃতিক সমলৰ সু প্ৰয়োগ ঘটোৱাত মহাভাৰতে লোককাব্যৰ ৰূপ পৰিগ্ৰহ কৰিছে।

মহাভাৰতৰ অনুবাদৰ উপৰিও ৰাম সৰস্বতীয়ে বধকাব্য নামৰ একশ্ৰেণীৰ সুকীয়া কাব্য ৰচনা কৰিছে, যিবোৰ বৈষ্ণৱ কাব্য ভক্তিকাব্য জয়কাব্য প্ৰভৃতি নামেৰেও অতি জনপ্ৰিয়। বধকাব্যৰ মূল যদিও মহাভাৰতৰ বনপৰ্ব তথাপিও কবিৰ স্বকীয় কল্পনা আৰু বিভিন্ন পুৰাণ-সংহিতা আদিৰ কাহিনীৰ সংযোজনে ইয়াৰ কাব্যিক আবেদন বৃদ্ধি কৰিছে। কবিৰ ভাষাত —

'মহন্ত পাণ্ডৱ তাৰা চৰিত্ৰ উত্তম।
পুৰাণে সংহিতা সবে অতি নিৰুপম।।
মাজে মাজে আছে আৰ ৰহস্য গিৰৰ।
হংস-কাকী দিলা ব্যাসে মহামুনিবৰ।।' (মণিচন্দ্ৰঘোষ পৰ্ব)

সেইদৰে 'বঘাসুৰ বধ'ত লিখিছে —

সংহিতা যামল পুৰাণ মিশ্ৰিত
হংসকাকী ঠাই ঠাই।
ভাগৱত আদি আনো যতমান
ইহাতে নাহিকা নাই।। (বঘাসুৰ বধ)

গতিকে দেখা যায় যে লোক ৰঞ্জনৰ প্ৰতি লক্ষ্য ৰাখি কবিয়ে অনুবাদৰ মাজে মাজে মূলত নথকা ঘটনাৰ অৱতাৰণা কৰিছে আৰু সেইবোৰ 'হংসকাকী 'যামল সংহিতা 'শিৱ ৰহস্য ধৰ্মোত্তৰ পুৰাণ-উপনিষদ আদিৰ পৰা সংগ্ৰহ কৰা বুলি পাঠকক পতিয়ন নিয়াবলৈ প্ৰয়াস কৰিছে।

নৱ-বৈষ্ণৱ যুগৰ অন্যান্য কবিসকলৰ আৰ্হি অনুসৰণ কৰি ৰাম সৰস্বতীয়ে মহাভাৰতক এখনি ভক্তিকাব্য ৰূপে প্ৰতিপাদন কৰাৰ প্ৰয়াস কৰিছে আৰু সেয়ে অনন্ত কন্দলিয়ে ৰামায়ণৰ অনুবাদত ভাগৱত পুৰাণৰ অনুবাদ সংযোজন কৰাৰ দৰেই ৰাম সৰস্বতীয়েও মহাভাৰতৰ অনুবাদত ভাগৱত পুৰাণৰ সমল সংযোজন কৰিছে। গীত গোবিন্দৰ ভাঙনিতো কবিয়ে ভাগৱত পুৰাণৰ সমল সংযোজিত কৰা দেখা যায়। কবিৰ ভাষাত —

'গোবিন্দৰ ৰাসক্ৰীড়া গোপিকা সহিত।
একত্ৰ কৰিয়া ভাগৱত সমন্বিত।।
দুয়োকেথা নিবন্ধ কৰিবো একে ঠাই।
যাহাৰ স্মৰণে লোকে বৈকুণ্ঠক যাই।।'

বৈষ্ণৱ প্ৰভাৱ ঃ

ৰাম সৰস্বতী এগৰাকী বৈষ্ণৱ কবি আছিল আৰু সমকালীন নৱ বৈষ্ণৱ ভক্তিধৰ্মৰ প্ৰতি তেওঁ সততে সজাগ আছিল। সেইবাবেই কবিয়ে তেওঁৰ অনুবাদকৰ্মৰ মাজে মাজে বৈষ্ণৱ ধৰ্মৰ মূল তত্ত্ববোৰ জনসাধাৰণক সহজ-সৰল ভাষাত বুজাই দিয়াৰ প্ৰয়াস কৰিছে। কবিৰ দৃষ্টিত পাণ্ডৱসকল পৰম বৈষ্ণৱ আৰু বিষ্ণুৰ একান্ত ভক্ত —

'যুধিষ্ঠিৰ সম কোন আছয় ভকত।

বিশেষত পাণ্ডৱ দেৱৰ অংশে জাত।
তথাপি প্ৰবন্ধ দুখ পাইলা নানা মত।।
দৈৱেসে মিলিবে সুখ-দুখৰ কাৰণ।'

ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতি থকা অবিচলিত ভক্তিৰ বাবেহে অৰ্জুনে কালজঙ্ঘাসুৰ মহিষদানৱ যজ্ঞসেনীয়ে কালকুঞ্জ আৰু শোষক অসুৰক ভীমে বকাসুৰ আৰু অন্যান্য অসুৰক বধ কৰিবলৈ সক্ষম হৈছে। কাৰণ —

'হৰি ৰক্ষা কৰি থুৱে সৰ্ব বিপদত।
ধেনু ৰাখি থুৱে যেন বৎসক স্নেহত।।'

ভগৱান ভক্তৰ অধীন। সেয়েহে ভক্তৰ মনোবাঞ্ছা পূৰণৰ অৰ্থে তেওঁ সততে সজাগ —

'ভকতিত বশ্য হৈয়া ৰণত থুৱন্ত।
অৰ্জুনৰ ৰথৰ সাৰথি ভগৱন্ত।।
দেখা কেনে ভক্তৰ অধীন বনমালী।
সৰ্বক্ষণে ভক্তৰ থাকন্ত আশাপাশি।।'

এনেদৰে বৈষ্ণৱ কবিগৰাকীয়ে বধকাব্যৰ বিভিন্ন ঠাইত পঞ্চপাণ্ডৱৰ বিভিন্ন কাৰ্যাৱলীৰ মাধ্যমেৰে ভক্তিধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদনৰ প্ৰয়াস কৰিছে। গতিকে দেখা যায় যে কৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদনেই বধকাব্যসমূহৰ মূল লক্ষ্য। বধকাব্যত বৈষ্ণৱ কাব্যৰ সকলোবোৰ লক্ষণ বিদ্যমান। সেয়েহে কাব্যৰ বিভিন্ন ঠাইত ৰাম সৰস্বতীয়ে কৌশলেৰে বিষ্ণু আৰু বৈষ্ণৱৰ শ্ৰেষ্ঠত্বৰ কথা ঘোষণা কৰিবলৈ পাহৰা নাই —

পাণ্ডুপুত্ৰ সম কোন বৈষ্ণৱ আছয়।
তাহান চৰিত্ৰ শুনি তাপ নিবাৰয়।।'
'বিষ্ণু-বৈষ্ণৱৰ কথা কৰিব শ্ৰৱণ।
পাপৰ ভাণ্ডাৰে নাশ হৈব তেতিক্ষণ।।'

কবিয়ে কৃষ্ণ আৰু অৰ্জুনক নৰ-নাৰায়ণৰ অৱতাৰ বুলি উল্লেখ কৰি ভগৱানত বিশ্বাস ৰাখিলে পাণ্ডৱসকলে বিভিন্ন দুৰ্যোগৰ পৰা পৰিত্ৰাণ লাভ কৰাৰ দৰেই শেষত সংসাৰ সাগৰৰ পৰা মুক্তিলাভ কৰিব বুলি জনসাধাৰণক প্ৰবোধ দিয়াৰ প্ৰয়াস কৰিছে —

'দেৱকীৰ গৰ্ভে নাৰায়ণ অৱতাৰ।
কুন্তীৰ গৰ্ভত আসি নৰৰ বিহাৰ।।'

কবিয়ে বনপৰ্বক 'বৈষ্ণৱ পৰ্ব' বোলাৰ লগতে জনসাধাৰণক এই বুলিও বুজনি দিছে যে সুখ-দুখ সকলো দৈৱৰ অধীন আৰু মানুহৰ জীৱন দৈৱৰ দ্বাৰা নিয়ন্ত্ৰিত। সেইবাবেই একান্ত বৈষ্ণৱ হোৱা সত্বেও পঞ্চপাণ্ডৱসকলে দৈৱৰ পৰা হাত সাৰিব পৰা নাছিল।

বধকাব্যসমূহ ঃ

মহাভাৰতৰ অনুবাদৰ বাহিৰেও বনপৰ্বৰ বিষয়বস্তুক আধাৰ হিচাপে লৈ ৰাম সৰস্বতীয়ে একশ্ৰেণীৰ সুকীয়া কাব্য ৰচনা কৰিছে। এই শ্ৰেণীৰ ৰচনাত বনপৰ্বৰ কাহিনীৰ লগতে শিৱ ৰহস্য হংসকাকী যামল সংহিতা প্ৰভতিৰ অন্তৰ্গত কাহিনী সংযোগ কৰিছে যদিও এইবোৰত কবিৰ কল্পনাৰ পৰিমাণেই অধিক। একোটা নাতিদীৰ্ঘ আৰু স্বয়ংসম্পূৰ্ণ আখ্যানৰ মাজেদি কবিয়ে আসুৰিক আৰু ঐশী শক্তিৰ মাজত বিৰোধ প্ৰদৰ্শন কৰি শেষত দৈৱী শক্তিৰ ওচৰত আসুৰিক শক্তিৰ বিনাশ দেখুৱাইছে। এনেদৰে প্ৰতিখন কাব্যৰ মাজেদি এক বা একাধিক বিষ্ণু-বিদ্বেষী অসুৰ বধ হোৱাৰ বাবে এই কাব্যসমূহক দৰাচলতে খণ্ডকাব্যহে আখ্যা দিব পাৰি। ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয় প্ৰদৰ্শন আৰু বিষ্ণুভক্তিৰ শ্ৰেষ্ঠত্ব ঘোষণাই হ'ল ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য। ধৰ্মপৰায়ণ পাণ্ডৱসকলে বনবাস যাত্ৰাকালত দৈত্য-দানৱ অসুৰসকলৰ দ্বাৰা নানাভাৱে পীড়িত হ'লেও ভগবান শ্ৰীকৃষ্ণৰ প্ৰতি থকা একান্ত ভক্তিৰ কাৰণে তেওঁলোকে সকলো বিপদৰ পৰা পৰিত্ৰাণ লাভ কৰিবলৈ সক্ষম হৈছিল। সেইবাবেই বাণীকান্ত কাকতিয়ে বধকাব্যৰ বিষয়ে মন্তব্য প্ৰকাশ কৰিছে এনেদৰে — 'বধকাব্যবোৰ সকলো ধৰ্মৰেই অন্তৰ্নিহিত এটি মজ্জাগত ভাৱৰ প্ৰকাশ। সেইটো হৈছে জগতত সাম্যভাৱ প্ৰৱৰ্তনৰ চেষ্টা আৰু ঐকান্তিক ভক্তিৰ বিজয় ঘোষণা।

বধকাবসমূহত যুদ্ধৰ বৰ্ণনাই প্ৰাধান্য লাভ কৰাৰ বাবে এই শ্ৰেণীৰ কাব্যক 'যুদ্ধকাব্য'ও বুলিব পাৰি। প্ৰতিখন কাব্যতেই যুদ্ধৰ জীৱন্ত বৰ্ণনা পোৱা যায়। আনহাতে এই কাব্যৰাজিৰ মাজেদি বিষ্ণু আৰু বৈষ্ণৱৰ সম্পৰ্ক নিৰ্ণীত হোৱাৰ লগে লগে বৈষ্ণৱৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদিত হোৱাৰ বাবে এই কাব্যসমূহক সাৰ্থকভাৱেই 'বৈষ্ণৱ কাব্য আখ্যা দিব পাৰি।

ধৰ্মপ্ৰচাৰৰ উদ্দেশ্যে ৰচিত হ'লেও বধকাব্যসমূহ সাহিত্যিক গুণ-বিবৰ্জিত নহয়। বধকাব্যৰ কাহিনী নিৰ্মাণ চৰিত্ৰ চিত্ৰণ আৰু ৰস-পৰিণতিৰ দিশৰ পৰা এইশ্ৰেণীৰ কাব্যই পাঠকৰ আধ্যাত্মিক হিত সাধন কৰাৰ লগে লগে মনোৰঞ্জনৰ দিশতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। অদৃষ্টবিশ্বাসী গঞা ৰাইজে ৰাজপুত্ৰ হৈয়ো পাণ্ডৱসকলে জীৱনত লাভ কৰা দুখ-যন্ত্ৰণাৰ সৈতে নিজৰ দাৰিদ্ৰ পীড়িত জীৱনৰ তুলনা কৰি সকলোবোৰ দৈৱ-নিৰ্ধাৰিত বুলি সান্ত্বনা লাভ কৰে। সেইবাবেই সকলো আবাল-বৃদ্ধ-বনিতাই-ক্ষুধা-তৃষ্ণা পৰিহাৰ কৰি একান্ত মনেৰে বধকাব্যৰ শ্ৰৱণ-কীৰ্তনৰ যোগেদি মন পৰিতৃপ্ত কৰে। বধকাব্যসমূহৰ জনজীৱত বহুমুখী প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি বিৰিঞ্চি কুমাৰ বৰুৱাই 'এই বধকাব্যসমূহ একেধাৰে ধৰ্মগ্ৰন্থ, কাব্য উপন্যাস, গীত আৰু নাটক' বুলি অভিহিত কৰিছে। আনহাতে বাণীকান্ত কাকতিয়ে বধকাব্যসমূহক 'ৰূপক কাব্য' আখ্যা দিছে আৰু

প্ৰতিখন কাব্যই ৰূপকতকৈ কাহিনী হিচাপে অধিক মনোৰম বুলিছে। অশ্বকৰ্ণ বধ কুলাচল বধ খটাসুৰ বধ জঙ্ঘাসুৰ বধ বকাসুৰ বধ মনিচন্দ্ৰ ঘোষ আদি বধকাব্যৰ জনপ্ৰিয়তাৰ মূলতেই ইয়াৰ অন্তৰ্নিৰ্হিত অনুপম কাহিনীভাগৰ কথা উল্লেখ কৰিব পাৰি।

বাণীকান্ত কাকতিয়ে বধকাব্যসমূহক আদৰ্শাত্মকভাৱে ৰোমাঞ্চক কাব্যৰ লগত আৰু পৌৰাণিকভাৱে গ্ৰীক পৌৰাণিক বীৰসকলৰ কাহিনীৰ সৈতে ৰিজাইছে। বধকাব্যৰ কাহিনীবোৰ উপন্যাসৰ দৰে ৰোমাঞ্চকৰ। মধ্যযুগৰ ইউৰোপৰ ৰোমাঞ্চ কাব্যত নাইট বোলা ধৰ্মবীৰসকলে নানা অত্যাচাৰী অসুৰক বধ কৰি নানা সুন্দৰী কন্যা লাভ কৰাৰ দৰে বধকাব্যবোৰতো ভীম অৰ্জুন আদিয়ে নানা অসুৰ বধ কৰি হেম্না সুন্দৰীৰ দৰে কন্যা লাভ কৰাৰ ৰোমাঞ্চকৰ কাহিনী আছে।

সামাজিক প্ৰভাৱ ঃ

লোকৰুচিৰ প্ৰতি লক্ষ্য ৰাখি ৰচনা কৰা বাবে বধকাব্যসমূহৰ কাহিনী নিৰ্মাণ চৰিত্ৰ সৃষ্টি আৰু পৰিস্থিতি চিত্ৰনত লোক জীৱনৰ গভীৰ আৰু ব্যাপক প্ৰভাৱ লক্ষ্য কৰা যায়। ভাৰতীয় পৰম্পৰাগত জীৱনৰ পটভূমিত অসমৰ লোকজীৱনৰ ৰীতি-নীতি আচাৰ-ব্যৱহাৰ লোক বিশ্বাস লোকৰীতি কুসংস্কাৰ-অন্ধবিশ্বাস সামাজিক উৎসৱ-অনুষ্ঠান ক্ৰিয়াকাণ্ড আদিৰ সম্যক বৰ্ণনাৰে বধকাব্যসমূহ সমৃদ্ধ। অসমৰ পৰম্পৰাগত সাজপাৰ অলংকাৰ ৰন্ধন-প্ৰকৰণ বাদ্যযন্ত্ৰ আদিৰ লগতে গ্ৰাম্য জীৱনৰ বিবিধ প্ৰসংগই বধকাব্যত ভুমুকি মাৰিছে। অসমৰ লোক জীৱনত দৈনন্দিন ব্যৱহৃত বিবিধ ফকৰা যোজনা পটন্তৰ প্ৰবাদ প্ৰবচন আদিৰ সাৰ্থক প্ৰয়োগে বধকাব্যসমূহক লোকজীৱনৰ অধিক কাষ চাপি যোৱাত সহায় কৰিছে। সেইবাবেই বিৰিঞ্চি কুমাৰ বৰুৱাই বধকাব্যক লোককাব্য বা গণকাব্য আখ্যাৰে বিভূষিত কৰিছে। অসমৰ লোক জীৱনত বধকাব্যৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি বাণীকান্ত কাকতিয়ে এনেদৰে মত প্ৰকাশ কৰিছে —

খটাসুৰ বঘাসুৰ কুলাচল অশ্বকৰ্ণ কুৰ্মবলী জঙ্ঘাসুৰ বধ আখ্যানবোৰ পুৰণি সাহিত্যত আজি কালিৰ উপন্যাস গল্প আদিৰ ঠাই অধিকাৰ কৰি আছে। অসমীয়া গাঁৱলীয়া সমাজত এতিয়াও সেইবোৰৰ প্ৰভূত সমাদৰ। খেতি-বাতিৰ পৰা আজৰি পোৱা সময়ত গাঁৱৰ মানুহে চাকপাতি বহি গোট খাই পুৰণি কালত ধৰ্মাৰণ্যত মুনিসকলে পুৰাণ ইতিহাস আদি শুনাৰ দৰে এই বধকাব্যৰ আখ্যানবোৰ শুনি শৰীৰ আৰু মনৰ দুখ-ভাগৰ পলুৱায়।

বধকাব্যসমূহত বিবিধ ৰসৰ সমাহাৰ ঘটিছে যদিও বীৰ হাস্য আৰু ৰৌদ্ৰ ৰসৰেই প্ৰাধান্য অধিক। ঠায়ে ঠায়ে যুদ্ধাদিৰ বৰ্ণনাই গ্ৰাম্য পাঠক শ্ৰোতাৰ মনত কৌতুহলৰ সঞ্চাৰ কৰিছে। খটাসুৰ বধত খটাসুৰ আৰু অৰ্জুনৰ যুদ্ধৰ বৰ্ণনা দাঙি ধৰিছে এনেদৰে —

'আকাশক অসুৰে গৈলেক বেগ টানি।
শিলাবৃষ্টি কৰিলেক অর্জুনক চানি।।
অর্জুনে হানিলা এক শৰ বৰ টানে।
অসুৰৰ শৰীৰত পৰিলা সন্ধানে।।
আৰোবাৰে আসি সিটো অসুৰ দুর্জয়।
পর্বত গোটক ধৰি প্রহাৰ কৰয়।।
পর্বত আসেয় দেখিলেক বিদ্যমান।
নৰশৰে অর্জুনে কৰিলা খান খান।।
অসুৰে দেখন্ত চূর্ণ ভৈলন্ত পর্বত।
বৃক্ষে বৰষিলা শৰীৰৰ বল যত।।

লোক জীৱনক আগত ৰাখি ৰচনা কৰা বাবেই বধকাব্যসমূহত অবিমিশ্র হাস্যৰসৰ সমাবেশ লক্ষ্য কৰা যায়। আনকি যুদ্ধৰ বর্ণনাৰ মাজতো কবিয়ে হাস্যৰসৰ সংযোগ কৰিবলৈ পাহৰা নাই। ভীম-জঙ্ঘাসুৰৰ যুদ্ধৰ বর্ণনায়ো হাঁহিৰ সমল যোগায় —

'কাতি কৰি জঙ্ঘাসুৰে ধৰিলা ভীমক।
মাৰিলেক কিল যত মানে পাৰিলেক।।
চৌৰাশী হাজাৰমান কিলক মাৰিলা।
কতক্ষণ থাকি ভীমে ওপন্দি পৰিলা।।'

অশ্বকর্ণৰ যুদ্ধত পাতালপুৰীৰ অশ্বকর্ণৰ উদ্যানৰ শ্রীফলৰ বর্ণনা দিছে এনেদৰে —

'এক এক ফল আছে হস্তীৰ সমান।
হুল ফল কৰি লাগে দেখিতে সুঠান।।
নসাৰে নপাৰে ফল শেষ যে নহয়।
ভীম অর্জুনৰ দেখি আনন্দ মিলয়।।'

বধকাব্যসমূহত লোক জীৱনৰ চিন্তাধাৰাক স্বাভাৱিক আৰু অলৌকিক বর্ণনাৰ মাধ্যমেদি ৰসাল কৰি তোলা হৈছে। কাব্যৰ বর্ণনীয় বিষয়ক জীৱন্ত কৰি তুলিবৰ বাবে কবিয়ে অসমীয়া লোক জীৱনত প্রচলিত প্রবাদ-প্রবচনৰাজিৰ যথাযথ প্রয়োগ কৰিছে। উদাহৰণ স্বৰূপে তলত কেইটামান উল্লেখ কৰা হ'ল —

১ 'হাতী চোৰক এৰি মূলা চোৰ পাইলি।
২ 'বাঘে ধৰা গৰু যেন কতো ডেডাৱয়।
৩ দেৱ দিয়া গোৱালে ধৰিলা যেন দাঙ্গ।
৪ 'বুঢ়াৰ হাতত যেন চেঙ্গেলি পৰিলি।

৫ পতঙ্গ আসিয়া অগণিত দেয় জাহ।
৬ 'উজানৰ মাছ যেন প্রহাৰ কৰিলা।
৭ 'কুমাৰৰ চাক যেন ঘূৰিয়া ফুৰয়।
৮ 'ভীমক আটিলা যেন হস্তীয়ে কদলী। ইত্যাদি।

লোক জীৱনৰ প্রয়োজনৰ প্রতি লক্ষ্য ৰাখি বধকাব্যসমূহত গাঁৱলীয়া জীৱনৰ আচাৰ-নীতি সমাজ-ব্যৱস্থা জীৱনাদর্শ ধর্ম নীতি আধ্যাত্মিকতা আদিৰ বর্ণনা দাঙি ধৰা হৈছে। কবিয়ে বধকাব্যৰ জুমুঠিটো মহাভাৰতৰ বনপর্বৰ আধাৰত নির্মাণ কৰিলেও ইয়াৰ প্রায়বোৰ কাহিনীয়েই মহাভাৰত আশ্রিত নহয়। সেইদৰে হংসকাকী যামল সংহিতা শিৱৰহস্য আদিৰ কথা উল্লেখ কৰি জনসাধাৰণৰ বিশ্বাস সুদৃঢ় কৰাৰ চেষ্টা কৰিলেও দৰাচলতে বধকাব্যৰ কাহিনী কোনো পুৰাণ উপনিষদৰ পৰা আহৰণ কৰাৰ পৰিবর্তে তদানীন্তন সমাজত প্রচলিত কাহিনী জনশ্রুতি মীথ আদিৰ পৰাহে গ্রহণ কৰিছে। গতিকে জনশ্রুতি কিম্বদন্তি লোককথা আদিৰ আধাৰত নির্মিত হোৱা বাবে বধকাব্যসমূহত লোক জীৱনৰ গভীৰ প্রভাৱ লক্ষ্য কৰা যায়। কবিয়ে পাঠক শ্রোতাৰ বিশ্বাস জন্মাবৰ বাবেই হয়তো বধকাব্যৰ কাহিনীভাগ ঋষিমুখ নিসৃত বুলিছে। এই সম্পর্কত বিৰিঞ্চি কুমাৰ বৰুৱাৰ মন্তব্য এনেধৰণৰ —

These vadha kavyas are mainly made up of superhuman feats and exploits of the pandavas as mingled with various myths legends and fables about gnomes demons deities sages and kings of antiquity

সমকালীন সমাজ-জীৱনৰ আচৰণেৰে ৰাম সৰস্বতীৰ ৰচনাৰাজি সমৃদ্ধ। লোক জীৱনৰ প্রতি থকা অস্বাভাৱিক মোহৰ কাৰণে ৰাম সৰস্বতীৰ ৰচনাত অতিৰঞ্জন আৰু অতিশয়োক্তিৰ প্রাধান্য অধিক। তেওঁৰ বধকাব্যৰ আদৰ্শই পৰৱর্তী কবিসকলক যথেষ্ট পৰিমাণে অনুপ্রাণিত কৰিছিল।

ষষ্ঠ অধ্যায়

শংকৰদেৱৰ সমসাময়িক আন কবিসকল

সাৰ্বভৌম ভট্টাচাৰ্য ঃ

সাৰ্বভৌম ভট্টাচাৰ্যৰ 'ক্ষুদ্ৰ স্বৰ্গখণ্ড' আৰু 'বৃহৎ স্বৰ্গখণ্ড' নামৰ দুখনি পুথি পোৱা গৈছে। কবিয়ে গ্ৰন্থ দুখনি পদ্মপুৰাণৰ স্বৰ্গখণ্ডৰ সাৰাংশ বুলি উল্লেখ কৰিলেও দৰাচলতে পদ্মপুৰাণৰ স্বৰ্গখণ্ডৰ সৈতে উক্ত গ্ৰন্থ দুখনৰ বিশেষ সম্পৰ্ক নাই।

ক্ষুদ্ৰ স্বৰ্গখণ্ডত কবিয়ে আত্ম পৰিচয় প্ৰদান কৰিছে এনেদৰে

সাৰ্বভৌম ভট্টাচাৰ্য জ্যোতিষত সাৰ।
দেৱী উপাসক আছিলোঁহে দুৰাচাৰ
।

শংকৰৰ সংগে বহু বাদক কৰিলোঁ।
বাদে ভংগ হয়া শাস্ত্ৰ পঢ়িবাক গৈলোঁ।।
কাশী দেশে বিশ্বেশ্বৰ চক্ৰবৰ্তী নাম।
চাৰিবেদ পঢ়িলোঁহো তৈতে অনুপাম।।' ইত্যাদি।

ভট্টাচাৰ্যৰ সৰু স্বৰ্গখণ্ড পুথিখন ২৯০ টা পদত সমাপ্ত আৰু শংকৰদেৱৰ বৰ্ণনাৰে পুথিখন আৰম্ভ কৰা হৈছে —

'শ্ৰীমন্ত শংকৰ সান্ত মূৰ্তি অৱতাৰ।
তোমাৰ চৰণে কৌটি কৌটি নমস্কাৰ।।

শংকৰদেৱক তেওঁ ভগবানৰ সাক্ষাত অৱতাৰ বুলিছে আৰু কলিযুগত নামধৰ্মই একমাত্ৰ সাৰ বুলি উল্লেখ কৰিছে। কবিৰ বিবৃতিৰ পৰা জনা যায় যে মহাপুৰুষ শংকৰদেৱৰ লগত তৰ্কত পৰাস্ত হৈ তেওঁ কাশীত পঢ়িবলৈ যায় আৰু অৱশেষত হৰিণামৰ মাহাত্ম্য উপলব্ধি কৰি শংকেৰদেৱৰ ওচৰত শৰণ লয়। তেওঁৰ 'বৃহৎ স্বৰ্গখণ্ড

৪৪৭ টা পদত সমাপ্ত। গ্ৰন্থখনিত সপ্ত বৈকুণ্ঠৰ বৰ্ণনা দাঙি ধৰা হৈছে। এই সম্পৰ্কে মহেশ্বৰ নেওগে লিখিছে 'সাৰ্বভৌমৰ পুথিত সপ্ত বৈকুণ্ঠৰ কথা আছে আৰু মহাপুৰুষৰ জীয়াৰীৰ নাতিৰ বংশতহে ধৰ্ম ৰ'ব বুলি ভৱিষ্যদ্বাণী কৰা হৈছে। এইবিলাক লক্ষণ গুৰুচৰিত কথা আদি পিচৰ যুগৰ চৰিতৰ লক্ষণ। গতিকে সাৰ্বভৌমৰ অস্তিত্বতে আমাৰ সন্দেহ হয়।

আনহাতে দৰং ৰাজবংশাৱলীতো সাৰ্বভৌম নামৰ কোনো পণ্ডিত নৰনাৰায়ণৰ ৰাজসভাত থকাৰ উল্লেখ পোৱা নাযায়। অৱশ্যে গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ত সাৰ্বভৌম ভট্টাচাৰ্য নামৰ এজন বৈদান্তিক ভক্তৰ উল্লেখ পোৱা যায়। তেওঁ চৈতন্যদেৱৰ সমসাময়িক আৰু সেয়ে তেওঁ শংকৰদেৱতকৈ পিছৰ।

কংসাৰি কায়স্থ ঃ

শংকৰী যুগৰ কবি কংসাৰি কায়স্থৰ বিষয়ে বিশেষ সমল পোৱা নাযায়। তেওঁ ৰাম সৰস্বতীৰ সমসাময়িক আছিল। ৰাম সৰস্বতীয়ে তেওঁৰ বধকাব্য পুষ্পহৰণ পৰ্বত উল্লেখ কৰিছে যে নৰনাৰায়ণৰ আদেশক্ৰমে মহাভাৰতৰ ভাঙনি কৰোতে তেওঁক কংসাৰি কবিযেও সহায় কৰিছিল

'কংসাৰি প্ৰমুখ্যে ঋষি (কবি) আছা যত যত
সিসবেও পদচয় কৰিলা পাছত।
আমাকে বুলিলা পাচে সংকেত বচন,
আমাসাবো পদচয় কৰিবাক মন।
ৰাজাত কাহিনী কবি দিলো কতখানি
তাৰোসবে পদকবি আছে মনে মানি।

কংসাৰি কবি যশচন্দ্ৰ খাঁ নামৰ কায়স্থ-বংশৰ লোক। মহেশ্বৰ নেওগে তেওঁক যশচন্দ্ৰ ভূঞাৰ ভায়েক সুকবি গিৰি বুলি উল্লেখ কৰিছে। সুকবি কংসাৰিৰ মাই ৰচনা হ'ল মহাভাৰতৰ বিৰাট পৰ্ব। ৰাম সৰস্বতীয়ে বিৰাট পৰ্বৰ কীচক বধলৈকে ভাঙনি কৰে আৰু ইয়াৰ পিছৰ চোৱা ভাঙনি কৰে কংসাৰিয়ে।

কংসাৰিয়ে মহাভাৰতৰ বনপৰ্বৰ অন্তৰ্গত 'বিৰাট অনুপৰ্ব' আৰু বিৰাট পৰ্বৰ অন্তৰ্গত দক্ষিণ গোগ্ৰাহ আৰু উত্তৰ গোগ্ৰাহৰ পদ ৰচনা কৰে। বিৰাট পৰ্বত অৰ্জুনে কিৰাতৰূপী মহাদেৱক সন্তুষ্ট কৰি লাভ কৰা দিব্যাস্ত্ৰৰে দেৱতাৰ শত্ৰুসকলক নিপাত কৰাৰ বৰ্ণনা আছে। বিৰাট পৰ্বৰ উত্তৰ আৰু দক্ষিণ গোগ্ৰাহত অৰ্জুনে ছদ্মবেশত কৌৰৱৰ হাতৰ পৰা বিৰাট ৰজাৰ ধেনুবোৰ উদ্ধাৰ কৰাৰ কথা বৰ্ণনা কৰা হৈছে।

কবিৰ বৰ্ণনা অনাড়ম্বৰ আৰু আকৰ্ষণীয়। বিশেষকৈ যুদ্ধৰ বৰ্ণনাত তেওঁ অন্যান্য বৈষ্ণৱ কবিসকলৰ দৰেই পাৰদৰ্শিতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। অসমীয়া মহাভাৰতীয় সাহিত্যৰ পৰম্পৰাত এইগৰাকী কবিৰ অবদান অনস্বীকাৰ্য।

শ্ৰীধৰ কন্দলি ঃ

শংকৰী যুগৰ কবি শ্ৰীধৰ কন্দলিৰ বিষয়ে বাণীকান্ত কাকতিয়ে লিখিছে এওঁ শংকৰদেৱৰ সমসাময়িক আৰু তেওঁৰ প্ৰিয় পাত্ৰ আছিল। অৱশ্যে কন্দলি শংকৰদেৱৰ সমসাময়িক নহ'লেও বৰ পিছৰ নাছিল। তেওঁৰ নামত দুখনি গ্ৰন্থ পোৱা গৈছে 'কাণখোৱা আৰু 'ঘুনুচা কীৰ্তন। কাণখোৱাত কবিয়ে নিচুকনি গীতৰ আৰ্হিত বিষ্ণুৰ মাহাত্ম্য আৰু তেওৰ লীলা মাহাত্ম্যৰ সৰস আৰু প্ৰাঞ্জল বৰ্ণনা দাঙি ধৰিছে।

ঘুমতি যাযোৰে উৰে কানাই
হৰে কাণখোৱা আসে।
সকল শিশুৰ কাণ খাই খাই
আসেয় তোমাৰে পাশে।।
মাৰৰ বচন শুনি পাশ চাপি
হাসিয়া সোধে কানাই।
কেনেকুৰা গোটে কাণ খাই ফুৰে
চিনাওঁ হাৰলী আই।' ইত্যাদি

মনোৰম কল্পনাৰ আবেশেৰে কবিয়ে কৃষ্ণ চৰিত্ৰৰ দুমুখীয়া স্বৰূপ বিশেষকৈ চিৰন্তন শিশুৰূপ আৰু সৰ্ব অৱতাৰৰ বীজ স্বৰূপ নৰৰূপী নাৰায়ণ ৰূপ পুথিখনিৰ মাজেদি দাঙি ধৰিছে। নিচুকনি গীতৰ আৰ্হিৰে ভগৱদ ভক্তিৰ মহিমা প্ৰচাৰক এনে গ্ৰন্থ কেৱল অসমীয়া সাহিত্যতেই নহয় বিশ্ব সাহিত্যতো বিৰল।

কৃষ্ণৰ ঘুনুচাৰ ঘৰলৈ যাত্ৰা আৰু সেই লৈ ৰুক্মিণীৰ ঈৰ্ষা আৰু কৃষ্ণৰ ওচৰত অভিমানৰ আমোদজনক বৰ্ণনা ঘুনুচা কীৰ্তনত দাঙি ধৰা হৈছে। শংকৰদেৱৰ কীৰ্তন ঘোষাৰ অনেক হাতেলেখা পুথিত 'ঘুনুচা কীৰ্তন'ৰ অন্তৰ্ভুক্তি লক্ষ্য কৰা যায়। এই সম্পৰ্কত লক্ষ্মীনাথ বেজবৰুৱাই মতপ্ৰকাশ কৰে যে 'সি বাস্তৱিক কীৰ্তনৰ ভিতৰত সোমাবৰ উপযুক্ত নহয়। তাৰ ৰচনাপ্ৰণালী কীৰ্তনতকৈ তলখাপৰ। উদাহৰণস্বৰূপে তলত দুটিমান স্তৱক দাঙি ধৰা হ'ল

'সুন্দৰী ৰমণী ভাৰ্যা পাইলন্ত যাদৱ।
আউৰ কি লাগিয়া অসিৱন্ত মোৰ ঠাই।।
ঘুনুচাক সম মই নোহো ৰূপৱতী।

নিলে সব মন হৰি নগৰী যুৱতী।।
এতেকে আমাকে ত্যজি গৈলন্ত আপনে।
ধাৰকাতে কত দুঃখ দিয়া আছে মনে।।
শিশুকাল হন্তে যাদৱে ধৰো আলে।
তথাপিতো তান্ত মই নোবোলাইলো ভাল।।' ইত্যাদি।

'ঘুনুচা কীৰ্তন মুঠ ৭টা কীৰ্তন আৰু ১৭৭ টা পদত সমাপ্ত হৈছে। স্কন্ধ পুৰাণৰ উৎকল খণ্ডই ঘুনুচা কীৰ্তনৰ মূল হ'ব পাৰে কিয়নো উৎকল খণ্ডত গুণ্ডিচাৰ আখ্যান পোৱা যায়। এই গুণ্ডিচাই শংকৰদেৱৰ হাতত ঘুনুচালৈ পৰিৱৰ্তিত হ'ব পাৰে।

শ্ৰীধৰ কন্দলিৰ নামত 'কানাই খেমেলীয়া নামৰ আন এখনি গ্ৰন্থ পোৱা গৈছে। কিন্তু গ্ৰন্থখনিৰ ভাষা অৰ্বাচীন আৰু নিম্ন ৰুচিৰ পৰিচায়ক হোৱা বাবে গ্ৰন্থ ৰচয়িতা অন্য কোনোবা কবি বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে।

ৰত্নাকৰ কন্দলি

শংকৰদেৱৰ মাজুলীৰ ধুৱাহাটাত থকা কালছোৱাত ৰত্নাকৰ কন্দলি শংকৰদেৱৰ সান্নিধ্যলৈ আহে আৰু তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰে। দৈত্যাৰি ঠাকুৰৰ চৰিত পুথি মতে শংকৰদেৱ ধুৱাহাট বেলগুৰিত থাকোঁতে ৰত্নাকৰ কন্দলিয়ে ব্যাসকলাইৰ সৈতে লগ হৈ নিতৌ গীতা পাঠ কৰিছিল আৰু মহাপুৰুষৰ সমুখিতে তেওঁৰ শিষ্যসকলে ব্ৰহ্মপুত্ৰৰ তীৰৰ বালিত বহি গীতা পাঠ আৰু ব্যাখ্যা শুনিছিল। মহাপুৰুষ শংকৰদেৱৰ কীৰ্তন পুথিৰ অন্তৰ্গত 'সহস্ৰ নাম বৃত্যান্ত' অধ্যায়টো ৰত্নাকৰ কন্দলিৰ ৰচনা। দুটা ঘোষা আৰু ৭৭টা পদত অধ্যায়টো সম্পূৰ্ণ হৈছে। হৰিভক্তিৰ মহিমা প্ৰচাৰ কৰাই গ্ৰন্থখনিৰ মূল উদ্দেশ্য। বিষয়বস্তু আৰু ৰচনাৰ সৌষ্ঠৱৰ দিশৰ পৰা সহস্ৰনাম বৃতান্ত অধ্যায়টি কীৰ্তনপুথিৰ বাবে উপযুক্ত হৈছে। সহস্ৰনাম বৃতান্তৰ মূল পদ্মপুৰাণ।

হৰিদেৱ ঃ

মহাপুৰুষ শংকৰদেৱৰ সমসাময়িক এগৰাকী প্ৰধান বৈষ্ণৱ তথা হৰিদেৱী পন্থৰ প্ৰৱৰ্তক হৰিদেৱে ভাগৱতৰ পঞ্চম স্কন্ধৰ পদ অনুবাদ কৰে। তেওঁৰ ভণিতা সম্বলিত আন দুখনি গ্ৰন্থ পোৱা গৈছে। পুথি দুখন হ'ল 'শৰণ সংহিতা আৰু 'ভক্তি ৰস তৰঙ্গিনী। দুয়োখনেই প্ৰকৰণ গ্ৰন্থ। বিভিন্ন সংস্কৃত শাস্ত্ৰৰ পৰা অনা সৰ্বমুঠ ১০৯১ টা শ্লোক

ইয়াত সংকলিত হৈছে — ১৩ টা স্তৱকত। আনহাতে 'শৰণ সংহিত্য'ত বিভিন্ন সংস্কৃত গ্ৰন্থৰ পৰা চয়ন কৰা মুঠ ২৭৮ টা শ্লোক আৰু সেইবোৰৰ সমসংখ্যক অসমীয়া পদভাঙনি পোৱা যায়। এইখিনিতে উল্লেখ কৰা উচিত যে ভক্তি ৰসতৰঙ্গিনীৰ শ্লোকসমূহৰ ভাঙনি অসমীয়া গদ্যত কৰা হৈছে। বনগএগাগিচিৰ ভণিতাযুক্ত 'মহাপুৰুষ শ্ৰীশ্ৰীহৰি দেৱ চৰিত নামৰ এখন পুথিত হৰিদেৱে গ্ৰন্থ ৰচনা কৰাৰ উল্লেখ পোৱা যায় যদিও অন্যান্য চৰিতসমূহত এই সম্পৰ্কে কোনো তথ্য পোৱা নাযায়। সেইবাবেই বিশিষ্ট পণ্ডিত মহেশ্বৰ নেওগে উল্লেখ কৰিছে যে — 'শংকৰ মাধৱৰ পীড়িৰ কোনো পুৰুষে চৰিত ৰচকৰ ভূমিকা লোৱা নাছিল। এই পীড়িৰ কোনো লোকৰ নামত ভণিতা থকা চৰিত যেতিয়া জনসমকক্ষলৈ আহে তাৰ প্ৰথম অভ্যৰ্থনা হ'ব পাৰে ঘোৰ ৰাজহুৱা সন্দেহ।

নাৰায়ণ দাস ঠাকুৰ আতা ঃ

নাৰায়ণদাস ঠাকুৰ আতা আছিল শংকৰদেৱৰ প্ৰিয় শিষ্য আৰু মাধৱদেৱৰ ঘনিষ্ঠ বন্ধু। তেওঁৰ পিতৃদত্ত নাম ভৱানন্দ নাৰায়ণ দাস নামটো শংকৰদেৱে দিয়া। পৰবৰ্তীকালত তেওঁ 'ঠাকুৰ আতা' ৰূপে জনাজাত হয়। নাৰায়ণ দাস ঠাকুৰ আতাৰ জন্ম হয় ১৪১৭ শকত।

ঠাকুৰ আতা এগৰাকী দক্ষ ব্যৱসায়ী (সদাগৰ) আছিল আৰু ব্যৱসায়ৰ কামত ঘূৰি ফুৰোতে ভাস্কৰ বিপ্ৰৰ মুখেদি শংকৰদেৱৰ মাহাত্ম্যৰ বিষয়ে জানিবলৈ পাই তেওঁ বৰপেটাৰ চুণপোৰাত গৈ শংকৰদেৱক লগ ধৰেহি। শংকৰদেৱৰ সাক্ষাৎ লাভৰ পিছত তেওঁৰ মহিমাৰ কথা গম পাই ভৱানন্দই শংকৰদেৱৰ ওচৰত শৰণ লয় আৰু তেওঁৰ পৰম ভক্ত হৈ পৰে।

ধৰ্মচৰ্চাৰ লগে লগে নাৰায়ণ দাসে সাহিত্য চৰ্চাও কৰিছিল। ঠাকুৰ আতাৰ নামত ভালেমান ভকতীয়া ফকৰা আৰু কেইটিমান গীত পোৱা যায়। তেওঁৰ গীতৰ নমুনা এনে ধৰণৰ

"উদ্ধৱ গোকুলে আইলা গৃহ চাড়ি গোপী ধাইলা
কুশলে কি আছে গোবিন্দই।
হামাৰে সঙ্গে পাতি লোলা বিচুৰণ কোনে সন্দৰাণা
মধু পায়া ৰহল মথাই।"

ৰত্নাকৰ মিশ্ৰ ঃ

ৰত্নাকৰ মিশ্ৰৰ নামত 'ব্ৰহ্মগীতা' আৰু গীতা-কীৰ্তন নামৰ দুখনি গ্ৰন্থ পোৱা গৈছে। দুয়োখন গ্ৰন্থৰ ৰচনাৰীতিৰ মাজত সাদৃশ্য বিদ্যমান।

ব্ৰহ্মগীতাৰ মূল স্কন্ধ পুৰাণ। ইয়াত শ্ৰীকৃষ্ণৰ মুখেৰে প্ৰশ্নোত্তৰ মাধ্যমত বক্তব্যসমূহ উপস্থাপন কৰা হৈছে।

'কহে ৰত্নাকৰ দ্বিজে নধৰিবা দোষ।
কৃষ্ণ কথা শুনি মহা হয়োক সন্তোষ।।
একান্তে শুনিয়ো সবে ইটো মহাবস্তু।
মহন্তক মানিবাহা কৰি মহামন্ত্ৰ।।
নিষ্কামে গুৰুত ভক্তি কৰিয়া আশ্ৰয়।
গুৰুত ভজিয়া ভক্তি কৰিয় নিশ্চয়।।
অৰ্জুনে বোলন্ত প্ৰভু শুনা নাৰায়ণ।
কোন বা ব্ৰাহ্মণ ব্ৰহ্মজ্ঞানী কোন জন।।
কাক মহাগুৰু বুলি মানিবো সদাই।
মই মহা অধমত কহিয়ো বুজাই।। ইত্যাদি (ব্ৰহ্মগীতা)

নিত্য নৈমিত্তিক প্ৰসংগৰ প্ৰয়োজন পূৰণৰ অৰ্থে গীতা-কীৰ্তন খনি ৰচনা কৰা হৈছে। প্ৰতিটো কীৰ্তন একোটা ঘোষাৰে আৰম্ভ কৰি পিছত পদ দুলড়ি আদি ছন্দত কথাবস্তু আগুবাই নিয়া হৈছে। উদাহৰণস্বৰূপে —

ঘোষা - *ৰাম হৰি সংসাৰে ভয় শুণিয়ো কৰুণাময়*
চৰণে শৰণ লৈলো বাপ।
তোমাৰ সুশুনি কথা বিষয় কৰিলো বৃথা
হৃদয়ে নধৰে সদা তাপ।।

পদ *অৰ্জুনে বোলন্ত স্বামী তোমাৰ বাক্যত আমি*
ভালমতে নুবুজিলো মৰ্ম।
জ্ঞান বৰ্গ ধৰি আতি মোহময় বান্ধ কাটি
পাছে কিয় আচৰিত ধৰ্ম।।
কৰ্মযোগ পৰিহৰি জ্ঞানযোগ তুমি ধৰি
মনে মোৰে দেখা শ্ৰেষ্ঠতৰ।
কাটন্ত চিন্তা কৰ্ম ক্ষেত্ৰিয়ৰ নিজ ধৰ্ম
বুলি মোক পাকা দামোদৰ।।' ইত্যাদি।

(গীতা কীৰ্তন)

চান্দসাই ঃ

চান্দসাই এগৰাকী মুছলমান দৰ্জী আৰু এওঁৰ প্ৰকৃত নাম আছিল চান্দ খাঁ। শংকৰদেৱ পাটবাউসীত থকা সময়ত তেওঁ শংকৰদেৱৰ সান্নিধ্যলৈ আহে আৰু পিছত তেওঁৰ মাহাত্ম্যত মুগ্ধ হৈ তেওঁতে শৰণ লয়। চান্দসাই সম্পৰ্কে মহেশ্বৰ নেওগে লিখিছে, 'পিছৰ যুগৰ বিখ্যাত আজান পীৰৰ জিকিৰৰ দৰে আৰু ৰচনা ৰীতিৰ ফালৰ পৰা জিকিৰৰ সম পৰ্যায়ৰ লোকগীত বুলীয়া দুই-এটি গীত চান্দসাইৰ নামে ভক্ত সমাজত আজিও চলি আছে। তেওঁৰ গীতবোৰ ভুকতীয়া ফকৰাৰ দৰে ৰহস্যময় আৰু দুৰ্বোধ্য। তেনে এটি গীতৰ নিদৰ্শন তলত দাঙি ধৰা হ'ল

'কিনো গীত গাইলি চান্দৰে ৰবাই
কিনো গীত গাইলি চান্দে।
গভুৰা এন্দুৰৰ পাৰেত পাৰিয়া
বোন্দা বিৰালীয়ে কান্দে।।' ইত্যাদি।

দামোদৰদেৱ ঃ

মহাপুৰুষ দামোদৰদেৱ নৱবৈষ্ণৱ ধৰ্মৰ দামোদৰী পন্থাৰ প্ৰৱৰ্তক। তেওঁ ভালেমান গীত ৰচনা কৰিছিল। তেওঁৰ প্ৰধান শিষ্য ভট্টদেৱক 'কথাবন্ধে ভাগৱত ৰচনা কৰিবলৈ দি অসমীয়া সাহিত্যলৈয়ো পৰোক্ষ অৱদান আগবঢ়াই থৈ গৈছে।

ৰাম ৰায়ৰ গুৰুলীলা'ত দামোদৰদেৱৰ হৰিভক্তিৰ কথা সাৱলীল ভাষাত বৰ্ণনা কৰা হৈছে। শংকৰদেৱৰ সান্নিধ্যলৈ আহি দামোদৰদেৱে একান্তভাৱে ভাগৱত ধৰ্মত মনোনিবেশ কৰে। গুৰুলীলাৰ বৰ্ণনানুসাৰে —

'এহিমতে দামোদৰ বসিয়া আচন্ত।
সংক্ষেপিয়া পূৰ্বাপৰ কহিবো ব্যৱস্থা।।
ৰাম ৰাম গুৰু যে মাধৱ নাৰায়ণ।
পৰম আনন্দে থাকা তাৰা তিনিজন।।
শঙ্কৰ সহিতে তাৰা বসিয়া আচন্ত।
পৰম হৰিষে কৃষ্ণ কথাক চৰ্চন্ত।।' ইত্যাদি।

পাঁচালী সাহিত্য

প্ৰস্তাৱনা ঃ

অসমত নৱ বৈষ্ণৱ ভক্তিধৰ্মৰ প্ৰাদুৰ্ভাবৰ সময়ছোৱাতে এই ধৰ্মৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ আঁতৰি থাকি কেইগৰাকীমান কবিয়ে লৌকিক ঠাঁচৰ কাব্য ৰচনাৰে অসমীয়া সাহিত্যত আত্ম-প্ৰতিষ্ঠা লাভ কৰিছিল। অসমীয়া সাহিত্যৰ ইতিহাসত এই কবিসকল পাঁচালী কবি ৰূপে খ্যাত। এওঁলোক হ'ল মনকৰ দুৰ্গাবৰ পীতাম্বৰ সুকবি নাৰায়ণদেৱ আৰু ষষ্ঠীবৰ।

পণ্ডিতসকলৰ মতে পাঁচালী শব্দটো সংস্কৃত 'পাঞ্চালিকা'ৰ পৰা আহিছে, যাৰ অৰ্থ পুতলা। পাঞ্চাল বা কনৌজ দেশত প্ৰচলিত নৃত্য-গীত-বিশিষ্ট যি গীত শৈলী বঙ্গদেশলৈ আহি প্ৰতিপত্তি লাভ কৰিছিল সেয়ে পাঁচালী। ভৰতৰ নাট্যশাস্ত্ৰত বিভিন্ন নাট্য-প্ৰবৃত্তিৰ প্ৰসঙ্গত পাঞ্চালী প্ৰবৃত্তিৰ উল্লেখ কৰা হৈছে। অসমৰ পাঁচালী সঙ্গীততো নৃত্য-গীত আৰু পদ চালনাৰ প্ৰাধান্য লক্ষ্য কৰা যায়। বঙ্গীয় সঙ্গীত শাস্ত্ৰকাৰ নৰহৰি চক্ৰৱৰ্তীয়ে বিস্তীৰ্ণ পদযুক্ত গানকে পাঁচালী আখ্যা দিছে। গতিকে পাঁচালী এক বিশেষ ধৰণৰ সঙ্গীতশৈলী। ভৰতৰ নাট্যশাস্ত্ৰত বিভিন্ন নাট্য প্ৰবৃত্তিৰ আলোচনা প্ৰসঙ্গত পাঞ্চালী প্ৰবৃত্তিৰ নামোল্লেখ পোৱা যায়। নৃত্য-গীত আৰু পদ চালনা এই প্ৰবৃত্তিৰ অন্যতম বৈশিষ্ট্য। ওজাপালি গীতো পঞ্চ-আলিবিশিষ্ট সেয়া হ'ল— দিহাবা ধুৰা ৰাগ পদ বানা আৰু ভনিতা। বঙ্গদেশত কথকতাৰ উপযোগী কৰি ৰচনা কৰা গীত-পদ সমূহক পাঁচালী বোলা হৈছিল। সেইধাৰেই কৃত্তিবাসী ৰামায়ণক পাঁচালী বোলা হৈছে।

বিষয়বস্তুৰ ফালৰ পৰা অসমীয়া পাঁচালী সাহিত্যক তিনিটা ভাগত ভগাব পাৰি। সেয়া হ'ল — মহাকাব্যীয় পাঁচালী সাহিত্য মনসা বা বিষহৰী বিষয়ক পাঁচালী সাহিত্য আৰু বিবধ বিষয়ক পাঁচালী সাহিত্য।

(ক) মনকৰ ঃ

অসমৰ মনসা কবিসকলৰ ভিতৰত মনকৰ আৰু দুৰ্গাবৰ ষোড়শ শতিকাৰ প্ৰথম ভাগৰ কবি। কবিয়ে আত্ম পৰিচয় প্ৰসঙ্গত উল্লেখ কৰিছে যে — 'কমতাইৰ ৰাজা বন্দো ৰাজা জল্লেশ্বৰ। একশত মহিষী বন্দো ওঠৰ কোঁৱৰ। মনকৰৰ এই পদটোৰ দ্বাৰা কমতাৰ ৰজা বিশ্বসিংহৰ উল্লেখ কৰা হৈছে। কিয়নো দৰং ৰাজবংশাৱলীত বিশ্বসিংহৰ ওঠৰজন কুমাৰৰ উল্লেখ পোৱা যায়। বিশ্বসিংহই ষোড়শ শতিকাৰ প্ৰথমাৰ্দ্ধত (১৫১০-১৫৪০) ৰাজত্ব কৰিছিল গতিকে মনকৰৰ সময়ো ষোড়শ শতিকাৰ আশে পাশেই হ'ব বুলি অনুমান কৰিব পাৰি।

মনকৰৰ ৰচনা হিচাপে কেৱল পদ্মা পুৰাণৰ অংশ বিশেষহে পোৱা যায়। কবিয়ে তেওঁৰ ৰচনাক মনসা কাব্য নুবুলি পদুমাইৰ গীত পাঞ্চালি আৰু শ্ৰাবণেৰ গীত আখ্যা দিছে

(ক) মনকৰে ৰচিলেক পদুমাইৰ গীত

(খ) মনকৰে ৰচিলেক বিহাৰ পাঞ্চালি।

(গ) মনকৰে ৰচিলেক শ্ৰাৱনেৰ গীত।

মনকৰ বিৰচিত মনসা গীত অতি জনপ্ৰিয় আৰু মনসা পূজাত আজিও ওজাপালিয়ে সেইবোৰ সুৰ লগাই পৰিবেশন কৰে। অবশ্যে তেওঁৰ দ্বাৰা ৰচিত মনসা কাব্যত বেউলা লখিন্দাৰৰ কাহিনীভাগ নাই। তাৰ পৰিবৰ্তে সৃষ্টি খণ্ড হৰ পাৰ্বতীৰ বিবাহখণ্ড আৰু পদ্মাৰ জন্ম খণ্ডহে লিপিবদ্ধ হৈছে। তেওঁৰ গীতত লোকগীতৰ দৰে সৰলতা আৰু লৌকিক ঠাঁচৰ প্ৰাধান্য দেখা যায়।

সৃষ্টিখণ্ডত জগত সৃষ্টিৰ বৰ্ণনা কৰা হৈছে। মনকৰৰ সৃষ্টিতত্ত্বত শিৱকেই পৰমপুৰুষ হিচাপে দেখুওৱা হৈছে 'হৰৰ আদেশে ব্ৰহ্মা সৃজিলা সকল। আন এঠাইত 'অৰ্দ্ধ অঙ্গ মহাদেৱ অৰ্দ্ধ অঙ্গ ধৰ্ম বুলি ধৰ্মদেৱতা আৰু মহাদেৱক এক বুলি দেখুৱাৰ প্ৰয়াস কৰা হৈছে। মনকৰৰ মনসা কাব্যৰ দ্বিতীয় খণ্ডত 'শিৱৰ দ্বাৰা দুৰ্গাৰ অনুসন্ধান দুৰ্গাৰ কেশ বিন্যাস শিৱ দুৰ্গাৰ মিলন ফুলবনত হৰ গৌৰীৰ সম্ভোগ দুৰ্গাক বিয়া কৰাবলৈ শিৱৰ বাসনা দুৰ্গাৰ কাৰণে বস্ত্ৰ অলংকাৰ আদি লৈ হেমন্তৰ ঘৰলৈ নাৰদৰ গমন দৰাৰূপে শিৱৰ সাজন-কাঁচন কন্যাবেশত পাৰ্বতীৰ সাজন-কাঁচন আৰু প্ৰসাধন অলংকাৰ পৰিধান হৰ পাৰ্বতীৰ বিবাহ আৰু বিবাহত বৈদিক কৰ্মানুষ্ঠানবোৰ সম্পাদন — এই প্ৰধান ঘটনাবোৰৰ উপৰিও আৰু কিছুমান আনুসঙ্গিক কথা এই খণ্ডৰ অন্তৰ্ভুক্ত হৈছে। পদ্মাৰ জন্ম খণ্ডত হৰৰ পুষ্পবন যাত্ৰা পদ্মাৰ জন্মকথা কুচুনি বেশধাৰিণী দুৰ্গাৰ দ্বাৰা হৰমোহন আৰু প্ৰাসঙ্গিকভাবে অন্য কিছুমান কথা ইয়াত সামৰি লোৱা হৈছে। পদ্মাৰ জন্মতেই মনকৰৰ মনসাকাব্যৰ পৰিসমাপ্তি ঘটিছে।

অসমৰ মধ্যযুগৰ সামাজিক আৰু ধৰ্মীয় দিশৰ পৰা মনকৰৰ মনসা কাব্যৰ ঐতিহাসিক গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। কাব্যিক দিশৰ পৰা আৰ্কষণীয় হ'লেও মনকৰৰ বৰ্ণনাত কলাসুলভ সংযমৰ পৰিচয় পোৱা নাযায়। এইক্ষেত্ৰত হৰ গৌৰীৰ সম্ভোগৰ বৰ্ণনাখণ্ডৰ উল্লেখ কৰিব পাৰি। মনকৰৰ বৰ্ণনাত নাৰদ শিৱ প্ৰভৃতি চৰিত্ৰসমূহ সাধাৰণ মানুহৰ শাৰীলৈ নামি আহিছে।

(খ) দুৰ্গাবৰ ঃ

মনকৰৰ পাছতেই আন এগৰাকী উল্লেখযোগ্য মনসা কবি হ'ল দুৰ্গাবৰ। তেওঁ পদ্মা পুৰাণৰ অন্তৰ্গত বেউলা আখ্যানটো ওজাপালিৰ উপযোগীকৈ ৰচনা কৰি উলিয়াইছে। কবিয়ে নীলাচলত থাকি এই কাব্য ৰচনা কৰিছিল আৰু তেওঁৰ পিতৃ আছিল শ্ৰীচন্দ্ৰধৰ কায়স্থ।[১]

কবিয়ে তেওঁৰ কাব্যৰ বিভিন্ন স্থানত তেওঁৰ পৃষ্ঠপোষক ৰাম্বল শিকদাৰৰ নাম উল্লেখ কৰিছে। একেখন কাব্যতে কবিয়ে কমতাৰ ৰজা বিশ্বসিংহৰ বন্দনা কৰিছে এনেদৰে

'কমতা ঈশ্বৰ বন্দো বিশ্বসিংহ নৃপবৰ।
আঠেচল্লিশ মহিষী বন্দো ওঠৰ কোঁৱৰ।।
পিতৃ-মাতৃক বন্দো সহস্ৰেক বাৰ।
গুৰুৰ চৰণ বন্দিবো শতবাৰ।।

এনে বৰ্ণনাৰ পৰা অনুমান কৰিব পাৰি যে দুৰ্গাবৰে বিশ্বসিংহৰ ৰাজত্বকালতে বেউলা আখ্যান ৰচনা কৰিছিল। চাৰ এডোৱাৰ্ড গেইটে বিশ্বসিংহৰ ৰাজত্বকাল ১৫১৫ ৰ পৰা ১৫৪০ চনলৈ বুলি সিদ্ধান্ত কৰিছে। কাব্যখন তেওঁৰ ৰাজত্বকালৰ শেষৰ ফালে ৰচিত হোৱা বুলি ধৰিব পাৰি।

কোনো কোনোৱে মনসা গীতৰ ৰচক দুৰ্গাবৰ আৰু গীতি ৰামায়ণৰ ৰচক দুৰ্গাবৰ দুজন পৃথক ব্যক্তি বুলি কব খোজে। এই সম্পৰ্কে ইঙ্গিত দি মহেশ্বৰ নেওগে লিখিছে গীতি ৰামায়ণত কবিয়ে নিজকে ৰামপদ কিঙ্কৰ বুলি বৰ্ণালেও তেওঁক বিশেষ কোনো ৰামায়ত সম্প্ৰদায়ৰ লোক বুলি ধৰিব নোৱাৰি। দুৰ্গাবৰী পদ্মাৰ পাঁচালীত ৰামভক্তিৰ কোনো নিদৰ্শন পোৱা নাযায়। কিন্তু সেইবাবেই মনসা কবি দুৰ্গাবৰ আৰু ৰামায়ণী কবি দুৰ্গাবৰ দুজন ব্যক্তি বুলি ভাবিব পাৰি নেকি?[২]

নেওগৰ ইঙ্গিতৰ ওপৰত ভিত্তি কৰি উপেন্দ্ৰ নাথ গোস্বামীয়ে দুজন দুৰ্গাবৰৰ অস্তিত্ব সম্পৰ্কে যুক্তি আগবঢ়াইছে। গোস্বামীৰ মতে গীতি ৰামায়ণৰ কবি দুৰ্গাবৰ ৰামৰ সেৱক। মনসা কবি দুৰ্গাবৰ পদুমাইৰ দাস। গীতি ৰামায়ণৰ আৰম্ভণিতে আছে বিষহৰ্য্যৈ নমঃ। গীতি-ৰামায়ণত ভকতৰ অৰ্থে ৰাম অন্যায় কৰন্তা দুৰ্গাবৰীত বিষহৰী অভক্তজনৰ প্ৰতি অতিশয় হিংসাপৰায়ণ। দুয়োখন পুথিৰ বিষয়বস্তু আৰু ভাবধাৰাৰ কোনো সাদৃশ্য নাই। দুয়োখন পুথিৰ ৰচকৰ ৰুচি ভিন্ন অভিপ্ৰায় সুকীয়া।[৩]

---

১ *কায়স্থ শ্ৰীচন্দ্ৰধৰ তানপুত্ৰ দুৰ্গাবৰ*
বিৰচিলা গীত বিভোপন। — পদ্মাপুৰাণ (বেউলা আখ্যান)

২. *নেওগ মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃ ১২৩।*

৩ *গোস্বামী, উপেন্দ্ৰনাথ ঃ ভাষা আৰু সাহিত্য পৃ ১৪২।*

দুয়োখন কাব্যৰ ভাষা আৰু ছন্দৰ লগতে অন্তৰ্নিহিত ধৰ্মীয় ভাৱনাৰ বিষয়ে উল্লেখ কৰি তেওঁ সিদ্ধান্ত কৰিছে যে — প্ৰত্যেক ক্ষেত্ৰতে সম্পূৰ্ণ বিপৰীত বৈশিষ্ট্যযুক্ত কবি দুজনাক এজন বুলি ভাবিবৰ অৱকাশ নাই। মনসা কবি দুৰ্গাবৰ হৈছে অবৈষ্ণৱ কবি আৰু গীতি-ৰামায়ণৰ কবি দুৰ্গাবৰ বৈষ্ণৱ কবি।[৪]

ড° গোস্বামীয়ে তেনেদৰে উল্লেখ কৰিলেও কেৱল বন্দনা শ্লোকৰ ওপৰত নিৰ্ভৰ কৰি কাব্য এখনৰ ৰচকৰ পৰিচয় নিৰূপন কৰাটো সহজ নহয়। ৰামায়ণৰ বিভিন্ন স্থানত সংৰক্ষিত পাণ্ডুলিপিৰ আৰম্ভণিতে পোৱা বন্দনাৰ ভিন্নতায়ো এই সম্পৰ্কে স্থিৰ সিদ্ধান্ত গ্ৰহণ কৰাত অসুবিধাৰ সৃষ্টি কৰে। দুয়োখন পুথিৰ বিভিন্ন পাণ্ডুলিপিত পোৱা পাঠৰ ভিন্নতাই ইয়াৰ ঘাই কাৰণ। উদাহৰণ স্বৰূপে দুৰ্গাবৰৰ অযোধ্যা কাণ্ডৰ হাজোত প্ৰাপ্ত প্ৰতিলিপিত বিভিন্ন দেৱ দেৱতাৰ স্তুতি কৰা হৈছে এনেদৰে

'জয় জয় কৃষ্ণদেৱ জয় শূলপাণি।
জয় জয় দুৰ্গাদেৱী জগত জননী।।
যাহাৰ কৃপাত তৰি বৈকুণ্ঠক জাই।
এতকেসে সাধুসবে হৰিগুণ গাই।।
ৰাম নাম বিনে তান নাহিকে মুকুতি।
অনাথৰ নাথ প্ৰভু ৰাম যদুপতি।।
এতেকে সমস্তজনে শুনা এহি পদ।
ইহাৰ শ্ৰৱণে পাইবা পৰম সম্পদ।।'

গতিকে গোস্বামীয়ে উল্লেখ কৰাৰ দৰেই গীতি ৰামায়ণৰ আৰম্ভণিৰ পৰা শেষলৈ কেৱল বিষ্ণুভক্তিৰ বাহিৰে আন দেৱ দেৱীৰ উল্লেখ নথকা কথাষাৰ সত্য নহয়। দুৰ্গাবৰৰ গীতি ৰামায়ণৰ একাধিক ঠাইত চণ্ডীকাৰ পূজাৰো উল্লেখ পোৱা যায়। শ্ৰীৰামচন্দ্ৰক যুৱৰাজ পতা আৰু তেওঁৰ বনবাস যাত্ৰাৰ সময়ত কৌশল্যাই বিবিধ উপচাৰেৰে দেৱী চণ্ডীকাৰ প্ৰতি পূজা আগবঢ়োৱাৰ প্ৰসঙ্গতো এইক্ষেত্ৰত উল্লেখ কৰিব পাৰি। সেইবাবেই ৰামায়ণী কবি দুৰ্গাবৰক বৈষ্ণৱ কবি বুলি পোনচাটেই ক'ব নোৱাৰি। দুৰ্গাবৰ এগৰাকী পাঁচালী কবি আছিল আৰু সেইবাবেই বাহুবল শিকদাৰৰ পৃষ্ঠপোষকতা লাভ কৰি তেওঁ মনসা কাব্যৰ কাহিনীভাগ পদত ভাঙনি কৰিছিল। পৰবৰ্তী কালত তেওঁ মাধৱ কন্দলিৰ ৰামায়ণৰ কাহিনীৰ আধাৰত ৰামায়ণী গীত ৰচনা কৰে। অৱশ্যে মাধৱ কন্দলিৰ কাহিনীৰ ওপৰতে নিৰ্ভৰ নকৰি দুৰ্গাবৰে ৰামকথা সম্পৰ্কীয় লোক পৰম্পৰাত প্ৰচলিত ভালেমান কথাও কাব্যৰ অন্তৰ্ভূক্ত কৰে। গতিকে দুয়োখন কাব্য

৪ গোস্বামী উপেন্দ্ৰনাথ : প্ৰাগুক্ত গ্ৰন্থ, পৃ ১৫২।

ৰচনাৰ পৰম্পৰা সুকীয়া সুকীয়া মনসা গীতৰ পৰম্পৰা লৌকিক ৰামায়ণী গীতৰ পৰম্পৰা লিখিত পৰম্পৰা। দুৰ্গাবৰে কোনো বিশেষ ধৰ্মীয় পৰম্পৰাৰ প্ৰতি আনুগত্য প্ৰকাশৰ পৰিবৰ্তে জনসাধাৰণৰ মনোৰঞ্জন আৰু ৰসাস্বাদনৰ প্ৰতিহে অধিক গুৰুত্ব প্ৰদান কৰিছিল। 'মন কৰিবলগীয়া যে অসমৰ ওজাপালি অনুষ্ঠানৰ দুটি প্ৰধান ধাৰা বিয়াহগোৱা আৰু সুকনানী ওজাৰ মাজত ধৰ্মীয় আনুসঙ্গিকতাৰ পাৰ্থক্য আছে যদিও এতিয়াও সুকনানী গোৱা ওজাই মনসাৰ গীতৰ উপৰিও স্থানবিশেষে বিয়াহ গোৱা ওজাপালিৰ মহাকাব্য পুৰাণ আশ্ৰিত গীত পদ গোৱাও দেখা যায় গতিকে ৰামায়ণী গীত আৰু মনসা গীত ৰচনা কৰা দুৰ্গাবৰ একেজন লোকেই আছিল বুলি ক'ব পাৰি।

বৰ্তমানলৈকে দুৰ্গাবৰ কবিৰ দ্বাৰা ৰচিত দুখনি গ্ৰন্থ পোৱা গৈছে পদ্মাপুৰাণ আৰু গীতি-ৰামায়ণ। পদ্মা পুৰাণ কবিৰ প্ৰথম ৰচনা আৰু কাব্যখনি নীলাচলত থাকি ৰচনা কৰা হৈছিল। কবিয়ে পদ্মাপুৰাণৰ চান্দো-সদাগৰ আৰু বেউলাৰ আখ্যানভাগ ৰচনা কৰিছে। কাব্যখনত পদ্মাৰ লগত শিৱ ভক্ত চান্দো সদাগৰৰ বিৰোধত আৰম্ভ কৰি পদ্মাৰ প্ৰতিশোধকল্পে সদাগৰৰ ছয়পুত্ৰৰ বিনাশ আৰু বেউলা-লক্ষ্মীন্দাৰৰ জন্ম আৰু বিবাহ, সৰ্পদংশনত লক্ষীন্দাৰৰ মৃত্যু বেউলাৰ সাগৰ যাত্ৰা আৰু চান্দোৰ ছয়পুত্ৰৰ লগতে লক্ষীন্দাৰৰ পুনৰজীৱন লৈ গৃহলৈ প্ৰত্যাবৰ্তনৰ বৰ্ণনা দি চান্দো আৰু পদ্মাৰ সন্ধি স্থাপনত কাব্যৰ পৰিসমাপ্তি ঘটোৱা হৈছে।

দুৰ্গাবৰৰ বেউলাৰ আখ্যান'ত নাৰায়ণদেৱৰ পদ্মা পুৰাণৰ দৰে কাল্পনিক উপকাহিনীৰ অৱতাৰণা নকৰি যিমান দূৰ সম্ভৱ পোনপটীয়াভাৱে কাহিনী উপস্থাপন কৰিছে। কাব্যখনৰ গীতবোৰ ৰাগ-ৰাগিনীযুক্ত আৰু লোককাব্যৰ লক্ষণেৰে সমৃদ্ধ। কাব্যখনত 'মানুহ দেৱতালৈ পৰিণত হৈছে আৰু দেৱতা সাধাৰণ মানুহৰ শাৰীলৈ নামি আহিছে। চৰিত্ৰসৃষ্টি বিশেষকৈ চৰিত্ৰৰ মনস্তাত্বিক বিশ্লেষণত কবিয়ে সাৰ্থকতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। চন্দ্ৰধৰৰ পৌৰুষ আৰু দৃঢ়তা সোনেকাৰ পুত্ৰ-বৎসলতা বেউলাৰ সতীত্ব আৰু প্ৰতিশোধ পৰায়ণতাৰ স্বৰূপ কাব্যখনিত সাৰ্থকৰূপত চিত্ৰিত হৈছে।

দুৰ্গাবৰী গীতি ৰামায়ণৰ এতিয়ালৈকে ছটা কাণ্ড পোৱা হৈছে যদিও আদি কাণ্ড বৰ্তমানলৈ উদ্ধাৰ হোৱা নাই। মাধৱ কন্দলিৰ ৰামায়ণৰ ওপৰত ভেটি কৰি দুৰ্গাবৰে গীতি ৰামায়ণখনি ৰচনা কৰিছে। সেই সময়ত ৰামায়ণ অতি জনপ্ৰিয় কাব্য আছিল আৰু সেয়ে ভক্তি আন্দোলনৰ একাৰ বিশিষ্ট অনুসৰণকাৰী অনন্ত কন্দলিয়ে মাধৱ কন্দলিৰ ৰামায়ণত ভক্তিৰস পৰ্যাপ্ত পৰিমাণে নাই বুলি ভক্তিধৰ্মৰ উপযোগীকৈ একন ৰামায়ণ নতুনকৈ ৰচনা কৰিছিল। অৱশ্যে ৰামৰ ভজনীয় গুণ ব্যক্ত কৰি অনন্ত কন্দলিয়ে নতুনকৈ ৰামায়ণ ৰচনা কৰিলেও সেই কাৰ্য শংকৰদেৱে সমৰ্থন কৰা নাছিল আৰু সেয়ে মাধৱদেৱৰ লগ লাগি গ্ৰন্থখনি ভক্তসকলৰ গ্ৰহণীয় কৰি তুলিবৰ বাবে মাধৱদেৱৰ হতুৱাই আদি কাণ্ড আৰু নিজে উত্তৰা কাণ্ড ৰচনা কৰিছিল।

দুৰ্গাবৰৰ গীতি-ৰামায়ণে জনসাধাৰণৰ মাজত অধিক প্ৰাধান্য লাভ কৰিছিল। কৰুণ ৰস আৰু লৌকিকতাৰ প্ৰাধান্য দুৰ্গাবৰৰ গীতি ৰামায়ণৰ মন কৰিবলগীয়া বৈশিষ্ট্য। বাণীকান্ত কাকতিৰ মতে গীতি ৰামায়ণ বাল্মিকীৰ মহাকাব্যৰ গাঁৱলীয়া তাণ্ডৰণ। দুৰ্গাবৰে ৰামায়ণৰ পদ ভাঙনিত সততে মাধৱ কন্দলিৰ ৰামায়ণৰ কথাবস্তু অনুসৰণ কৰিছে। এইক্ষেত্ৰত মহেশ্বৰ নেওগে এনেদৰে মন্তব্য আগবঢ়াইছে

'অৰণ্যকাণ্ডৰ শেষৰ ফালৰ পৰাই পিছৰ ডোখৰ লক্ষ্য কৰিলে গীতি-ৰামায়ণক মাধৱ কন্দলিৰ পদ-ৰামায়ণৰ ওজাপালি তাণ্ডৰণ বুলিলেহে বেছি ৰজিতা খাব যেন লাগে। উল্লিখিত পিছৰ অংশ বিশেষকৈ পয়াৰৰ টুকুৰাবোৰ কন্দলিৰ পদেৰে একে। ঠায়ে ঠায়ে দুৰ্গাবৰে কন্দলিৰ পদ এৰি গৈছে কৰবাত তাৰ লগত আৰু শাৰী যোগ দিছে কোনো ঠাইত কন্দলীৰ শাৰীবোৰৰ মাজত এ হে আদি যোগ দি ৰাগ সংযোজন কৰিছে আন কোনো ঠাইত সৰু সুৰা সলনি কৰা হ'লেও কন্দলিৰ হাতৰ চিন বাৰুকৈয়ে বিৰিঙি বৈছে।'[৫]

অৰণ্যে কন্দলি ৰামায়ণত নথকা ভালেমান প্ৰসঙ্গই গীতি-ৰামায়ণত স্থানলাভ কৰিছে, যিবোৰ লৌকিক পৰম্পৰাৰ ৰামকথাৰ সৈতে সাদৃশ্যযুক্ত। কন্দলি ৰামায়ণত নথকা গীতি ৰামায়ণৰ এনে কাহিনী বা উপকথাসমূহ হ'ল — 'সীতাৰ জন্মবৃতান্ত সীতাৰ দ্বাৰা দশৰথৰ পিণ্ডদান সীতাৰ দ্বাৰা মায়া অযোধ্যাৰ সৃষ্টি আৰু কামখেৰি পৰ্ব সীতাৰ সুৰক্ষাৰ বাবে ৰামৰ ধনুৰ তিনি ৰেখা চাকৈ-চকোৱাৰ কাহিনী বগলীৰ কথা ইত্যাদি।

মূল ৰামায়ণত ৰাম-সীতাই পাশা খেলাৰ উল্লেখ নাই যদিও দুৰ্গাবৰী গীতি ৰামায়ণত ৰাম-সীতা উভয়ে পৰ্ণকুটীৰত আনন্দ মনেৰে পাশা খেলি থকাৰ বৰ্ণনা পোৱা যায়। সেইদৰে মূল ৰামায়ণত সীতাই ৰামক সোণৰ হৰিণৰ ছালহে আনি দিবৰ কাৰণেহে খাটনি ধৰিছিল। আনহাতে দুৰ্গাবৰী গীতি-ৰামায়ণত সীতাই জীয়াই জীয়াই হৰিণাতো পাব বিচাৰিছিল। সেইদৰে অৰণ্য কাণ্ডত সীতাই ফল্গু নদীত বালিতেই দশৰথৰ পিণ্ডদান কৰাৰ উল্লেখ পোৱা যায়। সীতাই মায়া অযোধ্যা সৃষ্টি কৰি ৰামচন্দ্ৰক সন্তোষ দিয়াৰ কথাও দুৰ্গাবৰী গীতি-ৰামায়ণত লিপিবদ্ধ হৈছে, যিটো বাল্মিকী ৰামায়ণ অথবা মাধৱ কন্দলিৰ ৰামায়ণত পোৱা নাযায়। কিন্তু দুৰ্গাবৰী ৰামায়ণত উল্লেখ কৰা এই কাহিনীটো কৃত্তিবাসী ৰামায়ণত পোৱা যায়। মূল বাল্মিকী ৰামায়ণত নাথাকিলেও কবি দুৰ্গাবৰে কাব্যিক কল্পনাৰ মাধ্যমেৰে মোট খেলাৰ দৃশ্যটি অতি নিপুণভাৱে উপভোগ্য ৰূপত সজাই তুলিছে। এই সম্পৰ্কত মহেশ্বৰ নেওগৰ মন্তব্য প্ৰণিধানযোগ্য। তেওঁ লিখিছে 'সীতাৰ লগত পাশা খেলোঁতে অযোধ্যাৰ আনন্দ উচ্ছ্বলৈ মনত পৰি

৫ নেওগ মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃ ১২৫।

ৰামৰ মন কেনেবা লগাত সীতাই মায়া অযোধ্যা সৃষ্টি কৰা ৰাম-সীতা লক্ষ্মণৰ মায়া প্ৰজা পাত্ৰৰ লগত চৈত্ৰাবলী চতুৰ্দশীৰ মোটখেলাৰ বৰ্ণনা এটি মনোৰম কল্পনা।

দুৰ্গাবৰে গীতি ৰামায়ণত গীত পদৰ বিবিধ সুৰ-লয় অব্যাহত ৰাখি অনুভূতি প্ৰকাশক ভাববোৰ সাবলীল ভাষাত প্ৰকাশ কৰিছে। দুৰ্গাবৰে গীতি ৰামায়ণ আৰু মনসা কাব্যত বিবিধ ৰাগৰ যথাযথ প্ৰয়োগ কৰিছে। অসমীয়া ৰামায়ণী সাহিত্যক জনপ্ৰিয় কৰি তোলাত দুৰ্গাবৰৰ গীতি-ৰামায়ণে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। গীতি ৰামায়ণত কবিযে মাধৱ কন্দলিৰ ৰামায়ণৰ দ্বাৰা প্ৰভাৱিত হ'লেও কাহিনী বিন্যাস আৰু পৰিস্থিতি বৰ্ণনাত ভালেমান দিশত স্বকীয় কল্পনা আৰু উদ্ভাৱনী শক্তিৰ পৰিচয় দিবলৈ সক্ষম হৈছে।

(গ) পীতাম্বৰ ঃ

শংকৰদেৱৰ সমসাময়িক পীতাম্বৰ হ'ল আন এগৰাকী প্ৰতিভাসম্পন্ন পাঁচালী কবি। তেওঁৰ নামত চাৰিখন গ্ৰন্থ পোৱা গৈছে। গ্ৰন্থসমূহ হ'ল 'উষা পৰিণয় 'ভাগৱতৰ দশম স্কন্ধ 'মাৰ্কণ্ডেয় চণ্ডী আৰু 'নল দময়ন্তী । কিন্তু গ্ৰন্থকেইখনিৰ যোগেদি কবিৰ ব্যক্তিগত জীৱনী সম্পৰ্কে বৰ বেছি জনা নাযায়। তেওঁৰ দ্বাৰা ৰচিত গ্ৰন্থৰ অন্তৰঙ্গ সাক্ষ্যৰ ওপৰত ভিত্তি কৰি পীতাম্বৰক কমতাপুৰ নিবাসী বুলি অনুমান কৰা হৈছে। পীতাম্বৰে কুমাৰ সংগ্ৰাম সিংহ অৰ্থাৎ চিলাৰায়ৰ অনুপ্ৰেৰণা লাভ কৰি কাব্যচৰ্চা কৰিছিল।

বহুতে পীতাম্বৰ কবি আৰু পীতাম্বৰ সিদ্ধান্তবাগীশক একেজন ব্যক্তি বুলি ক'ব খোজে। 'দৰং ৰাজবংশাবলী'ৰ উল্লেখ মতে চিলাৰায়ে বিদ্যাবাগীশ আৰু সিদ্ধান্তবাগীশ নামৰ দুজন গৌড়ীয় পণ্ডিতক স্বদেশলৈ আনে। কিন্তু পীতাম্বৰ কবিৰ ৰচনাৱলীৰ কতো গৌড়ৰ পৰা অহা বুলি উল্লেখ পোৱা নাযায়। পীতাম্বৰ কবিয়ে 'মাৰ্কণ্ডেয় পুৰাণ'ত কৈছে, পুৰাণ আদি শাস্ত্ৰৰ ৰহস্য পণ্ডিতে বুজয় মাত্ৰ আনে নাবুঝয়' বাবে যুৱৰাজে কবিক সকলোৰে বুজাকৈ 'নিজদেশ ভাষাবন্ধে ৰচিবো পয়াৰ বুলি আজ্ঞা কৰিছিল। পীতাম্বৰৰ নিজা ভাষা 'অসমীয়া । গুৰুচৰিতৰ মতেও তেওঁ কামৰূপ অঞ্চলৰ কবি। গতিকে গৌড়ৰ পৰা কামৰূপলৈ অহা সিদ্ধান্তবাগীশ পণ্ডিত পীতাম্বৰ আৰু কামৰূপী কবি 'শিশু পীতাম্বৰ দুজন মানুহ।[৬]

---

৬. নেওগ মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ ১১৩।

উষা পৰিণয় ঃ

'উষা পৰিণয় কবিৰ আগয়সৰ ৰচনা। কবিয়ে গ্ৰন্থখনি কমতানগৰত থাকি ৰচনা কৰিছিল ঃ

'কমতা নগৰে সুৰপুৰী পৰতেক।
তাতে শিশু পীতাম্বৰ নামে কবি এক।।
কমতানগৰ সুৰপুৰ অৱতাৰ।
একমুখে কে কহিবে যেন গুণ তাৰ।।
তাতে পীতাম্বৰ নামে কবি শিশুমতি।
উষা পৰিণয় গীত কৈলা সমাপতি।।

ইয়াত কমতানগৰ মহাৰাজ বিশ্বসিংহৰ ৰাজধানী কমতাপুৰ। তাতে থাকি পীতাম্বৰ কবিয়ে কাব্য ৰচনা কৰে।

পীতাম্বৰ কবিৰ উপাধি 'দ্বিজ' নে 'দাস' এই সম্পৰ্কতো মতভেদ বিদ্যমান। হেমচন্দ্ৰ গোস্বামীয়ে 'অসমীযা সাহিত্যৰ চানেকি'ত পীতাম্বৰ কবিক 'দ্বিজ' বুলি উল্লেখ কৰিছে যদিও তেও কোনো প্ৰসঙ্গৰ অবতাৰণা কৰা নাই। শশীভূষণ দাসগুপ্তই 'বিশ্বভাৰতী' পত্ৰিকাৰ এটি প্ৰবন্ধত পীতাম্বৰ সম্পৰ্কে উল্লেখ কৰি লিখিছে — 'তিনি (পীতাম্বৰ) নিজেকে কামৰূপী ব্ৰাহ্মণ বলিযা পৰিচয দিযাছেন। কিন্তু হেমচন্দ্ৰ গোস্বামীৰ দৰে দাসগুপ্তয়ো কোনো প্ৰসঙ্গৰ অবতাৰণা কৰা নাই। আনহাতে কবিয়ে তেওঁৰ ৰচনাৰ বিভিন্ন ঠাইত আত্ম পৰিচয় প্ৰসঙ্গত 'দাস' শব্দহে প্ৰযোগ কৰিছে। 'নল দময়ন্তী'ৰ এঠাইত তেও লিখিছে —

'দাস পীতাম্বৰে ভণে হৰিপদে পয়াৰ প্ৰবন্ধ।
নাৰায়ণ পৰসনে দাস/পীতাম্বৰে ভণে
পয়াৰ প্ৰবন্ধ পুণ্যময়।।' ইত্যাদি।

পীতাম্বৰ কবিয়ে নিজৰ ৰচনাবলীৰ বিভিন্ন ঠাইত দিযা আত্ম পৰিচয়ৰ পৰা ক'ব পাৰি যে পীতাম্বৰ দাসহে, দ্বিজ নহয়। হেমচন্দ্ৰ গোস্বামী আৰু শশীভূষণ দাসগুপ্তৰ উল্লেখ মূল সমৰ্থিত নহয় আনুমানিকহে। কোচবিহাৰত সংৰক্ষিত 'নল-দময়ন্তী' কাব্যৰ বিভিন্ন ঠাইত পীতাম্বৰ দাস বুলিহে উল্লেখ পোৱা যায়। আনহাতে বিশিষ্ট ইতিহাসবিদ কনকলাল বৰুৱাই তেওঁৰ Early History of Kamrupa গ্ৰন্থতো পীতাম্বৰ দাস বুলিহে উল্লেখ কৰিছে। মহেশ্বৰ নেওগে 'উষা পৰিণয়' সম্পাদনা কৰোঁতে প্ৰথম সংস্কৰণত ভুলক্ৰমে পীতাম্বৰ দ্বিজ বুলি উল্লেখ কৰিলেও পৰৱৰ্তী সংস্কৰণত এই ভুলৰ সংশোধন কৰা দেখা যায়।

'দৰং ৰাজবংশাৱলী'ৰ মতে পীতাম্বৰে কুমাৰ সংগ্ৰামসিংহ অৰ্থাৎ চিলাৰায় দেৱনাৰ পৰা অনুপ্ৰেৰণা লাভ কৰিছিল। সমৰসিংহ বা সংগ্ৰামসিংহ শুক্লধ্বজ বা চিলাৰায় দেৱানৰ আন এটা নাম।

দুই-এগৰাকী সাহিত্যৰ ইতিহাসকাৰে পীতাম্বৰক 'অ বৈষ্ণৱ কবি বা বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱমুক্ত কবি হিচাপে আলোচনা কৰা দেখা যায়। 'ভাগৱত পুৰাণ 'হৰিবংশ'ত বুৰ গৈ থকা পীতাম্বৰ কবিয়ে মাৰ্কণ্ডেয় চণ্ডী ৰচনা কৰিলেও তেওঁ যে বৈষ্ণৱ কবি আছিল তাৰ প্ৰমাণ তেওঁৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহত যথেষ্ট পৰিমাণে পোৱা যায়। 'মাৰ্কণ্ডেয় চণ্ডী'ত কবিয়ে 'নাৰায়ণ পৰসণে বুলি উল্লেখ কৰাৰ দৰেই 'উষা পৰিণয'তো 'হৰি পৰসনে কবি পীতাম্বৰে ভণে বুলিহে উল্লেখ কৰিছে। কবিয়ে 'উষা পৰিণয়'ৰ সকলোবোৰ ভণিতাতেই 'হৰিৰ দাস বুলি উল্লেখ কৰিছে আৰু প্ৰকাৰন্তৰে বিষ্ণুৰ শ্ৰেষ্ঠত্ব স্বীকাৰ কৰিছে। 'নল দময়ন্তী'তো কবিয়ে হৰি ভক্তি পৰায়ণতাৰ নিদৰ্শন দাঙি ধৰিছে এনেদৰে

পূণ্যকথা পয়াৰে প্ৰবন্ধ পুণ্যময়।
হৰি পৰসনে কবি পীতাম্বৰে কয়।'

হৰিবংশৰ কাহিনী সম্বলিত 'উষা পৰিণয় আৰু 'ভাগৱত পুৰাণ সম্পূৰ্ণৰূপে বৈষ্ণৱ কাব্য। আনহাতে 'মাৰ্কণ্ডেয় চণ্ডী আৰু নল দময়ন্তীতো কবিয়ে 'নাৰায়ণ পৰসনে আৰু 'হৰি পৰসনে বুলি উল্লেখ কৰালৈ চাই তেওঁক 'অ বৈষ্ণৱ কবি বোলাৰ বিশেষ যুক্তিযুক্ততা দেখা নাযায়।

অৱশ্যে সমসাময়িক বৈষ্ণৱ কবিৰ দৰে তেওঁৰ কাব্যত নিষ্কাম ভক্তিৰ স্বৰূপ চিত্ৰিত হোৱা দেখা নাযায়।

পীতাম্বৰ কবিৰ ৰচনাসমূহৰ ভিতৰত এতিয়ালৈকে 'উষা পৰিণয় কাব্যইহে প্ৰকাশিত ৰূপ লাভ কৰিছে। 'উষা পৰিণয় হৰিবংশৰ বিষ্ণুপৰ্বৰ ১১৬-১২৮ অধ্যায়ৰ অন্তৰ্গত। অৱশ্যে হৰিবংশৰ ওপৰত প্ৰতিষ্ঠিত হ'লেও লৌকিক বৰ্ণনাৰ প্ৰাধান্যই কাব্যখনি ৰসাল কৰি তুলিছে। কবিয়ে মূলৰ অলপো লৰচৰ নকৰাকৈ 'উষা-পৰিণয় গ্ৰন্থ ৰচনা কৰিছে যদিও ঠায়ে ঠায়ে কাল্পনিক উপকথাবো সংযোগ ঘটাইছে। কাব্যখনিত কবিৰ স্বকীয় সৃষ্টিসমূহ হ'ল — কামসেনা যক্ষিণীৰ কাৰ্যাৱলী অনিৰুদ্ধৰ সন্ন্যাস গ্ৰহণ আৰু কৃষ্ণৰ প্ৰবোধ বাক্য কোকিলা ঠাইৰ কাৰ্য উষা-অনিৰুদ্ধৰ স্বপ্ন দৰ্শন আৰু অনঙ্গ বিকাৰ চিত্ৰলেখাৰ তামসী বিদ্যাৰ প্ৰভাৱত দ্বাৰকাত প্ৰৱেশ কুমাৰক ৰক্ষা কৰা প্ৰহৰীসকলৰ অৱস্থা হৰি হৰৰ বাকযুদ্ধ — এই সকলোখিনি পীতাম্বৰ কবিৰ নিজা সংযোজনা।

উষা পৰিণয় কাব্যখনি ১৪৫৫ শক অৰ্থাৎ ১৫৩৩ খৃষ্টাব্দত ৰচিত আৰু ই কবিৰ নবীন বয়সৰ ৰচনা। 'উষা পৰিণয়'ৰ গীতবোৰ অনুবাদ নহয় কবিৰ মৌলিক ৰচনা। এইবোৰত কবিৰ কাব্যিক প্ৰতিভা ফুটি ওলাইছে। বিশেষকৈ শৃঙ্গাৰাত্মক বৰ্ণনা প্ৰকাশত আৰু চিত্ৰণত কবিয়ে পাৰদৰ্শিতা দেখুৱাইছে।

উষা পৰিণয় কাব্যখনি গীত আৰু পদৰ সমষ্টি। পদবোৰ হৰিবংশৰ অনুবাদ গতিকে ইযাত কবিত্বতকৈ পাণ্ডিত্যৰ পৰিচয় অধিক।

"কোমলকান্ত পদাৱলীৰ দ্বাৰা আদিৰসৰ উপযুক্ত পৰিবেশ সৃষ্টি কৰাত নায়ক নায়িকাৰ বিচ্ছেদৰ পোৰণি হা-হুমনিযাহৰ বৰ্ণনা কৰাত পীতাম্বৰৰ সিদ্ধহস্ততা স্বীকাৰ নকৰি নোৱাৰি। পূৰ্বৰাগ শৰীৰত সঞ্চাৰ হোৱাৰ লগে লগেই নায়ক-নায়িকাৰ শাৰীৰিক আৰু মানসিক যি পৰিবৰ্তন ঘটে যি আকুল চঞ্চলতাই মন সততে উতলা কৰি ৰাখে যি অজান সুখৰ কাল্পনিক চিন্তাই মন মথি পেলায পীতাম্বৰৰ সেই অৱস্থা বৰ্ণনা কৰাত পাৰদৰ্শিতা প্ৰকাশ পাইছে। তেওৰ প্ৰেমৰ বৰ্ণনাত দৈহিক লাহ বিলাহ, চঞ্চলতা আছে, গভীৰতা কিন্তু কম।"[৮]

ভাৰতবৰ্ষৰ দুগৰাকী প্ৰখ্যাত কবি জয়দেৱ আৰু বিদ্যাপতিৰ প্ৰভাবো কাব্যখনিত অস্বীকাৰ কৰিব নোৱাৰি 'উষা পৰিণয'ত উক্ত কবিদ্বযৰ প্ৰভাৱৰ বিষযে উল্লেখ কৰি সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে

> *'উষা-পৰিণয়' কাব্যৰ শেষৰ ফালে অনিৰুদ্ধৰ মুখেদি প্ৰকাশ কৰা স্তুতিটো জয়দেৱৰ দশাৱতাৰ স্তোত্ৰৰ অনুবাদ মূল হৰিবংশত সেই স্তুতিগীতিটো নাই। সেইদৰে কাব্যৰ আৰম্ভণিৰ বসন্ত বৰ্ণনাও জয়দেৱৰ গীত-গোবিন্দৰ বসন্ত বৰ্ণনাৰ অনুৰূপ। বিদ্যাপতিৰ প্ৰেম-বিহ্বলা ৰাধিকাৰ সৈতে কবিৰ 'উষা-পৰিণয়' সাদৃশ্য বিদ্যমান।"[৯]*

বাণৰ প্ৰতিযোদ্ধা কামনা আৰু উষাৰ স্বামী কামনা এই দুটা উপাদানেৰেই উষা পৰিণয় কাব্যখনিৰ কাহিনীভাগ নিৰ্মাণ কৰা হৈছে।

ভাগৱতৰ দশম স্কন্ধ ঃ

পীতাম্বৰ কবিয়ে 'উষা পৰিণয়'ৰ উপৰিও ভাগৱতৰ প্ৰথম আৰু দশম স্কন্ধ অনুবাদ কৰিছিল। চৰিতপুথিৰ মতে শংকৰদেৱ উজনিৰ পৰা ভটিয়াই আহি কামৰূপত থাকিবলৈ লোৱা সময়ছোৱাতে তেও নাৰায়ণদাস ঠাকুৰৰ মুখেদি পীতাম্বৰ কবিয়ে ভাঙনি কৰা দশম স্কন্ধৰ বিষয়ে শুনিবলৈ পায়। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে

---

৭ শৰ্মা সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ ইতিবৃত্ত পৃ ৯১।

৮ শৰ্মা, সত্যেন্দ্ৰনাথ ঃ 'উষা-পৰিণয়'ৰ পাতনি।

৯ শৰ্মা সত্যেন্দ্ৰনাথ ঃ প্ৰাগুক্ত গ্ৰন্থ, পাতনি।

কবিয়ে ১৫৪৬ খৃষ্টাব্দৰ পূৰ্বেই দশম স্কন্ধৰ ভাঙনি কৰে। এই সম্পৰ্কে মন্তব্য কৰি বিশিষ্ট পণ্ডিত প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে লিখিছে

পীতাম্বৰৰ দশম স্কন্ধ পুথি শংকৰদেৱৰ আগৰ। ওজাপালিয়ে গোৱাৰ নিমিত্তে এই পুথি ৰচনা কৰা হৈছিল। দুৰ্গাবৰী প্ৰভৃতি অতি প্ৰাচীন অসমীয়া ওজাপালিয়ে গোৱা পুথিত যিদৰে ৰাগ দিহা প্ৰভৃতি আছে, এই পুথিতো সেইদৰে অহিৰ বৰাৰী সুহাই প্ৰভৃতি অনেক ৰাগৰ দিহা আৰু পদ আছে। পীতাম্বৰে কুমাৰ সংগ্ৰাম সিংহৰ আদেশ অনুসাৰে এই পুথি ৰচনা কৰিছিল। শংকৰদেৱৰ আগৰ লিখিত পুথিৰ ভণিতাত যিদৰে লেখকৰ নামৰ আগতে 'কৃষ্ণৰ কিঙ্কৰ বিশেষণ দিয়া আছে, সেইদৰে এই লেখকৰ নামৰ আগত শ্ৰীহৰি কিঙ্কৰ বিশেষণ দিয়া আছে।

দশম স্কন্ধ ভাগৱত ৰচনাত কবিয়ে সমৰসিংহ অৰ্থাৎ চিলাৰায়ৰ অনুপ্ৰেৰণা লাভ কৰিছিল বুলি গ্ৰন্থৰ বৰ্ণনাৰ পৰা জনা যায়। কিয়নো গ্ৰন্থখনৰ আৰম্ভণিতেই কবিয়ে কৃষ্ণভক্তিৰসিক চিলাৰাযৰ গুণানুকীৰ্ত্তন কৰিছে

'অভিনৱ পুৰ সে কমতানগৰ।
আছয় বিশ্বসিংহ নৃপবৰ।।
তাহাৰ তনয় সে সমৰসিংহ নাম।
কৃষ্ণৰ লীলাত তাঞে অতি অভিৰাম।।

শিশুমতি পীতাম্বৰ তাহাৰ সমীপে।
কৃষ্ণৰ লীলাৰ পদ ৰচিলো সংক্ষেপে। ইত্যাদি।

মাৰ্কণ্ডেয় চণ্ডী বা মাৰ্কণ্ডেয় পুৰাণ

পীতাম্বৰ কবিৰ দ্বাৰা ৰচিত আন এখনি পুথি হ'ল মাৰ্কণ্ডেয় পুৰাণ। কাব্যখনিত চণ্ডীৰ অসুৰ বধৰ কাহিনীভাগ বৰ্ণনা কৰা হৈছে। কাব্যখনিৰ ৰচনাকাল সম্পৰ্কত মহেশ্বৰ নেওগে মতপ্ৰকাশ কৰিছে যে 'বিশ্বসিংহৰ ৰাজত্বৰ শেষৰফালে বা নৰনাৰায়ণৰ ৰাজত্বৰ প্ৰথম ভাগতে ৰাজসভাত থাকি পীতাম্বৰে মাৰ্কণ্ডেয় পুৰাণৰ চণ্ডী আখ্যানভাগ অসমীয়ালৈ অনুবাদ কৰে। পুথিৰ আৰম্ভণিতে কবিয়ে লিখিছে —

'মহাৰাজ বিশ্বসিংহ কামতানগৰে।
সৰ্ব্বথাই চিন্তে চিত্তে ভৱানী চৰণ।।
একদিনা সভা মাজে বসি যুৱৰাজে।
মনে আলোচিয়া মেল কৰিলন্ত কাজে।।
পুৰাণাদি শাস্ত্ৰে যেহি ৰহস্য আচয়।

পণ্ডিতে বুজয় মাত্র অন্যে নাবুঝয়।।
একাৰণে শ্লোক ভাঙি সবে বুজিবৰ।
নিজ দেশ ভাষাবন্ধে ৰচিয়ো পয়াৰ।। ইত্যাদি।

আন এঠাইত তেওঁ লিখিছে — 'কুমাৰ সংগ্ৰামসিংহ আজ্ঞা পৰিমাণে। কহে পীতাম্বৰ নাৰায়ণ পৰসণে।। গতিকে বুজা যায় যে চিলাৰায়ৰ আদেশ অনুসাৰে কবিয়ে কাব্যখন ৰচনা কৰিছিল।

নল-দময়ন্তী ঃ

পীতাম্বৰৰ কাব্য প্ৰতিভাৰ অন্য এক নিদৰ্শন হ'ল নল দময়ন্তী কাব্য। কাব্যখনৰ কাহিনীভাগ কবিয়ে অতি আকৰ্ষণীয়ভাবে সজাই তুলিছে। কাব্যখন বৃহদথ আৰু যুধিষ্ঠিৰৰ সম্বাদ স্বৰূপে আকৰ্ষণীয়ভাবে উপস্থাপন কৰা হৈছে। কাব্যখনিত নিষধৰাজ নল আৰু দময়ন্তীৰ কৰুণ কাহিনীভাগ চমুকৈ বৰ্ণনা কৰা হৈছে।

কাব্যখনিৰ বিষয়বস্তুৰ সম্পৰ্কে উল্লেখ কৰি কবিয়ে এঠাইত লিখিছে

'অতি অনুপম কথা নলেৰ চৰিত্ৰ।
শুনিলে সম্পদ বাঢে খণ্ডয় দুৰিত।।
পুণ্যকথা পয়াৰ প্ৰবন্ধ পুণ্যময়।
হৰি পৰসনে কৰি পীতাম্বৰে কয়।। ইত্যাদি।

গতিকে দেখা যায় যে পীতাম্বৰ কবি শংকৰদেৱৰ সমসাময়িক আছিল আৰু তেও কেইবাখনো কাব্য ৰচনা কৰি থৈ গৈছে। শংকৰদেৱৰ নৱ বৈষ্ণৱ ভক্তিধৰ্মৰ দ্বাৰা প্ৰভাৱিত নহ'লেও তেওঁৰ ৰচনাত হৰিভক্তিৰ উল্লেখ পোৱা যায়। অৱশ্যে বৈষ্ণৱ কবিসকলৰ দৰে ভক্তিৰ এচলীয়া টান তেওঁৰ ৰচনাত দেখা নাযায়। পীতাম্বৰ আছিল মূলতঃ লৌকিক কবি আৰু সেয়ে তেওঁৰ ৰচনাত শৃঙ্গাৰ বীৰ হাস্য প্ৰভৃতি ৰসৰ প্ৰাধান্য দেখা যায়। হৰিনাম প্ৰেমৰসত আত্ম নিমজ্জিত বৈষ্ণৱ কবিৰ জাগতিক আসক্তিৰ প্ৰতি থকা নিস্পৃহ দৃষ্টিও পীতাম্বৰৰ ৰচনাত অনুপস্থিতিত। মনোৰঞ্জনৰ প্ৰতি গুৰুত্ব দিয়া বাবেই তেওঁৰ কাব্যত বিশেষকৈ উষা পৰিণয়ত শৃঙ্গাৰ ৰসৰ প্ৰাধান্য লক্ষ্য কৰা যায়।

(ঘ) নাৰায়ণদেৱ ঃ

'পদ্মা পুৰাণ'ৰ ৰচয়িতা নাৰায়ণদেৱক সত্যেন্দ্ৰনাথ শৰ্মাই 'বাসন্তবীয় ব্ৰাহ্মণ' আখ্যা দিছে। আনহাতে 'মঙ্গলদৈৰ বুৰঞ্জী'ৰ লেখক দীনেশ্বৰ শৰ্মাই নাৰায়ণদেৱক মঙ্গলদৈৰ লোক বুলি কৰ খোজে। নাৰায়ণদেৱ দৰঙী ৰজা ধৰ্মনাৰায়ণৰ (১৬১৫ ১৬৩৭) সমসাময়িক আৰু সেয়ে তেওঁক সপ্তদশ শতিকাৰ লোক বুলি ধাৰণা কৰিব পাৰি।

পদ্মা পুৰাণৰ ভণিতাত নাৰায়ণদেৱৰ বাহিৰেও বিপ্ৰ জানকীনাথ আৰু বিপ্ৰ ৰঘুনাথ আদিৰো ভণিতা পোৱা যায়। অৱশ্যে এযা নাৰায়ণদেৱৰে অতিৰিক্ত নাম নে লিপিকাৰৰ নাম সেই সম্পৰ্কত স্থিৰ সিদ্ধান্ত দিয়াটো কঠিন।

পদ্মা পুৰাণৰ ৰচিয়তা সুকবি নাৰায়ণদেৱ পাচাঁলী কবি আছিল আৰু কবিয়ে নিজেই তেওঁৰ সৃষ্টিক পাঁচালী বুলি উল্লেখ কৰি গৈছে —

সুকবি নাৰায়ণদেৱৰ সুৰস পাঞ্চালী।
সৃষ্টিৰ পাতন বুলি একাই লেচাৰী।।

পদ্মা পুৰাণ সংস্কৃত পদ্মাপুৰাণৰ অনুবাদ নহয় অথচ কাব্যখনি পুৰাণৰ আৰ্হিত ৰচনা কৰা হৈছে। বৰ্তমান প্ৰচলিত পদ্মা পুৰাণত বহুতো প্ৰক্ষিপ্ত কথাই ঠাই পাইছে। এই কাব্য এসময়ত হিন্দু মুছলমান উভয় সম্প্ৰদায়ৰ লোকৰ মাজত জনপ্ৰিয় আছিল। তেনে কাৰণতে হয়তো মুছলমান ওজাৰ হাতত পৰি ইয়াত হাচান-হুচেনৰ কাহিনীও সোমাই পৰিছিল। সুকবি নাৰায়ণদেৱৰ পদ্মা পুৰাণত পদ্মাৰ উৎপত্তি বেউলা লক্ষীন্দাৰৰ কাহিনীৰ লগতে অন্যান্য কেইবাটাও প্ৰাসঙ্গিক কাহিনী পোৱা যায়। কাব্যখনত 'সৃষ্টি পাতনৰ পৰা আৰম্ভ কৰি বিষহৰিৰ জন্ম আৰু বিয়া নেতাৰ বিয়া আস্তিক মুনিৰ জন্ম চান্দোৰ জন্ম ধনন্তৰী বধৰ উপৰি অতি মনোৰম 'ভটিয়ালী খণ্ড'ই ইয়াৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। এনে বিচিত্ৰ আৰু বহুৰঙী আখ্যানভাগ গাঁৱলীয়া ৰাইজৰ অতিকৈ প্ৰিয়। নামনি অসমৰ বিস্তীৰ্ণ এলেকাৰ ওজাপালিৰ মুখে মুখে চলি অহাত ইয়াত কিছু যোগ বিয়োগ ঘটা স্বাভাৱিক।[১]

পদ্মা পুৰাণৰ ভাষাত কোনো কৃত্ৰিমতা নাই সৰ্বসাধাৰণ মানুহৰ মুখৰ ভাষাক কাব্যত ৰূপ দিয়া হৈছে। নামনি অসমৰ কথিত ভাষাৰ ৰূপটোৱে নাৰায়ণদেৱৰ লেখনিত স্থান লাভ কৰিছে। ঠাইবিশেষে অলংকাৰৰ যথাযথ প্ৰয়োগে কাব্যখনৰ চমৎকাৰিত্ব গুণ বৃদ্ধি কৰিছে।

পদ্মা পুৰাণৰ ভালেমান গীতত লোকগীতৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। লক্ষীন্দাৰৰ মৃত্যুত বেউলাই বিলাপ কৰি কোৱা কথাখিনি তাৰ সাৰ্থক নিদৰ্শন

'আকাশত চন্দ্ৰ নাই নিজিপিকে তৰা।
যিটো নাৰীৰ পুৰুষ নাই জীৱনতে মৰা।
শত পুত্ৰৱতী যদি পতিহীনা হয়।
তথাপিতো লোকে তাক অভাগিনী কয়।।

---

১ বৰ্মন শিৱনাথ (সম্পা) : অসমীয়া সাহিত্যৰ বুৰঞ্জী ২য় খণ্ড পৃ ৪৬৪।

ওপৰৰ গীতটিৰ প্ৰথম দুশাৰীত গোৱালপৰীয়া লোকগীতৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। সমসাময়িক সমাজত পাপ পুণ্য সম্পৰ্কীয় প্ৰচলিত লোক বিশ্বাস আৰু লোক কথায়ো কাব্যখনিত আকৰ্ষণীয় ৰূপ লাভ কৰিছে।

চান্দো সদাগৰ আৰু মনসাদেৱীৰ বিবাদৰ কাহিনী লৈ ৰচিত মনসা কাব্যৰ কাহিনীভাগ অসম বঙ্গ আৰু উত্তৰ বিহাৰৰ বিভিন্ন ঠাইত অতি জনপ্ৰিয়। বিহাৰৰ জনসাধাৰণে পুৰণি মগধ ৰাজ্যৰ ৰাজধানী চম্পক নগৰেই চান্দো-সদাগৰৰ জন্মস্থান বুলি কব খোজে। সেইদৰে অসমৰ কামৰূপ জিলাৰ অন্তৰ্গত ছয়গাঁৱত অৱস্থিত চান্দোৰ মেৰঘৰৰ ভগ্নাৱশেষৰ ওপৰত ভিত্তি কৰি অসমীয়া মানুহে চান্দো সদাগৰৰ জন্মস্থান অসমত বুলি কব খোজে। শ্ৰীহট্ট জিলাতো অনুৰূপ দাবী উত্থাপিত হৈছে।

অসমীয়া মনসা কাব্যৰ ভিতৰত সুকবি নাৰায়ণদেৱৰ পদ্মা পুৰাণেই শ্ৰেষ্ঠ। কাব্যখনিৰ পদলালিত্য আৰু চৰিত্ৰ সৃষ্টিৰ অভিনৱ প্ৰয়াসে ইয়াক মনোগ্ৰাহী কৰি তুলিছে। কাব্যখনিৰ বিভিন্ন চৰিত্ৰৰাজিৰ ভিতৰত চান্দো সদাগৰ পদ্মাৱতী বেউলা শিৱ নেতা আৰু নাৰদ চৰিত্ৰই সহজেই পাঠকৰ দৃষ্টি আকৰ্ষণ কৰে। মনসা কাব্যত দেৱী হৈয়ো মনসাই ঈৰ্ষা প্ৰতিশোধ পৰায়ণতা প্ৰভৃতি মানৱীয় দোষ গুণেৰে বিভূষিতা এগৰাকী নাৰীৰূপে ধৰা দিছে। অসম বঙ্গ আৰু বিহাৰত সৰ্পাধিষ্ঠাত্ৰী মনসাক ভক্তি সহকাৰে পূজা অৰ্চনা কৰা হয়। নাৰায়ণদেৱৰ মনসাকাব্যত চন্দ্ৰধৰ আৰু মনসাৰ বিবাদ আৰু বিৰোধ লক্ষীন্দাৰৰ পুনৰজীৱন লাভ আৰু চন্দ্ৰধৰৰ দ্বাৰা মনসা পূজাত সন্মতি প্ৰদানৰ মাজেদি কাহিনীয়ে চৰম পৰিণতি লাভ কৰিছে।

(ঙ) ষষ্ঠীবৰ ঃ

মনসাকাব্যৰ শেষৰগৰাকী কবি ষষ্ঠীবৰ আৰু এও আনুমানিক সপ্তদশ শতিকাৰ লোক। এওঁ আছিল নাৰায়ণদেৱৰ পৰৱৰ্ত্তী কবি। হেম সৰস্বতীৰ মতে ষষ্ঠীবৰ মহাভাৰতৰ পদ-ৰচয়িতা গঙ্গাদাসৰ পিতৃ। প্ৰচলিত পৰম্পৰা অনুসৰি ষষ্ঠীবৰে দৰঙীৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। তলত ষষ্ঠীবৰৰ ভাষাৰ কিছু নিদৰ্শন দাঙি ধৰা হ'ল

'ধনাই দানবে বোলে মনাই না ৰে ভাই।
তোৰ ঘৰে দুই স্ত্ৰী মোৰ ঘৰে নাই।।
গায়েৰ অলংকাৰ বস্ত্ৰ তুমি তাৰে নেও।
সুদা মনুষ্য গোটা মোকে তুমি দেও।।
কহে ষষ্ঠীবৰ কবিৰ সৰস পাঁচালী।
দুই ভাইৰ মধ্যতে লাগিলে চুলাচুলি।।'

নাৰায়ণদেৱৰ দৰেই ষষ্ঠীবৰৰ ৰচনাত্ত্ব করুণ ৰসে প্রাধান্য লাভ কৰিছে। তেওঁৰ মনসা কাব্যত বেউলা লক্ষীন্দাৰৰ কাহি িয়ে প্রাধান্য লাভ কৰিছে আৰু পূর্ববর্তী মনসা কবিসকলৰ দৰে ষষ্ঠীবৰেও কাহিনী ৰচনাত মৌখিক পৰম্পৰাৰ ওপৰত অধিক পৰিমাণে নির্ভৰ কৰিছে।

অসমীয়া মনসাকাব্যত মনসাদেৱী অযোনিসম্ভৱা আৰু তেওঁৰ পিতৃ স্বয়ং মহাদেৱ। মনসা সর্পৰ অধিষ্ঠাত্রী দেৱী। নামনি অসমত মনসা কেৱল সর্প দেৱীয়েই নহয় মাৰি মৰক বিনাশিনী আৰু ঐশ্বর্যদাত্রী দেৱীও। মৰি মৰক বিনাশিনী বাবেই মনসা দেৱীৰ আন নাম মাৰৈ। মনকৰ দুর্গাবৰ সুকবি নাৰায়ণদেৱ আৰু ষষ্ঠীবৰ এই চাৰিওগৰাকী কবিয়ে মনসাৰ মাহাত্ম্যসূচক কাব্য ৰচনা কৰিছে যদিও বিষয়বস্তুৰ বিস্তৃতি আৰু ৰস পৰিণতিৰ ফালৰ পৰা নাৰায়ণদেৱৰ পদ্মাপুৰাণেই অধিক জনপ্রিয়তা লাভ কৰিবলৈ সক্ষম হৈছে।

পদ্মপুৰাণত নাৰায়ণদেৱে কাব্যৰ নায়ক চন্দ্রধৰৰ মানসিক দৃঢ়তা আৰু অন্তর্দ্বন্দ্বৰ ছবিখনি অতি সার্থকৰূপত ফুটাই তুলিছে। এফালেদি আত্মীয়-কুটুমৰ কাতৰ অনুৰোধ আনফালে তেওঁৰ ভীষণ প্রতিজ্ঞা — এই দুয়োটাৰ মাজত ঘটা মানসিক অন্তর্দ্বন্দ্বৰ ছবিখনি কাব্যত অতি উজ্বল ৰূপত ধৰা দিছে। অৱশেষত পুত্র বোৱাৰী আৰু পৰিয়ালৰ সদস্যসকলৰ সর্বাঙ্গীন মঙ্গল কামনা কৰি চান্দো সদাগৰে নিজৰ প্রতিজ্ঞা ভঙ্গ কৰিও পদ্মাক পূজা দিবলৈ সম্মতি প্রকাশ কৰিছে। এনেদৰেই শৈৱ আৰু শাক্ত পৰম্পৰাৰ সংঘাত আৰু সংঘর্ষৰ অন্তত মনসা পূজাৰ স্বীকৃতি প্রদানেৰে নাৰায়ণদেৱৰ পদ্মা পুৰাণৰ সামৰণি মৰা হৈছে।

সপ্তম অধ্যায়

শংকৰোত্তৰ যুগৰ সাহিত্যৰ পটভূমি

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱক অনুসৰণ কৰি তেওলোকৰ উত্তৰসূৰীসকলেও বিভিন্ন গীত কাব্য আৰু নাট ৰচনাত মনোনিবেশ কৰিছিল। অৱশ্যে কোচৰজা নৰনাৰায়ণ আৰু চিলাৰায়ৰ দেহাৱসানৰ পিছত ৰাজনৈতিক খেলিমেলিৰ বাবে কোচবেহাৰে পূৰ্বৰ গৌৰৱ হেৰুৱায় আৰু অসমীয়া সাহিত্য পৃষ্ঠপোষকতাৰ স্নায়ুকেন্দ্ৰটো ক্ৰমান্বয়ে দৰঙলৈ স্থানান্তৰিত হয়। খৃষ্টীয় সোতৰ শতিকাৰ আগভাগলৈকে অসমীয়া সাহিত্যই আহোমৰ ৰাজঘৰীয়া পৃষ্ঠপোষকতা তেনেদৰে পোৱা নাছিল আৰু সেয়ে পশ্চিম অসমৰ কোচ ৰাজ্যতেই নৱ বৈষ্ণৱ ভক্তি সাহিত্যই প্ৰসাৰ লাভ কৰিছিল। পৰৱৰ্তী কালত ই দৰং আৰু উত্তৰ লক্ষীমপুৰলৈ সম্প্ৰসাৰিত ৰূপ লাভ কৰে। ৰাজঘৰীয়া সাহয্য অবিহনেই অনিৰুদ্ধদেৱ আৰু বৰযদুমনিদেৱ আদিয়ে সাহিত্য চৰ্চাত মনোনিবেশ কৰিছিল।

শংকৰদেৱৰ মহাপ্ৰয়াণৰ পিছতেই ভক্তিধৰ্মৰ মূল আদৰ্শতো লাহে লাহে ফাট মেলিবলৈ ধৰে। বিশেষকৈ শংকৰদেৱৰ সমসাময়িক আৰু বিশিষ্ট ধৰ্মপ্ৰচাৰক দামোদৰদেৱ আৰু তেওঁৰ শিষ্যসকল মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ মূল আদৰ্শৰ পৰা লাহে লাহে ফালৰি কাটি আহে। লাহে লাহে হৰিদেৱ আৰু তেওঁৰ শিষ্যসকলো মূল শংকৰী আদৰ্শৰ পৰা আঁতৰি আহে আৰু এক নতুন পন্থাৰ জন্ম দিয়ে। পৰৱৰ্তী কালত এই পন্থাতো 'ব্ৰহ্ম সংহতি নামেৰে জনাজাত হয়। আহোম ৰজাৰ ৰাজ পৃষ্ঠপোষকতা লাভ কৰি ব্ৰহ্মসংহতিৰ চাৰিসত্ৰই বিশেষ মৰ্যাদা লাভ কৰাত সত্ৰীয়া সমাজ-ব্যৱস্থাত জাতিভেদ প্ৰথাই পুনৰ মূৰ দাঙি উঠে।

শংকৰদেৱে নিজ পুত্ৰ ৰমানন্দক ধৰ্মাধিকাৰ পতাৰ পৰিবৰ্তে মাধৱদেৱৰ হাতত ধৰ্মবস্তু প্ৰদান কৰি যোৱাৰ ফলস্বৰূপে এচাম লোক অসন্তুষ্ট হৈছিল আৰু শংকৰদেৱৰ ববনাতি পুৰুষোত্তম ঠাকুৰৰ নেতৃত্বত পুৰুষ সংহতি গঢ় লৈ উঠিছিল। 'ঠাকুৰ চৰিত'ত

পুৰুষোত্তম ঠাকুৰক শংকৰদেৱৰ মূল আৰু যথাৰ্থ উত্তৰাধিকাৰী বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰাৰো প্ৰমাণ পোৱা যায়। পৰৱৰ্তী কালত শংকৰদেৱৰ নাতি জী-নাতি আৰু নাতি-জোঁৱাইৰ পৰা বঢ়া কেইখনমান সত্ৰৰ সহযোগত পুৰুষ-সংহতি গঢ় লৈ উঠে এই সম্পৰ্কত শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰৰ দৃষ্টিভঙ্গী প্ৰকাশ কৰি ভূষণ দ্বিজে 'ঠাকুৰ চৰিত'ত লিখিছে

শংকৰদেৱেসে জানা গুৰু সাৰেসাৰ।
মহাপুৰুষত পৰে গুৰু নাই আৰ।।

গতিকে নব বৈষ্ণৱ ভক্তিধৰ্মত মাধৱদেৱৰ প্ৰাধান্য আৰু প্ৰতিপত্তিত অসন্তুষ্ট হৈ পুৰুষোত্তৰ ঠাকুৰক শংকৰদেৱৰ যোগ্য আৰু যথাৰ্থ উত্তৰাধিকাৰী বুলি প্ৰতিপন্ন কৰিবলৈ কৰা প্ৰয়াসৰ ফলতেই শংকৰদেৱৰ ৰৰনাতি পুৰুষোত্তম ঠাকুৰৰ প্ৰাধান্যৰে পুৰুষ সংহতি গঢ লৈ উঠে।

মাধৱদেৱৰ আজ্ঞাপৰ বাৰজন আচাৰ্যৰ প্ৰধান মথুৰাদাস বুঢ়া আতাই মাধৱদেৱৰ নীতি আৰু আদৰ্শক দৃঢ়ভাবে সমৰ্থন কৰিছিল। বদুলা আতা বৰ বিষ্ণু আতা আদি নেতৃস্থানীয় ভক্তসকলেও মথুৰা আতাক সমৰ্থন কৰিছিল। ফলত বৰপেটা মধুপৰ্ আৰু কমলাবাৰী প্ৰভৃতি মূল সত্ৰ আৰু চাৰি কুৰিখনমান অনুগামী সত্ৰক লৈ নিকা সংহতিৰ সৃষ্টি হয়। নিকা সংহতিৰ শিষ্যসকলে মাধদেৱক গুৰু আৰু শংকৰদেৱক গুৰুৰো গুৰু বুলি ভক্তি কৰে। ধুতি-নীতিৰ ওপৰত অনাৱশ্যক গুৰুত্বই নিকা সংহতিত প্ৰাধান্য লাভ কৰিছে।

মাধৱদেৱৰ আজ্ঞাপৰ শিষ্যসকলৰ ভিতৰত অতি জনপ্ৰিয় আৰু প্ৰভাৱশালী শিষ্য ভবানীপুৰীয়া গোপাল আতাই উজনিত ধৰ্ম প্ৰচাৰ কৰোঁতে তাত বসবাস কৰা আহোম কছাৰী বৰাহী চুতীয়া তিৱা মৰাণ প্ৰভৃতি জনগোষ্ঠীৰ মাজত কেৱল শৰণ ব্যৱস্থা প্ৰয়োগ কৰি নৱ বৈষ্ণৱ ভক্তিধৰ্মৰ বাকীবোৰ আচাৰ-নীতি শিথিল কৰি দিছিল। কিয়নো নিজা-ৰীতি-নীতিত অভ্যস্ত এই লোকসকলক ধৰ্মীয় কঠোৰ নিষেধাজ্ঞাৰ যোগেদি ধৰ্ম পথলৈ আকৰ্ষণ কৰাটো সহজ নাছিল। সেয়ে তেওঁ উদাৰ আৰু সহিষ্ণু ধৰ্মনীতিৰ যোগেদি সকলো শ্ৰেণীৰ লোকক নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৰ্ষিত কৰাইছিল। এনেদৰেই কাল-সংহতিৰ জন্ম হয়। গোপাল আতাৰ শিষ্য অনিৰুদ্ধদেৱ ৰৰষদুমণিদেৱ আদিয়ে গোপাল আতাৰ আদৰ্শ অনুসৰণ কৰি উজনি অসমৰ বিভিন্ন ঠাইত সত্ৰ প্ৰতিষ্ঠা কৰে। গোপাল আতাৰ জনপ্ৰিয়তাত অসন্তুষ্ট হৈ গুৰুজনাৰ নাতি পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰে গোপাল আতাক কটাক্ষপাত কৰা বুলিও দুই এখন চৰিত পুথিত উল্লেখ পোৱা যায়।

মহাপুৰুষ শংকৰদেৱৰ পৰৱৰ্তী কালত সৃষ্টি হোৱা বিভিন্ন সংহতিৰ অন্তৰ্গত শিষ্যসকলে অসমৰ বিভিন্ন ঠাইত সত্ৰ প্ৰতিষ্ঠা কৰাৰ লগে লগে ধৰ্মচৰ্চা আৰু সাহিত্য চৰ্চা উভয় দিশতেই মনোনিবেশ কৰিছিল। ফলস্বৰূপে ৰজাঘৰীয়া সাহিত্যৰ সমান্তৰালভাবে সত্ৰ সমূহৰ ছত্ৰছায়াত নাটক গীত কাব্য প্ৰভৃতি বিভিন্ন সাহিত্যৰাজিৰ সৃষ্টি হৈছিল। অৱশ্যে তেওলোকৰ ৰচনাত পূৰ্বসূৰী কবি গীতিকাৰ আৰু নাট্যকাৰ সকলক অধিকভাবে অনুসৰণ কৰাত সাহিত্যত বিচিত্ৰতা আৰু গভীৰতাৰ পৰিমাণ কমি আহিছিল।

শংকৰোত্তৰ সাহিত্যৰ আন এটা প্ৰধান দিশ হ'ল গদ্য সাহিত্যৰ উদ্ভৱ আৰু বিকাশত গুৰুত্ব। বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যই (১৫৫৮-১৬৩৮ খৃ) 'কথা গীতা 'কথা ভাগৱত আৰু 'কথা ভক্তি ৰত্নাৱলী ৰচনাৰ দ্বাৰা অসমীয়া কথা সাহিত্যক বিশেষভাবে প্ৰতিষ্ঠিত কৰে। ভট্টদেৱৰ অব্যৱহিত পৰৱৰ্ত্তী কালত 'ভক্তি-ৰত্নাকৰ কথা 'কথা-ৰামায়ণ প্ৰভৃতি বিবিধ গদ্যগ্ৰন্থই ভট্টদেৱী গদ্য পৰম্পৰাক ধাৰাবাহিক ৰূপত প্ৰবাহিত কৰি তোলে। 'ভক্তি-ৰত্নাকৰ কথা দৰাচলতে শংকৰদেৱৰ 'ভক্তি-ৰত্নাকৰ'ৰ কথাৰূপ। সপ্তদশ শতিকাৰ আৰম্ভণিতে গোপালচৰণ দ্বিজে এই গন্থ ৰচনা কৰে। 'সাত্বত তন্ত্ৰ-কথা সংস্কৃত নাৰদ পঞ্চৰাত্ৰ বা সাত্বত তন্ত্ৰৰ অসমীয়া গদ্যৰূপ। হেমচন্দ্ৰ গোস্বামীয়ে ইয়াৰ লেখক অজ্ঞাত বুলিছে যদিও পুথিখনৰ শেষত থকা ভণিতাৰ আধাৰত মহেশ্বৰ নেওগে মনোহৰ নামৰ কোনোবা পণ্ডিতে গ্ৰন্থখন ৰচনা কৰা বুলি অনুমান কৰিছে। পদ্ম পুৰাণ'ৰ স্বৰ্গখণ্ডৰ আংশবিশেষত গদ্যৰূপ পদ্ম পুৰাণ কথা'ৰ গদ্যৰীতি ভট্টদেৱৰ গদ্যতকৈ সৰল আৰু কিছু পৰিমাণে উন্নত গদ্যৰ নিদৰ্শন। মহাপুৰুষ মাধৱদেৱৰ 'নামঘোষা'ৰ লগতে অন্যান্য শাস্ত্ৰৰ কথাৰ আধাৰত 'কথা ঘোষা ৰচনা কৰা হৈছে। গ্ৰন্থখনি অষ্টাদশ শতিকাৰ ৰচনা। ৰঘুনাথ মহন্তৰ 'কথা-ৰামায়ণ বাল্মিকী ৰামায়ণৰ সংক্ষিপ্ত গদ্যৰূপ। গ্ৰন্থখনৰ আদিকাণ্ডত লেখকে নিজেই এই কথা স্বীকাৰ কৰিছে। সত্যেন্দ্ৰনাথ শৰ্মাই এই গ্ৰন্থৰ ৰচনাকাল অষ্টাদশ শতিকাৰ শেষ অৰ্থাৎ ১৭৮১ খৃষ্টাব্দ বুলি ঠাৱৰ কৰিছে।

শংকৰোত্তৰ যুগত সৃষ্টি হোৱা আন একপ্ৰকাৰৰ গদ্য হৈছে বুৰঞ্জীৰ গদ্য। ত্ৰয়োদশ শতিকাৰ আদিভাগত চুকাফাই পুৰণি কামৰূপত প্ৰৱেশ কৰি নিৰ্দেশ দিছিল — 'যি মৰে যি পাওঁ বাটত যি কথা হয় পণ্ডিতে লিখি থ'ব। বুৰঞ্জীসমূহ আৰম্ভণিতে আহোম ভাষাতে লেখা হৈছিল যদিও তেওঁলোকে অসমীয়া ভাষা ৰাজভাষা হিচাপে গ্ৰহণ কৰাৰ পাছৰে পৰা অসমীয়া ভাষাতো বুৰঞ্জী লিখা আৰম্ভ হয়। এসময়ত বুৰঞ্জী চৰ্চা অসমীয়া মানুহৰ শিক্ষাৰ এটা প্ৰধান অঙ্গ আছিল। দেশৰ শাসন পদ্ধতি সাময়িক ঘটনাৰ বিবৃতি ৰজাঘৰীয়া কাৰ্যকলাপ আদিৰ বিষয়ে জ্ঞানলাভ কৰাটো অসমীয়া শিক্ষিত

সম্প্ৰদায়ৰ কাৰণে অপৰিহাৰ্য কৰ্ত্তব্যৰূপে বিবেচিত হৈছিল। এই প্ৰসঙ্গত সূৰ্যকুমাৰ ভূঞাৰ মন্তব্য এনেধৰণৰ

A knowledge of history was an indispensible factor in the cultural equipment of an Assamese gentleman It was a part of the training imparted to the children and princes and nobles Chapters from the Buranjis were recited in royal marriages It was even believed that the future could be ascertained by consulting handwritten chronicles

উদাহৰণ স্বৰূপে দেওধাই অসম বুৰঞ্জী'ৰ পৰা কিছু অংশ উদ্ধৃত কৰা হ'ল—

পাচে সকলো লোকে চৰাৰ ওপৰে পাটী তাৰ ওপৰে কাপোৰ তাৰ ওপৰে সোণৰ টঙ্গী পীৰা তাৰ ওপৰত সোণোৱালী কাপোৰ পাৰি সাদৰে কৰি ৰাজাক বহুৱা'ল ৰাজাৰ ওপৰত সোণোৱালী দণ্ড ছত্ৰ তুলি ধৰিলে। পাচে ৰাজাসকলে পালী লৈ আবৃত কৰি বহিলে। আৰু লগত অহা আহোম ন লাখ। পাচে সমস্তে ৰাজ্যে এটাই হৈ ৰাজ্যৰ মধ্যত মহাৰাজাৰ থকা ঘৰ হোলোংসাজি নগৰ কৰিলে। পাচে দেওৰাজৰ পৰা স্বৰ্গদেৱৰ দুই নাতিএকে পৃথিৱীলৈ আহিল।[২]

অসম বুৰঞ্জী অন্যান্য দেশৰ বুৰঞ্জীৰ দৰে কেৱল বুৰঞ্জীয়েই নহয় সাহিত্যও বুৰঞ্জীৰ আকৰ্ষণীয় ৰচনাৰীতি আৰু ইয়াৰ অলংকাৰপূৰ্ণ ভাষাই অসমীয়া বুৰঞ্জীসমূহক অপূৰ্ব সাহিত্যিক গুণেৰে সমৃদ্ধ কৰিছে। বুৰঞ্জীসমূহৰ অন্তৰ্নিহিত এনে গুণৰ কাৰণেই পাদশ্যাহ বুৰঞ্জী সম্পৰ্কে মন্তব্য কৰি সূৰ্য কুমাৰ ভূঞাই লিখিছে —

'বুৰঞ্জীৰ কথা শুকান হাড় ছাল নহয় তাত ভাবৰ সমাবেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। সেইদেখি এই বুৰঞ্জী সমূহক বুৰঞ্জীৰ শাৰীৰ পৰা বিশুদ্ধ সাহিত্যৰ অঙ্গীভূত কৰা হৈছে। বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূৰ্ব সঙ্গম বৃটিছৰ পূৰ্ব যুগৰ কোনো ভাৰতীয় প্ৰাদেশিক সাহিত্যত দেখিবলৈ পোৱা নাযায় বুলি কʼলেও সত্যৰ অপালাপ নহব।

বুৰঞ্জীৰ ৰচনা ৰীতি সহজ-সৰল আৰু পোনপটীয়া। অসম বুৰঞ্জীৰ ৰচনাৰীতি সম্পৰ্কে উল্লেখ কৰি হেমচন্দ্ৰ গোস্বামীয়ে এনেদৰে উল্লেখ কৰিছে :

'ইয়াৰ লেখাত ক'তো বাহুল্য কথা নাই ক'তো অতিৰঞ্জনৰ চেষ্টা নাই। ভাষা যেনে সৰল তেনে আঁত নলগা। কোনো সঁচা কথাকে গোপন কৰিবৰ চেষ্টা নাই। ৰজাঘৰৰ অনেক চেকালগা কথাও এই বুৰঞ্জীত খোলাখুলি ভাবে লিখা আছে।'[৩]

১ *Bhuyan S K Studies in the Literature of Assam*

২ *দেওধাই অসম বুৰঞ্জী ১ম অধ্যায়।*

৩ *গোস্বামী হেমচন্দ্ৰ : পুৰণি অসম বুৰঞ্জী পাতনি।*

বুৰঞ্জী গদ্যৰ ভাষা সমকালীন সমাজ-মানসিকতা আৰু জনসাধাৰণৰ জীৱনাযাত্ৰাৰ সৈতে খাপ খোৱা হোৱাৰ কাৰণে ইয়াৰ ভাষা আৰু প্ৰকাশৰীতিত সমকালীন সমাজৰ পৰিবৰ্তিত ৰুচিবোধৰ আভাস স্পষ্ট। এই সময়ছোৱাত ৰচিত বুৰঞ্জীৰ ভিতৰত ত্ৰিপুৰা বুৰঞ্জী কছাৰী বুৰঞ্জী জয়ন্তীয়া বুৰঞ্জী আদি বিশেষভাবে উল্লেখযোগ্য।

অসমীয়া সাহিত্যত খৃষ্টীয় ষোড়শ শতিকাৰ শেষভাগৰ পৰা বৈষ্ণৱ গুৰুসকলৰ জীৱনচৰিত তথা চৰিত পুথি লিখাৰ প্ৰথা আৰম্ভ হয়। প্ৰথমতে চৰিতবোৰ পদত লেখা হয় যদিও পিছলৈ কথা বা গদ্যতো চৰিত লেখা আৰম্ভ হয়। বৈষ্ণৱ সত্ৰ সমূহত অথবা আন ধৰ্মালোচনী অনুষ্ঠানত হৰি-কীৰ্ত্তনাদি যথোচিত প্ৰসঙ্গৰ অন্তত গুৰুসকলৰ জীৱন চৰিত আলোচনা কৰাটো এক দস্তুৰত পৰিণত হৈছিল। সত্ৰীয়া সংস্কৃতিত এনেধৰণৰ প্ৰথাক 'চৰিত তোলা' বোলা হৈছিল। কথা গুৰুচৰিতৰ আৰম্ভণিতে এই সম্পৰ্কে এনেদৰে উল্লেখ কৰা হৈছে — তেহে মাধৱদেৱে গুৰু বাক্য শিৰে ধৰি গুৰুজনৰ সদা-সৰ্বদা চৰিত্ৰ কীৰ্ত্তন কৰিছিল। আতৈসবে শ্ৰৱণ কৰে।

এতিয়ালৈকে পোৱা গদ্য চৰিতৰ ভিতৰত 'কথা গুৰুচৰিত' আৰু 'বৰদোৱা গুৰুচৰিত' গ্ৰন্থদুখনি বিশেষভাবে প্ৰসিদ্ধ। দুয়োখন কথা চৰিততেই শংকৰদেৱ মাধৱদেৱৰ জীৱনলীলাৰ সূক্ষ্ম বৰ্ণনাৰ লগে লগে আন কেইবাগৰাকীও আতা পুৰুষ তথা সন্ত-মহন্তৰ জীৱন চৰিত সম্পৰ্কে আলোকপাত কৰা হৈছে। গুৰুসকলৰ অমৃতস্বৰূপ লীলাচৰিত্ৰ ভক্তগণৰ অন্তৰত জাগ্ৰত কৰি ৰখাই আছিল এনে চৰিত ৰচনাৰ মূল উদ্দেশ্য।

চৰিততোলা প্ৰথাৰ যোগেদি উদ্ভৱ হোৱাৰ বাবে গদ্য চৰিত্ৰৰ প্ৰকাশৰীতি বিশেষভাবে কথোপকথনমূলক আৰু নাটকীয়া গুণেৰে সমৃদ্ধ। উদাহৰণ স্বৰূপে —

দেখি গুৰুজনে আচৰিত হৈ বোলে কালি সন্ধ্যা গৈছা এই ভাদ্ৰমহা জল বৃষ্টি পঙ্কে কেতিয়া কেনেকৈ আনিলা? বোলে বাপ নিশাই অনা হ'ল। বোলে আমি কালি মধ্যতে সবাৰে আগত কলোহে কথাটো। এই নিশাৰ কাল কিয় যোৱা তুমি? মই কাহানি পাচিছো তোমাক? বোলে বাপ পাচিব লাগে কেলেই? দাস ভৃত্যে স্বামীৰ কাৰ্য্য বুজি আমি কৰিবই পাওঁ।

কথাগুৰুচৰিতৰ গদ্যত বক্তা শ্ৰোতা আৰু বিষয়বস্তুৰ বিশেষত্বই ইয়াৰ প্ৰকাশৰীতিক এক বিনম্ৰ-ভকতীয়া ঠাঁচ প্ৰদান কৰিছে। ইয়াৰ গদ্য স্বাভাবিক ঘৰুৱা আৰু কথিত ভাষাৰ সৈতে সাদৃশ্যযুক্ত। কথাগুৰুচৰিতৰ ভাষা আৰু প্ৰকাশৰীতি সত্ৰৰ ভকত আৰু সত্ৰীয় পৰিবেশৰ মাজতেই সীমাবদ্ধ।

চৰিতপুথিৰ গদ্য সম্পৰ্কে মন্তব্য কৰি বিৰিঞ্চি কুমাৰ বৰুৱাই লিখিছে — 'চৰিতপুথিৰ বিষয়বস্তু যৎসামান্যভাবে হ'লেও আত্মনিষ্ঠ পুথিৰ 'চৰিত্ৰ'ৰ লগত ভক্ত ৰচকৰ হৃদয়ৰ পৰিচয় আছে। কেৱল যথাযথ-বৰ্ণনা দিয়ায়ে চৰিত লেখকৰ উদ্দেশ্য নহয়। মহাপুৰুষৰ জীৱনৰ ঘটনাৱলীয়ে তেওঁৰ জীৱন যিদৰে স্পৰ্শ কৰিছে, সেই তেনে ভাব তেনে অনুভূতি ভক্তবৃন্দৰ অন্তৰত গোচৰীভূত কৰি মহাপুৰুষৰ মহান আদৰ্শক জীৱন্ত ৰূপ দিয়াহে তেওঁৰ উদ্দেশ্য। সুখ দুখ গ্লানি-গৰিমা স্খলন পতন আদি সাধাৰণ শ্ৰদ্ধা-সহানুভূতি উদ্ৰেক কৰিব পৰা 'মানুহ'ৰ আখ্যানেৰে চৰিতপুথি সজীৱ হৈ আছে।

মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত 'বৰদোৱা গুৰু চৰিত'খন দৰাচলতে পুৰাৰাম মহন্তই সংকলন কৰা গ্ৰন্থহে।সেয়ে ইয়াৰ গদ্যৰীতি অৰ্বাচীন। ইয়াৰ গদ্য বৰ্ণনাত্মক গদ্যৰীতিৰ দিনৰ্শন।

আহোম ৰজাসকলৰ ভিতৰত চুডাংফা বা বামুণী কোঁৱৰেই পোনপ্ৰথমে হিন্দুধৰ্ম গ্ৰহণ কৰে আৰু ব্ৰাহ্মণ পণ্ডিতসকলক সাহিত্য সৃষ্টিৰ বাবে অনুপ্ৰাণিত কৰে। এওঁৰ পৰবৰ্তী কালৰ আহোম ৰজাসকলে বৈষ্ণৱ সত্ৰ অনুষ্ঠানৰ কাৰণে মাটি-বৃত্তি দান কৰি ধৰ্ম আৰু সাহিত্য চৰ্চাৰ কাৰণে অনুকূল পৰিবেশ সৃষ্টিত অৰিহণা যোগাইছিল। অৱশ্যে ৰুদ্ৰসিংহৰ আগলৈকে বুৰঞ্জী সাহিত্যৰ বাহিৰে অন্যান্য সাহিত্য সৃষ্টিত ৰাজ পৃষ্ঠপোষকতাৰ পৰিমাণ আছিল অতি নগণ্য। ৰুদ্ৰসিংহ বিদ্যানুৰাগী আৰু উদাৰ ৰজা আছিল। তেও নিজে শাক্ত ধৰ্মৰ প্ৰতি আস্থাশীল আছিল আৰু তেওৰ পৰবৰ্তী ৰজাসকলৰ অনুপ্ৰেৰণাত অসমত শাক্ত সাহিত্যই প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিছিল। আহোম ৰজা শিৱসিংহৰ ৰাজত্বকালত ভালেমান শৃঙ্গাৰ ৰসাত্মক কাব্য ৰচিত হৈছিল। এনে কাব্যৰ ভিতৰত শকুন্তলা কাব্য শঙ্খচুড বধ ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ আৰু গীত গোবিন্দৰ অনুবাদ আদিৰ কথা উল্লেখ কৰিব পাৰি।

শৃঙ্গাৰ ৰসাত্মক সাহিত্যৰ বাহিৰেও এই সময়ছোৱাত ৰাজকীয় পৃষ্ঠপোষকতাত ভালেমান ব্যৱহাৰিক জ্ঞানৰ পুথিও ৰচিত হয়। জ্যোতিষ বিদ্যা চিকিৎসা বিদ্যা আৰু নীতি বিষয়ক পুথি ৰচনাই এই সময়ছোৱাত বিশেষ প্ৰাধান্য লাভ কৰে।

অষ্টাদশ শকিকাত অসমীয়া সাহিত্যৰ ইতিহাসত সংযোজিত হোৱা দুটিমান নতুন দিশ হ'ল গৌড়ীয় বৈষ্ণৱ সাহিত্য আৰু পুৰণি হিন্দী সাহিত্যৰ দুই এখন গ্ৰন্থৰ অসমীয়া অনুবাদ। মৃগাৱতী চৰিত মধুমালতী আদি কাহিনীৰ অসমীয়া ৰূপান্তৰে চুফীবাদৰ ধাৰাটোৰ সৈতে অসমীয়া পাঠকক চিনাকি কৰি দিয়ে। 'ভক্তি-প্ৰেমাৱলী' আদি গ্ৰন্থৰ যোগেদি গৌড়ীয় ভক্তিমাৰ্গৰ প্ৰভাৱো অসমীয়া সাহিত্যত পৰিবলৈ ধৰে।

ভট্টদেৱ

'কথা-গীতা 'কথা ভাগৱত আৰু 'কথা ভক্তিৰত্নাৱলী গ্ৰন্থৰ জৰিযতে অসমীয়া কথা সাহিত্যিক বিশিষ্টভাৱে প্ৰতিষ্ঠিত কৰা বিশিষ্ট গদ্যকাৰ সংস্কৃতজ্ঞ পণ্ডিত ভট্টদেৱৰ প্ৰকৃত নাম আছিল বৈকুণ্ঠনাথ। 'কবিৰত্ন আৰু 'ভাগৱত ভট্টাচাৰ্য তেওঁৰ পাণ্ডিত্য আৰু ব্যক্তিত্বৰ পৰিচায়ক জনসাধাৰণে দিয়া স্বীকৃতিহে। ভট্টদেৱৰ জীৱনী সম্পৰ্কে সঠিক তথ্য পোৱা নাযায়। ৰামৰায ৰচিত গুৰুলীলা কৃষ্ণ মিশ্ৰৰ 'দামোদৰ দেৱৰ চৰিত নীলকণ্ঠ দাসৰ 'দামোদৰদেৱ চৰিত আদি গ্ৰন্থৰ জৰিয়তে ভট্টদেৱৰ জীৱনৰ কিছু কথা জানিব পৰা গৈছে। ভট্টদেৱৰ পিতৃৰ নাম পুৰুষোত্তম আৰু মাতৃৰ নাম তাৰাদেৱী। নীলকণ্ঠদাসৰ 'দামোদৰদেৱৰ চৰিত'ৰ পৰা ভট্টদেৱৰ ঘৰ বজালীৰ ওচৰৰ বিষাণকুছিত বুলি জনা যায। বৈকুণ্ঠনাথে শিক্ষা সমাপ্ত কৰি দামোদৰ দেৱৰ শৰণ লয় আৰু বৰ নগৰৰ ৰাইজৰ অনুৰোধক্ৰমে ভাগৱত ব্যাখ্যা কৰি 'কবিৰত্ন উপাধি লাভ কৰে। ৰামৰায়ৰ মতে বৰনগৰত থকা কালছোৱাত গুৰু দামোদৰদেৱে বৈকুণ্ঠনাথক গদ্যত ভাগৱত ৰচনা কৰিবলৈ উপদেশ দিয়ে

পূৰ্বে মহাপুৰুষে কৰিলা দশ স্কন্ধ।
কীৰ্তন ভটিমা ছবি, দুলড়ি সুছন্দ।।
তাতোকেৰি সুগম কৰিযো ভাগৱত।
স্ত্ৰী-শূদ্ৰ সৰ্বলোকে বুজে যেনমত।।

আন এঠাইত আছে —

'প্ৰভু দামোদৰৰ আজ্ঞায মহাসন্ত।
শ্লোক ভাঙি ভাগৱত কথা কৰিলন্ত।।
অবিবোধে স্ত্ৰী-শূদ্ৰ চাণ্ডালে পঢ়য়।
সংক্ষেপিয়া কথাৰূপে কৈলা মহাশয়।

ভট্টদেৱে গীতাৰ দৰে দাৰ্শনিক তথ্য সমৃদ্ধ এখনি গ্ৰন্থৰ সাৱলীল আৰু প্ৰাঞ্জল গদ্যৰূপ দিয়াত দামোদৰদেৱ অতিশয় সন্তুষ্ট হৈছিল। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে প্ৰথমে কথাগীতাখনি সম্পাদনা কৰি উলিয়ায়। ভট্টদেৱে 'কথাগীতা ৰচনা কৰোঁতে শ্ৰীধৰ স্বামীৰ 'সুবোধিনী টীকা অনুসৰণ কৰিছে। 'কথা-গীতা'ৰ 'যদি বোলা কথাশংৰে আৰম্ভ হোৱা যুক্তিসমূহ প্ৰায়ে শ্ৰীধৰ স্বামীৰ অনুগত। বহু ঠাইত টীকাৰ ভাষাৰ কেৱল বিভক্তিকেইটাই অসমীয়া ৰূপ লৈছে। শ্ৰীধৰ স্বামীয়ে ভক্তিক প্ৰাধান্য দিয়াৰ দৰেই ভট্টদেৱে 'কথা-গীতা'ত জ্ঞান আৰু কৰ্মতকৈ ভক্তিৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে।

'কথা ভাগৱত'ৰ পিছতেই ভট্টদেৱৰ দ্বিতীয় গদ্যকৃতি হ'ল 'কথা গীতা'। এই গ্রন্থ ৰচনাত দামোদৰ দেৱৰ আজ্ঞা আছিল নে নাই, সেই কথা জনা নাযায়। 'কথা ভাগৱত'ৰ আৰম্ভনিতেই ভট্টদেৱে শ্রীদামোদৰৰ আজ্ঞাৰ উল্লেখ কৰিছে আৰু নিজকে শ্রীদামোদৰৰ পাদপদ্মৰ সেৱক বুলিছে। কিন্তু কথা গীতাৰ ইয়াৰ পুনৰাবৃত্তি দেখা নাযায়। তাৰ পৰিৱৰ্তে আৰম্ভণি আৰু সামৰণিত একোবাৰকৈ দামোদৰদেৱৰ নামোল্লেখ কৰিছে।

গীতাশাস্ত্র হিন্দুধৰ্মৰ এখনি অতি প্রসিদ্ধ গ্রন্থ। ই ভাৰতীয় সাহিত্যৰ অতি আপুৰুগীয়া সম্পদ। পাশ্চাত্যৰ মনীষী গাৰ্বে হপকিন্স কীথ আদিৰ মতে পূৰ্বতে গীতা শ্বেতাশ্বেতৰ উপনিষদৰ দৰে এখনি সৰু উপনিষদ আছিল। পৰৱৰ্তী বৈষ্ণৱ অনুগামীসকলে ইযাক বিস্তৃত ৰূপ প্রদান কৰে। বৰ্তমান প্রচলিত গীতাত ভালেমান নতুন কথা সংযোগ হোৱাটো প্রায়ভাগ আধুনিক পণ্ডিতে স্বীকাৰ কৰিছে।

ভাৰতীয মনীষীসকলৰ সাধনাৰ বিবিধ মাৰ্গৰ সামঞ্জযিক প্রচেষ্টা গীতাত বৰ্তমান। ইযাত কোনো বিশেষ দাৰ্শনিক মতবাদৰ প্রাধান্য নাই আছে নিৰপেক্ষ আধ্যাত্মিক সত্তাৰ সাৰ্বজনীন ৰূপ। সেইবাবেই বিভিন্ন মতাৱলম্বী দাৰ্শনিক পণ্ডিতসকলে নিজ নিজ মতৰ অনুকূলে গীতা শাস্ত্ৰৰ ব্যাখ্যা দাঙি ধৰিছে। অকল ভাৰতবৰ্ষতে নহয় পাশ্চাত্য জগতৰ বিভিন্ন দেশতো গীতাৰ আদৰ্শ আৰু বাণীয়ে মানুহক আকৰ্ষিত কৰিছে। উইলিযাম হামবল্ট নামৰ এগৰাকী জাৰ্মান পণ্ডিতে গীতাৰ ইংৰাজী অনুবাদ পঢ়ি অতি আকৰ্ষণ অনুভৱ কৰিছিল। তেওঁৰ মতে —

The episode of the Mahabharat is the most beautiful may perhaps even the only truely philosopical poem which we can find in all literatures known to us

হামবল্টৰ উপৰিও এল্ডুৱাচ হাক্সলি খৃষ্টফাৰ ঈশ্বাৰাউদ্ প্রভৃতি বিদ্বানমণ্ডলীয়ে গীতাৰ সশ্রদ্ধ প্রশংসা কৰিছে। গীতাক একেবাৰে উপনিষদ ব্রহ্মবিদ্যা আৰু যোগশাস্ত্র বোলা হৈছে। গীতা হিন্দুধৰ্মৰ সকলোবোৰ আধ্যাত্মিক উপলব্ধিৰ স্তুপীকৃত ৰূপ ভাৰতীয় জনজীৱনৰ জ্ঞান মনীষা আৰু অভিজ্ঞতাৰ ভেটিত প্রতিষ্ঠিত এখনি মহৎ গ্রন্থ।

সগুণ ঈশ্বৰৰ উপাসনাৰে গীতা এখনি ঈশ্বৰবাদী শাস্ত্র। সংসাৰৰ মায়াৰে আবদ্ধ জনগণৰ মঙ্গলৰ উদ্দেশ্যে ৰচনা কৰা এই শাস্ত্রত নিৰ্গুণ ব্রহ্মৰ বিষয়ে দুই-এঠাইত উল্লেখ কৰিলেও ব্রহ্মৰ সগুণত্বৰ ওপৰতহে অধিক মনোনিবেশ কৰা দেখা যায়।

'কথা-গীতা'ৰ ভাষা 'কথা-ভাগৱত'তকৈ সাৱলীল আৰু গাম্ভীৰ্যপূৰ্ণ। পণ্ডিত হেমচন্দ্র গোস্বামীয়ে 'কথা গীতা'তকৈ 'কথা ভাগৱত আগেয়ে ৰচনা কৰা বুলি মত প্রকাশ কৰিছে। 'কথা ভাগৱত ৰচনা কৰাৰ পাছত কথা সাহিত্যৰ ওপৰত ভট্টদেৱে

লাভ কৰা অভিজ্ঞতাৰ স্বৰূপ গ্ৰন্থখনিত বিদ্যমান। আনহাতে 'কথা ভাগৱত'ৰ দৰে বাহুল্য বৰ্জনৰ ভয়ত 'কথা গীতা সংক্ষেপ কৰা নহৈছিল। গতিকে 'কথা গীতা'ত লেখকে আত্মপ্ৰকাশৰ স্বাধীনতা পাইছিল প্ৰচুৰ।

'কথা-গীতা দাৰ্শনিক তত্ত্বপ্ৰধান গ্ৰন্থ। বক্তব্য বিষয় স্পষ্টীকৰণৰ বাবে গ্ৰন্থখনিত যুক্তিৰ সহায় লোৱা হৈছে। যুক্তিতত্ত্বৰ প্ৰাধান্যৰ লগতে শ্ৰীধৰ স্বামীৰ সুবোধিনী টীকাৰ সৈতে সংগতি ৰাখিবলৈ চেষ্টা কৰাত 'কথা গীতা'ৰ অনুবাদ ব্যাখ্যাত্মক হৈ পৰিছে। উদাহৰণস্বৰূপে —

'যদি বোলা সন্ন্যাসত হৈতে উদ্দীন হৈবো কৰ্মত কি কাৰ্য? তাত শুনা। চিত্তশুদ্ধি বিনে কেৱল সন্ন্যাসত উদ্দান নঘটে। কৰ্মনাশ পদেও কৰ্মত অনাসক্ত মাত্ৰ কহে, সমূলে কৰ্মত্যাগ নঘটে। যাতো কুনু অৱস্থাত পুৰুষ কৰ্ম নকৰি ক্ষেণকো নাথাকে স্বভাৱৰ গুণে অৱশ্যে কৰ্ম কৰাইব।

হে অৰ্জুন। মঞি লোকক্ষয় কৰ্তা উৎকটকাল লোকক সংহাৰিবে লাগি প্ৰবৰ্ত্তিছো। তুমাত বিনে এই যুদ্ধত কেএো অৱশেষ নৰহিব। এতেকে তুমি যুদ্ধক লাগি উঠা। এই তোমাৰ শত্ৰুসব তুমাৰ যুদ্ধত পূৰ্বে মঞি কালৰূপে হতপ্ৰায় কৰিলো তুমি তথাপি সব্যসাচি নিমিত্ত মাত্ৰ হ'বা।

ঠাযে ঠাযে জটিল বাক্যৰ প্ৰয়োগে গ্ৰন্থখনিৰ আধ্যাত্মিক গাম্ভীৰ্য বৃদ্ধি কৰিছে

'যি ক'তো অপেক্ষা নকৰে বাহ্য আভ্যন্তৰ শৌচযুক্ত হয় আলস্য নকৰে কাৰো পক্ষে নোহে মনে দুখ নকৰে ভোগক লাগি উদ্যম নকৰে অপ্ৰিয়কো দ্বেষ নকৰে ইষ্টনাশতো শোক নকৰে অপ্ৰাপ্তিকো নবাঞ্ছে পাপ পুণ্য দুইকো নাচৰে শত্ৰু-মিত্ৰতো এনেভাৱে প্ৰবৰ্ত্তে মান অপমানতো হৰ্ষ বিষাদ নকৰে নিৰন্তৰে মোত স্থিৰচিত্তে ৰহে এমন ভক্তিমন্ত মোৰ মহাপ্ৰিয়।

'যদ্যপি মঞি অজ অব্যয় ঈশ্বৰ কৰ্মৰো অধীন নহো তথাপি শুদ্ধ সত্ত্ব প্ৰকৃতিক স্বীকাৰ কৰি বিশুদ্ধ সত্ত্ব মূৰ্তিয়ে অখণ্ড জ্ঞান বল-বীৰ্যাদি শক্তিয়ে আপুনাৰ মায়ায়ে অৱতাৰ ধৰো।

বাক্য সংকোচন কৰিবলৈ গৈ মাজে মাজে সমাসৰ আশ্ৰয় লোৱাৰ ফলতো 'কথা গীতা'ৰ ভাষাই জটিল ৰূপ ধাৰণ কৰিছে। শ্ৰীধৰ স্বামীৰ টীকাৰ অনুসৰণো এনে দুৰ্বোধ্যতাৰ বাবে সমানেই জগৰীয়া। তথাপিও উচ্চ আধ্যাত্মিক চিন্তা আৰু দাৰ্শনিক তত্ত্বকথাৰে পৰিপূৰ্ণ গীতা-শাস্ত্ৰৰ কথাৰূপ প্ৰদান কৰি অসমীয়া কথা-সাহিত্যক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাত ভট্টদেৱৰ অৱিহণা অস্বীকাৰ কৰিব নোৱাৰি। মুঠতে ভট্টদেৱৰ 'কথা ভাগৱত 'কথা-গীতা আৰু 'কথা ভক্তি ৰত্নাৱলী'য়ে অসমীয়া কথা সাহিত্যৰ ভেটি সুদৃঢ় কৰিলে।

দামোদৰদেৱৰ আজ্ঞা অনুসৰি ভট্টদেৱে স্ত্ৰী-শূদ্ৰ সকলোৱে বুজিব পৰাকৈ অসমীয়া গদ্যত ভাগৱতৰ ভাঙনি কৰে। ৰামৰায়ৰ গুৰুলীলা'ৰ মতে —

'আকু এক জগত ঈশ্বৰ আজ্ঞা ধৰা।
কথাবন্ধে এখখণ্ড ভাগৱত কৰা।।
পূৰ্বে মহাপুৰুষে কৰিলা দশ স্কন্ধ।
কীৰ্তন ভটিমা ছবি দুলড়ী সুছন্দ।।
তাতো কৰি সুগম কৰিও ভাগৱত।
স্ত্ৰী-শূদ্ৰ সৰ্বলোকে বুজে যেন মত।।

সেইবাবেই হেমচন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰিছে যে 'অসমীয়া গদ্য সাহিত্যৰ সৃষ্টি কাৰ্যত ভট্টদেৱ যন্ত্ৰ মাথোন যন্ত্ৰী আছিল দামোদৰদেৱ। প্ৰথমতে ভট্টদেৱে শ্ৰীধৰ স্বামীৰ টীকা ভাষ্য আদিৰ সহায়ত বহলাই ভাঙনি কৰাত দামোদৰদেৱে তেওক সাৰভাগ অৱলম্বন কৰি 'সংক্ষেপ কৰিয়া সাৰ মাত্ৰ লৈয়া কৰা কথা কৰিবন্ত।। দামোদৰদেৱৰ আজ্ঞামতে ভট্টদেৱে ১৫৯৩ খৃ'ৰ পৰা ১৫৯৭ খৃ ভিতৰত ভাগৱতৰ কথাৰূপ প্ৰদান কৰে।

ভট্টদেৱে মূল ভাগৱতক আধাৰ হিচাপে লৈ শ্ৰীধৰ স্বামীৰ টীকাৰ সহায়ত এই গ্ৰন্থখনি প্ৰস্তুত কৰি উলিয়াইছে। সেয়েহে গ্ৰন্থৰ আৰম্ভণিতে তেও লিখিছে — 'মই অল্পমতি তথাপি শ্ৰীদামোদৰদেৱৰ আজ্ঞায়ে সন্তসবৰ অনুমোদনে টীকা ভাষ্য অনুসৰি সংক্ষেপ প্ৰকাৰে নিবন্ধো।

ভট্টদেৱৰ কথাশৈলী ঃ

ভট্টদেৱৰ কথাশৈলীৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে 'কথা সম্পৰ্কে কিছু আলোচনা কৰাটো বাঞ্ছনীয়। সাধাৰণ অৰ্থত কথা শব্দই 'উক্তি 'বচন 'আখ্যান 'অভিপ্ৰায় আদিকে বুজায়। কিন্তু সাহিত্যৰ ক্ষেত্ৰত 'কথা মানে গল্প-উপন্যাস-প্ৰবন্ধ আদিৰ লেখীয়া গদ্য ৰচনাক বুজায়।

সংস্কৃত সাহিত্যত 'কথা নামৰ একশ্ৰেণীৰ আখ্যায়িকা আছে। সংস্কৃত সাহিত্যৰ আলোচ্য 'কথা শব্দটিয়ে যি অৰ্থই প্ৰকাশ নকৰক ভট্টদেৱৰ গদ্যৰ সৈতে জড়িত 'কথা শব্দটো তাৰ সমাৰ্থক নহয়। ভট্টদেৱৰ ৰচনাসমূহত 'ভাগৱত-কথা গীতা-কথা 'ৰত্নাকৰ-কথা আদি নামকৰণত 'কথা আখ্যাটিৰ প্ৰয়োগ লক্ষ্য কৰা যায়। গোপাল চৰণ ৰামৰায় আদিৰ লেখনিত 'কথা-বন্ধ শব্দৰ প্ৰয়োগ ঘটিছে। গতিকে কথা শব্দই 'কথা-বন্ধ' বা গদ্য ৰচনাক বুজাইছে বুলি অনুমান কৰিব পাৰি।

কথা ভাগৱত ৰচনা কৰোঁতে ভট্টদেৱে কিছু পৰিমাণে কাব্যিকতাৰ আশ্ৰয় লৈছে। ড° বাণীকান্ত কাকতিয়ে কথা ভাগৱতৰ শব্দচয়ন সংস্কৃত শব্দেৰে ভাৰাক্ৰান্ত আৰু ভাষাটোও মাজে মাজে কথাৰূপক বাট এৰি দিয়া পদ্যলেখকৰ ভাষাতকৈ কম ঘৰুৱা বুলিছে। ড° কাকতিৰ কথাষাৰ আংশিকভাৱে মানি লৈয়ো এষাৰ কথা ক'ব লাগিব যে ভট্টদেৱে কথাৰূপ দিয়া দাৰ্শনিক তত্ত্বেৰে পৰিপূৰ্ণ 'কথা ভাগৱত আৰু 'কথা গীতা'ত ঘৰুৱা ভাষাৰ প্ৰয়োগ কৰাৰ কথাষাৰ মানি ল'বলৈ টান লাগে। কিয়নো ভট্টদেৱে গদ্য ৰচনা কৰাৰ সময়ত তেওঁৰ আগত আদৰ্শ হিচাপে তেনে কোনো আৰ্হিগ্ৰন্থ নাছিল। শংকৰদেৱ মাধৱদেৱ আদিৰ নাটৰ কথাসূত্ৰ আৰু পাত্ৰৰ ৰচনাসমূহৰ বাহিৰে তদানীন্তন সকলোৰে ধৰ্মপুথি পদত ৰচনা কৰা হৈছিল। কবিৰত্নৰ পূৰ্বৰ সকলোবিলাক লেখকেই ছন্দোবদ্ধ ভাষাত ৰামায়ণ মহাভাৰত পুৰাণ আদি ৰচনা কৰাৰ বিপৰীতে ভট্টদেৱে কথা গীতা ভাগৱত আদি ৰচনা কৰে।

ভট্টদেৱৰ ভাষাত তৎসম শব্দৰ আধিক্যৰ মূলতে হৈছে লেখকৰ সংস্কৃত ভাষাত থকা অগাধ পাণ্ডিত্য কিন্তু তৎসম শব্দৰ প্ৰাচুৰ্যৰ বাবে তেওঁৰ ভাষা দুৰ্বোধ্য হৈ উঠা নাই। এনে শব্দৰ সংযোগে তেওঁৰ ৰচনাক গাম্ভীৰ্যহে প্ৰদান কৰিছে। তলৰ দৃষ্টান্ত এই প্ৰসংগত লক্ষণীয়

যেন মনুষ্যে জীৰ্ণ বস্ত্ৰক পৰিত্যাগ কৰি নবীন বস্ত্ৰ গ্ৰহণ কৰে এমন আত্মায়ো পুৰাণ দেহক এৰি নবীন দেহক স্বীকাৰ কৰে কৰ্ম নিবন্ধ নবীন দেহ অৱশ্যে হৈব। জীৰ্ণ দেহ নাশত শোক কৰিতে নালাগে। এই আত্মাক অস্ত্ৰয়ো নাকাটে অগ্নিও নদহে জলেও কোমল নকৰে। বায়ুও নুশুখাযে। এতেকে অছেদ্য অদাহ্য অক্লেদ্য অশোচ্য নিত্য সৰ্বগত অচল সনাতন অব্যক্ত অচিন্ত্য অপ্ৰাচ্য কৰি কহে।

আনহাতে শ্ৰীধৰ স্বামী আদিৰ টীকা ভাষ্যৰ সহযোগত বক্তব্য প্ৰকাশ কৰিবলৈ যাওতে বাক্য গাঁথনিয়ে আপোনা আপুনি জটিল ৰূপ ধাৰণ কৰিছে। গ্ৰন্থসমূহৰ মহত্ব আৰু গাম্ভীৰ্য ৰক্ষাৰ প্ৰতিও গ্ৰন্থকাৰে সজাগতা অৱলম্বন কৰিবলগীয়া হৈছিল। কিন্তু তৎসম শব্দৰ আধিক্য সত্বেও সুবিধা অনুযায়ী তদ্ভৱ আৰু দেশজ শব্দৰ প্ৰয়োগো নোহোৱা নহয়। কথা গীতাৰ তলৰ উদ্ধৃতিয়েই তাৰ নিদৰ্শন

পাছে কপিধ্বজ অৰ্জুনে কৌৰৱ সৈন্যক যুদ্ধ সন্মুখ দেখি অস্ত্ৰ বৃষ্টিয়ে পুৰিবে লাগিলা। গাণ্ডীৱ ধনু ধৰি হৃষীকেশ ভগৱন্তক এৰি এহি বাক্য বুলিলা হে অচ্যুত এই উভয় সেনাৰ মধ্যত মোৰ ৰথক ৰাখিয়ো যাৱে যুজন্তা বীৰসবক চাওঁগ্ৰা। বুলিবা তুমি যুজন্তা যুদ্ধ চাবা নোহা তাত শুনা মঞি কাৰ সমে যুদ্ধ কৰিম? দুৰ্বুদ্ধি দৰ্যোধনৰ প্ৰীতি কৰিবাক ইছায় যি বীৰসব আসি আছে তাৰাক চাওঁগ্ৰা তাৱত দুই সেনাৰ মধ্যত ৰথক ৰাখিবা।

একমাত্র অংকীয়া নাটৰ গদ্যসমূহ আৰু পদত অনুদিত ভাগৱতৰ কেইটামান স্কন্ধত ব্যৱহৃত শব্দভাণ্ডাৰৰ বাহিৰে তেনে কোনো শব্দৰ দ্বাৰা অভিধান নথকা সত্ত্বেও সমসাময়িক কথিত ভাষাৰ ওচৰচপা গদ্যৰ প্রয়োগ ভট্টদেৱে কৰিছে। কথা ভাগৱতত এনে কথিত গদ্যৰ প্রয়োগ অধিক। উদাহৰণ স্বৰূপে —

খেঁৰে মেচাই অগ্নি দেই, আপুনাৰ মাংস কাটি খুৱায়ে জীৱন্ততে শৃগাল শগুণে আন্ত উভাৰে সর্পে কামোৰে বিছায়ে ডাকে; ডাহে মহে খায় হাত ভৰি ভাঙ্গে হস্তী ফেটাই মাৰে পর্বতৰ পৰা পেলুৱাৰে গাত খান্দি পোতে পানীত ডুবায়ে এমনে অনেক ভুঞ্জাৱে। ইত্যাদি।

মাজে মাজে অসমীয়া জতুৱা ঠাঁচৰ ব্যৱহাৰো লক্ষ্য কৰা যায়। 'কথা ভাগৱত'ৰ ভাষাত শ্রীমন্ত শংকৰদেৱ অনন্ত কন্দলি আদি পদ ৰচয়িতাসকলৰ প্রভাৱ পৰিছে; কিন্তু 'কথা গীতা এনে প্রভাৱৰ পৰা সম্পূর্ণ মুক্ত।

এতেকে 'আত শুনা বোলা যদি — ইত্যাদি খণ্ডবাক্যৰ প্রয়োগৰ যোগেদি লেখকে সংশয়াত্মক প্রশ্নৰ উপস্থাপন সংশয নিবৃত্তি আদি চিন্তাৰ বাদাত্মক গতি নির্দেশ কৰিছে।

ভট্টদেৱৰ কথাশৈলী কিছু পৰিমাণে ব্যাখ্যাত্মক হ'লেও তেওঁৰ লেখনি মৌলিকতা বিবর্জিত নহয। প্রকাশভংগীৰ সৰলতা আৰু মৌলিক সৃজনী প্রতিভাৰ সমাহাৰে তেওঁৰ কথাশৈলীক ৰমণীয়তা প্রদান কৰিছে।

ভট্টদেৱে বৈযাকৰণিক পৰিপূর্ণতাৰ প্রতি লক্ষ্য ৰাখি তেওঁৰ গদ্যত ব্যাখ্যাত্মক ৰীতি গ্রহণ কৰিছিল। গীতা ভাগৱত আদিৰ মাজত অন্তর্নিহিত হৈ থকা গূঢ় ধর্মতত্ত্ব স্বচ্ছ আৰু যুক্তিনিষ্ঠভাৱে উপস্থাপন কৰিবলৈ তেও পার্যমানে চেষ্টা কৰিছিল। তেও সংস্কৃত শাস্ত্ৰৰ মুল বিষয়বস্তু আত্মসাৎ কৰি নিজ আদর্শৰ অনুকূলে উপযুক্ত উপমা সহকাৰে সহজ-সৰল ভাষাত প্রকাশ কৰিবলৈ যত্ন কৰিছে। 'কথা গীতা'ৰ নিম্নোক্ত উদ্ধৃতি তাৰ নিদর্শন

যেন তৈল বিন্দুমানো জল এক প্রদেশত পৰিলে সকল জলক ব্যাপয়। ধূলিত পৰিলে পুনু সেহিমতে ৰহে, তেমনে বিশিষ্ট্যজনত উত্তম কথা অল্পে কহিলে সকল লোকত প্রবর্ত্তে।

ভট্টদেৱৰ কথাশৈলীৰ বিষযে আলোচনা প্রসংগত এটা কথা উল্লেখ কৰাটো উচিত হ'ব যে তেওঁৰ কথা ভাগৱতখন মূল ভাগৱতৰ শ্লোকানুবাদ নহয় সাৰানুবাদহে। কথাৰ ওপৰত অগাধ দখল থাকিলেও মূল ভাগৱতৰ কাব্যিক সৌন্দর্যেৰে পৰিপূর্ণ 'ৰাসক্রীড়া গোপী উদ্ধৱ সংবাদ 'বর্ষা-বর্ণনা 'শৰৎ বর্ণনা আদি কাব্যপ্রধান অংশবোৰ অনুবাদ কৰোতে ভট্টদেৱৰ গদ্যই ঠায়ে ঠায়ে গদ্যধর্ম পৰিত্যাগ কৰি পদ্যধর্মী হৈ পৰিছে। ফলত

গদ্যৰ বিন্যাস ৰীতিৰ পৰা ফালৰি কাটি অন্ত্যানুপ্ৰাসযুক্ত আৰু পদ্যানুগন্ধী হৈছে। কোনো কোনো বাক্য গদ্যৰ সাধাৰণ ৰূপত আৰম্ভ কৰি ৰীতিসন্মত ছন্দ আৰু অন্ত্যানুপ্ৰাসেৰে শেষ কৰা হৈছে। ভট্টদেৱৰ গদ্য সম্পৰ্কে ক'বলৈ গৈ বংগীয় সাহিত্য পৰিষদৰ সভাপতি আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়ে ষোড়শ শতিকাতে অসমীয়া গদ্য সাহিত্যই এনে এটা অৱস্থাত উপনীত হোৱাত সন্তোষ প্ৰকাশ কৰে। কিয়নো সেই সময়ত ইংলেণ্ডত হুকাৰ আৰু লেটিমাৰৰ লেখনিৰ বাহিৰে পৃথিৱীৰ কোনো দেশৰ সাহিত্যই এনে উচ্চ-স্তৰত উপনীত হ'ব পৰা নাছিল। ৰায়ৰ ভাষাত —

Assamese prose Literature developed to a stage in the far distant 16th century which no other literature of the world reached except the writings of Hooker and latimer in England

বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰেও ভট্টদেৱৰ গদ্যৰ প্ৰশংসা কৰিছে। বংগদেশত গদ্য সাহিত্য সৃষ্টি হোৱাৰ প্ৰায় এক শতিকাৰ আগতে এনে সুন্দৰ গদ্য ৰচনা কৰিবলৈ সক্ষম হোৱাটো নিশ্চয় প্ৰশংসনীয়।

'কথা ভাগৱত আৰু 'কথা গীতা'ৰ অনুবাদ কৰোঁতে ভট্টদেৱে প্ৰায়ে শ্ৰীধৰ স্বামীৰ টীকা অনুসৰণ কৰিছে যদিও বৈকুণ্ঠনাথৰ স্বকীয় সৃজনী প্ৰতিভাৰ প্ৰকাশ নঘটাকৈ থকা নাই। 'কথা গীতা'ৰ আৰম্ভণিতে গ্ৰন্থকাৰে লিখিছে

'যদ্যপি আমি শ্ৰীকৃষ্ণৰ প্ৰসাদে শ্ৰীধৰী শাঙ্কৰী দামোদৰী ভাস্কৰী চাৰিও টীকা বিচাৰ কৰিছি তথাপি প্ৰায় শ্ৰীধৰ টীকা'ৰ মতে কথা নিবন্ধিবো তাহাৰ যুক্তি শুনা। শাঙ্কৰী টীকা জ্ঞানক প্ৰধান কৰি ব্যাখ্যা কৰে শ্ৰীধৰী ভক্তিমাত্ৰ নিৰূপণ কৰে দামোদৰী তিনিও যোগ সম কহে। এতেকে বৈষ্ণৱসবৰ প্ৰীতিৰ অৰ্থে ভক্তিপ্ৰধান টীকাৰ মতকে প্ৰায় লিখিব। ভক্তি অনুকূল দেখি কিছু কিছু তাৰাৰ মতকে নিবন্ধিবো। জ্ঞান-কৰ্ম ৰাখিতেসে শঙ্কৰী ভাস্কৰীৰ বিবাদ ভক্তিত কিছু বিবাদ নকৰিছে, এতেকে ভক্তিপন্থ সবাৰো সন্মত।

ভট্টদেৱে মূলৰ অধ্যায়সমূহৰ সৈতে সংগতি ৰাখি সেইসমূহৰ প্ৰাঞ্জল গদ্যৰূপ প্ৰদান কৰিছে। বৈয়াকৰণিক বৈশিষ্ট্যৰ ফালৰ পৰা চাবলৈ গ'লে ভট্টদেৱৰ গদ্যৰীতিত সংস্কৃতীয়া গদ্যৰীতি অনুসৰণ কৰা দেখা যায়। অংকীয়া নাটৰ দৰে ভট্টদেৱৰ গদ্যত মাজে মাজে লয়গন্ধী হৈছে।

ভট্টদেৱৰ সাহিত্যৰ মূল্যায়ন ঃ

ভট্টদেৱে অসমীয়া আৰু সংস্কৃত উভয় ভাষাতে সৰ্বমুঠ পোন্ধৰখন গ্ৰন্থ প্ৰণয়ন কৰি থৈ গৈছে। উক্ত গ্ৰন্থসমূহ হ'ল — কথা ভাগৱত কথা-গীতা কথা-ভক্তিৰত্নাৱলী

নন্দোৎসৱ প্ৰসংগমালা সাত্বত তন্ত্ৰ বিষ্ণু সহস্ৰনাম ভক্তিসাৰ ভক্তিবিবেক ভাগৱত অধিকৰণ শৰণ মালিকা গুৰু বংশাৱলী দামোদৰ ব্যাখ্যান বৰগীত আৰু সত্তনিৰ্ণয়।

ভট্টদেৱৰ গদ্য সংস্কৃত ব্যাকৰণ অনুসৃত হোৱাৰ কাৰণে কিছু পৰিমাণে কৃত্ৰিম আৰু জনসাধাৰণৰ কথিত ভাষাৰ সৈতে সম্বন্ধৰহিত বুলি কোনো কোনো সমালোচকে মন্তব্য কৰা দেখা যায়। অৱশ্যে তৎসম শব্দৰ আধিক্য সত্বেও ঠাইবিশেষে জতুৱা ঠাচৰ প্ৰযোগে তেওঁ ৰ গদ্যক মনোৰম ৰূপ প্ৰদান কৰিছে। সেইবাবেই বিশিষ্ট পণ্ডিত হৰিনাথ শৰ্মাদলৈয়ে লিখিছে, 'লিখিত গদ্যৰে আদৰ্শ আগত নোপোৱাকৈয়ো ভট্টদেৱে যথাসম্ভৱ বৈযাকৰণিক নিয়মেৰে শৃংখলিত যি গদ্যৰ সৃষ্টি কৰিলে আৰু যি গদ্যক গীতা ভাগৱত ৰত্নাৱলীৰ নিচিনা তাত্বিক বৈষ্ণৱ শাস্ত্ৰৰ ব্যাপক তত্বকথাৰ প্ৰকাশক্ষম কৰি পৰৱৰ্তী লিখকসকললৈ সেই গদ্যত শাস্ত্ৰ ৰচনাৰ বাট মুকলি কৰি দিলে সেই গদ্য আৰু সেই গদ্যই ৰূপ দিয়া গ্ৰন্থকেইখনৰ মূল্য অসমীয়া সাহিত্যৰ উপৰিও ভাৰতীয় প্ৰাদেশিক সাহিত্যৰ ক্ষেত্ৰতো লক্ষ্য আৰু আদৰ্শৰ সম্পদ। কথা ভাগৱত কথা গীতা আৰু কথা ভক্তিৰত্নাৱলী অসমীযা সাহিত্যৰ ইতিহাসত ভৱিষ্যতলৈ উন্নতিৰ বাট মুকলি কৰি দিয়া সুস্পষ্ট চিহ্ন (Land mark) স্বৰূপ। এই তিনিখন গ্ৰন্থই সুদূৰ ১৬ শ শতিকাত অসমীয়া গদ্য সাহিত্যিক সুপ্ৰসিদ্ধ স্তৰত প্ৰতিষ্ঠিত কৰি গৈছে।'[8]

ভট্টদেৱৰ দ্বাৰা ৰচিত সংস্কৃত গ্ৰন্থৰাজিৰ ভিতৰত শ্ৰীমদ্ভক্তিবিবেক গ্ৰন্থখনি ধৰ্মীয় দিশৰ পৰা সৰ্বোৎকৃষ্ট গ্ৰন্থ। গ্ৰন্থখনি পোন্ধৰটা পৰিচ্ছেদত বিভক্ত। ইয়াৰ প্ৰথম পৰিচ্ছেদত ভক্তিৰ স্থান নিৰ্ণয় দ্বিতীয়ত গুৰু-শিষ্য নিৰ্ণয় তৃতীয়ত শৰণ নিৰ্ণয় চতুৰ্থত নাম মাহাত্ম্য পঞ্চমত ভগৱদ্ভক্তি মাহাত্ম্য ষষ্ঠত সৎসংগ নিৰ্ণয় সপ্তমত শ্ৰৱণ কীৰ্তনাদি নিৰূপণ অষ্টমত শ্ৰৱণ নিৰ্ণয় নৱমত কীৰ্তন নিৰ্ণয় দশমত স্মৰণ মাহাত্ম্য একাদশত পাদ সেৱন মাহাত্ম্য দ্বাদশত পূজা নিৰ্ণয় ত্ৰয়োদশত পূজা মাহাত্ম্য চতুৰ্দশত দাস্য নিৰ্ণয় আৰু পঞ্চদশ পৰিচ্ছেদত ভাৱমূৰ্তিৰ সত্যত্ব আলোচনা কৰা হৈছে। বিষয়বস্তুৰ ফালৰ পৰা গ্ৰন্থখনি শংকৰদেৱৰ 'ভক্তি-ৰত্নাকৰ'ৰ সমভাবাপন্ন। অৱশ্যে ভক্তি-ৰত্নাকৰৰ প্ৰতিপাদ্য বিষয়সমূহ পৌৰাণিক সাহিত্যৰ ভিতৰতেই সীমাবদ্ধ। ভট্টদেৱে বৈদিক সাহিত্যৰ পৰা যথোচিত উদ্ধৃতি দি নিজৰ বক্তব্য বিষয় যুক্তিৰে প্ৰতিপন্ন কৰাৰ প্ৰয়াস কৰিছে। ভগৱানৰ নাম মাহাত্ম্য যে বেদ প্ৰতিপাদিত সেই কথা তেওঁ বৈদিক সাহিত্যৰ পৰা যথোচিত উদাহৰণ দি যুক্তিৰে বিশ্লেষণ কৰি দেখুৱাইছে

হে ভগৱন অমৰ্তস্য নিত্য মুক্তস্য নাম ভুৰি সমস্ত পুণ্যাধিকং মনামহে মন্যামহে। যত্বনাম নিঃশ্ৰমমেৱ মুক্তিমুপনয়তীতি। মৰ্ত্যা অপি বিপ্ৰাবয়ঃ যৎ প্ৰসাদাদ্বি ধ্বস্তাবিল

8 কথা-ভাগৱতৰ পাতনি।

দুষ্কাৰ্মাশয়া জাতবেদম ইৱ শুদ্ধা ভৱাম॰ অত উপাদিশাম॰ হে জানন্তো মুমুক্ষবো যূয়মস্যা ভগৱতো নাম চিৎ স্বৰূপং মাবিৰক্তন্ অজস্রং জপত।

ভক্তি-বিবেকত ভট্টদেৱৰ অসাধাৰণ পাণ্ডিত্য গভীৰ অধ্যয়ন আৰু বিচাৰ-বুদ্ধিৰ পৰিচয় পোৱা যায়।

প্ৰসংগমালা ভট্টদেৱ বিৰচিত এখনি নাম প্ৰসংগৰ উপযোগী গ্ৰন্থ। দামোদৰী সত্ৰসমূহত নাম প্ৰসংগ বিশেষকৈ দ্বাদশ প্ৰসংগ যথাযথৰূপত চলোৱাৰ উদ্দেশ্যে ভট্টদেৱে এই গ্ৰন্থখনি প্ৰণয়ন কৰি উলিয়াইছে। তেওঁৰ আন এখনি উল্লেখযোগ্য পদপুথি হ'ল 'বিষ্ণু-সহস্ৰনাম' যাৰ মূল পদ্মপুৰাণৰ উত্তৰ খণ্ডৰ অন্তৰ্গত উমা মহেশ্বৰ সম্বাদ। গ্ৰন্থখনিৰ ধৰ্মীয় মূল্যতকৈ সাহিত্যিক মূল্য অধিক। 'নন্দোৎসৱ' ভট্টদেৱৰ এখনি ক্ষুদ্ৰ পৰিসৰৰ গ্ৰন্থ। কৃষ্ণ জন্মৰ পাছত নন্দগৃহত উদ্‌যাপিত আনন্দ উৎসৱৰ বৰ্ণনা গ্ৰন্থখনিত দাঙি ধৰা হৈছে।

চৰিত সাহিত্য

প্ৰাচ্য আৰু পাশ্চাত্য উভয় সাহিত্যতে আনৰ জীৱন চৰিতৰ ৰূপ দিয়াৰ পৰম্পৰা অতি প্ৰাচীন। সংস্কৃত সাহিত্যত কবি অশ্বঘোষৰ 'বুদ্ধচৰিত' আৰু 'সৌন্দৰনন্দ' জীৱন চৰিতৰ দিশত প্ৰাচীনতম গ্ৰন্থ। অসমীয়া সাহিত্যত খৃষ্টীয় ষষ্ঠদশ শতিকাৰ শেষভাগৰ পৰা বৈষ্ণৱ গুৰুসকলৰ জীৱনচৰিত ৰচনাৰ পৰম্পৰা আৰম্ভ হয়। বৈষ্ণৱ ধৰ্মৰ গুৰুসকল আৰু অন্যান্য সন্ত মহন্তসকলৰ জীৱন চৰিত্ৰৰ প্ৰকাশক এই পুথিবোৰ 'চৰিতপুথি' বা 'চৰিত সাহিত্য' ৰূপে পৰিচিত।

মহাপুৰুষ শংকৰদেৱ মাধৱদেৱ দামোদৰদেৱ আৰু হৰিদেৱৰ জীৱন চৰিত্ৰক কেন্দ্ৰ কৰি তেওঁলোকৰ শিষ্য প্ৰশিষ্যসকলৰ জীৱন কথাকো সামৰি এই ধৰণৰ বিভিন্ন চৰিতপুথিৰ সৃষ্টি হৈছে। সত্ৰসমূহত নিযমিত প্ৰসঙ্গৰ অন্তত সাধাৰণতে বৈষ্ণৱ গুৰুসকলৰ জীৱন চৰিত আলোচনা হৈছিল আৰু এনে চৰ্চাই ভক্তসকলক বিশেষ আমোদ দিছিল। বৈষ্ণৱ সমাজত পৰম ভক্তি আৰু নিষ্ঠাৰে গুৰুসকলৰ জীৱন কাহিনী চৰ্চা কৰা এই প্ৰথাটোক 'চৰিত তোলা' প্ৰথা ৰূপে জনা গৈছিল। এনেদৰেই ভক্তসকলৰ মাজত হোৱা 'চৰিত তোলা' প্ৰথাৰ পৰাই চৰিতপুথিসমূহৰ উদ্ভৱ হোৱা বুলি অনুমান কৰিব পাৰি।

চৰিতসমূহ গদ্য আৰু পদ্য উভয় ৰূপতেই লিপিবদ্ধ কৰা হৈছিল। অৱশ্যে পদ্য চৰিততকৈ গদ্যত লেখা চৰিতৰ সংখ্যা কম। কথাগুৰুচৰিতৰ আৰম্ভণিত আছে — তেহে মাধৱদেৱে গুৰুবাক্য শিৰে ধৰি গুৰুজনৰ সদা-সৰ্বদা চৰিত্ৰ কীৰ্ত্তন কৰিছিল। আতেসৰে শ্ৰৱণ কৰে। 'চৰিত তোলা' প্ৰথাৰ এইটো এটা দৃষ্টান্ত। চৰিত তোলা প্ৰথাৰ

পৰিণতিস্বৰূপেই বিভিন্ন চৰিতকাৰে চৰিতপুথি লিখিবৰ বাবে অনুপ্ৰাণিত হৈছিল বুলি বিভিন্ন প্ৰসঙ্গৰ পৰা জনা যায়

অনিৰুদ্ধ দাসে গুৰুবৰ্ণনা লেখাৰ প্ৰাক-মুহূৰ্ত্তত চৰিত তোলা প্ৰথাৰ দ্বাৰা কেনেদৰে অনুপ্ৰাণিত হৈছিল সেই বিষয়ে উল্লেখ কৰিছে এনেদৰে

'কথাৰূপে ভকতসবে চৰ্চে ঠাই ঠাই।
পদছন্দে কৰিবাক মোৰ অভিপ্ৰায়।।

বৈকুণ্ঠ দ্বিজৰ 'সন্তমালা'ৰ মতে দৈত্যাৰি ঠাকুৰে চৰিত ৰচনাৰ কাৰণে প্ৰধানকৈ প্ৰেৰণা পাইছিল গোবিন্দ আতৈৰ পৰা। সেযে ৰাম মহন্তৰ সৈতে লগ হৈ চৰিত ৰচনাত প্ৰবৃত্ত হৈছিল

গোবিন্দৰ আজ্ঞা পাই ৰাম মহন্ত।
দৈত্যাৰি সহিতে তাৰ পদ কৰিলন্ত।।'

চৰিতখনি ৰচনাত গোবিন্দ আতৈৰ লগতে আন আন সন্তসকলৰ পৰা পোৱা প্ৰেৰণাৰ কথাও চৰিতকাৰে শ্ৰদ্ধাৰে উল্লেখ কৰিছে

'কতো মহাজনে মোক বুলিলা বচন।
দুয়ো মহাপুৰুষৰ কথা যঁত যঁত।।
পদবন্ধে একস্থান কৰিয়ো সমস্ত।

ৰামৰায়ৰ গুৰুলীলা'ত দামোদৰদেৱে হৰি আতাক সত্ৰৰ ভাৰ অৰ্পণ কৰি ৰাজ আজ্ঞা পালনৰ বাবে কেনেদৰে অগ্ৰসৰ হৈছিল তাৰ বৰ্ণনা দাঙি ধৰিছে এনেদৰে

'প্ৰভু দামোদৰে হৰি আতাক বোলন্ত।
তুমি বৃদ্ধ বৈষ্ণৱ পৰম বুদ্ধিমন্ত।।
সত্ৰখানি পালিবাহা মোহোৰ যে মত।
ৰাজাৰ চেষ্টাক বুজিবাহা ভাল মত।।
জগত ঈশ্বৰে মোক কৰিলা আদেশ।
দুনাই আৰ ইথানেত নাহিকে প্ৰবেশ।।

এনেদৰে চৰিতত কথোপকথন শৈলীৰ প্ৰয়োগৰ যোগেদি নাটকীয় গুণৰ সমাবেশ ঘটোৱা হৈছে। চৰিত তোলা প্ৰথাৰ যোগেদি বিকাশ লাভ কৰাৰ কাৰণে চৰিতসমূহৰ প্ৰকাশৰীতি মূলতঃ কথোপকথনমূলক। প্ৰকাশৰীতিৰ এনে নাটকীয় অভিব্যক্তি চৰিতৰ বিভিন্ন ঠাইত দৃষ্টিগোচৰ হয়। উদাহৰণস্বৰূপে —

"দেখি গুৰুজনে আচৰিত হৈ বোলে কালি সন্ধ্যা গৈছা, এই ভাদ্ৰমহা জল বৃষ্টি পঙ্কে কেতিয়া কেনেকৈ আনিলা? বোলে বাপ নিশাই অনা

হ'ল। বোলে আমি কালি মধ্যতে সবাৰে আগত কলোঁহে কথাটো। এই নিশাৰে কাল কিয় যোৱা তুমি? মই কাহানি পাচিছো তোমাক? বোলে বাপে, পাচিব লাগে কেলেই? দাসে ভৃত্যে স্বামীৰ কাৰ্য্য বুজি আমি কৰিবই পাওঁ। (কথা গুৰুচৰিত)

কথা গুৰুচৰিতৰ গদ্যত সততে এটি ভকতীয়া ঠাচ-লক্ষ্য কৰা যায়। বক্তা শ্ৰোতা আৰু প্ৰতিপাদিত বিষয়ৰ প্ৰতি থকা ঐকান্তিক বিশ্বাস আৰু শ্ৰদ্ধাই ইয়াৰ প্ৰকাশৰীতিক বিনম্ৰ কৰি তুলিছে। গুৰুসকলৰ অলৌকিক জীৱনৰ লীলা মাহাত্ম্য শ্ৰৱণ কীৰ্তন কৰি তেওঁলোকৰ প্ৰতি শ্ৰদ্ধামিশ্ৰিত দাস্যভাৱেৰে ভকত বৈষ্ণৱসকলে পৰম তৃপ্তি লাভ কৰিছিল ৰসাপ্লুত অন্তৰেৰে চিত্ত দ্ৰৱীভূত হৈ পৰিছিল। গুৰুভক্তি ভগৱদভক্তি আৰু ধৰ্মীয় প্ৰসঙ্গই সাধাৰণতে ইয়াত প্ৰাধান্য লাভ কৰিছিল।

কথা গুৰুচৰিতৰ নানান ঠাইত বোলে'ৰ দ্বাৰা বাক্যবোৰ আৰম্ভ কৰা হৈছে। বাক্যবোৰ চুটি চুটি আৰু যথাৰ্থ ভাৱ প্ৰকাশক। ইযাৰ গদ্য কৃত্ৰিমতাহীন আৰু ঘৰুৱা কথন ৰীতিৰ সৈতে সাদৃশ্যযুক্ত। উদাহৰণ স্বৰূপে — তলত উদ্ধৃতাংশ দ্ৰষ্টব্য

"আৰু এজনৰ নাম ভৱানন্দ। আতোৰো নাম সেই পিতৃদত্ত। দুও সখি কৰিছে। তাৰে এমহা কৰি দিবলৈ এটি ছাগ আনি পাট গোহালি দিলে অনেক ছাগ হ'ল। তাৰে বিকিও কিছু পালে আছেও। পাছে এদিন তেও ধৰিলে বোলে সখি, ছাগ আনিলো কি কৈলা? আতো বোলে তামাৰ কৰি, মহা লৰা কি ছাগৰ কথা কোৱা? বোলে এতিয়া কৰি দিলে লম কিয় মি মোৰ অনেক ছাগ হৈছে। দুয়োৰে তাতে দ্বন্দ লাগিল। বোলে কাইলৈ মেল নিম যাকে দিয়ে তাৰে হ'ব। এই বোলা কাৰাকৈ আহিল। ভোজনলৈ গধূলি জুৰত বহি খুৰাকক কলে দ্বন্দ মেলৰ কথা। তুমি চোন তেঞা হৈ উত্তৰ কৰা। পিছে দুয়ো উত্তৰ পাতৰ কৰি আতোক খটালে। বোলে বপা লোকে আমাক ৰখা বন্ধা বেচহে দিয়াৰ। বোলে খুৰা, মই তেনে শুই থাকিম। তুমি আহিলে এই বুলি কৰা। সেই মতে আছে। ইত্যাদি। (কথাগুৰুচৰিত)

এতিয়ালৈকে পোৱা গদ্য চৰিতৰ ভিতৰত দুখন বিশেষভাৱে প্ৰসিদ্ধ চৰিত হ'ল 'কথা গুৰুচৰিত আৰু 'বৰদোৱা গুৰুচৰিত। কথা গুৰুচৰিতৰ লেখক সঠিকভাৱে জনা

নাযায়। মহেশ্বৰ নেওগে কথা গুৰুচৰিতৰ ভূমিকাত ধনঞ্জয় আতৈক ইয়াৰ বক্তা বুলি উল্লেখ কৰিছে। আনহাতে সত্যেন্দ্ৰনাৎ শৰ্মাৰ মতে 'বিভিন্ন বক্তাৰ যোগেদি গঢ় লৈ অহা এই চৰিতখনৰ শেষ বক্তা চক্ৰপানি বৈৰাগী। গ্ৰন্থখনি সপ্তদশ শতিকাত ৰচিত। বৰ্তমান প্ৰাপ্ত 'বৰদোৱা গুৰুচৰিত খনি দৰাচলতে বৰদোৱাৰ মূল চৰিত নহয় পুৰাৰাম মহন্ত নামৰ এগৰাকী ব্যক্তিৰ দ্বাৰা মূল চৰিতৰ পৰা সংকলিত এটি ৰূপহে। গতিকে চৰিতখনি তুলনামূলকভাবে অৰ্বাচীন। এই দুয়োখনি কথা চৰিততেই মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ লগতে অন্যান্য প্ৰায়বোৰ বৈষ্ণৱ সন্ত-মহন্তৰ জীৱন বৃত্তান্তৰ সংক্ষিপ্ত আভাস দাঙি ধৰা হৈছে।

গুৰুচৰিতসমূহৰ উদ্দেশ্য হৈছে সন্ত মহন্ত আৰু বৈষ্ণৱ গুৰু সকলৰ অমৃতময় জীৱন লীলাৰ বিষয়ে ভক্তগণৰ অন্তৰত প্ৰেম ভক্তি আৰু শ্ৰদ্ধাৰ ভাব পোষণ কৰা। কথাগুৰুচৰিতৰ বক্তাৰ মতে — 'আগ পাচ হ্ৰস্ব দীৰ্ঘ বঢ়া টুটা বুদ্ধিৰ দোষ চিচা বৃষ্ট-কৰ্দ্দম দোষ ক্ষমা কৰি অমৃত গুৰুচৰিত্ৰ লীলা শুনিব। ইত্যাদি।

সত্ৰ আৰু অন্যান্য ধৰ্মানুষ্ঠানসমূহৰ ভকত সমাজৰ মাজত বক্তা আৰু শ্ৰোতাৰ মাধ্যমেদি চৰিত্ৰৰ কথাবোৰ শ্ৰৱণ-কীৰ্ত্তন কৰা হৈছিল। পৰৱৰ্তী কালত এইবোৰ লিপিবদ্ধ ৰূপ প্ৰদান কৰা হয়। জনগণৰ মাজত ধৰ্ম নৈতিকতা আৰু আধ্যাত্মিক শিক্ষাৰ মনোভাৱ বৃদ্ধি কৰাই আছিল ইয়াৰ প্ৰধান উদ্দেশ্য। চৰিতসমূহ আৰম্ভণিতে যদিও পদ্যত ৰচনা কৰা হৈছিল পিছলৈ গদ্যতো চৰিত ৰচনাৰ পৰম্পৰা আৰম্ভ হ'ল গদ্যই ক্ৰমান্বয়ে প্ৰসাৰ লাভ কৰাৰ লগে লগে ইয়াৰ প্ৰয়োগ বাঢিবলৈ ধৰিলে। কিন্তু পদ্য চৰিতৰ দৰে ইয়াৰ ব্যাপক চৰ্চা নহ'ল। পদ সাহিত্যৰ সাৱলীল ৰূপ আৰু শ্ৰুতি মাধুৰ্য্যই জনসাধাৰণক সহজে আকৃষ্ট কৰিব পাৰিছিল আৰু সুৰ লগাই কীৰ্ত্তন কৰিবলৈকো সুবিধা পাইছিল। গদ্য কেৱল শ্ৰৱণৰ কাৰণেহে সুবিধাজনক কীৰ্ত্তনৰ কাৰণে নহয়।'[৫]

চৰিত সাহিত্য সৃষ্টিৰ বাবে বৈষ্ণৱ সত্ৰ আৰু সমাজেহে অনুকূল পৰিৱেশ সৃষ্টি কৰি দিছিল। বুৰঞ্জী সাহিত্য নাইবা অন্যান্য সাহিত্য সৃষ্টিৰ দৰে ৰজাঘৰীয়া পৃষ্ঠপোষকতাৰ অবিহনেই ভকত-বৈষ্ণৱৰ শ্ৰদ্ধা আন্তৰিকতা আৰু আধ্যাত্মিকতা বিশ্বাসক মূল ভেটি হিচাপে লৈ চৰিতসমূহে বিকাশ আৰু প্ৰকাশ লাভ কৰিছিল।

কথাগুৰুচৰিতত লৌকিক পৰম্পৰাগত গুৰুমুখনিসৃত আৰু ধৰ্মশাস্ত্ৰৰাজিত কথিত নানাবিষয়ক জ্ঞান অভিজ্ঞতাৰ কথাৰ পুনাৰবৃত্তি লক্ষ্য কৰা যায়। ঠাইবিশেষে প্ৰবাদবাক্য প্ৰবচন নীতিকথা খণ্ডবাক্য ফকৰা যোজনা আদিৰ যোগেদি ইয়াৰ গদ্যক সৰস ৰূপ প্ৰদান কৰা হৈছে। দৃষ্টান্তস্বৰূপে তলত দুটিমান দাঙি ধৰা হ'ল —

---

৫ শৰ্মা, সত্যেন্দ্ৰনাথ : প্ৰাগুক্ত গ্ৰন্থ, পৃ ১৫১।

(ক) আমাৰেসে কৰ্মতবে পণ্ডিতবো বাক্য লবে।

(খ) সৰুএ বৰ হবহে খোজে হৈতেও পাৰে মধ্যবৰ্তী হৈ
পাশদলত লাগি বয় আযোজাৰ্তকৈ। ববে ছোট
হব পাইলে সংসাৰ হাত সবকি সাৰিব পাৰি।

(গ) গড বান্ধি যুঁজিলে সজ প্ৰাণৰ সংশয় নাই। বিনাগড়ে যুঁজিলে ভয়।

(ঘ) গুৰুজনে বোলে ববাপো পশু কৰিবা শৰ মৰাও নানিবা
জীযাও নানিবা শুদাহাতে নপশিবা ঘৰ।

(ঙ) সিযান চৰাই ভাও লাম্ফ দি দি আহাৰে খায়
খন্দত নিদিযে পাৰ। নাও দিলো বঠা দিলো আৰু দিলো
চৰি বাই বাটি খাব নুবাৰে কাৰ কোন বৈৰী।

(চ) ৰাজাক স্বদেশেহে পূজে বিদ্যাৱন্ত সৰ্বদেশে পূজ্য।
মাতা শত্ৰু পিতা বৈৰী যেন বাল্য ন পঠিতা।
সভামধ্যে ন শোভন্তে হংসমধ্যে বকো যথা।।

(ছ) বোলে আহিছা হৰিপো, কি বুলি কাটিলা বাও। সংসাৰে
জুৰি গুৰু ৰহিছে ক'ত দি আহিছা পাও। পাছে গুৰুজন
থৰকা খাই ছোট আতাৰ মুখলৈ চাই বোলে ববাপো
মাৰ নাপাৰি। পাছে ছোট আতা মাতিছে — 'হৰিৰ আজ্ঞাত
আহিছা গোঁসাই পৃথিবীত দি পাও। হৃদয়ৰ মাজত গুৰু আছে
আত্মা বিচাৰি চাও।

চৰিতপুথিৰ গদ্যৰ বিষয়ে মন্তব্য কৰি বিৰিঞ্চিকুমাৰ বৰুৱাই লিখিছে — 'চৰিতপুথিৰ বিষয়বস্তু যৎসামান্যভাৱে হ'লেও আত্মনিষ্ঠ পুথিৰ 'চৰিত্ৰ'ৰ লগত ভক্ত ৰচকৰ হৃদয়ৰ পৰিচয় আছে। কেৱল যথাযথ বৰ্ণনা দিয়ায়ে চৰিত লেখকৰ উদ্দেশ্য নহয়। মহাপুৰুষৰ জীৱনৰ ঘটনাৱলীয়ে তেওঁৰ অন্তৰ যিভাৱে স্পৰ্শ কৰিছে, সেই

তেনেভাব তেনে অনুভূতি ভক্তবৃন্দৰ অন্তৰত গোচৰীভূত কৰি মহাপুৰুষৰ মহান আদৰ্শক জীৱন্ত ৰূপ দিয়াহে তেওঁৰ উদ্দেশ্য।"[৬]

আনহাতে 'বৰদোৱা গুৰুচৰিত'ৰ কথাগুৰুচৰিতৰ লগত নিমিলে। গদ্যচৰিত হিচাপে ইয়াৰ নিদৰ্শন তলত দাঙি ধৰা হ'ল —

'ভূঞাসকলে এশ ঘৰ বন্দী দি সকলোৰে ওপৰত গোমস্তা পাতিলে। ৰায় বনগয়া, হৰি জামাই এইসকলে প্ৰথমে চৰ্চা কৰিছে মহিপতি আতাই প্ৰথমে হৰিচৰণ পক্ষত ৰূপ ধৰি ভকতিৰ খুটি মাৰি শাস্ত্ৰ কৰিছে। এদিন ৰায় আতাক গুৰুজনে জনালে, আমাক উত্তম দেখি গধুৰ ঠাই দেখি ঘৰ সাজি দিয়া, তাতে বহি শাস্ত্ৰ আলোচনা কৰি নাম লগোৱা হ'ব। ইত্যাদি।

ওপৰত উদ্ধৃতিটোৰ পৰা ইয়াৰ বিংশ শতিকাৰ আদি ভাগৰ গদ্য বুলিব পাৰি।

চৰিত পুথিসমূহত শিষ্যসকলে গুৰুৰ মাহাত্ম্য বুজাবলৈ তেওঁৰ গাত প্ৰায়েই অলৌকিক গুণৰ আৰোপ কৰিছিল। সেয়ে চৰিতবোৰক প্ৰকৃত অৰ্থত জীৱনী আখ্যা দিব নোৱাৰি। আনহাতে এই চৰিতসমূহ বৈজ্ঞানিক দৃষ্টিৰে লিপিবদ্ধ হোৱা নাই, আৰু লগতে ভক্তৰ দৃষ্টিৰেহে এইসমূহ বিশ্লেষণ কৰা হৈছে। মানুহ হিচাপে তেওঁলোকৰ জীৱনৰ সকলোবোৰ দোষ গুণ পৰ্যালোচনা কৰি চোৱাৰ প্ৰয়াস সাধাৰণতে চৰিতসমূহত দেখা নাযায়। আনহাতে চৰিতৰ প্ৰতিপাদ্য বিষয় বা ঘটনাসমূহৰ মাজত ধাৰাবাহিকতা ৰক্ষিত হোৱাও দেখা নাযায়। এনেবোৰ কাৰণত চৰিত পুথি সমূহে ঠায়ে ঠায়ে ঐতিহাসিকতা হেৰুৱাইছে। অৱশ্যে এনে ক্ৰটী থকা সত্ত্বেও মধ্যযুগৰ অসমৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাসৰ অধ্যয়নৰ কাৰণে চৰিতপুথি সমূহৰ গুৰুত্ব অনস্বীকাৰ্য। সেইবাবেই বাণীকান্ত কাকতি আৰু বিৰিঞ্চিকুমাৰ বৰুৱাই লিখিছে

> Written from the devotional point of view and recording the day to day experiences and incidents of the saints lives personally witnessed by the authors or harded down by sacred traditions the chant puthis may be considered to be the most human and realistic documents of early Assamese literature They further posses immense historical value or the light they throw upon contemporary social life manners vaishnavite movements and institutions

---

৬ *বৰুৱা বিৰিঞ্চি কুমাৰ ঃ অসমীয়া কথা সাহিত্য (পুৰণি ভাগ)।*

৭ *লেখাৰু, উপেন্দ্ৰচন্দ্ৰ ঃ কথা গুৰুচৰিত*
(introduction to kathagurucharit by B Kakati & B K Barua)

ভূষণ দ্বিজৰ 'শংকৰ চৰিত' ৰচনাত চৰিতকাৰে শংকৰদেৱৰ দুগৰাকী নাতি পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰৰ লগতে সমসাময়িক সন্তসকলৰ পৰা সমল আহৰণ কৰিছে। সেয়ে অন্যান্য চৰিতৰ দৰে এইখন চৰিতত অলৌকিকতাৰ পৰিমান কম। চৰিতখনিত সমসাময়িক কালৰ অসমৰ সামাজিক ৰাজনৈতিক অৰ্থনৈতিক আৰু ধৰ্মীয় দিশৰ ভালেমান গুৰুত্বপূৰ্ণ কথা লিপিবদ্ধ কৰা হৈছে। শংকৰদেৱৰ মৃত্যুৰ পিছত তেওঁৰ নাতি পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰে ধৰ্মভাৰ গ্ৰহণ কৰাৰ ইঙ্গিত দি চৰিতখন সামৰণি মৰা হৈছে। ভূষণ দ্বিজে পুৰুষোত্তম ঠাকুৰৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। তেঁৰ চৰিতখনিত শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱনৰ প্ৰায়বোৰ কথাই চমুকৈ বৰ্ণনা কৰা হৈছে। চৰিতখনিৰ ভাষা প্ৰাঞ্জল বাক্যৰীতি সুগঠিত আৰু বৰ্ণনা কবিত্বপূৰ্ণ আৰু ৰসাল।

মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰৰ পুতেক দৈত্যাৰি ঠাকুৰে 'শংকৰদেৱ মাধৱদেৱ চৰিত্ৰ' ৰচনা কৰে। চৰিতখনি ভূষণ দ্বিজৰ চৰিতৰ প্ৰায় সমসাময়িক। কিয়নো চৰিতখনি ৰচনাৰ সময়ত শংকৰদেৱৰ নাতি চতুৰ্ভুজ ঠাকুৰে বিষ্ণুপুৰত সত্ৰ পাতি আছিল। চৰিতৰ মতে —

'হৰিচৰণৰ ভৈলা পুত্ৰবৰ
চতুৰ্ভুজ নাম থৈলা।
তেহো বিদ্যমানে বিষ্ণুপৰ থানে
কৰিয়া সত্ৰ আচন্ত।।

দৈত্যাৰি ঠাকুৰৰ পিতৃ ৰামচৰণ ঠাকুৰৰ ভণিতা থকা এখন 'শংকৰ চৰিত' পোৱা যায়। কিন্তু চৰিতখন সন্দেহযুক্ত। কাৰণ দৈত্যাৰি ঠাকুৰে তেওঁৰ পিতৃয়ে চৰিত ৰচনা কৰাৰ কথা কতো উল্লেখ কৰা নাই। দ্বিতীয়তে চৰিত লিখিবৰ কাৰণে তেওঁৰ সন্মুখত কোনো আৰ্হি নথকাৰ বাবে গোবিন্দ আতৈৰ লগতে পিতৃৰ মুখেদি গুৰুদুজনাৰ বিষয়ে জানি লৈ চৰিত ৰচনা কৰা বুলি উল্লেখ কৰি গৈছে। সেয়ে পণ্ডিতসকলে ধাৰণা কৰে যে দৈত্যাৰিৰ পিতৃ ৰামচৰণ ঠাকুৰে কোনো চৰিত পুথি ৰচনা কৰা নাছিল। আনহাতে চৰিতখনিৰ ভাষাও ৰামচৰণ ঠাকুৰৰ অনুদিত ভক্তি-ৰত্নাকৰ আৰু অন্যান্য ৰচনাৰ দৰে পৰিপুষ্ট নহয়। সেয়ে দৈত্যাৰি ঠাকুৰে চৰিতৰ সমলৰ কাৰণে অন্যান্য সন্ত মহন্তৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল।

দৈত্যাৰি ঠাকুৰৰ প্ৰকাশভঙ্গী সাৱলীল আৰু পদবোৰ শুৱলা লয়যুক্ত। চৰিত সাহিত্যৰ ইতিহাসত দৈত্যাৰি ঠাকুৰৰ চৰিত্ৰখনিৰ গুৰুত্ব সৰ্বাধিক।

বৈকুণ্ঠ দ্বিজৰ দ্বাৰা প্ৰণীত 'সন্তমালা'ৰ বৰ্ণনা নিৰ্ভৰযোগ্য বুলি পণ্ডিতসকলে মতপ্ৰকাশ কৰিছে। চৰিতখনিত শংকৰ মাধৱ পুৰুষোত্তম-চতুৰ্ভুজ আদিৰ জীৱনৰ বিভিন্ন দিশ সামৰি লোৱা হৈছে। চৰিতখনি দৈত্যাৰি ঠাকুৰৰ চৰিতৰ প্ৰায় সমসাময়িক। মহেশ্বৰ নেওগে চৰিতখনি সপ্তদশ শতিকাৰ আগভাগৰ ৰচনা বুলিছে। তেওঁৰ মতে চতুৰ্ভুজ ঠাকুৰৰ মহাপ্ৰয়াসৰ পূৰ্বেই (১৬৪৮ খ্ৰী) চৰিতখনি ৰচনা কৰা হৈছিল।

চৰিতখনি স্বৰূপ অবয়বৰ আৰু ইয়াত কাল্পনিক কথাবস্তুৰ পয়োভৰ বিশেষ দেখা নাযায়।

সপ্তদশ শতিকাৰ আন এগৰাকী চৰিতকাৰ হ'ল শ্ৰীৰাম আতাৰ পুত্ৰ ৰামানন্দ দ্বিজ। তেও আতন বুঢ়াগোঁহাইৰ (১৬৪৮-৭৯) পৃষ্ঠপোষকতাত 'শংকৰদেৱ মাধৱদেৱ চৰিত ৰচনা কৰে। তেওঁ লগত 'ভবানীপুৰীয়া গোপাল আতাৰ চৰিতো ৰচনা কৰে।

কোচৰজা চন্দ্ৰনাৰায়ণৰ (১৬৪০ ৬০ খ্ৰী) ৰাজত্বকালত ৰামৰায়ে গুৰুলীলা ৰচনা কৰে। চৰিতখনিত দামোদৰদেৱ আৰু বৈকুণ্ঠনাথ ভট্টদেৱৰ জীৱনচৰিত বৰ্ণনা কৰা হৈছে। চৰিতখনৰ বৰ্ণনা সাৱলীল আৰু কবিত্বপূৰ্ণ।

ৰমানন্দ দ্বিজে 'বংশীগোপালদেৱৰ চৰিত ৰচনা কৰে। তেওঁ আছিল বংশীগোপালদেৱৰ শিষ্য। চৰিতখনিত গোপাল আতাই উজনি অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰোঁতে আহোম ৰজা আৰু অন্যান্য সম্প্ৰদায়ৰ লোকৰ পৰা কেনেধৰণৰ বাধা পাইছিল সেইবিষয়ে বিস্তৃত বৰ্ণনা পোৱা যায়।

দামোদৰদেৱৰ আজ্ঞাপৰ কায়স্থ মহন্ত মনোহৰৰ পৰিনাতি গোপালৰ দিনত নীলকণ্ঠদাসে দেৱদামোদৰ চৰিত্ৰ ৰচনা কৰে। গদাধৰ সিংহৰ দিনত মহন্ত নিগ্ৰহৰ ওপৰত গুৰুত্ব দি ভদ্ৰচাৰুৱে এখনি চৰিতপুথি ৰচনা কৰে। বিদ্যানন্দ ওজাই 'ঠাকুৰ চৰিত'ত শংকৰ মাধৱৰ চৰিতৰ সামান্য আভাস দি পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰৰ জীৱনৰ সম্যক আভাস দাঙি ধৰিছে। নীলকণ্ঠ দাসৰ পাছতেই শ্ৰীকৃষ্ণ মিশ্ৰয়ো এখনি 'দামোদৰ চৰিত ৰচনা কৰে।

এইবোৰৰ উপৰিও ৰামনাথৰ 'সন্ত মুক্তাৱলী জয়নাৰায়ণৰ 'ৰামগোপাল চৰিত ৰমাকান্ত দ্বিজৰ 'বনমালীদেৱৰ চৰিত অম্বৰীশ দ্বিজৰ কেশৱদেৱৰ চৰিত সৰ্বানন্দৰ গোপীনাথ ঠাকুৰদেৱৰ চৰিত অনিৰুদ্ধ দাসৰ 'গুৰু বৰ্ণনা শ্ৰীৰাম যদুমণিৰ গোপাল আতাৰ চৰিত্ৰ ৰমাকান্ত দ্বিজৰ 'বনমালী দেৱৰ চৰিত্ৰ ৰমানাথ মহন্তৰ 'সন্ত মুক্তাৱলী বিদানন্দ দেৱৰ 'অনিৰুদ্ধদেৱৰ চৰিত কৃষ্ণ ভাৰতীৰ 'সন্তনিৰ্ণয় বিদ্যানন্দ ওজাৰ 'ঠাকুৰ চৰিত ভদ্ৰচাৰু দাসৰ 'অনন্তৰায় চৰিত বনগএগিৰিৰ 'হৰিদেৱ চৰিত ভবানন্দ মিশ্ৰৰ গোবিন্দ চৰিত প্ৰভৃতি বিভিন্ন চৰিত পুথি পোৱা যায়।

বুৰঞ্জী সাহিত্য

'বুৰঞ্জী' টাই আহোম ভাষাৰ শব্দ। ইয়াৰ ব্যুৎপত্তিগত অৰ্থ হৈছে, 'মূৰ্খৰ শিক্ষাৰ ভঁৰাল'। আহোমসকলে বুৰঞ্জী সাহিত্যক বৰ শ্ৰদ্ধাৰ বস্তু বুলি ভাবিছিল। তেওঁলোকৰ দৃষ্টিত বুৰঞ্জী 'ৰজাৰ ৰহস্য পণ্ডিতৰ বাধা' মান্য পৰিহাস্য সম হয়। আহোমসকলৰ বিবাহ অনুষ্ঠানতো (চকলং) পাঠ কৰোৱা হৈছিল। সেই সময়ত বুৰঞ্জীক শিক্ষাৰ এটি প্ৰধান অংগ হিচাপে বিবেচনা কৰা হৈছিল।

ইংৰাজীত 'বুৰঞ্জী' শব্দৰ সমাৰ্থক তিনিটা শব্দ পোৱা গৈছে হিষ্ট্ৰি ক্লনিক্লচ্ আৰু আনেলচ্। অসমৰ বুৰঞ্জীসমূহ ভালদৰে পৰ্যবেক্ষণ কৰি চালে ইয়াক কোনোপধ্যেই 'হিষ্ট্ৰি' আখ্যা দিব নোৱাৰি। ড সূৰ্যকুমাৰ ভূঞাৰ মতেও এইবোৰ বুৰঞ্জী নহয় 'ক্লনিক্লচহে।'[৮] কিয়নো এইবোৰত ঘটনাৰ সময়ানুক্ৰমিক বৰ্ণনাহে আছে, কাৰ্য-কাৰণ নাইবা পৰিণতিৰ পৰ্যালোচনা ইয়াত অনুপস্থিত।[৯] সেইদৰে 'ইতিহাস' শব্দৰ সমাৰ্থক হিচাপেও বুৰঞ্জী শব্দ ব্যৱহাৰ কৰা দেখা যায়। 'ইতিহাস' সংস্কৃত শব্দ। উত্তৰ বৈদিক যুগত ইতিহাসক পঞ্চম বেদ আখ্যা দিয়া হৈছিল। অতীজৰ ইতিহাস শব্দৰ ধাৰণাটোও আজিতকৈ পৃথক আছিল। সেই সময়ত ধৰ্ম অৰ্থ-কাম মোক্ষ এই চতুৰ্বৰ্গৰ জ্ঞান দিব পৰা পুৰণি আখ্যান নাইবা কাহিনী মাত্ৰকে ইতিহাস আখ্যা দিয়া হৈছিল।[১] ইতিহাসত পুৰাণৰ অলৌকিকতা অবাস্তৱতা আৰু কল্পনায়ো ঠাই পায় আনহাতে বুৰঞ্জী হৈছে সম্পূৰ্ণ বাস্তৱধৰ্মী। গতিকে তত্ত্বগত দিশত উভয়ৰে মাজত অমিল পৰিলক্ষিত হয়।

বুৰঞ্জীসমূহ আহোমসকলৰ অসমীয়া সাহিত্যলৈ উল্লেখযোগ্য অৱদান। The remarkable series of historical works which forms the glory of Assamese Literature is no doubt due to the influence of the Ahoms [১১] ত্ৰয়োদশ শতিকাৰ আদিভাগত চুকাফাই পুৰণি কামৰূপত প্ৰবেশ কৰাৰ পৰাই বিভিন্ন ঘটনা লিপিবদ্ধ কৰিবলৈ লগত অহা দেওধাই-বাইলুঙক নিৰ্দেশ দিছিল।

---

৮ *Chronicle is a historical record chronologically arranged generally without discussion of causes or laws (New standard Dictionary Funk & Wagnall P 478)*

৯ *A register of facts and events in the order of time*

১ *ধৰ্মাৰ্থ কামমোক্ষানাম উপদেশসমন্বিতাম্।*
পূৰ্ববৃত্তকথাযুক্ত মিতিহাসং প্ৰচক্ষ্যতে। মহাভাৰত আদিপৰ্ব।

১১ *Linguistic Survey of India Vol II P 62*

অৱশ্যে প্ৰথম বুৰঞ্জী লেখা হৈছিল আহোম ভাষাতহে, পাছতহে ক্ৰমান্বয়ে স্থানীয় ভাষাত বুৰঞ্জীসমূহ লেখা হয়। স্থানীয় ভাষা অৰ্থাৎ থলুৱা অসমীয়া ভাষাত ৰচিত ভালেমান বুৰঞ্জী পোৱা গৈছে। অৱশ্যে দেশৰ ৰাজনৈতিক বিপৰ্যয় প্ৰাকৃতিক দুৰ্যোগ আৰু অন্যান্য আনুসংগিক কাৰণত অসমৰ বহুতো বহুমূলীয়া পুথি কালৰ বুকুত নিশ্চিহ্ন হৈ গ'ল। এতিয়ালৈকে উদ্ধাৰ হোৱা পুৰণি পুথিসমূহৰ ভিতৰত হেমচন্দ্ৰ গোস্বামী সম্পাদিত পুৰণি অসম বুৰঞ্জীখনি বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ পাছতেই বাহগড়ীয়া আতন বুঢ়াগোঁহাইৰ বুৰঞ্জীৰ কথা উল্লেখ কৰিব পাৰি। ইয়াৰে প্ৰথমখন ১৫১৬ শক (১৫৯৪ ইং)-ত আৰু দ্বিতীয়খন ১৬৯২ শক (বা ১৬৭০) ৰ ভিতৰত ৰচিত বুলি পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে মত প্ৰকাশ কৰিছে।

অসমীয়া কথা-সাহিত্যৰ বিৱৰ্তনৰ ইতিহাসতো বুৰঞ্জীৰ ভূমিকা কম নহয়। বুৰঞ্জীসমূহ হৈছে জনগণৰ দৈনন্দিন জীৱনৰ অনুগামী। সুনীতি কুমাৰ চট্টোপাধ্যায়েও বুৰঞ্জীৰ গদ্যত থলুৱা কাব্যৰূপৰ আভাস থকাৰ কথা স্বীকাৰ কৰিছে। বুৰঞ্জীৰ গদ্যৰীতি সৰল অথচ শক্তিশালী।

বুৰঞ্জীসমূহৰ গদ্য ব্যৱহাৰিক গদ্য। সেযেহে ইয়াৰ গুৰুত্ব অতি তাৎপৰ্যপূৰ্ণ

(ক) বুৰঞ্জী সাহিত্য অসমীয়া সাহিত্যলৈ আহোমসকলৰ একক আৰু অতুলনীয় অৱদান।

(খ) ই আহোম ৰাজত্বকালৰ ৰজাঘৰীয়া মানুহৰ লগতে সাধাৰণ মানুহৰ কথিত ভাষাৰ অনুগামী

(গ) বুৰঞ্জীয়ে সমসাময়িক জীৱনৰ ঘটনাবহুল চিত্ৰৰ লগতে দাঁতিকাষৰীয়া ৰাজ্যৰ জীৱনধাৰাৰো প্ৰতিনিধিত্ব কৰিছে।

অসম বুৰঞ্জীসমূহ সম্পূৰ্ণ বাস্তৱৰ অনুগামী। সেয়েহে ইয়াত আলৌকিকতাৰ স্থান নাই। সমসাময়িক সমাজৰ বিভিন্ন জনগণৰ আশা আকাঙ্খা অভিজ্ঞতা ৰুচি আৰু কথোপকথন ভংগীৰে বুৰঞ্জীসমূহ পৰিপূৰ্ণ। এইবোৰৰ লগত মানৱীয় আশা আকাঙ্খা আৰু আবেগ অনুভূতিৰ কলাত্মক সংযোগে বুৰঞ্জীসমূহৰ সুখপাঠ্য গুণ বৃদ্ধি কৰিছে। সেইবাবেই সূৰ্যকুমাৰ ভূঞাই লিখিছে 'বুৰঞ্জীৰ কথা শুকান হাৰ ছাল নহয় তাত ভাবৰ সমাবেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। সেই দেখি এই বুৰঞ্জীসমূহক বুৰঞ্জীৰ শাৰীৰ পৰা আনি বিশুদ্ধ সাহিত্যৰ অংগীভূত কৰা হৈছে। বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূৰ্ব সংগম বুৰিছ পূৰ্ব যুগৰ কোনো ভাৰতীয় সাহিত্যতে দেখিবলৈ পোৱা নাযায় বুলি ক'লেও সত্যৰ অপলাপ নহয়।

বুৰঞ্জীসমূহ সাধাৰণতে ৰাজমন্ত্ৰী নাইবা উচ্চ-পদস্থ বিষয়া-কৰ্মচাৰীসকলৰ তত্ত্বাৱধানত ৰচনা কৰা হৈছিল। ৰজাঘৰীয়া বিবিধ ৰাজকীয় পত্ৰ বিৱৰণ আদি গন্ধীয়া উঁৱালৰ পৰা বুৰঞ্জী ৰচনাৰ কামত ব্যৱহৃত হৈছিল। বুৰঞ্জী প্ৰণেতাসকলে এইসমূহ সমলক আলম হিচাপে লৈ ইয়াৰ লগতে নিজস্ব কল্পনাৰ সংযোগ ঘটাইছিল। ৰাজনৈতিক ঘটনাৰ শুকান বৰ্ণনাতে ব্যস্ত নাথাকি বুৰঞ্জী প্ৰণেতাসকলে বৰ্ণনাৰ মাজে মাজে বিভিন্ন উপকথা প্ৰবাদ আদিৰ সংযোগেৰে বুৰঞ্জীসমূহক অপূৰ্ব সাহিত্যিক আস্বাদ দান কৰিছে। গড়মা কুঁৱৰীৰ ৰোমাণ্টিক কাহিনী নাৱৰক গাভৰুৰ সাহস মূলা গাভৰুৰ বীৰত্বব্যঞ্জক অভিব্যক্তি লাচিত বৰফুকনৰ দেশপ্ৰেম আতন বুঢ়াগোহাঞিৰ ৰাজনৈতিক বিচক্ষণতা জয়মতী কুঁৱৰীৰ আত্মত্যাগ আদিৰ কাহিনীত অপূৰ্ব সাহিত্যিক আস্বাদ বৰ্তমান।

বুৰঞ্জীসমূহত ৰজা আৰু ৰাজবিষয়াসকলৰ লগতে সাধাৰণ মানুহৰ কথা-বতৰা আদিও প্ৰত্যক্ষ উক্তি হিচাপে ব্যৱহৃত হৈছে। সেইবোৰত সমসাময়িক সমাজৰ সামাজিক ধৰ্মীয় আৰু সাংস্কৃতিক দিশৰ আভাস স্পষ্ট।

নিৰপেক্ষ দৃষ্টিভংগী বুৰঞ্জীসমূহৰ আন এটা মন কৰিবলগীয়া বৈশিষ্ট্য। ৰজাঘৰৰ অনেক চেকা লগা কথাও বুৰঞ্জীৰ পৰা বাদ পৰা নাই। ইয়াৰ ভাষা সৰল একাৰ্থবোধক আৰু অতিৰঞ্জনহীন। বুৰঞ্জীৰ গদ্য সৰল পোনপটীয়া আৰু জঁতুৱা। একো একোটা চুটি বাক্যৰ সহায়ত লেখকৰ বক্তব্য উপস্থাপন কৰা হৈছে। ঠায়ে ঠায়ে প্ৰাচীন সাহিত্য অধ্যয়নৰ পৰিচয়ৰ লগতে প্ৰাচীন কাহিনীৰ পুনৰাবৃত্তিও লক্ষ্য কৰা যায়। উদাহৰণস্বৰূপে —

> *'ৰাজা দশৰথৰ মৃত্যু ভাৰ্য্যাৰ কাৰণ মহাপ্ৰভু শ্ৰীৰামৰ সন্তাপ সীতাৰ কাৰণ।*
>
> *'জৰাসন্ধ ভয়ে কৃষ্ণ সাগৰলৈ চায়, কাল যৱনক ভয়ে বিভঙ্গে পলায়।*
>
> ইত্যাদি।

প্ৰায়বোৰ বুৰঞ্জীতে টাই আহোম শব্দৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। আৰবী ফাৰ্চী আৰু উৰ্দু শব্দৰ প্ৰয়োগো ঠাই বিশেষে লক্ষ্য কৰা যায়। কিছুমান অপ্ৰচলিত খণ্ড বাক্য আৰু জতুৱা ঠাচৰ প্ৰয়োগে বুৰঞ্জীসমূহক অভিনৱত্ব প্ৰদান কৰিছে। বুৰঞ্জীত ব্যৱহৃত উপমা খণ্ডবাক্য আদিয়ে ইয়াৰ সাহিত্যিক সৌন্দৰ্য বৃদ্ধি কৰিছে। ঠায়ে ঠায়ে উপমা অনুপ্ৰাস যমক ৰূপক নিদৰ্শনা প্ৰভৃতি বিবিধ অলংকাৰৰ প্ৰয়োগে বুৰঞ্জীৰ গদ্যক

অনুপম সাহিত্য গুণেৰে সমৃদ্ধ কৰিছে। আধুনিক অৰ্থত বিজ্ঞানসম্মত ইতিহাস নহ'লেও বুৰঞ্জীসমূহত ইতিহাসৰ যথেষ্ট সমল সংৰক্ষিত হৈ আছে। গদ্য সাহিত্যৰ দিশৰ পৰাও বুৰঞ্জীসমূহৰ মূল্য অনস্বীকাৰ্য।

আহোম ৰজাসকলে অসমীয়া ভাষা ৰাজভাষা হিচাপে গ্ৰহণ কৰাৰ আগলৈকে আহোম লিপিতে বুৰঞ্জীসমূহ প্ৰণয়ন কৰা হৈছিল যদিও তেওঁলোকে অসমীয়া ভাষা গ্ৰহণ কৰাৰ পিছৰে পৰা অসমীয়া লিপিতেই বুৰঞ্জী ৰচিত হ'বলৈ ধৰে। বৰ্তমান প্ৰাপ্ত বুৰঞ্জীসমূহৰ ভিতৰত হেমচন্দ্ৰ গোস্বামী সম্পাদিত পুৰণি অসম বুৰঞ্জী খনেই অসমীয়া ভাষাত ৰচিত প্ৰাচীন বুৰঞ্জী বুলি অনুমান কৰা হৈছে।

বুৰঞ্জীসমূহ ঘটনাৰ নীৰস বৰ্ণনা নহয়। লেখকৰ বৰ্ণনাৰ চমৎকাৰিত্ব উপমাদি অলংকাৰ আৰু জতুৱা ঠাচৰ প্ৰয়োগে বুৰঞ্জীৰ গদ্যক ৰসাল কৰি তুলিছে। সূৰ্যকুমাৰ ভূঞাই সেয়েহে পাদশ্যাহ বুৰঞ্জী'ত উল্লেখ কৰিছে যে — 'বুৰঞ্জীৰ কথাখিনি শুকান হাড়-ছাল নহয় তাত ভাবৰ সমাবেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূৰ্ব ত্ৰিবেণী সংগম বুৰিছৰ পূৰ্ব কোনো ভাৰতীয় প্ৰাদেশিক সাহিত্যৰ দেখিবলৈ পোৱা নাযায় বুলি ক'লেও সত্যৰ অপলাপ নহয়।

অষ্টম অধ্যায়

শংকৰোত্তৰ যুগৰ কেইগৰাকীমান বিশিষ্ট লেখক

ৰামচৰণ ঠাকুৰ (১৫২১ - ১৬০০ খ্ৰীঃ) ঃ

মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰে সৰুৰে পৰা মোমায়েক মাধৱদেৱৰ লগত থাকি কাব্য ব্যাকৰণ আৰু কায়স্থিকা-বৃত্তি পঢ়াশুনা কৰি বিশেষ পাৰদৰ্শী হৈ উঠে। মাধৱদেৱ সুন্দৰীদিয়াত থাকোঁতে তেওক ভক্তি-ৰত্নাকৰ আৰু ভক্তি-ৰত্নাৱলী নিয়মীয়াকৈ পাঠ কৰিবলৈ দিয়াৰ লগতে পুথি নকল কৰাৰ কামতো নিযোগ কৰিছিল। পিছত মাধৱদেৱ কোচবেহাৰলৈ যোৱাত ৰামচৰণ ঠাকুৰো সুন্দৰীদিয়াৰ পৰা কোচবেহাৰলৈ যায়। তেতিয়া মাধৱদেৱে তেওক অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা কীৰ্ত্তনপুথিখনি সংগ্ৰহ কৰিবলৈ কয় আৰু ৰামচৰণ ঠাকুৰে এবছৰৰ ভিতৰতে কীৰ্ত্তনখনি সংগ্ৰহ কৰে।

ৰামচৰণ ঠাকুৰে 'কংসবধ নাট ৰচনা কৰে। নাটখনত শংকৰদেৱৰ নাটৰ প্ৰায় সকলো লক্ষণ পৰিস্ফূট হয়। ভাগৱত পুৰাণৰ ৩৭ ৪৫ অধ্যায়ৰ কাহিনীৰ আধাৰত 'কংসবধ নাটখন ৰচনা কৰা হৈছে। নাটখনিৰ আৰম্ভণিতে দুটি নান্দীশ্লোক সন্নিবিষ্ট কৰা হৈছে। নাটৰ মাজত সংযোজিত পাঁচোটি শ্লোকৰ ভিতৰত দুটি নাট্যকাৰৰ স্বৰচিত আৰু বাকী তিনিটি ভাগৱতপুৰাণৰ দশমস্কন্ধৰ পৰা চয়ন কৰা। নাটখনত সংযোজিত ভটিমা দুটি যথাক্ৰমে মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ ৰচনা। নাটখনত সন্নিবিষ্ট ১৬টা গীত আৰু পয়াৰে নাটখনিৰ কাব্যিক সৌন্দৰ্য বৃদ্ধিত সহায় কৰিছে।

ৰামচৰণ ঠাকুৰৰ অন্যান্য ৰচনাৰ ভিতৰত মহাপুৰুষ শংকৰদেৱৰ সংস্কৃত 'ভক্তি ৰত্নাকৰ'ৰ পদ ভাঙনি বিশেষভাবে উল্লেখযোগ্য। পুথিখনি ১০৩৮ টা পদত সম্পূৰ্ণ হৈছে। অৱশ্যে মূলৰ ৩৮ টা মাহাত্ম্যৰ ৩৫ টাৰ ভাঙনিহে তেও কৰিছে, বাকীকেইটা মাহাত্ম্য তেও বাদ দিছে। ঠাইবিশেষে শ্ৰীধৰী টীকাৰ সহায় লৈ ৰামচৰণ ঠাকুৰে মূলৰ কথাখিনি কিছু বহলাই ব্যাখ্যা কৰিছে। অসমৰ বৈষ্ণৱ সমাজত ভক্তি-ৰত্নাকৰ গ্ৰন্থখনিৰ জনপ্ৰিয়তা অতুলনীয়।

ৰামচৰণ ঠাকুৰে দুই এটি গীতো ৰচনা কৰিছিল। গতিকে নাট্যকাৰ গীতিকাৰ আৰু এগৰাকী সাৰ্থক অনুবাদক হিচাপে অসমীয়া সাহিত্যৰ ইতিহাসত ৰামচৰণ ঠাকুৰৰ নাম স্মৰণীয় হৈ ৰ'ব।

গোপাল আতা (১৫৪১ - ১৬১১ খ্ৰীঃ) ঃ

গোপাল আতাৰ জন্ম হয় ১৫৪১ খ্ৰীষ্টাব্দত। তেওঁৰ পিতৃ কামেশ্বৰ ভূঞা আৰু মাতৃ বজ্ৰাঙ্গী আই। কথাগুৰুচৰিতৰ মতে আতা গৰ্ভত থাকোঁতেই কামেশ্বৰ ভূঞাৰ বিয়োগ হোৱাত বজ্ৰাঙ্গী আইয়ে শদিয়াৰ ওচৰত কলিতা দেশৰ পৰা আহি গড়গাঁৱত থিতাপি লয়হি। পিছত তেও পুৰণি কামৰূপৰ সুন্দৰীদিয়ালৈ আহে। পিছত তেওঁ মাধৱদেৱৰ ওচৰত শৰণ লয় আৰু গুৰুৰ সান্নিধ্যত একান্তমনে হৰিভক্তিত আত্মনিয়োগ কৰে। মাধৱদেৱৰ অনুগামী বাৰজন ভক্তিপ্ৰাণ বৈষ্ণৱ ধৰ্মাচাৰ্যৰ ভিতৰত গোপাল আতাও এজন।

গোপাল আতাই কালঝাৰত সত্ৰ পাতে আৰু ভক্তিধৰ্ম প্ৰচাৰত দৃঢ়ভাবে মনোনিবেশ কৰে। পিছত ৰামচন্দ্ৰ আতা কৃষ্ণ আতা আৰু অনিৰুদ্ধ আতাই গোপাল আতাৰ ওচৰত শৰণ গ্ৰহণ কৰে আৰু বহুজন সন্তই তেওৰ আজ্ঞা লৈ নতুন নতুন সত্ৰ প্ৰতিষ্ঠা কৰে। গোপাল আতাৰ আজ্ঞাপৰ সত্ৰসমূহ কালসংহতি থূলৰ সত্ৰৰূপে পৰিচিত।

গোপাল আতাৰ নামত তিনিখন নাট পোৱা যায় জন্মযাত্ৰা নন্দোৎসৱ আৰু উদ্ধৱযান। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে 'জন্মযাত্ৰা আৰু নন্দোৎসৱ দুখন সুকীয়া নাট স্বৰূপে গণ্য নকৰি একেখন নাটৰে দুটা খণ্ড বুলি ধৰিব পাৰি। দুয়োখন নাট ৰচনাতে নাট্যকাৰে শংকৰদেৱৰ দশমৰ ওপৰত বিশেষভাবে নিৰ্ভৰ কৰিছে। জন্মযাত্ৰা নাটখনি এটি শ্লোকেৰে আৰম্ভ কৰা হৈছে যদিও ই নান্দীৰ সমপৰ্যায়ৰ নহয় আৰম্ভণিৰ ভটিমা আৰু মুক্তিমঙ্গল ভটিমাও নাটখনিত দেখা নাযায়।

'নন্দোৎসৱ'ত নাটকীয় সংঘাত নাই। নাটখনত গৰ্গমুনিৰ সৈতে নন্দৰাজৰ পুত্ৰৰ নামকৰণ সম্পৰ্কীয় কথোপকথনৰ লগতে গোপ গোপী আৰু বৃদ্ধলোকসকলে নৱজাতকক লৈ কৰা পঁচতিৰ উলহ মালহৰ বৰ্ণনা অতি আকৰ্ষণীয়ভাবে দাঙি ধৰা হৈছে। নাটখনত মুঠ চাৰিটা গীত সন্নিবিষ্ট কৰা হৈছে।

ভাগৱতপুৰাণৰ ৪৫ ৪৮ অধ্যায়ৰ বিষয়বস্তুৰ আধাৰত উদ্ধৱে গোপীসকললৈ মথুৰাৰ পৰা কটিয়াই অনা কৃষ্ণৰ সংবাদে নাটখনত প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। সত্যেন্দ্ৰনাথ শৰ্মাৰ ভাষাত — উদ্ধৱযান নাটখনত ৰচনাত দুটা প্ৰভাৱ লক্ষ্য কৰা যায়। শংকৰদেৱৰ 'দশম'ৰ গোপী-উদ্ধৱ সংবাদ অংশৰ বিৰহ-ব্যথাতুৰা গোপীৰ করুণ-

কোমল বৰ্ণনাৰ প্ৰভাৱ আৰু শংকৰ-মাধৱৰ গোপী বিৰহজ্ঞাপক বৰগীতসমূহৰ নাটত অন্তৰ্ভুক্তি ।[১] গোপী-উদ্ধৱ সংবাদ নাটকৰ কাৰ্য ঘটনাপ্ৰধান নহয় অনুভূতি প্ৰধানহে। নাটখনত সন্নিবিষ্ট প্ৰায় ২৫ টি গীতৰ অধিকাংশই মহাপুৰুষ দুজনাৰ ৰচনা। গীতিময়তা আৰু অনুভূতিশীল চৰিত্ৰৰ মানৱীয় কাৰ্য-কলাপে নাটখনিৰ সুষমা বৃদ্ধি কৰিছে।

নাট ৰচনাৰ লগে লগে পূৰ্বসুৰী মহাপুৰুষ দুজনাক অনুসৰণ কৰি গোপাল আতাই গীত ৰচনাতো মনোনিবেশ কৰিছিল। নাটকেইখনত সন্নিবিষ্ট গীতসমূহৰ বাহিৰেও তেওঁ ভালেমান গীত ৰচনা কৰিছিল। মহেশ্বৰ নেওগ সম্পাদিত 'ভক্তি গীত সংকলন'ত গোপাল আতাৰ দুকুৰি দুটা ঘোষা সংকলিত হৈছে। তেওঁৰ প্ৰায়বোৰ গীততেই কৃষ্ণভক্তিৰ মাহাত্ম্যই প্ৰাধান্য লাভ কৰিছে।

অনিৰুদ্ধদেৱ (১৫৫৩ - ১৬২৬) ঃ

ভবানীপুৰীয়া আতা গোপালদেৱৰ শিষ্য অনিৰুদ্ধদেৱৰ জন্ম হয় লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰৰ ওচৰত বিষ্ণু-বালিকুছি গাঁৱত। অৱশ্যে মায়ামৰা সম্প্ৰদায়ৰ আদিগুৰু অনিৰুদ্ধদেৱৰ বিষয়ে পৰ্যাপ্ত তথ্যপাতিৰ যথেষ্ট অভাৱ। কবিৰ আত্মপৰিচয়মূলক বৃতান্ত হিচাপে ভক্তি মঙ্গল ঘোষাত এনেদৰে উল্লেখ পোৱা যায়

'নাৰায়ণপুৰ বঙ্ক লোহিত উত্তৰে।
প্ৰচাৰিল গুণ যাৰ দিশ দিশান্তৰে।।
তাৰ মধ্যভাগ বুলি মাজৰ তালুক।
অতি বিতোপন থান দেখিয়া কৌতুক।।
তাৰ মধ্যে ভৈলা বালিকুছি নামে গ্ৰাম।
বিষ্ণু-বালিকুছি বুলি প্ৰচাৰিলা নাম।।
সেহি গ্ৰামে মহীপাল গোমস্তা আছিল।
পৰম পণ্ডিত আছিলেক ধৰ্মশীল।।

গঙ্গা নৰগিৰি নামে তাহাৰ তনুজ।
বংশৰ মধ্যত বান ভৈলন্ত অগ্ৰজ।।
সৰ্বক্ষণে মুখে হৰিনাম মুণ্ডচয়।
ভৈলা গোত্তা ডেকাগিৰি তাহাৰ তনয়।।

অনিৰুদ্ধ নাম ভৈলা তাহাৰ সন্ততি।
নাজানো শাস্ত্ৰক অতিশয় ক্ৰুৰমতি।।'

১। শৰ্মা সত্যেন্দ্ৰনাথ ঃ অসমীয়া নাট্য সাহিত্য পৃ ১৭।

'অনিৰুদ্ধই শাস্ত্ৰাদি অধ্যয়ন কৰি ভাগৱত ধৰ্মৰ প্ৰতি আকৃষ্ট হয় আৰু ভৱানীপুৰীয়া গোপাল আতাৰ ওচৰত শৰণ লয়। তেওঁৰ পিতৃদত্ত নাম আছিল 'হৰকণ্ঠগিৰি' আৰু গোপাল আতাৰ ওচৰত শৰণ লৈ তেওঁ 'অনিৰুদ্ধ' নামে খ্যাত হয়। পিছত তেও গুৰুৰ নিৰ্দেশ অনুসৰি বিষ্ণু-বালিকুছি সত্ৰ স্থাপন কৰে আৰু পিছত ডফলাৰ উপদ্ৰৱৰ কাৰণে নাহৰআটিলৈ সত্ৰ স্থানান্তৰ কৰে।

শংকৰোত্তৰ যুগৰ বৈষ্ণৱ কবিসকলৰ ভিতৰত অনিৰুদ্ধ দেৱৰ ভূমিকা গুৰুত্বপূৰ্ণ। তেও কেইবাখনো গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। সেইবোৰ হ'ল — (ক) ভক্তি মঙ্গল ঘোষা (খ) ভাগৱতৰ চতুৰ্থ স্কন্ধৰ অন্তৰ্গত পুৰঞ্জয় উপাখ্যান (গ) ভটিমা আৰু গীতৰ সংকলন গীতশাস্ত্ৰ আৰু (ঘ) ভাগৱতৰ সাৰ সংগ্ৰহ কৰি ৰচিত 'নিজশাস্ত্ৰ'।

অনিৰুদ্ধদেৱৰ ভক্তি মঙ্গল ঘোষাত আঠশ পাঁচটি ঘোষা সংকলিত হৈছে। ঘোষা খনিয়ে মায়ামৰা বৈষ্ণৱ সম্প্ৰদায়ৰ মূলভেটি নিৰ্মাণ কৰিছে। বিভিন্ন সংস্কৃত গ্ৰন্থ বিশেষকৈ পুৰাণ আৰু উপনিষদৰ সাৰ সংগ্ৰহ কৰি এই ঘোষাসমূহ ৰচনা কৰা হৈছে।

ভাগৱত পুৰাণৰ চতুৰ্থ স্কন্ধৰ বিষয়বস্তুৰ আধাৰত ৰচিত পুৰঞ্জয় উপাখ্যান নৱ বৈষ্ণৱ ভক্তিমাৰ্গৰ এখনি অতি উপাদেয় গ্ৰন্থ। 'নাৰায়ণৰ অক্লান্ত ভক্ত নাৰদৰ দ্বাৰা ভক্তিমাৰ্গৰ গূঢ়তত্ত্ব আৰু দেহতত্ত্বৰ প্ৰকাশ এইখনি শাস্ত্ৰৰ প্ৰধান বিষয়বস্তু। এই গ্ৰন্থখনি ৫৭৯ টা পদত সমাপ্ত আৰু ভাগৱতপুৰাণৰ শ্লোকসমূহৰ সুন্দৰ আৰু যথাৰ্থ ভাঙনি। গ্ৰন্থখনিত একশৰণ ভাগৱত ধৰ্মৰ মূলতত্ত্ব প্ৰকাশ পাইছে এনেদৰে

'যেন বৃক্ষমূলে জল ঢালে কোনোজন।
স্কন্ধ ডালপত্ৰ পুষ্প নোহে সচেতন।।
গোৰেত নেদিয়া জল দেই কোনো আগে।
গোৰেৰো নাপাৱে তাক গোৰতো নালাগে।।'

তেও ভাগৱত পুৰাণৰ পঞ্চম স্কন্ধৰ ভাঙনি সৰ্বমুঠ ৯৫০ টা পদত সম্পূৰ্ণ কৰিছে। মূল ভাগৱতৰ সকলো বিষয় সামৰি লৈ খণ্ডটি ভাঙনি কৰা হৈছে।

অনিৰুদ্ধদেৱৰ পদ্য গদ্য মিশ্ৰিত এখনি অতি গুৰুত্বপূৰ্ণ গ্ৰন্থ হ'ল 'নিজশাস্ত্ৰ'। গ্ৰন্থখনিৰ আৰম্ভণিতে শংকৰদেৱ মাধৱদেৱ আৰু ভকতসকলক নমস্কাৰ জনোৱা হৈছে। 'নিজশাস্ত্ৰ' মায়ামৰা সম্প্ৰদায়ৰ এখনি অতি গুপুত আৰু তত্ত্বপূৰ্ণ শাস্ত্ৰ।

অনিৰুদ্ধদেৱৰ গীতসমূহত কবিত্ব আৰু ভক্তিভাবৰ সমন্বয় সাধিত হৈছে। শংকৰোত্তৰ যুগৰ এগৰাকী শ্ৰেষ্ঠ কবি হিচাপে তেওঁৰ গীতসমূহত কবিত্ব পাণ্ডিত্য আৰু সাঙ্গীতিক সুষমাৰ সমন্বয় সাধিত হৈছে। মহেশ্বৰ নেওগৰ ভাষাত 'অনিৰুদ্ধদেৱৰ গীত এটি মহান ঐতিহ্যৰ বাহক। কবিতাৰূপে অনিৰুদ্ধদেৱৰ গীতখিনি সঁচাকৈয়ে বৰ উজ্জ্বল, প্ৰাণৱন্ত। শংকৰ-মাধৱৰ বৰগীতসমূহৰ দৰেই অনিৰুদ্ধদেৱৰ গীতসমূহতো এফালে কৃষ্ণৰ পৰম পুৰুষত্ব আৰু আনফালে মানৱী লীলাৰ মহিমা প্ৰকাশিত হৈছে।

তেওঁৰ দেহতত্ত্ব বিষয়ক গীতসমূহৰ ভিতৰত চাৰিটি গীত ৰূপকধৰ্মী। দুকুৰি ভটিমা আৰু নকুৰি দুটা গীতেৰে সমৃদ্ধ গীতশাস্ত্ৰ'ৰ সৰহভাগ গীততেই অনিৰুদ্ধদেৱৰ আত্মলাঘিমাৰ আদৰ্শনীয় ৰূপ ফুটি উঠিছে। তেওঁৰ গীতসমূহত মুঠ ছয়ত্ৰিশটি ৰাগৰ প্ৰয়োগ ঘটিছে।

পুৰুষোত্তম ঠাকুৰ (১৫৬১ - ১৬১৯) ঃ

শ্ৰীমন্ত শংকৰদেৱৰ ববনাতি পুৰুষোত্তম ঠাকুৰৰ জন্ম হয় বৰ'পটাৰ পাটবাউসীত। তেওঁৰ পিতৃ ৰামানন্দ ঠাকুৰ আৰু মাতৃ সিন্ধুমতী। সৰুতে পিতৃ বিয়োগ ঘটাত মাক সুমতি আৰু বুঢ়ীমাক কালিন্দী আইৰ তত্ত্বাৱধানত তেওঁ ডাঙৰ দীঘল হয়। অনিৰুদ্ধ দাসৰ গুৰু-বৰ্ণনা মতে সাতত্ৰিশ বছৰ বয়সত পুৰুষোত্তম ঠাকুৰ জনিয়ালৈ যায় আৰু তাতে থাকি বাৰজন মহন্ত পাতে। জনিয়াত ছবছৰমান থাকি তেওঁ কোচবেহাৰলৈ যায় আৰু তাতে ইহলীলা সম্বৰণ কৰে।

পুৰুষোত্তম ঠাকুৰে শংকৰদেৱৰ বাহিৰে আন কাকো গুৰু বুলি স্বীকাৰ কৰা নাছিল। ভূষণ দ্বিজৰ চৰিতপুথিত থকা উল্লেখ অনুসৰি তেওঁ শিষ্যসকলকো শংকৰৰ বাহিৰে আনক গুৰু নামানিবলৈ উপদেশ দিছিল

'শুনিয়ো ভকতসবে কহো সাৰে সাৰ।
শংকৰত বিনে গুৰু নেদেখিবা আৰ।।

পুৰুষোত্তম ঠাকুৰৰ প্ৰধান সাহিত্যকৃতি হ'ল 'ন ঘোষা'। পুথিখন প্ৰায় চাৰিশ পদৰ সমষ্টি। ইয়াৰ ভিতৰত প্ৰায় এশমান পদ বিভিন্ন সংস্কৃত শ্লোকৰ ভাঙনি।

'ন ঘোষা'ৰ বাহিৰেও পুৰুষোত্তম ঠাকুৰে ভালেমান গীত ৰচনা কৰিছিল। তেওঁৰ দ্বাৰা ৰচিত গীতৰ সংখ্যা প্ৰায় কুৰিটা। গীতসমূহত ভগৱৎ প্ৰেমৰ সুন্দৰ প্ৰকাশ ঘটিছে। এটি গীতত তেওঁ ককাক শংকৰদেৱক কৃষ্ণ অৱতাৰ স্বৰূপে বৰ্ণনা কৰিছে

'কৃষ্ণ গৈলা বৈকুণ্ঠে অধৰ্মে লৈলা ঠাই।
হেন কৃষ্ণদেৱ কৃপাময় যদুৰায়।।
আলিপুখুৰী কুসুম্বৰ ঘৰে যাই।
সত্যসন্ধ্যা উৰে জন্মিলা যদুৰায়।।
শ্ৰীমন্ত শংকৰ হেন নামক ধৰিলা।
সৎসঙ্গ পীৰিতে দেখাই লোক নিস্তাৰিলা।।

তেওঁৰ গীতত বিভিন্ন ৰাগৰ প্ৰয়োগ ঘটিছে। তাৰ ভিতৰত ভূপালী বসন্ত, বেলোৱাৰ ভটিয়লী আদিৰ উল্লেখ কৰিব পাৰি। তেওঁ পুৰুষ সংহতি'ৰ প্ৰবৰ্ত্তক।

বৰ যদুমণি (১৫৬৪ - ১৬৮১ খ্ৰীঃ) ঃ

কালসংহতিৰ প্ৰবৰ্ত্তক গোপাল আতাৰ অন্যতম শিষ্য বৰ যদুমণিদেৱে ভালেমান গীত নাট আৰু ঘোষা ৰচনা কৰি থৈ গৈছে। তেও বাৰ বছৰ কাল গোপাল আতাৰ লগত ভৱানীপুৰত কটায় আৰু পিছত বাঁহবাৰী সত্ৰ পাতি ধৰ্মপ্ৰচাৰত মনোনিবেশ কৰে। তেওঁ বাৰকুৰি গীত ৰচনা কৰিছিল বুলি জনা যায়। ইয়াৰে এশ ছয়ত্ৰিশটি গীত 'গীত মন্দাকিনী'ত সংকলিত হৈছে। তেওঁৰ গীতসমূহ সাঙ্গীতিক দিশৰ পৰা উচ্চ পৰ্যায়ৰ। যদুমণিদেৱৰ চৰিত্ৰত তেওঁ সাতকুৰি গীত কুৰিটি ঘোষা আৰু ঝুমুৰা ৰচনা কৰা বুলি উল্লেখ পোৱা যায় 'সাতকুৰি গীত ঘোষা ঝুমুৰা ৰচিলা।

বৰযদুমণিদেৱৰ 'ফল্গুযাত্ৰা নাট বিষয়বস্তুৰ ফালৰ পৰা অসমীয়া সাহিত্যত সম্পূৰ্ণ ব্যতিক্ৰম। নাটখনিৰ কাহিনীভাগৰ আধাৰ ভাগৱতপুৰাণ নহয় অৱশ্যে স্কন্দপুৰাণৰ উৎকল খণ্ডত থকা ফল্গুৎসৱ বা দৌলযাত্ৰাৰ বৰ্ণনাৰ সৈতে কাহিনীভাগৰ মিল পৰিলক্ষিত হয়। ভক্তিৰসেৰে সিক্ত এই নাটখনিত ৰাধা চৰিত্ৰৰ অৱতাৰণা মনকৰিবলগীয়া। অৱশ্যে ইয়াত ৰাধা এগৰাকী পৰম ভক্তৰূপত অৱতীৰ্ণ হৈছে।

তেওঁৰ কেৱলীয়া ঘোষা ভাব ভাষা আৰু সাহিত্যিক সুষমাৰ ফালৰ পৰা অতি মনোগ্ৰাহী ৰচনা। তেওঁৰ ঘোষাসমূহত নামঘোষাৰ অনুৰূপ গাম্ভীৰ্য উপলব্ধি কৰিব পাৰি। উদাহৰণ স্বৰূপে —

'বেদ শিৰোৰত্ন শাস্ত্ৰৰ সম্মতি হৰি হৰি হৰি হৰি এ
তযুপদ সেৱাৰসে আত্যন্তিক সুখ।
মায়াময় ইটো দেহ ধন জন হৰি হৰি হৰি হৰি এ
আকে পায়া তযু সেৱাতে ভৈল বিমুখ।। ইত্যাদি।

যদুমণিদেৱৰ ৰচনাত ভাব তন্ময়তা আৰু উপলব্ধিৰ গভীৰতা সততে অনুভূত হয়। তেওঁৰ গীতসমূহৰ আনুভূতিক সূক্ষ্মতা আৰু কাব্যিক গাম্ভীৰ্য মনকৰিবলগীয়া।

শ্ৰীৰাম আতা ঃ

গোবিন্দ মিশ্ৰৰ পুত্ৰ শ্ৰীৰাম আতা ভৱানীপুৰীয়া গোপাল আতাৰ শিষ্য আছিল। কিন্তু এই গোবিন্দ মিশ্ৰ পদগীতাৰ ৰচক গোবিন্দ মিশ্ৰৰ পৰা পৃথক।[২] নাৰায়ণদাস ঠাকুৰ আতাৰ পৰমাৰ্শমতে ৰাম আতা আৰু যদুমণিদেৱে ভক্তিধৰ্ম গ্ৰহণৰ ইচ্ছাৰে ভৱানীপুৰীয়া আতাক সাক্ষাত কৰে। পিছত আতাৰ ওচৰত বৈষ্ণৱ ধৰ্মত শৰণ লয় আৰু একান্তভাৱে ভক্তিধৰ্ম প্ৰচাৰত মনোনিৱেশ কৰে। পিছত তেওঁক কালঝাৰ সত্ৰত

২। শৰ্মা সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ ১৮৯।

ধৰ্মাচাৰ্য পদত অধিষ্ঠিত কৰা হয়। নতুন দায়িত্ব গ্ৰহণ কৰি ৰাম আতাই মহাপুৰুষ শংকৰদেৱৰ প্ৰৱৰ্ত্তিত নামধৰ্মৰ ভেটি সুদৃঢ় কৰি তোলাৰ বাবে অপৰিসীম চেষ্টা কৰে। ৰাম আতাৰ পত্নী যমুনা আৰু দুই পুত্ৰ যথাক্ৰমে বৰ আতা আৰু ৰামানন্দ।

শ্ৰীৰাম আতাই ভালেমান গীত আৰু ঘোষা ৰচনা কৰে। তেওঁৰ একমাত্ৰ নাট 'সুভদ্ৰা হৰণ'। নাটখনৰ কাহিনীভাগ ভাগৱত পুৰাণ আৰু মহাভাৰতত পোৱা যায়।

শংকৰদেৱৰ নাট্যৰীতি অনুসৰণ কৰি সুভদ্ৰা হৰণ নাটকতো প্ৰায় একুৰি সংস্কৃত শ্লোক সন্নিবিষ্ট কৰা হৈছে। তেওঁৰ নাটত নান্দীশ্লোক আৰু ভটিমাৰো প্ৰয়োগ কৰিছে। সুভদ্ৰাহৰণ নাটৰ কাহিনী বিন্যাসত শংকৰদেৱৰ ৰুক্মিণীহৰণ নাটৰ প্ৰভাৱ পৰা যেন অনুমান হয়। 'ৰুক্মিণীহৰণ নাটত হৰিদাস আৰু সুৰভি ভাটে নায়ক নায়িকাৰ অন্তৰত পূৰ্ব্বৰাগৰ সৃষ্টি কৰাৰ দৰে সুভদ্ৰা হৰণ নাটতো দেৱৰ্ষি নাৰদে দুটা ভটিমা গাই সুভদ্ৰা অৰ্জুনৰ অন্তৰত পূৰ্ব্বৰাগৰ জোঁৱাৰ তুলিছে। ৰামবিজয় নাটত ঋষি বিশ্বামিত্ৰই ৰামচন্দ্ৰৰ আগত জনকনন্দিনী সীতাৰ ৰূপ গুণৰ বৰ্ণনাৰে তেওৰ মন মিথিলামুখী কৰি তোলা আৰু সুভদ্ৰা হৰণত দেৱৰ্ষিয়ে সুভদ্ৰাৰ ৰূপৰ বৰ্ণনা দি বিজয়ক দ্বাৰকালৈ যাবলৈ বাধ্য কৰোৱাটো সমান্তৰাল ঘটনা। ছন্দৰ উপৰি শব্দ গাঁথনিৰ ক্ষেত্ৰতো মহাপুৰুষৰ সৈতে শ্ৰীৰাম আতাৰ ভটিমাৰ তিনিটাৰ ভালেখিনি সাদৃশ্য ধৰা পৰে।

শ্ৰীৰাম আতাৰ ঘোষাৰ পটল এখনি অভিনৱ ধৰণৰ প্ৰকৰণ গ্ৰন্থ। গ্ৰন্থখনিত বিভিন্ন বৈষ্ণৱী গ্ৰন্থৰ শ্লোক চয়ন কৰা হৈছে। গ্ৰন্থখনিৰ বিশেষত্ব এই যে বিভিন্ন বৈষ্ণৱ গ্ৰন্থসমূহৰ শ্লোকৰাজিৰ লগে লগে ইয়াত তাৰ অসমীয়া ভাঙনিও সন্নিবিষ্ট কৰা হৈছে। সেয়ে ভক্তি-ৰত্নাকৰ ভক্তি বিবেক আৰু শৰণ-সংহিতাৰ পৰা ঘোষা পটল গ্ৰন্থখনি ব্যতিক্ৰম।

'সুভদ্ৰা হৰণ নাটত সন্নিবিষ্ট উনৈশটা গীতৰ উপৰিও শ্ৰীৰাম আতাই ভালেসংখ্যক গীত ৰচনা কৰিছিল। বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত শ্ৰীৰামআতা আৰু ৰামানন্দদেৱৰ গীত'ত ৰাম আতাৰ মুঠ ৭৯ টা গীত সংকলিত হৈছে। তেওঁৰ গীতৰ বিষয়ে মন্তব্য প্ৰকাশ কৰি বিৰিঞ্চি কুমাৰ বৰুৱাই লিখিছে — 'বৰগীতৰ ঐতিহ্য বহনকাৰী এই গীতসমূহে এফালে যেনেকৈ মহাপুৰুষদ্বয়ে প্ৰবৰ্তন কৰা উচ্চাঙ্গ সঙ্গীতৰ ধাৰা অব্যাহত ৰাখিলে আনপিনে তেনেকৈ ভক্তিধৰ্মৰ প্ৰচাৰ আৰু সমাদৰ বঢ়োৱাত অসাধ্য সাধন কৰি গৈছে।'[4]

শ্ৰীৰাম আতাই ভগৱান শ্ৰীকৃষ্ণৰ জীৱনৰ বিবিধ লীলা প্ৰকাশক ভালেমান গীত ৰচনা কৰিছে। যেনে —

৩। দাস, নাৰায়ণ (সম্পা): সুভদ্ৰা হৰণ, ভূমিকা।

৪। বৰুৱা বিৰিঞ্চিকুমাৰ (সম্পা.): শ্ৰীৰাম আতা আৰু ৰামানন্দদেৱৰ গীত ভূমিকা পৃ ১৬।

'উঠ চল কানু বাপ বে ঠকুৰ বোলে যশোমতী আই।
সেৰি তনুমন নয়ন জুৰাইবো তেৰি চান্দ মুখ চাই।। (গীত নং — ৩)

'আহে মোহন কানু বেণু বজাই।
পাৰে নেপুৰ আগে ধেনু চলাই।।' (গীত নং — ১৩)

গীতসমূহত প্ৰয়োগ কৰা বিবিধ ৰাগে শ্ৰীৰাম আতাৰ সঙ্গীত শাস্ত্ৰত থকা বুৎপত্তিৰ কথা সোঁৰৰাই দিয়ে। আনকি মহাপুৰুষ দুজনাই ৰচনা নকৰা মুলতান আৰু সাৰেং ৰাগৰ গীতো তেওঁ ৰচনা কৰে। তেওঁৰ গীতত মহাপুৰুষ শংকৰদেৱ মাধৱদেৱৰ লগতে সংস্কৃত কবি জয়দেৱৰ গীত গোবিন্দৰো প্ৰভাৱ লক্ষ্য কৰা যায়।

ভাগৱত মিশ্ৰ ঃ

ভাগৱত মিশ্ৰই 'বিষ্ণু পুৰাণ' আৰু 'সাত্বত তন্ত্ৰ'ৰ ভাঙনি কৰিছিল। বিষ্ণু পুৰাণৰ ভাঙনিত এওঁ দামোদৰ দেৱক মোৰ নিজ গুৰু বুলি উল্লেখ কৰিছে। 'সাত্বত তন্ত্ৰ'ত তেও গোবিন্দপুৰ সত্ৰৰ ভাগৱতী বুলি পৰিচয় দিছে। গুৰুৰ আদেশমতে তেওঁ গোবিন্দপুৰ সত্ৰত 'ভাগৱত শাস্ত্ৰ' ব্যাখ্যা কৰিছিল। শৰৎচন্দ্ৰ গোস্বামীয়ে ভাগৱত মিশ্ৰৰ আন নাম ৰঘুনাথ মিশ্ৰ বুলি উল্লেখ কৰিছে। 'সাত্বত তন্ত্ৰ' বা 'নাৰদ পঞ্চৰাত্ৰ' এখনি বৈষ্ণৱ তন্ত্ৰ আৰু এই তন্ত্ৰখনি নটা পটলত বিভক্ত। গ্ৰন্থখনি কবিয়ে ৩৭৬ টা পদত অসমীয়ালৈ ভাঙনি কৰি উলিয়াইছে। 'বিষ্ণু পুৰাণ'ৰ যমপুৰীৰ বৰ্ণনা অতি সুন্দৰ আৰু আকৰ্ষণীয়।

গোবিন্দ মিশ্ৰ ঃ

শ্ৰীমদ্ভাগৱত গীতাৰ ৰচয়িতা গোবিন্দ মিশ্ৰক শৰৎচন্দ্ৰ গোস্বামীয়ে ভাগৱত মিশ্ৰৰ কনিষ্ঠ ভ্ৰাতৃ বুলি উল্লেখ কৰিছে। ভক্তি-বিবেকৰ পদ ভাঙনিত গোবিন্দ মিশ্ৰই ভট্টদেৱক ইষ্টগুৰু ৰূপে প্ৰণাম জনাইছে

'শুনা সাধু সন্তসব কৰি এক মন।
দামোদৰ পাদপদ্ম মধু কৰি পান।।
ইষ্টদেৱ ভাগৱত ভট্টাচাৰ্য দেৱ।
জাহাৰ উপাধি আউৰ কৰি বহু সেৱ।।
তাহাৰ ৰচিত গ্ৰন্থ ভকতি বিবেক।
শ্লোক ভাঙি পদছন্দে কৰিলো প্ৰত্যেক।।'

পুথিখনত গোবিন্দ মিশ্রই ভট্টদেৱক ইষ্টদেৱ বুলি স্মৰণ কৰা বাবে মহেশ্বৰ নেওগে তেওঁক বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ শিষ্য বুলি সিদ্ধান্ত কৰিছে।[৫] কিন্তু সত্যেন্দ্রনাথ শৰ্মাই গোবিন্দ মিশ্রৰ পূৰ্বপুৰুষসকল হৰিদেৱী শাখাৰ লগত সম্পৰ্ক থকাৰ গুণে কবিজনাই ইষ্টগুৰু বুলি উল্লেখ কৰিলেও ভট্টদেৱৰ শিষ্যত্ব গ্ৰহণ কৰা কথাটো গ্ৰহণ কৰিবলৈ টান পাইছে।[৬] কাৰণ ইষ্টদেৱ শব্দটো মান্যাৰ্থতো ব্যৱহাৰ হ'ব পাৰে।

'ভক্তি বিবেক' কবিৰ আগবয়সৰ অনুবাদকৰ্ম বুলি পণ্ডিতসকলে অনুমান কৰিছে। শ্ৰীমদ্ভক্তিবিবেক বৈকুণ্ঠনাথ ভট্টাচাৰ্যই বিভিন্ন শাস্ত্ৰৰ সাৰ সংগ্ৰহ কৰি প্ৰণয়ন কৰা এখনি ভক্তিমূলক দৰ্শন গ্ৰন্থ। ভট্টদেৱৰ প্ৰতি শ্ৰদ্ধাৰ চিনস্বৰূপে কবিয়ে এই গ্ৰন্থখনি অসমীয়ালৈ ভাঙনি কৰে। কবিয়ে মূল পুথিৰ প্ৰতিটো শ্লোকৰ টীকা ভাষ্য আদিৰ সৰল আৰু চমু ভাঙনি কৰিছে।

তেওঁৰ শ্ৰীমদ্ভগৱদগীতা'ৰ বিভিন্ন টীকাৰ আশ্ৰয় লৈ গ্ৰন্থখনিৰ সৰল আৰু প্ৰাঞ্জল অসমীয়া ভাঙনি কৰিছে। 'কবিৰ মতে তেওঁ শাঙ্কৰী (শঙ্কৰাচাৰ্যৰ) ভাস্কৰী মত আলোচনা কৰি হনুমন্তী টীকা আনন্দগিৰি আৰু স্বামীৰ (শ্ৰীধৰ স্বামীৰ) টীকা বিচাৰ কৰি নিজা বুদ্ধি অনুসৰি গীতাৰ পদ ৰচনা কৰিছে। তেওঁৰ গীতাৰ ব্যাখ্যা সংস্কৃত টীকা অনুসৃত যদিও অসমীয়া বৈষ্ণৱসকলৰ উপযোগী কৰি ভক্তিধৰ্মৰ প্ৰাধান্য দেখুৱাই গ্ৰন্থখনি ৰচনা কৰা হৈছে। গীতাৰ দৰে এখনি জটিল দাৰ্শনিক তত্ত্বপূৰ্ণ গ্ৰন্থ অসমীয়ালৈ ভাঙনি কৰাটোৱে কবিৰ অসাধাৰণ সৃজনী প্ৰতিভাৰ কথাই সোঁৱৰাই দিয়ে। গ্ৰন্থখনিত পাণ্ডিত্য আৰু ভক্তিৰ মনোৰম সমন্বয় সাধিত হৈছে।

ভাগৱতাচাৰ্য ঃ

পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে ভাগৱতাচাৰ্যক মহাপুৰুষ হৰিদেৱৰ শিষ্য আৰু হৰিমিশ্ৰৰ পুত্ৰ বুলি উল্লেখ কৰিছে। তেওঁৰ দ্বাৰা ৰচিত 'কথাসূত্ৰ'ৰ আৰম্ভণিতে কবিয়ে লিখিছে

'নমো নমো হৰি দেৱ ভক্ত কল্পতৰু।
পতিত পাৱন কৃষ্ণ মোৰ নিজ গুৰু।।
পৰম আৰাধ্য দেৱ কৃপাৰ সাগৰ।
তুৱা পদ কমলত মোৰ নমস্কাৰ।।

গোস্বামীয়ে এই স্তৱকৰ নিৰ্ভৰ কৰিয়েই ভাগৱতাচাৰ্যক হৰিদেৱৰ শিষ্য বুলিছে। 'কথা সূত্ৰ' 'সাত্বত তন্ত্ৰ' আৰু গীতাসাৰ — এই গ্ৰন্থকেইখনি ভাগৱতাচাৰ্যৰ ৰচনা

৫। নেওগ মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃ ১৫৮।
৬। শৰ্মা সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ ইতিবৃত্ত পৃ ১৫৮।

বুলি সত্যেন্দ্ৰনাথ শৰ্মাই উল্লেখ কৰিছে। কিন্তু দৰাচলতে সাত্বত তন্ত্ৰৰ ৰচয়িতা ভাগৱত মিশ্ৰহে। ভাগৱতাচাৰ্য কোনোপধ্যেই সাত্বত তন্ত্ৰৰ ৰচয়িতা নহয়। আনহাতে কথা-সূত্ৰৰ এটি স্তবকৰ ওপৰত নিৰ্ভৰ কৰি তেওঁ গীতা-সাৰ ৰচনা কৰা বুলি কোৱা হৈছে যদিও তেনে কোনো গ্ৰন্থ এতিয়ালৈকে পোৱা হোৱা নাই। সেয়ে কেৱল 'কথা-সূত্ৰ'হে ভাগৱতাচাৰ্যৰ প্ৰামান্য গ্ৰন্থ বুলি পণ্ডিতসকলে মতপোষণ কৰিছে।

গোপাল মিশ্ৰ ঃ

দামোদৰদেৱে শৰণ দিয়া বাৰজন ধৰ্মাচাৰ্যৰ ভিতৰত অন্যতম হ'ল গোপাল মিশ্ৰ। এওঁ ঘোষাৰত্ন পুথি ৰচনা কৰিছিল। পুথিখনিৰ আৰম্ভণিতে কবিয়ে দামোদৰদেৱৰ প্ৰতি প্ৰণাম জনাইছে

'জয় জয় কৃষ্ণ দামোদেৱ তুমি কল্পতৰু ভকতৰ
শৰণ পশিলোঁ তনু পাদপদ্মে আমি।

দেৱদামোদৰ চৰিত'ৰ উল্লেখৰ পৰা জনা যায় যে গোপালমিশ্ৰ কবিৰত্নৰ সমসাময়িক আছিল আৰু দুয়ো দামোদৰদেৱৰ পৰা ভাগৱত শিক্ষা লাভ কৰিছিল। গোপাল মিশ্ৰই গুৰুৰ আজ্ঞা লৈ প্ৰথমে উলুবাড়ীত সত্ৰ পাতে আৰু পিছত ভায়েক অনন্ত মিশ্ৰক উক্ত সত্ৰৰ ভাৰ অৰ্পন কৰি খুদিয়াত নতুনকৈ সত্ৰ প্ৰতিষ্ঠা কৰি ধৰ্মপ্ৰচাৰত মনোনিবেশ কৰে।

গোপাল মিশ্ৰৰ ঘোষাৰত্ন এখনি তত্বপূৰ্ণ গ্ৰন্থ। কবিয়ে নানা পুৰাণ সংহিতা গীতা আদিৰ পৰা বিষয় সংগ্ৰহ কৰি নৱবিধ ভক্তিৰ লগতে শৰণ ভজন আদিৰ মাহাত্ম্যৰ কথা বৰ্ণনা কৰিছে। গ্ৰন্থখনিত কবিৰ পাণ্ডিত্য ব্যক্তিত্ব আৰু ভক্তিপ্ৰাণ হৃদয়ৰ পৰিচয় স্পষ্ট হৈ উঠিছে।

শংকৰোত্তৰ যুগৰ প্ৰধান অনুবাদকসকল

শ্ৰীহৰিদাস ঃ

শ্ৰীহৰিদাসৰ জন্ম হয় হাজোৰ নিকটৱৰ্তী কৃষ্ণপুৰত। শ্ৰীহৰিদাসে যাদৱেন্দ্ৰ পুৰী নামৰ এগৰাকী ব্ৰাহ্মণৰ ওচৰত গীতা ভাগৱত প্ৰভৃতি শাস্ত্ৰ অধ্যয়ন কৰিছিল। তেওঁ অতি কম বয়সতে সঙ্গীত বিদ্যাতো পাৰদৰ্শিতা লাভ কৰিছিল। তেওঁৰ পিতৃ এগৰাকী বিষ্ণুভক্ত সদাগৰ আছিল আৰু হৰিদাসেও পিতৃৰ পদাঙ্ক অনুসৰণ কৰি ব্যৱসায়ত আত্মনিয়োগ কৰিছিল। এনেদৰে ব্যৱসায় সংক্ৰান্ত কামত ঘূৰি ফুৰোঁতে চাৰেঙ্গী বৰঘাটত

তেওঁৰ শ্ৰীবংশীগোপালদেৱৰ সৈতে ভেটাভেটি হয় আৰু তেওঁৰ সৈতে হোৱা আধ্যাত্মিক আলাপ-আলোচনাই শ্ৰীহৰিদাসক বিষ্ণুভক্তিৰ প্ৰতি আগ্ৰহী কৰি তোলে। পিছত তেওঁ পাটবাউসীলৈ আহি দামোদৰদেৱৰ চৰণত শৰণ লৈ ধৰ্মীয় জীৱনৰ পাতনি মেলে। পিছত তেওঁ পাটবাউসী সত্ৰৰ পাঠক পদত অধিষ্ঠিত হয়। এই সত্ৰত থাকিয়েই শ্ৰীহৰিদাসে সাহিত্যকৰ্মত আত্মনিয়োগ কৰে।

কোচৰজা পৰীক্ষিত নাৰায়ণৰ আদেশ অনুসৰি দামোদৰদেৱ বিজয় নগৰলৈ যোৱাৰ সময়ত শ্ৰীহৰিদাসৰ ওপৰতেই পাটবাউসী সত্ৰৰ গুৰুদায়িত্ব অৰ্পন কৰি যোৱা বুলি ৰামৰায়ে গুৰুলীলা'ত উল্লেখ কৰিছে

'প্ৰভু দামোদৰ হৰি আতোক বোলন্ত।
তুমি বৃদ্ধ বৈষ্ণৱ পৰম বুদ্ধিমন্ত।।
সত্ৰখনি পালিবাহা মোহোৰ যে মত।
ৰাজাৰ চেষ্টাকে বুলিবাহা ভাল যত।

হৰিদাসে 'ভক্তি-ৰত্নাকৰ গ্ৰন্থখনি সম্পূৰ্ণৰূপে ভাঙনি কৰে। ইয়াৰ আগতে ৰামচৰণ ঠাকুৰে 'ভক্তি-ৰত্নাকৰ ভাঙনি কৰিছিল যদিও সম্পূৰ্ণ ভাঙনি কৰা নাছিল। পাটবাউসী সত্ৰৰ পাঠক পদত অধিষ্ঠিত হৈ তেও ভাগৱত পুৰাণৰ অনুবাদ কৰ্মত আত্মনিয়োগ কৰিছিল। শ্ৰীহৰিদাসে ভাগৱত পুৰাণৰ তৃতীয় আৰু পঞ্চম স্কন্ধৰ পদ-ভাঙনি কৰে। তৃতীয় স্কন্ধটি মুঠ ৩৩টা অধ্যায়ত বিভক্ত আৰু কবিয়ে শ্ৰীধৰ স্বামীৰ টীকাৰ সহায়ত মূলৰ যথাযথ অনুবাদ কৰিছে। মুঠ ১২২০ টা পদত তেও তৃতীয় স্কন্ধৰ অনুবাদ সম্পন্ন কৰিছে। তেওৰ আগতে মহাপুৰুষ শংকৰদেৱ আৰু গোপালচৰণ দ্বিজে তৃতীয়স্কন্ধৰ ভাঙনি কৰিছিল।

পঞ্চমস্কন্ধ ভাগৱত ২৬ টা অধ্যায়ৰ সমষ্টি। অধ্যায়টো অনুবাদত গদ্য আৰু ছন্দ উভয়ৰে সহায় লোৱা হৈছে। ভাগৱত পুৰাণৰ দ্বিতীয় স্কন্ধৰ অনুবাদকসকল হ'ল অনিৰুদ্ধদেৱ অনিৰুদ্ধ কায়স্থ আৰু শ্ৰীহৰিদাস পাঠক। কবিয়ে 'গুৰুৰ চৰণ মনে শিৰোগত কৰি পঞ্চম স্কন্ধ অনুবাদৰ আৰম্ভণিতে বৰ্ণনীয় বিষয়ৰ আভাস দাঙি ধৰিছে এনেদৰে

পঞ্চমৰ ছয়ধিক কুৰি অধ্যায়ত।
কৰিলন্ত থানমন লক্ষণ ৰেকত।।
বিংশতিত কৈলা মহে মণ্ডলৰ মান।
তৃতীয় অধ্যায়ে জ্যোতিচক্ৰ যেন থান।।
আৰু তৃতীয়ত অতলাদিৰ ব্যৱস্থা।
এহিমানে পঞ্চম স্কন্ধৰ সবে কথা।।

শ্ৰীহৰিদাসৰ পঞ্চম স্কন্ধ ভাগৱতৰ অনুবাদ সম্পৰ্কে মন্তব্য কৰি সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে — 'অসমীয়া কবি হৰিদাসে গোটেইবোৰ অধ্যায়ৰ কথা অলপো বাদ নিদি বিভিন্ন ছন্দত সহজভাৱে বৰ্ণনা কৰিছে। কঠিন বস্তুকো কোমল আৰু সহজবোধ্য কৰি প্ৰকাশ কৰাৰ ক্ষমতা কবিয়ে প্ৰদৰ্শন কৰিছে। 'ভৱাটবী বৰ্ণন'ৰ দৰে কঠিন ৰূপকাত্মক আৰু তত্ত্বপ্ৰধান অংশক অসমীয়া কবিয়ে প্ৰাঞ্জলভাৱে প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে। পঞ্চমস্কন্ধৰ গদ্যাংশ যথেষ্ট কঠিন। সেইখিনিও সহজ-সৰল অসমীয়া পদলৈ নিব পৰাটো লেখকৰ পাণ্ডিত্য আৰু কবিত্বৰ পৰিচায়ক।'[৭]

পঞ্চম স্কন্ধটি মুঠ ১১৮৭ টা পদত সম্পূৰ্ণ হৈছে। তেওঁ ভালেমান ভক্তিমূলক গীতো ৰচনা কৰিছিল।

গোপালচৰণ দ্বিজ ঃ

গোপালচৰণ দ্বিজ শংকৰোত্তৰ কালছোৱাৰ এগৰাকী উল্লেখযোগ্য লেখক। মহেশ্বৰ নেওগ আৰু সত্যেন্দ্ৰনাথ শৰ্মাই তেওঁক শংকৰদেৱৰ শিষ্য হ'ব পাৰে বুলি ধাৰণাপ্ৰকাশ কৰিছে। গোপালচৰণে তেওঁৰ ৰচনাৰ একাধিক ঠাইত মহাপুৰুষ শঙ্কৰদেৱক সশ্ৰদ্ধ সোঁৱৰণ কৰিছে

'কৃষ্ণৰ একান্ত নিষ্ঠ শ্ৰীমন্ত শঙ্কৰ শিষ্ট
কামৰূপে ভৈলন্ত বেকত।
লোকৰ চিন্তিয়া হিত পাষণ্ডক দমি নিত
প্ৰচাৰিলা ভক্তি ৰঙ্গ যত।।
নানা শাস্ত্ৰ প্ৰচাৰিয়া ভকতিক প্ৰকাশিয়া
আমাক দিলাহা চক্ষুদান।
কোটি কোটি কল্প যদি উপকাৰ কৰি অতি
তভো ঋণ শুজা নাযায় তান।।'[৮]

তেও শঙ্কৰদেৱৰ 'ভক্তি-ৰত্নাকৰ'ৰ ভাঙনি কৰিছিল যদিও ক'তো শঙ্কৰদেৱৰ শিষ্য বুলি পোনপটীয়াকৈ উল্লেখ কৰা নাই। গোপালচৰণে তৃতীয়স্কন্ধ ভাগৱতৰ ভাঙনিত উল্লেখ কৰিছে যে তেও দামোদৰদেৱৰ কোচবেহাৰৰ বৈকুণ্ঠপুৰ সত্ৰত থাকি বৈষ্ণৱসকলৰ নিৰ্দেশক্ৰমে উক্ত স্কন্ধ ৰচনা কৰে। গোপালচৰণে ভাগৱতৰ পদ ভাঙনি কৰোঁতে শঙ্কৰদেৱৰ দৰেই শ্ৰীধৰ স্বামীৰ টীকাৰ সহায় লৈছে। তেওঁ তৃতীয় স্কন্ধৰ সাংখ্যদৰ্শন সৃষ্টিতত্ত্ব মৈত্ৰেয় বিদুৰ সংবাদ আদিৰ দাৰ্শনিক বিৱৰণসমূহ সফলভাৱে অনুবাদ কৰিছে।

৭। শৰ্মা সত্যেন্দ্ৰনাথ শ্ৰীহৰিদাসৰ পঞ্চম স্কন্ধ ভাগৱত আগকথা পৃ ১৫৮।
৮। দত্তবৰুৱা হৰিনাৰায়ণ (সম্পা) শ্ৰীমদ্ভাগৱত পদ ১৯ ৩।

গোপালচৰণ শঙ্কৰদেৱ আৰু দামোদৰদেৱ দুয়োজনৰ প্ৰতিয়েই শ্ৰদ্ধাশীল আছিল যদিও এজনৰো শিষ্যত্ব গ্ৰহণ কৰা নাছিল। তেওঁ দামোদৰদেৱৰ শিষ্য বংশীগোপালদেৱ অথবা বলদেৱৰ কোনো এজনৰ শিষ্য আছিল যেন অনুমান হয়। তেও হৰিবংশৰ এঠাইত লিখিছে।

গোপালে গুৰুৰ পাৱে প্ৰণামিয়া।
বলদেৱ বাক্য শিৰে ধৰিয়া যতনে।।
ইষ্ট দেৱতাৰ দুই ধৰিয়া চৰণে।
পদচয় ভণে দ্বিজ গোপালচৰণে।।'

ইয়াত গোপাল শব্দই বংশীগোপালক বুজোৱা বুলি ধাৰণা কৰিব পাৰি। আনহাতে 'ভক্তি-ৰত্নাকৰ'ৰ ভাঙনিতো তেওঁ 'বংশীগোপাল গুৰুৰ পাদপদ্মক সদয়ে হৰি পদৰচনাত আত্মনিয়োগ কৰিছে। সত্যেন্দ্ৰনাথ শৰ্মাই গোপালচৰণক ষোড়শ শতাব্দীৰ শেষ আৰু সপ্তদশ শতাব্দীৰ প্ৰথমাৰ্দ্ধৰ মাজৰ লোক বুলি মত প্ৰকাশ কৰিছে।[১]

গোপালচৰণ দ্বিজে ভাগৱতৰ তৃতীয় আৰু অষ্টমস্কন্ধৰ পদ ভাঙনি কৰাৰ লগতে হৰিবংশৰো কিছু অংশৰ পদ ভাঙনি কৰিছিল। আনহাতে তেও শঙ্কৰদেৱৰ 'ভক্তি ৰত্নাকৰ'ৰো গদ্য ভাঙনি কৰিছিল।

অষ্টম স্কন্ধ ভাগৱতৰ সম্পূৰ্ণ ভাঙনি গোপালচৰণে কৰা নাই। প্ৰথম একাংশৰ মাত্ৰ ৩৯৭ টা পদহে ভাঙনি কৰিছে। এই স্কন্ধৰ গ্ৰাহ গজেন্দ্ৰৰ আখ্যানভাগ তেও বহলাই বৰ্ণনা কৰিছে।

হৰিবংশ অনুবাদ কৰোঁতে তেও বিষ্ণু পুৰাণ আৰু ভাগৱত পুৰাণৰ কথাবস্তুও সংযোজন কৰিছে। ইয়াৰ অন্তৰ্গত পাৰিজাত হৰণ'ৰ কাহিনী অংশ বৰ্ণনা কৰোঁতে কবি শংকৰদেৱৰ পাৰিজাত হৰণ নাটৰ দ্বাৰা প্ৰভাবান্বিত হৈছে।

শঙ্কৰদেৱৰ 'ভক্তি-ৰত্নাকৰ'ৰ পদ ভাঙনি কৰিছিল ৰামচৰণ ঠাকুৰ আৰু শ্ৰীহৰিদাসে আনহাতে গোপালচৰণে ইয়াৰ কথাৰূপ প্ৰদান কৰিছিল। মহেশ্বৰ নেওগে গোপালচৰণৰ গদ্য ভাঙনি সম্পৰ্কে উল্লেখ কৰি লিখিছে

'গোপালচৰণৰ ভাঙনি বৰ সুন্দৰ তেওঁৰ ভাষা বৈকুণ্ঠনাথে কবিৰত্নতকৈ সৰল আৰু প্ৰাঞ্জল গতিকে পদ্যৰ কাব্যিক গঠনতকৈ প্ৰকৃত গদ্যৰ কিঞ্চিত অধিক নিকটবৰ্তী।'[১]

প্ৰকৃতপক্ষে গোপালচৰণেই ভট্টদেৱৰ পিছত অসমীয়া গদ্যৰ দ্বিতীয়গৰাকী স্ৰষ্টা। তেও শ্লোকসমূহৰ ভাঙনি কৰোঁতে কিছু আগপিছা কৰিছে যদিও মূঠ শ্লোক আৰু

১। শৰ্মা সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ ইতিবৃত্ত পৃ ১৬৪।
১ । নেওগ মহেশ্বৰ অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃ ১৪৩।

মাহাত্ম্যৰ কোনো পৰিবৰ্তন কৰা নাই। এই সম্পৰ্কে 'কথা ভক্তি-ৰত্নাকৰ'ৰ সম্পাদক নবীনচন্দ্ৰ গোস্বামীয়ে লিখিছে

গোপালচৰণৰ প্ৰধান চেষ্টা যিমান পাৰি সংক্ষেপতে অনুবাদ কৰা তৰ্কৰ মেৰপাক মেলিবলৈ তেওঁ তেনে চেষ্টা কৰা নাই। কেতিয়াবা কথাৰ সাৰাংশ বা ভাৱমাত্ৰ প্ৰকাশ কৰিয়েই গোপালচৰণ সন্তুষ্ট।'[১১]

কেশৱ কায়স্থ ○

কেশৱ কায়স্থ শংকৰদেৱৰ সতীয়া ভায়েক বনগঞাগিৰিৰ নাতি আছিল। ককাক বনগঞাগিৰিয়ে শংকৰদেৱত শৰণ লোৱা নাছিল কিন্তু কেশৱ কায়স্থ আছিল শঙ্কৰদেৱৰ পৰম ভক্ত। কবিয়ে আত্মপৰিচয় প্ৰসঙ্গত ভাগৱতৰ নৱম স্কন্ধৰ এনেদৰে লিখিছে

'শ্ৰীমন্ত শঙ্কৰ যিটো নামত কায়স্থ সিটো
পৰম পণ্ডিত গুণশীল।
নানা যত্নে দীৰ্ঘ ছন্দে ভাগৱত পদবন্ধে
যথাযত্নে ৰচনা কৰিল।।
লোকৰ নিস্তাৰ হেতু বান্ধিলন্ত ধৰ্মসেতু
যাৰ কীৰ্ত্তি গৈল বহু থান।
ব্ৰাহ্মণ পৰম গুৰু তান সম হৈবে কোন
সন্তজনে কৰে যাক মান
তাহান ভ্ৰাতৃৰ নাতি যদিবা আমাক বোলে
তথাপিতো তাহান কিঙ্কৰ।
কায় বাক্যমনে মই তাহান দাসৰো দাস
বুলিলোহো মই দৃঢ়তৰ।।'[১২]

সত্যেন্দ্ৰনাথ শৰ্মাই তেওঁক সপ্তদশ শতিকাৰ শেষাৰ্দ্ধৰ লোক বুলি সিদ্ধান্ত কৰিছে।[১৩] আনহাতে মহেশ্বৰ নেওগে ধাৰণা কৰে যে শঙ্কৰদেৱৰ মৃত্যুৰ অব্যৱহিত পিছতে কবিয়ে ভাগৱতৰ অনুবাদৰ কাম সম্পন্ন কৰে।[১৪] উভয় পণ্ডিতৰ মত পৰ্যবেক্ষণ কৰি কবিক খৃষ্টীয় সোতৰ শতিকাৰ প্ৰথমাৰ্দ্ধৰ কবি বুলি কব পৰা যায়।

ভাগৱত পুৰাণৰ অনুবাদকসকলৰ ভিতৰত কেশৱ কায়স্থ অন্যতম। তেওঁ ভাগৱতৰ সপ্তম আৰু নৱম স্কন্ধ সম্পূৰ্ণকৈ অনুবাদ কৰাৰ লগতে অষ্টম স্কন্ধৰ প্ৰথমৰ

১১। গোস্বামী নবীনচন্দ্ৰ (সম্পা)ঃ কথা-ভক্তি ৰত্নাকৰ ভূমিকা, পৃ ১৫।
১২। দত্তবৰুৱা হৰিনাৰায়ণ (সম্পা) শ্ৰীমদ্ভাগৱত নৱম স্কন্ধ পদ ১০২৪৬-৪৯।
১৩। শৰ্মা সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ ইতিবৃত্ত পৃ ১৬৫।
১৪। নেওগ মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃ ১৬ ।

পৰা চতুৰ্থ অধ্যায়লৈ পদ ভাঙনি কৰে। সপ্তম স্কন্ধৰ হিৰণ্যকশিপু আৰু প্ৰহ্লাদৰ কাহিনীভাগ তেওঁৰ আগতে মহাপুৰুষ শঙ্কৰদেৱে 'কীৰ্ত্তন-ঘোষা'ত অতি সুন্দৰভাবে বৰ্ণনা কৰিছে। অষ্টম স্কন্ধৰ অনুবাদত তেওঁ শংকৰদেৱে অনুবাদ কৰা অংশ বাদ দি মৎস্য অৱতাৰৰ বৰ্ণনা দিছে। নৱম স্কন্ধটি মুঠ ১৩০৬ টা পদত সমাপ্ত হৈছে। এই স্কন্ধৰ অনুবাদত কবিয়ে ভাগৱত পুৰাণৰ উপৰিও আন আন পুৰাণৰ কথাবস্তু সংযোগ কৰিছে। কেশৱচৰণৰ ৰচনাত সাৱলীলতা আৰু বৰ্ণনাত ধাৰাবাহিকতা লক্ষ্য কৰা যায়।

অনিৰুদ্ধ কায়স্থ :

অনিৰুদ্ধ কায়স্থই ভাগৱতপুৰাণৰ দ্বিতীয় আৰু পঞ্চম স্কন্ধৰ অনুবাদ কৰিছিল। তেও মাধৱদেৱৰ বৈমাত্ৰেয় ভ্ৰাতা দামোদৰৰ নাতি আছিল। তেও ভাগৱতৰ পঞ্চম স্কন্ধৰ আৰম্ভণিতে আত্ম পৰিচয় প্ৰদান কৰি এনেদৰে লিখিছে

'আছিলা মাধৱদাস তান মুখ্য শিষ্য।
পৰম বৈষ্ণৱ সদা পণ্ডিত বিশিষ্ট।।
নকৰিলা বিহা কৰি ইন্দ্ৰিয় নিগ্ৰহ।
সম্বন্ধত আমাৰ কনিষ্ঠ পিতামহ।।

অনিৰুদ্ধ কায়স্থ কোচৰজা ৰঘুদেৱৰ সমসাময়িক আছিল আৰু তেওৰ উৎসাহতে পঞ্চম স্কন্ধ ৰচনা কৰিছিল। দ্বিতীয় স্কন্ধৰ অনুবাদতো কবিয়ে ৰঘুদেৱক প্ৰশংসা কৰিছে। কিন্তু তেওঁৰ পূৰ্বেই শঙ্কৰদেৱে দ্বিতীয় স্কন্ধৰ ভাঙনি কৰাত অনিৰুদ্ধৰ এই স্কন্ধটো ভক্ত সমাজত বৰ জনপ্ৰিয় নহ'ল।

অনিৰুদ্ধ কায়স্থই ভাগৱতৰ পঞ্চম স্কন্ধলৈ মুঠ ৮৬৭ টা পদত ভাঙনি কৰিছে। তেওৰ ৰচনাত ভাবৰ সাৱলীলতা লক্ষ্য কৰা যায়। তেও আছিল একেধাৰে কবি আৰু দাৰ্শনিক।

বিষ্ণুভাৰতী :

বিষ্ণুভাৰতীয়ে ভাগৱতৰ চতুৰ্থ স্কন্ধৰ বিষয়বস্তুৰ আধাৰত ধ্ৰুৱ চৰিত্ৰ আৰু 'ভাগৱত ৰত্ন' নামেৰে দুখনি পুথি ৰচনা কৰে। ৰমানন্দ দ্বিজৰ 'বংশীগোপালদেৱৰ চৰিত'ৰ ওপৰত ভিত্তি কৰি মহেশ্বৰ নেওগে বিষ্ণুভাৰতীক ৰমানন্দ দ্বিজৰ পিতামহ বুলি অনুমান কৰিছে।[১৫]

বিষ্ণুভাৰতীয়ে ভাগৱত পুৰাণৰ চতুৰ্থ স্কন্ধৰ অষ্টমৰ পৰা দ্বাদশ অধ্যায়লৈকে অনুবাদ কৰে। তেওঁৰ নামত 'ভাগৱত ৰত্ন' নামৰ আন এখনি পুথিও পোৱা যায়।

১৫। নেওগ মহেশ্বৰ : অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃ ১৬৫।

গ্ৰন্থখনি দ্বাদশ স্কন্ধ ভাগৱতৰ সাৰস্বৰূপ আৰু ভাগৱত আচাৰ্যৰ 'ভাগৱত কথাসূত্ৰ'ৰ সমপৰ্যায়ৰ। গ্ৰন্থৰ আৰম্ভণিতে কবিয়ে শ্ৰীধৰ স্বামীৰ টীকা মাহাত্ম্যৰ প্ৰশংসা কৰি স্বামীৰ ঋণ স্বীকাৰ কৰিছে। মহেশ্বৰ নেওগে 'ভাগৱত ৰত্ন'ৰ ৰচক বিষ্ণু ভাৰতী আৰু প্ৰহ্লাদ চৰিত্ৰৰ ৰচক বিষ্ণু ভাৰতীক দুজন পৃথক ব্যক্তি[১৬] বুলি মতপোষণ কৰাৰ বিপৰীতে সত্যেন্দ্ৰনাথ শৰ্মাই দুয়োখন গ্ৰন্থৰ ৰচয়িতা এজনেই বুলি সিদ্ধান্ত কৰিছে।[১৭]

কলাপচন্দ্ৰ দ্বিজ ঃ

পুৰণি অসমীয়া সাহিত্যৰ বুৰঞ্জীত কলাপচন্দ্ৰ নামৰ দুজন কবি পোৱা যায়। ইয়াৰে এজনে ভাগৱতৰ চতুৰ্থ স্কন্ধৰ অন্তৰ্গত 'সতীৰ চৰিত্ৰ' আৰু 'পৃথুৰ চৰিত্ৰ' অনুবাদ কৰে। আনজন কলাপচন্দ্ৰই 'ৰাধাৰ চৰিত'নামৰ এখনি সৰু কাব্যপুথি ৰচনা কৰে আৰু নিজকে ৰাম সৰস্বতীৰ পুত্ৰ বুলি পৰিচয় দিয়ে। ভাগৱতৰ অনুবাদক কলাপচন্দ্ৰই নিজক 'কৃষ্ণৰ কিঙ্কৰ' বুলি পৰিচয় দিছে আৰু 'নৃপতিৰ চূড়ামণি' ৰজা নৰনাৰায়ণৰ গুণানুকীৰ্ত্তন কৰিছে।

'কলাপচন্দ্ৰৰ ৰাধা বিদ্যাপতি চণ্ডীদাস নাইবা ব্ৰহ্মবৈৱৰ্তপুৰাণ'ৰ পৰকীয়া প্ৰেমত মত্তা কামচঞ্চলা যুৱতী নহয়। তেওঁ কৃষ্ণ-ভক্তিত তদগতচিত্তা ভক্তা। কৃষ্ণৰ মুখত ৰাধাৰ প্ৰশংসা শুনি ঈৰ্ষান্বিতা ৰুক্মিণীয়ে যেতিয়া উদ্ধৱক বৃন্দাবনলৈ ৰাধাক চাবৰ কাৰণে পঠাই দিয়ে তেতিয়া উদ্ধৱে গৈ দেখা পালে

'আচেন্ত আসনে বসি ৰাধিকা গোসানী।
সদায়ে নছাড়ে মুখে ৰামকৃষ্ণ বাণী।।
কিঞ্চিতো নাহিকে শোভা তান শৰীৰত।
নাহি শ্ৰুতিজ্ঞান আৰু ৰাধাৰ দেহত।।
নাহি গাত মাংস অস্থি চৰ্মমাত্ৰ সাৰ।
দেখিলা উদ্ধৱে হেন অৱস্থা ৰাধাৰ।"[১৮]

ৰাধাৰ এই গৰিমামণ্ডিত ৰূপ শ্ৰীকৃষ্ণকীৰ্ত্তন অথবা গীত গোবিন্দৰ ৰতি-কাতৰ ৰাধাতকৈ সম্পূৰ্ণ পৃথক আৰু কবিৰ মৌলিক কল্পনাৰ পৰা উদ্ভূত সম্পূৰ্ণ পৃথক ৰূপ। ইয়াত ৰাধা শ্ৰীকৃষ্ণৰ এগৰাকী পৰম ভক্তা।

কলাপচন্দ্ৰই ভাগৱতপুৰাণৰ চতুৰ্থ স্কন্ধৰ তৃতীয় অধ্যায়ৰ পৰা দশম অধ্যায়ৰ কাহিনীৰ আধাৰত ২২৯ টা পদত 'সতীৰ চৰিত্ৰ' আৰু উক্ত স্কন্ধৰে তেৰৰ পৰা তেইশ

১৬। নেওগ মহেশ্বৰ প্ৰাগুক্ত পৃ ১৬৫।
১৭। শৰ্মা সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ ইতিবৃত্ত পৃ ১৬৩।
১৮। শৰ্মা সত্যেন্দ্ৰনাথ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ ১৬২ ১৬৩।

অধ্যায়লৈ ৬৪০ টা পদত পৃথুৰ চৰিত্ৰ ভাঙনি কৰিছে। কলাপচন্দ্ৰৰ অনুবাদৰীতি সৰল আৰু সাৱলীল।

জয়ৰাম ঃ

জয়ৰাম কায়স্থবংশীয় লোক আছিল আৰু কবিয়ে নিজকে গোপালচৰণ দাস বুলি পৰিচয় দিছে। হৰিনাৰায়ণ দত্তবৰুৱাই তেওঁক খুদীয়াসত্ৰৰ গোপালমিশ্ৰৰ সৈতে একেজন ব্যক্তি বুলি ভাবে।[১৯] গোপাল মিশ্ৰ দামোদৰদেৱৰ শিষ্য আৰু তেওঁৰ ঘোষাৰত্ন প্ৰণয়ন কৰিছিল। কিন্তু ভাগৱতপুৰাণৰ অনুবাদৰ সৈতে তেওঁ জৰিত নাছিল। গতিকে দত্তবৰুৱাৰ এইমত গ্ৰহণযোগ্য নহয়।

জয়ৰামে ভাগৱতৰ চতুৰ্থ স্কন্ধৰ প্ৰথম দুটা অধ্যায় ২২২ টা পদত ভাঙনি কৰিছে। তেওঁৰ অনুবাদ মূলৰ অনুগামী বুলি কবিৰ উল্লেখৰ পৰাই অনুমান কৰিব পাৰি

'যদি কৰা অসঙ্গত আমাৰ কথাত।
টীকা ভাষ্য সমে ভাগৱত সাক্ষাত।। '[২০]

মহাভাৰতৰ অনুবাদকসকল

গোপীনাথ পাঠক ঃ

ৰামসৰস্বতীৰ পুত্ৰ গোপীনাথ পাঠকে শংকৰোত্তৰ কালছোৱাৰ মহাভাৰতৰ অনুবাদসকলৰ ভিতৰত মুখ্য স্থান লাভ কৰিছে। মহাভাৰতৰ অনুবাদকাৰ্যত তেওঁ পিতাকক বিশেষভাবে সহায় কৰিছিল। মহাভাৰতৰ দ্ৰোণপৰ্বৰ অনুবাদত কবিয়ে আত্ম পৰিচয় প্ৰদান কৰিছে। এনেদৰে

পাটচৌবা নামে আছে এক গ্ৰাম
চিনাকোনা নাম যাৰ।
অতি বিতোপন সৰ্ব সুসম্পন্ন
দুই যেন স্বৰ্ণ হাৰ।।
সেহি গ্ৰামেশ্বৰ মহাদেশঙ্কৰ
ভীমসেন দ্বিজবৰ।

১৯। দত্তবৰুৱা হৰিনাৰায়ণ (সম্পা) ঃ শ্ৰীমদ্ভাগৱত পাতনি পৃ ছ-ঙ।
২০। দত্তবৰুৱা হৰিনাৰায়ণ (সম্পা) ঃ শ্ৰীমদ্ভাগৱত চতুৰ্থ স্কন্ধ পদ ২১২৭।

যাৰ যশৰাশি অদ্যাপি প্ৰকাশি
যেন পূৰ্ণ শশধৰ।।

তাহান সন্ততি ৰাম সৰস্বতী
পাঠক শুক্লধ্বজৰ।
যেন শুক গুৰু অঙ্গিৰা তুম্বৰু
আনো নাহি পটন্তৰ।।
তাহানে তনয় আতি শিশু নয়
গোপীনাথ দ্বিজবৰে।
হ্ৰস্ব দীৰ্ঘ ছন্দে ৰচিলা প্ৰবন্ধে
কথা মহাভাৰতৰে।।[21]

গতিকে দেখা যায় যে পিতৃৰ পিছতেই গোপীনাথ পাঠকেও ৰজাঘৰীয়া পাঠকৰ পদ লাভ কৰিছিল আৰু পিছত দৰঙী ৰজা ধৰ্মনাৰায়ণৰো সভাকবি ৰূপে স্থান লাভ কৰিবলৈ সক্ষম হৈছিল।

মহাভাৰতৰ সভা আৰু দ্ৰোণপৰ্বৰ অনুবাদত গোপীনাথ পাঠকে পিতাক ৰাম সৰস্বতীক সহায় কৰিছে আৰু মহাভাৰতৰ স্বৰ্গাৰোহন পৰ্বৰ অনুবাদ তেওঁ এককভাবে কৰিছে। পিতাক ৰাম সৰস্বতীৰ সৈতে যুটীয়াকৈ ভাঙনি কৰা মহাভাৰতৰ সভাপৰ্বই কবিৰ প্ৰথম ৰচনা। এই পৰ্বৰ মুঠ ১০৭৩ টা পদৰ ভিতৰত ৮১২ ৰ পৰা ১০৭৩ লৈ মুঠ ২৬১ টা পদ গোপীনাথ পাঠকৰ আৰু আৰম্ভণিৰ পৰা ৮১১ নং পদলৈ ৰাম সৰস্বতীৰ ৰচনা। অৱশ্যে ইযাত অনিৰুদ্ধ নামত ভণিতা থকালৈ চাই পুথিখনি ৰাম সৰস্বতী উপাধি লাভ কৰাৰ আগতেই ৰচনা কৰা বুলি ধাৰণা জন্মে। মহাভাৰতৰ দ্ৰোণপৰ্বটি দৰঙী ৰজা ধৰ্মনাৰাযণৰ পৃষ্ঠপোষকতাত ৰচনা কৰা হৈছে। এই পৰ্বটিৰ মুঠ পদসংখ্যা ৪৫০১ টা। এই পৰ্বটিৰ অধিকাংশ পদেই গোপীনাথ পাঠকৰ ৰচনা। আৰম্ভণিৰ পৰা কৌৰৱৰ হাতত অভিমন্যুৰ কৰুণ মৃত্যু আৰু পাণ্ডৱকলৰ শোকাকুল অৱস্থাৰ বৰ্ণনালৈকে এই সমস্ত অধ্যায় গোপীনাথ পাঠকৰ ৰচনা। পুত্ৰহন্তা জয়দ্ৰথক বধ কৰিবলৈ অৰ্জুনৰ প্ৰতিজ্ঞা আৰু অৱশেষত বিভিন্ন বাধা অতিক্ৰম কৰি অৰ্জুনৰ দ্বাৰা জয়দ্ৰথ বধৰ পিছত অশ্বত্থামাৰ মৃত্যুত দ্ৰোণৰ শোকলৈকে এই অধ্যায়কেইটা গোপীনাথ পাঠকে ৰচনা কৰিছে। ইয়াৰ পৰবৰ্ত্তী দুটিমান অধ্যায়ত দামোদৰ দাসৰ ভণিতা পোৱা যায়। গতিকে এই পৰ্বটি মুঠ তিনিজন কবিৰ সম্মিলিত প্ৰচেষ্টাত সম্পন্ন হৈছে।

২১। গোস্বামী হেমচন্দ্ৰ (সম্পা) অসমীয়া সাহিত্যৰ চানেকি পৃ ১৬৩।

গোপীনাথ পাঠকে মহাভাৰতৰ মহাপ্ৰস্থানিক পৰ্ব আৰু স্বৰ্গাৰোহন পৰ্ব অনুবাদকৰ্ম এককভাবে সম্পন্ন কৰে। এই কাব্য ৰচনাৰ প্ৰধান পৃষ্ঠপোষক আছিল দৰঙী ৰজা ধৰ্মনাৰায়ণ কবিয়ে এইকথা কৃতজ্ঞতাসহ উল্লেখ কৰিছে

'স্বভাৱে মহন্তসৱ কৃপাৰ সাগৰ।
একোকালে তাৰা দোষ নধৰে মুৰ্খৰ।।
শুনি ধৰ্মনাৰায়ণে বুলিলা বচন।
ভাৰতৰ কথাক বুলিলা বিৱৰণ।।'

অৱশ্যে স্বৰ্গাৰোহন পৰ্বৰ অনুবাদত কবিয়ে নাৰদীয় পুৰাণৰো সহায় লোৱাৰ কথা উল্লেখ কৰিছে। দ্ৰোণ পৰ্বৰ যুদ্ধৰ বৰ্ণনাংশত কবিয়ে স্বকীয় কল্পনা আৰু সৃজনীপ্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। পৰিবেশ ৰচনাতো কবিয়ে পিতাকৰ দৰেই লোকজীৱনৰ সৈতে থকা নিবিড় পৰিচয়ৰ স্বাক্ষৰ দাঙি ধৰিবলৈ সক্ষম হৈছে। 'দৰঙী ৰাজসভাৰ কবিসকলৰ ভিতৰত ৰাম সৰস্বতীৰ পিছতেই গোপীনাথ পাঠকৰ স্থান। মহেশ্বৰ নেওগে গোপীনাথ পাঠকক 'ৰাম সৰস্বতীৰ সুযোগ্য পুত্ৰ আৰু সমকক্ষ বুলি মতপ্ৰকাশ কৰিছে।'[২২]

দামোদৰ দ্বিজ ঃ

মহাভাৰতৰ অনুবাদকৰ্মত আত্মনিয়োগ কৰা দৰঙী ৰাজসভাৰ কবিসকলৰ ভিতৰত ৰামসৰস্বতীৰ এগৰাকী বিশিষ্ট সহযোগী আছিল দামোদৰ দ্বিজ। কবিয়ে মহাৰাজ মকৰধ্বজৰ অনুৰোধক্ৰমে মহাভাৰতৰ শল্যপৰ্বৰ ভাঙনি কৰে। এই পৰ্বৰ এঠাইত আত্মপৰিচয় প্ৰদান কৰি কবিয়ে লিখিছে

'ব্ৰাহ্মণৰ ঠাই জন্ম আছো পাই
সংস্কাৰে ভৈলো দ্বিজ।
কৃষ্ণৰ চৰণে ভকতি নুপজে
এৰিলো স্বধৰ্ম নিজ।।

তাহান ৰাজ্যত থাকি বিৰচিলোঁ
শল্য নৃপতিৰ বধ।
বিপ্ৰ দামোদৰ কহে নিৰন্তৰ
চিত্ত সাৱধান কৰি।

২২। নেওগ মহেশ্বৰ ঃ প্ৰাগুক্ত পৃ ২০১।

আপুনিও তৰা পুৰুষ উদ্ধৰা
ডাকি বোলা হৰি হৰি।।[২৩]

মহাভাৰতৰ শল্যপৰ্ব কবিৰ একক ৰচনা। এই পৰ্বৰ আৰম্ভণিতেই কবিয়ে ধৰ্মনাৰায়ণ ৰজাৰ নাম উল্লেখ কৰিছে আৰু শল্যপৰ্বৰ অনুবাদ মকৰধ্বজৰ পৃষ্ঠপোষকতাত কৰা বুলি স্বীকাৰ কৰিছে

ধৰ্মনাৰায়ণ ৰঘুদেৱৰ সন্তান।
পৰম সুন্দৰ ধীৰ সৰ্ব ৰসজ্ঞান।।

মকৰধ্বজ নাৰায়ণ তাহাৰ সন্ততি।
পিতৃ পৰলোকে গৈলা নিয়ন্তা সমনে।
পাতিলা নৃপতি পাছে স্বৰ্গনাৰায়ণে।।

তাহান ৰাজ্যত থাকি বিপ্ৰ দামোদৰ।
ৰচিবো পয়াৰ শল্য পৰ্ব ভাৰতৰ।। ইত্যাদি।

মহাভাৰতৰ এই পৰ্বটি কবিয়ে মাত্ৰ তিনিটা অধ্যায়ত সম্পূৰ্ণ কৰিছে। কাব্যখনত কৌৰৱ আৰু পাণ্ডৱৰ মাজত সংঘটিত যুদ্ধৰ বৰ্ণনা অতি সুন্দৰ আৰু চিত্ত চমৎকাৰী উদাহৰণ স্বৰূপে —

'ৰথৰ চক্ৰৰ শব্দ অতি ৰৰ
পদাতি হস্তীৰ আস্ফালে।
পক্ষ শৰদৰ হস্তীৰ গৰ্জন
কৰ্ণয় মাৰয় তোলে।।
চতুৰঙ্গ দল ৰথৰ শৰদে
শংখৰ সংহাৰ ধ্বনি।
শুনি অসংখ্যাত পৰিয়া নিৰ্ঘাত
নাদয় যেন মেদিনী।।
ধনুৰ টঙ্কাৰে কৰে নিৰন্তৰ
খড়্গ কৰে চিকিমিকি।
দিশ বিদিশ একোৰে নজানি
সুবৰ্ণ কবচ কান্তি।।

২৩। গোস্বামী হেমচন্দ্ৰ (সম্পা) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭৫৫।

বাসুকী সত্ৰাস দেখন্তে হৰিষ
অলংকাৰে সব সজ।
বীৰ বাহচয় পৰিয়া আছয়
যেহেন ইন্দ্ৰৰ ধ্বজ।। ইত্যাদি।

কাব্যৰ ৰস পৰিণতিৰ প্ৰতি লক্ষ্য ৰাখি উপযুক্ত পৰিবেশ সৃষ্টিতো কবিয়ে স্বকীয় সৃজনী প্ৰতিভা আৰু কল্পনা নৈপুণ্যৰ পৰিচয় দিবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে কৰ্ণৰ মৃত্যুৰ পাছত কৌৰৱ শিবিৰত বিৰাজ কৰা পৰিবেশ পৰিস্থিতিৰ বৰ্ণনা দাঙি ধৰিছে এনেদৰে

'কৰ্ণ পৰিবাৰ দেখি তজু পুত্ৰজত।
মহাভয়ে তাসম্বাৰ বুদ্ধি ভৈলা হত।।
নৌকা জানে বুৰে যেন বনিজসকল।
অগাধ জলত জেন নাও গৈল তল।।
সিংহৰ ভয়ত জেনমতে মৃগগণে।
কোনে ৰাখিবেক কতে নাসিবে সঘনে।। ইত্যাদি।

এনেদৰে উপমাদি অলংকাৰৰ প্ৰয়োগৰ যোগেদি কবিয়ে বৰ্ণনীয় বিষয়ক অধিক স্পষ্ট কৰি পাঠকৰ হৃদয়গ্ৰাহী কৰি তোলাত সফল হৈছে। উদাহৰণ স্বৰূপে মহাবীৰ শল্যৰ মৃত্যুৰ বৰ্ণনাৰ কথা উল্লেখ কৰিব পাৰি

ৰণত পৰিল শল্য নৃপতি অসংখ্য।
বায়ুৰে পৰিলা জেন মহাসাল বৃক্ষ।।
শল্য নৃপতিৰ অঙ্গ তেজে তোলবোল।
মহাপণে ভূমি ধৰিলেক বোল।।
স্বামি সঙ্গ পাইল যেন ৰতি সময়ত।
বাহুমেলি আনি নাৰি ধৰয় হিয়াত।।
চিৰকাল ভোগ কৰিছিল বসুমতি।
ভাৰ্য্যাক আলিঙ্গি জেন থাকি গৈলা সুতি।।'

কবিয়ে মুঠ ৫৫৫ টা পদত শল্য পৰ্বৰ অনুবাদ সম্পূৰ্ণ কৰিছে।

বিদ্যাপঞ্চানন ঃ

বিদ্যা পঞ্চাননে ধৰ্মনাৰায়ণৰ ৰাজত্বকালত মহাভাৰতৰ ভীষ্মপৰ্ব্বৰ অনুবাদ কৰে। কবিয়ে আত্মপৰিচয় প্ৰদান কৰি ভীষ্ম পৰ্ব্বৰ এঠাইত লিখিছে

'বৃহৎ নগৰ তন্ত্ৰিকাৰণ যেন স্থল।
মৰ্ত্যদেৱে যত্নে তাক কৰিছা নিৰ্মাণ।।

সেই নগৰত দ্বিজবৰ আচিলন্ত।
নামে কণ্ঠভূষণ যে পৰম মহন্ত।।
তাহাৰ কনিষ্ঠ পুত্ৰে গুৰু গোপালৰ।
হৃদয়ৰত ধৰি দুই চৰণ সুন্দৰ।।

অম্বাৰ চৰিত্ৰ ভণে বিদ্যা পঞ্চাননে।
বোলোহো মিনতি কৰি শুনা সৰ্বজনে।। ইত্যাদি।

মুঠতে কবি মানাহ্ নদীৰ পাৰৰ বৃহৎ নগৰৰ (বৰ নগৰৰ) কণ্ঠভূষণ নামৰ এগৰাকী ব্ৰাহ্মণৰ কণিষ্ঠ সন্তান। সত্যেন্দ্ৰনাথ শৰ্মাই কণ্ঠভূষণক কণ্ঠাবৰণ বুলি উল্লেখ কৰিছে।[২৪] বিদ্যাপঞ্চানন সপ্তদশ শতিকাৰ আদিভাগৰ কবি কাৰণ তেওঁৰ 'অম্বাৰ চৰিত্ৰ ৰচনা কৰে ১৫৭০ শকত অৰ্থাৎ ১৬৪৮ চনত। কবিয়ে গোপালক গুৰু বুলি উল্লেখ কৰিছে।

বিদ্যাপঞ্চাননে মহাভাৰতৰ কৰ্ণপৰ্ব্বৰ লগতে ভীষ্মপৰ্ব্বৰ অন্তৰ্গত 'অম্বাৰ চৰিত্ৰ অংশ অনুবাদ কৰে। মহাভাৰতৰ এই অংশটো কবিয়ে মুঠ ৪০০ পদত ভাঙনি কৰিছে। অম্বাৰ চৰিত্ৰ ১৫৪১ শকত ৰচনা কৰা বুলি কবিয়ে উল্লেখ কৰিছে 'চন্দ্ৰবান ঘোটকৰ পিঠিত গগন। কৃষ্ণপক্ষ চতুৰ্দশী মাসতে শ্ৰাৱণ। ইত্যাদি।

দামোদৰ দাস ঃ

দামোদৰ দাস বৰপেটাৰ লোক আছিল। 'বৰপেটা নাম গ্ৰাম অনুপম মধ্যত কামৰূপৰ। তেও ভট্টদেৱৰ শিষ্য আছিল। শল্য পৰ্বত আত্ম পৰিচয় প্ৰসঙ্গত কবিয়ে ভট্টদেৱৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে এনেদৰে

'নক্ষত্ৰ সহিতে পূৰ্ণিমাৰ চন্দ্ৰ
যেন গৈল অষ্টাঙ্গত।
সহস্ৰ কিৰণ সমে দিনকৰ
উদিত পূৰ্ব দিশত।।

২৪। শৰ্মা সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ ইতিবৃত্ত পৃ ১৫৯।

সেহিমতে ইটো দূৰ কৰি মহা
অজ্ঞান নাম আন্ধাৰ।
হৈলন্ত বেকত শ্ৰীভাগৱত
ভট্টাচাৰ্য নাম যাৰ।।
তাহাৰ চৰণ ৰেণু শিৰে ধৰি
মহামূৰ্খ দামোদৰ।
পৰম গহন ভাৰতৰ পদ
কৰিলো শল্য পৰ্বৰ।।[২৫]

সত্যেন্দ্ৰনাথ শৰ্মাই কবিক সপ্তদশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ কবি বুলি অনুমান কৰিছে।[২৬] কবিয়ে মহাভাৰতৰ শল্য পৰ্বৰ লগতে দ্ৰোণপৰ্বৰ শেষ অংশ অনুবাদ কৰে। শল্য পৰ্বৰ ভাঙনি মুঠ ৯৪০ টা পদত সম্পন্ন কৰা হৈছে। সেইদৰে দ্ৰোণপৰ্বৰ শেষৰ অংশ মুঠ ৪১০ টা পদত সামৰিছে। কবিৰ যুদ্ধৰ বৰ্ণনা অতি সুন্দৰ আৰু চিত্তকৰ্ষক

ধনুৰ টঙ্কাৰ ঘণ্টাৰ আস্ফাল
পদাতি সৈন্যৰ বোল।
নানা বাদ্যভাণ্ড বদন প্ৰচণ্ড
লাগিল স্বৰ্গৰ কোল।।
ঘোঁৰাৰ খুৰাৰ লাগিয়া প্ৰহাৰ
উঠিলা ধূলা অপাৰ।
ৰবিৰ কিৰণ ঢাকিল গগন
হৈল মহা অন্ধকাৰ।। — ইত্যাদি।

যমক বা উপমা আৰু পটন্তৰ আদিৰ প্ৰয়োগতো কবিয়ে সিদ্ধহস্ততাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। যোফাই যুৰে পাক যেন কুমাৰৰ চাক 'কদাচিতো কপট নুগুছে দুৰ্জনৰ ইত্যাদি তাৰ সাৰ্থক নিদৰ্শন।

কবিশেখৰ ঃ

কবিশেখৰে বীৰনাৰায়ণৰ পৃষ্ঠপোষকতাত মহাভাৰতৰ কিৰাট পৰ্বৰ ভাঙনি কৰে। কবিয়ে আত্ম পৰিচয় প্ৰদান কৰি এনেদৰে লিখিছে

'জয়ে জয়ে বীৰনাৰায়ণ নৰেশ্বৰে।
যদি জন্ম নৰতনু বিহাৰ নগৰে।।

২৫। মহাভাৰত শল্য পৰ্ব পদ ৯৭১।
২৬। শৰ্মা সত্যেন্দ্ৰনাথ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ ১৫৯।

ভবানন্দ নামে চন্দ্ৰসেন নন্দন।
নিজ ধৰ্মে কত নিজ কুলৰ মণ্ডল।।
হেন মহাশয়েৰ তনয় অল্পমতি।
বোলো বাম বামকৃষ্ণ কবিশেখৰ খ্যাতি।।'

কবিৰ পদভাঙনি সৰল আৰু তেওঁ কোচবেহাৰৰ বীৰনাৰায়ণ ৰজাৰ (১৬১৭ ৩২) আদেশ অনুসৰি মহাভাৰতৰ কিৰাতপৰ্বৰ অসমীয়া পদ ভাঙনি কৰে। এওঁৰ পিতৃৰ নাম আছিল চন্দ্ৰসেন।

শ্ৰীনাথ দ্বিজ

শ্ৰীনাথ দ্বিজে কোচবিহাৰৰ ৰজা প্ৰাণনাৰায়ণৰ (১৬৩২ ৬৫) ৰাজত্বকালত মহাভাৰতৰ আদিপৰ্ব দ্ৰৌপদীৰ সয়ম্বৰ আৰু দ্ৰোণপৰ্বৰ ভাঙনি কৰে। মহাভাৰতৰ দ্ৰোণপৰ্বত কবিয়ে আত্মপৰিচয় দিছে এনেদৰে

'মল্লমহিপালেৰ কনিষ্ঠ সহোদৰ।
শুক্লধ্বজ নামে দেৱ ভোগে পুৰন্দৰ।।
তাহাৰ পাঠক মহামাত্য ভবানন্দ।
কামৰূপ দ্বিজকুল কুমুদিনীচন্দ্ৰ।।
নামত পণ্ডিত ৰায় তাহাৰ তনয়।
ৰঘুদেৱ নৃপতিৰ পাত্ৰ মহাশয়।।
তাহাৰ কনিষ্ঠ ৰামেশ্বৰ শুদ্ধমতি।
শ্ৰীনাথ হইলেক জ্যেষ্ঠ তাহাৰ সন্ততি।।
পয়াৰ কৰিতে প্ৰাণ ভূপে-আজ্ঞা দিল।
দ্ৰোণ পৰ্ব ভাৰতেৰ পদ-বিৰচিলু।।

শ্ৰীনাথৰ পৰিচয় প্ৰদান কৰি বিশিষ্ট পণ্ডিত মহেশ্বৰ নেওগে লিখিছে আদিপৰ্বত প্ৰাণনাৰায়ণক 'মহাৰাজ কাব্য-সঙ্গীতৰ দীক্ষাগুৰু দৰিদ্ৰজনাৰ আঞ্চা বাঞ্ছা কল্পতৰু বুলি প্ৰশংসা কৰা হৈছে। মোদনাৰায়ণৰ দিনৰ (১৫৬৫ ৮০) লিখা এওঁৰ দ্ৰোণপৰ্বত দিয়া আত্ম-পৰিচয়তে শুক্লধ্বজৰ মহামাত্য ভবানন্দ পাঠকৰ পুত্ৰ পণ্ডিতৰায় তেওঁৰ পুত্ৰ ৰামেশ্বৰ তেওঁৰ বৰপুত্ৰ হ'ল শ্ৰীনাথ।[২৭]

২৭। নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃ ২০৯।

কবীন্দ্ৰ পাত্ৰ ঃ

কবীন্দ্ৰ পাত্ৰ কোচবিহাৰৰ ৰজা লক্ষ্মীনাৰায়ণৰ মন্ত্ৰী আছিল। তেওঁ মহাভাৰতৰ অষ্টাদশ পৰ্ব অনুবাদ কৰে। সুকুমাৰ সেনে কবীন্দ্ৰৰ প্ৰকৃত নাম পৰমেশ্বৰ দাস বুলি উল্লেখ কৰিছে।[২৮] বাংলা সাহিত্যৰ ইতিহাসত তেওঁক বঙালী কবি হিচাপে অন্তৰ্ভুক্ত কৰিছে। সেনে তেওঁক বাংলা মহাভাৰতৰ প্ৰাচীন অনুবাদক আৰু তেওঁৰ গ্ৰন্থখনৰ নাম পাণ্ডৱ বিজয় বুলি উল্লেখ কৰিছে। 'ইতি কবীন্দ্ৰ পৰমেশ্বৰ দাস বিৰচিতা পাণ্ডৱ বিজয় নাম পাঞ্চালিকা সমাপ্ত।[২৯] কবিয়ে বঙ্গৰ নবাব হুসেন শাহ (১৪৯৩ ১৫১৮)ৰ অধীনস্থ চট্টগ্ৰামৰ শাসনকৰ্তা পৰাগল খাঁৰ নিৰ্দেশক্ৰমে চমুকৈ মহাভাৰত ৰচনা কৰি উলিয়ায়।

দ্বিজ কবিৰাজ

দ্বিজৰাম কবিৰাজে মহীন্দ্ৰনাৰায়ণৰ আদেশ অনুসাৰে ভীষ্মপৰ্বৰ পদভাঙনি কৰে।

আলোচ্য কবিসকলৰ বাহিৰেও কোচবেহাৰ দৰবাৰৰ গ্ৰন্থাগাৰত বিবিধ পৰ্বৰ অনুবাদৰ সৈতে জড়িত অন্যান্য ভালেমান কবিৰ নাম পোৱা যায়। এইসকলৰ বিষয়ে বিস্তৃত আলোচনাৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি।

ৰাম সৰস্বতীৰ সমসাময়িক পীতাম্বৰ কায়স্থ বা কংসাৰিও মহাভাৰতৰ অনুবাদৰ সৈতে জড়িত আছিল। ৰামসৰস্বতীৰ বনপৰ্বত তেওঁৰ কথা উল্লেখ কৰিছে এনেদৰে — 'কংসাৰি প্ৰমুখ্যে ঋষি আছা যত যত। যিসবেও পদচয় কৰিলা পাছত। কংসাৰিয়ে মহাভাৰতৰ বিৰাট পৰ্বৰ অন্তৰ্গত উত্তৰ গ্ৰোগ্ৰাহ আৰু দক্ষিণ গোগ্ৰাহৰ এক অংশ পদ ৰচনা কৰে। লগতে বনপৰ্বৰ অন্তৰ্গত 'কিৰাট পৰ্ব'ৰ সংক্ষিপ্ত ভাঙনি কৰে।

শংকৰোত্তৰ কালছোৱাৰ মহাভাৰতৰ অনুবাদৰ সৈতে জড়িত কবিসকল হ'ল দামোদৰ দাস ভবানীদাস সুবুদ্ধি ৰায় গঙ্গাদাস সেন বিষ্ণুৰাম দ্বিজ দ্বিজ ৰমানন্দ দ্বিজ শুভনাথ পৃথুৰাম দ্বিজ লক্ষ্মীনাথ দ্বিজ দেৱৰাম কবিৰাজ মিশ্ৰ ইত্যাদি।

২৮। সেন সুকুমাৰ ঃ বাংলা সাহিত্যেৰ ইতিহাস।

২৯। সেন সুকুমাৰ ঃ বাংলা সাহিত্যেৰ ইতিহাস ১ম খণ্ড।

ৰামায়ণৰ অনুবাদকসকল ঃ

অনন্ত ঠাকুৰ আতা ঃ

খৃষ্টীয় সপ্তদশ শতিকাৰ কবি অনন্ত ঠাকুৰ আতাই চতুৰ্ভুজ ঠাকুৰৰ পত্নী আই কনকলতাৰ আজ্ঞা লৈ নগাওঁৰ মায়াঙত কালশিলা সত্ৰ প্ৰতিষ্ঠা কৰে। তেওঁৰ আন এটি নাম হ'ল হৃদয়ানন্দ কায়স্থ।

অনন্ত ঠাকুৰ আতাৰ নামত দুখনি গ্ৰন্থ পোৱা গৈছে। প্ৰেমলতা আৰু শ্ৰীৰাম কীৰ্ত্তন। ইয়াৰে প্ৰেমলতা কবিৰ আগবয়সৰ ৰচনা। 'শ্ৰীৰাম কীৰ্ত্তন ৰচনাৰ সময় হৈছে সপ্তদশ শতিকাৰ দ্বিতীয়াৰ্দ্ধ অৰ্থাৎ ১৫৭৪ শক। কবিৰ নিজৰ ভাষাতেই —

'অশ্বমুনি বাণচক্ৰ শকত।
আগ্ৰোণ দুতিয়া শুক্ল পক্ষত।।
শ্ৰীৰাম কীৰ্ত্তন ভৈলা উপশাম।।

পুথিখনি কীৰ্ত্তনৰ আৰ্হিত ঘোষা পদ আদিৰ সমন্বয়ত ৰচনা কৰা হৈছে। ইয়াক সপ্তকাণ্ড ৰামায়ণৰ সংক্ষিপ্ত ৰূপ বুলিব পাৰি। কবিয়ে কলাপচন্দ্ৰ দ্বিজৰ সংস্কৃত ৰামায়ণক ইয়াক সংক্ষিপ্ত ৰূপ প্ৰদান কৰিছে

সপ্তকাণ্ড ৰামায়ণ বাল্মিকীৰ কৃত।
তাৰ সাৰে উদ্ধাৰিয়া কহিলা বিদিত।।
ৰামায়ণ চন্দ্ৰিকা থৈলন্ত তাৰ নাম।।
কালপচন্দ্ৰ যে দ্বিজ মহন্ত উপাম।
তাৰ যাৰে অৰ্থ মই কি কৈবো অধিক।।

ৰামায়ণৰ কাহিনীভাগ ইয়াত নিত্য প্ৰসঙ্গৰ উপযোগীকৈ সজাই তোলা হৈছে। কাব্যখন এহেজাৰ পদেৰে সমৃদ্ধ। তেওঁৰ প্ৰেমলতা এখনি ভক্তিতত্ত্ব বিষয়ক পুথি।

ৰঘুনাথ মহন্ত ঃ

গোলাঘাট জিলাৰ অন্তৰ্গত দৈয়াং সত্ৰৰ অধিকাৰ ৰঘুনাথ মহন্তৰ উপৰিপুৰুষ সতনন্দই তীৰ্থলৈ যাওঁতে শঙ্কৰদেৱৰ ওচৰত শৰণ গ্ৰহণ কৰি 'ৰৰভকত উপাধি পাইছিল। তেওঁৰ পিতৃ কৃষ্ণনাথ এগৰাকী পণ্ডিত লোক আছিল। ৰঘুনাথ মহন্তই 'কথা ৰামায়ণ 'শত্ৰুঞ্জয় আৰু 'অদ্ভুত ৰামায়ণ পুথি ৰচনা কৰে। ভট্টদেৱৰ পিছতেই তেওঁৰ কথা ৰামায়ণ অসমীয়া গদ্য সাহিত্যৰ অন্যতম কীৰ্তিস্তম্ভ। গ্ৰন্থখনি অষ্টাদশ শতিকাৰ শেষ ভাগৰ ৰচনা।

কথা ৰামায়ণ মূল সংস্কৃত ৰামায়ণৰ সংক্ষিপ্ত অনুবাদ হ'লেও ইয়াত পূৰ্বকবি মাধৱ কন্দলি অনন্ত কন্দলি আৰু মাধৱদেৱৰ ৰামায়ণৰ প্ৰভাৱ বিদ্যমান। গ্ৰন্থখনিত কথোপকথনৰ প্ৰাধান্য মন কৰিবলগীয়া। উদাহৰণস্বৰূপে —

'নাৰদে কহন্ত, জনকনন্দিনি, স্বামী আসিবাৰ দেখি
আগেবাঢ়ি স্বামিক নামিলা। শ্ৰীৰামেৰ ভাৱ লেখি বুলিলা
হে প্ৰাণনাথ কেনে তোমাৰ মুখপঙ্কজ ম্লান ভৈল
ৰাজচক্ৰ কেন নাই। শ্ৰীৰামে বোলন্ত হে পৃয়ে হামাৰ
ৰাজ্যপদ গুছি বনপদ ভৈল। চতুৰ্দ্দশ বৰ্ষ বনবাস কৰিতে
হামু আজু যাত্ৰা কৰব। এখানে ভৰত ৰাজা হৈব।
এহিতো কাৰ্জ্জে অনুশোঁচ কৰো। অযোধ্যাৰ নৰনাৰীসবৰ
মোৰ পদে তাপ লভিব। (অযোধ্যাকাণ্ড)

কথা ৰামায়ণত ৰামচন্দ্ৰক বিষ্ণুৰ অৱতাৰৰূপে দেখুৱাৰ লগতে ৰাম আৰু কৃষ্ণক অভিন্ন ৰূপত প্ৰতিপন্ন কৰাৰ প্ৰয়াস কৰা হৈছে। কথা ৰামায়ণৰ ভাষা ঠায়ে ঠায়ে অনুভূতিপূৰ্ণ আৰু স্বাভাৱিক উচ্ছ্বাসযুক্ত।

কথা ৰামায়ণৰ মুঠ চাৰিটা কাণ্ডহে পোৱা গৈছে। 'অসম্পূৰ্ণ হ'লেও বৰ্ণনাৰ সংযম আৰু গাম্ভীৰ্যই ভক্তিভাৱৰ গাঢ়তাই আৰু সৰস গদ্যভঙ্গীয়ে এই গ্ৰন্থক অসমীয়া সাহিত্যৰ ইতিহাসত এক বিশেষ স্থান দিছে। গদ্যত ৰচিত ৰামায়ণ হিচাপে কেৱল অসমীয়া সাহিত্যতে নহয় সমস্ত উত্তৰ ভাৰতীয় সাহিত্যতে কথা ৰামাযণৰ স্থান আছে। ৰঘুনাথ মহন্তৰ কথা শৈলীক অনুসৰণ কৰি ৰচনা কৰিলেও ইয়াত অসমীয়া ব্ৰজবুলিৰ প্ৰভাৱ পৰিছে।

'শত্ৰুঞ্জয় কাব্য ১৬৫৮ শকত ৰচিত আৰু গ্ৰন্থখনি কবিৰ প্ৰথম ৰচনা বুলি অনুমান কৰা হৈছে। কাব্যখনি বানৰৰাজ বালীৰ বীৰত্ব আৰু দিগ্বিজয়ৰ বৰ্ণনা কৰা হৈছে। বিভিন্ন শাস্ত্ৰৰ পৰা সমল লৈ ৰচনা কৰা এই কাব্যত বায়ু আৰু সুমেৰুৰ যুদ্ধৰ বৰ্ণনাৰে আৰম্ভ কৰি লঙ্কাৰ উৎপত্তি আৰু ৰাৱণ জন্মৰ কথা বৰ্ণনা কৰা হৈছে। লগতে বালীৰজাৰ সেনাপতি হিচাপে হনুমানৰ বীৰত্ব প্ৰদৰ্শন কৰা হৈছে। কাব্যখনৰ বিষয়বস্তু বাল্মিকী ৰামায়ণৰ নহয়। অন্যান্য উৎসৰ পৰা ইয়াৰ সমল সংগ্ৰহ কৰা হৈছে।

ৰঘুনাথ মহন্তৰ 'অদ্ভুত ৰামায়ণ'ৰ বৰ্ণনাৰে সৈতে সংস্কৃত অদ্ভুত ৰামায়ণৰ বিশেষ সাদৃশ্য দেখা নাযায়। কাব্যখনত পাতালত থকা সীতাৰ অনুৰোধক্ৰমে বাসুকীয়ে লৱ কুশক পাতাললৈ নিয়া আৰু হনুমন্তই তেওঁলোকৰ উদ্ধাৰ কৰাৰ কাহিনীভাগ মাৰ্কণ্ডেয়

৩০ শৰ্মা সত্যেন্দ্ৰনাথ ঃ প্ৰাগুক্ত গ্ৰন্থ পৃ ১৭৮

যুধিষ্ঠিৰ সংবাদৰূপে পৰিবেশন কৰা হৈছে। 'মহাভাৰতৰ বনপৰ্বত জয়দ্ৰথে দ্ৰৌপদীক হৰণ কৰি নিয়াৰ পিছত মাৰ্কণ্ডেয় ঋষিয়ে যুধিষ্ঠিৰক সান্ত্বনা দিবলৈ ৰামায়ণৰ কাহিনী কৈছিল কিন্তু মহাভাৰতত ৰামায়ণৰ মূল ঘটনাটোহে চমুকৈ আছে সীতাৰ পাতাল প্ৰবেশৰ পিছত একো কথা উল্লেখ নাই।'[৩১]

শিষ্ট ভট্টাচাৰ্য ঃ

ৰঘুনাথ মহন্তৰ 'কথা ৰামায়ণ'ৰ কিষ্কিন্ধ্যা কাণ্ডত শিষ্ট ভট্টাচাৰ্য নামৰ এগৰাকী কবিৰ ভনিতা পোৱা যায়। উক্ত কাণ্ডত কবিয়ে 'ইতি শিষ্টাবিৰচিতায়াং কিষ্কিন্ধ্যাকাণ্ড কথায়াং বুলি উল্লেখ কৰিছে। কবিৰ সময় অষ্টাদশ শতিকা বুলি অনুমান কৰা হৈছে।

ভবানীনাথ দ্বিজ

হেড়ম্বেশ্বৰ জয়ছন্দ নৰপতিৰ আদেশক্ৰমে ভবানীনাথে শ্ৰীৰামচন্দ্ৰ অভিষেক পাঁচালীৰ আৰ্হিৰে ৰচনা কৰে। কাব্যখনি আধ্যাত্ম ৰামায়ণৰ কাহিনীৰ অবলম্বনত ৰচনা কৰা হৈছে।

অদ্ভুত আচাৰ্যৰ নামত ৰামায়ণৰ লংকাকাণ্ডৰ এটি প্ৰতিলিপি পোৱা গৈছে। পুথিখনত ৰাম-ৰাৱণৰ যুদ্ধৰ উপৰিও মহীৰাৱণৰ দ্বাৰা ৰাম লক্ষ্মণৰ হৰণ আৰু হনুমন্তৰ দ্বাৰা দুইজনৰ উদ্ধাৰৰ কথা বৰ্ণনা কৰা হৈছে। পুথিখনৰ বিষয়বস্তু আহৰণত কবিয়ে অদ্ভুত ৰামায়ণৰ সহায় লৈছে।

অদ্ভুত আচাৰ্য

কোচবেহাৰৰ ৰাজকীয় গ্ৰন্থাগাৰত সংৰক্ষিত ৰামায়ণৰ কেইবাটাও কাণ্ড পোৱা গৈছে। এই কাণ্ডবোৰৰ অনুবাদকসকল হ'ল যথাক্ৰমে ৰঘুনাথ দ্বিজ আৰু লক্ষ্মীৰাম দ্বিজ (অযোধ্যাকাণ্ড) শ্ৰীনাথ দ্বিজ (অৰণ্যকাণ্ড) আৰু দেৱীনন্দন (কিষ্কিন্ধ্যা কাণ্ড) ৰুদ্ৰৰাম শৰ্মা (অৰণ্যকাণ্ড) সাৰদানন্দ সতানন্দ আৰু ৰঘুৰাম (উত্তৰাকাণ্ড)। এওলোকৰ ভিতৰত শ্ৰীহৰেন্দ্ৰনৰায়ণ ৰজাৰ আদেশত ৰঘুৰাম আৰু লক্ষীৰাম দ্বিজে অযোধ্যাকাণ্ডৰ ভাঙনি কৰাৰ কথা কবিয়ে নিজে উল্লেখ কৰি গৈছে।

---

৩১ শৰ্মা সত্যেন্দ্ৰনাথ প্ৰাগুক্ত গ্ৰন্থ পৃ ১৭৮

নৱম অধ্যায়

শংকৰোত্তৰ যুগৰ পুৰাণ সাহিত্য

বিদ্যাচন্দ্ৰ কবিশেখৰ ঃ

ৰাজেশ্বৰ সিংহৰ পুত্ৰ চাৰুভদ্ৰ আৰু তেওৰ পত্নী প্ৰেমদাৰ আজ্ঞা অনুসাৰে কবিশেখৰে হৰিবংশ অসমীয়ালৈ ভাঙনি কৰে। গ্ৰন্থখনিত বিষ্ণু-কৃষ্ণৰ মাহাত্ম্য বিশেষভাৱে প্ৰকাশ পাইছে। তেওঁৰ দ্বাৰা অনুদিত হৰিবংশৰ বিষ্ণুপৰ্বহে উদ্ধাৰ হৈছে। কাব্যখনৰ এঠাইত আত্মপৰিচয় প্ৰদান কৰি কবিশেখৰে লিখিছে

সেই বংশে ৰাজেশ্বৰ সিংহ নৰপতি।
শান্ত দান্ত শিষ্ট মিষ্ট অতি শুদ্ধমতি।।
তাহান তনয় চাৰুসিংহ মহামতি।
গুণীগণ মধ্যে শ্ৰেষ্ঠ বিপুল শকতি।।
তান পত্নী প্ৰেমদা নামত মনোনীতা।
সৰ্বগুণ গুণৱতী যেন দ্ৰুপদ দুহিতা।।
তাসম্বাৰ আজ্ঞা মুক্তমালা শিৰে ধৰি।
শ্ৰীকবিশেখৰ ভট্টাচাৰ্য দ্বিজহৰি।।
ভাষাবন্ধে নিবন্ধি হৰিবংশ পদ।
শুনা নিশবদে শুদ্ধ বুদ্ধ সভাসদ।।

মনকবিৰলগীয়া কথা যে কাব্যখনত ৰাধা চৰিত্ৰক প্ৰাধান্য দিয়া হৈছে, যিটো চৰিত্ৰ মূল হৰিবংশত নাই।

কবিৰাজ চক্ৰৱৰ্তী ঃ

কবিৰাজ চক্ৰৱৰ্তী আহোম ৰাজত্বকালৰ এগৰাকী সৰ্বশ্ৰেষ্ঠ কবি। চক্ৰৱৰ্তীয়ে ব্ৰহ্মবৈবৰ্তপুৰাণ গীত গোবিন্দ শঙ্খচূড় বধ শকুন্তলা ভাস্বতী আদি গ্ৰন্থ ৰচনা কৰিছিল।

কবিৰাজ চক্ৰবৰ্তীৰ আচল নাম ৰামনাৰায়ণ চক্ৰবৰ্তী। তেওঁ ৰুদ্ৰসিংহ, শিৱ সিংহ আৰু ৰাণী ফুলেশ্বৰীৰ আমোলত কাব্যচৰ্চা কৰিছিল। ব্ৰহ্মবৈৱৰ্তপুৰাণ'ৰ 'কৃষ্ণজন্মখণ্ড'ত সংযোগ কৰি দিয়া ৰাজপ্ৰশস্তি আৰু ভনিতাৰ পৰাই কবিৰ পৃষ্ঠপোষক আৰু সাহিত্যকৰ্মৰ আভাস পাব পাৰি

ইন্দ্ৰৰ বংশত ৰুদ্ৰসিংহ নৰপতি।
সৌমাৰ দেশৰ পতি ভৈলা মহামতি।।
যাৰ শুদ্ধ যশে পুৰি আছে বসুমতি।
হৰিহৰ দুৰ্গা পাৱে যাৰ সদা ৰতি।।
তাহাৰ প্ৰথম পুত্ৰ শিৱসিংহ ৰাই।
দেৱতা বিপ্ৰত ভক্তিমন্ত শুদ্ধ কায়।।

নামত প্ৰথমেশ্বৰী শুদ্ধ সূক্ষ্ম কায়া।
ইন্দ্ৰৰ ৰমণী যেন আদিত্যৰ ছায়া।
কমলালোচনী বৰৰাণী চন্দ্ৰমুখী।।
যাহাৰ দৰ্শনে নৰনাৰী হোৱে সুখী।
ৰাত্ৰি দিনে স্বামী পাৱে কৰন্ত ভকতি।।
দেৱদ্বিজ শুশ্ৰূষাত সদা যাৰ ৰতি।
স্বামীৰ আজ্ঞাক কিঞ্চিতোকো নলঙ্ঘয়।
দুৰ্গাপদ পঙ্কজত সততে সেৱয়।।
হেন শিৱসিংহ ৰাজা প্ৰথম ঈশ্বৰী।
মনুষ্য লোকত যেন শিৱ মহেশ্বৰী।।
তাহান আদেশ মান্য শিৰোগত কৰি।
কবিৰাজ চক্ৰৱৰ্তী মতি অনুসৰি।।
পুৰাণৰ শ্ৰেষ্ঠ ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ।
কৃষ্ণজন্ম খণ্ড তাতে পৰম প্ৰধান।।
সাগৰ সংকাশ আৰ গুঢ় অভিপ্ৰায়।
সাৰশেষ কোন নৰে আৰ অৰ্থ পায়।।
তথাপিতো পদবন্ধে দেশভাষা ধৰি।
মতি অনুসাৰে বিৰচিলা যত্ন কৰি।। ইত্যাদি।

কবিয়ে ব্ৰহ্মবৈৱৰ্তপুৰাণৰ কৃষ্ণজন্মখণ্ডহে অনুবাদ কৰিছিল যদিও এই খণ্ডতেই জন্মৰ পৰা বৈকুণ্ঠপ্ৰয়াণলৈ কৃষ্ণৰ সমস্ত লীলাৰ আভাস দাঙি ধৰিছে। অৱশ্যে ৰাধাকৃষ্ণৰ প্ৰেম আৰু ৰাসলীলাৰ বৰ্ণনাতহে কবিয়ে অধিক গুৰুত্ব আৰোপ কৰিছে।

তেওঁ ব্ৰহ্মবৈবৰ্তপুৰাণৰ প্ৰকৃতিখণ্ডৰ কাহিনীৰ আধাৰত শঙ্খচূড় বধ কাব্য ৰচনা কৰে। কবিয়ে কাব্যখন ৰচনাৰ বাবে ৰাণী ফুলেশ্বৰীৰ আজ্ঞা পোৱাৰ কথা উল্লেখ কৰিছে

'হেন নৃপতিৰ মহিষীৰো আজ্ঞা পায়া।
কবিৰাজ বিপ্ৰে ব্ৰহ্মবৈবৰ্তক চায়া।।
পদবন্ধে বিৰচিলা পুৰাণ প্ৰবন্ধ।
শঙ্খচূড় নামে ৰাজা মিটো সত্যসন্ধ।।'

তেওৰ শকুন্তলা কাব্যৰ মূল হ'ল মহাভাৰতৰ আদিপৰ্ব। অৱশ্যে কালিদাসৰ অভিজ্ঞান শকুন্তলমৰ লগতহে ইয়াৰ সাদৃশ্য দেখা যায়। কাব্যখনিত বাৰমাহী বিলাপগীতিৰ প্ৰয়োগ মনকৰিবলগীয়া।

কবিৰাজ চক্ৰৱৰ্তীৰ অন্য এক কীৰ্ত্তি হ'ল জয়দেৱৰ গীত গোবিন্দ'ৰ অসমীয়া পদ ভাঙনি।

মধুসূদন মিশ্ৰ ঃ

এওঁ মাৰ্কণ্ডেয় চণ্ডীৰ পদ ৰচনা কৰে।

বলৰাম দ্বিজ ঃ

এওঁ অষ্টাদশ শতিকাৰ কবি। এওঁ ব্ৰহ্মবৈবৰ্তপুৰাণৰ অন্তৰ্গত কৃষ্ণজন্মখণ্ডৰ কিছু অংশ অসমীয়ালৈ ভাঙনি কৰে।

দুৰ্গেশ্বৰ দ্বিজ ঃ

দুৰ্গেশ্বৰ দ্বিজে ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালত ব্ৰহ্মবৈবৰ্তপুৰাণৰ প্ৰকৃতিখণ্ড অসমীয়ালৈ অনুবাদ কৰে। পুথিখনিৰ শংখচূড় বধলৈকে পোৱা গৈছে। উক্ত অনুবাদত কবিৰ পাণ্ডিত্য আৰু কবিত্ব গুণৰ সমাহাৰ ঘটিছে। এওঁ আগমাচাৰ্যৰ বংশৰ দেৱৰাজ বিপ্ৰৰ নাতি আছিল আৰু বুদ্ধিস্বৰ্গনাৰায়ণ ৰজাই তেওৰ উপৰিপুৰুষ ভুধৰ অগমাচাৰ্যক নেঘেৰিটিঙত স্থাপন কৰিছিল।

ৰতিকান্ত দ্বিজ ঃ

দৰঙী ৰজা হয়নাৰায়ণৰ আদেশ অনুসৰি ৰতিকান্ত দ্বিজ আৰু তেওঁৰ সহযোগীসকলে সম্পূৰ্ণ ব্ৰহ্মবৈবৰ্তপুৰাণখন অসমীয়ালৈ ভাঙনি কৰি উলিয়ায়। ইয়াৰ ভিতৰত ৰতিকান্ত দ্বিজৰ অনুবাদৰ পৰিমাণ সৰ্বাধিক। তেওঁ উক্ত পুৰাণৰ ব্ৰহ্মখণ্ড প্ৰকৃতিখণ্ড গণপতি খণ্ড আৰু কৃষ্ণজন্মখণ্ডৰ কিছু অংশ অনুবাদ কৰে। পুৰাণৰ বাকী-

অংশ সম্পূৰ্ণ কৰে তেওঁৰ সহযোগী কবি নন্দেশ্বৰ দ্বিজ নৰোত্তম দ্বিজ আৰু খৰ্গেশ্বৰ দ্বিজে। কবিয়ে পৃষ্ঠপোষক ৰজা হয়নাৰায়ণৰ বিষয়ে এনেদৰে লিখিছে

'তান বংশে হয়নাৰায়ণ নৃপবৰ।
মহাদানী মানী ৰাজা নাৰায়ণ পৰ॥
তেহে আজ্ঞা কৰিলন্ত পদ ভাঙিবাক।
পদ ভৈলে বুজিবেক য'ত প্ৰজালোক॥"

বিষ্ণুদেৱ গোস্বামী

দক্ষিণপাট সত্ৰৰ অষ্টম অধিকাৰ বিষ্ণুদেৱ গোস্বামীয়ে পদ্মপুৰাণৰ উত্তৰখণ্ডৰ অন্তৰ্গত 'ক্ৰিয়া যোগসাৰ খণ্ড অসমীয়ালৈ ভাঙনি কৰে।

দীন দ্বিজ ঃ

পদ্মপুৰাণৰ ক্ৰিয়াযোগসাৰৰ পঞ্চম অধ্যায়ত বৰ্ণিত মাধৱ-সুলোচনাৰ প্ৰণয় আখ্যানটোক আধাৰ হিচাপে লৈ দীন দ্বিজ নামৰ কবিগৰাকীয়ে 'মাধৱ-সুলোচনা কাব্য ৰচনা কৰে। একে বিষয়বস্তুক আধাৰ হিচাপে লৈ শিৱ শৰ্মাই 'অভীষ্ট পুৰাণ আৰু অজ্ঞাত কবিযে 'মাধৱ বিক্ৰম কথা আৰু 'মাধৱ-সুলোচনা আখ্যান ৰচনা কৰে।

'কাব্যখনত মাধৱে মৃগয়া কৰিবলৈ গৈ সৰোবৰত স্নান কৰি সুলোচনাৰ দাসী চন্দ্ৰকলাক দেখা চন্দ্ৰকলাৰ পৰা সুলোচনাক লাভ কৰাৰ উপায় মালিনী গন্ধনীৰ ঘৰত আশ্ৰয় মালিনীৰ সহায়ত সুলোচনাৰ সৈতে প্ৰেমালাপ বীৰৰূপিনী সুলোচনাৰ সাধনা মাধৱৰ লগত সুলোচনা আৰু জয়ন্তীৰ বিবাহ ইত্যাদি কথা গীতত বৰ্ণোৱা হৈছে।

কবিচন্দ্ৰ দ্বিজ ঃ

কবিচন্দ্ৰ দ্বিজে শিৱসিংহৰ ৰাজত্বকালত ধৰ্মপুৰাণ ৰচনা কৰে। কবিয়ে আহোম ৰজা শিৱসিংহ আৰু পুত্ৰ উগ্ৰসিংহৰ লগতে ৰাণী অম্বিকাদেৱীৰ অনুপ্ৰেৰণাত ১৬৫৭ শকত এই পুৰাণ অনুবাদ কৰে। সৰল অনুবাদ আৰু ছন্দৰ নিমজ গতিয়ে পুৰাণখনি সুখপাঠ্য কৰি তুলিছে।

পৰশুৰাম দ্বিজ ঃ

তেজপুৰৰ চন্দ্ৰসেনৰ অনুপ্ৰেৰণাত ঊনবিংশ শতাব্দীৰ আদিভাগত পৰশুৰাম দ্বিজে ধৰ্মপুৰাণ অনুবাদ কৰে।

লক্ষ্মীকান্ত দ্বিজ ঃ

লক্ষ্মীকান্ত দ্বিজে ধৰ্মপুৰাণ নামৰ এখনি পদপুথি ৰচনা কৰে। পুথিখনৰ লিপিকাল ১৭৯৯ শকৰ।

জয়ৰাম দাস ঃ

জয়ৰাম দাসে স্কন্দ পুৰাণ আৰু কালিকা পুৰাণৰ কাহিনীৰ আধাৰত শীতলাপদ শীৰ্ষক এখনি সৰু পাঁচালী কাব্য ৰচনা। পুথিৰ গীতসমূহ শাস্ত্ৰীয় ৰাগত বন্ধা বিশেষকৈ কৰুণ কেদাৰ মালৱ পহৰুৱা দিয়ালি আৰু কৌ ৰাগৰ প্ৰয়োগ পুথিখনত লক্ষ্য কৰা যায়।

ৰুচিনাথ কন্দলি ঃ

আহোম ৰজা ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালত (১৭৫১ ৬০ খৃ) ৰুচিনাথ কন্দলিযে 'কল্কিপুৰাণ অসমীয়ালৈ অনুবাদ কৰে। কবিয়ে মাৰ্কণ্ডেয় চণ্ডী ৰচনা কৰাৰ আগতে কল্কিপুৰাণৰ পদ ৰচনা কৰা বুলি উল্লেখ কৰি গৈছে

'কল্কি পুৰাণৰ পদ কৰিলোহো আগে।
ৰচিলো চণ্ডীৰ পদ এবে অনুৰাগে।।

ৰুচিনাথ কন্দলিৰ 'চণ্ডী'ৰ মূল মাৰ্কণ্ডেয় পুৰাণ হ'লেও কবিযে উক্ত পুৰাণৰ কথাবস্তুৰ বাহিৰেও অন্যান্য পুৰাণ বিশেষকৈ কালিকা পুৰাণ বামন পুৰাণ আৰু ব্ৰহ্মবৈবৰ্ত পুৰাণৰ পৰা সমল সংগ্ৰহ কৰি ইয়াত সংযোগ কৰিছে।

ভবানন্দ ঃ

ভবানন্দৰ হৰিবংশৰ অনুবাদ মূল সংস্কৃত হৰিবংশৰ অনুবাদ নহয়। কাব্যখনিত আদিৰসৰ প্ৰাধান্য লক্ষ্য কৰা যায়। কাব্যখনত ৰাধাকৃষ্ণৰ প্ৰেমলীলাৰ কাহিনীয়ে প্ৰাধান্য লাভ কৰিছে।

চন্দ্ৰচূড় আদিত্য

চন্দ্ৰচূড আদিত্যই স্কন্দ পুৰাণৰ উৎকলখণ্ড অসমীয়ালৈ ভাঙনি কৰে। পুথিখনিত অৱন্তীৰাজ ইন্দ্ৰদ্যুম্নই পুৰুষোত্তম ক্ষেত্ৰত জগন্নাথ মন্দিৰ নিৰ্মাণ কৰাৰ কাহিনীভাগ বৰ্ণনা কৰা হৈছে। ইয়াৰ অনুবাদৰ সময় ১৫৯৮ শক।

দ্বিজ ৰমানন্দ ঃ

আহোম ৰজা শিৱসিংহ আৰু ৰাণী প্ৰথমেশ্বৰীৰ আজ্ঞা অনুসৰি কবি দ্বিজ ৰমানন্দই পীতাম্বৰ কবিৰ 'উষা পৰিণয় আৰু হৰিবংশৰ কাহিনীৰ আধাৰত 'উষাগীত ৰচনা কৰে। এই সম্পৰ্কে ভনিতাত তেও লিখিছে

'পুণ্যশ্লোক বিচিত্ৰ চৰিত্ৰ হৰিবংশ।
ভণে ৰমানন্দে পীতাম্বৰ ভাষা অংশ।।'

কবিয়ে শিৱসিংহ আৰু ৰাণীৰ প্ৰশস্তিত তেওঁলোকৰ আজ্ঞা অনুসৰি কাব্যখন ৰচনা কৰা বুলি উল্লেখ কৰি গৈছে

'জয় মৃত্যুঞ্জয় পদ ৰাজীৱ ভ্ৰমৰ
নৃপ চুড়ামনি শিৱসিংহ নামধৰ।।

অপৰ প্ৰথমেশ্বৰী নাম ভৈল তান।
যষ্ঠকলা কল্পনাতে পৰম সুজান।।

হেন দুই প্ৰকৃতি পুৰুষ নিবেশিত।
দ্বিজ ৰমানন্দে বিৰচিল উষাগীত।

ভুবনেশ্বৰ বাচস্পতি ঃ

সুৰদৰ্প নাৰায়ণৰ দিনত (১৭০৮-২১ খৃ) ভুবনেশ্বৰ বাচস্পতিয়ে বৃহন্নাৰদীয় পুৰাণৰ কথাবস্তুৰ আধাৰত 'নাৰদীয়-কথামৃত ৰচনা কৰে। কবিযে সুৰদৰ্প ৰজাৰ মাতৃ তথা তাম্ৰধ্বজৰ পত্নী চন্দ্ৰপ্ৰভাৰ আদেশক্ৰমে এই কাৰ্য সম্পাদন কৰিছিল। গ্ৰন্থখনিৰ ৰচনাকাল ১৬৫২ শক তথা ১৭৩০ খ্ৰীষ্টাব্দ। অৰ্থাৎ —

'শশীমুনি নেত্ৰশূন্য শক বৎসৰত।
নাৰদী পুৰাণ পুথি ভৈলা সমাপত।।

আনহাতে কবিয়ে আত্ম পৰিচয় প্ৰসঙ্গত এনেদৰে লিখিছে

'তাম্ৰধ্বজ মহাৰাজ ছিলা মহাভাগ।
সৰ্বলোকে সদা কৰে যাৰ অনুৰাগ।।
তান পুত্ৰ ৰাজসুৰদৰ্প মহাশয়।
চন্দ্ৰপ্ৰভা নামে তান মাতা হয়।।

কবি বাচস্পতি তান বাক্য অনুসৰি।
সাৰদীয় কথামৃত ৰচিলা পয়াৰে।।'

ৰামগোবিন্দ ঃ

ৰামগোবিন্দই 'ব্ৰহ্মাণ্ডপুৰাণ আৰু 'বিষ্ণুপুৰাণ অসমীয়ালৈ ভাঙনি কৰে। দেবেন্দ্ৰনাথ বেজবৰুৱাই পুৰাণ দুখনি উত্তৰ বৈষ্ণৱ যুগৰ ৰচনা বুলি অনুমান কৰিছে।

মধুনাৰায়ণ কোঁৱৰ ঃ

মধুনাৰায়ণ কোঁৱৰে 'অগ্নিপুৰাণ ৰচনা কৰে। গ্ৰন্থখনিত পুৰাণ আৰু মহাভাৰত একত্ৰিত কৰা বুলি কবিয়ে উল্লেখ কৰিছে

'পুৰাণে ভাৰেত একত্ৰ কৰিয়া
ৰচিলোঁ কৃষ্ণ চৰিত্ৰ।

ৰুদ্ৰসিংহ ঃ

আহোম ৰজা ৰুদ্ৰসিংহই সংস্কৃত শিব পুৰাণৰ আঠোটা শ্লোকৰ আধাৰত শিব ৰুদ্ৰৰ পৌৰাণিক ৰূপটো আঠোটা অধ্যায়ত সমাপ্ত কৰে। কবিয়ে তেওঁৰ গ্ৰন্থখনিৰ মাধ্যমেদি 'হৰি হৰৰ অভেদত্ব আৰু একত্ব প্ৰতিপন্ন কৰিছে। শিৱসিংহই ৰচনা কৰা কেইবাটাও গীতত ৰাধা কৃষ্ণৰ কাহিনী প্ৰকাশ পাইছে।

শংকোৰত্তৰ যুগৰ তান্ত্ৰিক আৰু শাক্ত সাহিত্য

আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই বঙ্গদেশৰ শান্তিপুৰৰ পৰা কৃষ্ণৰাম ভট্টাচাৰ্যক আমন্ত্ৰণ জনাই আৰু তেওঁৰ পুতেকহঁতে শাক্তধৰ্ম গ্ৰহণ কৰি পৰ্বতীয়া গোঁসাইৰ ওচৰত দীক্ষা লৈ শাক্তধৰ্মক ৰাজধৰ্ম হিচাপে প্ৰতিষ্ঠা কৰে। এইকথা ইতিমধ্যে ধৰ্মৰ ইতিহাস অধ্যায়ত আলোচনা কৰি অহা হৈছে। অসমত শাক্তধৰ্মই প্ৰতিষ্ঠা লাভ কৰাত শাক্ত সাহিত্য সৃষ্টিৰ বাবে উপযুক্ত পৰিবেশ সৃষ্টি হয় আৰু দেৱীমাহাত্ম্য সূচক নানা ধৰণৰ গীত পদ আদি ৰচিত হবলৈ ধৰে। শংকৰোত্তৰ যুগৰ উল্লেখযোগ্য অসমীয়া শাক্ত সাহিত্যসমূহ হ'ল —

অনন্ত আচাৰ্য ঃ

অনন্ত আচাৰ্যই শংকৰাচাৰ্যৰ সৌন্দৰ্য-লহৰী পুথিখনি 'আনন্দ-লহৰী নাম দি অসমীয়ালৈ অনুবাদ কৰে। আনন্দ লাহৰীত দেৱীৰ মাহাত্ম্য স্তুতি প্ৰাৰ্থনা ৰংপুৰ নগৰৰ বহল বৰ্ণনা আৰু শিৱসিংহ প্ৰথমেশ্বৰীৰ প্ৰশস্তি পোৱা যায়। পুথিখনিৰ ভণিতাত কবিয়ে লিখিছে

'সৌমাৰ পীঠৰ সম পীঠ নাই আৰ।
সততে থাকন্ত যাতে ভৱানী ঈশান।।
সেই পীঠ মধ্যে আছে পুৰী নানাখান।
কেহো নোহে ৰংপুৰ নগৰী সমান।।
যিটো ৰংপুৰত সাক্ষাতে ভগৱতী।
দুৰ্গাৰূপে আছা ৰাখি ৰাজাক সম্প্ৰতি।।

তাতে শিৱসিংহ ভৈলা দুতি সুৰপতি।
ৰূপে কন্দৰ্পৰ সম দানে বলিৰায়।।
প্ৰথমেশ্বৰীয়ে ভৈলা তান পটেশ্বৰী।
ৰূপে-গুণে কৈতো যাৰ নাহি সৰিবৰি।।
তাসম্বাৰ সঙ্গে থাকি মই বিদ্যাহীন।
ৰজা দুজনাৰ হিত চিন্তো প্ৰতি নিত।।
অনন্ত আচাৰ্য ভণে এৰি আন কাম।
নিৰন্তৰে বোলা নৰে শঙ্কৰ ভৱানী।।

গ্ৰন্থখনিত কবিয়ে 'আদ্যশক্তি দুৰ্গা গোঁসানীৰ তুতিতে আৰম্ভ কৰি কবিয়ে দেৱীৰ ৰূপ-ধাৰণ কৈলাসত সদাশিৱৰ সঙ্গত বাস আদি বৰ্ণনা কৰিছে আৰু শেষৰ ফালে দেৱীক নানাভাবে প্ৰাৰ্থনা কৰিছে।'[১] কাব্যখনিত তন্ত্ৰৰ ছয়চক্ৰ শিৱ-শক্তিৰ মিলন আৰু কামকলাৰ আখ্যানভাগ সুন্দৰভাৱে বৰ্ণনা কৰা হৈছে।

---

১ *লেওগ মহেশ্বৰ অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃ ১৮৯*

ৰুচিনাথ কন্দলি :

ৰুচিনাথ কন্দলিয়ে 'মাৰ্কেণ্ডয়-চণ্ডী' আৰু 'কল্কি পুৰাণ'ৰ পদ ৰচনা কৰে। কবিৰ পিতৃ কৃষ্ণনাথক আহোম ৰজা ৰুদ্ৰসিংহই ৰংপুৰত নগৰ পাতি অন্যান্য ব্ৰাহ্মণসকলৰ সৈতে সেই ঠাইত স্থাপন কৰিছিল। কবিয়ে ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালত কাব্যখনি ৰচনা কৰে। 'চণ্ডী আখ্যান' ৰচনা কৰোঁতে ৰুচিনাথে ব্ৰহ্মবৈবৰ্ত পুৰাণৰ প্ৰকৃতিখণ্ড কালিকা পুৰাণ বামন পুৰাণ আদিৰ পৰাও বস্তু গ্ৰহণ কৰি 'মিসলাই পূৰ্ব কবি পথ অনুসৰি' দেৱীৰ বিভিন্ন ৰূপৰ উৎপত্তি ব্যাখ্যা কৰিছে।[২]

ৰঙ্গনাথ চক্ৰৱৰ্তী :

ৰুচিনাথ কন্দলিৰ বাহিৰেও ৰঙ্গনাথ চক্ৰৱৰ্তী আৰু মধুসূদন মিশ্ৰয়ো 'মাৰ্কেণ্ডেয় চণ্ডী'ৰ অসমীয়া পদভাঙনি কৰে। কবি নীলাচলৰ অধিবাসী আছিল আৰু তেওঁৰ উপৰিপুৰুষ শিৱচন্দ্ৰ ৰজা ধৰ্মপালৰ সময়ত অসমলৈ আহিছিল।

ৰামচন্দ্ৰ বৰপাত্ৰ :

ৰামচন্দ্ৰ বৰপাত্ৰই সপ্তদশ শতিকাৰ শেষভাগত যোগিনীতন্ত্ৰ পুথিখন অসমীয়ালৈ ভাঙনি কৰে। শিৱ আৰু পাৰ্বতীৰ কথোপকথনৰ মাধ্যমেৰে পুথিখনৰ বিষয়বস্তু প্ৰকাশ কৰা হৈছে। তেও উজনিৰ গড়গাঁৱত থাকি পুথিখন ৰচনা কৰিছিল। কবিয়ে আত্ম পৰিচয় প্ৰসঙ্গত লিখিছে

সৌমাৰ পীঠৰ গড়গ্ৰাম নাম যাৰ।
এই স্থানে থাকি মই ৰচিলো পয়াৰ।।
নামত যোগিনীতন্ত্ৰ মহেশ্বৰ বাণী।
পৰম সাদৰে যাক শুনিলা গোসানী।।
আৰু এক কথা কওঁ শুনিয়ো সম্প্ৰতি।
যিকালত পুস্তক ভৈলেক সমাপতি।।

বসুগণ প্ৰথমে মিলিয়া আছে যেৰে।
তাৰ বামপাশে মহা আকাশ প্ৰকাশে।।
তাত পাছে ঋতুসব যাই কালক্ৰমে।
তাত অনন্তৰে চন্দ্ৰে চলে শশা সমে।।

উক্ত পুথিখন যে ১৬০৮ শকত সমাপ্ত হয় সেই কথা শেষৰ পদটোৰ পৰা বুজিব পাৰি।

---

২ নেওগ মহেশ্বৰ : অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃ ১৯১

চৰিত পুথিৰ লেখকসকল

ভূষণ দ্বিজ ঃ

শংকৰদেৱৰ এগৰাকী ব্ৰাহ্মণশিষ্য চক্ৰপাণিৰ নাতিয়েক ভূষণ দ্বিজে পদত 'শংকৰ চৰিত' ৰচনা কৰে। কবিয়ে আত্মপৰিচয় প্ৰসঙ্গত লিখিছে —

হেন চক্ৰপাণি মহামানী আছিলন্ত।
তাহান তনয় পাচে বৈকুণ্ঠ ভৈলন্ত।।
অদ্যাপিও লোকে যাকে প্ৰশংসা কৰয়।
ভকতি ধৰ্মত নিষ্ঠ বুদ্ধি অতিশয়।।
তানপুত্ৰ মুৰুখ ভূষণ শিশুমতি।
শঙ্কৰ চৰিত্ৰ পদে সম্প্ৰতি বদতি।।

দ্বিজ ভূষণে শংকৰদেৱৰ দুগৰাকী নাতি পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰৰ লগতে সমসাময়িক সন্তসকলৰ পৰা সমল সংগ্ৰহ কৰি শংকৰদেৱৰ জীৱন চৰিত্ৰখনি লিখি উলিয়ায। ভূষণ দ্বিজে পুৰুষোত্তম ঠাকুৰৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। সত্যেন্দ্ৰনাথ শৰ্মাই অনুমান কৰে যে পুৰুষোত্তম ঠাকুৰৰ মৃত্যুৰ পিছত চতুৰ্ভুজে আমৰঙা বিলৰ পাৰত বিষ্ণুপুৰ সত্ৰ স্থাপন কৰাৰ সময়তে দ্বিজ ভূষণে উক্ত চৰিত্ৰ পুথিখন ৰচনা কৰে। ভূষণ দ্বিজৰ চৰিত পুথিত সমসাময়িক যুগৰ অসমৰ সামাজিক অৰ্থনৈতিক ৰাজনৈতিক আৰু ধৰ্মীয় দিশৰ ভালেমান কথা লিপিবদ্ধ হৈছে। প্ৰায়বোৰ চৰিতপুথিতেই সন্ত মহন্তসকলৰ বৈচিত্ৰ্যপূৰ্ণ জীৱন কাহিনীৰ লগে লগে সমসাময়িক সমাজ আৰু সংস্কৃতিৰ বিভিন্ন দিশত আলোকপাত কৰা দেখা যায়। অৱশ্যে আনবোৰ চৰিত্ৰৰ সৈতে ভূষণ দ্বিজৰ শংকৰ চৰিতৰ কেতবোৰ দিশত অমিল লক্ষ্য কৰিবলগীয়া। উদাহৰণ স্বৰূপে শংকৰদেৱ পঢ়াশালিলৈ যোৱাৰ সময়ত পিতৃ মাতৃ উভয়ৰে মৃত্যু ঘটা প্ৰথমা কন্যা মনুৰ বিয়াৰ পিছতহে প্ৰথম ভাৰ্যাৰ বিয়োগ ঘটা দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণত গয়া বাৰানসী আৰু গয়ালৈ যোৱাৰ বৰ্ণনা — আদি ঘটনাৰ সৈতে অন্য চৰিতৰ মিল দেখা নাযায়।

শংকৰদেৱৰ মৃত্যুৰ পিছত তেওঁৰ নাতি পুৰুষোত্তম আৰু চতুৰ্ভুজ ঠাকুৰে ধৰ্মভাৰ গ্ৰহণ কৰাৰ ইঙ্গিত দি চৰিতখন সামৰণি মৰা হৈছে। চৰিতখনত শংকৰ-মাধৱৰ জীৱনৰ প্ৰায়বোৰ কথাই চমুকৈ বৰ্ণনা কৰা হৈছে। পুথিখনৰ ভাষা অতি প্ৰাঞ্জল বাক্যৰীতি সুগঠিত আৰু সমগ্ৰ গ্ৰন্থখনিতে সাহিত্যিক সৌন্দৰ্য্য ফুটি উঠিছে। উদাহৰণ স্বৰূপে শংকৰদেৱ আৰু মাধৱদেৱৰ প্ৰথম সাক্ষাতৰ বৰ্ণনাংশ উদ্ধৃত কৰা হ'ল

৩ শৰ্মা সত্যেন্দ্ৰনাথ : প্ৰাগুক্ত গ্ৰন্থ পৃ ১৬৮

'ৰামদাসে বোলন্ত নকৰা ক্ৰোধ মোক।
শঙ্কৰৰ পাশে যাওঁ শিঘ্ৰে চলিয়োক।।
আপোনাক পণ্ডিত মানস বৰ'গাট।
শঙ্কৰৰ আগত হৈবাহা লোট-সোট।।

মাধৱে বোলন্ত ৰৰমতে গুৰু আশ।
কালি প্ৰভাততে যাইবো শঙ্কৰৰ পাশ।।
ৰাত্ৰি ৰাট ৰক্ষিলন্ত ৰজনী পোহাইল।
স্নান কৰি দুহান্তো যাইবাক সাজু ভৈল।

হেন মনে গুণি যান্তে সমীপ পাইলন্ত।
বসি আছে শঙ্কৰ মাধৱে দেখিলন্ত।।
শৰীৰৰ জ্যোতি দেখি শিহৰিল গাৱ।
মনত বোলন্ত কিনো তেজৰ প্ৰভাৱ।।

শঙ্কোচিত ভৈল গাৱ-ৰূপ দৰশনে।
কৰিলা প্ৰণাম পৰি শঙ্কৰ চৰণে।।
ৰামদাস প্ৰণামিলা পড়ি চৰণত।
শঙ্কৰে বোলন্ত বসিয়োক আসনত।।

কিবা কাৰ্য্যে দুয়োজন আসি আছা হেথা।
শুনিবাক উৎসুক কহিয়ো মোত কথা।।
শুনিয়া মাধৱে পাণ তাম্বুলক লৈলা।
সম্মুখাত কৰি শঙ্কৰক আগে দিলা।।' ইত্যাদি।

দৈত্যাৰি ঠাকুৰ ঃ

দৈত্যাৰি ঠাকুৰ মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰৰ পুত্ৰ। এওঁ 'শঙ্কৰদেৱ মাধৱদেৱ চৰিত্ৰ' ৰচনা কৰে। এই চৰিতখনি ভূষণ দ্বিজৰ চৰিতৰ প্ৰায় সমসাময়িক বুলি অনুমান কৰা হৈছে। কিয়নো চৰিতখনি ৰচনাৰ সময়ত শঙ্কৰদেৱৰ নাতি চতুৰ্ভুজ ঠাকুৰে বিষ্ণুপুৰত সত্ৰ পাতি আছিল। দৈত্যাৰি ঠাকুৰৰ চৰিতত এই সম্পৰ্কে উল্লেখ পোৱা যায়।

'হৰিচৰণৰ ভৈলা পুত্ৰৰৰ
চতুৰ্ভুজ নাম থৈলা।।
তেহো বিদ্যমানে বিষ্ণুপুৰ থানে
কৰিয়া সত্ৰ আছন্ত।।'[৪]

মহেশ্বৰ নেওগে চৰিতখনিৰ ৰচনাকাল সপ্তদশ শতিকাৰ প্ৰথমাৰ্দ্ধ বুলি অনুমান কৰিছে।[৫] তেওঁৰ পিতৃ ৰামচৰণৰ ভনিতা থকা এখন শঙ্কৰদেৱৰ চৰিতপুথি পোৱা যায় যদিও দৈত্যাৰিয়ে পিতৃৰ চৰিতপুথিখনিৰ কথা ক'তো উল্লেখ কৰা নাই। আন আন পণ্ডিতৰ ধাৰণা যে দৈত্যাৰিৰ পিতৃ ৰামচৰণে কোনো চৰিতপুথি লিখা নাছিল। আন এজন ৰামচৰণেহে এখন চৰিত পুথি লিখিছিল যাৰ কাৰণে দৈত্যাৰি ঠাকুৰে চৰিত লিখিবৰ কাৰণে সম্মুখত কোনো আৰ্হি পোৱা নাছিল। দৈত্যাৰি ঠাকুৰে বিশেষকৈ গোবিন্দ আতৈৰ পৰা সমল আহৰণ কৰি আৰু পিতৃ ৰামচৰণৰ মুখে শুৰু-কথা শুনি চৰিতখনি ৰচনা কৰি উলিয়ায়।

বৈকুণ্ঠ দ্বিজৰ 'সন্তমালা'ৰ মতে মধুপুৰ সত্ৰৰ অধিকাৰী গোবিন্দ আতৈ আৰু অন্যান্য সন্ত-মহন্তই চৰিতখনি ৰচনাত উদ্‌গনি দিছিল —

'গোবিন্দৰ আজ্ঞা পাই ৰাম মহন্ত।
দৈত্যাৰি সহিতে তাৰা পদ কৰিলন্ত।।

চৰিতখনি ৰচনাত বিভিন্ন সন্ত-মহন্তৰ পৰা লাভ কৰা প্ৰেৰণাৰ কথা চৰিতকাৰে নিজেই উল্লেখ কৰিছে

কতো মহাজনে মোক বুলিলা বচন।।
দুয়ো মহাপুৰুষৰ কথা যত-যত।
পদবন্ধে একস্থান কৰিয়ো সমস্ত।।
কতো মহাজনসবে বুলিলন্ত মোক।
দুয়ো মহাপুৰুষৰ কথা লিখিয়োক।।
কোনো মহাজনে বোলে মনৰ আনন্দে।
পঢ়িবাক ভাল হোক লিখা পদবন্ধে।।'[৬]

দৈত্যাৰি ঠাকুৰে শংকৰদেৱৰ জীৱন চৰিত অতি চমুকৈ বৰ্ণনা কৰিছে আনহাতে মাধৱদেৱৰ জীৱনবৃত্ত অলপ বিস্তৃতভাৱে বৰ্ণনা কৰিছে। দৈত্যাৰি ঠাকুৰৰ প্ৰকাশভংগী সাৱলীল আৰু পদবোৰ শুৱলা লয়যুক্ত। চৰিতখনিৰ বিষয়ে মহেশ্বৰ নেওগে মন্তব্য

৪ ঠাকুৰ দৈত্যাৰি : শঙ্কৰদেৱ মাধৱদেৱ চৰিত্ৰ পদ ১৬১৮-১৯
৫ নেওগ মহেশ্বৰ : অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃ ১৬২
৬ ঠাকুৰ দৈত্যাৰি : শঙ্কৰদেৱ মাধৱদেৱ চৰিত্ৰ পদ ৬-৭

কৰি কৈছে — 'সৰ্ববাদীসম্মতভাৱে দৈত্যাৰিৰ ৰচিত গুৰুচৰিতখনি অতি মূল্যবান। তাৰ প্ৰাণবন্ত বৰ্ণনাৰ ধাৰাই সমস্ত ৰচনাখনি কবিত্বময় কৰি তুলিছে।'[৭]

বৈকুণ্ঠ দ্বিজ ঃ

সপ্তদশ শতিকাৰ প্ৰথম তৰঙ্গৰ আন এগৰাকী চৰিতকাৰ হ'ল বৈকুণ্ঠ দ্বিজ। এওঁৰ দ্বাৰা প্ৰণীত 'সন্তমালা'ৰ বৰ্ণনা নিৰ্ভৰযোগ্য বুলি পণ্ডিতসকলে মতপ্ৰকাশ কৰিছে। চৰিতখনিত শঙ্কৰ মাধৱ-পুৰুষোত্তম চতুৰ্ভুজ আদিৰ জীৱনচৰিত সামৰি লোৱা হৈছে আৰু ইয়াৰ ৰচনাকাল দৈত্যাৰি ঠাকুৰৰ ভক্তসকলে মধুপুৰত গুৰুকথা আলোচনা কৰাৰ সূত্ৰ ধৰিয়ে চতুৰ্ভুজ ঠাকুৰৰ নিৰ্দেশ ক্ৰমে বৈকুণ্ঠ দ্বিজে 'সন্তমালা প্ৰণয়ন কৰে। মহেশ্বৰ নেওগে চতুৰ্ভুজ ঠাকুৰৰ মহাপ্ৰয়াণৰ পূৰ্বেই (অৰ্থাৎ ১৬৪৮ খৃষ্টাব্দৰ পূৰ্বে) চৰিতখনি ৰচনা কৰা বুলি অনুমান কৰিছে।

চৰিতখনি স্বল্প অৱয়বৰ আৰু ইয়াত কাল্পনিক কথাবস্তুৰ পয়োভৰ বিশেষ দেখা নাযায়। অৱশ্যে চৰিতকাৰে মহাপুৰুষ শংকৰদেৱক চৈতন্য হৰিব্যাস আৰু ৰামানন্দৰ সৈতে একেলগে বিষ্ণুৰ অৱতাৰ বুলি উল্লেখ কৰিছে

'কলিত নাহিকে যাতো হৰি অৱতাৰ।
এহি হেতু ধৰিলেক সন্ত অৱতাৰ।।
পশ্চিমে চৈতন্য হৰিব্যাসে দক্ষিণত।
উত্তৰত ৰামানন্দ আতি শুদ্ধ মত।।
পূৰ্বদিশে শ্ৰীমন্ত শংকৰ নাম যাৰ।
পৰিপূৰ্ণ ৰূপে হৰি ভৈলা অৱতাৰ।।'[৮]

ৰামানন্দ দ্বিজ ঃ

ৰামানন্দ দ্বিজ সপ্তদশ শতিকাৰ লোক। তেওঁৰ পিতৃ শ্ৰীৰাম আতা ভৱানীপুৰীয়া গোপাল আতাৰ শিষ্য আৰু আঁহতগুৰি সত্ৰৰ প্ৰতিষ্ঠাতা। ৰামচন্দ্ৰই আতন বুঢ়াগোঁহাইৰ (১৬৪৮-৭৯) পৃষ্ঠপোষকতাত গুৰুচৰিত ৰচনা কৰে। ৰামানন্দ দ্বিজৰ 'শংকৰদেৱ মাধৱদেৱ চৰিত'ত মহাপুৰুষ শংকৰদেৱৰ জীৱনীও বৰ্ণনা কৰিছে। তেওঁৰ চৰিতৰ বিৱৰণৰ সৈতে দৈত্যাৰি ঠাকুৰৰ চৰিতৰ কেতবোৰ বিষয়ত অমিল দেখা যায়। তেওঁ 'ভৱানীপুৰীয়া গোপাল আতাৰ চৰিতো ৰচনা কৰে।

---

৭ *নেওগ মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃ ১৬২*
৮ *দ্বিজ বৈকুণ্ঠ ঃ সন্তমালা পদ ৩১-৩২*

ৰামৰায় ঃ

ৰামৰায়ে কোচৰজা চন্দ্ৰনাৰায়ণৰ (১৬৪০ ১৬৬০ খৃষ্টাব্দ) ৰাজত্বকালত গুৰুলীলা ৰচনা কৰে। গুৰুলীলাত দামোদৰদেৱৰ আৰু ভট্টদেৱৰ জীৱন চৰিত বৰ্ণনা কৰা হৈছে। এইখনি এখনি গহীন প্ৰকৃতিৰ চৰিতপুথি। চৰিতখনিত দামোদৰদেৱৰ জন্মৰ পৰা ভট্টদেৱৰ তিৰোভাৱলৈকে সকলো কথা লিপিবদ্ধ কৰা হৈছে। তেওঁ আছিল লোচসত্ৰৰ অধিকাৰ অৰ্জুনদেৱৰ শিষ্য। চৰিতখনিৰ বৰ্ণনা সাৱলীল আৰু কবিত্বপূৰ্ণ

'প্ৰভু দামোদৰ হৰি আতোক বোলন্ত।
তুমি বৃদ্ধ বৈষ্ণৱ পৰম বুদ্ধিমন্ত।।
সত্ৰখনি পালিবাহা মোহোৰে মত।
ৰাজাৰ চেষ্টাক বুজিবাহা ভাল মত।।
জগত ঈশ্বৰে মোক কৰিলা আদেশ।
দুনাই আৰু ইথানত নাহিকে প্ৰবেশ।। — ইত্যাদি।

ৰমানন্দ দ্বিজ ঃ

ৰমানন্দ দ্বিজে 'বংশীগোপালদেৱৰ চৰিত্ৰ ৰচনা কৰে। চৰিতখনি মাধৱদেৱ আৰু দামোদৰদেৱৰ যুটীয়া আজ্ঞাক্ৰমে ৰচিত আৰু ইয়াৰ বৰ্ণনা কবিত্বময়। বংশীগোপালদেৱে উজনিত বৈষ্ণৱধৰ্ম প্ৰচাৰ কৰিছিল আৰু ৰমানন্দ আছিল তেওঁৰ শিষ্য। চৰিতকাৰে উজনি অসমত ধৰ্মপ্ৰচাৰ কৰোতে গোপাল আতাই আহোম ৰজা আৰু আন সম্প্ৰদায়ৰ পৰা কেনেধৰণে বাধা পাইছিল সেইবিষয়ে উল্লেখ কৰিছে। উদাহৰণস্বৰূপে কিছু উদ্ধৃত কৰা হ'ল —

গদাধৰ বোলে প্ৰভু দেখিলো ইহাক।
বৈষ্ণৱ সবৰো মিলে বিষিনি বিপাক।।
নৰনাৰায়ণ ৰাজা কোপ কৰি মনে।
শ্ৰীশঙ্কৰকো দিলা ভোটৰ কাৰণে।।
গৃহ বেঢ়িলাত শীঘ্ৰে শঙ্কৰ পলাইলা।
নাৰায়ণ মাধৱক গৃহতে ধৰিলা।।
দুয়ো মহন্তক নিয়া ভোটত বিকিলা।
ভোটেও প্ৰবন্ধে তেৰে বান্ধি ধৰি নিলা। ইত্যাদি।

নীলকণ্ঠ দাস :

দামোদৰৰ আজ্ঞাপৰ কায়স্থ মহন্ত মনোহৰৰ পৰিনাতি গোপালৰ দিনত নীলকণ্ঠ দাসে দেৱদামোদৰৰ চৰিত্ৰ ৰচনা কৰে।

ভদ্ৰচাৰু :

পুৰুষোত্তম ঠাকুৰৰ কন্যা কেশৱপ্ৰিয়াৰ স্বামী ভদ্ৰচাৰুৱে এখনি চৰিত পুথি ৰচনা কৰে। চৰিতপুথি গদাধৰ সিংহৰ দিনত মহন্ত নিগ্ৰহৰ বৰ্ণনা দাঙি ধৰা হৈছে।

জগতানন্দ দেৱ :

বৰযদুমণিদেৱৰ পৰিনাতি জগতানন্দদেৱে (১৫৫৩ ১৬১৬ শক) 'যদুমণিদেৱৰ চৰিত্ৰ ৰচনা কৰে।

ৰামনাথ :

শিঙৰিৰ ওচৰৰ বৰকলা সত্ৰৰ সংস্থাপক ৰামনাথে 'সন্ত মুক্তাৱলী ৰচনা কৰে। হেমচন্দ্ৰ গোস্বামীয়ে চৰিতখনিৰ ৰচনাকাল ১৫৩০ শক বুলি অনুমান কৰিছে।

জয়নাৰায়ণ :

খুদিয়া সত্ৰৰ গোপালৰ পুত্ৰ লক্ষ্মীপতিৰ বিষয়ে তেওৰ পুত্ৰ কবি জয়নাৰায়ণে 'ৰামগোপাল চৰিত ৰচনা কৰি উলিয়ায়। চৰিতখনিত আইঁতগুৰি সত্ৰৰ শ্ৰীৰাম আতা ৰামানন্দ আৰু ৰামগোপাল আদি অধিকাৰসকলৰ জীৱনবৃত্তান্ত দাঙি ধৰা হৈছে।

ৰমাকান্ত :

ৰমাকান্ত দ্বিজে 'বনমালী দেৱৰ চৰিত ৰচনা কৰে। উক্ত চৰিতখনিত দক্ষিণপাট সত্ৰত অতীত ইতিহাস সন্নিবিষ্ট হৈছে।

অম্বৰীশ দ্বিজ :

অম্বৰীশ দ্বিজে কেশৱদেৱৰ চৰিত ৰচনা কৰে। চৰিতখনিত আউনীআটী সত্ৰৰ বিবৰণ পোৱা যায়।

সৰ্বানন্দ :

সৰ্বনন্দ নামৰ এগৰাকী চৰিতকাৰে গোপীনাথ ঠাকুৰদেৱৰ চৰিত ৰচনা কৰে। ইয়াত চৰিতকাৰে জৰাবাৰী সত্ৰৰ ইতিহাস দাঙি ধৰিছে।

অনিৰুদ্ধ দাস ঃ

অনিৰুদ্ধ দাসে গুৰু বৰ্ণনা'ত মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱনৰ আভাস দিয়াৰ যত্ন কৰিছে। চৰিতখনিত পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰৰ জীৱনবৃত্ত বৰ্ণনা কৰা হৈছে। চৰিতকাৰে নিজকে 'ৰামাকান্ত পদ-দ্বন্দ্ব মকৰন্দ মধুব্ৰত বুলি পৰিচয় দিছে।

শ্ৰীৰাম যদুমণি ঃ

শ্ৰীৰাম যদুমনিয়ে গোপাল আতাৰ চৰিত্ৰ ৰচনা কৰে। চৰিতৰ আৰম্ভণিতে ভবানীপুৰ এৰি গোপাল আতাই কালঝাৰলৈ যোৱাৰ কথা উল্লেখ কৰিছে। চৰিতৰ মতে ঠাইখনৰ এই 'কালঝাৰ নামটো মহাৰাজ নৰনাৰায়ণে দিয়া

'যত সন্ত স্থান আছে তাসামে
নাহিকে যাৰ উপাম।
নৰনাৰায়ণ নৃপতি পূৰ্বত
দিলা কালঝাৰ নাম
পোহো যাৰ নাম নদী তানুপাম
বহে দক্ষিণক লাগি।
তাহাৰ তীৰত্ত্ব আছে লোক যত
সবে মহা পুণ্য ভাগি।।

কালঝাৰ গ্ৰামে আৰু লোক যত
উদ্যোগ সবে কৰিল।
গোপাল দেৱৰ থাকিবাৰ ঘৰ
তেখনে সাজিয়া দিলা।।
কৰি পৰিপাটি সাজি চাৰি হাটি
নামঘৰ সাজিছিল।
ভকত সকল লভিয়া গৃহক
আনন্দে সবে ৰহিল।। ইত্যাদি

যদুমণি আৰু শ্ৰীৰাম আদি শিষ্যসকলক লগত লৈ গোপাল আতাই কালঝাৰ সত্ৰত মহাপুৰুষ শ্ৰীমন্তশঙ্কদেৱৰ পদাঙ্ক অনুসৰণ কৰি হৰিনাম ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত

কেনেদৰে আত্মনিয়োগ কৰিছিল সেইবিষয়ে চৰিতখনিত বহলাই বৰ্ণনা কৰা হৈছে। কবিৰ বৰ্ণনা সাৱলীল আৰু কবিত্ব গুণেৰে পৰিপূৰ্ণ।

আলোচ্য চৰিত্ৰসমূহৰ বাহিৰেও ৰমাকান্ত দ্বিজৰ 'বনমালীদেৱৰ চৰিত্ৰ ৰমানাথ মহন্তৰ 'সন্ত মুক্তাৱলী চিদানন্দ দেৱৰ 'অনিৰুদ্ধদেৱৰ চৰিত্ৰ অনিৰুদ্ধদাসৰ গুৰু বৰ্ণনা' দামোদৰ দাসৰ গুৰুচৰিত্ৰ শ্ৰীকৃষ্ণ মিশ্ৰৰ 'দামোদৰ চৰিত্ৰ কৃষ্ণ আচাৰ্যৰ 'সন্ত চৰিত্ৰ কৃষ্ণ ভাৰতীৰ 'সন্ত নিৰ্ণয় বিদ্যানন্দ ওজাৰ 'ঠাকুৰ চৰিত বানেশ্বৰ আৰু দিবাকৰ দ্বিজৰ 'হৰিদেৱ চৰিত্ৰ ভদ্ৰাচাৰু দাসৰ 'অনন্তৰায় চৰিত বনগঞাগিৰিৰ 'হৰিদেৱ চৰিত ভবানন্দ মিশ্ৰৰ গোবিন্দ চৰিত্ৰ প্ৰভৃতি বিভিন্ন চৰিত পোৱা যায়'। মুঠতে শংকৰোত্তৰ কালছোৱাত প্ৰধান ধৰ্মগুৰুসকলৰ লগে লগে অন্যান্য সন্ত-মহন্তসকলৰো জীৱন চৰিত লিপিবদ্ধ কৰি ৰখাৰ প্ৰয়াস অব্যাহত থাকে। ফলস্বৰূপে নৱবৈষ্ণৱ ভক্তিধৰ্মৰ প্ৰচাৰ প্ৰসাৰ আৰু সত্ৰীয়া সংস্কৃতিৰ সম্প্ৰসাৰণৰ বিভিন্ন দিশ চৰিতবোৰৰ মাজেদি উজ্জ্বল ৰূপত প্ৰকাশ হ'বলৈ ধৰে।

অধ্যায় (১০)

শংকৰোত্তৰ যুগৰ গীত

শংকৰদেৱ মাধৱদেৱ আৰু অন্যান্য বৈষ্ণৱ কবি আৰু গীতিকাৰসকলক অনুসৰণ কৰি গোপাল আতায়ো গীত ৰচনাত মনোনিবেশ কৰিছিল। অঙ্কীয়া নাটত সন্নিবিষ্ট গীতিখিনিৰ বাহিৰেও 'ৰঢ়াঘোষা আৰু অন্যান্য গীতে গোপাল আতাৰ সাঙ্গীতিক প্ৰতিভাৰ নিদৰ্শন দাঙি ধৰে। তেওঁৰ গীতত মাধৱদেৱৰ দৰেই গুৰুভক্তি আৰু কৃষ্ণভক্তিৰ মহিমা প্ৰকাশিত হৈছে। উদাহৰণ স্বৰূপে বঢ়াঘোষাৰ পৰা দুটিমান নিদৰ্শন দাঙি ধৰা হ'ল

মাধৱ মাধৱ প্ৰাণ মাধৱ মাধৱ আত্মা
মাধৱ মাধৱ গুৰু ইষ্ট।
মাধৱ মাধৱ নাম সুমৰণে সুমঙ্গল
মাধৱেসে দেৱ ইষ্ট নিষ্ট।।

* * *

'সৰ্বদেৱ শিৰোমণি কৃষ্ণক সততে ভজা
যাত পৰে নাহি নাহি কেৱ
আপোনাৰ নিজৰূপ স্মৰণ মাত্ৰেক দেন্ত
কিনো কৃপাময় প্ৰভুদেৱ। ইত্যাদি।

'ৰঢ়াঘোষা'ৰ বাহিৰেও গোপাল আতাৰ অন্যান্য গীতসমূহো অতি সাৱলীল আৰু চিত্তাকৰ্ষক। তেওঁৰ গীতসমূহৰ মাজেদি কৃষ্ণভক্তিৰ মহত্ব আৰু শ্ৰেষ্ঠত্ব প্ৰকাশিত হৈছে। তেওঁৰ গীতত বৈষ্ণৱ আদৰ্শ প্ৰকাশ কৰা বিবিধ বিষয় বিবিধ ছন্দ আৰু অলংকাৰেৰে চিত্তাকৰ্ষক ৰূপত প্ৰকাশিত হৈছে।

অসমীয়া নৱবৈষ্ণৱ ধৰ্মৰ ইতিহাসত বিখ্যাত মায়ামৰা সম্প্ৰাদায়ৰ আদি গুৰু অনিৰুদ্ধদেৱৰ গীতসমূহত কবিত্ব আৰু ভক্তিভাৱৰ সমন্বয় লক্ষ্য কৰা যায়। তেওঁৰ

গীতৰ বিষয়ে মন্তব্য কৰি মহেশ্বৰ নেওগে লিখিছে — 'অনিৰুদ্ধদেৱৰ গীত এটি মহান ঐতিহ্যৰ বাহক। কবিতাৰূপে অনিৰুদ্ধদেৱৰ গীতখিনি সঁচাকৈয়ে বৰ উজ্জ্বল আৰু প্ৰাণৱন্ত। তেওঁ নকুৰি গীত ৰচনা কৰিছিল বুলি চৰিত পুথিত উল্লেখ পোৱা যায়। 'অনিৰুদ্ধদেৱৰ গীতসমূহত প্ৰধানকৈ ভকত কৃপাকাৰী কৃষ্ণ বন্দনা শ্ৰীকৃষ্ণৰ ৰূপৰ বন্দনা হৰি-কৃষ্ণৰ বন্দনা হৰি-কৃষ্ণ ৰাম নামৰ মাহাত্ম্য দেহতত্ত্ব বিচাৰ গুৰু বন্দনা সাধু-সৎসঙ্গৰ উপকাৰ ভক্তি মাহাত্ম্য ৰঘু-কুল ৰাঘৱ বন্দনা আত্মনিন্দা কৃষ্ণৰ গোপীপ্ৰেম গোপীকৃষ্ণৰ লীলা বালকৃষ্ণৰ লীলা এক কৰ্তাৰ মাহাত্ম্য কলিযুগত হৰিনামৰ মাহাত্ম্য ইত্যাদি বিষয়বস্তু' সন্নিবিষ্ট হৈছে। তেওৰ দেহতত্ত্ব বিষয়ক গীতকেইটিৰ ভিতৰত চাৰিটি গীত ৰূপকধৰ্মী। এই ৰূপকধৰ্মী গীতকেইটিৰ বিষয়ে মহেশ্বৰ নেওগে এনেদৰে মন্তব্য আগবঢ়াইছে

'ইতিমধ্যেই পুৰঞ্জন উপাখ্যান নামৰ কাব্যত সমাধৃত জীৱ হৃদয়ৰ আধ্যাত্মিক ৰণাঙ্গনক ৰূপক লৈ ৰচনা কৰা সিজনৰ গীতখিনিৰ কিন্তু সুকীয়া এটি মূল্য আছে। সেই কেইটিয়ে তাৰ আধ্যাত্মিক প্ৰমূল্য আৰু কাব্যিক গুণেৰে মোক বিশেষভাবে আকৰ্ষণ কৰে।

তেওৰ গীতশাস্ত্ৰৰ অন্তৰ্গত প্ৰায়বোৰ গীততেই আত্মলঘিমাৰ আকৰ্ষণীয় ৰূপ পৰিলক্ষিত হয়। তেওৰ দ্বাৰা ৰচিত নকুৰি দুটি গীতত মুঠ ছয়ত্ৰিশটি ৰাগৰ প্ৰযোগ ঘটিছে। তৎসম শব্দৰ সাৰ্থক প্ৰযোগ ধ্বনি ব্যঞ্জনা আৰু চিত্ৰকল্পৰ ব্যৱহাৰ তেওৰ গীতৰ মনকৰিবলগীয়া বৈশিষ্ট্য।

ভবানীপুৰীয়া আতা গোপালদেৱৰ অন্যতম শিষ্য যদুমণিদেৱে গোপালদেৱৰ আৰ্হি অনুসৰণ কৰি ভালেমান গীত ঘোষা আদি ৰচনা কৰে। তেও ৰচনা কৰা গীতৰ সংখ্যা বাৰকুৰি বুলি জনা যায়। তাৰে এশ ছয়ত্ৰিশটি গীত গীত মন্দাকিনী'ত সংকলিত হৈছে। তেওঁৰ গীতসমূহৰ কাব্যিক সুষমা মনকৰিবলগীযা। তেওৰ কেৱলীযা ঘোষা'ত মাধৱদেৱৰ নামঘোষাৰ ভাষাৰ অনুৰূপ গাম্ভীৰ্য ৰক্ষিত হৈছে। উপলব্ধিৰ গভীৰতা আৰু ভক্তিভাৱৰ তন্ময়তাই তেওৰ গীতসমূহক কাব্যিক ৰসেৰে সমৃদ্ধ কৰি তুলিছে। পুৰুষ সংহতিৰ প্ৰৱৰ্ত্তক পুৰুষোত্তম ঠাকুৰেও ভালেমান গীত ৰচনা কৰি থৈ গৈছে। তেওৰ গীতৰ সংখ্যা প্ৰায় কুৰিটা। এই গীতসমূহ ভগৱৎ প্ৰেম আৰু ভক্তিৰসেৰে সমৃদ্ধ। তেওঁৰ গীতত বিবিধ ৰাগৰ প্ৰয়োগ লক্ষ্য কৰা যায়। ৰাম আতাৰ গীতবোৰত গোপালদেৱৰ প্ৰতি পৰম অনুৰক্তি প্ৰকাশ পাইছে।

বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত শ্ৰীৰাম আতা আৰু ৰামানন্দদেৱৰ গীত'ত বৰগীতধৰ্মী মুঠ ৭৯ টা গীত্ৰ সংকলিত হৈছে। গীতসমূহৰ বিষয়ে মন্তব্য কৰি তেওঁ লিখিছে — 'বৰগীতৰ ঐতিহ্যবহনকাৰী এই গীতসমূহে এফালে যেনেকৈ মহাপুৰুষদ্বয়ে প্ৰবৰ্ত্তন কৰা উচ্চাঙ্গ সঙ্গীতৰ ধাৰা অব্যাহত ৰাখিলে আনপিনে তেনেকৈ ভক্তিধৰ্ম প্ৰচাৰ আৰু সমাদৰ বঢ়োৱাত অসাধ্য সাধি গৈছে।

শ্ৰীৰাম আতাই উদ্ধৱযান জন্মযাত্ৰা ব্ৰহ্মামোহনৰ গীত আৰু ভোজন বিহাৰৰ গীতো ৰচনা কৰিছে। তেওঁৰ গীতত বিবিধ ৰাগৰ প্ৰয়োগ মনকৰিবলগীয়া। পুৰুষোত্তম ঠাকুৰৰ খুৰাকৰ পুতেক চতুৰ্ভুজ ঠাকুৰেও দুই-এটি গীত ৰচনা কৰিছিল। অনিৰুদ্ধদেৱৰ বংশৰ হৰিৰাম দেৱে ১৬৮ টা গীত ৰচনা কৰিছিল বুলি জনা যায়। মায়ামৰা সত্ৰৰ চতুৰ্থগৰাকী অধিকাৰ নিত্যানন্দ দেৱেও আঠকুৰি গীত ৰচনা কৰিছিল। ভবানীপুৰীয়া আতা গোপালদেৱৰ কন্যা পদ্মপ্ৰিয়ায়ো গীত ৰচনাত মনোনিবেশ কৰিছিল। পদ্মপ্ৰিয়াৰ দ্বাৰা ৰচিত চাৰিটি গীত পোৱা গৈছে। এই গীতবোৰত সংসাৰৰ বৈৰাগ্য হৰিভক্তি আৰু নব বৈষ্ণৱ আদৰ্শাৱলীৰ কাব্যিক প্ৰতিফলন ঘটিছে। নাৰায়ণদাস ঠাকুৰ আতাৰ পুত্ৰ পৰমানন্দ ঠাকুৰেও দুটিমান গীত ৰচনা কৰিছিল। ৰমাকান্ত ৰামচন্দ্ৰ ৰামকৃষ্ণ আদিৰ নামতো কেইটামান গীত পোৱা যায়। খগেন্দ্ৰনাথ পাঠক সংকলিত গীতাৱলী'ত হৰি আতা ৰতিকান্ত দামোদৰদেৱ গোপালমিশ্ৰ কৃষ্ণানন্দ আদি ভালেমান গীতিকাৰৰ গীত সংকলিত হৈছে। সেইদৰে ৰাজীৱলোচন চন্দ্ৰ গোহাঞিৰ দ্বাৰা সংকলিত গীত মন্দাকিনী'ত সনাতনদেৱ গজানন্দদেৱ প্ৰেমভূষণ দেৱ ব্ৰজানন্দদেৱ বৃন্দাবনচন্দ্ৰদেৱ বল্লভচন্দ্ৰ দেৱ নিৰ্মলচন্দ্ৰ আৰু ভগৱানচন্দ্ৰ দেৱৰ একাধিক গীত সংকলিত হৈছে।

আহোম ৰজা ৰুদ্ৰসিংহ আৰু শিৱসিংহয়ো গীত ৰচনা কৰিছিল। মহেশ্বৰ নেওগ সংকলিত 'ভক্তি গীত সংকলন'ত দুয়োজন গীতিকাৰৰ গীত সংকলিত হৈছে। কেশৱানন্দ দেৱগোস্বামী সংকলতি 'শংকৰোত্তৰ গীত সংকলন'ত ২৬ জন গীতিকাৰৰ মুঠি ১৬১ টা গীত সংকলিত হৈছে। ইয়াৰে ৭০ টা গীতত ৰচয়িতাৰ নাম নাই।

শংকৰোত্তৰ গীতসমূহত শান্ত দাস্য সখ্য বাৎসল্য আৰু মধুৰ ভাবৰ সমাহাৰ লক্ষ্য কৰা যায়। কোনো গীতত মাক-যশোদাৰ দৃষ্টিৰে পুত্ৰ কৃষ্ণলৈ চাইছে, কোনো ক্ষেত্ৰত আভীৰ বালকৰ সখ্য স্নেহেৰে কৃষ্ণক সম্বোধন কৰা হৈছে কোনো গীতত প্ৰণয়িনীৰ প্ৰেমকটাক্ষৰে কৃষ্ণৰ ভুবনমোহন ৰূপ সুধা পান কৰিছে।

শংকৰোত্তৰ যুগত ৰচিত দুই-এটি গীতত ৰাধা চৰিত্ৰৰ অনুপ্ৰৱেশ লক্ষ্য কৰিবলগীয়া।

শংকৰোত্তৰ নাটক

মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ পৰৱৰ্ত্তী কালত তেওঁলোকৰ শিষ্য-প্ৰশিষ্য আৰু সন্ত-মহন্তসকলৰ মাজত নাট্য ৰচনাৰ ধাৰাতো অব্যাহত থাকে। মহাপুৰুষ দুজনাৰ নাটকৰ বিষয়বস্তু সাধাৰণতে আহৰণ কৰা হৈছিল 'ৰামায়ণ 'মহাভাৰত আৰু পুৰাণসমূহৰ পৰা। মহাপুৰুষ দুজনাৰ পদাঙ্ক অনুসৰণ কৰি তেওঁলোকৰ পৰৱৰ্ত্তী সন্ত মহন্তসকলে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে জনসাধাৰণৰ মন ভগৱদমুখী কৰিবৰ বাবে অঙ্কীয়া নাটৰ চৰ্চা আৰু অভিনয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিশেষকৈ বৈষ্ণৱ সন্ত-মহন্তসকলৰ তিথি উৎসৱৰ লগে লগে অন্যান্য ধৰ্মীয় উৎসৱ উপলক্ষে অঙ্কীয়া নাট ৰচিত আৰু অভিনীত হোৱাত এই নাটৰ জনপ্ৰিয়তাই সত্ৰ আৰু নামঘৰৰ পৱিত্ৰ পৰিবেশ আকৰ্ষণীয় কৰি তোলে। পৰৱৰ্তী কালত সত্ৰ-নামঘৰৰ পৰিসীমা অতিক্ৰম কৰি অঙ্কীযা নাটকে আহোম ৰজাৰ ৰাজসভাতো প্ৰতিপত্তি স্থাপন কৰিবলৈ সক্ষম হয়।

শংকৰদেৱ আৰু মাধৱদেৱৰ পাছত গোপাল আতা ৰামচৰণ ঠাকুৰ আৰু দৈতাৰি ঠাকুৰ আদিয়ে নাট ৰচনাৰ ধাৰাটো অব্যাহত ৰাখে। ৰামচৰণ ঠাকুৰৰ 'কংসবধ'ত শংকৰদেৱৰ নাটকৰ প্ৰায় সকলোবোৰ লক্ষণেই বৰ্তমান। নাটখনত গোপসকলৰ সৈতে কৃষ্ণ-বলৰামৰ মথুৰা গমন চানুৰ মুষ্টিক-কুবলয় হাতী কংস আদিৰ নিধন আৰু অৱশেষত উগ্ৰসেনক ৰজা পতাৰ কথাভাগ অন্তৰ্ভুক্ত কৰা হৈছে। নাটখনৰ কাহিনীভাগ ভাগৱতৰ দশম স্কন্ধৰ পৰা লোৱা হৈছে। দৈত্যাৰি ঠাকুৰৰ 'নৃসিংহ যাত্ৰা আৰু 'স্যমন্তক হৰণ'ত মহাপুৰুষৰ ৰচনাৰ প্ৰভাৱ স্পষ্ট। গোপাল আতাৰ 'জন্মযাত্ৰা আৰু 'নন্দোৎসৱ'ৰ মূল ভাগৱতৰ দশম স্কন্ধ যদিও নাট্যকাৰ শংকৰদেৱৰ দশমৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱান্বিত হৈছে। 'জন্মযাত্ৰা'ত শ্ৰীকৃষ্ণৰ জন্মকাহিনী নন্দোৎসৱত শ্ৰীকৃষ্ণৰ জন্ম উপলক্ষে নন্দগৃহত উদ্‌যাপিত উৎসৱ আৰু 'উদ্ধৱযান'ত কংসই কৃষ্ণক মাৰি উগ্ৰসেনক মথুৰাৰ সিংহাসনত বহুওৱা আৰু উদ্ধৱে মথুৰাৰ পৰা ব্ৰজধামলৈ গৈ নন্দ যশোদা প্ৰভৃতি ব্ৰজবাসী গোপ গোপীসকলক শ্ৰীকৃষ্ণৰ মঙ্গল বাতৰি প্ৰদান কৰাৰ কাহিনীভাগ বৰ্ণনা কৰা হৈছে। নাটকেইখনৰ মূল কাহিনী ভাগৱতপুৰাণৰ পৰা আহৰণ কৰা হৈছে যদিও নাট্যকাৰ মূলত শংকৰদেৱৰ দশমৰ দ্বাৰাহে প্ৰভাৱান্বিত হৈছে। তেওঁৰ 'উদ্ধৱযান নাটকত শংকৰদেৱ আৰু মাধৱদেৱৰ গীতো সন্নিবিষ্ট কৰা হৈছে।

গোপাল আতাৰ পৰৱৰ্তী কালৰ নাট্যকাৰসকলে নাট্য কাহিনীৰ নতুনত্বৰ বাহিৰে কাহিনীৰ উপস্থাপন চৰিত্ৰসৃষ্টি আৰু কলাকৌশলৰ দিশত বিশেষ মৌলিকতা দেখুৱাব পৰা নাই। নাটসমূহত আভিনায়িক দিশত অধিক গুৰুত্ব দিয়াৰ ফলত আধ্যাত্মিক গাম্ভীৰ্য

আৰু ভক্তিভাবৰ গাঢ়তা ক্ৰমান্বয়ে কমি আহিবলৈ ধৰে আৰু নাটকসমূহ লোক-ৰঞ্জনৰ সামগ্ৰীৰ পৰিণত হয়।

ৰামচৰণ ঠাকুৰৰ পুত্ৰ দৈত্যাৰি ঠাকুৰে 'নৃসিংহ যাত্ৰা আৰু 'স্যমন্ত হৰণ নামৰ দুখন নাট লিখে। 'নৃসিংহ যাত্ৰা'ত বিষ্ণুৰ পৰম ভক্ত প্ৰহ্লাদৰ একান্ত ভক্তিত সন্তুষ্ট হৈ কেনেদৰে নৰসিংহই হিৰণ্যকশিপুক বধ কৰিলে উক্ত কাহিনীভাগ বৰ্ণনা কৰা হৈছে। 'স্যমন্ত হৰণ'ত সত্ৰাজিতৰ স্যমন্তক মণি উদ্ধাৰ কৰিবলৈ গৈ কৃষ্ণই কেনেদৰে সত্যভামাক লাভ কৰিলে উক্ত কাহিনীভাগ বৰ্ণিত হৈছে। দুয়োখন নাটকতে পুৰণি অসমীয়াত লিখা পদৰ চানেকি পোৱা যায়। তেওঁৰ নাটকত সংস্কৃত নান্দীশ্লোকৰ উপৰিও অসমীয়াতো নান্দীগীত সন্নিবিষ্ট হৈছে। দুযোখন নাটকতে শংকৰদেৱৰ কীৰ্ত্তনৰ প্ৰহ্লাদ চৰিত্ৰ আৰু 'স্যমন্ত হৰণ'ৰ প্ৰভাৱ স্পষ্ট।

ভূষণ দ্বিজৰ দুখনি উল্লেখযোগ্য নাটক হ'ল 'অজামিল উপাখ্যান আৰু 'স্যমন্ত হৰণ নাট । নাটকীয বিষয়বস্তু আৰু কলা কৌশলৰ দিশৰ পৰা দুয়োখন নাটকতেই মহাপুৰুষ শংকৰদেৱৰ প্ৰভাৱ লক্ষ্য কৰা যায। ভবানীপুৰীযা গোপাল আতাৰ শিষ্য যদুমণিদেৱে 'ফল্গুযাত্ৰা নামেৰে এখনি নাটক ৰচনা কৰে। নাটখনত শ্ৰীকৃষ্ণই ব্ৰজধামৰ গোপ গোপীসকলৰ সৈতে ফল্গু বা দোল উৎসৱ পালন কৰা চিত্ৰ ৰূপায়িত কৰা হৈছে। নাটখনৰ মূল ভাগৱত পুৰাণ নহয় পদ্মপুৰাণৰ পাতাল খণ্ড আৰু 'স্কন্দ পুৰাণ'ৰ উৎকল খণ্ডৰ ফল্গু উৎসৱৰ সৈতেহে সাদৃশ্যযুক্ত। নাটখনৰ কেইবাটাও আকৰ্ষণীয় গীত সন্নিবিষ্ট কৰা হৈছে।

চৰিতপুথিৰ উল্লেখৰ পৰা জনা যায যে হৰিৰামদেৱে 'কংসবধ আৰু 'অজামিল উপাখ্যান আৰু নিত্যানন্দদেৱে 'মাৰীচ বধ নামৰ নাটক ৰচনা কৰিছিল। বৰ এলেঙি সত্ৰৰ ৰমাকান্তৰ দ্বাৰা ৰচিত পাণ্ডৱ বিজয় বা 'সিন্ধুৰা যাত্ৰা 'ৰাৱণ বধ আৰু প্ৰলয় বধ তিনিখন উল্লেখযোগ্য নাটক। 'সিন্ধুৰা যাত্ৰা নাটকখন ৰাম সৰস্বতীৰ 'সিন্ধুযাত্ৰা'ৰ বিষয়বস্তুৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰলম্ব বধ'ত শিশুলীলাৰ বৰ্ণনাৰ প্ৰভাৱ মনকৰিবলগীয়া। নাটকেইখনত শংকৰদেৱৰ কীৰ্ত্তন দশম আৰু মাধৱদেৱৰ গীতৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। গোপাল নামৰ ভনিতা থকা কেইবাখনো নাটক পোৱা গৈছে তাৰ ভিতৰত 'জৰাসন্ধ বধ 'সীতাহৰণ 'সীতাৰ পাতাল গমন আদি উল্লেখযোগ্য। অৱশ্যে নাটকেইখনৰ ৰচক একেজন নে বেলেগ বেলেগ সেই বিষয়ে খাটাংকৈ কব নোৱাৰি। এইসমূহ নাটকৰ বাহিৰেও লক্ষ্মীদেৱৰ 'ৰাৱণ বধ ৰামচন্দ্ৰ আতাৰ 'কংসবধ লক্ষ্মীনাথ

দাসৰ 'কুমৰ হৰণ সত্তুদাসৰ গোবৰ্দ্ধন যাত্ৰা আৰু 'অমৃত মন্থন বিশ্বম্ভৰ দাসৰ 'কংসবধ বিশ্বম্ভৰদেৱৰ 'বালিবধ ৰমাকান্তৰ প্ৰলয় বধ কামদেৱৰ 'কুমৰহৰণ নাট শ্ৰীৰামৰ 'সুভদ্ৰা হৰণ ভৱকান্ত মহন্তৰ 'সম্বৰাসুৰ বধ পূৰ্ণকান্তৰ 'হৰিশ্চন্দ্ৰ উপাখ্যান কমলৰ 'কুলাচল বধ প্ৰভৃতি শংকৰোত্তৰ কালছোৱাত ৰচিত কেইখনমান উল্লেখযোগ্য নাটক। শংকৰোত্তৰ কালছোৱাত ৰচিত অন্যান্য নাটকৰ ভিতৰত লক্ষীনাথৰ 'নৃসিংহ যাত্ৰা লক্ষীকান্ত দাসৰ 'হৰমোহন জগজীৱনৰ 'অজামিল কৃষ্ণদাসৰ 'বভ্ৰুবাহনৰ যুদ্ধ জয়দেৱৰ 'ৰাম-বনবাস হৰেন্দ্ৰৰ পুতনা বধ আৰু 'দুৰ্বাসা ভোজন প্ৰভৃতি নাটকৰ উল্লেখ কৰিব পাৰি।

অঙ্কীয়া নাটৰ ৰচনা আৰু অভিনয়ে লাহে লাহে সত্ৰৰ চাৰিবেৰৰ পৰা ওলাই আহি ৰজাঘৰ আৰু প্ৰজাঘৰত প্ৰবেশ কৰাৰ লগে লগেই নাটৰ ৰচনা আৰু অভিনয়ৰ ক্ষেত্ৰত ক্ৰমান্বয়ে নতুনত্বৰ সূচনা হ'ল। ফলত সংস্কৃত নাটকৰ বিদূষক চৰিত্ৰৰ সমাবেশ ঘটিবলৈ ধৰিলে। ফলস্বৰূপে নাটকসমূহ অনুকৰণধৰ্মী হবলৈ ধৰিলে আৰু আখ্যান বা কাহিনীভাগৰ নতুনত্বৰ বাহিৰে নাটকীয় কলাকৌশলত মৌলিকতা হ্ৰাস পালে। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ পৰবৰ্তী কালত ৰামচৰণ ঠাকুৰ ভূষণ দ্বিজ দৈতাৰি ঠাকুৰ প্ৰভৃতিয়ে নাট ৰচনাত শংকৰদেৱৰ নাট্যৰীতি অনুসৰণ কৰিছিল আৰু নাটবোৰত নন্দীশ্লোক সন্নিবিষ্ট কৰিছিল। কিন্তু পৰবৰ্তী নাট্যকাৰসকলে নান্দীশ্লোকৰ পৰিবৰ্তে স্তুতিগীত একোটিৰে নাট আৰম্ভ কৰিবলৈ ধৰিলে। দুই এজন নাট্যকাৰে নান্দীশ্লোক সংযোগ কৰিছে যদিও সেইবোৰ প্ৰায়েই স্ব-ৰচিত নহয় অথবা নাটকীয় বিষয়বস্তু সৈতে সম্পৰ্কৰহিত। নাটৰ ভিতৰতো শ্লোকৰ প্ৰযোগ ক্ৰমান্বয়ে হ্ৰাস হৈ আহিবলৈ ধৰিলে। সেইদৰে মুক্তিমঙ্গল ভটিমাৰ ব্যৱহাৰো হ্ৰাস পালে। নাটসমূহত ব্ৰজবুলি ভাষাৰ প্ৰযোগো লাহে লাহে হ্ৰাস পাবলৈ ধৰিলে। ভাষাৰ ক্ষেত্ৰতো শংকৰদেৱ মাধৱদেৱ ৰামচৰণ ঠাকুৰ দ্বিজভূষণ আদিৰ প্ৰতিপত্তি পৰবৰ্তী নাট্যকাৰ সকলৰ ৰচনাত পৰিলক্ষিত নহয়। মহেশ্বৰ নেওগে উল্লেখ কৰিছে যে 'ব্ৰজবুলিত লিখা অঙ্কীয়া নাটৰ বেলি লহিয়াবলৈ ধৰে গোপালদেৱৰ পৰাই আৰম্ভ কৰি।

শংকৰোত্তৰ কালছোৱাত অঙ্কীয়া নাটসমূহ লোক-মনোৰঞ্জনৰ সামগ্ৰী হৈ পৰাত ইয়াত ভক্তিৰসৰ গাঢ়তা ক্ৰমান্বয়ে কমি আহিবলৈ ধৰিলে আৰু তাৰ লগে লগে নাটবোৰত তৰল হাস্যৰস সৃষ্টিৰ প্ৰাধান্য বৃদ্ধি পাবলৈ ধৰিলে। মহাপুৰুষ শংকৰদেৱক অনুসৰণ কৰিলেও মাধৱদেৱে তাৰ মাজতেই স্বকীয় সৃজনী প্ৰতিভাৰ পৰিচয় দিবলৈ

সক্ষম হৈছিল। ঝুমুৰাসমূহ আছিল তেওঁৰ সৃজনী প্ৰতিভাৰ সৰ্বোৎকৃষ্ট নিদৰ্শন। কিন্তু গোপালদেৱৰ পৰবৰ্তী নাট্যকাৰসকলে নাটৰচনাত বিশেষ কৃতিত্বৰ পৰিচয় দিব পৰা নাই। মহাপুৰুষ শংকৰদেৱৰ নাটসমূহত নান্দীশ্লোক মুক্তিমঙ্গল ভটিমা আৰু নাটৰ ভিতৰতো বিষয়বস্তু প্ৰকাশক ভালেমান শ্লোকৰ অৱতাৰণা কৰা হৈছিল। কিন্তু পৰবৰ্তী নাট্যকাৰ সকলৰ প্ৰায়বোৰৰে নাটকত নান্দীশ্লোকৰ পৰিবৰ্তে স্তুতিগীত নাইবা আনৰ পৰা চয়ন কৰা শ্লোকৰ সংযোগহে সততে পৰিলক্ষিত হয়। এনে শ্লোকৰ সৰহভাগেই নাট্যকাহিনীৰ সৈতে সম্পৰ্কৰহিত আৰু ব্যাকৰণ দোষদুষ্ট। ভটিমাৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য।

নাটকীয় সংলাপৰ ক্ষেত্ৰতো শংকৰোত্তৰ নাট্যকাৰসকলে মৌলিকত্ব প্ৰদৰ্শন কৰিব পৰা নাই। তেওঁলোকে পূৰ্বকবি শংকৰদেৱ মাধৱদেৱ মাধৱকন্দলি ৰাম স্বৰস্বতী অনন্ত কন্দলিয়ে ৰচনা কৰা পদ্যৰ দ্বাৰা বিশেষভাবে প্ৰভাৱিত হৈছে আৰু পূৰ্বকবিসকলে ৰচনা কৰি যোৱা পদকেই নাটকীয গদ্যত ৰূপ দিয়াৰ প্ৰয়াস কৰিছে। গোপাল আতাৰ 'জন্মাযাত্ৰা আৰু 'নন্দোৎসৱ'ৰ মূল ভাগৱতৰ দশমস্কন্ধ যদিও নাট্যকাৰ শংকৰদেৱৰ দশমৰ দ্বাৰাহে অধিকভাবে প্ৰভাৱান্বিত। সেইদৰে গোপী উদ্ধৱ সংবাদ'তো দশমৰ গোপী উদ্ধৱ-সংবাদ'ৰ প্ৰভাৱ স্পষ্ট। নাটখনত সংযোগ কৰা প্ৰায় পঁচিশটা গীতৰ অধিকাংশই শংকৰদেৱ মাধৱদেৱ বিৰচিত গোপী বিৰহজ্ঞাপক বৰগীতসমূহৰ পৰা লোৱা হৈছে। দেত্যাৰি ঠাকুৰৰ 'স্যমন্তক হৰণ আৰু 'নৃসিংহ যাত্ৰা'তো মহাপুৰুষ শংকৰদেৱৰ কীৰ্ত্তনৰ প্ৰভাৱ লক্ষ্য কৰা যায়। অৱশ্যে যদুমণিদেৱৰ 'ফল্গুযাত্ৰা এইক্ষেত্ৰত ব্যতিক্ৰম।

মুঠতে শংকৰোত্তৰ কালছোৱাত ৰচিত প্ৰাযবোৰ নাটকতেই পূৰ্ববৰ্তী কবিসকলৰ ৰামায়ণ মহাভাৰত ভাগৱত পুৰাণ হৰণকাব্য বধকাব্য আদিৰ প্ৰভাৱ স্পষ্ট। আনহাতে চৰিত্ৰসমূহৰ মাজত বাকযুদ্ধ কথাৰ কটাকটি আদিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেখা যায়। অষ্টাদশ উনবিংশ শতিকাত ৰচিত নাটসমূহৰ এক লক্ষণীয় বিষয় হ'ল হাস্যৰস সৃষ্টিত গুৰুত্ব। ফলস্বৰূপে অঙ্কীয়া নাটকৰ কলাত্মক দিশটো ক্ৰমান্বয়ে অৱনমিত হ'বলৈ ধৰে। হৰণ কাব্য প্ৰণয়কাব্য বধকাব্য আদিৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ কাৰণে প্ৰায়বোৰ নাটতেই যুদ্ধৰ বৰ্ণনাৰ প্ৰাধান্য আৰু লৌকিকতাই অগ্ৰাধিকাৰ পাবলৈ ধৰিলে। গোপাল বিৰচিত 'সীতাহৰণ 'সীতাবৰ্জন 'বলিচলন আদি তাৰ সাৰ্থক নিদৰ্শন। অৱশ্যে ইয়াৰ মাজতেই দুই-এখন নাটকত সংলাপ ৰচনাৰ ক্ষেত্ৰত স্বকীয়তা দেখিবলৈ পোৱা যায়। বৰদোৱাৰ ভেটিয়নী সত্ৰৰ নাট্যকাৰ হৰেন্দ্ৰদেৱৰ 'দুৰ্বাসা ভোজন পুতনা বধ

'বভ্ৰুবাহন নাট' আদিত সংলাপৰ প্ৰয়োগ মনকৰিবলগীয়া। এওঁৰ নাটকৰ আন এটি মনকৰিবলগীয়া বৈশিষ্ট্য হৈছে স্বগতোক্তিৰ প্ৰয়োগ। কৃষ্ণদাস নামৰ এজন নাট্যকাৰৰ নামতো 'বভ্ৰুবাহন' নামৰ এখনি নাটক পোৱা যায়। পূৰ্ণকান্ত মহন্তৰ দ্বাৰা ৰচিত 'লঙ্কাদহন', 'হৰিশ্চন্দ্ৰ উপাখ্যান' আৰু 'সিন্ধুযাত্ৰা' নাটক কিছু পৰিমাণে গতানুগতিক। আনহাতে মহেশ্বৰ মহন্তৰ 'ত্ৰিপুৰাসুৰ বধ' 'গজেন্দ্ৰ মোক্ষণ' 'অমৃত মন্থন' আদি নাটত কিছু নতুনত্ব পৰিলক্ষিত হয়। কমলেশ্বৰ সিংহৰ ৰাজত্বকালত ফুলদাৰী সত্ৰৰ ভৱদেৱ মহন্ত বিৰচিত 'সম্বৰাসুৰ বধ' এখন উল্লেখযোগ্য নাটক। এইবোৰৰ বাহিৰেও বধকাব্যসমূহক আধাৰগ্ৰন্থ হিচাপে লৈ ভালেমান নাটক ৰচনা কৰা হৈছে। তাৰে ভিতৰত 'কুলাচল বধ' 'বঘাসুৰ বধ' 'খৰ বধ' 'জৰাসন্ধ বধ' 'অভিমন্যু বধ' 'জয়দ্ৰথ বধ' 'ধেনুকাসুৰ বধ' 'বকাসুৰ বধ' 'প্ৰলম্ব বধ' 'শতস্কন্ধ বধ' 'খটাসুৰ বধ' আদিৰ কথা উল্লেখ কৰিব পাৰি।

শ্ৰীৰাম আতাৰ 'সুভদ্ৰাহৰণ' নাটত শংকৰদেৱৰ ৰুক্মিণীহৰণ নাটৰ প্ৰভাৱ স্পষ্ট। 'নাৰদৰ ঘটকলি' 'কৃষ্ণাৰ্জুনৰ হাস পৰিহাস' 'বলৰামৰ বিধি পথালি' 'সুভদ্ৰা অৰ্জুনৰ পূৰ্বৰাগ' — এই সকলোবোৰ অৱস্থা আৰু চৰিত্ৰৰ চিত্ৰণত উক্তি-প্ৰত্যুক্তিত সজীৱতা লক্ষ্য কৰা যায়। নাৰদৰ যোগেদি সুভদ্ৰা আৰু অৰ্জুনৰ পূৰ্বৰাগৰ সূচনা কৰা চিত্ৰত শংকৰদেৱৰ 'ৰুক্মিণীহৰণ'ৰ প্ৰভাৱ পৰিলক্ষিত হয়। পূৰ্ণকান্তৰ 'হৰিশ্চন্দ্ৰ উপাখ্যান' কমলৰ 'কুলাচল বধ' লক্ষ্মীনাথৰ 'নৃসিংহ যাত্ৰা' লক্ষ্মীকান্তৰ 'হৰমোহন নাট' জগজ্জীৱনৰ 'অজামিল' কৃষ্ণ দাসৰ 'বভ্ৰুবাহন নাট' জয়দেৱৰ 'ৰাম বনবাস' হৰেন্দ্ৰ দাসৰ 'পুতনা বধ' 'দুৰ্বাসা ভোজন' উত্তম ৰামৰ 'উষাহৰণ' প্ৰভৃতি নাটকৰ ৰচনাই শংকৰোত্তৰ কালছোৱাত নাট ৰচনাৰ ধাৰাটো অব্যাহত ৰখাত সহায় কৰে। এই সময়ছোৱাত ৰচিত কিছুমান নাট্যকাৰৰ পৰিচয় অজ্ঞাত। এনে নাটকৰ ভিতৰত — 'প্ৰভাস যাত্ৰা' 'পাণ্ডৱ বিজয়' 'কুলাচল বধ' 'জয়দ্ৰথ বধ' 'অভিমন্যু বধ' 'শতস্কন্ধ ৰাৱণ বধ' 'তাল ভোজন' 'সীতাবৰ্জন' 'লৱ-কুশৰ যুদ্ধ' আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

এইদৰে অঙ্কীয়া নাটসমূহৰ অভিনয় আৰু চৰ্চাৰ এটি ধাৰা অষ্টাবিংশ উনবিংশ শতিকালৈ চলি থাকে। পৰৱৰ্তী কালছোৱাত যাত্ৰানাট আৰু আধুনিক মঞ্চনাটৰ প্ৰভাৱে নগৰ অঞ্চলত অঙ্কীয়া নাটৰ প্ৰতিপত্তিত বাধাৰ সৃষ্টি কৰে। সেইদৰে দুই-এখন আগবঢ়া গাঁৱতো মঞ্চনাটৰ প্ৰতি ৰাইজৰ দৃষ্টি আকৰ্ষণ হয়। কিন্তু সত্ৰ আৰু নামঘৰ সমূহত ইয়াৰ অনুশীলন চলিয়েই থাকে। সেয়ে সাম্প্ৰতিক কালতো ভিতৰুৱা গাওঁবোৰত বিভিন্ন তিথি মহোৎসৱ উপলক্ষে ভাওনা আদি অনুষ্ঠিত হোৱা দেখা যায়।

শংকৰোত্তৰ যুগৰ ব্যৱহাৰিক সাহিত্য

শংকৰোত্তৰ যুগত কেৱল কাব্য-কবিতা গীত-নাট আদিৰেই চৰ্চা হোৱা নাছিল তাৰ লগে লগেই ব্যৱহাৰিক জীৱনৰ লৈতে জড়িত চিকিৎসাবিদ্যা জ্যোতিষ ছন্দ শাস্ত্ৰ স্মৃতিশাস্ত্ৰ অস্ত্ৰশাস্ত্ৰ দৰ্শন আয়ুৰ্বেদ ব্যাকৰণ গণিত প্ৰভৃতিৰো চৰ্চা হৈছিল। অসমীয়া আৰু সংস্কৃত উভয় ভাষাতেই এই পুথিসমূহ ৰচিত হৈছিল। এইবোৰ বিষয়ক সাহিত্যৰ অন্তৰ্ভুক্ত কৰা বিষয়লৈ মতভেদ থাকিলেও অন্ততঃ ভাষাশৈলীৰ দৃষ্টিকোণৰ পৰা ইয়াৰ বিচাৰ কৰি চাব পাৰি। এই সম্পৰ্কত বিৰিঞ্চি কুমাৰ বৰুৱাৰ মন্তব্য এনে ধৰণৰ

'বিজ্ঞানৰ বিষয়বস্তুৰ ব্যাখ্যাৰ নিমিত্তে উপযোগী পোনপটীয়া বাক্যৰীতিৰ ব্যৱহাৰ এই ৰচনাৱলীত আছে। সেই একে কাৰণেই অৰ্থৰ দুৰ্বোধ্যতা অথবা অৰ্থৰ অস্পষ্টতা দোষৰ পৰা এই গ্ৰন্থসমূহ ভালেখিনি মুক্ত। সাহিত্যিক সৌন্দৰ্য্য আৰু গদ্য ৰচনা কৌশলৰ কথা এৰিও অসমীয়া কথা সাহিত্যৰ বুৰঞ্জীত এই গ্ৰন্থৰাজিৰ বিশেষ স্থান আছে।' [১]

শংকৰোত্তৰ যুগৰ ব্যৱহাৰিক সাহিত্যৰ যাই শাখাকেইটাৰ ভিতৰত অঙ্কশাস্ত্ৰ বা গণিত জ্যোতিষশাস্ত্ৰ ব্যাকৰণ ছন্দ আৰু চিকিৎসা বিজ্ঞানৰ কথা উল্লেখ কৰিব পাৰি।

গণিত শাস্ত্ৰ ঃ

শংকৰোত্তৰ যুগত গণিত শাস্ত্ৰত নিয়োজিত প্ৰধান ব্যক্তিসকলৰ ভিতৰত মহাৰাজ নৰনাৰায়ণৰ সভাপণ্ডিত বকুল কায়স্থৰ কথা উল্লেখ কৰিব লাগিব। বলদেৱ সূৰ্যখৰি দৈৱজ্ঞৰ 'দৰঙ্গ ৰাজবংশাৱলী'ৰ পৰা জনা যায় যে নৰনাৰায়ণে তেওঁক ভাস্কৰাচাৰ্যৰ সুবিখ্যাত গ্ৰন্থ সিদ্ধান্ত শিৰোমণিৰ লীলাৱতী অংশৰ ভাঙনি কৰিবলৈ নিৰ্দেশ দিছিল

'বকুল কায়স্থ তুমি ভাঙ্গা লীলাৱতী।
অল্পতে বুজয় যেন কায়স্থ সম্প্ৰতি।।' [২]

কবিয়ে 'লীলাৱতী' গ্ৰন্থৰ অসমীয়া ৰূপটিৰ নাম ৰাখিছে 'কিতাবৎ মঞ্জৰী'। পদছন্দত ৰচিত পুথিখনৰ আৰম্ভণিতে শিৱ পাৰ্বতীৰ বন্দনা কৰিছে এনেদৰে

'কিতাবত শাস্ত্ৰখান পৰম গহন।
তাক আৰেভিলো আমি হয়া অল্পজন।।
দোষ দেখি খেমা কৰা মুৰ্খ হেন জানি।
বকুলে বৰ্ণাও শিৱ বন্দিয়া ভৱানী।।

১ বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমীয়া কথা সাহিত্য (পুৰণি ভাগ) পৃ ৫১
২ শৰ্মা নবীনচন্দ্ৰ (সম্পা) ঃ দৰঙ্গ ৰাজবংশাৱলী পৃ ১২৪

বকুল কায়স্থৰ পিছতেই ভাস্কৰাচাৰ্যৰ সিদ্ধান্ত শিৰোমণিৰ 'লীলাৱতী' অংশ অসমীয়ালৈ ভাঙনি কৰে কবিৰত্ন দ্বিজে। পুথিখনৰ ৰচনাকাল জনা নাযায়। গণিত সম্পৰ্কীয় আন এখনি গ্ৰন্থ হ'ল চুডামণি দ্বিজৰ 'চুড়াম'ণি'। গ্ৰন্থখনিত জ্যোতিষৰ উপৰিও যোগ বিয়োগ আৰু জোখ মাখ সম্পৰ্কীয় কথাও লিপিবদ্ধ হৈছে।

গণিতৰ পুথিৰ ভিতৰত আন এখনি পুথি হ'ল কাশীনাথৰ 'অঙ্কৰ আৰ্যা'। গ্ৰন্থখনিত অঙ্কৰ লগতে মাটিৰ জোখ আৰু বৰ্গমূল উলিওৱা পদ্ধতিৰ বৰ্ণনা কৰা হৈছে।

জ্যোতিষ শাস্ত্ৰ ঃ

অসমত অতি প্ৰাচীন কালৰে পৰাই জ্যোতিষ চৰ্চাৰ প্ৰচলন আছিল। 'দৰঙ্গ ৰাজবংশাৱলী'ৰ মতে বিশ্বসিংহৰ ৰাজ জ্যোতিষীসকলৰ ভিতৰত এজনৰ নাম আছিল শ্ৰীবৰ যাৰ আছিল গ্ৰহ-নক্ষত্ৰ সম্পৰ্কীয় 'ৰাশি চোৱা' গ্ৰন্থ। কোচৰজা নৰনাৰায়ণৰ ৰাজত্বকালত পীতাম্বৰ সিদ্ধান্তবাগীশে 'গ্ৰহণ কৌমুদী' আৰু 'সিদ্ধান্ত কৌমুদী' নামৰ দুখন জ্যোতিষৰ পুথি ৰচনা কৰে। সেই সময়তে জ্যোতিষৰ কেইবাখনো গ্ৰন্থ বিভিন্ন কবিয়ে ৰচনা কৰি উলিয়ায়। অৱশ্যে এই গ্ৰন্থকেইখন সংস্কৃত ভাষাত ৰচিত। পুৰণি অসমত ৰচিত জ্যোতিষৰ অন্যান্য গ্ৰন্থসমূহ হ'ল — ৰঘুনন্দ ভট্টাচাৰ্যৰ 'জ্যোতিষতত্ব', বৈষ্ণৱ দ্বিজৰ 'জ্যোতিৰ্মুক্তাৱলী', গৰ্গ আচাৰ্যৰ 'গ্ৰহ নিৰ্ণয়', জগদীশ্বৰৰ 'জাত চন্দ্ৰিকা' আদিয়েই প্ৰধান।

কামৰূপৰ জ্যোতিষবিদ্যাৰ পৰম্পৰা আৰু ইয়াত ব্যৱহৃত গাণিতিক পদ্ধতি ভাৰতীয় অন্যান্য ঠাইৰ পদ্ধতিতকৈ পৃথক আছিল। এই পদ্ধতিমতে যোগ বিয়োগ পূৰণ-হৰণ বাও ফালৰ পৰা মচি মচি আৰ্যাৰ সহায়ত একেশাৰীতে কৰা হয়। কামৰূপত ষোড়শ-সপ্তদশ শতিকাৰ ৰচিত বংশীবাদন দ্বিজৰ 'জ্যোতিমুক্তাৱলী' জ্যোতিষ সম্পৰ্কীয় এখনি নিৰ্ভৰযোগ্য গ্ৰন্থ। আন এখনি জ্যোতিষ বিষয়ক গ্ৰন্থ হৈছে কৃষ্ণদেৱ মিশ্ৰৰ 'সংবৎসৰগণনা'।

চিকিৎসা শাস্ত্ৰ ঃ

জ্যোতিষ বিদ্যাৰ দৰেই পুৰণি কামৰূপত চিকিৎসা বিদ্যাৰ চৰ্চাও হৈছিল। পুৰণি অসমৰ শিলালিপিত সপ্তম আৰু দ্বাদশ শতিকাৰ দুগৰাকী নিদান শাস্ত্ৰবিদৰ নাম পোৱা গৈছে। দশম শতিকাৰ বিখ্যাত চিকিৎসাবিদ নাগাৰ্জুন কামৰূপৰ লোক আছিল বুলি জনা যায়। 'দৰঙ্গ ৰাজবংশাৱলী'ৰ মতে বিশ্বসিংহ নিজেও চিকিৎসা শাস্ত্ৰত পাৰ্গত

৩ শৰ্মা, নবীনচন্দ্ৰ (সম্পা) দৰঙ্গ ৰাজবংশাৱলী পৃ ৩৬

আছিল। তেওঁৰ প্ৰধান ৰান্ধনিগৰাকীও বৈদ্যশাস্ত্ৰবিশাৰদ আছিল।[৪] জয়ধ্বজ সিংহৰ দিনৰে পৰা আহোম ৰাজ্যত ৰাজবৈদ্য নিয়োগ কৰা হয়। তেওঁৰ দিনতেই কনৌজৰ পৰা কালীচৰণ শৰ্মা নামৰ এগৰাকী বৈদ্যক অনাই বেজবৰুৱা উপাধি প্ৰদান কৰা হয়। ভৱ মিশ্ৰৰ 'ভৱপ্ৰকাশ সংস্কৃত ভাষাত ৰচিত এখনি নিদান শাস্ত্ৰৰ প্ৰসিদ্ধ গ্ৰন্থ। অনুৰূপভাবে ঢুনঢুকনাথৰ 'ৰসেন্দ্ৰ চিন্তামণি আৰু নিত্যনাথ বিৰচিত 'ৰস ৰত্নাকৰ দুখনি প্ৰসিদ্ধ আয়ুৰ্বেদ চিকিৎসাৰ গ্ৰন্থ।

মানুহৰ চিকিৎসাৰ লগে লগে অন্য পশু পক্ষীৰ বাবেও চিকিৎসাৰ ব্যৱস্থা আছিল। পঞ্চম শতিকাৰ প্ৰখ্যাত আয়ুৰ্বেদ শাস্ত্ৰকাৰ পালকাপ্যই 'হস্ত্যায়ুৰ্বেদ ৰচনা কৰিছিল য'ত হাতীৰ চিকিৎসাৰ বিষয়ে বৰ্ণনা পোৱা যায়। পুথিখন যে পুৰণি কামৰূপত ৰচিত হৈছিল তাৰ আভাসো গ্ৰন্থখনিত স্পষ্ট শৈলজাশ্ৰিত৲ পুণ্যং লৌহিত্য৲ সাগৰং প্ৰতি।

সপ্তদশ অষ্টাদশ শতিকাত ৰচিত আন কেইখনমান চিকিৎসাবিষয়ক গ্ৰন্থ হ'ল 'হস্তিবিদ্যাৰ্নৱ আৰু 'ঘোঁৰা নিদান। সুকুমাৰ বৰকাঠ নামৰ এজন লোকে হস্তি বিদ্যাৰ্ণৱ নামৰ গ্ৰন্থখনি ৰচনা কৰে। গ্ৰন্থখনিত হাতীৰ বিভিন্ন প্ৰকাৰৰ ৰোগ আৰু চিকিৎসা ব্যৱস্থাৰ বিষয়ে বৰ্ণনা কৰা হৈছে। আনহাতে ঘোঁৰাৰ চিকিৎসা সম্পৰ্কে বৰ্ণনা সম্বলিত নিদান শাস্ত্ৰৰ গ্ৰন্থখনিৰ ৰচক অজ্ঞাত। দুয়োখন গ্ৰন্থৰ নিদৰ্শন হিচাপে কিছু উদ্ধৃত কৰা হ'ল —

(ক) 'সিলৰ আগ মঙ্গহৰ পৰা যি জাত হস্তি হৈছে, তাৰ লক্ষণ কাণৰ ওপৰভাগ দুখৰিয়া হেঙুলৰ বৰ্ণৰ সদৃশ তাৰ প্ৰকৃতি বালকে ওমোলাভাৱে উমলি থ'কে। এক দেউবৃসিয়ে অৰণ্যত ফুৰোতে সেই হস্তিক দেখি সাম্পতি নামে ৰাজাত কলিহে। পাছে ৰাজায়ে গৈ সেই হস্তিক ধৰি আনিলে। তাৰে পৰা আনোতে ৰাজ্যলৈ বিয়পিল। এতেকে ৰজাসকলে এনে হস্তিক চিনি ৰাজ্যলৈ আনিব তেহে ৰাজ্যৰ সম্পত্তি বাঢ়ে। ইত্যাদি। (হস্তি বিদ্যাৰ্ণৱ)

(খ) 'অথ ঘোড়াৰ লক্ষণ। টাঙ্গনৰ তিনি জাতি। টাটুকীৰ তিনি জাতি। টাটুকীৰ বুকু বহল ডিঙি ডাঙৰ। তাজীৰ বুকু ডিঙ্গি সৰু। কিয় ভাল আচোৰাৰি হলে বিচাৰি পাব। জিঞ্জিনিয়া হ'লে তিনি খোজ মানক লাগি ঠেঙ্গ চোচোৰাই, যত ৰাখৰ আছে মানে সবাকো লব আৰু কলাখাৰ মাহ ডালি সহিতে বান্ধি খুৱাব নাশ হব। (ঘোৰা নিদান)

'হস্তি বিদ্যাৰ্ণৱ'ৰ বিষয়বস্তু শম্ভুনাথ প্ৰণীত গজেন্দ্ৰ চিন্তামণি নামৰ সংস্কৃত শাস্ত্ৰৰ পৰা লোৱা হৈছে। গ্ৰন্থখনিত হাতীৰ প্ৰকৃতি লক্ষণ ৰোগ আৰু ৰোগ নিৰাময় হাতী

৪ শৰ্মা নবীনচন্দ্ৰ (সম্পা) নৱম ৰাজবংশাৱলী পৃ ৩৭

বশ কৰাৰ পদ্ধতি হাতীৰ লক্ষণ আদি বৰ্ণনা কৰা হৈছে। ঘোঁৰা নিদান'ত ঘোঁৰাৰ জাতি আৰু লক্ষণ ৰোগ আৰু চিকিৎসাৰ বৰ্ণনা কৰা হৈছে।

শেনৰ শিক্ষা আৰু চিকিৎসা সম্পৰ্কীয় শেনৰ বিদ্যা নামৰ এখনি চিকিৎসা শাস্ত্ৰ পোৱা গৈছে। ইয়াৰ বাহিৰেও সংস্কৃত ভাষাৰ শ্ৰীহস্তমুক্তাৱলী আৰু 'কামৰত্ন তন্ত্ৰ গ্ৰন্থ দুখনিও অসমীয়ালৈ অনুদিত হয়। মূল শুভঙ্কৰৰ শ্ৰীহস্তমুক্তাৱলী অভিনয়ত ব্যৱহৃত হোৱা নৃত্য আৰু মুদ্ৰা বিষয়ক পুথি। ইয়াৰ শ্লোকসমূহ নাট্যবিদ্যা সম্পৰ্কীয় শাস্ত্ৰৰ পৰা উদ্ধৃত। গ্ৰন্থ দুখনিৰ দৃষ্টান্ত তলত দাঙি ধৰা হ'ল

(ক) এখন পতাকাক আদি কৰি হস্তদসকলৰ যিমতে দিয়া নহয জলাদিতো যিমতে ভেদ হয় ইহাৰ লক্ষণ নিৰূপণ কৰিব সকলো আঙ্গুলিক একেলগ কৰি পোন কৰিব বুঢ়া আঙ্গুলি কিছু কুচিব। ইহাক পতাকা নাম হস্ত বুলি। হস্তক চিত কৰিয়া সকলো আঙ্গুলি বিৰল কৰি আগ কিছু কেকোঁৰা কৰিয়া বৰ্তুলাকাৰ কৰে ইহাক পদ্মকেশ নাম হস্ত বুলি। বুঢ়া আঙ্গুলিক মাজৰ আঙ্গুলি এৰে একেলগ কৰি হংসৰ মুখৰ সদৃশ কৰিব কুশ আঙ্গুলি কায় আঙ্গুলি দুইক মেলিব। ইহাক হংসমুখ নাম হাত বুলি।। ইত্যাদি। (হস্ত মুক্তাৱলী)

(খ) শ্ৰীকৃষ্ণায়নম অৰ্থ শিৱ পাৰ্বতী সম্বাদ। একাদিনা পাৰ্বতীয়ে শঙ্কৰত সুধন্ত প্ৰভু কামৰত্ন তন্ত্ৰ মোত কহা। শঙ্কৰে কহন্ত জানা পাৰ্বতী বশ আকৰ্ষণ বিদ্বেষণ স্তম্ভন মাৰণ সান্তিপুষ্টি আদি কৰি এই কৰ্মসকল যে কালত যে নিয়মে কৰিব তাহাক কহো। অথ সৰ্ব জন্তু বিষ নিবাৰণ। কৰচাৰ মূল খুটি সেত সৰিয়হ বাটি দিলে গুছে। (কামৰত্ন তন্ত্ৰ)।

গোৰক্ষ নামৰ নামত প্ৰচলিত 'কামৰত্ন তন্ত্ৰ নামৰ সংস্কৃত গ্ৰন্থৰ এইখনি গদ্য ভাঙনি।

পুৰণি কামৰূপত ৰচিত আয়ুৰ্বেদ শাস্ত্ৰৰ আন দুখনি উল্লেখযোগ্য গ্ৰন্থ হ'ল জগন্নাথ কবিৰাজৰ বৈদ্যসাৰোদ্ধাৰ আৰু দামোদৰৰ 'চিকিৎসা সংহিতা। আহোম ৰজা লক্ষ্মীসিংহৰ ৰাজত্বকালত (১৯৬১ ১৭০২) অনঙ্গ কবিৰাজে বৈদ্য কল্পতৰু নামেৰে গ্ৰন্থ ৰচনা কৰে।

টীকা শাস্ত্ৰ

কোচৰজাৰ ৰাজত্বকালত নৰনাৰায়ণৰ ভাতৃ চিলাৰায়ে জয়দেৱৰ গীতগোবিন্দৰ 'সাৰাবতী টীকা লিখে। আনহাতে ৰত্নাকৰ কন্দলি নামৰ আন এগৰাকী পণ্ডিতে 'সাৰদীপিকা নামৰ আন এখনি মনোগ্ৰাহী টীকাগ্ৰন্থ লিখি উলিযায়। কন্দলি নৰনাৰায়ণ ৰজাৰ সভাকবি আছিল। অনুৰূপভাৱে পণ্ডিত ৰত্নাগৰ্ভাচাৰ্যই 'সাৰমঞ্জৰী নামেৰে ভাৰবিৰ মহাকাব্য কিৰাতাৰ্জুনীয়ৰ এটি টীকা লিখি উলিয়ায়।

ব্যাকৰণ ঃ

কোচৰজা নৰনাৰায়ণৰ নিৰ্দেশক্ৰমে মহামহোপাধ্যায় পুৰুষোত্তম ভট্টাচাৰ্য বিদ্যাবাগীশে ১৫৬৮ খ্ৰীষ্টাব্দৰ 'প্ৰয়োগ ৰত্নমালা'ৰ চন্দ্ৰশেখৰী টীকা জীবেশ্বৰ ভট্টাচাৰ্যই 'ৰত্নমালাপঞ্জিকা আৰু নৰেন্দ্ৰ ভট্টাচাৰ্যই 'ৰত্নমালা প্ৰদীপিকা নামৰ টীকা লিখি উলিয়ায়। এনে টীকাগ্ৰন্থৰ পৰা সেই সময়ত অসমত ব্যাকৰণৰ ব্যাপক চৰ্চা হৈছিল যেনে অনুমান কৰিব পাৰি।

ছন্দশাস্ত্ৰ ঃ

নৰনাৰায়ণ ৰজাৰ সভাকবি কৰ্ণপুৰে বৃত্তমালা নামৰ ছন্দশাস্ত্ৰৰ গ্ৰন্থ ৰচনা কৰি উলিয়ায়। পৰৱৰ্তী কালত মহামহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্যই 'বৃত্তমঞ্জৰী নামৰ এখনি ছন্দ শাস্ত্ৰৰ প্ৰণালীবদ্ধ গ্ৰন্থ ৰচনা কৰে।

স্মৃতিশাস্ত্ৰ ঃ

কামৰূপত স্মৃতিশাস্ত্ৰ ৰচনাৰ পৰম্পৰা অতি প্ৰাচীন। কামৰূপীয় ধাৰাৰ স্মৃতিশাস্ত্ৰকাৰসকলৰ ভিতৰত নীলাম্বৰাচাৰ্যই সবাতোকৈ প্ৰাচীন। দামোদৰ মিশ্ৰ বেদাচাৰ্য অনন্ত কন্দলি আদিও এই পৰম্পৰাৰ সৈতে জড়িত। পীতাম্বৰ সিদ্ধান্তবাগীশে (১৫২৫ ১৬১৫) প্ৰায় পোন্ধৰখন স্মৃতিগ্ৰন্থ ৰচনা কৰিছিল। তেনে গ্ৰন্থৰ ভিতৰত ন্যায়িক বিধি সম্বলিত গ্ৰন্থকেইখন হ'ল — 'ব্যবহাৰ কৌমুদী 'বিবাদ কৌমুদী আৰু 'দণ্ড কৌমুদী'ৰ নাম উল্লেখযোগ্য।

সিদ্ধান্তবাগীশৰ সমসাময়িক এগৰাকী বয় কনিষ্ঠ স্মৃতিকাৰ হ'ল বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য। তেওঁৰ একমাত্ৰ স্মৃতি গ্ৰন্থখনি হ'ল 'শৰণ মালিকা।

শম্ভুনাথ মিশ্ৰ সিদ্ধান্তবাগীশে বৰ্ষভাস্কৰ 'দিনভাস্কৰ আদি নামেৰে দ্বাদশ খণ্ডৰ এখন বৃহৎ গ্ৰন্থ প্ৰণয়ন কৰে আৰু কামৰূপৰ প্ৰাচীন মতৰ সমৰ্থনত ৰঘুনন্দন ভট্টাচাৰ্যৰ স্মাৰ্তমতৰ তীব্ৰ বিৰোধিতা কৰে। তেওঁ কোচবেহাৰৰ ৰজা ধৰ্মদেৱৰ পৃষ্ঠপোষকতা লাভ কৰি শাস্ত্ৰ ৰচনা কৰিছিল।

পৰিশিষ্ট

ক) আধুনিক যুগৰ অসমীয়া ভাষা ঃ

অৰুণোদয় কাকত প্ৰকাশৰ লগে লগেই অসমীয়া ভাষাত আধুনিক যুগৰ সূচনা হয়। ১৮১৩ চনত বাইবেল পুথি অসমীয়ালৈ অনুবাদ হোৱাৰে পৰাই অসমীয়া ভাষাত আধুনিক যুগটোৰ সূচনা হোৱা বুলিব পাৰি। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসম দেশ ইংৰাজ চৰকাৰৰ অধীনলৈ যায়। তাৰ পাছতেই ১৮৩৬ চনত অসমৰ পঢ়াশালি আৰু আদালতৰ পৰা অসমীয়া ভাষা অপসাৰিত হয়। এনে সময়তে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেৰে আমেৰিকাৰ বেপ্টিষ্ট মিচনৰ সদস্যসকলৰ অসমলৈ আগমন ঘটে। মিছনেৰীসকলে অসমত প্ৰবেশ কৰিয়েই দেশৰ ভাষা সমস্যাটোৰ প্ৰতি সজাগ হৈ অসমীয়া ভাষাক স্কুল আদালতত পুনৰ প্ৰতিষ্ঠাৰ কাৰণে যত্নপৰ হ'ল। তেওঁলোকে শিৱসাগৰত মিছন প্ৰেছ স্থাপন কৰি অৰুণোদয় কাকত প্ৰকাশ কৰি উলিয়ালে। তাৰ লগে লগেই ইংৰাজ চৰকাৰৰ ভুল ভাষানীতিৰ সমালোচনা কৰি কেইজনমান স্বদেশপ্ৰেমী অসমীয়া লোকৰ সহযোগত ১৮৭৩ খৃষ্টাব্দত অসমীয়া ভাষাক পুনৰ ন্যায্য স্থানত প্ৰতিষ্ঠিত কৰালে।

১৮৪৬ চনত মিছনেৰীসকলৰ যত্নত প্ৰকাশ লাভ কৰা 'অৰুণোদই' নামৰ মাহেকীয়া আলোচনীখনেই দৰাচলতে আধুনিক অসমীয়া ভাষা-সাহিত্যৰ ভেটি প্ৰতিষ্ঠা কৰে। এইখন কাকতৰ মাধ্যমেদিয়েই অসমীয়া সাহিত্যত আধুনিকতাৰ বীজ ৰোপিত হয়।

মিছনেৰীসকলৰ বৰ্ণ বিন্যাস পদ্ধতি আছিল উচ্চাৰণভিত্তিক। সেয়ে হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই তেওঁলোকৰ বৰ্ণবিন্যাস ৰীতি সমৰ্থন কৰা নাছিল। অসমীয়া ভাষাৰ বৰ্ণবিন্যাস আৰু বাক্য গঠনৰ ক্ষেত্ৰত তেওঁ প্ৰধানকৈ সংস্কৃত ব্যাকৰণৰ আদৰ্শ অনুসৰণ কৰিছিল। অৰুণোদইৰ বৰ্ণ বিন্যাসৰ ক্ষেত্ৰত তেওঁ প্ৰধানকৈ সংস্কৃত ব্যাকৰণৰ আদৰ্শ অনুসৰণ কৰিছিল। অৰুণোদইৰ বৰ্ণ বিন্যাস ৰীতি সংশোধন কৰাবলৈ যাওঁতে হেমচন্দ্ৰ বৰুৱাই নিধিৰাম ফাৰবেলৰ পৰা যথেষ্ট বাধাৰ সন্মুখীন হৈছিল।

অৰুণোদই কাকতৰ যোগেদি অসমীয়া ভাষা স্কুল আদালতত পুনৰ প্ৰতিষ্ঠা হ'ল যদিও হেমচন্দ্ৰ গুণাভিৰাম আৰু তেওঁলোকৰ সহযোগীসকলে নিৰ্মাণ কৰি যোৱা সাহিত্যক টনকিয়াল কৰি তুলিবৰ বাবে কেইজনমান প্ৰবাসী অসমীয়া ছাত্ৰই ১৮৮৮

চনত কলিকতাত প্ৰতিষ্ঠা কৰা 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ যোগেদি কিছুমান গঠনমূলক প্ৰচেষ্টা হাতত লয়। তাৰ ভিতৰত — (১) পুৰণি পুথি সংগ্ৰহ আৰু প্ৰকাশ (২) অসমৰ সকলো শিক্ষানুষ্ঠানত অসমীয়া ভাষাৰ প্ৰচলন (৪) সংস্কৃত বা আন ভাষাৰ পৰা ভাল পুথিৰ অনুবাদকৰণ (৫) অসমৰ সামাজিক আৰু ধাৰ্মিক ৰীতি-নীতিৰ দৃষ্টান্ত সংগ্ৰহ আৰু বুৰঞ্জী প্ৰণয়ন (৬) সাহিত্যৰ আৰু পাঠ্যপুথিৰ অভাৱ দূৰীকৰণ ইত্যাদি। এই উদ্দেশ্যসমূহ কাৰ্যত পৰিণত কৰিবৰ কাৰণে ১৮৮৯ চনত অ ভা উ সা সভাৰ মুখপত্ৰ হিচাপে জোনাকী নামৰ কাকতখনি মাহেকীয়াকৈ প্ৰকাশ কৰা হয়। চন্দ্ৰকুমাৰ আগৰৱালা আছিল কাকতখনৰ প্ৰথম সম্পাদক।

জোনাকী কাকতৰ যোগেদি অসমীয়া সাহিত্যত এক আন্দোলন গঢ়ি উঠিল আৰু এক নতুন সাহিত্যিক শৈলীয়ে আত্মপ্ৰকাশ কৰিলে। এই সাহিত্যিক পৰম্পৰা সম্পূৰ্ণভাৱে পূৰ্বৰ সাহিত্যিক পৰম্পৰাৰ পৰা পৃথক। এই যুগৰ কবি সাহিত্যিকসকল মূলত ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল।

জোনাকী স্তৰৰ ভাষাত মূলতঃ দুটা প্ৰবাহ লক্ষ্য কৰা যায় এটা পদ্মনাথ গোহাঞি বৰুৱাৰ পৰম্পৰাবাদী আৰু আনটো লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিৱৰ্তনকামী ভাষা। বেজবৰুৱাৰ ভাষাত প্ৰবহমানতা বিদ্যমান। বেজবৰুৱাই তেওঁৰ বিবিধ ৰচনাৰাজিত শব্দচয়নৰ ক্ষেত্ৰত আচৰিত ধৰণে উদাৰতা অৱলম্বন কৰিছে আৰু একেবাৰে ঘৰুৱা অসমীয়া শব্দৰ পৰা আৰম্ভ কৰি উপভাষাৰ শব্দ বিদেশী শব্দ সকলো নিজৰ ৰচনাত প্ৰয়োগ কৰিছে। ভাষাৰ প্ৰকাশিকা শক্তি বৃদ্ধিৰ কাৰণে তেওঁ নিজাববীয়াকৈয়ো কেতবোৰ শব্দ সৃষ্টি কৰিছে। বেজবৰুৱাৰ বিপৰীতে পদ্মনাথ গোহাঞি বৰুৱাই অসমীয়া ভাষাত বিদেশীৰ ভাঁজ নপৰা এটি গঢ় দিবলৈ প্ৰচেষ্টা কৰিছিল আৰু তেওঁৰ 'নীতিশিক্ষা আদি পঢ়াশলীয়া পুথিৰে সেইবিষয়ে আনকো অনুপ্ৰেৰণা যোগাইছিল। তেওঁৰ জীৱনৰ লক্ষ্য আছিল অসমীয়া ভাষা আৰু সাহিত্য পৰিপুষ্ট কৰা আৰু অসমবাসীৰ মাজত অধ্যয়ন অভ্যাস গঢ়ি তোলা। বেজবৰুৱাৰ দৰে গোহাঞিবৰুৱাৰ ৰচনাতো ভালেমান নিভাঁজ অসমীয়া শব্দৰ প্ৰয়োগ ঘটিছে। বেজবৰুৱাৰ পথকে অনুসৰণ কৰি বেণুধৰ শৰ্মা অতুলচন্দ্ৰ হাজৰিকা অম্বিকাগিৰি ৰায়চৌধুৰী সত্যনাথ বৰা আদিয়ে অসমীয়া ভাষাৰ সমৃদ্ধি আৰু বিকাশ সাধনত অৰিহণা যোগায়। বেণুধৰ শৰ্মাৰ ভাষা আকৰ্ষণীয়। অসমীয়া ভাষাৰ পৰিপুষ্টিত অৰিহণা যোগোৱা আন এগৰাকী বিশিষ্ট সাহিত্যিক হ'ল অম্বিকাগিৰি ৰায়চৌধুৰী। তৎসম শব্দৰ প্ৰাচুৰ্য ৰায়চৌধুৰীৰ ৰচনাৰ এটি মন কৰিবলগীয়া বিশেষত্ব। আন এগৰাকী নিভাঁজ অসমীয়া গদ্য ৰচক হ'ল সত্যনাথ বৰা। তেওঁৰ ৰচনাত বেকনৰ আৰ্হি বিদ্যমান।

যুদ্ধোত্তৰ যুগৰ অসমীয়া ভাষা ঃ

দ্বিতীয় মহাযুদ্ধৰ ধ্বংসলীলাই সমগ্ৰ বিশ্বজুৰি ৰাজনৈতিক আৰু সামাজিক দিশত যি পৰিবৰ্তনৰ সূচনা কৰিলে তাৰ প্ৰভাৱ অসমতো পৰিল। জনগণৰ আৰ্থিক দুৰাবস্থা মূল্যবৃদ্ধি খাদ্যবস্তুৰ নাটনি চোৰাং বজাৰ আদিয়ে শৈক্ষিক আৰু সাংস্কৃতিক বিকাশ ধ্বংসমুখী কৰি তুলিলে। সমাজত নৈতিকতাৰ অপমৃত্যু ঘটিল আৰু মূলবোধৰ চৰম অৱক্ষয় আৰম্ভ হ'ল। দেশৰ এনে দুৰ্যোগপূৰ্ণ অৱস্থাত অসমীয়া ভাষা-সাহিত্যয়ো নতুন বাট বুলিলে। মহাযুদ্ধৰ পৰৱৰ্তী কালছোৱাত অসমীয়া ভাষাৰ প্ৰকাশভংগীৰ দিশত নতুনত্বৰ সূচনা হ'ল। অসমীয়া কবিতা উপন্যাস চুটিগল্প প্ৰভৃতি সাহিত্যৰ বিবিধ দিশত এনে পৰিবৰ্তনে সাহিত্যত নতুনত্বৰ সূচনা কৰিলে।

ভবানন্দ দত্ত অমূল্য বৰুৱা কেশৱ মহন্ত আদিৰ হাতত আধুনিক অসমীয়া কবিতাই নতুন গতি লাভ কৰিলে। নতুন কবিসকলে যেনেকৈ ন ন উপমা চিত্ৰকল্প সৃষ্টি কৰিছে তেনেকৈ শব্দভাণ্ডাৰো আমদানি কৰিছে। আগৰ চাম কবিয়ে ব্যৱহাৰ নকৰা বহুতো সংস্কৃত শব্দই অসমীয়া কবিতাত প্ৰকাশৰ অধিকাৰ পাইছে।

জয়ন্তীত হোৱা পৰিবৰ্তনৰ সামগ্ৰীক বিকাশ ঘটে 'ৰামধেনু'ত। অকল কবিতাতে নহয় গল্পৰ বিষয়বস্তু আংগিক আৰু প্ৰকাশভংগীৰ লগতে উপন্যাস নাটক আৰু জীৱনী আদিৰো যথেষ্ট পৰিবৰ্তন সূচিত হয়। যুদ্ধোত্তৰ যুগত সংঘটিত হোৱা বৌদ্ধিক পৰিবৰ্তনৰ ফলস্বৰূপে অসমীয়া ভাষাত ভালেমান দেশী বিদেশী শব্দৰ প্ৰয়োগ অতি সীমিত। যুদ্ধোত্তৰ কালছোৱাত অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তি যথেষ্ট বৃদ্ধি পাইছে আৰু অসমীয়া ভাষাই সকলো দিশতে যথেষ্ট সমৃদ্ধি লাভ কৰিছে।

খ) আধুনিক অসমীয়া লিপি ঃ

অসমত বৃটিছ ৰাজত্বৰ আৰম্ভণিৰ লগে লগেই অসমীয়া লিপিৰ আধুনিক যুগৰ সূচনা হোৱা বুলিব পাৰি। খৃষ্টান মিছনেৰীসকলে অসমীয়া ভাষাত কিতাপ পত্ৰ আলোচনী আদি ছপাবৰ কাৰণে ঊনবিংশ শতিকাৰ আৰম্ভণিতে মেছিনত কাটি ছপাপুথিত ব্যৱহাৰৰ কাৰণে প্ৰয়োগ কৰা লিপিয়েই আধুনিক অসমীয়া লিপি।

মিছনেৰীসকলে পুথি ছপোৱাৰ কাৰণে অসমীয়া বৰ্ণ বিন্যাস ৰীতি অনুসৰণ কৰা নাছিল আৰু সেয়ে হেমচন্দ্ৰ বৰুৱাই বৰ্ণ বিন্যাস ৰীতি পৰিবৰ্তনৰ কাৰণে যথেষ্ট কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল। অসমত ছপা আখৰৰ প্ৰচলন হোৱাৰ লগে লগেই অসমীয়া আখৰৰ গঢ়ে সুকীয়া ৰূপ পৰিগ্ৰহ কৰে।

আধুনিক অসমীয়া লিপি আৰু বঙলা লিপিৰ মাজত সাদৃশ্য থাকিলেও উভয়বিধ লিপি স্বতন্ত্ৰ। অসমীয়া লিপিৰ 'ৰ' আৰু 'ৱ' আখৰ দুটাই উভয় লিপিৰ মাজত থকা পাৰ্থক্যৰ আভাস দিয়ে। বঙলাত 'ব' আখৰৰ তলত এটা ফোট দি 'ৰ' কৰা হৈছে। আনহাতে বঙলা লিপিত 'ৱ' আখৰটো নাই। সেয়ে তাত 'ৱ'ৰ সলনি 'য়' আখৰটো ব্যৱহাৰ কৰা হয়।

অসমৰ থলুৱা জনগোষ্ঠীসমূহৰ মাজত আৰম্ভণিৰে পৰা অসমীয়া ভাষা আৰু লিপি উমৈহতীয়াভাৱে ব্যৱহৃত হৈ আহিছে। অসমৰ জনজাতীয় ভাষাসমূহৰ সৈতে অসমীয়া ভাষাৰ সম্পৰ্ক থাকিলেও বৰ্তমান ৰাজনৈতিক কাৰণত বিভিন্ন জনজাতীয় লোকসকলে ৰোমান লিপি গ্ৰহণৰ পোষকতা কৰা দেখা যায়। উল্লেখযোগ্য যে অসমীয়া ভাষা আৰ্য আৰু আৰ্যভিন্ন বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ত গঢ় লৈ উঠিছে। সেয়েহে অসমীয়া ভাষাৰ লিপি নিৰ্ধাৰণৰ ক্ষেত্ৰত অধিক আবেগিক নহৈ অসমীয়া জাতি গঠনত সহায়ক হোৱাকৈ যুক্তি আৰু বিবেকৰ আধাৰত এৰাধৰা মনোভাবেৰে অগ্ৰসৰ হোৱাটো বাঞ্ছনীয়। অসমীয়া লিপিৰ ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত সকলোধৰণৰ আঞ্চলিক ধৰ্মীয় আৰু সাম্প্ৰদায়িক ভেদভাৱ পৰিহাৰ কৰাটো এইক্ষেত্ৰত অতি প্ৰয়োজনীয়।

নিৰ্বাচিত গ্ৰন্থপঞ্জী

অসমীয়া

১। কটকী প্ৰফুল্ল — ক্ৰমবিকাশত অসমীয়া কথাশৈলী বীণা লাইব্ৰেৰী গুৱাহাটী ১৯৯৮।

২। কাকতি বাণীকান্ত — পুৰণি অসমীয়া সাহিত্য গুৱাহাটী ১৯৮৯।
পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা পাঠশালা ১৯৫৩।
বাণীকান্ত ৰচনাৱলী সম্পা মহেশ্বৰ নেওগ গুৱাহাটী ১৯৯১।

৩। কৌশাম্বী ডি ডি ঃ ভাৰতৰ ইতিহাস (অনুবাদ)।

৪। খনিকৰ সূৰ্যকান্ত ঃ চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি ১৯৯১।

৫। গোস্বামী উপেন্দ্ৰনাথ ঃ বৈষ্ণৱ ভক্তিধাৰা আৰু সন্তকথা গুৱাহাটী ১৯৭৫।
ঃ ভাষা আৰু সাহিত্য গুৱাহাটী ১৯৭২।

৬। গোস্বামী নাৰাযণ চন্দ্ৰ — সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা নতুন কমলাবাৰী সত্ৰ ১৯৮৪।

৭। গোস্বামী সত্যেন্দ্ৰ নাৰায়ণ — ভাষা-সাহিত্যৰ ৰূপৰেখা গুৱাহাটী ১৯৯৬।

৮। গোস্বামী যতীন্দ্ৰনাথ — অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী গুৱাহাটী ১৯৮০।

৯। গোস্বামী প্ৰফুল্লদত্ত — অসমীযা জন সাহিত্য পাঠশালা ১৯৮৮।
বাৰমাহৰ তেৰগীত পাঠশালা ১৯৬২।

১০। গোস্বামী মালিনী — অসমত সংস্কৃত চৰ্চাৰ ইতিহাস যোৰহাট ১৯৯৮।

১১। গোস্বামী হেমচন্দ্ৰ — অসমীযা সাহিত্যৰ চানেকি ২য় সংস্কৰণ বাণীমন্দিৰ ২০০২।
পুৰণি অসম বুৰঞ্জী গুৱাহাটী ১৯৭৭।

১২। গগৈ লীলা — অসমীযা লোকগীতি গুৱাহাটী ১৯৫৭।
বিহুগীত আৰু বনঘোষা গুৱাহাটী ১৯৬১।
অসমীযা লোক সাহিত্যৰ ৰূপৰেখা ডিব্ৰুগড ১৯৮৪।
বুৰঞ্জী সাহিত্য ডিব্ৰুগড ১৯৮৪।
ঃ টাই সংস্কৃতিৰ ৰূপৰেখা ডিব্ৰুগড ১৯৯৪।

১৩। গোহাঁই হীৰেন — কীৰ্ত্তন পুথিৰ ৰস বিচাৰ গুৱাহাটী ১৯৮১।

	অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা ১ম খণ্ড গুৱাহাটী ১৯৮৭ ২য় খণ্ড গুৱাহাটী ১৯৯৩।
১৪। গগৈ নোমল	মায়ামৰা সমাজ সংস্কৃতিৰ ৰূপৰেখা তিনিচুকীয়া ১৯৮৫।
১৫। চক্ৰবৰ্ত্তী অজয় কুমাৰ	(সম্পা) প্ৰাচীন পুথি পুৰাণানুবাদ আৰু যোগকথনং সাহিত্য অকাডেমি দিল্লী ১৯৯৬।
১৬। চক্ৰবৰ্ত্তী অম্বিকাচৰণ	কোচৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি ৰত্নপীঠ প্ৰকাশন বঙাইগাওঁ ১৯৬৯।
১৭। চলিহা, ভৱপ্ৰসাদ (সম্পা)	প্ৰাগজ্যোতিষ, গুৱাহাটী ১৯৭৮।
	প্ৰাচ্যজ্যোতি মিৰ্জা ১৯৮৭।
	মহাপুৰুষ শংকৰদেৱ গুৱাহাটী ১৯৬৪।
	মাধৱদেৱৰ সাহিত্য মিৰ্জা ১৯৮৯।
	শংকৰী সংস্কৃতিৰ অধ্যয়ন গুৱাহাটী ১৯৭৮।
	শংকৰী সাহিত্যৰ সমীক্ষা নগাঁও ১৯৮৯।
১৮। চুতীয়া সোণাৰাম	অসমৰ বৈষ্ণৱ দৰ্শনৰ স্বৰ্ণৰেখা যোৰহাট ১৯৮৬।
১৯। ঠাকুৰীয়া ৰামমল	অসমীয়া সাহিত্যৰ বিকাশ বীণা লাইব্ৰেৰী গুৱাহাটী ১৯৯৩।
২০। ডেকা প্ৰণৱজ্যোতি	চৰ্যাগীত আৰু বৌদ্ধতন্ত্ৰ ২০০১।
২১। দত্ত বীৰেন্দ্ৰনাথ	গোৱালপৰীয়া লোক-গীত সংগ্ৰহ, যোৰহাট ১৯৭৪।
২২। দত্ত অনিমা	অসমৰ বৈষ্ণৱ সাহিত্য আৰু দৰ্শন গুৱাহাটী ১৯৯৫।
২৩। দত্তবৰুৱা হৰিনাৰায়ণ	(সম্পা) গুৰুচৰিত ৰামচৰণ ঠাকুৰ বিৰচিত নলবাৰী ২০০১।
	(সম্পা) শ্ৰীশঙ্কৰ বাক্যামৃত চিলং ১৯৫৩।
	(সম্পা) অসমীয়া মহাভাৰত ২য় খণ্ড ১৯৫৫।
২৪। দাস নাৰায়ণ	ব্ৰজবুলি ভাষা আৰু সাহিত্য গুৱাহাটী ১৯৯০।
	ব্ৰজাৱলী ভাষাৰ ব্যাকৰণ আৰু অভিধান গুৱাহাটী ১৯৯০।
ঃ	শংকৰী সাহিত্যৰ ভূমিকা গুৱাহাটী ১৯৮৯।
২৫। দাস ধীৰেণ ঃ	গোৱালপৰীয়া লোক-সংস্কৃতি আৰু লোকগীত চন্দ্ৰ প্ৰকাশ ১৯৯৪।
২৬। দেৱগোস্বামী কেশৱানন্দ	অংকীয়া ভাওনা ১৯৯২।
	সত্ৰ সংস্কৃতিৰ ৰূপৰেখা পাঠশালা ১৮৯৫ শক।
২৭। দেৱশৰ্মা ৰজনীকান্ত	কৌটিল্যীয় অৰ্থশাস্ত্ৰ ১৯৭৭।
২৮। দেৱচৌধুৰী নিশিপদ	হিউয়েন চাং ১৯৭০।

২৯। নাথ দ্বিজেন — গোৱালপৰীয়া লোক-সাহিত্যত দৃষ্টিপাত পাঠশালা ১৯৭৭।

৩০। নাথ ৰাজমোহন — মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱ মাধৱদেৱ চৰিত দৈত্যাৰি ঠাকুৰ ৰচিত লয়াৰ্চ বুক ষ্টল গুৱাহাটী ১৯৮৮।
কালীয়দমন নাট যোৰহাট ১৯৪৫।

৩১। নাথ প্ৰফুল্ল কুমাৰ — নাটৰ প্ৰাচীন আৰু আধুনিক ২০০১।
অসমীয়া কবিতাৰ প্ৰবাহ, ২০০৮।
ভক্তিমাৰ্গ আৰু ভাৰতীয় ভক্তি সাহিত্যত এভুমুকি ২০০৮।
(সম্পা) অৰ্জুন ভঞ্জন নাট (মাধৱদেৱ ৰচিত) ২০০৪।
উদ্ধৱযান নাট (গোৱালদেৱ ৰচিত) ২০০৮।
ভোজন বিহাৰ নাট (মাধৱদেৱ ৰচিত ২০০৪)।
চোৰধৰা আৰু পিম্পৰাগুছোৱা নাট (মাধৱদেৱ ৰচিত) ২০০৪।

৩২। নেওগ যোগেন্দ্ৰনাথ — (সম্পা) অসমীয়া বৈষ্ণৱ সংস্কৃতিৰ ৰূপৰেখা যোৰহাট ১৯৭৭।

৩৩। নেওগ মহেশ্বৰ — অসমীয়া সাহিত্যৰ ৰূপৰেখা গুৱাহাটী ১৯৬২।
গুৰু চৰিতৰ ইতিকথা অসম সাহিত্যসভা ১৯৮৩।
(সম্পা) বৰদোৱা গুৰুচৰিত গুৱাহাটী ১৯৭৭।
পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি ডিব্ৰুগড ১৯৫৭।
শ্ৰীশ্ৰী শংকৰদেৱ ১৯৬৩।
(সম্পা) স্বৰলিপিত বৰগীত গুৱাহাটী ১৯৫৭।
(সম্পা) বভ্ৰুবাহনৰ যুদ্ধ আৰু তাম্ৰধ্বজৰ যুদ্ধ ১৯৬০।
(সম্পা) প্ৰাচ্যশাসনাৱলী গুৱাহাটী
(সম্পা) ভক্তি গীত সংকলন ১৯৮৯।
(সম্পা) গুৰুচৰিত-কথা গুৱাহাটী

৩৪। নেওগ ডিম্বেশ্বৰ — অসমীয়া সাহিত্যৰ জিলিঙনি যোৰহাট ১৯৩৮।
অসমীয়া সাহিত্যৰ জেউতি যোৰহাট ১৯৩৮।
অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি যোৰহাট ১৯৪০।
অসমীয়া সাহিত্যৰ বুৰঞ্জী (সংক্ষিপ্ত) যোৰহাট ১৯৫০।
অসমীয়া সাহিত্যৰ বুৰঞ্জী (বৃহৎ) যোৰহাট ১৯৫৭।

নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী গুৱাহাটী ১৯৬২।
বৈষ্ণৱ ধৰ্মৰ আঁতিগুৰি যোৰহাট ১৯৪১।
বৈষ্ণৱ ধৰ্মৰ ভক্তিতত্ত্ব যোৰহাট ১৯৪১।
বৈষ্ণৱ ধৰ্মৰ ক্ৰমবিকাশ যোৰহাট ১৯৪২।
যুগনায়ক শংকৰদেৱ ৫২৮ শঙ্কৰাব্দ।

৩৫। পণ্ডিত গুনেন্দ্ৰনাথ — শৈৱ দৰ্শন আৰু সাহিত্যৰ পটভূমি ২য় সংস্কৰণ ১৯৮৪।

৩৬। ফুকন কবীন — অসমীয়া কবিতাৰ প্ৰবাহ, প্ৰথম খণ্ড গুৱাহাটী ১৯৯৫।

৩৭। বৰুৱা হেম — অসমীয়া সাহিত্য নেচনেল বুক ট্ৰাষ্ট ১৯৭০।

৩৮। বৰ্মন শিৱনাথ — শ্ৰীমন্ত শংকৰদেৱ কৃতি আৰু কৃতিত্ব গুৱাহাটী ১৯৮৬।
(সম্পা) প্ৰসংগ শংকৰদেৱ গুৱাহাটী ১৯৯৬।

৩৯। বৰা প্ৰফুল্ল চন্দ্ৰ — আধুনিক অসমীয়া সাহিত্যত শংকৰদেৱ প্ৰসংগ গুৱাহাটী ১৯৮৮।

৪০। বৰা জ্ঞাননাথ — পুৰণি অসমীয়া সাহিত্য গুৱাহাটী ১৯৫৬।

৪১। বৰুৱা, বিৰিঞ্চি কুমাৰ — অসমীয়া কথা সাহিত্য পুৰণি ভাগ নলবাৰী ১৯৫৫।
অসমীয়া ভাষা আৰু সংস্কৃতি গুৱাহাটী ১৯৫৭।

৪২। বৰদলৈ নিৰ্মলপ্ৰভা — অসমৰ লোক-কবিতা গুৱাহাটী ১৯৮৭।
অসমৰ লোক-সংস্কৃতি বীণা লাইব্ৰেৰী ১৯৭২।
দেৱী ১৯৮৬।
সূৰ্য্য সাহিত্য প্ৰকাশ ২০০০।
শিৱ ১৯৯৭।

৪৩। বৈশ্য ভূৱনেশ্বৰী — (সম্পা) অসমৰ বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি গুৱাহাটী ১৯৯১।

৪৪। ভৰালী শৈলেন — (সম্পা) দেৱজিত (মাধৱ কন্দলি বিৰচিত) ১৯৯৩।

৪৫। ভট্টাচাৰ্য কালীন্দ্ৰমোহন — (সম্পা) যোগিনীতন্ত্ৰম্, ১৯২৬।

৪৬। ভট্টাচাৰ্য নৰেন্দ্ৰনাথ — ভাৰতীয় ধৰ্মৰ ইতিহাস ১৩৭৪ শক।

৪৭। ভট্টাচাৰ্য হৰিচন্দ্ৰ — অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি গুৱাহাটী ১৯৬৮।

৪৮। ভূঞা সূৰ্যকুমাৰ — (সম্পা) কামৰূপৰ বৰুঞ্জী ২য় সংস্কৰণ গুৱাহাটী ১৯৫৮।
(সম্পা) দেওধাই অসম বুৰঞ্জী গুৱাহাটী ১৯৯০।

৪৯। ভট্টাচাৰ্য পদ্মনাথ — (সম্পা) কামৰূপ শাসনাৱলী ১৯৩১।
৫০। ভট্টাচাৰ্য পৰাগকুমাৰ — (সম্পা) প্ৰেম ধৰ্ম আৰু বৈষ্ণৱ কাব্য নলবাৰী ১৯৮৪।
৫১। মহন্ত বাপচন্দ্ৰ — ঐতিহাসিক পটভূমিত মহাপুৰুষ শংকৰদেৱ যোৰহাট ১৯৮৯।
নামঘোষা তত্ত্বদৰ্শন যোৰহাট ১৯৭৮।
শংকৰদেৱ দৰ্শন গুৱাহাটী ১৯৯৪।
৫২। মহন্ত কেশদা — কৃষ্ণ কথা মূলধাৰা যোৰহাট ১৯৯০।
অসমীয়া ৰামায়ণী সাহিত্য কথাবস্তুৰ আঁতিগুৰি যোৰহাট ১৯৮৪।
৫৩। মেধি কালিৰাম — শংকৰদেৱৰ বাণী নলবাৰী ১৯৪৯।
(সম্পা) অঙ্কাৱলী ১৯৫০।
৫৪। মালিক চৈয়দ আব্দুল — অসমীয়া জিকিৰ আৰু জাৰী গুৱাহাটী ১৯৫৮।
৫৫। ৰায় বসন্তৰঞ্জন — (সম্পা) শ্ৰীকৃষ্ণকীৰ্ত্তন
৫৬। ৰায়চৌধুৰী ভুপেন্দ্ৰ — ব্ৰজবুলি সাহিত্য মুকুৰ গুৱাহাটী ১৯৮৮।
৫৭। লেখাৰু উপেন্দ্ৰচন্দ্ৰ — অসমীয়া ৰামায়ণ সাহিত্য গুৱাহাটী ১৯৪৮।
(সম্পা) কথাগুৰু চৰিত ১৯৮৭।
৫৮। শৰ্মা কনকচন্দ্ৰ — (সম্পা) কবিৰাজ মাধৱ কন্দলিৰ ৰামায়ণ লয়াৰ্চ বুক ষ্টল ১৯৯৮।
৫৯। শৰ্মা গিৰিধৰ — (সম্পা) অসমীয়া জাতিৰ ইতিবৃত্ত যোৰহাট ১৯৭৪।
৬০। শৰ্মা হেমন্ত কুমাৰ — অসমীয়া সাহিত্যত দৃষ্টিপাত (১৯৬২) গুৱাহাটী ১৯৮৭।
(সম্পা) অসমীয়া লোকগীতি সঞ্চয়ন গুৱাহাটী ১৯৯০।
৬১। শৰ্মা ডিম্বেশ্বৰ — মহাপুৰুষ শংকৰদেৱৰ সাহিত্যত ৰস গুৱাহাটী ১৯৯৫।
৬২। শৰ্মা নবীন চন্দ্ৰ — পুৰণি অসমীয়া সাহিত্যৰ সুবাস গুৱাহাটী ১৯৭৩।
পুৰণি অসমীয়া সাহিত্যৰ আলোকৰেখা গুৱাহাটী ১৯৮৭।
(সম্পা) শিৱ পুৰাণ গুৱাহাটী ১৯৮৬।
দৰঙ্গ ৰাজবংশাৱলী গুৱাহাটী ১৯৯৫।
৬৩। শৰ্মা তীৰ্থনাথ — পঞ্চপুষ্প গুৱাহাটী ১৯৬৯।
ভক্তিবাদ অসম সাহিত্য সভা ১৯৭৭।

৬৪। শৰ্মা শশী — অসমৰ লোকসাহিত্য গুৱাহাটী ১৯৯৩।
: মাধৱ কন্দলিৰ ৰামায়ণ নলবাৰী ১৯৯৩।

৬৫। শৰ্মা সত্যেন্দ্ৰনাথ — অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ গুৱাহাটী ১৯৮২
অসমীয়া নাট্য সাহিত্য গুৱাহাটী ১৯৬২।
অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত গুৱাহাটী ১৯৮১।
পুৰণি সাহিত্য অধ্যয়ন গুৱাহাটী ১৯৮২।
পৰম্পৰাগত প্ৰাচ্য নাট্যাভিনয় গুৱাহাটী ১৯৭০।
প্ৰবন্ধ চয়নিকা গুৱাহাটী ১৯৭৯।
ৰামায়ণৰ ইতিবৃত্ত ডিব্ৰুগড় বিশ্ববিদ্যালয় ১৯৮৪।
সাহিত্যৰ আভাস গুৱাহাটী ১৯৬৩।
(সম্পা) অঙ্কমালা ১৯৭৩।

৬৬। শৰ্মাদলৈ হৰিনাথ — অসমীয়া গদ্য সাহিত্যৰ গতিপথ বৰপেটা ১৯৯২।
: শংকৰদেৱৰ সাহিত্য প্ৰতিভা প্ৰথমখণ্ড বৰপেটা ১৯৮০।
শংকৰদেৱৰ সাহিত্য প্ৰতিভা দ্বিতীয়খণ্ড বৰপেটা ১৯৯৫।
সাহিত্য আৰু সংস্কৃতি বৰপেটা ১৯৬৫।
অসমত শক্তি সাধনা আৰু শাক্ত সাহিত্য প্ৰথম প্ৰকাশ ১৯৯৩।

৬৭। শাস্ত্ৰী আচাৰ্য মনোৰঞ্জন — অসমৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা বাণীপ্ৰকাশ গুৱাহাটী ১৯৯১।

৬৮। শাস্ত্ৰী বিশ্বনাৰায়ণ — (সম্পা) কালিকাপুৰাণম্ ১৯৭২।

৬৯। সৰস্বতী জগদীশ্বৰানন্দ — (সম্পা) মহাভাৰতম্ ১৯৯১।

৭০। হাজৰিকা পৰীক্ষিত — চৰ্য্যাপদ গুৱাহাটী ১৯৭৩।
শংকৰী জেউতি ডিব্ৰুগড় ১৯৬৭।
আলোচনা সাহিত্য (১৯৬৫) গুৱাহাটী ১৯৯৩।
(সম্পা) শংকৰী স্মৃতিগ্ৰন্থ, ডিব্ৰুগড ১৯৬৫।

৭১। হাজৰিকা অতুল চন্দ্ৰ — মঞ্চলেখা ১৯৬৮।

৭২। হাজৰিকা বিশ্বেশ্বৰ — (সম্পা) অসমীয়া সাহিত্যৰ বুৰঞ্জী (১ম খণ্ড)।

৭৩। হাজৰিকা কৰবী ডেকা — মাধৱদেৱ সাহিত্য কলা আৰু দৰ্শন ডিব্ৰুগড ১৯৮৭।

৭৪। ক) মহন্ত কেশদা — অসমীয়া ৰামায়ণী সাহিত্য যোৰহাট ১৯৮৪।

ইংৰাজী গ্ৰন্থ ঃ

1	Acharya N N	The History of Medieval Assam 1966
2	Barua Birinchi Kumar	Assamese Lieterature PEN Bombay 1941
		Studies in Early Assamese Literature Guwahat 1953
		Sankardeva Vaisnavite Saint of Assam Guwahati 1962
		History of Assamese Literature Sahitya Academi Delhi 1964
		A cultural History of Assam 1950
3	Baruah Hem	Assamese Literature NBT New Delhi 1968
4	Barua K L	Early History of Kamrupa 1966
4	Barua Nabakanta	Folkways in Literature An Aesthetic Impırative Sahitya Akademi 1995
5	Bezbaroa, Lakshminath	History of Vaisnavism in India, Boroda, 1934
		Raslila of Sri Krishna Boroda 1934
6	Bhattacharya Harichandra	Origin and Development of the Assamese Drama and Stage Guwahati 1964
7	Bhattacharayya B	An Introduction to Buddhist Esterism 1932
8	Bhattacharayya H	Origin and Development of the Assamese drama and stage 1964
9	Bora Mahendra	Evoluation of Assamese Script
10	Bhuyan S K	Studies in the Literature of Assam Guwahati 1956
11	Chakravartti A K	Literature of Kamata Koch Bihar Raj Darbar 1962
12	Chatterjee S K	The place of Assam in the History and civilization of India 1970
		Languages and Literatures of Modern India 1981
13	Chaliha B (ed)	Sankardeva Studies in Culture Guwahati 1976

14 Chaliha D	Assamese Language and Literature Jorhat 1949
15 Choudhury P C	The History of civilization of the people of Assam
16 Choudhury R D	(ed)Asspects of History and Culture
17 Crook W	Popular Religion and Folklore of North India 1894
18 De S K	Vaisnava Faith of Movement in Bengal Calcutta 1942
19 Devi Lakshmi	Ahom Tribal Relations
20 Dasgupta S B	Obscure Religious Cults of Bengal C U 1945
21 Dasgupta S N	History of Indian Philosohpy Vol II 1945
22 De S K Vaisnava	Faith and Movement in Bengal Calcutta 1942
23 Dowson John	A Clasical Dictionaryof Hindu Mythology 1984
24 Goswami H	Descriptive Catalogue of Assamese Manuscripts 1930
25 Goswami S	Introducing Assam Vaisnavism Guwahati 1964
26 Grierson G E	(ed) The Song of Manikchandra (Introduction)
27 Hazar R C	Studies in the Upa purans Vol II 1977
28 Hopkins, E W	The Religions of India Boston 1902
29 Kakti B	Aspects of Early Assamese Literature G U 1953
	Assamese Its Formation and Development Guwahati 1962
	Mother Goddess Kamakhya Guwahati 1948
	The Life and Teachings of Sankardeva Madras 1922
	Visnuvite Myths and Legends Guwahati 1952
30 Majumdar R C	(ed)The History and Culture of the Indian People Vol VIII 1972

31 Mallıck G — Phılosophy of Vaısnavısm Lahore 1927
32 Medhı K — Studıes ın the Vaısnava lıterature and culture of Assam Asom Sahıtya Sabha 1978
33 Medhı K — Studıes ın the Vaısnava Lıterature and Culture of Assam Assam Sahıtya Sabha 1978
34 Mukharjee A M — Vaısnavısm ın Assam and Bengal Bardhaman 1986
35 Murty H V N — Vaısnavısm of Sankardeva and Ramanuja A Comparatıve Study Delhı 1970
36 Neog D — Jagat Guru Sankardeva The Founder of Mahapurusısm Nagaon 1965
New Lıght on Hıstory of Asamıya Lıterature Guwahatı 1962
37 Neog M — Sankardeva and Hıs Tımes G U 1965
The Assamese Drama and the Theatre Movement ın Assam Guwahatı 1962
Sankardeva and Hıs Predecessors Guwahatı 1953
The Contrıbutıon of the Sankardeva Movement to the Culture and Cıvılısatıon of Indıa Guwahatı 1988
Tradıtıon and Style Guwahatı 1981
The Bhaktı Ratnakara of Sankardeva and the Hıstory of the concept of Bhaktı Patıala 1982
38 Pa ı ley — Assam the Land of Sankardeva Bombay 1979
39 Sarma C — THe Vaısnavıte Poet of North Easter Indıa Ananta Kandalı Calcuta 1991
40 Sarma ‘ N — Epıcs and Puranas ın Early Assamese Lıterature Guwahatı 1972
A Socıo Economıc and Cultural Hıstory of Medıeval Assam Guwahatı 1989
The Neo-Vaısnavıte Movement and the Satra Instıtutıons of Assam G U 1966

Studies in the Vaisnava Literature and Culture of Assam 1978

41 Sarma S N And Bora S C — (ed) The Poetry of Sankardeva Guwahati 1969

42 Sarma M M (ed) — Inscrsption of Ancient Assam Gauhati University 1978

43 Sen Sukumar — The History of Brajabuli literature

44 Sircar D C — The Sakta Pithas Calcutta 1948

45 Vasu N N — The Social History of Kamrupa Vol I 1922 Vol II 1926

46 Winternitz M — A History of Indian Literature Calcutta Vol I 1927 Vol II 1933

বাংলা গ্ৰন্থ ঃ

১। গোস্বামী কৃষ্ণপদ — বাংলা ভাষাতত্ত্বৰ ভূমিকা কলিকতা ১৯৬৬।

২। ঘোষ সতী — ভাৰতেৰ বৈষ্ণৱ পদাবলী কলিকতা ১৯৮৪।

৩। চক্ৰবৰ্তী জাহ্নবী কুমাৰ — চৰ্যাগীতিৰ ভূমিকা কলিকতা ১৩৯০।

৪। চৌধুৰী ভূদেব — বাংলা সাহিত্যেৰ ইতিকথা কলিকতা ১৯৬২।

৫। দাসগুপ্ত তমোনাশচন্দ্ৰ — প্ৰাচীন বাঙ্গালা সাহিত্যেৰ ইতিহাস ৰাধাৰ ক্ৰমিবকাশ সাহিত্যেৰ দৰ্শনে কলিকতা ১৩৫৯। বৌদ্ধধৰ্ম ও চৰ্যাগীতি

৬। বন্দোপাধ্যয় অসিতকুমাৰ — বাংলা সাহিত্যেৰ ইতিবৃত্ত, ১ম খণ্ড ১৯৪৯ ৩য় খণ্ড ১৯৬৬।

৭। বন্দোপাধ্যায় শ্ৰীকুমাৰ — বাংলা সাহিত্যেৰ কথা

৮। বসু, মনীন্দ্ৰমোহন — চৰ্যগীতি পদাবলী।

৯। বসু, শংকৰীপ্ৰসাদ — চণ্ডীদাস ও বিদ্যাপতি মধ্যযুগেৰ কবি ও কাব্য কলিকতা ১৩৬৭।

১০। ভট্টশালী নলিনীকান্ত ঃ (সম্পা) ময়নামতীৰ গান।

১১। ভট্টাচাৰ্য দেৱীপদ — বৈষ্ণৱ পদাবলী সাহিত্যেৰ পশ্চাৎপদ ও উৎস গুৱাহটী ১৯৭৪।

১২। ভট্টাচাৰ্য পৰেশচন্দ্ৰ — বৈষ্ণৱ পদাবলী ঃ উদ্ভৱ ও ক্ৰমবিকাশ কলিকতা ১৯৯২।

১৩। মণ্ডল পঞ্চানন — গোৰ্খবিজয় (ভূমিকা)

১৪। ৰায় নীহাৰৰঞ্জন — বাঙালীৰ ইতিহাস (আদিপর্ব)।
১৫। সেন নীলৰতন — চর্যা গীতিকোষ।
বৈষ্ণৱ পদাৱলী পৰিচয়।
১৬। সেন দীনেশচন্দ্ৰ — বঙ্গভাষা ও সাহিত্য
১৭। সেন সুকুমাৰ — বাংগালা সাহিত্যেৰ ইতিহাস ৫ম ভাণ্ডৰণ ১৯৭০।
প্ৰাচীন বাংলা ও বাঙ্গালী।
১৮। সেন ক্ষিতিমোহন — ভাৰতেৰ সংস্কৃতি বিশ্বভাৰতী ১৯৫৪।
১৯। মজুমদাৰ ৰমেশচন্দ্ৰ — বাংলাদেশেৰ ইতিহাস ১ম খণ্ড।
২০। মুখোপাধ্যায় সুখময় — মধ্যযুগেৰ বাংলা সাহিত্যেৰ তথ্য ও কালক্ৰম।
২১। মুখোপাধ্যায় হৰেকৃষ্ণ — কবি জয়দেৱ ও শ্ৰীগীতগোবিন্দ (ভূমিকা)

হিন্দী ঃ

১। গুপ্ত লক্ষ্মীশংকৰ — মহাপুৰুষ শংকৰদেৱ ব্ৰজবুলি গ্ৰন্থাৱলী প্ৰয়াগ ১৯৭৫।
২। তিৱাৰী হীৰা — গঙ্গাঘাটী কে লোকগীত বাৰাণসী ১৯৮৪।
৩। চতুৰ্বেদী পৰশুৰাম — উত্তৰ ভাৰত কী সন্ত পৰম্পৰা প্ৰয়াগ।
৪। তোমৰ কণিকা — ব্ৰজভাষা ঔৰ ব্ৰজবুলি সাহিত্য কাশী বিশ্ববিদ্যালয় ১৯৬৪।
৫। প্ৰসাদ 'মাগধ কৃষ্ণনাৰায়ণ — মাধৱদেৱ ঃ ব্যক্তিত্ব আৰু কৃতিত্ব গুৱাহাটী ১৯৭৯।
শংকৰদেৱ সাহিত্যকাৰ ঔৰ বিচাৰক পঞ্জাবী বিশ্ববিদ্যালয় ১৯৮৬।
শংকৰদেৱ কে নাটক গুৱাহাটী ১৯৭৫।
৬। মহন্ত বাপচন্দ্ৰ — অসমকে বৰগীত গুৱাহাটী ১৯৭৫।
৭। ৰায়চৌধুৰী ভূপেন্দ্ৰনাথ — অসমীয়া লোক সাহিত্য কী ভূমিকা ভাৰতী প্ৰকাশন গুৱাহাটী।
৮। শৰ্মা শ্ৰীৰাম — লোকসাহিত্য সিদ্ধান্ত ঔৰ প্ৰয়োগ আগৰা ১৯৮১।

প্ৰশ্নাৱলী

প্ৰথম অধ্যায়

১। ত্ৰয়োদশ শতিকাৰ আৰম্ভণিলৈকে অসমৰ ৰাজনৈতিক ইতিহাসৰ পটভূমি ব্যাখ্যা কৰা।

২। পুৰণি অসমৰ অৰ্থনৈতিক ইতিহাসৰ বিষয়ে চমুকৈ আলোচনা কৰা।

৩। অসমীয়া ভাষাৰ উদ্ভৱ কেতিয়া হয়? অসমীয়া ভাষাৰ ইতিহাসৰ এটি চমু আভাস দিয়া।

৪। অসমীয়া লিপিৰ ইতিহাস সম্পৰ্কে চমু আলোচনা আগবঢ়োৱা।

৫। মধ্যযুগৰ অসমীয়া লিপিৰ ইতিহাস দিবৰ যত্ন কৰা। [GU ASL 2008]

৬। খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈ অসমীয়া লিপিৰ বিকাশ কিদৰে ঘটিছে, আলোচনা কৰা। [GU ASL 2004]

৭। লিপি বুলিলে কি বুজা ? ভাৰতীয় সৰ্বপ্ৰাচীন লিপি কি? অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ কেনেকৈ ঘটিছে, যুক্তিসহকাৰে আলোচনা কৰা [GU ASL 2004]

৮। আৰম্ভণিৰ পৰা ত্ৰয়োদশ শতিকালৈকে প্ৰাচীন অসমীয়া লিপিৰ গতি প্ৰকৃতি সম্পৰ্কে লিখা। [GU ASL 2005]

৯। কোন লিপিৰ পৰা অসমীয় লিপিৰ উদ্ভৱ আৰু বিকাশ ঘটিছে, যুক্তিসহকাৰে আলোচনা কৰা। [GU ASL 2005]

১০। খৃষ্টীয় পঞ্চম শতিকাৰ পৰা খৃষ্টীয় দ্বাদশ শতিকালৈকে কামৰূপী লিপিৰ গতি প্ৰগতি সম্পৰ্কে আলোচনা কৰা। [GU Major 2005]

১১। লিপি বুলিলে কি বুজা? ব্ৰাহ্মী লিপিৰ পৰা অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ কেনেকৈ হ'ল? বুজাই লিখা। [GU ASL 2006]

১২। পুৰণি অসমৰ ধৰ্মৰ ইতিহাস দিবৰ যত্ন কৰা।

১৩। অসমৰ শৈৱ আৰু শাক্ত ধৰ্মৰ চমু আভাস দিয়া।

দ্বিতীয় অধ্যায়

১। 'চৰ্যাপদ'ক অসমীয়া ভাষাৰ প্ৰাচীনতম নিদৰ্শন বুলি কিয় কোৱা হয়? উপযুক্ত উদাহৰণ দি বুজাই লিখা। [G U ASL 2004]

২। চৰ্যাপদৰ ৰচয়িতাসকলৰ ভিতৰত বহুতো পুৰণি কামৰূপৰ লোক আছিল বুলি কি কি যুক্তিৰ আধাৰত প্ৰতিপন্ন কৰা হৈছে, বিচাৰ কৰা।

[G U ASL 2005]

৩।। অসমীয়া ধ্ৰুপদী সঙ্গীতৰ আলোচনা প্ৰসঙ্গত চৰ্যাপদসমূহৰ স্থান নিৰূপণ কৰা।

[G U ASL 2005]

৪। চৰ্যাপদ বুলিলে কি বুজা? এই পদসমূহৰ ৰচনাকাল নিৰ্ণয় কৰা। চৰ্যাপদক অসমীয়া ভাষাৰ আদি নিদৰ্শন বুলিব পাৰিনে? যুক্তিৰে প্ৰতিপন্ন কৰি এক আলোচনা আগবঢ়োৱা। [G U ASL 2006]

৫। চৰ্যাপদৰ ৰচয়িতা সকলৰ ভিতৰত বহুতো পুৰণি কামৰূপৰ লোক আছিল বুলি কি কি যুক্তিৰে আধাৰত প্ৰতিপন্ন কৰা হৈছে বিচাৰ কৰা।

[G U ASL 2007]

৬। ভাষা আৰু সাহিত্যৰ কোনকেইটা যুক্তিৰ আধাৰত চৰ্যাগীত সমূহক অসমীযা ভাষা সাহিত্যৰ আদি নিদৰ্শন বুলিব পাৰি বিশদভাৱে আলোচনা কৰা।

[G U ASL 2008]

৭। অসমৰ নাথ সম্প্ৰদাযৰ সাহিত্যৰ এটি চমু আলোচনা কৰা।

তৃতীয অধ্যায়

১। লোক সাহিত্য বুলিলে কি বুজা? অসমীয়া লোক সাহিত্যৰ প্ৰধান বিভাগবোৰ কি কি ? যেই সেই দুটা বিভাগৰ এটি আলোচনা আগবঢ়োৱা।

[G U ASL 2005]

২। শ্ৰীকৃষ্ণ কীৰ্ত্তন আৰু শূন্য পুৰাণৰ বিষয়ে চমুকৈ লিখা।

৩। অসমীয়া বৰগীতৰ প্ৰধান বৈশিষ্ট্যবোৰৰ বিষয়ে এটি আলোচনা আগবঢোৱা।

৪। বাৰমাহী গীত বা ঝুনা বুলিলে কি বুজা? কোন ঠাইত সেইবিধ গীতৰ প্ৰচলন বেছি আছিল বুলি ভাষা? যেই সেই এবিধ বাৰমাহী গীতৰ বিষযবস্তু আৰু তাৰ কাব্যিক সৌন্দৰ্য্য সম্পৰ্কে আলোচনা কৰা।

৫। লোক গীত কাক বোলে? ই কেইপ্ৰকাৰৰ আৰু কি কি? প্ৰতিটো ভাগৰে নিদৰ্শনৰ সৈতে চমু চিনাকি দাঙি ধৰা।

চতুৰ্থ অধ্যায়

১। প্ৰাক শংকৰীযুগৰ সৰ্বশ্ৰেষ্ঠ কবিজন কোন? তেওঁৰ কাব্যকৃতিৰ বিষয়ে চমুকৈ লিখা।

২। মাধৱ কন্দলিৰ পৰিচয় দি তেওঁৰ সাহিত্য প্ৰতিভা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। [G U ASL 2004]

৩। বিভিন্ন সমালোচকৰ মতামত অনুমতি হেম সৰস্বতীৰ সময় আৰু তেওঁৰ কাব্যপ্ৰতিভা সম্পৰ্কে এটি নিবন্ধ প্ৰস্তুত কৰা। [G U Major 2005]

৪। হৰিবৰ বিপ্ৰৰ কাব্যপ্ৰতিভা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৫। কবিৰত্ন সৰস্বতীৰ কাব্য প্ৰতিভা বিশ্লেষণ কৰা।

৬। ৰুদ্ৰ কন্দলিৰ কাব্য প্ৰতিভা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

পঞ্চম অধ্যায়

১। 'ভাষাৰ লালিত্য ছন্দৰ ঝংকাৰ সুৰৰ লাৱণ্য ভক্তিৰ দৃঢ়তা আৰু চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে কীৰ্ত্তন ৰচিত। কথাষাৰ উদাহৰণসহ বুজাই দিয়া।

২। বৰগীত কাক বোলে? বৰগীত সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

৩। ৰচনাৰ ব্যাপকতা আৰু বৰ্ণনীয় কথাবস্তুলৈ দৃষ্টি ৰাখি ৰাম সৰস্বতীক অসমীয়া ব্যাস আখ্যা দিব পাৰি। — এই উক্তিৰ যথাৰ্থতা বিচাৰ কৰা।

৪। অংকীয়া নাটৰ উদ্ভৱ বিস্তৃতি আৰু নাট্য বৈশিষ্ট্য সম্পৰ্কে বহলাই আলোচনা কৰা।

৫। মহাপুৰুষ শংকৰদেৱৰ শ্ৰেষ্ঠ গ্ৰন্থ কোনখন? সেই গ্ৰন্থৰ বিষযবস্তু ৰচনাকৌশল আৰু মৌলিকত্ব সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

৬। কীৰ্ত্তন-ঘোষা গ্ৰন্থৰ বিষয়বস্তু ৰচনাকৌশল আৰু মৌলিকত্ব সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

৭। বৰগীত কাক বোলে? বৰগীতৰ বিভাগ কেইটা আৰু কি কি? অসমীয়া ভক্তি সাহিত্যত বৰগীতৰ স্থান নিৰ্ণয় কৰা।

৮। শ্লোক সংস্কৃতে আমি লিখিকক ভাল জানি
তথাপি কৰিলো পদবন্ধ।
স্ত্ৰী শূদ্ৰ আদি জানোক পৰমতত্ত্ব
শ্ৰৱণত মিলোক আনন্দ।
এই বক্তব্য কাৰ? তেও কি কি ভক্তিমূলক গ্ৰন্থ ৰচনা কৰিছিল ৰচনাৰ বিষয়বস্তু বৰ্ণনা কৰি তেওঁৰ কাব্য প্ৰতিভাৰ আভাস দাঙি ধৰা।

৯। 'নামঘোষাই অসমীয়া সাহিত্যত গীতা উপনিষদৰ ঠাই অধিকাৰ কৰি আছে আলোচনা কৰা।

১০। কবি আৰু নাট্যকাৰ হিচাপে মাধৱদেৱৰ প্ৰতিভাৰ মূল্যায়ন কৰা।

১১। অনন্ত কন্দলিৰ কাব্য প্ৰতিভা বিচাৰ কৰা।

সপ্তম অধ্যায়

১। শংকৰদেৱৰ সমসাময়িক অন্যান্য কেইগৰাকীমান কবিৰ চমু পৰিচয় দিয়া। [G U Major 2005]

২। বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যৰ গদ্যৰীতি সম্পৰ্কে এটি বিশ্লেষণাত্মক নিবন্ধ যুঁগুত কৰা। [G U Major 2005]

৩। অসমীয়া চৰিত সাহিত্যৰ উদ্ভৱ বিকাশ আৰু সমাজৰ ওপৰত ইয়াৰ সম্ভাব্য প্ৰভাৱ সম্পৰ্কে ফঁহিয়াই লিখা।

৫। বুৰঞ্জী সাহিত্য বুলিলে কি বুজা? অসমীয়া সাহিত্যৰ ইতিহাসত বুৰঞ্জী সাহিত্যৰ গুৰুত্ব কেনেধৰণৰ আলোচনা কৰা।

৬। শংকৰোত্তৰ যুগৰ সাহিত্যৰ পটভূমি বিশ্লেষণ কৰা। [G U ASL 2004]

অষ্টম অধ্যায়

১। শংকৰোত্তৰ যুগৰ অনুবাদ সাহিত্যৰ বিষয় চমুকৈ লিখা।

২। শংকৰোত্তৰ কালছোৱাত মহাভাৰতৰ অনুবাদৰ লগত জড়িত কবিসকলৰ চমু পৰিচয় দিয়া।

৩। ভাগৱত পুৰাণৰ অনুবাদক হিচাপে শংকৰোত্তৰ কবিসকলৰ প্ৰতিভা বিশ্লেষণ কৰা। [G U ASL 2004]

৪। শংকৰোত্তৰ যুগত ৰামায়ণৰ অনুবাদকৰ্মৰ সৈতে জড়িত কবিসকলৰ চমু পৰিচয় দিয়া।

নৱম অধ্যায়

১। শংকৰোত্তৰ যুগৰ পুৰাণ সাহিত্যৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

২। শংকৰোত্তৰ যুগৰ তান্ত্ৰিক আৰু শাক্ত সাহিত্য সম্পৰ্কে আলোচনা কৰা।

৩। শংকৰোত্তৰ যুগৰ চৰিত পুথিৰ লেখকসকলৰ বিষয়ে চমুকৈ লিখা। [G U ASL 2004]

৪। কবিৰাজ চক্ৰবৰ্তী অথবা ৰুচিনাথ কন্দলিৰ চমু পৰিচয় দি তেওঁলোকৰ কাব্য প্ৰতিভা বিচাৰ কৰা।

দশম অধ্যায়

১। 'শংকৰোত্তৰ নাট' এটি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

২। শংকৰোত্তৰ যুগৰ গীতি সাহিত্যৰ বিষয়ে এটি সমীক্ষা আগবঢ়োৱা।

৩। ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজা? শংকৰোত্তৰ যুগৰ ব্যৱহাৰিক সাহিত্যৰ বিষয়ে আলোচনা আগবঢ়োৱা।

৪। গোপাল আতা আৰু শ্ৰীৰাম আতাৰ গীতৰ বিষয়ে চমুকৈ লিখা।

প্ৰশ্নকাকত

2008
Assamese (Major)
Paper 11
Full Marks 100

Time 3 hours

The figures in the margin indicate full marks for the questions

প্ৰথম খণ্ড

(মূল্যাংক ৮০)

যিকোনো পাঁচোটা প্ৰশ্নৰ উত্তৰ লিখিবা ঃ

১। আখ্যান গীত বুলিলে কি বুজা? অসমীয়া ভাষাত ৰচিত আখ্যান গীতৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা। ১৬

২। হৰিবৰ বিপ্ৰ কোন শতিকাৰ কবি? তেওঁৰ কাব্যকৃতিৰ এটি মূল্যায়ন আগবঢ়োৱা। ১৬

৩। ঝুমুৰা বুলিলে কি বুজা? মাধৱদেৱৰ ৰচিত ঝুমুৰা কেইখনৰ সমীক্ষাত্মক মূল্যায়ন আগবঢ়োৱা। ১৬

৪। মধ্যযুগৰ অসমীয়া লিপিৰ ইতিহাস দিবৰ যত্ন কৰা। ২০

অথবা

চমুটোকা লিখা ঃ (যিকোনো চাৰিটা) ৫×৪ = ২০

(ক) ব্ৰাহ্মী লিপি

(খ) গড়গঞা লিপি

(গ) কাইথেলী লিপি

(ঘ) প্ৰাচীন অসমীয়া লিপি

(ঙ) কানাই বৰশীবোৱা শিলালিপি

(চ) লিপি-সামগ্ৰী

2008

Elective Assamese

Full Marks 100

Time 3 hours

The figures in the margin indicate full marks for the questions

প্ৰথম খণ্ড

(মূল্যাংক ৮০)

১। (ক) ভাষা আৰু সাহিত্যৰ কোন কেইটা যুক্তি আধাৰত চৰ্যাগীতসমূহক অসমীয়া 'ভাষা-সাহিত্যৰ আদি নিদৰ্শন বুলিব পাৰি বিশদভাৱে আলোচনা কৰা। ১৮

অথবা

(খ) জনশ্ৰুতিমূলক লোকগীত কাক বোলে? ইয়াক কেই শ্ৰেণীত ভাগ কৰিব পাৰি উদাহৰণৰ সৈতে বুজাই লিখা।

অথবা

(গ) 'সাধুকথা আৰু 'ফকৰা যোজনা'ই অসমীয়া জনসাহিত্যৰ কিদৰে পুষ্টিসাধন কৰিছে আলোচনা কৰাঁ।

২। (ক) প্ৰাকশংকৰীযুগৰ কাব্যসাহিত্যত হৰিবৰ বিপ্ৰৰ স্থান সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰাঁ। ১৮

অথবা

(খ) মহাপুৰুষ শংকৰদেৱৰ বৰগীতৰ বিষয়বস্তু ভাষা আৰু দাৰ্শনিক তত্ত্ব সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

অথবা

(গ) মহাপুৰুষ মাধৱদেৱৰ কবি আৰু নাট্যকাৰ ৰূপত প্ৰতিভাৰ মূল্যায়ন কৰাঁ।

৩। (ক) সুকবি নাৰায়ণদেৱৰ পৰিচয় প্ৰদান কৰি তেওঁৰ সাহিত্য প্ৰতিভা প্ৰদৰ্শন কৰা। ১৮

৪। (ক) তলৰ যিকোনো দুখন গ্ৰন্থৰ বিষয়ে চমু পৰিচয় দাঙি ধৰা —

২×৪ = ৮

হস্তী বিদ্যাৰ্ণৱ কানীয়া কীৰ্ত্তন কান খোৱা ৰাম নৱমী নাটক বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী।

(খ) চৰিত সাহিত্য অথবা বুৰঞ্জী সাহিত্যৰ থূলমূল পৰিচয় দিয়া। ১০

দ্বিতীয় খণ্ড

(মূল্যাংক ঃ ২০)

৫। (ক) ভাৰতৰ সৰ্বপ্ৰাচীন লিপিৰ পৰিচয় দাঙি ধৰি কেনেকৈ এই লিপিয়ে গতি আৰু প্ৰগতি লাভ কৰিলে সেই বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ১১

অথবা

(খ) মধ্যযুগৰ অসমীয়া লিপিৰ ইতিহাস দিবৰ যত্ন কৰাঁ।

৬। তলৰ যিকোনো তিনিটাৰ চমু টোকা লিখা ৩×৩ = ৯

(ক) কুটিল লিপি।

(খ) গছতল শিলালিপি।

(গ) কানাই বৰশীবোৱা শিলালিপি।

(ঘ) গুপ্তযুগৰ লিপিৰ আঞ্চলিক ৰূপ।

(ঙ) অশোকৰ 'শাহবাঝগটী আৰু 'মানসেহৰা লিপি।

(চ) কায়থেলী লিপি।